অসম সাহিত্য সভাৰ সভাপতি সকলৰ
জীৱন সমীক্ষা

সম্পাদক

মদন চন্দ্ৰ মেধি

প্ৰকাশক

নুনমাটি সাহিত্য সভা

নুনমাটি, গুৱাহাটী-২০

প্ৰকাশকঃ

মদন চন্দ্ৰ মেধি

সম্পাদক

নুনমাটি সাহিত্য সভা

নুনমাটি, গুৱাহাটী-২০

প্ৰথম প্ৰকাশঃ আগষ্ট,১৯৯৬

মূল্য—৫০'০০ টকা

ছপাঃ

'কলাসংগম প্ৰিণ্টাৰ্চ' উলুবাৰী, গুৱাহাটী—৭

669514

নুনমাটি সাহিত্য সভাৰ সদস্য সমাজসেৱী

৺কৰুণা কান্ত তালুকদাৰৰ

সোঁৱৰণত

৺করুণা কান্ত তালুকদাৰৰ চমু পৰিচিতি

গুৱাহাটী মহানগৰীৰ আন এটি ব্যস্ত অঞ্চল নুনমাটি। নুনমাটি অঞ্চলৰে পুৰণি বাসিন্দা সকলৰ মাজত বৰ্তমানো এটি চিনাকি নাম করুণা কান্ত তালুকদাৰ। এক কথাত কৰলৈ গ'লে ভাল

টিহুৰ ওচৰৰ শিয়ালমাৰিত ১৯৩৯ চনৰ জানুৱাৰীত জন্ম গ্ৰহণ কৰা করুণাকান্ত তালুকদাৰৰ পিতৃ—৺পূৰ্ণ কান্ত তালুকদাৰ আৰু মাতৃ মালাপ্ৰিয়া তালুকদাৰ। কৰ্মময় জীৱনত বিভিন্ন সময়ত বিভিন্ন প্ৰতিষ্ঠানত কাম কৰি ইংৰাজী লেখৰ ১-১২-৬১ চনত গুৱাহাটী শোধনাগাৰৰ চাকৰিত নিযুক্ত হয়। নুনমাটিলৈ আহি নুনমাটিকে আপোন কৰি সাৱতি ল'লে আৰু জীৱনৰ শেষ ছোৱা কাললৈ ইয়াতে থাকিল। নুনমাটিৰ বিষ্ণুৰাভা নগৰত স্থায়ী ঘৰ সাজি থাকিবলৈ ললে আৰু নিজৰ চেষ্টাৰে যিকন পাৰে নুনমাটিৰ উন্নয়নৰ হকে সেৱা নকৰাকৈ থকা নাই। সাধাৰণ লোকৰ প্ৰতি দয়াশীল, সাহসী পুৰুষ। ৺তালুকদাৰৰ পত্নী বন্তী তালুকদাৰ। চাকৰিৰ পৰা অৱসৰ পাবলৈ প্ৰায় ছয় বছৰ কাল থাকোতেই আকস্মিক ভাবে ইংৰাজী ১৯-১২-৯০ চনত তালুকদাৰৰ মৃত্যু হয়।

নুনমাটি সাহিত্য সভাৰ প্ৰতি আস্থাৰ ভাব প্ৰকাশ কৰি সভাৰ সদস্য ভৰ্ত্তি হোৱা করুণাকান্ত তালুকদাৰে মৃত্যুৰ পৰত তেওঁৰ পত্নীৰ লগতে তিনিজন পুত্ৰ ভবেশ তালুকদাৰ, প্ৰদীপ তালুকদাৰ, ধ্ৰুৱতালুকদাৰ আৰু ডুগৰাকী জীয়েক মঞ্জু তালুকদাৰ আৰু দীপিকা তালুকদাৰক এৰি থৈ গৈছে।

এসময়ত অভিনয় আৰু ক্ৰীড়াৰ প্ৰতি বিশেষ অনুৰাগী তালুকদাৰৰ নুনমাটি উচ্চ বিদ্যালয় স্থাপনৰ ক্ষেত্ৰত ও বৰঙণি আছে বুলি জনা যায়। মেহনতি শ্ৰমিকৰ প্ৰতি শ্ৰদ্ধাশীল তালুকদাৰৰ সোঁৱৰণত নুনমাটি সাহিত্য সভাই প্ৰকাশ কৰিছে তেওঁৰ এয়া চমু পৰিচিতি।

মদন চন্দ্ৰ মেধি সম্পাদক, নুঃ সাঃ সঃ

৺থানেশ্বৰ দাসৰ চমু পৰিচিতি

পুণ্যপীঠ বৰপেটা ধামৰ দক্ষিণ হাটীত ইংৰাজী ১১-৩-১৯১৫ চনত জন্ম গ্ৰহণ কৰা থানেশ্বৰ দাস সুনমাটি অঞ্চলৰ স্থায়ী বাসিন্দাৰ বাবে অচিনাকি নহয়। কৰ্ম জীৱনত তেওঁ জন্ম স্থান আৰু ব্যৱসায়ৰ স্থান গুৱাহাটীৰ সুনমাটিত বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত আছিল। বৰপেটাৰ বিলৰটাৰীহাটী প্ৰাইমাৰী স্কুলৰ পৰা শিক্ষা আৰম্ভ কৰি বৰপেটা বিদ্যাপীঠৰ পৰা প্ৰবেশিকা পাচ কৰে। বৰপেটাৰ জীৱন লতা হাইস্কুল, বৰপেটা বিদ্যামন্দিৰকে আদি কৰি এবিদ্যালয় স্থাপনত বিশেষ আগভাগ লোৱা বুলি জনা যায়। আনহাতে থিক তেনেকৈ সুনমাটি প্ৰাইমাৰী আৰু হাইস্কুল স্থাপনৰ ক্ষেত্ৰতো থকা অৰিহণা উল্লেখযোগ্য। ১৯৫৮ চনতে গুৱাহাটীলৈ ব্যৱসায়ৰ নিমিত্তে আহি সুনমাটিতে ব্যৱসায় আৰম্ভ কৰা থানেশ্বৰ দাসৰ পিতৃ শোভাৰাম দাস, মাতৃ-কাঞ্চন দাস, গুৱাহাটীৰ নিজঘৰত (১৩-১২-১৯৯১) চনত মৃত্যু হোৱা দাসে মৃত্যুৰ পৰত তেওঁৰ পত্নী বিমলা দাস, চাৰিজন পুত্ৰ ক্ৰমে প্ৰাণজিৎ দাস, ধনজিৎ দাস, ৰণজিৎ দাস, ৰনজিৎ দাস আৰু জী বুলু দাস, ফুলু দাস আৰু বীনা দাসক এৰি থৈ গৈছে।

বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ যোগে সমাজ সেৱা কৰা থানেশ্বৰ দাসৰ সোঁৱৰণত সুনমাটি সাহিত্য সভাই প্ৰকাশ কৰিছে তেওঁৰ এয়া চমু পৰিচিতি।

মদন চন্দ্ৰ মেধি
সম্পাদক
সুঃ সাঃ সঃ

নুনমাটি সাহিত্য সভাৰ সদস্য, সমাজসেৱী

[redacted]

"৺থানেশ্বৰ দাসৰ সোঁৱৰণত"

সম্পাদকৰ দু আষাৰঃ

অসম সাহিত্য সভাৰ সভাপতি : অসমবাসীয়ে দিব পৰা এটি শ্ৰেষ্ঠ সন্মান। এই শ্ৰেষ্ঠ সন্মানীয় সভাপতিৰ আসনত বহা আৰু অসম দেশৰ ভাষা-সংস্কৃতিক উদ্ধাৰ কৰিবৰ নিমিত্তে অসম দেশৰ বিভিন্ন কোনত জন্ম গ্ৰহণ কৰা সাহিত্যাচাৰ্য্য পদ্মনাথ গোহাঞি বৰুৱাৰ পৰা ডঃ লীলা গগৈলৈকে ধৰি আটাইৰে চমু পৰিচিতিৰ এখন গ্ৰন্থ প্ৰকাশৰ সিদ্ধান্ত নুনমাটি সাহিত্য সভাৰ কাৰ্য্য নিৰ্বাহকে গ্ৰহণ কৰে আৰু এই সিদ্ধান্ত মৰ্মে আমি গ্ৰন্থখনিৰ সম্পাদকৰ দায়িত্ব লৈ কাম আৰম্ভ কৰো। শাখা সভাৰ কমাৰ ঘৰত ধন নাছিল বাবে এনে গ্ৰন্থ প্ৰকাশ কৰিব পৰা নেযাব বুলিয়ে আমাৰ অনেক জনে মত প্ৰকাশ কৰিছিল। নানা বাধাৰ মাজেৰে অমৃত বসুমতাৰী আৰু প্ৰদীপ কুমাৰ শৰ্মাৰ সহযোগত আগবাঢ়িলো আৰু লাহে লাহে প্ৰকাশৰ বাট বিচাৰি উলিয়াবলৈ সক্ষম হ'লো। গ্ৰন্থৰ পৰিচিতি সমূহ কম সময়তে প্ৰস্তুত কৰা হৈছে আৰু আনহাতে সন্মানীয় সভাপতি সকলৰ বহল পৰিচিতিও যথা যথা সময়ত সংগ্ৰহ কৰিব পৰা নগল। আনফালে আৰ্থিক সংকটেও পৰিচিতি সমূহ চমু কৰিবলৈ বাধ্য যে কৰাইছে সেয়া আমাৰ আটাইৰে জ্ঞাত কথা। এই গ্ৰন্থখনিয়ে ৰাইজৰ সমাদৰ পালে আগলৈ বিস্তৃত আকাৰত প্ৰকাশৰ চেষ্টা কৰাৰ আশা ৰাখিছো।

কাৰ্য্যনিৰ্বাহকৰ সিদ্ধান্ত মৰ্মে গ্ৰন্থখনি স্থানীয় দৃগৰাকী ব্যক্তি ক্ৰমে ৺করুণা কান্ত তালুকদাৰ আৰু ৺থানেশ্বৰ দাসৰ সোঁৱৰণত প্ৰকাশিত হৈছে।

মদন চন্দ্ৰ মেধি

সম্পাদক গ্ৰন্থ/সম্পাদক, নুনমাটি সাহিত্য সভা

সূচী পত্ৰ

১। সাহিত্যাচাৰ্য্য পদ্মনাথ গোহাঞি বৰুৱা—মদন চন্দ্ৰ মেধি—১
২। সাহিত্যৰথী চন্দ্ৰধৰ বৰুৱা— „—৬
৩। বৈয়াকৰণিক কালিৰাম মেধি— „—১১
৪। প্ৰত্নতাত্বিক হেমচন্দ্ৰ গোস্বামী— „—১৫
৫। সাহিত্যসেৱী অমৃত ভূষণ দেৱ অধিকাৰী— „—১৯
৬। বুৰঞ্জীবিদ কনকলাল বৰুৱা— „—২১
৭। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা— „—২৫
৮। উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ— „—৩১
৯। জোনাকী যুগৰ প্ৰহসন লেখক বেণুধৰ ৰাজখোৱা—„—৩৪
১০। দেশভক্ত তৰুণৰাম ফুকন— „—৩৮
১১। অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্য— „—৪৩
১২। জ্ঞান মালিনীৰ কবি মফিজুদ্দিন আহমদ হাজৰিকা—„—৪৭
১৩। আৱাহনৰ প্ৰতিষ্ঠাপক নগেন্দ্ৰ নাৰায়ণ চৌধুৰী— „—৫১
১৪। প্ৰিন্সিপাল জে-বৰুৱা— „—৫৫
১৫। ভাওনি কোঁৱৰ আনন্দচন্দ্ৰ আগৰৱালা— „—৫৮
১৬। বিহগী কবি ৰঘুনাথ চৌধুৰী— ,—৬১
১৭। পদ্মশ্ৰী-কৃষ্ণকান্ত সন্দিকৈ— অমৃত বসুমতাৰী—৬৮
১৮। ডঃ মফিজুল ইচলাম বৰা— মদন চন্দ্ৰ মেধি—৭৬
১৯। বাগ্মীবৰ নীলমনি ফুকন— অন্‌জলি ডেকাদাস—৯০
২০। অসম কেশৰী অম্বিকাগিৰী ৰায চৌধুৰী—মদন চন্দ্ৰ মেধি—৯৪
২১। বুৰঞ্জী বিশাৰদ ডঃ সূৰ্য্য কুমাৰ ভূঞা— „—৮৯
২২। পদ্মশ্ৰী নলিনী বালা দেৱী— মনোৰমা দাস—৯৪
২৩। বনফুলৰ কবি যতীন্দ্ৰনাথ দুৱৰা— অমৃত বসুমতাৰী—৯৯
২৪। বুৰঞ্জীবিদ বেণুধৰ শৰ্মা—কাৰ্ত্তিক চন্দ্ৰ তামুলি ফুকন—১০৫

২৫। বিশিষ্ট শিক্ষাবিদ পদ্মধৰ চলিহা—অন্‌জলি ডেকা দাস—১১১
২৬। সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা— —১১৪
অন্‌জলি ডেকা দাস
২৭। শিক্ষাবিদ ত্ৰৈলোক্য নাথ গোস্বামী—মদন চন্দ্ৰ মেধি—১১৮
২৮। শেৱালি কবি ৰত্নকান্ত বৰকাকতী— ,,—১১২
২৯। সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্ত— ,,—১২৬
৩০। ইন্দ্ৰধনুৰ কবি ডিম্বেশ্বৰ নেওগ— ,,—১৩১
৩১। ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা— ,,—১৩৬
৩২। নাট্যকাৰ নকুল চন্দ্ৰ ভূঞা— ,,—১৪০
৩৩। অসম প্ৰাণ জ্ঞান নাথ বৰা— ,,—১৪৪
৩৪। বকুলবনৰ কবি আনন্দ চন্দ্ৰ বৰুৱা— ,,—১৪৮
৩৫। তত্ত্বপিপাসু উপেন্দ্ৰ চন্দ্ৰ লেখাৰু— ,,—১৫৩
৩৬। পণ্ডিত তীৰ্থনাথ শৰ্মা— ,,—১৫৭
৩৭। অসম গৌৰৱ হেম বৰুৱা— ,,—১৬১
৩৮। ব্যাকৰণ শাস্ত্ৰী গিৰিধৰ শৰ্মা — অমৃত বসুমতাৰী—১৬৬
৩৯। সদস্য মহীয়ান মহেশ্বৰ নেওগ— ,,—১৭৭
৪০। পণ্ডিত সত্যেন্দ্ৰ নাথ শৰ্মা— ,,—১৭৮
৪১। অধ্যাপক যজ্ঞেশ্বৰ শৰ্মা— প্ৰদীপ কুঃ শৰ্মা—১৮৩
৪২। পদ্মশ্ৰী ছৈয়দ আব্দুল মালিক— মুকুট ডেকা—১৯০
৪৩। বিদ্ৰোহী কবি প্ৰসন্নলাল চৌধুৰী—ভৰত চন্দ্ৰ ডেকা—১৯৪
৪৪। অতুল চন্দ্ৰ বৰুৱা— —২০১
৪৫। যতীন্দ্ৰ নাথ গোস্বামী — —২০৫
৪৬। সিংহ পুৰুষ সীতা নাথ ব্ৰহ্ম চৌধুৰী— —২০৮
৪৭। জ্ঞানপীঠ বঁটা বিজয়ী ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য—২১৩
৪৮। কথা সাহিত্যিক যোগেশ দাস গোপীকান্ত তালুকদাৰ—২১৮
৪৯। বীৰেণ বৰকটকী— মদন চন্দ্ৰ মেধি—২২৫
৫০। ড° মহেন্দ্ৰ বৰা— প্ৰদীপ কুমাৰ শৰ্মা—২৩০

৫১। শংকৰদেৱৰ বৰ্টা বিজয়ী কীৰ্ত্তিনাথ হাজৰিকা —১৩৮
৫২। গল্পকাৰ মহিম বৰা— মদন চন্দ্ৰ মেধি—১৪৪
৫৩। পদ্মভূষণ নৱকান্ত বৰুৱা— অমৃত বসুমতাৰী—১৫০
৫৪। ড০ নিৰ্মল প্ৰভা বৰদলৈ— নীলিমা দত্ত—১৫৭
৫৫। কথাশিল্পী লক্ষ্যধৰ চৌধুৰী— মনোৰমা দাস
চন্দ্ৰা দেৱী ভূঞা—২৬৫
৫৬। পদ্মশ্ৰী ড০ ভূপেন হাজৰিকা— অমৃত বসুমতাৰী—২৭১
৫৭। অসম বুৰঞ্জীৰ প্ৰসিদ্ধ পণ্ডিত
ডঃ লীলা গগৈ—মদন চন্দ্ৰ মেধি—১৭৯

অসম সাহিত্য সভাৰ প্ৰথম গৰাকী সভাপতি

সাহিত্যাচাৰ্য্য পদ্মনাথ গোহাঞি বৰুৱা

দুস্কৃতিক দমন কৰি সংস্কৃতিক উদ্ধাৰ কৰিবলৈ ৰথী-মহাৰথী সকলে যুগে যুগে জন্ম লয়। অসমীয়া ভাষা সাহিত্যাৰ চিৰসেউজীয়া পথাৰখন উনবিংশ শতিকাৰ শেষছোৱাত যিদিনা ধৰ্মক্ষেত্ৰ গুচি কুৰুক্ষেত্ৰলৈ ৰূপান্তৰিত হৈছিল সেই দিনা অজৰ অমৰ আত্মা-সকলৰ কেইগৰাকীমানে অসমৰ ভাষা - সংস্কৃতিক উদ্ধাৰ কৰিবলৈ অসমৰ বিভিন্ন কোনত জন্ম লৈছিল। সেই বীৰ পুৰুষ সকলৰ ভিতৰত আছিল সাহিত্যাচাৰ্য্য পদ্মনাথ গোহাঞি বৰুৱা অন্যতম।

অসমীয়াৰ সেই অন্ধকাৰ যুগত ১৮৭১ চনৰ ; ১৭৯৩ শক ; ২৯ আঘোণ, মঙ্গলবাবৰ মাজনিশা উত্তৰ লক্ষীমপুৰৰ নকাৰি মৌজাৰ নকাৰি গাঁৱৰ প্ৰতাপী মৌজাদাৰ ঘিণাৰাম গোহাঞি বৰুৱাৰ গৃহত জন্ম পদ্মনাথ গোহাঞি বৰুৱাৰ। হয়তো সেই মাজনিশা দুস্কৃতিক দমন কৰিবলৈ শ্ৰীকৃষ্ণৰূপে জন্ম লৈছিল। কাৰণ তেতিয়া নিৰ্বাসিতা ‘চিৰ চেনেহী মোৰ ভাষা জননীৰ দুখ-দুৰ্গতী আছিল সীমাহীন এইবোৰ দেখি কৃষ্ণভক্ত গোহাঞি বৰুৱাই সব্য-সাচীৰ দৰে সোঁৱে বাঁৱে তৰোৱাল ঘুৰাই বীৰদপে বীৰবেশে আগুৱাই গৈছিল। যেতিয়াই তেওঁ অনুভব কৰিলে পঢ়াশালীয়া পাঠ্য পুথিৰ আৱশ্যাক হৈছে ; তেতিয়াই ৰাতিৰ পিছত ৰাতি উজাগৰে কটাই পদ্মনাথে লিখি গৈছে।

একাধাৰে শিক্ষাবিদ, সাহিত্যিক, সাংবাদিক ৰাজনৈতিক হিচাপে বিভিন্ন ক্ষেত্ৰত সুখ্যাতি অৰ্জ্জা। পদ্মনাথে হ'ল অসমসাহিত্য সভাৰ প্ৰথম গৰাকী সভাপতি। এই বৃহৎ অসমৰ জাতীয় অনুষ্ঠা-

নটিৰ জন্ম ১৯১৭ চন আৰু প্ৰথমখনি অধিবেশন অনুষ্ঠিত হয় পদ্ম-নাথৰ সভাপতিত্বত শিৱসাগৰত।

জোনাকী কাকতে পদ্মনাথ গোহাঞি বৰুৱাক সাহিত্য চৰ্চাৰ কাৰণে উপযুক্ত পৰিমানে অনুপ্ৰাণিত কৰে। একে সময়তে প্ৰকাশিত বিজুলী কাকত খনতো তেখেতে নিয়মিত ভাবে লিখিবলৈ ধৰে।

গোহাঞি বৰুৱাৰ ৰচনা গ্ৰন্থৰ সংখ্যাৰ হিচাপত প্ৰায় ডুকুৰি। এই ৰচনাৰ ভিতৰত নাটকৰ সংখ্যাই সৰহ। তেখেতৰ নাটক দুই শ্ৰেণীৰ এক লঘু আৰু দুই গহীন। সেই সময়ৰ আমাৰ লেখক সকলে অসমৰ প্ৰয়োজনৰ খাতিৰতে এফালৰ পৰা সকলো দিশৰ গ্ৰন্থ ৰচনা কৰিবলগীয়া হৈছিল যদিও একাধাৰে শিক্ষাবিদ সাহিত্যিক, সাংবাদিক, নাট্যকাৰ, কবি, ৰাজনৈতিক হিচাপে সুখ্যাতি অৰ্জ্জা পদ্মনাথে তেতিয়া কিন্তু কেতিয়াও সাহিত্যৰ আধাৰ বিচাৰি দেশ এৰি বিদেশ ভ্ৰমণ কৰা নাই, ঘৰ এৰি বাহিৰত খেপিওৱাগৈ নাই। তেখেতে অসমীয়া ভাষা আৰু জাতিটোৰ গাত টোপ এটিও পৰিবলৈ নিদিছিল আৰু সেই গুণিকে অসমীয়া জাতিৰ মেৰুদণ্ড স্বৰূপে থিয় হ'ব পাৰিছিল।

গোহাঞিবৰুৱা 'জোনাকী' যুগৰ এজন প্ৰধান ৰোমাণ্টিক কবি। তিনিখন কবিতা পুথিৰ ভিতৰত 'লীলাকাব্য' তেওঁৰ প্ৰথমা পত্নী লীলাৱতীৰ করুণ স্মৃতিয়ে পুথিখনিৰ বিষয় বস্তু। আনদুখন কবিতা পুথি হ'ল 'ফুলৰ চানেকি' আৰু 'জুৰণি'।

আধুনিক অসমীয়া সাহিত্যৰ বিকাশত সংবাদ পত্ৰৰ ভূমিকা গুৰুত্বপূৰ্ণ। ১৮৮৯ চনৰ পৰা কলিকতীয়া অসমীয়া দেশপ্ৰেমী ছাত্ৰ সকলে যুগজয়ী আলোচনী 'জোনাকী' প্ৰকাশ কৰে আৰু 'জোনাকী'য়ে অসমীয়া নৱন্যাস কবিতাৰ জন্মদাতা। সাংবাদিক পদ্মনাথে 'বিজুলী', 'উষা', আৰু 'অসমবন্তি' নামৰ আলোচনী সম্পাদনা কৰে, এয়ে সাংবাদিক জগতলৈ আগবঢ়োৱা স্মৰণীয় অৱদান। ইয়াৰ যোগে তেখেতে এচাম নতুন লেখকৰ সৃষ্টি কৰিছিল। ১৮৯০ চনত কহিমা

হাইস্কুলৰ পৰা যেতিয়া প্ৰবেশিকা পৰীক্ষা পাছ কৰে সেই সময়ত অসমত উচ্চ শিক্ষাৰ বাবে কোনো কলেজ নাছিল বাবেই তেখেতে উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যায় আৰু সংবাদ পত্ৰৰ লগত জড়িত হৈ পৰে আৰু নৱন্যাস আন্দোলনৰ এজন অন্যতম গুৰিয়াল ৰূপে স্বীকৃত হয়।

গোহাঞিবৰুৱাৰ 'লাহৰী' (১৮৯২) প্ৰথম অসমীয়া ছপা উপন্যাস। লাহৰীয়েই তেওঁৰ মনেপতা গ্ৰন্থৱলীৰ লখিমী।

পদ্মনাথে কলিকতাৰ পৰা তিনি বছৰৰ মূৰত উচ্চ শিক্ষাৰ কোনো উপাধি নোপোৱাকৈ অসমলৈ ঘূৰি আহিলেও পৰৱৰ্ত্তী কালত চৰকাৰ আৰু ৰাইজৰপৰা তেখেতে নানা উপাধিৰে বিভূষিত হৈছিল। ৰায়চাহাব, ৰায়বাহাদুৰ বজাঘৰীয়া উপাধি লাভ কৰা অসমীয়াৰ মাজত পথম সাহিত্যিক পেঞ্চনাৰ গোহাঞিবৰুৱাই ১৮৯৩ চনত কহিমা চৰ্কাৰী হাইস্কুলত প্ৰধান শিক্ষক হিচাপে নিযুক্ত হয়। আৰু ইয়াতেই ১৮৯৯ চনত তেওঁৰ প্ৰথমা পত্নী লীলাৱতীৰ মৃত্যু হয়।

গোহাঞিবৰুৱাৰ প্ৰতিভাৰ পূৰ্ণ বিকাশ হয় তেজপুৰত। তেজপুৰ চৰকাৰী হাইস্কুল তেজপুৰ নৰ্ম্মাল স্কুলৰ প্ৰধান শিক্ষক, যোৰহাট চৰকাৰী হাইস্কুলতো চাকৰি কৰে। ১৮৯৭ চনৰ পৰাই একেৰাহে সোতৰ বছৰলৈ তেজপুৰ অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ সম্পাদকৰ ভাৰ তেওঁ পাইছিল তেজপুৰীয়া ৰাইজে গোহাঞি-বৰুৱাক সাৱটি লোৱা বাবেই। ১৯০৯ চনৰ পৰা প্ৰতিষ্ঠা হ'ব পৰা 'বাণ ৰংগমঞ্চ'ৰ সম্পাদকৰ ভাৰও সাত বছৰলৈ তেওঁৰ ওপৰতেই আছিল। আনহাতে তেখেতে কহিমা সাহিত্য সভা, ছাত্ৰ সন্মিলনী, অসম এছোচিয়েচনৰ, লগতো জড়িত আছিল। তেওঁ অনাৰেৰি মেজিষ্ট্ৰেত আৰু তেজপুৰ মিউনিচিপালিটিৰ চেয়াৰমেন আছিল।

গোহাঞিবৰুৱাই নিতৌ নিশা দুই তিনি বজালৈকে অধ্যয়ন কৰিছিল। নৈশ ভোজন কৰিছিল পিছনিশাহে। এখেতেই ৰাজ-

নৈতিক সভা সমিতিত অসমীয়া ভাষাৰে সভাপতিৰ ভাষণ বা অভিভাষণ দিয়া আদৰ্শটো পোণপ্ৰথমে দেখুৱাই। ১৯১৭ চনত মণ্টেগু চেমচফৰ্ডৰ আগত অসমৰ নিমিত্তে স্বায়ত্ব শাসনৰ দাবী কৰিবলৈ যি কেইজন অসমীয়া প্ৰতিনিধি কলিকতালৈ গৈছিল, তাৰ ভিতৰত পদ্মনাথ গোহাঞিবৰুৱা আছিল অন্যতম। গোহাঞিবৰুৱাৰ গোহাৰি — "ভাকৰীয়া যদিও আমাৰ যি কেইজন ধনীলোক আছে, সিবিলাকে মন কৰিলে আমাৰ জাতীয় সাহিত্যৰ উন্নতি কল্পে যথেষ্ট কৰিব পাৰে। ধনৰ অভাৱত প্ৰকাশিত নোহোৱা দুই চাৰিখন উল্লেখিত বিধৰ ভাল ভাল গ্ৰন্থ সিবিলাকে প্ৰচাৰ কৰি দেখুৱালে সিবিলাকৰ মহৎ উদাহৰণ আগত লৈ মধ্যবিত্ত লোকেও সেই সজ পথত উৎসাহেৰে আগবাঢ়িব .... ।"

তেওঁ আৰু কৈছে — "আমাৰ পৈণত আৰু পুৰঠ সাহিত্যৰ সৈতে আমাৰ সমাজত বলী কৰা বলী সমাজেৰে আমাৰ জাতীয় জীৱন বলী কৰা আমাৰ এতিয়া আটাইতকৈ আগ কাম হৈছে—'

" ... জাতীয় অন্তৰতম ভাব, চিন্তা, তেজ আৰু প্ৰতিভা বাজ ওলাবলৈ ভাষা আৰু সাহিত্যত বাদে সুগম বাট আন নাই "

গোহাঞিবৰুৱাৰ সাতগৰাকী জীয়াৰী আৰু এজন পুত্ৰ। কৃষ্ণ ভক্ত গোহাঞিবৰুৱাৰ পিতৃ ঘিণাৰাম বৰুৱা, মাতৃ লক্ষ্মীদেৱী আৰু পত্নী লীলা আৰু হীৰাৱতী দেৱী।

১৯৪৬ চন ২১ এপ্ৰিল ৰবিবাৰে ৰাতিপুৱা দহবাজি বাৰ মিনিট যোৱাত শোণিতপুৰৰ সোণসেৰীয়া 'পদ্মকুটীৰ'ত পদ্মনাথ গোহাঞিবৰুৱাৰ পৰলোক গমন হয়। ১৯৪০ চনত 'পদ্মজয়ন্তী' পাতি গুৱাহাটীত এ. এচ্. এল্. ক্লাবে তেখেতক সম্বৰ্দ্ধনা জনাইছিল। গোহাঞিবৰুৱাৰ অৱদানৰ কথা অসমীয়া ৰাইজে কেতিয়াও পাহৰা নাই আৰু নাপাহৰেও। কাৰণ য'তেই যেতিয়াই যি বিষয়ৰে অসমীয়া সাহিত্যৰ ঘাটি পৰিছিল তাক পুৰাবলৈ তেখেতে চেষ্টা কৰিছিল। গোহাঞিবৰুৱাৰ ৰচনা, সংগ্ৰহ আৰু সম্পাদিত সমূহ –

লাহৰী ১৮৯২ চন; লাচিত বৰফুকন ১৯১৫; গাওঁবুঢ়া ১৮৯৭ চন; লীলা ১৮৯৯ চন; ফুলৰ চানেকি ১৯৪১ চন; জয়মতী ১৯০০ চন; বিজুলী; সম্পাদিত ১৮৯০ চন ভানুমতী ১৮৯০-৯১ চন; সাহিত্য সংগ্ৰহ (পানীন্দ্ৰ নাথ গগৈৰ সহযোগত ৰচনা আৰু সংগ্ৰহ;) অসম বুৰঞ্জী ১৮৯৯; ভূগোল দৰ্পণ ১৮৯৫; অসম বন্তি; সম্পাদিত ১৯০০; আদি শিক্ষা; নীতি শিক্ষা; উষা, সম্পাদিত ১৯০৭; গদাধৰ ১৯০৭; টেটোন তামুলি (১৯০৯); সাধনী ১৯১০; জীৱনীসংগ্ৰহ; অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ ১৯১৭, ভূত নে ভ্ৰম ১৯২৪; শ্ৰীকৃষ্ণ ১৯৩০; বাণৰজা ১৯৩৩; গীতাসাৰ ১৯৩৫; গুৱাহাটী এ. এচ এল. ক্লাবৰ অভিনন্দৰ উত্তৰ; ১৯৪০; বৰদৈচিলা (প্ৰবন্ধ) অসমৰ সংক্ষিপ্ত বুৰঞ্জী; বুৰঞ্জীবোধ, হিন্দু বুৰঞ্জী; বৃটিছ বুৰঞ্জী; শিক্ষাবিধি, মহাৰাণী ভিক্টোৰীয়া; প্ৰকৃত পাঠ; ইত্যাদি।

পদ্মনাথ গোহাঞিবৰুৱাৰ মতে—"সাহিত্যৰ ভাষা প্ৰাঞ্জল আৰু সৰ্বসাধাৰণৰ বোধগম্য হলেহে তাৰদ্বাৰা জাতীয় জীৱন গঢ়িব হব পাৰে, নহলে সি জাতিটোৰ উন্নত এটা শ্ৰেণীক ফালি নি তাক নিশকতীয়া আৰু মৰামুৰা কৰে।"

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ দ্বিতীয় গৰাকী সভাপতি
সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা

বৰেণ্য সাহিত্যিক সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱাই হ'ল অসম সাহিত্য সভাৰ দ্বিতীয় গৰাকী সভাপতি; সভাৰ জন্মকালৰ অন্যতম বিশিষ্ট কৰ্ণধাৰ; সভাৰে প্ৰথম গৰাকী পত্ৰিকা সম্পাদক। ১৯৩৭ চনৰ ডিচেম্বৰত মঙ্গলদৈত অনুষ্ঠিত পঞ্চদশ অধিবেশনত প্ৰধান সম্পাদকৰো পদ গ্ৰহণ কৰা চন্দ্ৰধৰ বৰুৱাৰ জন্ম ১৮৭৭ চন ১৫ অক্টোবৰ, বঙ্গাইদোম, যোৰহাটত।

অসমীয়া অমিত্ৰাক্ষৰ ছন্দক এক নিটোল ৰূপ দিয়া, জোনাকী যুগৰ প্ৰখ্যাত কবি চন্দ্ৰধৰ বৰুৱাৰ 'কামৰূপ জীয়ৰী' আৰু বিহ্যুৎ-বিকাশ দুখন মনোমোহা কাব্য গ্ৰন্থ।

চৰকাৰী চাকৰি নিবিচাৰি প্ৰথমে পিতৃৰ ব্যৱসায় আইন ব্যৱসায়ী হৈ পিছত চাহ খেতিত মনোনিবেশ কৰিলেও সাহিত্য সাধনাৰ ক্ষেত্ৰত তেখেতে অকণো পিছদিয়া নাছিল।

অসম সাহিত্য সভাৰ দ্বিতীয় অধিবেশন ১৯১৮ চনৰ ২৮ ডিচেম্বৰত অসমীয়া ভাষা-সংস্কৃতিৰ আন এটি কেন্দ্ৰ গোৱাল পাৰাত বহে। তেতিয়া মাত্ৰ ৪৪ বছৰীয়া ডেকা সাহিত্যিক চন্দ্ৰধৰ বৰুৱা সভাপতি নিৰ্বাচিত হ'লেও পুণৰ ১৯৩৪ চনত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ দায়িত্ব লবলগীয়া হয়। তেতিয়াৰ সময়ছোৱাত অসম সাহিত্য সভাৰ সভাপতিৰ স্থায়ী পদবী নাছিল; গতিকে প্ৰধান সম্পাদকেই আছিল সাহিত্য সভাৰ মুখ্য কৰ্মকৰ্তা। বৰুৱাদেৱে এনে সময়ত অসমীয়া ভাষা-সাহিত্যৰ হকেই প্ৰাণ ঢালি খাটিছিল। সেয়ে তেখেতৰ জন্ম যোৰহাটত হ'লেও

প্ৰতিভাৰ স্বীকৃতি হিচাপে কামৰূপ সঞ্জীৱনী সভাই 'সাহিত্য ৰত্ন' উপাধি প্ৰদান কৰিছিল। সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা দেৱৰ গ্ৰন্থৰাজি হৈছে— মেঘনাদ বধ, অমিত্ৰাক্ষৰ ছন্দৰ নাটক ১৯০৪ চন; ভাগ্য-পৰীক্ষা প্ৰহসন ১৯১১ চন; ৰঞ্জন কবিতাৰ পুথি ১৯২৭ চন; তিলোত্তমা সম্ভৱ; অমিত্ৰাক্ষৰ ছন্দৰ নাটক; ১৯২৬; বিয়াবিলৈ প্ৰহসন ১৯১৯ চন; নতুন পাঠমালা—পাঠ্যপুথি ১৯৩২ চন; বিলাতৰ কথা প্ৰবন্ধমালা; আসাম সন্ধ্যা,—নাটক ১৯৩৫; মোগল বিজয়—নাটক ১৯৩৬; ৰাজৰ্ষি—নাটক ১৯৩৭; পুৰ্ণজন্ম—নাটক ১৯৩৭ চন; বিদ্যুৎ বিকাশ কাব্য ১৯৩৮; কামৰূপ জীয়াৰী—কাব্য ১৯৩৮; ৰত্নকোষ-অভিধান ১৯৪১ চন; উজু সাহিত্য-পাঠ্যপুথি ১৯৪২; শান্তি উপন্যাস ১৯৪৫; জিবণিৰ চিন্তা—প্ৰবন্ধমালা ১৯৪৩ আৰু মুক্তাৱলী—নীতি-মূলক কবিতা—১৯৪৬ চন।

সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা আছিল এজন সুদক্ষ অভিনেতা। লগতে তেওঁ নিজেও নাট ৰচনা কৰি সেইসময়ত অসমীয়া নাটকৰ সংখ্যা বঢ়োৱাৰ কাৰণে আনকো নাট ৰচনাৰ বাবে উৎসাহ উদগণি দিছিল। সেয়ে তেওঁ নবীন নাট্যকাৰ আৰু নৱ অভিনেতাৰ বাবেই আছিল পিতৃতুল্য। আনকি তেওঁ নিজেই ৰচনা কৰা নাট 'মেঘনাদ বধ'ৰ 'মেঘনাদ'ৰ চৰিত্ৰৰ অভিনয় কৰি দৰ্শক ৰাইজক চমক লগাব পাৰিছিল। ঊনবিংশ শতিকাৰ শেষ দশকত প্ৰতিষ্ঠা লাভ কৰা যোৰহাট ৰংগমঞ্চৰ প্ৰধান প্ৰতিষ্ঠাতাসকলৰ ভিতৰত অন্যতম চন্দ্ৰধৰ বৰুৱা-দেৱে বহুকাল ধৰি এই ৰংগমঞ্চৰ সম্পাদকৰ পদত আছিল। মেঘ-নাদ বধ তেওঁৰ প্ৰথম নাটকেই নহয় অসমীয়া ভাষাত ৰচিত 'অমিত্ৰাক্ষৰ ছন্দৰ প্ৰথম অসমীয়া নাটক।

অসমৰ আত্মপ্ৰতিষ্ঠাৰ কাৰণে ব্ৰত হোৱা সাহিত্যৰত্ন বৰুৱাই অকল সাহিত্যৰ ক্ষেত্ৰতে আৱদ্ধ হৈ থকা নাছিল। সেই সময়ৰ একমাত্ৰ ৰাজনৈতিক মতৰ সংগঠন সাৰ্বজনিক সভাৰ লগত কলি-কতাৰ পৰা অধ্যয়ন কৰি ঘূৰি আহিয়েই জড়িত হৈ পৰে। ১৯৩০

চনত প্ৰথম ঘূৰণীয়া মেজমেলত যোগ দিবলৈ অসমৰ একমাত্ৰ প্ৰতিনিধি স্বৰূপে বিলাতলৈ গৈছিল।

১৯১৮ চনৰ কথা। তেতিয়াতে সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা দেৱে গোৱালপাৰাক কিছুমান স্বাৰ্থান্ধ ব্যক্তিয়ে অসমৰ পৰা বিচ্ছেদ কৰিবলৈ চেষ্টা চলোৱাৰ ষড়যন্ত্ৰৰ কথা গম পাই বৃহত্তৰ অসমীয়াক সাহস দি কৈছিল—"গোৱালপাৰাক কাটি দিবলৈ আমি কেতিয়াও এৰি নিদিওঁ। কাৰণ তেতিয়াহলে আমাৰ উত্তমাংগ ছেদন কৰা হ'ব।" ইংলণ্ডত হোৱা ঘূৰণীয়া মেজমেলৰ বৈঠকত অসমক তুবাবকৈ প্ৰতিনিধিত্ব কৰা বৰুৱাদেৱে স্ত্ৰী—শিক্ষাৰ ব্যাপক প্ৰচলনৰ ওপৰতো গুৰুত্ব দিছিল। তেওঁ বৰ্তমানৰ প্ৰচলিত সাধাৰণ শিক্ষাতো কিন্তু মুঠেই সন্তুষ্ট হোৱা নাছিল। বৰ্তমানৰ প্ৰচলিত সাধাৰণ শিক্ষা সম্পৰ্কত কৈছিল—'এই শিক্ষাই হাকিম, উকীল, কেৰাণী, প্ৰস্তুত কৰিছে; কিন্তু এই শ্ৰেণীৰ মানুহৰ বলতে অসমীয়া জাতিৰ উন্নতি হ'ব নোৱাৰে।"

১৭ বছৰীয়া চেষ্টাৰ বলত চন্দ্ৰধৰ বৰুৱাদেৱে 'ৰত্নকোষ' সম্পূৰ্ণ কৰে। 'ৰত্নকোষ' চন্দ্ৰধৰ বৰুৱাৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ সাহিত্য কীৰ্তি হিচাপে স্বীকৃতি পাইছে। এইখনি গ্ৰন্থ ছপা হোৱাৰ লগে লগে অসমীয়া ভাষা সাহিত্যৰ এটি ডাঙৰ অভাৱ দূৰ হ'ল।

গীতিকাৰ হিচাপেও প্ৰখ্যাত বৰুৱাদেৱৰ বাচক বনীয়া সোতৰটি গীতে 'সংগীত কোষ'ত স্থান পাইছে। ১৯১১ চনত প্ৰকাশিত সংগীত কোষত অসমৰ বাচকবনীয়া ডেৰকুৰি জনৰো অধিক গীতিকাৰৰ গীতসমূহে স্থান পাইছে। আনহাতে তেওঁৰ নিজৰ আঠখন নাটকতো আছে ভালে সংখ্যক গীত আৰু সিচঁৰিত হৈ আছে সেই সময়ৰ নানা আলোচনীৰ পাতত।

১৯৪৩ চনত লিখি শেষ কৰা 'শান্তি' সাহিত্যৰত্নৰ একমাত্ৰ উপন্যাস।

একাধাৰে কবি, নাট্যকাৰ, গীতিকাৰ, প্ৰবন্ধকাৰ, গল্পকাৰ,

ঔপন্যাসিক আৰু ভাষা-চৰ্চ্চা কৰোতা সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা আছিল এজন শক্তিশালী শিশু সাহিত্যিক। নতুন পাঠমালা, উজু সাহিত্য, বিলাতৰ কথাই এই কথা প্ৰমাণ কৰে যে বৰুৱাদেৱে এজন সফল শিশু সাহিত্যিকও।

১৯০৪ চনত ৰায়বাহাদুৰ জগন্নাথ বৰুৱা, কৃষ্ণকুমাৰ বৰুৱা, আৰু চন্দ্ৰধৰ বৰুৱাই লগলাগি স্থাপন কৰা 'দৰ্পণপ্ৰেছ'ৰ সহায়তো বৰুৱাদেৱে অসমীয়া ভাষা-সাহিত্যৰ উন্নতি দিশত সহায় কৰিছিল। এই 'দৰ্পণ প্ৰেছ'ৰ পৰাই সেই সময়ত লেখত লবলগীয়া আলোচনী আৰু বাতৰি কাকত প্ৰকাশ কৰিছিল।

অসমৰ প্ৰথমখনি বে-চৰকাৰী মহাবিদ্যালয় ১৯৩০ চনত স্থাপিত জগন্নাথ বৰুৱা মহাবিদ্যলয়ৰ স্থাপনৰ ক্ষেত্ৰতো চন্দ্ৰধৰ বৰুৱাৰ অৱদান উল্লেখনীয়। ইয়াৰ উপৰিও যোৰহাট পৌৰসভাৰ উপ-পৌৰ-পতি, অসম ব্যৱস্থাপক সভাৰ সদস্য, কাউন্সিল অৱ ষ্টেটছৰ সদস্য, অসম অলিম্পিক এচোছিয়েছন'ৰ সভাপতি হিচাপে কাৰ্যানিৰ্বাহ কৰিছিল। আনহাতে তেওঁৰ স্বদেশ প্ৰেমৰ কথা প্ৰকাশ পাইছে ১৯৩৪ চনৰ শক্তিমেলা আৰু জাঁজীৰ লাচিত মেলাৰ পৰাই। পৰাধীন ভাৰতবাসীৰ মনত দেশ প্ৰেম জগাই তুলিবলৈ এনে মেলাৰ আয়োজন কৰা হৈছিল। জাঁজীৰ লাচিত মেলাত সভাপতি কৰিছিল বৰুৱাদেৱে।

অসমীয়া ভাষা-সাহিত্যৰ প্ৰসাৰ আৰু বিকাশৰ বাবে যুঁজ দি ১৯৬১ চনৰ ১৬ অক্টোবৰৰ বৃহস্পতি বাৰে পুৱা ৭-৭০ মিনিটত বৰৈয়া বাগিচাৰ বাসভৱনত সাহিত্যৰত্ন বৰুৱাদেৱৰ পৰলোক প্ৰাপ্তি ঘটে। চন্দ্ৰধৰ বৰুৱাৰ দেউতাক দুৰ্গাধৰ বৰুৱা মাক প্ৰেমাৱতী দেৱী আৰু পত্নী স্বৰ্ণশশী দেৱী।

আজিৰ যুগৰ শিক্ষিত যুৱক-যুৱতী সকলৰ বাবে সাহিত্যৰত্ন বৰুৱাদেৱৰ আৰ্হি স্বাধীন চিন্তা— বিশেষ প্ৰয়োজনীয়।

এজন আগশাৰীৰ সুবক্তা বৰুৱাদেৱে বিলাতত দিয়া ভাষণত কৈছে— 'আপোনালোকে জানে যে ভাৰতত গভীৰ অসন্তুষ্টিয়ে ঠাই পাইছে। সমগ্ৰ জনতাই দেশৰ শাসন ব্যৱস্থাৰ আশু পৰিবৰ্ত্তন বিচাৰিছে। আপোনালোকে মোক সুধিব পাৰে, কিয়? বাৰু ভদ্ৰমহিলা আৰু ভদ্ৰলোক সকল, যেতিয়া আপোনালোকে জানিব পাৰে যে ভাৰতৰ শতকৰা ৯০ ভাগ লোক নিৰক্ষৰ, যেতিয়া শুনে যে স্কুললৈ যাব পৰা প্ৰতি শ জনৰ ভিতৰত মাত্ৰ কুৰি জনেহে পঢ়িবলৈ স্কুল এখনৰ সুবিধা পায়, যেতিয়া জানে যে ভাৰতত শিক্ষা দীক্ষা দিবৰ কাৰণে প্ৰতিজনৰ বাবে দুই পেঞ্চতকৈ অধিক খৰচ কৰা নহয়, তেতিয়া আপোনালোকে স্বীকাৰ কৰিব যে আমাৰ দাবীৰ যুক্তিযুক্ততা আছে।"

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ তৃতীয় গৰাকী সভাপতি

বৈয়াকৰণিক কালিৰাম মেধি

অসম জননীৰ সুযোগ্য সন্তান, বৈয়াকৰণিক কালিৰাম মেধিয়ে হ'ল অসম সাহিত্য সভাৰ তৃতীয় গৰাকী সভাপতি। উনবিংশ শতাব্দীৰ শেষাৰ্দ্ধৰ আন আন সাহিত্যিক, অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ সেৱকসকলৰ যি কেইজনলোকে গভীৰভাৱে অধ্যয়ন কৰিছিল সি সকলৰ ভিতৰত কালিৰাম মেধি উল্লেখযোগ্য ব্যক্তি। ১৯১৯ চনত বৰপেটাত অনুষ্ঠিত অসম সাহিত্য সভাৰ তৃতীয় অধিবেশনতে তেওঁক অসমৰ সাহিত্য সেৱী সমাজে সভাপতি হিচাপে বৰণ কৰিছিল। আমি মনত ৰাখিছো; উনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধকাল অসমৰ ভাষা- সংস্কৃতিৰ ক্ষেত্ৰত এক অন্ধকাৰ যুগ। এনে এক সন্ধিক্ষণতে জন্মলাভ কৰা কালিৰাম মেধিৰ নাম অসমৰ ভাষা সাহিত্য সংস্কৃতিৰ ইতিহাসত জিলিকি ৰ'ল।

শংকৰী সাহিত্যৰ বিদগ্ধ পণ্ডিত কালিৰাম মেধিৰ জন্ম ১৮৭৮ খ্ৰীঃৰ অক্টোবৰত উত্তৰ কামৰূপৰ হাজোৰ ওচৰৰ ৰামদিয়া গাওঁত। ১৮৯৭ খ্ৰীঃত গুৱাহাটীৰ বৰ্তমান কলেজিয়েট উচ্চ বিদ্যালয়ৰ পৰা সুখ্যাতিৰে প্ৰবেশিকা পৰীক্ষাত উৰ্ত্তীর্ণ হৈ এফ-এ পঢ়িবলৈ কলিকতালৈ যায় আৰু ১৯০৩ চনত পদাৰ্থ বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰীলৈ উভতি আহে। ১৯০৪ চনত চব ডেপুটী কালেক্টৰ হিচাপে সোমাই পিছলৈ বিশেষ দণ্ডাধীশ আৰু স্পেছিয়েল অফিচাৰৰ পদ পাইছিল তেখেতৰ মেধা গুনৰ বাবে।

চৰকাৰী চাকৰিৰ বিষয় বাবেও চিৰ চেনেহী ভাষা জননীৰ কথা পাহৰাই ৰাখিব নোৱাৰিলে। চৰকাৰী বিষয় বাবদত ব্যস্ত

থকাৰ কালতহে কালিৰাম মেধিয়ে সাহিত্য চৰ্চাত ব্ৰতী হয়। তেওঁ চৰকাৰী চাকৰিৰ দায়িত্বত যি ঠাইলৈ গৈছিল তাতেই থাকি অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান খনিৰ কাম কৰিছিল। চৰকাৰী চাকৰিৰ দায়িত্বৰ লগে লগে গাওঁৰ মানুহৰ পৰা সাহিত্যৰ সমল সংগ্ৰহ কৰা, পুৰণি পুথি-পাঁজি সংগ্ৰহ কৰা কাম কৰিছিল। প্ৰাচীন পুথি থকাৰ খবৰ যতেই পাই তালৈ তেখেতে কষ্ট কৰি হলেও গৈ সেইবোৰ সংগ্ৰহ কৰিছিল।

'আলোচনী' আৰু 'অসম বান্ধৱ' এই দুয়োখন কাকততে কালিৰাম মেধি বহুখিনি প্ৰবন্ধ প্ৰকাশ হয়। 'জয়ন্তী', 'সুৰভি', আৱাহন' 'বাঁহী' চেতনা', সাহিত্য সভা পত্ৰিকা', 'প্ৰভাত', 'ৰামধেনু', আদিতো নানা বিষয়ৰ ৰচনা প্ৰকাশ পায়।

"অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব" (১৯৩৬) তেওঁৰ ভাষা সাহিত্য চৰ্চাৰ কীৰ্তিস্তম্ভ স্বৰূপ। 'প্ৰহ্লাদ চৰিত্ৰ' (১৯১৩)', মহাপুৰুষ শংকৰদেৱৰ বাণী'. ১৯৪৮, অংকাৱলী' আন এক কীৰ্তিস্তম্ভ

দুখন পাঠ্যপুথিৰ 'বীজগণিত' আৰু অসমীয়া প্ৰাথমিক প্ৰাকৃতিক বিজ্ঞান'। অংকাৱলীত শংকৰদেৱ, মাধৱদেৱ, গোপাল আতা ৰামচৰণ ঠাকুৰ. দ্বিজভূষণ আৰু দৈত্যাদি ঠাকুৰৰ সৰ্বমুঠ এৰৈশ খন নাট আছে। এই নাটবোৰ তেওঁ বিভিন্ন অঞ্চলৰ ব্যক্তি আৰু সত্ৰৰ পৰা সংগ্ৰহ কৰে। ৩৪৩ পৃষ্ঠাৰ 'মহাপুৰুষ শংকৰদেৱৰ বাণী' পুথিখনি কালিৰাম মেধিয়ে গভীৰ ভাবে মহাপুৰুষ শংকৰদেৱৰ ৰচনা ৰাজি অধ্যয়ণ কৰি সংগ্ৰহ কৰা পুথি। সেয়ে তেখেতক শংকৰী সাহিত্যৰ বিদগ্ধ পণ্ডিত বুলি কোৱা হয়। অসমীয়া বৈষ্ণৱ সাহিত্যৰ অমূল্য বস্তুৰাজি পোহৰলৈ অনা ব্যক্তি সকলৰ ভিতৰত কালিৰাম মেধি এজন অন্যতম ব্যক্তি। মেধিদেৱৰ লৰালি কালৰে পৰাই বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৰ্ষণ জন্মে।

বিজ্ঞানৰ ছাত্ৰ কালিৰাম মেধিয়ে অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব' নামৰ সুবৃহৎ গ্ৰন্থখনি বৈজ্ঞানিক বিশ্লেষণ পদ্ধতিৰে সকলো

দিশ চালি জাৰি চাইছিল ।

দায়িত্বশীল চৰকাৰী বিষয়া হিচাপেও তেখেতৰ নাম সু-পৰিচিত। তেখেতৰ ওপৰত নাস্ত দায়িত্ব তেখেতে অতি নিষ্ঠাৰে পালন কৰিছিল । ন্যায়নিষ্ঠতাৰ কাৰণে সাধাৰণ ৰাইজৰ পৰাই তেখেতে পাইছিল আদৰ সন্মান । কালিৰাম মেধি এজন উচ্চ পদস্থ চৰকাৰী বিষয়া হিচাপে যতেই আছিল তাতেই সাধাৰণ ৰাইজৰ লগত মিলি ৰাইজৰ শুভচিন্তক ৰূপে আছিল ।

গোৱালপাৰৰ অসমীয়া ভাষা সংস্কৃতি উদ্ধাৰৰ হকেও তেখেতে কাম কৰিছিল । গোৱালপাৰা বাসী অসমীয়াক যেতিয়া নানা দুস্কৃতিকাৰীয়ে বেৰি ৰাখিছিল আৰু নিজৰ ভাষা সংস্কৃতিৰ ৰক্ষাত হেঙাৰ স্বৰূপে থিয় দিছিল । তেতিয়া কালিৰাম মেধিকে আদি কৰি কেইগৰাকী মান বিচক্ষণ অসমীয়া উচ্চ পদস্থ বিষয়াৰ আশাসুধীয়া চেষ্টাৰ ফলত গোৱালপাৰা জিলাত গোৱালপাৰাৰ সকলো অসমীয়াৰ মাজত মাতৃ ভাষা অসমীয়া প্ৰচলন হ'ল ।

মেধি মানুহজন বৰ সহজ সৰল অথচ গহীন গম্ভীৰ । ১৯১৮ চনৰ গোৱালপাৰাৰ অসম সাহিত্য সভাৰ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ প্ৰধান উপদেষ্টা আছিল কালিৰাম মেধি। ১৯২৭ অক্টোবৰত অসম সাহিত্য সভাৰ দশম অধিবেশন গোৱালপাৰাত অনুষ্ঠিত হয়। ইয়াতো ভাষাতত্ত্ব শাখাৰ সভাপতি নিৰ্বাচিত হৈছিল কালিৰাম মেধি । অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ চাকৰিৰ সময়ত যি ঠাইতে আছিল সেই ঠাইতে তেখেতে সভা-সমিতি পাতি কাম কৰিছিল । ১৯৩৫ চনত চৰকাৰী চাকৰিৰ পৰা অৱসৰ লৈ সেই সময়ৰ অন্যতম অসমীয়া ভাষা সাহিত্য সংস্কৃতি, পুৰাতত্ত্ব আদিৰ গবেষণা-মূলক বেচৰকাৰী অনুষ্ঠান কামৰূপ অনুসন্ধান সমিতিৰ কামত নিজকে ব্যস্ত কৰে । কামৰূপ অনুসন্ধান সমিতিৰ সদস্য হৈ থাকোঁতে ASSAM PROVINCIAL MUSEUM (এতিয়াৰ অসম

বাণিজ্যিক সংগ্ৰহালয়)ৰ বোৰ্ড অৱ ট্ৰাষ্টীৰ সভাপতি নিৰ্বাচিত হয়। বৰ্তমান বসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱন লৈ স্থানান্তৰ কৰা মৰ্মৰ আৱক্ষ মূৰ্তিটো কালিৰাম মেধি আৰু ৰঘুনাথ চোধুৰীৰ অ৷প্ৰাণ চেষ্টাত নিৰ্মিত হোৱা।

১৯৫৪ চনৰ ২৪ জানুৱাৰীৰ নিশা প্ৰায় দহ বজাত মৃত্যু মুখত পৰিলে ইংৰাজী অসমীয়া ৰচনাৰে অসমীয়া ভাষা সাহিত্যক সমৃদ্ধি কৰা কালিৰাম মেধি ডাঙৰীয়া। তেখেতে ইংৰাজ চৰকাৰৰ পৰা পাইছিল ৰায়বাহাদুৰ খিতাপ আৰু নলবাৰী সংস্কৃত সঞ্জীৱনী সভাৰ পৰাই পাইছিল 'তত্বনিধি' উপাধি। মেধিৰ দেউতাক ভূকলি মেধি, মাক সোণতৰা মেধি। গুৱাহাটীলৈ আনি চৰকাৰী হাইস্কুলত নাম লগাই দিয়া মেধিৰ জেঠাক ধৰম মেধি। তেওঁৰ প্ৰথম আৰু দ্বিতীয় পত্নীৰ মৃত্যুত তৃতীয় বাৰ নগাঁৱৰ স্বৰ্ণলতা ভূঞাক বিয়া কৰায়। তেওঁ কৈছিল—"অসমৰ হিন্দু মুছলমানৰ মিলা প্ৰীতি ভাব গোটেই ভাৰতৰ বাবেই আদৰ্শস্থানীয়।" আৰু কৈছে—"জাতীয় জীৱনৰ সকলো লক্ষণ ইয়াত চিহ্নিত আৰু বৰ্ণিত হয়। সেই দেখি আন জাতিৰ উপন্যাসৰ অনুবাদ লৈ জাতীয় শিক্ষাৰ একো সহায় নকৰে।"

গুৰে জীৱন কঠোৰ সাধনা আৰু একান্ত নিষ্ঠাৰে পুৰণি অসমীয়া সাহিত্যৰ বিজ্ঞানসম্মত চৰ্চা কৰা স্বৰ্গীয় কালিৰাম মেধিৰ নিচিনা পণ্ডিত বৰ্তমানো প্ৰয়োজন।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ চতুৰ্থ গৰাকী সভাপতি

প্ৰত্নতাত্বিক হেমচন্দ্ৰ গোস্বামী

'ফুলৰ্ ছাকি'ৰ কবি' সাহিত্যত প্ৰথম ছনেট লিখি সুখ্যাতি অৰ্জা, জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম, সু সাহিত্যিক, পুৰাতাত্বিক, দেশ প্ৰাণ হেমচন্দ্ৰ গোস্বামীয়ে হ'ল অসম সাহিত্য সভাৰ চতুৰ্থ গৰাকী সভাপতি । অসমীয়া সাহিত্যৰ বিখ্যাত জোনাকী যুগৰ অন্যতম প্ৰধান প্ৰতিষ্ঠাপক গোস্বামীৰ হাতত চতুৰ্দশ পদী কবিতাৰ আৰু ত্ৰিমূৰ্তিৰ বাকী দুজনৰ চন্দ্ৰ কুমাৰ আগৰৱালাৰ হাতত ৰোমান্টিক কবিতাৰ, লক্ষ্মী নাথ বেজবৰুৱাৰ হাতত চুটি গল্পৰ সূচনা হয় ।

১৮৭২ চনৰ ৮ জানুৱাৰী মাহত গোলাঘাট মহকুমাৰ ভিতৰুৱা ঢেকীয়াল মৌজাৰ গৌৰাংগ সত্ৰত জন্ম গ্ৰহণ কৰা হেমচন্দ্ৰ গোস্বামীৰ সাহিত্য সাধনাৰ এক যুগমীয়া কীৰ্তি স্তম্ভ হ'ল অসমীয়া সাহিত্যিৰ চানেকি। এই সংকলন খনি ১৯২৯ চনত সাতটা খণ্ডত প্ৰকাশ পায়। 'ফুলৰ চাকি, (১৯০৭ তেখেতৰ একমাত্ৰ কবিতাৰ পুথি ।

১৮৮৮ চনত প্ৰথম বিভাগত নগাওঁ চৰকাৰী হাইস্কুলৰ পৰা এণ্ট্ৰেঞ্চ পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাত পঢ়িবলৈ যোৱাৰ বাটতে জাহাজতে লক্ষ্মী নাথ বেজবৰুৱাৰ লগত প্ৰথম পৰিচয় হয়। বেজবৰুৱা আছিল তেতিয়া বি,এ মহলাৰ ছাত্ৰ। কলিকতাৰ প্ৰেচিডেন্সী কলেজত চাৰি বছৰ পঢ়ি বি এ ডিগ্ৰী লাভ নকৰাকৈ ঘৰলৈ উভতি আহি সোণাৰাম হাইস্কুলত প্ৰধান শিক্ষক নিযুক্তি হয় । ১৮৯৭ চনত চৰডেপুতি কালেক্টৰ নিযুক্তি হয় । মাজতে ১৮৯৫ চনত সচিবালয় চাকৰিত সোমায় যদিও ডেপুটি মেজিষ্ট্ৰেট হৈহে ১৯২৪ চনত চৰকাৰী চাকৰিৰ পৰা অৱসৰ লয়।

হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা 'হেমকোষ' অভিধানখনো পি আৰ টি গৰ্ডন চাহাবৰ লগত লগ হৈ সম্পাদনা কৰি উলিয়াই। পুৰণি সাহিত্য আৰু বুৰঞ্জীক পোহৰলৈ আনি এক সফল কাম কৰি থৈ যোৱা হেমচন্দ্ৰ গোস্বামীৰ ভট্টদেৱৰ "কথা গীতা" আৰু 'কথা-ভাগৱত' সূৰ্য্যখাড়ি দৈৱজ্ঞৰ 'দৰং ৰাজবংশাৱলী' পুৰণি অসম বুৰঞ্জী আৰু 'কামৰত্ন' তন্ত্ৰ বিশেষ ভাৱে উল্লেখ কৰিবলগীয়া কীৰ্তিস্তম্ভ।

অসম সাহিত্য সভাৰ ১৯২০ চনত তেজপুৰত বহা চতুৰ্থ অধিবেশনৰ সভাপতি গোস্বামী দেৱে কৈছিল, "অসমীয়া মানুহক অতি সহজে খং তোলাব খুজিলে আন একো নকৰি কেৱল অসমীয়া ভাষা নিন্দা কৰিবা।" তেওঁ আৰু কৈছিল 'অসমীয়া মানুহ স্ব ভাৱতেই স্বাধীনতা প্ৰিয় আৰু শান্তিপ্ৰিয়।"

চৰকাৰী চাকৰিৰ দায়িত্বতে থাকিও অসমীয়া সাহিত্য, সাহিত্য সভা, ছাত্ৰ সন্মিলনত, জড়িতহৈ আৰু তেতিয়াৰ চৰকাৰৰ অনুৰোধত অসমৰ বিভিন্ন ঠাই আৰু সত্ৰ আদিৰ পৰা কেবাশ পুৰণি পুথি সংগ্ৰহ কৰি কামৰূপ অনুসন্ধান সমিতিত জমা দি অসমৰ এক মহৎ কাম কৰিছিল। জোনাকী আলোচনীৰ প্ৰথম চাৰি বছৰ সম্পাদনা কৰিছিল অসমীয়া ৰোমাণ্টিক সাহিত্যৰ জন্মদাতা আৰু কৰ্ণধাৰ ত্ৰিমূৰ্তিয়ে। প্ৰথম বছৰ চন্দ্ৰ কুমাৰ আগৰৱালা, দ্বিতীয় বছৰ হেমচন্দ্ৰ গোস্বামী আৰু তৃতীয় চতুৰ্থ বছৰ লক্ষ্মীনাথ বেজবৰুৱাই সম্পাদনা কৰে।

হেমচন্দ্ৰ গোস্বামীৰ প্ৰিয়তমাৰ চিঠিয়ে প্ৰথম অসমীয়া চনেট। প্ৰিয়তমাৰ চিঠি ব্যংগ কবিতাহে, কবিতাটোৱে ডেকা প্ৰেমিক সকলক উপলুঙা কৰিছে।

কৰ্মপ্ৰাণ হেমচন্দ্ৰ গোস্বামীয়ে অসম ছাত্ৰ সন্মিলনৰ ৭ম বাৰ্ষিক গুৱাহাটী অধিবেশনত সভাপতিত্ব কৰি এই আসনৰ পৰাই কৈছিল "যেতিয়া তুমি পৃথিৱীলৈ আহিছিলা, তুমি কান্দি কান্দি আহিছিলা আৰু ওচৰ-চুবুৰীয়া সকলোৱে হাঁহিছিল। কিন্তু তুমি এনে কাম কৰিবা যাতে তুমি যেতিয়া পৃথিৱী এৰি যোৱা, তেতিয়া যেন

তুমি হাঁহি হাঁহি যোৱা আৰু তানে তোমাৰ নিমিত্তে হিয়া ভুকুৱাই কান্দে।"

'অৰুণ' হেমচন্দ্ৰ গোস্বামীৰ সম্পাদনাত প্ৰকাশ হোৱা শিশু আলোচনী।

অসমীয়া সাহিত্যৰ সত্তাটো অতি নিখুঁত ভাৱে উপলব্ধি কৰিব পাৰিছিল বাবেই নিজস্ব অভিমত তুলি ধৰি কৈছে যে, "শংকৰদেৱৰ পিছত অসমীয়া ভাষাত যে কৈ গীত, পদ, নাটক, কাব্য, বিজ্ঞান, বুৰঞ্জী, চৰিত পুথি আদি তৰহে তৰহে ৰচনা হৈছিল' বঙালী ভাষাত তেনেকৈ হোৱা নাছিল। গতিকে আপেক্ষিক ভাৱে দুৰ্বল ভাষা এটাই সবল ভাষা এটাক তাৰ অপভ্ৰংশ বোলা কেৱল ভ্ৰান্তি মাথোন।"

অসমৰ প্ৰথম শ্ৰেণীৰ প্ৰত্নতাত্ত্বিক হেমচন্দ্ৰ গোস্বামীয়ে উদ্ধাৰ কৰা তামৰ আৰু শিলৰ ফলিবোৰ অসমৰ জাতীয় জীৱনৰ কাৰণে মহামূল্যবান সম্পদ। এনে সম্পদ উদ্ধাৰৰ বাবে তেখেতে গভীৰ নিষ্ঠাৰে পৰ্ব্বতে পাহাৰে, গাঁৱে ভূঞে হাবিয়ে-অৰণ্যে ঘূৰি ফুৰিছিল আৰু অটব্য হাবি কাটি নতুন সভ্যতাৰ নিদৰ্শন বিচাৰি উলিয়াইছিল। আনকি কোনো কোনো ক্ষেত্ৰত নিজৰ জীৱন বিপন্ন কৰিও নানা তথ্য উদ্‌ঘাটনত আগবাঢ়িছিল। তেওঁ কৈছে—"আমি পাহৰি যাওঁ যে মানুহ নিজে ভাল নহলে, তেওঁ কৰা কোনো কামেই ভাল হব নোৱাৰে। কাম কৰা সিমান টান নহয়, ভাল কাম কৰা যিমান টান, আকৌ ভাল কাম কৰাও সিমান টান নহয়, তাক ভাল ভাৱে কৰা যিমান টান।"

১৯২১ চনত যেতিয়া চৰকাৰী প্ৰায়ভাগ কৰ্মচাৰীয়ে চৰকাৰৰ দ্বাৰা পুৰস্কৃত হবলৈ বিচাৰি কাম কৰিছিল সেই সময়তো কিন্তু হেমচন্দ্ৰ গোস্বামীয়ে তেতিয়াৰ চৰকাৰৰ ওচৰত আত্মবিবেক, আত্ম সন্মান বিক্ৰী কৰা নাছিল।

১৯২৬ চনত অসম ব্যৱস্থাপক সভাৰ নিৰ্বাচনত গোলাঘাট

সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি হাৰিছিল যদিও তেওঁ দুখ কৰা নাছিল। নিৰ্বাচনৰ সময়ত সাংবাদিক লক্ষ্মীনাথ ফুকনে কৰা প্ৰশ্নৰ উত্তৰত কৈছিল—

"কাউন্সিললৈ গলে অসমীয়া সাহিত্যলৈ পিঠি দিব বুলিনো কিয় ভাবিছা ? সাহিত্যৰ কামো চলি থাকিব, কাউন্সিলৰ কামো চলি থাকিব। অসমীয়া সাহিত্যৰ কথা মনত ৰাখিয়েই মই কাউন্সিললৈ ওলাইছো। কাউন্সিলৰ যোগেদি মই অসমীয়া সাহিত্যৰ কামত ঘাইকৈ ধৰিম।"

সকলো সময়তে জাতিক আৰু জাতীয় ভাষা সাহিত্যক ডাঙৰ কৰা গোস্বামীৰ পিতৃ ডম্বৰুধৰ গোস্বামী আৰু মাতৃ ঘনকান্তি দেৱী পত্নী বামা সুন্দৰী দেৱী।

১৯২৮ চনৰ ২ মেত গোস্বামী ডাঙৰীয়াৰ লোকান্তৰ ঘটিল। অসমীয়া সাহিত্যৰ বাবে কৰা পৰিকল্পনা হঠাতে স্তব্ধ হল। অসমীয়া সাহিত্যৰ এখন বহল বুৰঞ্জী ৰচনা কৰাৰ মধুৰ কল্পনাও হঠাতে মাৰ গ'ল। পুৱাৰ পোহৰে নিশাৰ অন্ধকাৰ নাশ কৰি পৃথিৱীক পোহৰ দিয়াৰ দৰে হেমচন্দ্ৰ গোস্বামীয়ে অসমীয়া ভাষা সাহিত্যক প্ৰগতিৰ পথত আৰু এখোপ আগবঢ়াই থৈ গ'ল। সেয়ে গোস্বামী ডাঙৰীয়া চনেট কবি হিচাপে সৰ্বজন পৰিচিত হলেও তেখেত একেবাৰে এগৰাকী প্ৰত্নতত্ত্ববিদ, নিবন্ধকাৰ, সাংবাদিক, বুৰঞ্জীবিদ, আৰু ৰাজনীতিবিদ।

মদন চন্দ্ৰ মেধি

❋❋❋❋

অসম সাহিত্য সভাৰ পঞ্চম গৰাকী সভাপতি

সাহিত্যসেৱী অমৃতভূষণ দেৱ অধিকাৰী

এসময়ত গোৱালপাৰাক বঙালীভাষী বুলি বৰিবলৈ যি ষড়যন্ত্ৰ চলিছিল সেই ষড়যন্ত্ৰ ওফৰাই দিবলৈ যিসকল ব্যক্তিয়ে আগ ভাগ লৈছিল সেই স্মৰণীয় স্বনামধন্য ব্যক্তিৰ ভিতৰত অসম সাহিত্য সভাৰ পঞ্চম গৰাকী সভাপতি সাহিত্য সেৱী অমৃতভূষণ দেৱ অধিকাৰী অন্যতম। ১৯২৩ চনৰ ৩১ মাৰ্চৰ পৰা যোৰহাটত অনুষ্ঠিত হৈছিল অসম সাহিত্য সভাৰ পঞ্চম অধিবেশন। সাহিত্য নথকা জাতিৰ একতা আৰু জাতীয়তাও নাথাকে বুলি কোৱা দেৱ অধিকাৰীৰ ১৮৫৮ চনত অসমৰ পশ্চিম প্ৰান্তৰ গোৱালপাৰাৰ দলগোমা সত্ৰত জন্ম। আমাৰ সাহিত্যৰ পৰিবৰ্তন আৰু পৰিবৰ্দ্ধনৰ লগতে পৌৰাণিক নাট ভাওনাৰো ব্যাপক চৰ্চা হ'ব লাগে বুলি কোৱা এইজনা সাহিত্যসেৱী আছিল বৈষ্ণৱ ধৰ্ম আৰু সাহিত্যৰ অধ্যয়নপুষ্ট লোক। শ্ৰীমাধৱ দেৱৰ 'নাম ঘোষা'ৰ সৰল ব্যাখ্যাৰে 'শ্ৰীনামাম ঘোষা' নাম দি ৰচনা কৰা মূল্যবান গ্ৰন্থখনিয়ে হ'ল অমৃতভূষণ দেৱ অধিকাৰীৰ উল্লেখনীয় গ্ৰন্থ। অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষাৰ কাৰণে দেহে-কেহে লগা, তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ অধিকাৰীয়ে কলিকতা প্ৰেছিডেন্সী কলেজত বি-এ লৈকে পঢ়িছিল। কলিকতা এৰি আহি প্ৰথমে যোৰহাটৰ বেজবৰুৱা হাইস্কুলৰ প্ৰধান শিক্ষক স্বৰূপে চাকৰি জীৱন আৰম্ভ কৰি পিছলৈ গৌৰিপুৰ হাইস্কুলৰ 'অধীক্ষক'ৰ দায়িত্বভাৰ বহন কৰে আৰু গোৱালপাৰাত সাহিত্য সেৱাত একান্ত ভাৱে ব্ৰতী হয়। যোৰহাটৰ বেজবৰুৱা হাইস্কুলৰ পৰা মাতি আনিছিল—গৌৰীপুৰৰ জমিদাৰ ৰজা প্ৰভাত চন্দ্ৰ বৰু-

ৱাই। শ্ৰীবৰুৱাই নকৈ স্থাপন কৰা গৌৰীপুৰ হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক হিচাপে প্ৰথমে অমৃত ভূষণ দেৱ অধিকাৰীক নিযুক্ত কৰিছিল। তেওঁৰ ভালেমান মূল্যবান প্ৰবন্ধ 'বাঁহী', 'আৱাহন' আদিৰ পাতত জিলিকি আছে। গোৱালপাৰা বাসীয়ে অকুণ্ঠচিত্তে অমৃতভূষণ দেৱ অধিকাৰীক সহযোগ আগবঢ়োৱাত গোৱালপাৰাৰ সাহিত্য সংস্কৃতিৰ চিন্তা—চৰ্চা কৰাত সফল হৈছিল; আৰু সফল হৈছিল স্বাধীনচতীয়া ভাবে দেশমাতৃকাৰ হক ৰক্ষাৰ্থে কৰা সংগ্ৰামত।

সভাপতিৰ অভিভাষণত তেওঁ কৈছিল—"গোৱালপাৰা আৰু কোচ বিহাৰৰ ভাষা যে প্ৰচীন কামৰূপী ভাষা আছিল, তাৰ বিশেষ প্ৰমাণ এই যে, কোচ বিহাৰৰ প্ৰসিদ্ধ নৰপতি মহাৰাজ নৰনাৰায়ণ ভূপৰ ৰাজত্ব কালৰ ধৰ্ম সংস্কাৰক মহাপুৰুষ শংকৰদেৱ প্ৰমুখ্যে ধৰ্মচাৰ্য্য আৰু বৈষ্ণৱ কবি সকলে যাই ৰজাৰ আশ্ৰয় আৰু পৃষ্ঠ পোষকতাত ধৰ্ম প্ৰচাৰ কৰে আৰু বহুত পুথি প্ৰাচীন কামৰূপী ভাষাত ৰচিত হয়।" তেওঁ আৰু সাহিত্য কি তাক কৈছিল—"যি শাস্ত্ৰৰ সহায়ত মানুহে দুখময় সংসাৰত সুখময় ভাৱলৈ, নানা বিষয়ক জ্ঞান লভি, শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উন্নতি সাধি অতি সুকলমে জীৱন নিয়াব পাৰে সেয়ে সাহিত্য।"

মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰৰ বংশধৰ অমৃতভূষণ দেৱ অধিকাৰীৰ পিতৃ-কণ্ঠ ভূষণ দেৱ অধিকাৰী, মাতৃ আকাশী লতা। অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষাৰ কাৰণে দেহে—কেহে লগা অমৃতভূষণ দেৱ অধিকাৰী ১৯৪২ চনত চাৰি কুৰি বছৰ বয়সত বৈকুণ্ঠ গামী হয়।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ ষষ্ঠ গৰাকী সভাপতি

বুৰঞ্জীবিদ কনকলাল বৰুৱা

অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্বৰ দুৱাৰ মুকলি কৰোঁতাসকলৰ অন্যতম, উজনি অসমৰ বিখ্যাত নামতিয়াল কাকতিৰ বংশৰ কনকলাল বৰুৱাই হ'ল অসম সাহিত্য সভাৰ ১৯২৪ চনত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা ষষ্ঠ অধিবেশনৰ ষষ্ঠ গৰাকী সভাপতি।

১৮৭২ চনৰ ডিচেম্বৰ মাহৰ কৃষ্ণা চতুৰ্দশী তিথিত ১৭৯৪ শকৰ ২৫ আঘোণত গুৱাহাটী মহানগৰীত কনকলাল বৰুৱাৰ জন্ম ইংৰাজ ৰাজত্বত উচ্চ শ্ৰেণীৰ চাকৰিয়াল হৈও দেশ আৰু ভাষা জননীৰ সেৱা কৰি যোৱা কনকলাল বৰুৱাৰ ঐতিহাসিক জীৱনৰ কীৰ্তি স্তম্ভ হ'ল EARLY HISTORY OF KAMARUPA 'অসম বন্ধু' আৰু 'জোনাকী'ৰ উপৰিও অসমৰ বাহিৰৰ বিভিন্ন গবেষণা পত্ৰিকাত প্ৰকাশিত প্ৰবন্ধ ৰাজিয়ে কনকলাল বৰুৱাৰ স্বদেশ প্ৰীতি তথ্যানুসন্ধিৎসা পাণ্ডিত্যৰ পৰিচয় দিয়ে। ১৯৩৭ চনত কৃষ্ণকান্ত সন্দিকৈদেৱৰ সভাপতিত্বত বহা অসম সাহিত্য সভাৰ গুৱাহাটী অধিবেশনৰ বুৰঞ্জী শাখাৰ সভাপতি আছিল কনকলাল বৰুৱা।

১৮৭৮ চনত বৰপেটাত তেওঁৰ বিদ্যাৰম্ভ হৈছিল আৰু তাৰ পাছত গুৱাহাটীৰ বিদ্যালয়ত ভৰ্তি হয়; সৰুৰে পৰা এগৰাকী একনিষ্ঠ ছাত্ৰ কনকলালৰ তেতিয়া পঢ়াত বিশেষ নজৰ দিছিল হেমচন্দ্ৰ বৰুৱাই। ১৮৮৮ চনত দ্বিতীয় বিভাগত এণ্ট্ৰেঞ্চ পৰীক্ষাত উত্তীৰ্ণ হৈ কুৰিটকীয়া বৃত্তি লাভ কৰি উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যাত্ৰা কৰে। ১৮৯৩ চনত বি. এ. ১৮৯৬ চনত বি. এল পাছ কৰি গুৱাহাটীত ওকালতি আৰম্ভ কৰে।

ভৱিষ্যতে উন্নতিৰ বাট সুগম কৰাৰ নিমিত্তেই অতীতৰ বুৰঞ্জী চৰ্চা কৰা আৱশ্যক বুলি কোৱা বুৰঞ্জীবিদ বৰুৱাদেৱে কামৰূপ অনুসন্ধান সমিতিৰ সভাপতি, জোনাকীৰ সম্পাদকৰ পদ অলংকৃত কৰাৰ লগতে কামৰূপ অনুসন্ধান সমিতিৰ মুখপত্ৰ The journal of the Assam Research society ৰ সম্পাদকৰ দায়িত্ব লৈ প্ৰত্নতত্বৰ ওপৰত থকা তেওঁৰ পাণ্ডিত্যৰ পৰিচয় দিব পাৰিছিল। যি কেইগৰাকী ব্যক্তিৰ প্ৰচেষ্টাত অসম ৰাজ্যিক সংগ্ৰহালয় প্ৰতিষ্ঠা হয় তেখেত সকলৰ ভিতৰত কনকলাল বৰুৱা অন্যতম প্ৰতিষ্ঠাতা। ১৯৪০ চনৰ এপ্ৰিল মাহত অসম প্ৰাদেশিক মিউজিয়াম (বৰ্ত্তমান) ৰাজ্যিক সংগ্ৰহালয়) মুকলি কৰি তেতিয়াৰ গৱৰ্ণৰ চাৰ ৰবাৰ্ট নীল বীডে কনকলাল বৰুৱাৰ মৃত্যুত দুখ প্ৰকাশ কৰিছিল।

১৯১৬ চনৰ ১ জানুৱাৰী তাৰিখে বৰুৱাদেৱে তেতিয়াৰ চৰকাৰৰ পৰা ৰায়বাহাদুৰ উপাধি লাভ কৰিছিল। ১৯৩৯ চনত তেওঁক ভাৰত চৰকাৰে ভাৰতীয় ঐতিহাসিক কমিছনৰ সদস্য নিয়োগ কৰিছিল।

১৯০০ চনত ই, এ, চি হিচাপে শিৱসাগৰত কামত যোগদান কৰি ১৯০৪ চনত সুনামগঞ্জলৈ মহকুমাধিপতি হিচাপে পদোন্নতি লাভ কৰি বদলি হৈ যায়। সুনামগঞ্জৰ পৰা ১৯০৯ চনত বৰপেটালৈ মহকুমাধিপতি হিচাপে বদলি হৈ আহে। ১৯২৮ চনত কনকলাল বৰুৱাই চাকৰিৰ পৰা অৱসৰ লয়।

কনকলাল বৰুৱা ৰাজনীতিত আছিল এগৰাকী উদাৰপন্থী লোক তেওঁ কেবাবছৰো ধৰি স্বায়ত্বশাসন বিভাগৰ মন্ত্ৰী আছিল আৰু উদ্যোগ বিভাগ, কৃষিবিভাগৰ সঞ্চালকৰো দায়িত্বত কাৰ্য্যনিৰ্বাহ কৰিছিল। কনকলাল বৰুৱাই হ'ল অসম চৰকাৰৰ প্ৰথম ৰেজিষ্ট্ৰাৰ অৱ কো অপাৰেটিভ্। এইজন ব্যক্তি শিল্প আৰু কৃষি বিভাগৰ ডাইৰেক্টৰ হৈ থকা সময়তে ভালেকেইটি অনুষ্ঠানৰ জন্ম হয়। গুৱাহাটী এম্পোৰিয়াম আৰু উইভিং স্কুল, চিলঙৰ ফ্লাৱাৰ ইনডাষ্ট্ৰীয়েল এণ্ড টেকনিকেল স্কুল,

ভিতাবৰ চেৰি কালচাৰ ফাৰ্ম, চিলেটৰ স্কুল অব্ হেণ্ডিক্ৰেফট, খানাপাৰা ফাৰ্ম, হাফলং চেৰিকালচাৰ ফাৰ্ম, আদি স্থাপন হয়।

কনকলাল বৰুৱাৰ কবিতা জোনাকীৰ পাতত প্ৰকাশিত হৈছিল। সীমিত সংখ্যক কবিতাৰ এটি কবিতা পঢ়ি হেমচন্দ্ৰ বৰুৱাই কৈছিল—"এই কবি-পোৱালিটি আগলৈ উজ্জ্বল ৰত্ন হ'ব।"

এই উজ্জ্বল ৰত্ন কনকলাল বৰুৱাই অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ জন্মলগ্নৰে পৰা জড়িত। ১৮১০ শকৰ ১০ ভাদত জন্ম হৈছিল অ. ভা. উ. সা. সভাৰ। এই সভাৰ পঞ্চম বছৰৰ পৰা যুটীয়া সম্পাদকৰ দায়িত্ব বহন কৰিছিল কনকলাল বৰুৱা আৰু ৰমাকান্ত বৰকাকতীয়ে। এই দুয়োৰে সম্পাদনাতে প্ৰকাশ হৈছিল 'অসমীয়া পুথিৰ তালিকা। সেইদৰে পঞ্চম বছৰৰ জোনাকী কাকতৰ সম্পাদক আছিল কনকলাল বৰুৱা। চিলঙত থকা সময়তো তেওঁ তাৰ ৰাজহুৱা জীৱনৰ লগতো জড়িত আছিল।

ই. এ. চি হিচাপে শিৱসাগৰত থকাৰ সময়ত তেওঁ তাত স্থায়ী ৰংগমঞ্চ সজাত আগভাগ লৈছিল। কলিকতাত পঢ়ি থাকোতে মিৰ্জাপুৰ ষ্ট্ৰীটৰ মেছতো বৰুৱাই নিজে অভিনয় কৰিছিল। সেইদৰে সাবিত্ৰী সত্যৱান' কনকলাল বৰুৱা, ৰজনীকান্ত বৰদলৈ আৰু গোপাল কৃষ্ণ দেই ৰচনা কৰা এখনি পৌৰাণিক নাটক।

১৯৪০ চনৰ ৮ জানুৱাৰীত বুৰঞ্জীবিদ কনকলাল বৰুৱাৰ মৃত্যু হয়।

কনকলাল বৰুৱাৰ পিতৃ মুন্সিফ লক্ষ্মীলাল বৰুৱা আৰু মাতৃ পদ্মাৱতী দেৱী। প্ৰথমা পত্নী ভুৱনেশ্বৰী দেৱীৰ বিয়োগত তেওঁৰে ভনী প্ৰেমদা দেৱীৰ লৈতে পুণৰ বিবাহ পাশত আবদ্ধ হয়।

অসম সাহিত্য সভাৰ ষষ্ঠ অধিবেশনৰ সভাপতিৰ অভিভাষণত অসমীয়া মানুহৰ স্বাৱলম্বীতাৰ অভাৱ হৈছে বুলি আক্ষেপেৰে কৈছিল—"খনিকৰ কাম বা SCULPTURE ইও সাহিত্যৰ অংগভূক্ত। এই

এই বিদ্যাতেই আমি বৰ্ত্তমান সময়ত বৰ লাজলগা ভাৱে দুখীয়া। অতি প্ৰাচীন কালৰ কথা নকওঁ, আহোম ৰজা সকলৰ দিনৰো মন্দিৰ, দেৱালয়, কাৰেংঘৰ, ৰংঘৰ আদি সজাত অসমীয়া কাৰিকৰসকলে কাম কৰিছিল। শিলাকুটী, খনিকৰ এই বিলাকৰ বেলেগ বেলেগ খেল আছিল। শিলাকুটী মৌজা, খনিকৰ গাওঁ এওঁলোকৰে পূৰ্ব্বৰ বাস-স্থান। এতিয়া সেইবিলাক ঠাইত এটিও শিলকুটা মানুহ নাই। কিন্তু সেই ঠাইৰ অসমীয়া মানুহেই আজি দুশ বছৰৰ পূৰ্বে পৰ্ব্বতৰ পৰা শিল কাটি উলিয়াই তাত নানা প্ৰকাৰ চিত্ৰ আৰু মূৰ্ত্তি কাটি কাটি তাৰে দৌল, মন্দিৰ আদি সাজিছিল। দুখৰ বিষয় এতিয়া তাতোকৈ সামান্য শিলকুটা কাম কৰিবলৈ বিদেশৰ মানুহ নাহিলে নহয়। ইটা পকীৰ কাম বিদেশী ৰাজমিস্ত্ৰী নহলে আমাৰ দেশী কৰোঁতা নাই।"

বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণত কৈছে—

"আমাৰ জাতীয় আৰু দেশীয় বুৰঞ্জী উদ্ধাৰ কৰা কাৰ্য্য আমি নকৰিলে কোনে কৰিব? এই কাৰ্য্যত অসমীয়াৰ কৰ্ত্তব্য পোন প্ৰথম, তাৰ পাচতহে আনৰ। যি জাতিয়ে এই কৰ্ত্তব্য ভালকৈ সমাধা কৰিব পাৰিছে সেই জাতিয়েহে আজিকালি জগতৰ সভ্য আৰু শিক্ষিত বোলাব পাৰিছে।"

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ সপ্তম গৰাকী সভাপতি
ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা

নাৱৰ ওপৰত জন্ম গ্ৰহণ কৰা, একেৰাহে এগৰাকী কবি, জীৱনী লেখক, উপন্যাসিক, নাট্যকাৰ, সমালোচক, হাস্য-ব্যংগ লেখক আৰু আধুনিক অসমীয়া গল্প সাহিত্যৰ জনক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই হ'ল অসম সাহিত্য সভাৰ ১৯২৪ চনৰ গুৱাহাটীত অনুষ্ঠিত সপ্তম অধিবেশনৰ সপ্তম গৰাকী সভাপতি ।

অসমীয়া সাহিত্যক স্বকীয়া মৰ্যাদা দিয়া সাহিত্যৰথীয়ে তেওঁৰ মতে নাৱৰ ওপৰত জন্ম গ্ৰহণ কৰা বাবে তেওঁ 'ভূমিষ্ঠনহৈ নৌকাস্থহে হ'ল । দেউতাকে চৰকাৰী দায়িত্ব লৈ নগাৱঁৰ পৰা বৰপেটালৈ বদলি হৈ পৰিয়ালৰে সৈতে ব্ৰহ্মপুত্ৰৰে নাৱেৰে আহি থাকোতে আহঁতগুৰিৰ ওচৰত লক্ষ্মীপূৰ্ণিমাৰ দিনা ১৮৬৮ চনৰ ১৭৯০ শকত নৌকাস্থ হ'ল ।

আধুনিক অসমীয়া সাহিত্যৰ অন্যতম প্ৰাণ প্ৰতিষ্ঠাতা, অসমীয়া সমাজক প্ৰবল জাতীয় চেতনাৰে উদ্বুদ্ধ কৰা ৰসৰাজ বেজবৰুৱাৰ বিশাল ব্যক্তিত্বৰ প্ৰভাৱ সদায় স্মৰণীয় হৈ থাকিব । বেজবৰুৱাৰ বিদ্যাৰম্ভ লক্ষীমপুৰতে হয় । তেওঁ শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা ১৮৮৬ চনত কুৰিটকীয়া জলপানী সহ এণ্ট্ৰেঞ্চ পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যায় । তাত গৈ প্ৰথমে ৰিপন কলেজত পঢ়ি পিচত চিটি কলেজৰ পৰা এফ, এ আৰু এচেম্বলি কলেজৰ পৰা বি-এ পাছ কৰে ।

কলিকতালৈ উচ্চ শিক্ষা লবলৈ কৰা যাত্ৰাই বেজবৰুৱাৰ সাহিত্যৰ সংগ্ৰামৰ মূল পাতনি । ১৮৮৮ চনত চন্দ্ৰকুমাৰ আগৰৱালা, হেম-

চন্দ্ৰ গোস্বামীক কেন্দ্ৰ কৰি কলিকতা নিবাসী অসমীয়া ছাত্ৰৰ মাজত অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ জন্ম। এই অ, ভা, উ, স, সভাৰ মুখপত্ৰ 'জোনাকী'ৰ গুৰি ধৰিছিল বেজবৰুৱা, আগৰৱালা, আৰু হেমচন্দ্ৰ গোস্বামী এই ত্ৰিমূৰ্তিয়ে। জোনাকী কাকতৰ জৰিয়তে সঞ্চালনীকৈ অসমীয়া সাহিত্যত নৱন্যাস ভাবধাৰাৰ সূচনা হয়। এই আৰম্ভণিৰ দ্বাৰাই বেজবৰুৱাই ইখনৰ পিছত সিখনকৈ ৰচনা কৰিছিল বিবিধ গ্ৰন্থ। জোনাকী কাকতৰ জৰিয়তে বেজবৰুৱাৰ ধেমেলীয়া নাট লিতিকাই ছোৱা দোৱাকৈ প্ৰকাশ হয়। অসমীয়া গল্প সাহিত্যৰ জনক বেজবৰুৱাৰ প্ৰথম ছুটি গল্প প্ৰকাশ হয় জোনাকীৰ পাতত। কবিতাৰো সৰহ ভাগ প্ৰকাশ পাইছিল জোনাকীতে। এই জোনাকী কাকত হঠাতে বন্ধ হোৱাত বেজবৰুৱাই ১৯১০ চনত কলিকতাৰ পৰাই 'বাঁহী' আলোচনী খন প্ৰকাশ কৰে।

সাহিত্যৰ প্ৰত্যেকটো দিশতে উল্লেখযোগ্য বৰঙণি থকা বেজবৰুৱাই তেতিয়া চৰকাৰী চাকৰিৰ বাবে হাবাথুৰি খাব লগাত হোৱা নাছিল যদিও কোনো চৰকাৰী চাকৰিলৈ মন নেমেলি পোনতে ভোলাবৰুৱাৰ লগত কলিকতাত আৰু পিচলৈ সুদূৰ উৰিষ্যাৰ চম্বলপুৰত কাঠৰ ব্যৱসায় কৰিও জীৱন নিৰ্বাহ কৰে। সুদূৰ চম্বলপুৰত কাঠৰ ব্যৱসায় কৰিলেও সাহিত্যই তেখেতৰ প্ৰাণ আছিল আৰু মন দিছিল সাহিত্য সাধনাতো। কৃপাবৰী হাস্যৰসৰ বাবেই জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে শিৱসাগৰত বহা অসম সাহিত্য-সভাৰ ত্ৰয়োদশ অধিবেশনত লক্ষ্মীনাথ বেজবৰুৱাক ৰসৰাজ উপাধি দিছিল। অসমীয়া সাহিত্যৰ কাণ্ডাৰী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্যৰ কোনো কোনো দিশত বাটকটীয়াৰ ভূমিকা লৈছিল আৰু কোনো কোনো দিশত সবল কৰিবলগীয়া হৈছিল। এয়া আজিৰ যুৱক যুৱতী সকলৰ আহিঁ স্বৰূপ নহয়নে? সুদূৰ চম্বলপুৰত কাঠৰ ব্যৱসায় কৰি আমাৰ নিজৰ অতীত ঐতিহ্যৰ কথা তেওঁ পাহৰা নাছিল। অসমীয়া সাহিত্যৰ বৰঘৰ গুৰনি কৰা বেজবৰুৱাৰ স্বদেশ

প্ৰীতি, স্বদেশানুৰাগ ৰচনাৰ অন্যতম বৈশিষ্ট্য।

লক্ষ্মীনাথক 'সাহিত্যৰথী' উপাধিৰেও বিভূষিত কৰা হৈছিল অসমীয়া সাহিত্যত লোৱা সবল ভূমিকাৰ বাবে। 'শ্ৰীশংকৰদেৱ' আৰু শ্ৰীমাধৱদেৱ গুৰুদুজনাৰ জীৱনী আৰু সাহিত্য সম্বন্ধীয় গ্ৰন্থ লেখি গুৰুদুজনাক সাৰ্থক ভাৱে প্ৰতিষ্ঠা কৰাত অবিহণা যোগায়। সেয়ে ৰসৰাজে ঘৰৰ সম্পদ চিনি আনৰ সম্পদৰ প্ৰতি সমাদৰ দেখুৱাব খোজাতো মুঠেই সমৰ্থন কৰা নাছিল। আৰু তেওঁৰ কবিতাৰে—

"গুৰু লাগে মই শিক্ষিত শিষ্য
জগতত জ্ঞানী দিলো
জগতৰ গুৰু শংকৰ ঘৰতেই
অন্ধলাই নেদেখিলোঁ।।"

বিভিন্ন কৰ্মৰ মাজেৰে অসমৰ বাহিৰত সুনাম অৰ্জন কৰা বেজবৰুৱাক ১৯৩৩ চনত বৰোদাৰ গাইকোঁৱাৰে আমন্ত্ৰণ জনাইছিল ৰজসভাত বক্তৃতা দিবৰ বাবে।

১৯১৬ চনৰ অসম ছাত্ৰ সন্মিলনৰ প্ৰথম অধিৱেশন বেজবৰুৱাৰ সভাপতিত্বত সম্পন্ন হয়।

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ দেশ' গীতটো ১৯২৭ চনত তেজপুৰত তৰুণৰাম ফুকনৰ সভাপতিত্বত বহা অসম ছাত্ৰ সন্মিলনত জাতীয় সংগীত ৰূপে গ্ৰহণ কৰা হয়।

নবন্যাস আন্দোলনৰ পথ প্ৰদৰ্শক; অসমীয়া গল্প সাহিত্যৰ জনক বেজবৰুৱাৰ গ্ৰন্থৰ সংখ্যা ৩৭ খন। কিন্তু এই সংখ্যাই তেখেতৰ মূল পৰিচয় নহয়।

বেজবৰুৱাৰ স্বদেশ প্ৰেমৰ প্ৰতি লক্ষ্য কৰি ডক্টৰ বাণীকান্ত কাকতিয়ে কৈ গৈছে—"বেজবৰুৱা য'তে থাকক তেওঁৰ হিয়া পৰি আছে অসমৰ হাবি-বননিৰ মাজত, তেওঁ বঙালীৰ সন্দেশ মিঠাই খাই থাকিলেও তেওঁৰ জিভাৰ পানী পৰে এতিয়াও অসমীয়া

কাঁহুদী খাৰলিৰ সোঁৱৰণীৰ।" বেজবৰুৱাই পাণ্ডিত্যপূৰ্ণ ভাষণেৰে গুৱাহাটীত হোৱা অসম সাহিত্য সভাৰ সপ্তম অধিবেশনৰ সভাপতিৰ অভিভাষণত কৈছিল—"নিজৰ দেশৰ বস্তুলৈ হেঁপাহ বঢ়োৱা, নিজক নিজে চিনি পোৱা আৰু নিজক নাপাহৰা, স্বদেশৰ সকলো ভাল বিষয়তে গৌৰৱ অনুভৱ কৰা, নিজৰ ভৰিত ভৰি দি আত্ম-মৰ্যাদা নিখুঁত ৰাখি মানুহ হ'বলৈ শিকোৱাটো প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ প্ৰধান কাম।"

বহুমুখী সাহিত্যিক প্ৰতিভাৰদ্বাৰা অসমীয়া সাহিত্যৰ সকলো বিভাগৰ পৰিপুষ্টি সাধন কৰা বেজবৰুৱাৰ গ্ৰন্থৰাজিৰ ছুটি গল্পৰ পুথি—১। সুৰভি (১৯০৯) ২। সাধুকথাৰ কুকি (১৯১০) ৩। জোনবিৰি (১৯১৩) ৪। কেহোকলি (১৯৬৮)

বেজবৰুৱাৰ সাহিত্যিক জীৱন আৰম্ভ হয় 'লিতিকাই' নাটক ৰচনাৰ পৰাই। ১৮৯০ চনত প্ৰকাশিত এই ধেমেলীয়া নাটক প্ৰথম বছৰ জোনাকীত প্ৰকাশ হৈছিল। 'নোমল' (১৯১৩); 'পাচনি' (১৯১৩); 'চিকৰপতি নিকৰপতি' (১৯১০); 'গদাধৰ ৰজা' এই কেইখন ধেমেলীয়া নাটক। 'বেলিমাৰ' (১৯১৫); চক্ৰধ্বজ সিংহ। (১৯১৫) আৰু জয়মতী কুঁৱৰী (১৯১৫) বুৰঞ্জী-মূলক নাট।

পদুমকুঁৱৰী বেজবৰুৱাৰ একমাত্ৰ উপন্যাস। বুঢ়ী আইৰ সাধু ককাদেউতা আৰু নাতিলৰা; তুখনি সাৰ্থক সাধুকথাৰ পুথি। আৰু লৰা ছোৱালীৰ বাবে লিখা পুথি—'হাঁহি ধেমালি আৰু জুনুকা;

লক্ষ্মীনাথৰ কৱিতাবোৰৰ কিছুমান কবি বেজবৰুৱাই ৰচনা কৰা আৰু আন কিছুমান কৃপাবৰ বৰুৱাই ৰচনা কৰিছে। কৃপাবৰ বৰুৱাই ৰচনা কৰা বিধ কবিতা থুহুটীয়া আৰু ব্যংগাত্মক। 'কদম কলি ১৯১৩ চনত প্ৰকাশিত চাৰিকুৰি এটা কবিতা সন্নিবিষ্ট এখন কবিতা সংকলন। অ'ত-ত'ত সিচৰিত হৈ থকা কবিতাৰে 'পদুম কলি' নামেৰে আন এখন সংকলন কৰা হৈছে। ৰোমাণ্টিক আন্দো-

লনৰ গুৰি ধৰোতা হিচাপে ৰোমাণ্টিক কবিতাৰ লক্ষণ পূৰা মাত্ৰাই প্ৰকাশ পাইছে। বেজবৰুৱাৰ এই কবিতাবোৰ—বিদ্ৰুপাত্মক কবিতা, প্ৰেমৰ কবিতা, জাতীয় ভাৱৰ কবিতা, নীতি উপদেশ মূলক কবিতা, খুহুটীয়া ব্যংগ আৰু ধৰ্মতত্ব সম্বন্ধীয় কবিতা হিচাপে ভাগ কৰি উলিয়াব পাৰি। বেজবৰুৱাৰ কবিতাত সাধাৰণতে নিৰাশা বাদৰ স্থান নাই আৰু তেওঁৰ কবিতাত প্ৰধান সুৰ হ'ল স্বদেশ আৰু স্বজাতি অনুৰাগ।

কৃপাবৰী হাস্যৰসৰ পুথি কেইখন হ'ল—'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা; কৃপাবৰ বৰুৱাৰ ওভতনি; কৃপাবৰ বৰুৱাৰ ভাৱৰ বুৰবুৰণি; আৰু বৰ বৰুৱাৰ বুলনি।

ভগৱৎ কথা; তত্ব কথা; শ্ৰীকৃষ্ণ কথা, বাখৰ; কামত কৃতিত্ব লভিবৰ সংকেত; ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ জীৱনী বেজবৰুৱাৰ বংশাৱলী; মোৰ জীৱন সোঁৱৰণ; ভাৰত বৰ্ষৰ বুৰঞ্জী আদি বিভিন্ন দিশত ৰচিত গ্ৰন্থ।

ডাকৰ বচনৰ পুথি আৰু দীপিকাছন্দ অসমীয়া ভাষাত ৰচিত পুথি বুলি তেওঁ যুক্তি আগবঢ়াইছিল। ১৯২৪ চনৰ অসম সাহিত্য সভাৰ সপ্তম অধিবেশনৰ তেওঁৰ পাণ্ডিত্যপূৰ্ণ ভাষণ শুনি উপস্থিত ৰাইজ মোহিত হৈছিল। তেওঁকৈছিল—"প্ৰকৃত সাহিত্যৰ প্ৰধান লক্ষণ মুক্তি। যি সাহিত্যৰ ভিতৰত স্বাধীনতাৰ প্ৰেৰণা মুক্তিৰবন্ধন বিহীনতা সচ্ছন্দে লিখিবৰ শক্তি নাই সেই সাহিত্য মৃতব্য।" বেজবৰুৱাই আৰু কৈছে—"কোনো এটা জাতিৰ ৰাজ-নৈতিক, সামাজিক আৰু ধৰ্ম সম্বন্ধীয় সকলো কথাৰ ভু সেই জাতিৰ সাহিত্যৰ ভিতৰেদি পোৱা যায়। যি দেশৰ জাতীয় জীৱন যিমান সৌষ্ঠৱপূৰ্ণ সেই দেশৰ সাহিত্যও সৌষ্ঠৱপূৰ্ণ। জীৱন্ত ভাষা দেশৰ সকলো ভাৱৰ বাহন।"

লক্ষ্মীনাথ বেজবৰুৱাৰ পিতৃ ডাঙৰীয়া দীননাথ বেজবৰুৱা, মাতৃ

অনন্ত কন্দলিৰ বংশত জন্মা তত্ৰ শৰপুজাৰীৰ কন্যা থানেশ্বৰী আৰু কলিকতাৰ কলেজত পঢ়ি থকা অৱস্থাতে কলিকতাৰ ৰবীন্দ্ৰনাথ ঠাকুৰ পৰিয়ালৰ হেমেন্দ্ৰনাথ ঠাকুৰৰ কন্যা প্ৰজ্ঞাসুন্দৰীৰ লগত পৰিণয় সূত্ৰত আবদ্ধ হয়।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই শেষ নিঃশ্বাস এৰে ১৯৩৮ চনত ডিব্ৰুগড়ত।

অসমৰ ডেকাচামক চাকৰিৰ ভাণ্ডাৰৰ আশাতকৈ স্বাধীন ব্যৱসায় বাণিজ্যৰ ফালে মন দি অসম খনিক সমৃদ্ধিশালী কৰি গঢ়ি তুলিবলৈ আহ্বান জনোৱা ৰসৰাজ বেজবৰুৱাৰ ৰচিত তলৰ গীতটিয়ে অসমৰ জাতীয় সংগীত। অ' মোৰ আপোনাৰ দেশ এই গীতটি অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰাৰ লগে লগে গোৱা হয়।

'অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুণী দেশ
এনেখন সুজলা এনেখন সুফলা
এনেখন মৰমৰ দেশ।
অ' মোৰ সুৰীয়া মাত
অসমৰ সুৱদী মাত
পৃথিবীৰ ক'তো বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত।
অ' মোৰ ওপজা ঠাই
অ' মোৰ অসমী আই
চাই লওঁ এবাৰ মুখনি তোমাৰ
হেঁপাহ মোৰ পলোৱা নাই।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ অষ্টম গৰাকী সভাপতি
উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ

উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে হ'ল — অসম সাহিত্য সভাৰ ১৯২৫ চনত নগাঁৱত অনুষ্ঠিত অষ্টম অধিবেশনৰ অষ্টম গৰাকী সভাপতি। অসমীয়া উপন্যাসে ৰজনীকান্ত বৰদলৈৰ উপন্যাস সমূহৰ যোগেদি সু-প্ৰতিষ্ঠা লাভ কৰে। সেয়ে — বৰদলৈক উপন্যাস সম্ৰাট, অসমীয়া উপন্যাসৰ পিতা, অসমীয়া সাহিত্য আকাশৰ ভোটা-তৰা, অসমীয়া স্কট আদি আখ্যা দিয়া হৈছে।

কেইবাখনো ঐতিহাসিক উপন্যাস ৰচনা কৰা বৰদলৈৰ জন্ম হয় ১৮৬৭ চনৰ ১৪ নবেম্বৰত গুৱাহাটীত। উত্তৰ গুৱাহাটীত প্ৰাথমিক শিক্ষা আৰম্ভ কৰি ১৮৮৫ চনত গুৱাহাটীৰ চৰকাৰী হাইস্কুলৰ পৰা দ্বিতীয় বিভাগত এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ কুৰি টকীয়া, 'ইলিয়ট' বৃত্তি লাভ কৰি উচ্চ শিক্ষাৰ কাৰণে কলিকতালৈ যাত্ৰা কৰে। বি এ পৰীক্ষাত উত্তীৰ্ণ হৈ তৃতীয় শ্ৰেণীৰ ৯০ টকীয়া চৰকাৰী চাকৰিত সোমাই পিছত উপায়ুক্ত পদত অধিষ্ঠিত হয়।

চৰকাৰী কামত নানা ঠাই ঘূৰি ফুৰোঁতে বিভিন্ন উপন্যাসৰ সমল সংগ্ৰহ কৰে আৰু বুৰঞ্জীবিদ গেইট চাহাবৰ তলত চাকৰি কৰি থকা কালতে গেইট চাহাবৰ উদগনি পাই বৰদলৈ দেৱে অসমৰ বুৰঞ্জী অধ্যয়ন কৰিবলৈ ধৰে। ১৮৯৪ চনত জনজাতীয় জীৱন লৈ ৰচনা কৰে 'মিৰি জীয়ৰী' উপন্যাস। এই খনিয়ে অসমৰ প্ৰথম জনজাতীয় উপন্যাস। গেইট চাহাবৰ প্ৰিয়পাত্ৰ বৰদলৈয়ে ছবডেপুটী পদ লৈ উত্তৰলক্ষীমপুৰলৈ বদলি হৈ গৈ সোঁৱণশিৰি

নৈৰ পাৰৰ মিৰি গাওঁবোৰত সোমাই 'মিৰি জীয়ৰী'ৰ সমল সংগ্ৰহ কৰে। উপন্যাসখনি সেয়ে মিৰি জন জাতিৰ ৰীতি-নীতি, স্বভাৱ চৰিত্ৰ আৰু সৰল প্ৰেমৰ স্পষ্ট চিত্ৰই আজিও সেউ জীয়া কৰি ৰাখিব পাৰিছে। এই অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ উপন্যাস খনি ইতিমধ্যে হিন্দী, কানাড়া, আৰু তেলেগু ভাষাত অনুদিত হৈছে আৰু ভাৰতৰ বিভিন্ন ভাষাত অনুবাদ কৰাৰ বাবে যো-জা চলি আছে।

আদৰ্শাত্মক দৃষ্টিভংগীৰে ৰচনা কৰা বৰদলৈৰ উপন্যাস সমুহে পাঠকৰ সহানুভূতি আকৰ্ষণ কৰিব পাৰিছে। তেখেতৰ উল্লেখযোগ্য আন আন সাহিত্যিক কীৰ্তি স্তম্ভ হ'ল—মনোমতী ৰঙিলী, নিৰ্মল ভকত, ৰহদৈলিগিৰী দন্দুৱাদ্ৰোহ, তাম্ৰেশ্বৰীৰ মন্দিৰ, ৰাধা ৰুক্মিণীৰ ৰণ, জ্ঞান সোপান, গা ধন—গল্প পুথি, থাম্বা খেইম্বী—মণিপুৰী সাধু। ইয়াৰে বেছিভাগ উপন্যাসে আহোম ৰাজত্বৰ শেষকাল ছোৱাৰ ঘটনাৰ পটভূমিত ৰচিত। এই ইতিহাসৰ পটভূমিলৈ ৰচনা কৰাৰ মূলতে আছিল অসমীয়া জাতিৰ অতীতৰ শৌৰ্য্য বীৰ্য্যৰ আদৰ্শ দাঙি ধৰা।

'অসম প্ৰদীপিকা' নামৰ ধৰ্ম সম্পৰ্কীয় আলোচনী এখনো তেখেতে সম্পাদনা কৰিছিল।

বৰদলৈৰ জন্মৰ নবছৰ বয়সতে, দেউতাক ঢুকায় আৰু মাতৃৰ বিয়োগ ঘটে ১৮৯৭ চনত অসমত হোৱা ডাঙৰ ভূমিকম্পৰ সময়ত।

১৯১৮ চনত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে আৰু তেওঁৰ চিৰজীৱনৰ সঞ্চিত অৰ্থৰে এখন চাহ বাগিছা কিনে যদিও অৰ্থৰ অভাৱতে ধাৰ লৈও বাগিচা চলাবনোৱাৰিলে। কাৰণ সেই সময়ত বাগিচা চলোৱাৰ কোনো সুচল পথ নাছিল। সেয়ে তেখেতে অসম সাহিত্য সভাৰ অষ্টম অধিবেশনৰ সভাপতিৰ অভিভাষণত কৈছিল—"জাতিটো ৰবলৈ হ'লে আমাক ধনবল, জনবল দুয়োটা লাগে। কিন্তু আমি দুয়োটা বিষয়তে দুখীয়া। কানি ভাং, চিগাৰেট অসমীয়াই এৰক।

দেখিব তেতিয়াহলে অসমীয়াৰ শৰীৰলৈ এটা নতুন জীৱনীশক্তি আহিব। যি জাতি যিমান উন্নত, সেই জাতিৰ ভাষা, আৰু সাহিত্যও সিমান উন্নত।"

কেৰাণী কামত ভৰ্ত্তি হৈ পিছত নিজৰ গুণত ডিপুটি কালেক্টৰ উপাযুক্ত হিচাপে নিযুক্তি হৈছিল ৰজনীকান্ত বৰদলৈয়ে। উপন্যাসৰ বাহিৰেও তেওঁ ভালে সংখ্যক তত্বপূৰ্ণ প্ৰবন্ধ—জোনাকী, উষা, অসম প্ৰদীপিকা আদি আলোচনীত লেখিছিল। 'ৰাধাৰুক্মিণীৰ ৰণ' উপন্যাস ৰচনা কৰি ধাৰাবাহিক ৰূপে 'অসম হিতৈষীত প্ৰকাশ কৰে। ৰজনীকান্ত বৰদলৈ, ৰায়বাহাদুৰ কনকলাল বৰুৱা আৰু সু সাহিত্যিক গোপালকৃষ্ণ দে তিনিওজনে 'ভ্ৰমৰংগ' নামৰ নাটক এখন লিখি তিনিওজনে অভিনেতাৰ ভাও লৈছিল। সেই সময়ছোৱাত অসমত নাটক লিখা আৰু অভিনয় কৰাৰ এটা জাগৰণে দেখা দিয়ে।

অসমীয়া সাহিত্যক উপন্যাসৰ যোগে আন্তৰ্জাতিক ক্ষেত্ৰলৈও বিস্তাৰিত কৰা উপনাস সম্ৰাট বৰদলৈৰ মৃত্যু হয় ১৯৪০ চনত গুৱাহাটীৰ উজানবজাৰৰ নিজা ঘৰত।

আদৰ্শ পুৰুষ - অসমীয়া ভাষাক গৌৰৱৰ আসনত প্ৰতিষ্ঠা কৰিবলৈ আপ্ৰাণ সেৱা আগবঢাই যোৱা বৰদলৈয়ে সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত অসমত শিক্ষা বিস্তাৰৰ ওপৰতো জোৰ দিছিল আৰু কানি ভাং নিবাৰণৰ ওপৰতো জোৰ দি সকীয়াই দিছিল।

আদৰ্শাত্মক দৃষ্টিভংগীৰে ৰচনা কৰা ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ উপন্যাসত ধৰ্ম-সংস্কৃতিৰ লগতে সমাজৰ অন্যান্য দিশৰ ওপৰতো যথেষ্ট প্ৰভাৱ আছে; তেওঁৰ উপন্যাসত সৰু বৰ, সৎ অসৎ সকলোকে সহানুভূতিশীল দৃষ্টিৰে অ'াকিছে। সেয়ে তেওঁ কৈছিল—"পৃথিৱীত আচল ধৰ্ম হৈছে কৰ্তব্য পালন কৰা। তাৰ লগে লগে সত্য, সংযম, ধৈৰ্য্য, পৰোপকাৰ, দান, দয়া, স্বাৰ্থত্যাগ, পবিত্ৰতা, ক্ষমা, নম্ৰতা, বিনয়, সমাজ ৰক্ষাৰ্থে ন্যায় কৰ্ম ইত্যাদি আচৰণ কৰা, ইশ্বৰত বিশ্বাস আৰু ভক্তি ৰখা।"

অসমীয়া উপন্যাসৰ সুদৃঢ় ভেটি বান্ধি থৈ যোৱা ৰজনীকান্ত বৰদলৈৰ নাম অসমীয়া উপন্যাস সাহিত্য জীয়াই থাকে মানে ভোটা তৰাৰ দৰে অসমৰ আকাশত জিলিকি থাকিব।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ নৱম গৰাকী সভাপতি
জোনাকী যুগৰ প্ৰহসন লেখক
বেণুধৰ ৰাজখোৱা

অসমীয়া নাটকৰ অভাৱ দূৰ কৰিবলৈ জোনাকী যুগৰ যি-সকল লেখকে আগবাঢ়ি আহিছিল সেই সকলৰ প্ৰথম দলৰ ভিতৰত বেণুধৰ ৰাজখোৱাৰ নাম বিশেষভাবে উল্লেখযোগ্য।

জোনাকী যুগৰ সাহিত্যানুৰাগী সকলে অসমীয়া সাহিত্যৰ কেৱল একেটা দিশৰ ফালেই দৃষ্টি নিবদ্ধ কৰা নাছিল, অসমীয়া সাহিত্যৰ সকলো দিশৰ দৈন্য দূৰ কৰিবলৈ সেই সকল সচেতন স্বনামধন্য ব্যক্তিয়ে উঠি পৰি লাগিছিল। এই সচেতন ব্যক্তি; সাহিত্য সেৱক সকলৰ ভিতৰত বেণুধৰ ৰাজখোৱা আছিল অন্যতম।

উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে হ'ল অসম সাহিত্য সভাৰ অষ্টম গৰাকী সভাপতি আৰু বৰদলৈৰ পিছৰজন নৱম গৰাকী সভাপতিয়ে হ'ল বেণুধৰ ৰাজখোৱা। ১৯২৬ চনত অসম সাহিত্য সভাৰ নৱম অধিবেশন অনুষ্ঠিত হয় ধুবুৰীত আৰু এই নৱম ধুবুৰী অধিবেশনৰ নৱম গৰাকী সভাপতিয়ে হ'ল ৰাজখোৱা।

যি জনৰ অন্তৰত দেশৰ প্ৰতি জন্মভূমিৰ প্ৰতি এফেৰি টান নাথাকে তেওঁ থাকিও মৃতৰ নিচিনা।

চৰকাৰী চাকৰিৰ মাজত ব্যস্ত থাকিও যি সকল ব্যক্তিয়ে অসমীয়া ভাষা-সংস্কৃতিৰ উন্নতিৰ হকে কাম কৰি বিশিষ্ট বৰঙণি অসমক দি গ'ল সেই সকল স্বনামধন্য ব্যক্তিৰ ভিতৰত বেণুধৰ ৰাজখোৱা অন্যতম। সাধাৰণতে 'জোনাকী', 'উষা'; 'বিজুলী', 'অসম

'বন্ধু'; 'মৌ'' বাঁহি আদি সেই সময়ৰ ব্যাকৰণ আৰু আলোচনীৰ লেখক সকলে অসমীয়া সাহিত্যৰ সৰ্বাংগীন উন্নতিৰ কথা চিন্তা কৰি সাহিত্যৰ প্ৰায় সকলো দিশতে মনোনিবেশ কৰিছিল। একাধাৰে মাতৃভাষা অসমীয়াৰ একনিষ্ঠ সেৱক ৰাজখোৱা এই দিশত পিছপৰি নৰল। ৰাজখোৱাই 'জোনাকী' আৰু 'বিজুলী'ৰ নিয়মীয়া লেখক আছিল। নানা ধৰণৰ বাধা আৰু দায়িত্বপূৰ্ণ চৰকাৰী চাকৰিত থকা সত্বেও ভাগৰুৱা নোহোৱা ৰাজখোৱাদেৱে ভাৰতবৰ্ষৰ ঐক্য—সংহতিতো গুৰুত্ব দিছিল। সকলো শ্ৰেণীৰ ভাষা-ভাষীৰে সমানে সমানে উন্নতি হওক এয়া আছিল তেওঁৰ উদাৰ দৃষ্টিভংগীৰ মুকলি পৰিচয়। অনা অসমীয়া বহিৰাগতৰ কুট-কৌশল, শোষণ-নিষ্পেষণৰ পৰা অসমীয়াক মুক্ত কৰিবলৈ তেওঁ বিচাৰিছিল। নৱম অধিবেশনৰ সভাপতিৰ অভিভাষণত ৰাজখোৱাদেৱে কৈছে— 'বঙালীসকলে নিজে ভালে—কল্যাণে থাকক, আমাকো ভালে কল্যাণে থাকিবলৈ দিয়ক। ভাৰতৰ সকলো জাতিয়েই নিজৰ বাটে উধাওক। ব্ৰহ্মপুত্ৰ ব্ৰহ্মপুত্ৰৰ ভাগে গংগা গংগাৰ ভাগে, যমুনা যমুনাৰ ভাগে, কাবেৰী কাবেৰীৰ ভাগে, সিন্ধু সিন্ধুৰ ভাগে বাঢ়ক আৰু বৈ থাওক। কাকো কাৰো লগত লগ লগাবলৈ যেন যত্ন কৰা নহয়। আটাইবিলাক গৈ শেষত ভাৰত মহাসাগৰত পৰিবৰ্গৈ আৰু সেয়ে ভাৰতীয় মহাজাতি।'' ১৯২৬ চনৰ সময়তো অসম ভূমিত চলি থকা এচাম বাংলা ভাষীৰ সম্প্ৰসাৰণ-বাদী মনোভাবৰ কথা দাঙি ধৰি ওপৰৰ কথাৰে প্ৰতিবাদ কৰি সোঁৱৰাই দিব পাৰিছিল। এক বহল আৰু উদাৰ মনৰ অসম জননীৰ সু-সন্তান বেণুধৰ ৰাজখোৱাৰ জন্ম ১৮৭২ চনৰ ১১ ডিচেম্বৰত মৌজাদাৰৰ পৰিয়ালত ডিব্ৰুগড় মহকুমাৰ ব্ৰহ্মপুৰ মৌজাত।

অসমীয়া নাটকৰ দৈন্য দূৰ কৰিবলৈ বেণুধৰ ৰাজখোৱাইও উঠি পৰি লাগিছিল। জোনাকী যুগত ৰংগমঞ্চত অসমীয়া নাটক দিবলৈ যি সকল লেখক আগবাঢ়ি আহে তাৰ ভিতৰত প্ৰথম দলটোতে আছিল—বেণুধৰ ৰাজখোৱা, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ

গোহাঞিঃ বৰুৱা আৰু দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা আদি সাহিত্যিক সকল। ১৮৮৯ চনত ৰাজখোৱাই নাটক লিখিবলৈ আৰম্ভ কৰে আৰু এই বছৰতে পদ্মনাথ গোহাঁঞি বৰুৱাৰ লগলাগি বিক্ষিপ্ত নাটকীয় চিত্ৰ কেইটিমান সন্নিবিষ্ট কৰিয়ে 'ডেকা-গাভৰু' প্ৰকাশ কৰে। সেইদৰে 'সেউতি কিৰণ এখনি কাল্পনিক নাটক। এই নাটকখনি ১৮৯৪ চনত প্ৰকাশ হয়। দুৰ্যোধনৰ উৰুভংগ, দক্ষযজ্ঞ, ক্ৰমে ১৯০৩ আৰু ১৯০৮ চনত প্ৰকাশ হোৱা পৌৰাণিক নাট। কুৰিশতিকাৰ সভ্যতা, তিনি-ঘৈণী, অশিক্ষিত ঘৈণী, চোৰৰ সৃষ্টি, যমপুৰী, টোপনিৰ পৰিণাম, এই কেইখন প্ৰহসন। ৰাজখোৱা নাট্য সাহিত্যৰ বুৰঞ্জীত প্ৰহসন লেখক হিচাপেহে সুপৰিচিত। তেওঁ গাঁৱলীয়া সমাজক লৈ এটোকাটি হঁচা আমোদদায়ক পৰিবেশ সৃষ্টি কৰিছে প্ৰহসনত। এই প্ৰহসনত সংস্কাৰী মনোভাব আৰু বাংগৰ প্ৰভাবো আছে। তেওঁৰ নাটৰ হাস্যস্পদ চিত্ৰ মিছাবে সৃষ্ট নহয়। কাৰণ তেওঁ নিজে কৈছে—মিছাৰে সাহিত্য সৃষ্টি নহয়। সেইদৰে আৰু—চন্দ্ৰ সম্ভৱ কাব্য; পঞ্চকবিতা, দশগীত, সৰু লৰাৰ গান, অসমীয়া ভাই, জীৱন সন্ধিয়া আদি উল্লেখ যোগ্য তেওঁৰ ৰচিত গ্ৰন্থ। অসমীয়া খণ্ডবাক্য কোষ' তেওঁ অসমীয়া সাহিত্যলৈ আগবঢোৱা শ্ৰেষ্ঠতম অৱদান হিচাপে চিহ্নিত হৈছে।

প্ৰাচীন অসমীয়া সাহিত্যৰ অসমৰ বাহিৰত প্ৰচাৰৰ অৰ্থে বেণুধৰ ৰাজখোৱাই গভীৰ ভাৱে গুৰুত্ব দিছিল আৰু ইংৰাজী ভাষাত অসম সম্পৰ্কীয় পুথি লিখিছিল। নামঘোষা, বিপ্ৰ দামোদৰ, কাণখোৱা, গুণমালা, আদি পুথি ইংৰাজীলৈ ভাঙনি কৰিছিল। ইংৰাজী গ্ৰন্থ SHORT ACCOUNT OF ASSAM, HISTORICAL SKETCHES OF OLD ASSAM, SOME SUPERSTITIONS OF ASSAM, ASSAMESE DEMONOLOGY, A NOTE ON THE MIRI TRIBE IN ASSAM।

'বিজুলী' আলোচনীও ৰাজখোৱাৰ দ্বাৰা সম্পাদিত আলোচনী।

জয়পুৰ মজলীয়া স্কুলৰ পাচত ১৮৮৯ চনত ডিব্ৰুগড চৰকাৰী হাইস্কুলৰ পৰা এণ্ট্ৰেঞ্চ পৰীক্ষাত পাছ কৰি ১৮৯৬ চনত কলিকতাৰ কলেজৰ পৰা বি. এ. পাছ কৰে আৰু ছয় ডেপুটী কলেক্টৰ চাকৰি পায়। ৰাজখোৱা ই. এ. চি আৰু শিৱসাগৰ জিলাৰ জিলাধিপতিও হয়। ১৯৩১ চনত ডেপুটি কমিচনাৰ পদৰ পৰা অৱসৰ লয়।

ৰাজখোৱাৰ পিতৃ সুচান্দৰাম ৰাজখোৱা, মাতৃ-হীৰাৱতী ৰাজখোৱা আৰু পত্নী—ৰত্ন কুমাৰী ৰাজখোৱা।

প্ৰহসনৰ ৰচনাৰে সাৰ্থকতা লাভ কৰা—অসম তথা অসমীয়াৰ দুস্কৃতিৰ বিৰুদ্ধে যুজ দি ১৯৫৫ চনৰ ২২ জুনত বেণুধৰ ৰাজখোৱাই তেওঁৰ নৰনাটৰ সামৰণি মাৰে।

ধুবুৰী অধিবেশনৰ সভাপতিৰ সাৰুৱা অভিভাষণত ৰাজখোৱাই কৈছে—"সাহিত্য ধৰ্মত প্ৰতিষ্ঠিত হ'ব লাগে, নহলে সি ঠাৱৰিব নোৱাৰে। মিছাৰে সাহিত্য সৃষ্টি নহয়। সাহিত্যৰ মুখ্য উদ্দেশ্য, পৃথিৱীত ধৰ্মৰাজ্য স্থাপন। প্ৰজাপুঞ্জইহে দেশৰ মূল বল। সৰ্ব—সাধাৰণে উধাব নোৱাৰিলে সেই দেশ উধাব নোৱাৰে।"

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ দশম গৰাকী সভাপতি

দেশভক্ত তৰুণৰাম ফুকন

অসমীয়া সাহিত্যলৈ এক বিশিষ্ট দান দি যোৱা এজন সাহসী আৰু বিদগ্ধ যোদ্ধা, দেশৰ কাৰণে বিস্তৰ ত্যাগ কৰিব পৰা' মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শ আৰু কৰ্মৰ দ্বাৰা উদ্বুদ্ধ হৈ তেওঁৰ ঐতিহাসিক নেতৃত্বৰ প্ৰতি সম্পূৰ্ণ আনুগত্য প্ৰদৰ্শন কৰা দেশভক্ত তৰুণৰাম ফুকনেই হ'ল অসম সাহিত্য সভাৰ ১৯২৭ চনত অনুষ্ঠিত গোৱালপাৰাৰ দশম অধিবেশনৰ দশম গৰাকী সভাপতি।

দেশভক্ত ফুকনে সৰহ কিতাপ ৰচনা কৰি মাতৃভাষাত যোগান ধৰিব পৰা নাই যদিও বিশেষ বিষয়ৰ অভাৱ থকা ভাগত অসমীয়া সাহিত্যলৈ বিশিষ্ট দান দি গৈছে। তৰুণৰাম ফুকন আছিল একাধাৰে এগৰাকী কৃতী সাহিত্যিক, পাকৈত চিকাৰী, সুবক্তা, কৰ্মযোগী সিংহপুৰুষ, বিচক্ষণ ৰাজনীতিজ্ঞ আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অন্যতম মুক্তি যোদ্ধা। এই জন মুক্তিযোদ্ধাই অসমীয়া সাহিত্যৰ উন্নতিৰ হকে পতা সভা সমিতিত যোগ দি সৰ্বোতোভাৱে সহানুভূতি দেখুৱাইছিল। অসমৰ ৰাজনীতিত এজন বিচক্ষণীয়া নেতা, ফুকনৰ জন্ম ১৮৭৭ চনৰ ২১ জানুৱাৰীত, ১৭৯৯ শকাব্দৰ ৮ মাঘৰ দিনা গুৱাহাটীৰ ভৰলুমুখত। তেওঁ গুৱাহাটীৰ কটন কলেজিয়েট স্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ তাৰ পাচত কলিকতাত প্ৰেচিডেন্সি কলেজত উচ্চ শিক্ষা লাভ কৰে। ১৯০১ চনত তেওঁ বিলাতলৈ বেৰিষ্টাৰী পঢ়িবলৈ গৈছিল। বিলাতৰ পৰা বাৰিষ্টাৰ হৈ আহি কলিকতাৰ হাইকোৰ্টত ওকালতি আৰম্ভ কৰে। তৰুণৰাম ফুকনে অসমৰ তৃতীয় বেৰিষ্টাৰ।

যৌনতত্ব, চিকাৰ কাহিনী, স্মৃতিমালা, নিংনী ভাৱৰীয়াৰ-গীত তৰুণৰাম ফুকনৰ ৰচিত গ্ৰন্থ। নিংনী ভাৱৰীয়াৰ গীত কামৰূপৰ কথিত গাৱঁলীয়া ভাষাত লিখা আৰু ইঁাহিৰ খোৰাক যোগাব পৰা গ্ৰন্থ। স্মৃতিমালা নামেৰে কবিতা গ্ৰন্থখনি জেইলত থকা সময়তে লিখা। মহাত্মাগান্ধীৰ অসহযোগ আন্দোলনত যোগদিয়া হেতুকে এবছৰ কাল তেওঁ শিলচৰ জেলত আছিল আৰু তাতেই লিখি উলিয়াই স্মৃতিমালা। জেলৰ ভিতৰৰ নিৰ্যাতনৰ মাজতো দেশভক্ত ফুকনে মাতৃভাষাৰ কথা পাহৰা নাছিল বাবেই তেওঁ মাতৃ ভাষাৰ সেৱা কৰিছিল। চিকাৰ কাহিনী আৰু যৌনতত্ব বিষয়ক অগতানুগতিক গ্ৰন্থ ৰচনাৰ ক্ষেত্ৰত তৰুণৰাম ফুকন অসমীয়া সাহিত্যৰ বাটকটীয়া। চিকাৰ কাহিনী তেওঁৰ নিজস্ব ৰচনা ৰীতিৰ শ্ৰেষ্ঠ নিদৰ্শন। যৌনতত্ব বিষয়ক গ্ৰন্থ ৰচনা কৰিবৰ বাবে লগা ভাব ভাষা প্ৰকাশৰ ক্ষমতা যে আছিল সেই গ্ৰন্থখনিত তেনে শক্তি বিকাশ পাইছে।

দেশভক্ত ফুকনে আমাৰ দেশৰ ৰাজনীতিৰ ক্ষেত্ৰত যুগান্তৰ সৃষ্টি কৰি গৈছে। বহুগুণী পুৰুষ ফুকনৰ অসমীয়া, হিন্দী, উৰ্দু, বঙালী, ইংৰাজী, সংস্কৃত আদি কেইবাটাও ভাষাত ব্যাপক দখল আছিল।

দেশভক্ত ফুকনৰ অসমত ৰাজনীতিত আবিৰ্ভাৱৰ লগে লগে এটা নতুন যুগৰ সূচনা হোৱা বুলি ক'ব পাৰি। মহাত্মা গান্ধীৰ জন্মৰ আঠবছৰ পিছত তৰুণৰাম ফুকনৰ জন্ম। তৰুণৰামৰ দেউতাক বলৰাম ফুকন, মাক ভাগিৰথী দেৱী। এগৰাকী অদ্বিতীয় বাগ্মী পুৰুষ ফুকনদেৱে ১৯২৩ চনতে স্বৰাজ্য দলৰ সমৰ্থনৰ কাৰণে প্ৰচাৰ অভিযানত ভাৰতবৰ্ষৰ কেইবাখনো প্ৰদেশলৈ গৈছিল। সেই সময়ত তেখেত দেশবন্ধু চিত্তৰঞ্জন দাস আৰু পণ্ডিত মতিলাল নেহেৰুৰ সৌহাৰ্দ্য স্বৰূপ আছিল। যি ঠাইতে বক্তৃতা দিছিল সেই সকলোবোৰ

ঠাইতে ফুকনৰ বক্তৃতাই বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছিল আৰু স্বৰাজ্য দলৰ শক্তি বৃদ্ধি কৰাত সহায় কৰিছিল। ফুকনৰ গুণৰ বাবেই অসমত কংগ্ৰেছৰ জন্মৰ দিনৰ পৰাই ১৯২৩ চনৰ ১ জানুৱাৰী তাৰিখলৈ একেবাহে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি আছিল। ১৯২৬ চনৰ গুৱাহাটীত বহা কংগ্ৰেছৰ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল দেশভক্ত তৰুণৰাম ফুকন। ১৯২৮ চনত অসম ছাত্ৰ সন্মিলনৰ তেজপুৰ অধিবেশনত সভাপতিত্ব কৰিছিল ফুকনদেৱে। ১৯২৮ চনত কংগ্ৰেছে ভাৰতৰ ভৱিষ্যত সংবিধান সম্পৰ্কে প্ৰতিবেদন দাখিল কৰিবলৈ যি নেহৰু সমিতি গঠন কৰি দিছিল তাৰো সভ্য আছিল দেশভক্ত ফুকন। তেওঁ ১৯২৭ চনত জাতীয় কংগ্ৰেছ মহাসভাৰ ৱৰ্কিং কমিটীৰ সদস্য মনোনীত হৈছিল। তাৰ আগতে অসমত কোনেও আৰু তাৰ বহুত পিছতো কোনেও এনে সন্মান লাভ কৰিব পৰা নাছিল। অসহযোগ আন্দোলনতো দেশভক্ত ফুকনে নিজৰ ধন সম্পদ, ঐশ্বৰ্য্য-বিভূতি, লাহ বিলাহ' মৃগয়া আদিৰ মোহ বিসৰ্জ্জন দি দেশবাসীক নেতৃত্ব দিছিল। তৰুণৰাম ফুকনৰ গুণৰ বাবেই তেখেতক বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰেও হেনো তেওঁৰ জীয়াৰী এজনীক দিবলৈ আগ্ৰহ প্ৰকাশ কৰিছিল। মহাত্মা গান্ধীৰো এজন অতি প্ৰিয়শিষ্য আছিল দেশভক্ত ফুকন। ১৯২১ চনত তেওঁক প্ৰথমবাৰ অসমলৈ নিমন্ত্ৰণ কৰি আনি ফুকনৰ ঘৰতে ৰাখিছিল। অসমত মহাত্মা গান্ধীৰবক্তৃতা, সভাতেই অসমীয়ালৈ অনুবাদ কৰি বক্তৃতা দিছিল ফুকনে। ১৯২৯ চনত মহাত্মা গান্ধীয়ে অসমলৈ আহি বিলাতী বৰ্জ্জন আৰু বিলাতী বস্ত্ৰদাহ যজ্ঞৰ কাৰণে বাজহুৱা সভাত ফুকনটোলতে বক্তৃতা দিছিল আৰু ফুকনে তপতে তপতে তৰ্জ্জমা কৰিছিল অসমীয়ালৈ। ১৯২১ চনৰ ২০ আগষ্টৰ দিনা উজান বজাৰৰ নাট্য মন্দিৰত বহা মহিলা সকলৰ বিৰাট জনসভাত মহম্মদ আলিয়ে উৰ্দ্দুতে দিয়া তেজী ভাষণ ফুকনে

একেতেজ, একে উদ্দীপনাৰে অসমীয়ালৈ অনুবাদ কৰি ভাষণ দিছিল। ১৯২৬ চনৰ কংগ্ৰেছ মহাসভা মণ্ডপত গড়মূৰ সত্ৰাধিকাৰ পীতাম্বৰ গোস্বামী প্ৰভূৱে অসমীয়াত দিয়া ভাষণৰ ইংৰাজী অনুবাদ শুনি সৰ্বভাৰতীয় নেতাসকলৰ দৃষ্টিত আৰু এখোপ দেশভক্ত ফুকনক ওপৰলৈ তুলি নিছিল। মহাত্মা গান্ধীৰ নেতৃত্বত কংগ্ৰেছৰ স্বাধীনতাৰ আন্দোলনত জপিয়াই পৰি কৰা ত্যাগ আৰু বিভিন্ন কাৰ্য্যাৱলীৰ কাৰণে তেওঁক দেশবাসীয়ে দেশভক্ত আখ্যাৰে বিভূষিত কৰিছিল। ১৯১২ চনৰ পৰা ১৯১৮ চনলৈ ফুকনদেৱে তুখন অসমকাউন্সিলৰ সদস্য হৈ থাকে। গুৱাহাটীৰ আৰ্ল ল কলেজৰ অধ্যাপক ফুকনে গুৱাহাটী লোকেল বোৰ্ডৰো চেয়াৰমেন আছিল।

অসমীয়া জাতিৰ এখন সম্পূৰ্ণ বুৰঞ্জী লেখিবলৈ দেশভক্ত ফুকনে ১৯২৭ চনতে পৰামৰ্শ দিছিল। অসম সাহিত্য সভাৰ দশম অধিবেশনৰ সভাপতিৰ অভিভাষণত ফুকনে কৈছিল—"আমাৰ বহুতো সম্পদ আছিল, সেইটো গৌৰবৰ কথা। যি আছিল তাক বঢ়াৰ পৰানাই। কিন্তু যি আছিল তাক লোপ পাব দিয়াটো শোক আৰু লাজৰ কথা হ'ব। ই জাতীয় মৃত্যুৰ পূৰ্ব লক্ষণ, নিশ্চিয় মৃত্যুৰ নিশ্চিত প্ৰমাণ।" তেওঁৰ অভিভাষণত আৰু পোৱা যায়— "অসমৰ অতীত গৌৰবৰ কথা জনাই কবলৈকেও ইচ্ছা মোৰ নাই। মহাভাৰতৰ যোগিণীতন্ত্ৰ আদি পৌৰাণিক পুথিত আৰু বিশেষকৈ অসম বুৰঞ্জীত সেই বিষয়ে বহলাই বৰ্ণোৱা আছে। সিদিনাখন অসমৰ ৰজা আছিল, ৰাজ সম্পদ আছিল, কুৰুক্ষেত্ৰৰ যুদ্ধত কৌৰবক সহায় কৰাৰ যোগ্যতাও অসমৰ আছিল। ক্ষত্ৰিয় বীৰ শ্ৰেষ্ঠ কৃষ্ণ সহায় অৰ্জুনেও বব্ৰুবাহনৰ হাতত পৰাজয় স্বীকাৰ কৰাৰ কথা পৌৰাণিক সত্য। স্বামীৰ হিতাৰ্থে ৰজাক দেও বুবুলি ৰাজদণ্ডত বংমনে প্ৰানত্যাগ কৰা কুৱৰী জয়মতী অসমৰে জীয়াৰী। অসমৰ পুৰণি সাহিত্য যে ভাৰতীয় কোনো জাতীয় সাহিত্যতকৈ কোনে

অংশে হীন নহয়, তাক ভাঠি কলে অহংকাৰ কৰা নহব।" দেশাত্মবোধ জগাবৰ বাবে বুৰঞ্জী অধ্যয়নৰ ওপৰত গুৰুত্বদি কৈছে— "দেশাত্মবোধ জগাবৰ আটাইতকৈ ভাল উপায় হৈছে বুৰঞ্জী জনা।" দেশভক্ত তৰুণৰাম ফুকনৰ এই উক্তি অসমৰ অতীতৰ প্ৰতি থকা প্ৰগাঢ় শ্ৰদ্ধা আৰু ভক্তিৰে পৰিচয় বুলি আমি নিসন্দেহে কব পাৰো। দেশৰ ৰাজনীতিৰ ক্ষেত্ৰত যুগান্তৰ সৃষ্টি কৰা; ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এজন আগশাৰীৰ নেতা; বিবিধ গুণেৰে অলংকৃত সিংহ পুৰুষ দেশভক্ত তৰুণৰাম ফুকনে দেশবাসীক শোকাকুল কৰি ১৯৩৯ চনৰ ২৮ জুলাই তাৰিখে ইহ সংসাৰৰ পৰা অন্তৰ্হিত হ'ল। এই মনীষীগৰাকীৰ পৰলোক প্ৰাপ্তিত গুৱাহাটী নগৰখনৰ ইমূৰৰ পৰা সিমুৰলৈ মৃত্যুকালৰ শোভাযাত্ৰাই তোলপাৰ লগাইছিল। সমস্ত দেশতে হাহাকাৰৰ ৰোল উঠে। এজন নিভাঁজ আৰু প্ৰকৃত জননায়কৰ বিয়োগত ভাৰতবাসী সৰ্বোতো ভাৱে দুখীয়া হ'ল। দেশভক্ত ফুকনৰ কথাৰে — 'জগতৰ জীৱন সাহিত্য; সাহিত্যৰ জীৱন কাব্য আৰু কাব্যৰ জীৱন প্ৰেম। যৌন আকৰ্ষণৰ বিকাশতেই প্ৰেমৰ বিকাশ আৰু যৌন মিলনৰ পূৰ্ণতাতেই প্ৰেমৰ পৰিনতি।"

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ একাদশ গৰাকী সভাপতি

অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্য

অনা—অসমীয়াৰ শোষণ নিষ্পেষণৰ পৰা অসমীয়াক মুক্ত কৰিবলৈ মনোনিবেশ কৰা বিপ্লৱী কবি সাহিত্যিক অগ্নিকবি হিচাপে সু-পৰিচিত কমলাকান্ত ভট্টাচাৰ্য্যই হ'ল অসম সাহিত্য সভাৰ একাদশ গৰাকী সুযোগ্য সভাপতি। এই জন সভাপতিৰ অন্তৰত দেশৰ প্ৰতি জন্মভূমিৰ প্ৰতি গভীৰ টান থকা বাবেই তেওঁ লিখিছে

"উঠা উলাহেৰে ভাই অসমীয়া
পোহৰে পূৰ্ব্বত ভাগ্যৰ বেলি
কেনে ৰংগ মনে অন্য জাতি গণে
সাধিছে উন্নতি চোৱা চকু মেলি।"

অসমৰ আন এজন জাতীয়তাবাদি কবি কমলাকান্ত ভট্টাচাৰ্য্যই অসমীয়া সমাজৰ সৰ্বাংগীন উন্নতিৰ কাৰণে মনে চিতে কামনা কৰিছিল। অনা অসমীয়া বহিৰাগতৰ কুটকৌশল বোৰ তেওঁ ধৰিব পাৰিছিল আৰু সেই গতিকে সময় থাকোতে অসমীয়াক সজাগ কৰি তুলিবলৈ যত্ন কৰিছিল। সজাগ কৰাৰ অৰ্থে তেওঁৰ কবিতাবোৰত ঢালিদিছিল স্বদেশপ্ৰীতিৰ অগ্নিস্ফুলিংগ। কমলাকান্তৰ এনে স্বদেশ-প্ৰীতিৰ অগ্নিস্ফুলিংগই পিচৰ অসমৰ কবি সাহিত্যিক সকলক সজাগ কৰি তুলিব যে পাৰিছিল ই পৰিচিত। অসাধাৰণ প্ৰতিভাসম্পন্ন কবি ভট্টাচা-ৰ্য্যই ১৯২৯ চনত যোৰহাটত অনুষ্ঠিত একাদশ অসম সাহিত্য সভাৰ অধিবেশনত তেওঁৰ পাণ্ডিত্য পূৰ্ণ ভাষণত কৈছে—"সকলো ধৰ্মৰ অভ্যন্তৰত এটি বিশ্বধৰ্ম্ম আছে সেইদৰে সকলো জাতীয় সাহিত্যৰ ভিতৰত

এটি বিশ্ব সাহিত্য সোমাই আছে। গতিকে ধৰ্মৰ সংস্কাৰ নহলে সাহিত্যৰো সংস্কাৰ নহয়।" উগ্ৰ জাতীয়তাবাদ আৰু স্বদেশ প্ৰীতিৰ বৈশিষ্ট্যৰে ভৰা এজন নিৰ্ভীক কবি কমলাকান্ত ভট্টাচাৰ্যই জাতীয় চৈতন্য সজাগ কৰাৰ বাবেই লিখিছিল—

ই অসভ্য দেশ মনুষ্যত্ব লেশ
নাই একেবাৰে ভাৰত মাজে,
উলংগ দেশৰ কাম কি ধোবাৰ
নোশোভে লোকক কাপোৰ সাজে।
ঠিক অসমীয়া মানুহ নহয়,
অসম শ্মশান নোহে কোনে কয়।

অগ্নিকবি ভট্টাচাৰ্যই 'অৰুণোদ'য়ত সাহিত্যিক জীৱন আৰম্ভ কৰি দুখ দাৰিদ্ৰ্যৰ লগত আজীৱন যুঁজ দি থাকিও হাব নেমানিলে আৰু জোনাকী, অসম নিউজ, অৰুণোদয়, অসম বন্ধু, বাঁহী, উষা, আৱাহন এই সকলোবোৰ কাকত আলোচনীত লিখিবলৈ এৰা নাছিল। এই বোৰত সিচঁৰিত হৈ আছে তেওঁৰ মূল্যবান প্ৰবন্ধ কবিতা সম্ভাৰ

অগ্নিকবি ভট্টাচাৰ্যৰ জন্ম হয় ১৮৫৩ চনৰ ২৩ ডিচেম্বৰত তেজপুৰ মহকুমাৰ নদুৱাৰত। তেজপুৰ আৰু গুৱাহাটীৰ কলেজিয়েট হাইস্কুলত এণ্ট্ৰেঞ্চ পৰ্য্যন্ত শিক্ষা লৈ চাহ বাগিচাত কেৰাণী চাকৰিৰ কাম কৰিছিল। পিছত স্বাধীন চিতীয়া কমলাকান্তই স্বাধীন ভাবে ধুবুৰীত থাকি হাতীৰ ব্যৱসায় আৰম্ভ কৰে। কিছুদিনৰ বাবে হৰি-বিলাস আগৰৱালাৰ লগতো ব্যৱসায় কৰিছিল।

১৯২৪ চনৰ পৰা অসম-হিতৈষী সম্পাদনা কৰিছিল।

গদ্য-পদ্য দুয়োবিধ সাহিত্যতে কমলাকান্ত ভট্টাচাৰ্যৰ অৱদান আছে। তেওঁৰ অমূল্য গ্ৰন্থৰাজি হ'ল—চিন্তানল-১৮৯০ চনত এই কবিতা পুথিৰ আগছোৱা আৰু ১৮৯২ চনত শেষছোৱা প্ৰকাশ হয়। তেওঁৰ দ্বিতীয় কবিতাৰ পুথি 'চিন্তা তৰংগ' ১৯৩৩ চনত প্ৰকাশ হয়।

ক:পন্থা আৰু অষ্টাবক্ৰৰ আত্মজীৱনী এই দুখন পুথি গদ্যৰচনাৰ অনন্য অৱদান। টুপীৰ দোকান, মোৰ মনত পৰা কথা, কছাৰী জাতিৰ বুৰঞ্জী, গুটিদিয়েক চিন্তাৰ ঢৌ আদিৰ উপৰিও বিভিন্ন আলোচনীত বহুতো মৌলিক চিন্তা আৰু গৱেষণামূলক প্ৰবন্ধ সিচঁৰিত হৈ আছে।

'চিন্তানল' আৰু 'চিন্তা - তৰংগ'ৰ কবিতা আদৰ্শ সমাজ সংস্কাৰক আৰু স্বাধীনচিতীয়া মনৰ পৰিচায়কে নহয় অনুভৱৰ তীব্ৰতা, কল্পনাৰ মৌলিকতাৰ অভাৱ নথকা; অসমীয়াৰ প্ৰাণ সঞ্চাৰ কৰিবলৈ লিখা উচ্চ শ্ৰেণীৰ আশাবাদী কবিতা। নিৰ্ভিকতাৰে কবিতা বোৰ লিখাৰ দৰে গদ্য ৰচনাত নিজস্ব দাৰ্শনিক দৃষ্টি ভংগী, চিন্তাৰ গভীৰতা, ভাৱৰ মৌলিকতা অন্যতম উল্লেখযোগ্য। মানুহৰ অন্তৰত দেখা ঠেক ভেদাভেদৰ প্ৰাচীৰে কমলাকান্তৰ মন অশান্ত কৰি তুলিছিল আৰু এইবোৰে তেওঁৰ ব্যক্তিগত জীৱনৰ দুখ দাৰিদ্ৰতা, নানা দুৰ্যোগ পাহৰাই ৰাখিছিল অন্য প্ৰকাৰে। তেওঁ লগতে আৰু বিচাৰি উলিয়াইছিল অতীত ইতিহাসৰ মহিমা-মণ্ডিত কাহিনী, অতীতৰ গৌৰৱৰাজি। সেয়ে তেওঁ কৈছিল—'অসমীয়া সাহিত্যৰ বিজয়—দুন্দুভি আকৌ গৌৰৱৰে নিনাদিত কৰি, আমাৰ মহিমান্বিতা জন্ম ভূমি কীৰ্তিশালিনী কামৰূপৰ উপযুক্ত সন্তান বুলি পৰিচয় দিবলৈ আমি যেন সমৰ্থ হওঁ। ইয়ালৈকে দেহে-কেহে আশাশুধীয়া যত্ন কৰাটো প্ৰত্যেক শিক্ষিত অসমীয়াৰ একান্ত কৰ্ত্তব্য। এই কথা যেন আমাৰ সদায় মনত থাকে।"

অগ্নিকবিৰ কবিতাৰ মাজত প্ৰবেশ কৰিলে আমি দুটা স্পষ্ট ধাৰা দেখা যায়। তেওঁ আন্তৰিকভাৱেৰে বিচাৰিছে অসমক স্বাধীনতাৰ আলোকেৰে আলোকিত কৰিবলৈ। গ্লানিৰ দংশনত নিজে জৰ্জৰিত হৈ তিৰস্কাৰেৰে বিচাৰিছে বৃহত্তৰ অসমীয়াক সজাগ কৰিবলৈ। জাতীয়তাবাদ আৰু দেশাত্ম বোধৰ কবিতাৰে বিদেশীৰ অত্যাচাৰ

মৰিমুৰ কৰি, দাসত্বৰ শিকলিছিড়িবৰ অৰ্থে আন এচাম কবিতাত ৰূপায়িত হৈছে অতীত ইতিহাসৰ মহিমা-মণ্ডিত কাহিনী সমূহ। এই গৰাকী অসাধাৰণ প্ৰতিভাসম্পন্ন কবি কমলাকান্ত অসমীয়া সাহিত্যৰ বৰ পথাৰৰ সেউজী ডৰাত অগ্নিকবি আৰু দাৰ্শনিক হিচাপে আজিও সু পৰিচিত। সু-পৰিচিত এই গৰাকী কবিক আমি আমাৰ দেশৰ এজন স্বাধীনতা যুজৰ নিৰ্ভীক মুক্তি যুজাৰু বুলি নিশ্চিন্ত মনেৰে কব পাৰো।

স্ত্ৰী শিক্ষাৰ ওপৰতো গুৰুত্ব দিয়া অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্যই ধৰ্মৰ সংস্কাৰৰ ওপৰতো বিশেষ গুৰুত্ব দিছিল। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ নিচিনাকৈ ভট্টাচাৰ্যৰ স্বদেশ প্ৰীতিও কোনো ৰাজনৈতিক মতবাদেৰে পুৰিপুষ্ট যে নহয় ই নিসন্দেহে স্বীকাৰ কৰিবই লাগিব।

অৰুণোদয়'ত সাহিত্যিক জীৱন আৰম্ভ কৰি আৱাহনৰ' সময়লৈ সাহিত্য চৰ্চাত ব্ৰত কমলাকান্তৰ পিতৃ—বাণেশ্বৰ ভট্টাচাৰ্য্য আছিল পুলিচৰ দাৰোগা। বাণেশ্বৰ ভট্টাচাৰ্য বিশ্বনাথ ঘাটৰ বিখ্যাত শিৰোমণি ভট্টাচাৰ্যৰ বংশৰ। কমলাকান্তৰ বিয়াৰ কিছুদিন পাচতে দুৰ্যোগে লগদিয়ে। বিয়াৰ কিছুদিন পাচত তেওঁৰ প্ৰথম গৰাকী পত্নীৰ মৃত্যু হয় আৰু পিচত দ্বিতীয় বাৰলৈ শিৱসাগৰৰ জীয়াৰী এগৰাকীক বিয়া কৰায়।

স্বাধীনভাবে ব্যৱসায় কৰি নানা ঠাইত ঘুৰি শেষত গুৱাহাটীত স্থায়ীভাৱে বসতি কৰে আৰু ১৯৩৬ চনৰ ১৪ ডিচেম্বৰত প্ৰায় ৮৪ বছৰ বয়সত ইহলীলা ত্যাগ কৰে।

অসম সাহিত্য সভাৰ একাদশ গৰাকী এই মনীষীগৰাকীৰ পৰলোক প্ৰাপ্তি ঘটিলেও; আজিও অসমীয়া সাহিত্যত দেশবাসীক উদাত্তস্বৰে উন্নতিৰ পথত আগবাঢ়িবলৈ আহ্বান জনোৱা অগ্নিকবি হিচাপে এখন সুকীয়া আসন দখল কৰি আছে।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ দ্বাদশ গৰাকী সভাপতি
জ্ঞান-মালিনীৰ কবি মফিজুদ্দিন আহমদ হাজৰিকা

শৰাইঘাটৰ এজন সাহসী যুজাৰু, বিখ্যাত বাঘ হাজৰিকাৰ বংশত ১৮৯০ চনৰ ৩০ আগষ্টত ডিব্ৰুগড়ত অসমীয়া সাহিত্যক চহকী কৰা কবি এজনৰ জন্ম হৈছিল। এইজন কবিৰে কবিতা পঢ়ি ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই লিখিছিল— "আপোনাৰ ভাব ওখ ভাষা ললিত, আৰু তাক প্ৰকাশ কৰিবৰ গঢ় অতি সুৰলা। কবিতা লেখিবলৈ আপুনি কাপ ধৰা সাৰ্থক হৈছে। আপোনাৰ ওচৰত মোৰ খাটনি এই ফেৰা, যেন আপুনি এই কাপ হাতৰ পৰা নেৰি, অসমীয়া সাহিত্যৰ ভিঙিত মাজে সময়ে এনেকুৱা একোধাৰ গল্পতা পিন্ধাই থাকে।" আন এজন বুৰঞ্জীবিদ কনক লাল বৰুৱাই লিখিছিল

"কোন ধাৰি মালাত কি কি ফুল বাছিলৈ কেনে ধুনীয়াকৈ গাঁথিব লাগে তাক তেওঁ ভালকৈ জানে। এনে কাৰিকৰৰ হাতৰ বস্তুৱে যে যতে ততে যাৰে তাৰে পৰা আদৰ পাব তাত মোৰ অকণো সন্দেহ নাই; কবিৰ ৰচনা যেনে সুৰলা আৰু মিঠা ভাবও তেনে ওখ। নিখুত ঘৰুৱা অসমীয়া শব্দৰে যে ইমান গূঢ় ভাব বিলাক ভালকৈ প্ৰকাশ কৰিব পাৰি তাক বোধ কৰো বহুতে আগেয়ে নেভাবিছিল।"

এই একেজন কবিৰ কবিতা পঢ়ি ৰামাকান্ত বৰকাকতিয়ে লিখিছিল—"হাজৰিকাৰ যে মাতৃ ভাষাত বিশেষ অধিকাৰ আছে আৰু শাস্ত্ৰত বিশেষ জ্ঞান আছে, জ্ঞান মালিনীয়েই তাৰ ফটফটীয়া প্ৰমাণ।"

অসমৰ প্ৰখ্যাত বাঘহাজৰিকাৰ বংশৰ 'জ্ঞানমালিনী'ৰ কবি মফিজুদ্দিন আহমদ হাজৰিকাই হ'ল অসম সাহিত্য সভাৰ ১৯৩০ চনত অনুষ্ঠিত দ্বাদশ গোলাঘাট অধিবেশনৰ সভাপতি। ডিব্ৰুগড়ৰ হাইস্কুলতে পঢ়ি এণ্ট্ৰেঞ্চ মহলালৈ উঠিছিল। বন বিভাগৰ চাকৰিয়াল হিচাপে কৰ্মজীৱন আৰম্ভ কৰা হাজৰিকা তেতিয়াৰ চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ। অসম বুৰঞ্জী আৰু প্ৰত্নতত্ত্বানুসন্ধায়ী বিভাগৰ কৰেস্পণ্ডিং মেম্বাৰ; অসমীয়া ভাষাৰ বানান কমিটীৰ মেম্বাৰ; ডিব্ৰুগড় কো: অ: টাউন বেংকৰ ভূ: পূ: ডাইৰেক্টৰ পদ অলংকৃত কৰাৰ উপৰিও আন ভালে কেইটি অনুষ্ঠানৰ লগতো ঘনিষ্ঠ ভাৱে জড়িত আছিল। বনবিভাগৰ ফাৰেষ্টাৰ হিচাপে কাম কৰি চিভিল পেন্সৰ হিচাপেহে কামৰ পৰা অৱসৰ গ্ৰহণ কৰে।

মফিজুদ্দিন আহমদ হাজৰিকাৰ প্ৰখ্যাত কবিতা গ্ৰন্থ 'জ্ঞান মালিনী' তেতিয়াৰ সময়ত কলিকতা আৰু ঢাকা বিশ্ববিদ্যালয়ৰ এম, এ, পৰীক্ষাৰ পাঠ্য, ঢাকা বিশ্ববিদ্যালয়ৰ বি, এ ডিগ্ৰীৰ পাঠ্য আৰু সদৌ অসম হাইস্কুল বিলাকৰ নিমিত্তে মনোনীত পাঠ্য আছিল জ্ঞান-মালিনী সঁচাকৈয়ে তেতিয়াৰ অসমীয়া সাহিত্যৰ কাব্য ফুলনীত তেনে বিধৰ পুঁথি এই খনিয়েই আছিল অনন্য কবিতা পুথি। লেখকৰ প্ৰথম পুথি হিচাপে জ্ঞান মালিনীৰ ভাব যিমান মধুৰ ভাষাও আছিল সিমানে মধুৰ। মাতৃভাষাত যে বিশেষ জ্ঞান আছিল আৰু কবিতাৰ মালা গাঁথিব পৰা কৌশল হাজৰিকাৰ আছিল। তাৰো প্ৰামণ আছে জ্ঞান মালিনীৰ গৰ্ভত। জ্ঞান-মালিনীৰ কবিতা পঢি বহুতে তেতিয়া মন্তব্য কৰিছিল—'জগতৰ আন আন্ কবি সকলৰ শাৰীত শাৰীপূৰাবৰ তেওঁৰ পূৰা স্বত্ব আছে বুলি আমি চিনাকি পাইছোঁ।' সেয়ে আজিও জ্ঞান-মালিনী নাম শুনিলেই মফিজুদ্দিন আহমদ্ হাজৰিকাৰ নাম ফটফটিয়া কৈ পোহৰলৈ ওলায় আহে। জ্ঞান-মালিনীৰ অষ্টম তাঙৰণৰ মূল্য আছিল মাত্ৰ দহ অনা। তেওঁৰ আন দুখন কবিতা গ্ৰন্থ হ'ল

তত্ত্বপাৰিজাত আৰু মালিনীৰ বীণ। জ্ঞান-মালিনীৰ কবিতা এটি অংশ

"তেৰেঁ সেই কেঁচুৱাক
গৰভতে মুখ নাক
দিয়ে মাতিবাৰ বুকে 'জীৱ অমিৰিত'।
তেৰেঁ অত দিলে ৰস,
আলাসতে—ফুৰা—কল,
চিৰিকতি বিলাকৰ পাখি এযুৰিত।
আনি কুটা কুটি ঘাঁহ,
সাজিবলৈ নিজ বাহ
তেৰেঁ শিকালেতো সেই পক্ষী সকলক;
তেৰেঁ সেই সজ্জা ভাঙ্গি,
উৰিবলৈ বাহু ডাঙ্গি,
বুধিদিলে ঘিণাবলৈ পৰ আদলক।"

সাহিত্যিক পেঞ্চনাৰ মফিজুদ্দিনে অসমীয়া হিন্দু আৰু মুছলমানক আহ্বান জনাইছিল অসমীয়া ভাষা সাহিত্যক সমৃদ্ধিশালী কৰিবলৈ। তেওঁ অসম সাহিত্য সভাৰ দ্বাদশ অধিবেশনৰ স্খলিত দিয়া সভাপতিৰ অভিভাষণত কৈছিল—"মহৎ লোক সকলৰ অন্তৰ ভাবৰূপী মণি — মুকুতাৰ ভঁৰাল, জ্ঞান — গৱেষণাৰ খনি, দয়া ধৰমৰ আকাৰ। সেই বিলাকৰ চক্‌মকনি, সাহিত্যৰ ভিতৰেদিয়েই জিলিকি উঠি পঢ়ুৱৈসকলৰ মন উদ্বাউল কৰে। আজি যি একতাৰ বা মিলনৰ নিমিত্তে সকলোৰে মন ব্যাকুল, সেই একতাৰ ডোলগছো এই সাহিত্যই। সাহিত্যই 'মৃত-সঞ্জীৱনী' ৰ দৰে মৰাক জীয়াব পাৰে, কানীয়া সোৰোপাক

তীথামথৰা কৰিব পাৰে সিচঁৰি মনক
একেডালি জৰীৰে গাঁথিব পাৰে।"

অসমীয়া সাহিত্য; ভাষাক সমৃদ্ধিশালী কৰাৰ বাবে চিন্তা চৰ্চা কৰা মফিজুদ্দিন আহমদ হাজৰিকাই একতাৰ সবল বাণীৰে

কৈছিল "আমি দুয়ো মিলি সকলো বিৰোধ নেওচা দি এৰি মনে মুখে এক কৰি সাহিত্যৰ ভিতৰেদি ধৰ্ম, অৰ্থ, কাম, মোক্ষ লভিবলৈ কাছি পাৰি লাগি যাওঁহক।" আমি দুয়ো মিলি মানে অসমীয়া হিন্দু মুছলমানক এইদৰে আহ্বান জনাই।

জ্ঞানমালিনীৰ কবি হাজৰিকাই অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ কাৰণে এখন সম্পূৰ্ণ অভিধান, নিখুঁত ব্যাকৰণ ৰচনাৰ হকে গুৰুত্ব আৰোপ কৰিছিল যদিও এই আশা পূৰণ নোহোৱাতে তেওঁৰ ১৯৫৮ চনৰ ২৯ অক্টোবৰত পৰলোক প্ৰাপ্তি ঘটে।

হাজৰিকাৰ পিতৃ হিম্মতুদ্দিন আহমদ হাজৰিকা আৰু মাতৃ ৰাহমুৰী আছিল।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ এয়োদশ গৰাকী সভাপতি

আৱাহনৰ প্ৰতিষ্ঠাপক নগেন্দ্ৰনাৰায়ণ চৌধুৰী

বিখ্যাত 'আৱাহন' কাকতৰ প্ৰতিষ্ঠাতা জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ জন্ম ১৮৮১ চনত; ১৮০৩ শকৰ ১১ পুহত গোৱালপাৰা জিলাৰ মেছপাৰাৰ জমিদাৰ পৰিয়ালত। এখেতেই লক্ষ্মীনাথ বেজবৰুৱাক 'ৰসৰাজ' উপাধিৰে বিভূষিত কৰে। অসমীয়া ভাষা সাহিত্যক অসমীয়া জাতিক, প্ৰাণভৰি ভালপোৱা তথা অসমৰ পশ্চিম প্ৰান্তত অসমীয়া ভাষা আৰু সাহিত্য সংস্কৃতি প্ৰচাৰৰ অৰ্থে আজীৱন চেষ্টা কৰা এইজন গোৱালপাৰাৰ জমিদাৰ খগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ পুত্ৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে ১৯২১ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ এয়োদশ শিৱসাগৰ অধিবেশনৰ সভাপতিৰ আসন অলংকৃত কৰে।

অসমৰ সন্মানীয় এই জাতীয় বৃহত্তম সংগঠনটোৰ সভাপতিৰ আসন অলংকৃত কৰা নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে—

বিজাতীয় পৰিবেশৰ মাজত থাকিও ১৯২৯ চনত কলিকতাৰ পৰা বিখ্যাত 'আৱাহন' কাকত নিজৰ হাতৰ ধন ভাঙি প্ৰকাশ কৰে। ১৯২৯ চনত কলিকতাৰ পৰা বিখ্যাত 'আৱাহন' কাকত ওলোৱাৰ লগে লগে অসমীয়া গল্প সাহিত্যয়ো যি নতুন স্তৰত ভৰি দিয়ে ইয়াৰ সম্পূৰ্ণ কৃতিত্বৰ অধিকাৰী নগেন্দ্ৰনাৰায়ণ চৌধুৰী। সেই সময়ত গোৱালপাৰাৰ নিচিনা অঞ্চলত থাকি নানা দুৰ্যোগৰ সন্মুখীন হৈও অসমীয়া ভাষা সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবেই যে যত্ন কৰি ক্ষান্ত আছিল তেওঁ নহয় চৌধুৰীয়ে গল্প, বিভিন্ন

থকাৰ ভালে সংখ্যক প্ৰবন্ধ আৰু কবিতা লিখিও মাতৃ ভাষাৰ সেৱা কৰে। 'আৱাহন'ৰ যুগত অসমীয়া গল্প সাহিত্যক নতুন স্তৰলৈ আগুৱাই নিয়া গল্পকাৰ সকলৰ ভিতৰত প্ৰথম উল্লেখ যোগ্য ব্যক্তি নগেন্দ্ৰনাৰায়ণ। তেওঁৰ গল্প আখ্যান প্ৰধান, উপন্যাসৰ পকেট সংস্কৰণ। গল্পকাৰ হিচাপে তেওঁক বেজবৰুৱা আৰু শৰৎচন্দ্ৰ গোস্বামীৰ পিছতে স্থান দিব পাৰি। তেওঁৰ গল্পৰ সৰহভাগৰে বিষয়বস্তু গাঁৱলীয়া পটভূমিৰ।

যি সময়ত গোৱালপাৰা বাসী অসমীয়াক অনেক অসমীয়া ভাষা বিদ্বেষী দুস্কৃতিকাৰীয়ে নানা ফালৰ পৰা বেৰি ৰাখিছিল সেই সময়ত সেই দুস্কৃতিকাৰীহঁতৰ বেৰ ভাঙি ওলাই আহিছিল সেই গল্পকাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰী। সেই সময়ত গোৱালপাৰা বাসীক উৰ্দু অহা ভাষা জাপিদিবলৈ এচাম লোকে যত্ন কৰিছিল আৰু তাৰ প্ৰতিবাদ কৰিছিল চৌধুৰীয়ে নিজে। 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা' তেওঁৰ চেষ্টাতে এজন ছাত্ৰৰ ঘৰত খুলিছিল আৰু ডেকা বন্ধু সকলৰ সহযোগত অসমীয়া ভাষা-সাহিত্য চৰ্চা আৰম্ভ কৰিছিল।

গোৱালপাৰাতে হাইস্কুলীয়া শিক্ষা লাভ কৰি চৌধুৰীয়ে এণ্ট্ৰেন্সলৈ পঢ়াৰ পিচত কলিকতাৰ জুবুলী আৰ্ট একাডেমীত শিক্ষা লয়গৈ। বিভিন্ন বিদ্যা শিক্ষাৰ প্ৰতি অসীম ধাউতি থকা নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে সংগীত, ইন্দ্ৰজাল বিদ্যা, ছবি অঁকা, মল্লক্ৰীড়া বিদ্যাৰ অধিকাৰী হোৱাৰ উপৰিও তেওঁ তবলা, এচৰাজ, বেহেলা, বাঁহী আদি বজাব জানিছিল আৰু এই বিদ্যাৰে বিভিন্ন সময়ত বিভিন্ন সংগীত অনুষ্ঠানত যোগ দি উপস্থিত শ্ৰোতাক আমোদ দিব পাৰিছিল।

অসমীয়া ভাষা সাহিত্যৰ অন্যতম পৃষ্ঠপোষক চৌধুৰীৰ গল্প, কবিতা আৰু প্ৰবন্ধ সৰহভাগে 'আৱাহন' কাকতত প্ৰকাশ হৈছিল। 'নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ গল্প' ১৯৬৩ চনত আৰু 'বীণাৰ ঝঙ্কাৰ'

১৯৬৪ চনত প্ৰকাশ হয় এই দুটি সংকলন। এই দুটি সংকলনত কিছু সংখ্যক গল্প সংগ্ৰহীত হলেও তেওঁ লিখা নাটক এতিয়ালৈ প্ৰকাশ হোৱা নাই।

কলিকতাৰ এ০ এছ০ এল, ক্লাৱৰো কিছুকালৰ বাবে নেতৃত্ব লোৱা চৌধুৰীৰ অন্তৰংগ বন্ধু সমাজৰ ভিতৰত দেশভক্ত তৰুণৰাম ফুকন, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, জ্ঞানদাভিৰাম বৰুৱা, দুৰ্গেশ্বৰ শৰ্মা, ৰঘুনাথ চৌধাৰী আদিয়ে প্ৰধান। অসমীয়া সাহিত্যৰ কলেবৰ বৃদ্ধি কৰিবলৈ বিভিন্ন পৰামৰ্শ আগবঢ়োৱা চৌধুৰীয়ে অসমীয়াত গল্প, প্ৰবন্ধ, লিখা সম্পৰ্কে কৈছিল—'বঙলা সাহিত্যৰ ভঁৰাল যেনে ভৰ্‌য় ভৰ্‌য় ময় ময় অসমীয়া সাহিত্যৰ বৰ্তমান অৱস্থা তেনে নহয়। গতিকে উকীলৰ নিচিনাকৈ সেই বিদেশী ভাষাৰ আশ্ৰয় লোৱাতকৈ দেশৰ সাহিত্য গঢ়ি তুলিবৰ কাৰণে যিমানখিনি সহায় কৰিব পাৰি, সিমানেই অকল দেশৰ নহয়, নিজৰো মংগল ভাবি বঙলা কাব্যৰ স্ৰষ্টা মাইকেলে যেনেকৈ ইংৰাজী এৰি বঙলা ধৰিছিল, তেওঁৰ পদাংক অনুসৰণ কৰি কাব্য নহলেও সাধ্য অনুসাৰে প্ৰাদেশিক ভাষা-চৰ্চাত মনোনিবেশ কৰিব পাৰি নিজকে ধন্য মানিছো।”

অসমীয়া কাকত-আলোচনী জীয়াই ৰাখিবৰ, নিমিত্তে চৌধুৰীয়ে অসমৰ সকলো শিক্ষিত লোককে উদ্দেশ্য কৰি ত্ৰয়োদশ অধিবেশনৰ সভাপতিৰ অভিভাষণত অসমীয়া সাহিত্যৰ ব্যাপক প্ৰচাৰৰ ওপৰত গুৰুত্ব দি কৈছিল—“আমাৰ দেশত যিমান দিনলৈকে পাঠক সমাজ গঢ়ি নুঠে, সিমান দিনলৈকে আমাৰ জাতীয় সাহিত্যৰ উন্নতি বা মংগলৰ নিমিত্তে শিক্ষিত সমাজে অলপ স্বাৰ্থ ত্যাগ কৰি কাকত বা কিতাপবিলাকক উৎসাহ দি জীয়াই ৰাখিবৰ বাবে চেষ্টা কৰা উচিত।”

সঁচাকৈয়ে চৌধুৰী দেৱৰ কথা তেতিয়াতে প্ৰমাণিত হয়। 'আৱাহন' অনিয়মিত হৈতিয়া হ'ল তেতিয়া আৰু অনেক কাৰণত অসমীয়া গল্প সাহিত্যৰো সাময়িক দুৰ্দিন নামি আহে। আৱাহনৰ

নতুন গল্পকাৰ সকলৰ গল্প প্ৰকাশত বাধা গ্ৰন্থ হ'বলৈ ধৰিলে।

অসমীয়া ভাষা সাহিত্যৰ এই জন আশাশুধীয়া ৰণুৱাই অসমৰ পশ্চিম প্ৰান্তত অসমীয়া ভাষা সাহিত্য সংস্কৃতি প্ৰচাৰৰ কাৰণে যি আত্মোৎসৰ্গ কৰিছিল—অসমীয়া ভাষা সাহিত্যৰ যি উচ্চ-স্তৰত পৃষ্ঠপোষকতা কৰিছিল এই গুণৰ বাবেই জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ নাম অসমীয়া সাহিত্যৰ ইতিহাসত সদায় জিলিকি থাকিব আৰু থাকিব আৱাহন যুগৰ নতুন নতুন গল্পশিল্পী সকলৰ প্ৰথম শাৰীত।

এইজন পুৰুষৰ দেহাৱসান ঘটে ১৯৪৭ চনৰ ১৩ নবেম্বৰত। চৌধুৰীৰ মাতৃ সাৰদা প্ৰিয়া দেৱী । নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ বিয়াৰ কিছুদিন পাছতে প্ৰথমা পত্নীৰ মৃত্যু হোৱাত দ্বিতীয় বাৰৰ বাবে গুৱাহাটীৰ আহোম ৰাজ বংশৰ জীয়ৰী শ্ৰীমতী প্ৰফুল্লবালাক বিয়া কৰায়। তেওঁৰ দ্বিতীয় পত্নী প্ৰফুল্ল বালা আইদেৱে চৌধুৰীৰ আদৰ্শৰে অসমৰ মহিলা আন্দোলনত সক্ৰিয় অংশ লৈছিল। আনকি অসম মহিলা সমিতিৰ বাৰ্ষিক অধিবেশনতো সভানেত্ৰীৰ পদ অলংকৃত কৰিছিল।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ চতুৰ্দশ গৰাকী সভাপতি

প্ৰিন্সিপাল জে. বৰুৱা

যিসকল অসম হিতৈষী পুৰুষে অসম মাতৃৰ বুকুত জনম লৈ, সময়ৰ বালিত ভৱিৰ খোজৰ চিন্ থৈ গৈছে সেই সকলৰ ভিতৰত জ্ঞানদাভিৰাম বৰুৱা অগ্ৰগণ্য লোক আছিল। তেওঁৰ স্বদেশ প্ৰেম ইমান প্ৰবল যে, অসমীয়া মানুহৰ কেনেকৈ উন্নতি হ'ব তাক চিন্তা কৰি অসম সাহিত্য সভাৰ অভিভাষণত কৈছিল, "অসমত অসমীয়াৰ প্ৰাধান্য হ'ব লাগে, বংগদেশত বঙলা আৰু বঙালীৰ প্ৰাধান্য হ'ব লাগে, উৰিষ্যাত উড়িয়াৰ হ'ব লাগে, তাৰাবো মানুহবো।" সেই বাবেই তেওঁৰ প্ৰধান অন্তৰংগ বন্ধু আছিল অসমৰ পশ্চিম প্ৰান্তত অসমীয়া ভাষা আৰু সাহিত্য-সংস্কৃতি প্ৰচাৰৰ কাৰণে আত্মোৎসৰ্গ কৰা জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰী। সেয়ে চৌধুৰীৰ পিচৰ গৰাকী অসম সাহিত্য সভাৰ ১৯৩৩ চনত অনুষ্ঠিত হোৱা চতুৰ্দশ উত্তৰ লক্ষীমপুৰ অধিবেশনৰ সভাপতি আছিল জ্ঞানদাভিৰাম বৰুৱা। শ্ৰীবৰুৱাই অসমীয়া মানুহৰ উন্নতিৰ বাবে সকলোকে এলাহ বৰ্জন কৰি ব্যৱসায়-বাণিজ্যত মনোনিবেশ কৰিবলৈ আহ্বান জনাইছিল। আমি আটাইয়ে জানো, অসমৰ প্ৰখ্যাত সাহিত্যিক, স্বদেশ প্ৰেমী, ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাক। এই ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাৰ পুত্ৰ প্ৰিন্সিপাল জে. বৰুৱা কোন বুলি আমাৰ পাঠক সমাজে নিশ্চয় প্ৰশ্ন নকৰে। কাৰণ জ্ঞানদাভিৰাম বৰুৱাকে লোকে 'প্ৰিন্সিপাল জে. বৰুৱা বুলিহে বেছিকৈ জানে। যেতিয়াই বৰুৱাই গোৱালপাৰাক এটি দুষ্ট চক্ৰই গ্ৰাস কৰাৰ ষড়যন্ত্ৰৰ কথা ধৰিব পাৰিছিল তেতিয়াই তেও আন আন অসম

হিতৈষী সকলৰ লগতে জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ লগত লগলাগি আলোচনা কৰিছিল। এয়া তেওঁৰ স্বদেশ প্ৰেমৰে উদাহৰণ। উল্লেখযোগ্য যে অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত তেওঁ এই গোৱালপাৰা গ্ৰন্থখনৰ দুষ্ট চক্ৰৰ ষড়যন্ত্ৰৰ পৰা মুক্ত কৰিবলৈ মুকলি আহ্বান জনাইছিল। এনেবোৰ কৰ্মৰ যোগে তেওঁ তেওঁৰ পিতাক ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাৰ নাম উচ্চ আসনত বহুৱাব পাৰিছিল।

অসম হিতৈষী জ্ঞানদাভিৰাম বৰুৱাৰ জন্ম হৈছিল ১৮৮০ চনৰ ১৯ আগষ্টত নগাৱঁৰ ফৌজদাৰি পট্টিত। এনে এটি সময়তে জনম লৈছিল অসম হিতৈষী হিচাপে। তেওঁ মাত্ৰ ১৫ বছৰ বয়সতে বিলাতলৈ গৈ এণ্ট্ৰেন্সৰ পৰা বাৰ এট্‌ল ডিগ্ৰী লয়। তেওঁ প্ৰথমে আইনৰ ব্যৱসায়ত নামে আৰু পিছলৈকে গুৱাহাটীত মুনচিফ্ আৰু হাকিমৰ পদত নিযুক্তি লাভ কৰি সেই পদত কৰ্মৰত হয়। পিছত গুৱাহাটীৰ মজিয়াত অৱস্থিত আৰ্ল ল কলেজৰ অধ্যক্ষ পদৰ পৰা অৱসৰ লয় ১৯৩৭ চনত।

সাহিত্য সভাৰ সভাপতিৰ আসনত বহি দিয়া ভাষণত তেওঁ অসমৰ হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ কথা উল্লেখ কৰিছে। তেওঁ অসমীয়া সাহিত্যৰ ভঁৰাললৈ আগবঢ়োৱা উল্লেখ যোগ্য অৰিহণা সমূহৰ ভিতৰত পঞ্চৰত্ন, দদাইৰ পঁজা, ভেনিচৰ সাউদ আদি অনু-বাদ গ্ৰন্থৰ উপৰিও বিলাতৰ চিঠি, কক্ টেলেছ অৱ আছাম। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জনপ্ৰিয় সাধু কথাৰ গ্ৰন্থ ‘বুঢ়ী আইৰ সাধু’ খনো তেওঁ ইংৰাজীলৈ অনুবাদ কৰে।

অভিনেতা হিচাপেও জ্ঞানদাভিৰাম বৰুৱা পৰিচিত। বৰুৱাই বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ লগতো অভিনয় কৰিছিল। অসমীয়া কথা ছবিৰো অভিনেতা প্ৰিন্সিপাল জে. বৰুৱাই - ইন্দ্ৰমালতীতো অভিনয় কৰিছিল। চাকৰি, অভিনয় আৰু সাহিত্য সেৱাৰ লগতে তেওঁ—বাঁহী, ৰবদৈচিলা, ৰামধেনু আদিৰ উপৰিও তেওঁৰ সাহিত্যিক

বন্ধু জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে প্ৰতিষ্ঠা কৰা 'আৱাহন'তো প্ৰবন্ধ লিখিছিল। তেওঁৰ মতে—

"যি দেশৰ সাহিত্য জীৱিত
আৰু সাহিত্য ভাণ্ডাৰ,
সেইদেশ
কেতিয়াও নমৰে ॥
সাহিত্য দেশৰ প্ৰাণ।"

অনেক দেশহিতকৰ কাৰ্য্য সম্পাদন কৰি ১৯৫৫ চনৰ ২৭ জানুৱাৰীৰ দিনা তেওঁৰ নৰনাটৰ সামৰণী পেলাই। ভৱিষ্যতলৈ ভাল আদৰ্শ থৈ যোৱা বৰুৱাৰ—মাতৃ বিষ্ণুপ্ৰিয়া দেৱী আৰু পত্নী স্বৰ্ণলতা দেৱী।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ পঞ্চদশ গৰাকী সভাপতি

ভাঙনি কোঁৱৰ আনন্দচন্দ্ৰ আগৰৱালা

"দেখিও নেদেখা কিয় দিন কণা
সুখযে হাততে আছে ;
মিটি' দিব পাৰে স্বাৰ্থ—বলিদান,
সুখ ফুৰে পাছে পাছে ।"

১৮৭৪ চনত তেজপুৰ মহকুমাৰ কলংপুৰ মৌজাৰ পবিত্ৰ ভূমিত আৰু এজন বিশিষ্ট পুৰুষৰ জন্ম হৈছিল । এই বিখ্যাত পুৰুষ জনকে অসমীয়া সাহিত্যৰ বুৰঞ্জীত 'ভাঙনি কোঁৱৰ' হিচাপে চিহ্নিত কৰা হৈছে । জোনাকী কালত আৰু কলিকতাত অ. ভা. উ. সা. সভাৰ এজন প্ৰধান পৃষ্ঠপোষক, সুদক্ষ কবি আনন্দচন্দ্ৰ আগৰৱালাই অনেক ইংৰাজী কবিতা অসমীয়ালৈ ভাঙনি কৰে আৰু এই ভাঙনিৰ দ্বাৰা মহিমান্বিত হৈ অসমীয়া সাহিত্যত 'ভাঙনি কোঁৱৰ' হিচাপে স্বীকৃতি লাভ কৰে ।

সংখ্যাত কবিতা তাকৰ হলেও আধুনিক কবিতাৰ পৰম্পৰা সৃষ্টিত এই সুদক্ষ কবি আনন্দচন্দ্ৰ আগৰৱালাৰ অৱদান অনন্য । তেওঁৰ প্ৰকাশিত গ্ৰন্থ সমূহৰ ভিতৰত—জিলিকনি, পত্ৰমনি কবিতা পুথি ; ধৰ্ম সংগীত গীতৰ পুথি, শিশু পাঠ, আদি পাঠ, কোমল পাঠ আদি শিশু পাঠ্য । আগৰৱালাৰ কবিতা কোমল—মধুৰ প্ৰকাশভংগী, সৰল অনুভূতি আৰু মৃদুকল্পনাৰ সৌৰভে আৰু অধীক ভাবে আকৰ্ষণীয় কৰি তুলিছে । এজন আগশাৰীৰ প্ৰত্নতাত্বিক, প্ৰাচীন ধৰ্ম, সংস্কৃতিৰ অলেখ প্ৰবন্ধ লেখক আগৰৱালাই হাইস্কুলৰ শিক্ষা তেজপুৰত সমাপ্ত কৰি ১৮৯১ চনত কলিকতাত এফ.

এ. পঢ়িবলৈ যায় যদিও এফ্. এ. ত অকৃতকাৰ্য্য হয়, সাহিত্যৰ কামত লাগি থাকোঁতে পঢ়াৰ ফালে আওকান হোৱাত। তেনেকৈ ঘৰলৈ উভতি আহি পুলিচৰ চাকৰিত সোমায়। আৰক্ষী বিভাগৰ হেড কনিষ্টবলৰ চাকৰিত সোমাই পিছত নিজৰ গুণত দোপতদোপে উন্নতি লভি আৰক্ষী অধীক্ষক পদত অধিষ্ঠিত হয় আৰু এই পদৰ পৰা ১৯২৯ চনত অৱসৰ লয়। মাজতে শিৱসাগৰ বেজবৰুৱা হাইস্কুলত শিক্ষকতাও কৰে। তেৱেঁই পুলিচ মেনুৱেল ১৯০৬ চনত ৰচনা কৰে। প্ৰিঞ্চিপাল হিচাপে শিলচৰ পুলিচ ট্ৰেইনিং স্কুলত কাম কৰে। এই গৰাকী ব্যস্ত সাহিত্যিক, ৰায় বাহাদুৰ, ভাওনি কোঁৱৰ, প্ৰত্নতাত্বিক, শিশু সাহিত্যিক আনন্দচন্দ্ৰ আগৰৱালাই হ'ল অসম সাহিত্য সভাৰ ১৯৩৪ চনত অনুষ্ঠিত পঞ্চদশ মংগলদৈ অধিবেশনৰ পঞ্চদশ গৰাকী আৰু সময় উপযোগী-যোগ্য আসনতৰহা সুযোগ্য সভাপতি।

গুণাভিৰাম বৰুৱাৰ পুতেক কৰুণাভিৰাম বৰুৱাৰ 'লৰাবন্ধু' নামৰ চেমনীয়া আলোচনীৰ প্ৰকাশত আনন্দচন্দ্ৰই বিশেষ সহায় কৰিছিল। জোনাকী - বিজুলীৰ পৰান কবি আগৰৱালাই 'বাঁহী'; 'আলোচনী', 'আৱাহন' আদিত ভাৰতমান প্ৰাচীন ধৰ্ম, সংস্কৃতি, পুৰাতত্ব সম্পৰ্কীয় অলেখ প্ৰবন্ধ লিখিছিল। এই প্ৰবন্ধকাৰে অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰি ভাৰে পবাই দিয়া ভাষণত আমি বিশ্বৰ কথা বা ভাৰতৰ কথা ভবাৰ আগেয়ে মাতৃভূমিৰ কথা ভবা যে উচিত এনে কথাৰে আটাইকে সোঁৱৰাই দিছিল। তেওঁ কৈছিল—"অসমক সকলো প্ৰকাৰে অসমীয়া বা অতুলনীয় কৰি ৰাখিবলৈ চেষ্টা কৰা প্ৰত্যেক অসমীয়াৰ কৰ্ত্তব্য। সকলো অসমীয়াই মুঠ বান্ধি একতা সূত্ৰত আবদ্ধ হৈ সমবেত চেষ্টা কৰিলেহে আমাৰ উন্নতি হ'ব। জাতীয় উন্নতিৰ নিমিত্তে লাগে ঐক্য, গভীৰ স্বদেশানুৰাগ আৰু স্বজাতি প্ৰেম। লাগে উদ্যম,

একাগ্ৰতা, সেৱা পৰায়ণতা আৰু স্বাৰ্থ ত্যাগ। লাগে জাতিৰ বিশিষ্টতাৰ সন্ধান আৰু সেই বিশিষ্টতাক ফুটাই তুলিবলৈ একান্ত চেষ্টা।" তেওঁ আৰু এটি গুৰুত্বপূৰ্ণ কথা কৈছিল—সেয়া—(১) 'বঙলা ভাষাতকৈ হিন্দী আৰু কাশ্মীৰী ভাষাৰ লগত অসমীয়া ভাষাৰ সম্পৰ্ক।'

অসম মাতৃৰ এই সু-যোগ্য পুত্ৰ আনন্দচন্দ্ৰ আগৰৱালাৰ—

"মহা মহা পুৰুষৰ চানেকীৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত ;
অভিনয় শেষ হ'লে আয়ুবেলি মাৰ গলে
থই যাব পাৰো খোজ সময় বালিত।"

এই সাৰুৱা কথাৰ কবিতা, জনপ্ৰিয় কবিতা সৃষ্টিৰ গৌৰৱত আমি আজি মত্ত হৈ থাকিলে নহব, আমি আজি এই মহান সাহিত্যিক গৰাকীৰ আৰ্হিৰে আলোকিত হ'ব লাগিব। তেওঁক জানিব লাগিব আৰু জনসমাজত আমাৰ এই মহান কবি গৰাকীক বিলাব লাগিব। ভাওনি কোঁৱৰৰ পিতৃ কাশীনাথ আগৰৱালা, মাতৃ ৰাধিকা আৰু পত্নী-সু-সাহিত্যিক লম্বোদৰ বৰাৰ ভতিজা জী—অপৰাজিতা বৰা।

১৯৪০ চনত তেজপুৰৰ স্থায়ীঘৰত এই গৰাকী অসমীয়া ভাষা - সাহিত্যৰ পূজাৰী ; কবিৰ দেহাৱসান ঘটে।

তেওঁৰ কবিতাৰে সামৰণীত—

"পৰৰ অভাৱ, পৰৰ দুখত
হিয়া যদি পমি যায়,
পৰক আপোন কৰিব পাৰিলে
সংসাৰত দুখ নাই ॥"

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ ষোড়শ গৰাকী সভাপতি

বিহগী কবি ৰঘুনাথ চৌধাৰী

গুৱাহাটীৰ দুগৰাকী আতা, দুয়োগৰাকীয়ে অসমীয়া সাহিত্যত চিৰ পৰিচিত কবি, অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰা অসমীয়া সাহিত্যৰ অতি আপোন, অতি মৰমৰ, অতি চেনেহৰ সভাপতি, আৰু বিশেষ ভাবে সমাদৃত দুগৰাকী গুৱাহাটীৰ আতা বিহগী কবি ৰঘুনাথ চৌধাৰী আৰু অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী। এই দুয়োগৰাকী আতাই আজি আমাৰ মাজত নাই। দুয়োজনৰে ১৯৬৭ চনতে জীৱন নাটৰ সামৰণী পৰে।

বিহগী কবি? এই প্ৰশ্নৰ উত্তৰ নজনা শিক্ষিত অসমীয়া নাই বুলি কব পাৰি। কাৰণ এই প্ৰশ্নৰ উত্তৰ অসমীয়া সাহিত্যত চিৰপৰিচিত। অসমীয়া নৱন্যাস লিখক সকলৰ মাজত ব্যতিক্ৰম; নৱন্যাস যুগৰ এজন শ্ৰেষ্ঠ কবি, কবিৰত্ন অলংকাৰেৰে বিভূষিত বিহগী কবি ৰঘুনাথ চৌধাৰীৰ জীৱন দুখ দৈন্যতাৰে পাৰ হোৱা। তেওঁৰ এটি পৰিচিত কবিতাত—

"দুখ দৈন্য জীৱন সম্বল
নিৰ্য্যাতন মোৰ প্ৰভুৰ আশীস
সদানন্দ ৰূপ ধ্ৰুৱ জ্যোতি
জ্বলে অন্তৰত অহৰ্নিশ।"

অন্য এটি কবিতাত—

"মাৰিছিলা শক্তি শেল ভাহানি যিপাত
যোৱা নাই সি বিষ জামৰি,
বেদনাৰ যত অস্ত্ৰ কৰিছা প্ৰয়োগ

বুকু পাতি লইছো সামৰি ।”

চিৰকুমাৰ ৰঘুনাথ চৌধাৰী নিচেই কেঁচুৱা কালতে পিৰালিৰ পৰা বাগৰি গৈ শিলৰ চেপাত ভৰি ছুখন সোমাই পৰে আৰু তেতিয়াৰে পৰা তেওঁ গোটেই জীৱনৰ বাবে মূৰ পাতি লব লগা হয় বিকলাংগ শৰীৰ অসহনীয় বোজা। চাৰিবছৰ বয়সতে মাতৃস্নেহৰ পৰাও বঞ্চিত হৈ আৰম্ভ হয় আৰু এটি কাৰুণ্যৰে উপচি পৰা নিঠৰুৱা জীৱন। শিক্ষাৰ দিশতো অষ্টম শ্ৰেণীলৈকে পঢ়ি শিক্ষকৰ কঠোৰ শাসনৰ কাৰণে স্কুল এৰি দিয়া এই গৰাকী কবিয়ে নিজৰ চেষ্টাৰ বলতে ১৯৩৬ চনত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ষষ্ঠদশ তেজপুৰ অধিবেশনৰ ষোড়শ গৰাকী সভাপতি হিচাপে নিৰ্বাচিত হয়। ৰঘুনাথ চৌধাৰীৰ জন্ম হয়—১৮৭৮ চনৰ ৫ মাৰ্চত ; ১৮০১ শকত কামৰূপ জিলাৰ পশ্চিম বংশৰ মৌজাৰ হাজোৰ ওচৰৰ লাওপাৰা গাৱঁত। এইখনি তেওঁৰ জন্ম স্থানতো আজি বলিছে দুখৰ নিনাদ ; কাৰণ তেওঁৰ জন্ম গাওঁ লাওপাৰাই আশ্ৰয় ললে ব্ৰহ্মপুত্ৰৰ বুকুত।

ছাত্ৰাকালৰে পৰা সাহিত্য সাধনাত ব্ৰতী হোৱা চৌধাৰীয়ে শিশু আলোচনী ‘মইনা’ ; ‘সুৰভি’ আৰু ‘জয়ন্তী’ আলোচনী সম্পাদনা কৰে। তেওঁ গুৱাহাটী বালিকা প্ৰাইমেৰি স্কুলৰ প্ৰধান শিক্ষক ; ৰোমান কেথলিক বালিকা স্কুলতো শিক্ষকতা কৰি আৰু শেষত তাকো এৰি কৃষি-কৰ্মতহে আত্ম নিয়োগ কৰে। কৃষি কৰ্মৰ লগে লগে সাহিত্য সেৱাও অব্যাহত ৰখা চৌধাৰী যে এজন আদৰ্শ কৃষক আছিল তলৰ চিঠিখনেই তাৰ প্ৰমান।

“প্ৰিয় চৌধাৰী !

আগতে মই ভাবিছিলো, আপুনি কবিতা লিখে। কালি আবেলি আপোনাৰ পামলৈ গৈ বুজিলো আপুনি অকল কবিতাকে নিলিখে, কবিতা সৃষ্টিও কৰে। শাৰীয়ে শাৰীয়ে ৬/৭ হাজাৰ বন্ধা কবি, ফুল কবিৰ সৌন্দৰ্য্য, উত্তৰে দক্ষিণে, পুৱে পশ্চিমে হালধীয়া

ৰঙা নীলা ফুলৰে সুশোভিত চামে চামে মটৰ মাহ, বতাহত ঢৌ খেলি থকা সৰিয়হৰ ফুলৰ অনুপম ৰূপ ৰাশি মই বিমোহিত হৈ উপভোগ কৰিলোঁ। খন্তেকৰ বাবে পাহৰি গৈছিলোঁ, মই ক'ত আছোঁ ইন্দ্রৰ নন্দন কাননত নে মৰ্ত্যৰ কোনো দেৱাংগ ফুলনিত। বিশেষকৈ লক্ষ্য কৰি আচৰিত হলোঁ যে প্ৰকৃতিৰ যিখন ফুলনি আপুনি সৃষ্টি কৰিছে, সি কেৱল মনোমুগ্ধকৰেই নহয় তাক খাবও পাৰি। আপুনি বহুদিন জীয়াই থাকক। আপোনাৰ আদৰ্শ চিৰ-স্মৰণীয়। ইতি

আপোনাৰ

শ্ৰীগোপীনাথ বৰদলৈ ”

অসমৰ প্ৰথম শ্ৰেণীৰ এজন আদৰ্শবান কৃষক; সেউজ বিপ্লৱী চৌধাৰী অকল কবিতা লিখকে নাছিল তেওঁ কবিতাৰ সৃষ্টিও কৰিছিল। চৌধাৰী আতাৰ কৃষি কৰ্মত মোহিত হৈ সেয়ে গোপীনাথ বৰদলৈয়ে চিঠি লিখিবলৈ বাধ্য হৈছিল। নিখুঁত আৰু পূৰ্ণাংগ জাতীয় জীৱনৰ চিত্ৰ কবিতাৰ মাজেৰে অংকন কৰা বিহগী কবি চৌধাৰীৰ কবিতাৰ বাহিৰে আন কোনো কবিৰ কবিতাত নিখুঁত আৰু পূৰ্ণাংগ জাতীয় জীৱনৰ চিত্ৰ পোৱা নাযায়। তেওঁৰ কবিতা সমূহত ইংৰাজী কবিতাৰ পোনপটীয়া প্ৰভাৱ পৰা নাই। তেওঁ শ্ৰীময়ী অসমীৰ শীতল বুকুত পোৱা ঢোল, কালি, দোতৰা, ভোঁপালিৰে পৰা বিভিন্ন ঋতুৰ সৌন্দৰ্য্য, বনসখী বিহংগমৰ কণ্ঠ-সংগীত জান-জুৰিৰ কুলু কুলু ধ্বনি, পাহাৰ-পৰ্ব্বতৰ ধ্যান গম্ভীৰ ৰূপ-লাৱন্য আৰু লগতে বৈচিত্ৰপূৰ্ণ মানৱ জীৱনে হ'ল কবি চৌধাৰীৰ প্ৰেৰণাৰ উৎস আৰু সমল। কবি চৌধাৰীয়ে বিশ্বব্যাপী থকা অনন্ত প্ৰেমৰ সন্ধান পাইছিল চৰাইৰ মাতত, ফুলৰ সৌন্দৰ্য্যত। সেয়ে তেওঁ লিখি গ'ল—

"সখি অ' সখি অ' বুলি পখিয়তী আই,
গছে গছে উৰি উৰি

তোৰ সুৰে সুৰে ধৰি
ৰূপ-গন্ধ জেউতিৰে সৌন্দৰ্য্য বঢ়াই ;
প্ৰকৃতিৰ নগ্নৰূপ দিছে সোলোকাই ।
অ' মৰমী বন্ধু মোৰ, অ' মোৰ বহনা,
চক্ৰবাক—মিথুনৰ
আশা হ'ল মিলনৰ,
বজালি যি বিশ্ব ভোলা মিলন - গগনা ;
সুমাবনে মৰমীৰ মৰম বেদনা ?"
" কৰে নৃত্য লীলা ভাঙ্গ ফুল্ল ফুলনিত ;
উঠিল স্পন্দন গিৰি শিখৰ - মণিত ...... ।"
সংগীতৰ সুধাধাৰা দিলি তই বাকি ;
আকাশত ৰামধনু
ৰঙিলে নীলিমা তনু
দেৱপুৰী এৰি মই আকাশী নৰ্ত্তকী
মৰতত ভৰি দিলে উৰ্ব্বশী কেতেকী ।
.... ।"

প্ৰধানকৈ ফুল আৰু চৰাই সম্পৰ্কীয় কবিতাৰ মাজেৰে কবিয়ে বিচাৰি পাইছিল প্ৰকৃতিক আৰু প্ৰকৃতিৰ মাজত বিচাৰি লৈছিল নিজক। সেয়ে তেওঁৰ বাবে প্ৰকৃতিহে পৰে শান্তিদায়িনী শক্তিৰ উৎস। এনেৰূপৰ অনুভূতি আৰু বৰ্ণনাৰ সৌষ্ঠৱেৰে চৌধাৰীৰ কবিতা সমূহ হৈছে প্ৰাণবন্ত আৰু এই প্ৰাণবন্ত কবিতাৰে 'অসমীয়া ৰোমান্টিক কাব্যৰ এটা নতুন অনুচ্ছেদ আৰম্ভ হয়।

বাহ্যিক দৃষ্টিত বিশ্ববিদ্যালয়ৰ ডিগ্ৰীৰ অলংকাৰত পোতখাই নপৰা বিহগী কবি চৌধাৰীৰ সাহিত্য জগতত ভূমিকা দ্বৈত। এক সাংবাদিক ; দুই কবি। জোনাকীত সহকাৰী সম্পাদক হিচাপে আৰম্ভ হোৱা সাংবাদিক জীৱন জয়ন্তীৰ মাজেৰে অগ্ৰসৰ হৈ সুৰভিত শেষ হয়। তেওঁৰ কবিতাৰো দ্বৈত ভূমিকাৰ এক ইন্দ্ৰিয়মুখী আনটো ভাগ ইন্দ্ৰিয় বিমুখী ।

কেন্দ্ৰীয় চৰকাৰৰ সাহিত্যিক পেনচনাৰ চৌধাৰীৰ প্ৰথম প্ৰকাশিত কবিতাৰ সংকলন 'সাদৰী'—১৯১০ চনত প্ৰকাশিত হোৱা সংকলন খনত প্ৰথম স্তৰত ৰচনা কৰা কবিতা সমূহ সন্নিবিষ্ট হৈছে। ইয়াৰ পাছত 'কেতেকী' ১৯২৩ চনত; 'কাৰবালা'; ১৯২৪ চনত; 'দহিকতৰা' ১৯২৯ চনত আৰু 'নৱমল্লিকা'; ১৯৫৮ চনত প্ৰকাশ পাইছে। 'নৱমল্লিকা বিহগী কবিৰ কথা কবিতাৰ পুথি। প্ৰকৃতিজগতৰ চিত্ৰ অংকনত সিদ্ধহস্ত কবিৰ অনুপম কাব্য কেতেকী। এই পুথি সম্বন্ধে ডক্টৰ বানীকান্ত কাকতিয়ে মন্তব্য কৰিছে—"বহুগীৰ বিয়াত যি আনন্দৰ, পৰ্ণৰেখা উদ্ভিদ আৰু চৰাই জীৱনত আবদ্ধ আছিলে কেতেকী কবিতাত সেই আনন্দই পাৰ ভাঙি আহি মানৱ সমাজৰ ঘৰুৱা জীৱনকো প্লাৱিত কৰিছে।"

১৯৬৭ চনৰ ১৮ নবেম্বৰ তাৰিখে ৰঘুনাথ চৌধাৰীৰ লোকান্তৰৰ লগে লগে জোনাকী যুগৰ শেষ প্ৰতিনিধি জনৰ তিৰোধান ঘটিল। জোনাকীৰ পোহৰত কৈশোৰ জাগা চৌধাৰীয়ে অসহযোগ আন্দলনতো যোগ দি ১৯২২ চনত কাৰাবাস খাটিছিল। চৌধাৰী আতাব আশী বছৰীয়া জন্ম জয়ন্তী উপলক্ষে বিশেষ অনুষ্ঠান পাতি জীৱন কালতে অসম সাহিত্য সভাই শ্ৰদ্ধানিবেদন কৰিছিল। তদুপৰি কবি চৌধাৰীৰ সাহিত্য প্ৰতিভা সম্পৰ্কে অসম সাহিত্য সভাৰে শাখাসভা সবিতা সভাই এখনি আলোচনা গ্ৰন্থ প্ৰকাশ কৰে। উল্লেখ যোগ্য যে গুৱাহাটীৰ এই সবিতা সভাৰ অন্যতম প্ৰতিষ্ঠাতা আছিল চৌধাৰী আৰু মৃত্যুৰ সময়লৈকে এই সাহিত্য অনুষ্ঠানটোৰ সভাপতি আছিল। তেওঁ বিশ্বশান্তি পৰিষদৰ অসম শাখাৰ সভাপতি, সৰ্বভাৰতীয় শান্তি পৰিষদৰ কলিকতা অধিবেশনৰ কৃষ্টি শাখাৰ সভাপতি, সৰ্বদলীয় সীমা নিৰ্দ্ধাৰণ সমিতিৰ সভাপতি হিচাপেও কাৰ্য্যনিৰ্ব্বাহ কৰে। অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা দিয়া ভাষণত চৌধাৰীয়ে কৈছিল—

আধুনিক শিক্ষা পদ্ধতিৰ বিৰুদ্ধে মোৰ প্ৰধান অভিযোগ,

শিক্ষাৰ কেন্দ্ৰ বিলাকত আমাক 'মানুহ' কৰি তুলিবলৈ কোনো ব্যৱস্থা নাই; চৰিত্ৰ গঠনত অন্তৰৰ সদ বৃত্তিবিলাকৰ স্ফুৰণ নাই, জীৱনৰ সম্পূৰ্ণ বিকাশ নাই।" সেইদিনৰ কথা আজি মিলি গৈছে। আজিৰ শিক্ষিত মহাবিদ্যালয় - বিশ্ববিদ্যালয়ৰ ডিগ্ৰীৰে অলংকৃত হোৱা ডেকা গাভৰুৰ কথাৰ - কামৰ মাজত কোনো মিল নোহোৱা হৈছে। শিক্ষাৰ পৰা পোৱা কোনো অভিজ্ঞতা প্ৰয়োগ কৰিব নোৱাৰা যেন হৈছে; কিয়? মানুহজনৰ পৰা আপোনা আপুনি বিশ্ববিদ্যালয়ৰ ডিগ্ৰী পোৱাৰ কোনো চিন সমাজত প্ৰতিফলিত হ'ব নোৱাৰা হৈছে। সমাজত দুৰ্নীতি বাঢ়িয়ে আছে অথচ শিক্ষা - কেন্দ্ৰবোৰৰ পৰা বছৰে বছৰে হাজাৰ হাজাৰ শিক্ষিতৰ উৎপাদন বাঢ়িযে আছে। এনোবোৰ অনা উৎপাদন কণী—

শিক্ষিতৰ সংখ্যা যিমানে বাঢ়িছে ইজনে সিজনক কৰিব লগীয়া শ্ৰদ্ধা ভক্তিৰ চিন হেৰুৱাই যোৱাৰও উপক্ৰম হৈছে। আজিৰ এই আধুনিক শিক্ষাই চৰিত্ৰ গঠনত কেনে ভূমিকা লৈছে আমি ইয়াত বহলাই আৰু কোৱাৰ দৰকাৰ খুব সম্ভৱ নাই আৰু এয়াতো তেনেবিধৰ মজিয়াও নহয় বা স্থানো নহয়। চৌধাৰীয়ে আৰু কৈছে— "বৰ্তমান আমাক আদৰ্শ চৰিত্ৰ, সত্যনিষ্ঠ, জ্ঞান তপস্বী শিক্ষক এক শ্ৰেণীৰ আৱশ্যক হৈছে যি শিক্ষক শ্ৰেণীয়ে তৰুণৰ দলক মানুহ কৰি তুলিব পাৰিব, যি তৰুণ দলে সত্যৰ কাৰণে প্ৰাণ দিব পাৰিব, দধীচিৰ দৰে আত্মত্যাগ কৰিব পাৰিব, আপোনাৰ চৰিত্ৰৰ মাহাত্ম্যত আৰু প্ৰগাঢ় পাণ্ডিত্যৰ গুণত জগতৰ শ্ৰদ্ধা আকৰ্ষণ কৰিব পাৰিব।" অসমৰ বিদেশী সমস্যাৰ বিষয়েও তেওঁৰ অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণৰ যোগে সোঁৱৰাই দিছিল। ১৯৬০ চনৰ ৰাজ্য ভাষা আন্দোলনবো নেতৃত্ব কৰা চৌধাৰীয়ে আৰু এঠাইত কৈছিল—"......তেনে অৱস্থাত মই ছাত্ৰ সকলক মাত্ৰ এযাৰ কথা কব খোজোঁ। তোমালোক আত্ম-বিস্মৃত নহ'বা। তোমালোক যদি মানুহ হোৱা সমাজে তোমালোকক বিপথগামী কৰিব নোৱাৰে;

ৰৰং তোমালোকেহে সমাজক সুপথে পৰিচালিত কৰিব পাৰিবা।"
.... "আৰু এটা কথা আজিৰ ছাত্ৰ সমাজক যি দলীয় ৰাজনীতিৰ সংক্ৰামকে আক্ৰমণ কৰিছে তোমালোকে তাৰ পৰা মুক্ত হোৱা। তোমালোকে সকলো কথাকে অধ্যয়নৰ ভাবেতহে গ্ৰহণ কৰিব লাগে। দলীয় ৰাজনীতিয়ে মানুহক সংকুচিত কৰে।"

বীৰকুচি গাওঁৰ আদৰ্শ কৃষক বিহগী কবি ৰঘুনাথ চৌধাৰীয়ে তেতিয়াৰ কংগ্ৰেছৰ নেতৃত্বত চলা মাদকদ্ৰব্য নিবাৰণী আন্দোলনত বীৰকুচি অঞ্চলৰ নেতৃত্ব লয়। তেওঁৰ পিতৃ ভোলানাথ চৌধাৰী আৰু মাতৃ-দয়ালতা চৌধাৰী।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ সপ্তদশ গৰাকী সভাপতি

পদ্মশ্ৰী, পদ্মভূষণ কৃষ্ণকান্ত সন্দিকৈ

সাধাৰণ লোকৰ কথা বাদেই সৰ্বসাধাৰণ পণ্ডিতৰ লগতো ৰিজাব নোৱাৰি। এটা দুমহলীয়া ঘৰ। অকলে নিৰিবিলিকৈ থাকিবলৈ লয় তলৰ মহলাত। ওপৰ মহলাত ভৰি থাকে কেৱল কিতাপৰ আলমাৰী। শোৱা কোঠালী, ড্ৰইং ৰুমতো ভৰি থাকে কিতাপ। ভাষা শিকা আৰু জ্ঞান লাভৰ প্ৰবল আগ্ৰহৰ বাবেই বিশ্বৰ নানান ভাষাৰ পুথি সংগ্ৰহৰ ডাঙৰ পঞ্চাশটা আলমাৰী। ইয়েই আছিল আজীৱন সাধনা আৰু অধ্যৱসায়ৰ পবিত্ৰ থল। ইয়াৰ গুণতেই ভাৰত চৰকাৰৰ দ্বাৰা 'পদ্মশ্ৰী' (১৯৫৫) আৰু 'পদ্মভূষণ' (১৯৬৭) উপাধিৰে বিভূষিত হৈ অসম তথা ভাৰত বৰ্ষৰো সীমা অতিক্ৰমি পাশ্চাত্য জগতৰ প্ৰাচ্যতত্ত্ববিদ পণ্ডিতসকলৰ মাজতো জনপ্ৰিয় হৈ পৰিছিল যি গৰাকী ব্যক্তি, সেইজনা মহান পণ্ডিতেই হ'ল অসম আইৰ সুযোগ্য সন্তান অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনৰ সভাপতিৰ আসন অলংকৃত কৰা কৃষ্ণকান্ত সন্দিকৈ। প্ৰসঙ্গত প্ৰসিদ্ধ সমালোচক, লিখক আব্দুছ চাত্তাৰৰ উক্তিৰে কবলৈ হলে ব্যক্তিত্বত যিজন সুগভীৰ, চৰিত্ৰ যাৰ সুনিৰ্মল, আদৰ্শ যাৰ জ্ঞান-সাধনা, প্ৰচাৰ বিমুখতা যি জনৰ জীৱনৰে বৈশিষ্ট্য, মতত যিজন সুদৃঢ়, জ্ঞান লিপ্সা যাৰ অপূৰণীয় আৰু অতুলনীয়, যিজন পণ্ডিতৰ সমালোচনা স্পষ্ট আৰু বিচাৰ প্ৰণালী যুক্তি সঙ্গত, অনুসন্ধিৎসা যি জনাৰ জীৱনৰে ব্ৰত, অধ্যয়ন যাৰ মনৰ খোৰাক, পাৰ্থিব খ্যাতিৰ প্ৰতি যি জন অনাসক্ত সেইজন অসাধাৰণ গবেষক ব্যক্তিয়েই হৈছে কৃষ্ণকান্ত সন্দিকৈ।

এক কথাত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ এজন অদ্বিতীয় ব্যক্তি।

কথাষাৰ এই কাৰণতেই কোৱা হ'ল যে ১৮৯৮ চনৰ জুলাই মাহৰ ২০ তাৰিখ বুধবাৰে দ্বিতীয়া শুক্লপক্ষত যোৰহাটত জন্ম গ্ৰহণ কৰা এইজনা পণ্ডিতেই প্ৰাইমাৰী স্কুল নপঢ়াকৈয়ে একেকোবে হাইস্কুলীয়া শিক্ষা লাভ কৰিছিল আৰু তেনেকৈয়ে যোৰহাটৰ পৰা মেট্ৰিক পাছ, কলিকতা সংস্কৃত কলেজৰ পৰা সংস্কৃতত প্ৰথম শ্ৰেণীৰ অনাৰ্চ লৈ বি—এ পাচ, ১৯১৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃতৰ বৈদিক শাখাত প্ৰথম শ্ৰেণী লাভ কৰি এম—এ পাচ আৰু পিচত অক্সফৰ্ড বিশ্ব বিদ্যালয়ৰ পৰা মডাৰ্ণ হিষ্ট্ৰীত এম—এ উপাধি লাভ কৰে ১৯২৩ চনত।

সন্দিকৈ ডাঙৰীয়াই অকলশৰীয়া প্ৰচেষ্টাৰে অধ্যাপনা আৰু গবেষণা কৰি সাহিত্যিক অৱদানেৰে জগত বিয়পা খ্যাতি অৰ্জিবলৈ সক্ষম হৈছিল তেনেকৈয়ে সংস্কৃত, পালি, প্ৰাকৃত, ফ্ৰেন্স, জাৰ্মান, ইটালিয়ান, স্পেনিচ, লেটিন, গ্ৰীক, ৰাচিয়ান আৰু ইংৰাজী ইত্যাদি অসমীয়া আৰু বঙলাক বাদ দি পৃথিৱীৰ বাৰ/তেৰটা ভাষা শিকি সেই সেই ভাষাৰ পুথি অধ্যয়ন কৰি জ্ঞান আহৰণ কৰিবলৈ চেষ্টা কৰিছিল। উল্লেখনীয় কথা এইটোৱে যে হাইস্কুলীয়া জীৱনতেই সন্দিকৈয়ে যতীন্দ্ৰ নাথ আচাৰ্য্য নামৰ এগৰাকী বঙালী শিক্ষকৰ পৰা সংস্কৃত শিকিছিল। আৰু তেতিয়াই মেঘদূত, ৰঘুবংশ, কুমাৰ সম্ভৱ, কলাপ ব্যাকৰণ আদি সংস্কৃত গ্ৰন্থ সমূহ পঢ়িব পৰা হৈছিল। এনেকৈয়ে তেওঁ শেষত সংস্কৃতত পাণ্ডিত্যৰ পৰিচয় দিবলৈ সক্ষম হৈছিল।

অথচ মাতৃভাষা অসমীয়াটোকেই সন্দিকৈয়ে ভালকৈ পঢ়াৰ সুবিধা কৰিব নোৱাৰিলে। কিয়নো তেওঁলোকৰ দিনত মেট্ৰিকুলেচন পৰীক্ষাৰ পৰা কলেজলৈকে কোনো ক্লাচতে কোনো অসমীয়া ভাষাৰ কিতাপ পাঠ্য হিচাবে পঢ়োৱা হোৱা নাছিল। তথাপি অসমীয়া ভাষাৰ কিতাপ পঢ়াৰ হাউতি সন্দিকৈয়ে মনৰ পৰা আঁতৰ

কবিৰ পৰা নাছিল বাবেই স্কুলীয়া জীৱনতে পাঠ্য পুথিৰ বাহিৰেও অসমীয়া ভাষাৰ অনেক কিতাপ কিনি আনি পঢ়িছিল আৰু অধ্যয়ন কৰিছিল। এনেকৈয়ে অসমীয়া ভাষা সাহিত্যলৈ আগবঢ়ালে তেখেতৰ গ্ৰীক নাটকৰ গান (আবাহন), জাৰ্মান সাহিত্যৰ সপোন নাটক (আবাহন), স্পেনিচ সাহিত্যৰ ৰমিঅ' জুলিয়েট (আবাহন), চক্ৰেটিচৰ মতে কবিৰ প্ৰকৃতি (অসম সাহিত্য সভা পত্ৰিকা), গ্ৰীক ভাষা (বাঁহী), আত্ম বিচাৰ, অনুবাদৰ কথা (চেতনা ১৯২১), ভাৰতীয় চিন্তা, মোগল ৰাজকণ্যাৰ কবিৰ প্ৰতিভা প্ৰাচীন বেবিলনৰ বেদ, সংখ্যা দৰ্শন, ইউৰোপৰ ভাষা আৰু সাহিত্য (চেতনা), কচঅভিনয়, জাৰ্মানিৰ জ্ঞান-সাধনা (মিলন ১৯২৭) ইত্যাদি অমূল্য লিখনি সমূহ।

ইংৰাজী ভাষাতো সন্দিকৈৰ দখল আছিল। পৃথিবীৰ প্ৰায়বোৰ দেশতে ইংৰাজী বুজা লোক আছে। ভাষাটোৰ প্ৰতি এটা আদৰো আছে। এইবাবেই Common Language 'অথবা Link Language, হিচাবে সন্দিকৈয়ে সৰহখিনি কিতাপ আৰু প্ৰবন্ধপাতি বোৰ ইংৰাজী ভাষাতে লিখিবলৈ লৈছিল। ইংৰাজীতে লিখা তেখেতৰ প্ৰবন্ধবোৰ হ'ল — Women Poets Of The Rig Veda (Indian Antiquary 1920) An Indian Prince in a Greek Prose Romance. (.1938) Classical Sonskrit as a Vehicle of Indian Culture (1949) Presidential Address - Classical Sonskrit Section (An India Oriental Conference, Lucknow University -1951), The Naishad - Charita & Rajput Painting (Indian History Quarterly - 1936) ইত্যাদি।

ভাষা এটা ভালকৈ জনা থাকিলে সেই ভাষাৰ সাহিত্য সংস্কৃতি যি কোনো দিশৰ বিষয়ে জনাটো কষ্টকৰ নহয়। সন্দিকৈৰ দৰে বাৰ / তেৰটা ভাষা জনা লোকৰ পক্ষেতো ই তেনেই সহজ

কথা। সেয়ে পৃথিবীৰ বিভিন্ন ভাষাৰ সাহিত্য সম্পৰ্কে বিশেষকৈ ইউৰোপীয় সাহিত্য সম্পৰ্কে বহুল আলোচনা অসমীয়া ভাষাতে কৰাৰ প্ৰবল হেপাহ আছিল সন্দিকৈৰ। কিন্তু তেতিয়াৰ দিনত অসমীয়া ভাষাত যিকোনো কথা লিখিলে বিস্তৃতভাবে প্ৰচাৰ হোৱাত কিছু অসুবিধা আহি পৰিছিল। ইয়াৰ প্ৰধান কাৰণ হ'ল সেই সময়ত অসমৰ বাহিৰত থকা বেছিভাগ লোকেই আছিল সংস্কৃতজ্ঞ। গতিকে অসমীয়া মাতৃভাষা হোৱা স্বত্বেও অসমীয়া ভাষাত প্ৰবন্ধ পাতি নিলিখি সংস্কৃত সাহিত্যঅহে গৱেষনা কৰিবলৈ মন মেলাৰ যুক্তিও আছিল এইটোৱে। আৰু এনে গৱেষনা পোন প্ৰথমে আৰম্ভ কৰিলে 'নৈষধ চৰিত' মহাকাব্যখনিৰ ওপৰত। অথচ সংস্কৃত মহাকাব্য সমূহৰ ভিতৰতে সবাতোকৈ কঠিন বুলি জনাজাত হৈছে এই 'নৈষধ চৰিত'। সন্দিকৈয়ে এই মহাকাব্যখন অৱশ্যে ইংৰাজীলৈহে অনুবাদ কৰিছিল। পুথিখন ছপাহৈ ওলোৱাৰ লগে লগেই দেশ - বিদেশৰ বিদগ্ধ পণ্ডিতসৱে অতি আগ্ৰহেৰে পঢ়িবলৈ লৈছিল আৰু মহামহোপাধ্যায় এচ কুপুস্বামী শাস্ত্ৰী এম-এ, আই-ই-এচ, মহাভাৰতৰ প্ৰধান সম্পাদক ডঃ ভি শুকঠঙ্কৰ, অধ্যাপক এ বি কিথ এডিনবাৰ্গ, অধ্যাপক এম, উইণ্টাৰ-নিজ প্ৰাগ, আদিৰ দৰে মহান পণ্ডিত সকলে কৃতজ্ঞতা প্ৰকাশ কৰি আনন্দেৰে সন্দিকৈলৈ পত্ৰ লিখিছিল।

বৰোডা বিশ্ববিদ্যালয়ৰ সংস্কৃত অধ্যাপক ডঃ এ - এন জনিয়ে তেখেতৰ 'A Critical Study of Sri Harsha's Nrishrdha Charitam' নিবন্ধটোৰে গ্ৰন্থ আকাৰত প্ৰকাশ পোৱাত পাতনিত লিখিছিল এইদৰে "তেওঁৱেই এই মহাকাব্য খন কেৱল যে ভাৰতীয়ৰ কাৰণে বোধগম্য কৰিলে এনে নহয়, পাশ্চাত্য জগতৰ কাৰণেও তাক বোধগম্য কৰিদিলে। নহলে ইয়াৰ অৰ্থ হৃদয়ঙ্গম কৰাটো কঠিন হ'লহেঁতেন।"

সান্দকৈৰ জীৱনলৈ যশ-কীৰ্তি কঢ়িয়াই অনা আন এখন

অমূল্য গ্ৰন্থ "যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি" (Yasastilaka and Indian culture). ইংৰাজীত লেখা কাৰণেই এই গ্ৰন্থখনিয়ে বিশ্বৰ বিভিন্ন ঠাইত আদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। এই গ্ৰন্থখনৰ সম্বন্ধেও পেৰিচ বিশ্ববিদ্যালয়ৰ সংস্কৃত অধ্যাপক এল, ৰেণোৱে (Prof L. Renour) এখন মুখ পত্ৰত এই বুলি কৈছিল "Eneept for a note by Pete.son, nothing had been written on yasastilaka."

এনেকৈয়ে সন্দিকৈয়ে বিদেশী পণ্ডিতসকলৰ পৰা পোৱা প্ৰশংসাসূচক বাক্যত অনুপ্ৰাণিত হৈ অৱশেষত সংস্কৃত মহাকাব্য তিলাকৰ এখন বিস্তৃত বুৰঞ্জী প্ৰণয়ণ কৰিবলৈ হেপাহ কৰিছিল। কিন্তু 'সেতুবন্ধ' নামৰ এখন গ্ৰন্থ লিখাৰ কামত ব্যস্ত হৈ পৰাৰ বাবে তেখেতে এই আশা পূৰ্ণ কৰিব নোৱাৰিলে। কাৰণ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হৈ থকা সময় ছোৱাতে তেখেতে পূৰ্বৰ দৰে অধ্যয়ণ কৰিবলৈ সময় নোপোৱা হ'ল। সেয়ে অধ্যয়ণত যথেষ্ট লোকচান হোৱাত ১৯৪৯ চনৰ পৰা ১৯৫৭ চনলৈকে এই সময় ছোৱাক 'শুণ্য' বুলি সন্দিকৈয়ে বৰ আক্ষেপ কৰিছিল। তেখেতৰ মতে তেনে এটা সন্মানিত পদত যোগদান নকৰাটোৱেই অতি মঙ্গল জনক কথা আছিল। সেয়ে হলে সন্দিকৈৰ পৰা নিশ্চয় আৰু অধিক সাহিত্য সৃষ্টিৰ আশা কৰিব পাৰিলোহেঁতেন।

স্বীকাৰ কৰিব লাগিব যে যিজন ব্যক্তিয়ে মানুহৰ লগত কথা পাতিবলৈ অথবা তেখেতৰ ঘৰলৈকে মানুহ আহিলেহে' বেয়া পাইছিল, অগত্যা কোনোবাই লগপাব বিচাৰিলেও আগতীয়াকৈ দিন বাৰ-সময়ৰ বাবে অনুমতি লোৱাৰ প্ৰয়োজন হৈছিল অথচ ব্যক্তিগত পুথিভড়ালত সোমাই কিতাপৰ লগতেই কথা পাতি পাতি ঘণ্টাৰ পিচত ঘণ্টাকৈ সময় খৰচ কৰিবলৈ অকনো এলাহ কৰা নাছিল তেনে এজন অসাধাৰণ ব্যক্তিৰ ক্ষেত্ৰতহে এনেধৰণৰ উচ্চ

মানৰ সাহিত্য সৃষ্টি কৰাটো সম্ভৱ হৈছিল। কিতাপৰ পোক হৈ বিশ্ব সাহিত্যৰ সমুদ্ৰ তলীৰ তত্ত্ব উৎঘাটন কৰিবলৈ যোৱা সন্দিকৈৰ নিচিনা দ্বিতীয়জন ব্যক্তি অসম মাতৃয়ে হয়তো জন্ম দিব নোৱাৰিব। এই কথা হৃদয়ঙ্গম কৰিব পাৰিছিল বাবেই বোধকৰো প্ৰাচ্যৰ প্ৰসিদ্ধ প্ৰাকৃতবিদ পণ্ডিত ড° আদিনাথ নেমিনাথ উপাধ্যায়ে (Dr. A. N. Upadhye) সন্দিকৈক 'জ্ঞানৰ পাহাৰ' বুলি অভিহিত কৰিছিল।

দেখা যায় অজস্ৰ ধন-সম্পত্তিৰ অধিকাৰী হৈয়ো কিছুমানে সৎ কৰ্মতো অৰ্থ দান কৰিব নোৱাৰে। নিজৰ বাহিৰে কোনো সামাজিক উন্নতিৰ কৰ্মতে অৰ্থব্যয় কৰিবলৈ টান পায়। অথচ সৎ পাত্ৰত দান দিলে দানীৰ পূণ্য হয় বুলি কোৱা কথাষাৰো তেওঁলোকে নজনা নহয়। তথাপি দানৰ ক্ষেত্ৰত তেওঁলোকে সদায় আঁতৰি থাকিবলৈ বিচাৰে। ইয়াৰ কাৰণ হ'ল শিক্ষিত হলেও তেওঁলোকৰ এটা গুণৰ অভাৱ, সি হ'ল মানসিক সৎ চিন্তা বা সৎ উপলব্ধি। যি ব্যক্তিৰ চিন্তা-ধাৰণা সদায় উচ্চ, দেশ-জাতি তথা সমাজৰ উন্নতিৰ হকে কাম কৰিবলৈ মন মেলিব পাৰে তেনে ব্যক্তি-যেহে সামৰ্থ অনুযায়ী দানৰ কথাও ভাবিব পাৰে। পণ্ডিত সন্দিকৈ আছিল তেনে এজন ব্যক্তি। তেওঁ বুজিছিল সমাজ জীৱনত সাংস্কৃতিক দিশ উন্নতি হোৱা মানে দেশ তথা জাতি এটাৰ উন্নতিকে সূচায়। সেয়েহে সাহিত্যৰ লগতে অসমৰ সাংস্কৃতিক জীৱনৰ প্ৰসাৰৰ কাৰণেও তেখেতে চিন্তা কৰিছিল। গতিকে এই প্ৰসঙ্গতে দানবীৰ ৰাধাকান্ত সন্দিকৈৰ প্ৰকৃত উত্তৰাধিকাৰী পুত্ৰ কৃষ্ণ কান্ত সন্দিকৈৰ বিভিন্ন অনুষ্ঠান - প্ৰতিষ্ঠানলৈ আগবঢ়োৱা দান - বৰঙণিৰ কথাও নিশ্চয় শলাগিব লাগিব। উদাহৰণ স্বৰূপে উল্লেখ কৰিব পাৰি যোৰহাট চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ উন্নতিৰ হকে আগবঢ়ায় চৈধ্য হাজাৰ টকা, ১৯৭৪-৭৫ চনত অসম সাহিত্য সভাৰ চন্দ্ৰকান্ত ট্ৰাষ্ট বোৰ্ডৰ হাতত দিয়ে ন-হেজাৰ পাঁচ শ টকা, (তাৰে পাঁচ হেজাৰ

এটা ন্যাস পুঁজিত আৰু দুহেজাৰ পাঁচ শ টকা আন এটা ন্যাস পুঁজিত ৰখা হৈছে) ৰাধাকান্ত সন্দিকৈৰ জীৱনী ছপাবৰ বাবে অসম সাহিত্য সভাক দিয়ে চাৰি হেজাৰ টকা, ৰামায়ণৰ (১ম খণ্ড) অনুবাদৰ কাৰণে অসম সাহিত্য সভাৰ যোগেদি কবিচন্দ্ৰ মহন্তক দিয়ে দুহেজাৰ টকা, কবি নলিনী বালা দেবীৰ 'অলকানন্দা কাব্য গ্ৰন্থখনিৰ ছপোৱাৰ বাবে অসম সাহিত্য সভাক দিয়ে তিনি হেজা পাঁচ শ টকা, 'চন্দ্ৰকান্ত অভিধান'ৰ ২য় সংস্কৰণৰ কাৰণে গুৱাহাটী বিশ্ব বিদ্যালয়ক দিয়ে সাতত্ৰিশ হেজাৰ টকা আৰু ৩য় সংস্কৰণৰ (Revision) কাৰণে দিয়ে ছ হেজাৰ টকা, আৰু ছ ছাত্ৰাৰক 'প্ৰসঙ্গ-কোষ'ৰ পৰিবৰ্ত্তিত আৰু পৰিবৰ্দ্ধিত সংস্কৰণ ছপাবৰ কাৰণে দিয়ে এহেজাৰ টকা, চীনা আক্ৰমণৰ সময়ত ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পুঁজিলৈ আগ বঢ়ায় আঠ হেজাৰ টকা, যোৰহাট জগন্নাথ বৰুৱা কলেজৰ বিজ্ঞান বিভাগলৈ দিয়ে এঘাৰ হেজাৰ টকা আৰু গুৱাহাটী সন্দিকৈ ছোৱালী কলেজৰ বিজ্ঞান ভৱনৰ কাৰণে দান দিয়ে দহ হেজাৰ টকা।

ইয়াৰ উপৰিও সন্দিকৈয়ে তেখেতৰ মৰমী পত্নী ৺হেমলতা সন্দিকৈৰ স্মৃতি যুগমীয়াকৈ ৰাখিবৰ কাৰণে যোৰহাট লেচুবাৰীত আঢ়ৈ লাখ টকা দান দি "হেমলতা সন্দিকৈ স্কুল" প্ৰতিষ্ঠা কৰে।

দেখা গ'ল বেচিভাগ দানেই আছিল সাহিত্যৰ হকে আগ-বঢ়োৱা দান। সাহিত্যৰ প্ৰতি প্ৰবল অনুৰাগৰ বাবেই সন্দিকৈয়ে এইদৰে মুক্তহস্তে দান বৰঙণি আগ বঢ়াব পাৰিছিল। অৱশ্যে এই কথাও সত্য যে কেৱল অভিধান চপোৱা, গ্ৰন্থ প্ৰকাশ কৰা, শিক্ষানুষ্ঠান গঢ়া আদি কৰ্মৰ বাবেই যে সন্দিকৈয়ে এনেবোৰ আৰ্থিক অনুদান আগবঢ়াইছিল এনে নহয় আনকি 'সেতুবন্ধ' মহা-কাব্য আৰু 'যশস্তিলক আৰু ভাৰতীয় কৃষ্টি' গৱেষণা গ্ৰন্থখনলৈয়ো সকলো স্বত্ব প্ৰকাশন পৰিষদক দি এক অনন্য মহানুভৱতাৰ পৰিচয় দি গ'ল।

আজি সন্দিকৈ আমাৰ মাজত নাই। ১৯৮২ চনত ৭ জুনত তেখেতৰ নশ্বৰ দেহ চিৰধামলৈ গুচি গ'ল। খালী হৈ ৰ'ল তেখেতৰ সাহিত্য কৰ্মৰ আসন। এনে এজন বিশ্ব বৰেণ্য পণ্ডিত কেৱল বাপেক ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈ আৰু মাক নাৰায়ণী সন্দিকৈৰ গৌৰৱৰ পুত্ৰ নহয় অসম তথা ভাৰতী আইৰো গৌৰৱৰ পুত্ৰ।

শেষত ১৯৩৭ চনৰ ডিচেম্বৰ মাহত গুৱাহাটীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনত সন্দিকৈয়ে দিয়া সভাপতিৰ ভাষণৰ কেইছোৱামান কথা উল্লেখ কৰি প্ৰবন্ধটি সামৰিব বিচাৰিলো।

ভাষণত সমবেত প্ৰতিনিধি আৰু সমজুৱা সকলক সন্দিকৈয়ে কৈছিল "আজি এটা পবিত্ৰ উদ্দেশ্য লৈ অসমীয়া ভাষা আৰু সাহিত্যৰ নামত এই প্ৰাচীন নগৰত আমি সকলোটি গোট খাবলৈ পাই ধন্য মানিছোঁ। অসম সাহিত্য সন্মিলন আজি অসমীয়াৰ একমাত্ৰ জাতীয় সন্মিলন বুলিলে বঢ়াই কোৱা নহব। এই সন্মিলনত অসমীয়া হিন্দু মুছলমান আৰু খৃষ্টান সকলৰ বাহিৰেও অসমৰ দাঁতি - কাষৰীয়া জাতি-বিলাকৰ মাজত কি দৰে যোগ দিয়াব পাৰি তাৰ ব্যৱস্থা কৰিবৰ সময়ো উপস্থিত হৈছে। এই দাঁতি কাষৰীয়া জাতি বিলাকৰ মাজত অসমীয়া ভাষা প্ৰচাৰ কৰাটো অসম সাহিত্য সভাৰ প্ৰধান কৰ্ত্তব্য হোৱা উচিত।"

মুঠ কথা এই যে আমাৰ বৰ্ত্তমান অৱস্থালৈ চাই এই সাহিত্য সন্মিলন অনেক পৰিমাণে ভাষা সন্মিলনত পৰিণত হলেও একো বেয়া নহব। আমাৰ ইমান ওচৰতে গাতে লাগি যিবিলাক অসমীয়া ভাষা নজনা মানুহ আছে তেওঁবিলাকক আমি আকৰ্ষণ কৰি আনিব নোৱাৰিলে তেওঁবিলাকে নিজে আমাৰ ভাষা আৰু কৃষ্টিৰ ফালে মন দিব বুলি আশা কৰিব নোৱাৰি।

অমৃত বসুমতাৰী

অসম সাহিত্য সভাৰ অষ্টাদশ গৰাকী সভাপতি

লণ্ডনত ডক্টৰেট লাভ কৰা প্ৰথম অসমীয়া ড° ময়িদুল ইচলাম বৰা

অসম সাহিত্য সভাৰ প্ৰথম "সদস্য মহীয়ান পদ্মভূষণ কৃষ্ণকান্ত সন্দিকৈৰ দৰেই কম বয়সতে ডঃ ময়িদুল ইচলাম বৰাইও অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰে। এগৰাকী তীক্ষ্ণধী আৰু মেধাবী লোক তথা গুণী অসমীয়াৰ অসম সাহিত্য সভাৰ গুৰুৰ মোল বুজি অসমবাসীয়ে দিব পৰা শ্ৰেষ্ঠ সন্মান সভাপতিৰ আসনত বহুৱাই।

লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা হোৱা প্ৰথম অসমীয়া ডক্টৰেট ডঃ ময়িদুল ইচলাম বৰাই হ'ল অসম সাহিত্য সভাৰ অষ্টাদশ বাৰ্ষিক যোৰহাট অধিবেশনৰ অষ্টাদশ গৰাকী সভাপতি। ডক্টৰ ময়িদুল ইচলাম বৰাই বৃহত্তৰ অসমত কেনেকৈ মাতৃভাষা অসমীয়াৰ প্ৰচাৰ আৰু প্ৰসাৰতা বৃদ্ধি কৰিব পাৰি তাৰ বাবে তেওঁ সদায় চিন্তা কৰিছিল। ১৯৭০ চনত অনুষ্ঠিত অষ্টাদশ বাৰ্ষিক অধিবেশনৰ সভাপতিৰ অভিভাষণতো তেওঁ বিশেষ ভাবে উল্লেখ কৰিছে অসমীয়া ভাষা-সাহিত্যৰ হুস্কৃতিকাৰী সকলৰ গতি বিধিৰ ওপৰত সদায় চকু ৰাখিবলৈ। আৰু লগতে অসমীয়া ভাষা সাহিত্যৰ প্ৰসাৰতা বৃদ্ধিৰ হকে চিন্তা কৰিবলৈ আটাইকে আহ্বান জনাইছিল।

অসমৰ অন্যতম অসমীয়া ভাষা-সাহিত্য সংস্কৃতি আৰু বুৰঞ্জী প্ৰসিদ্ধ স্থান শিৱসাগৰৰ উপকণ্ঠৰ জেঙনিকটীয়াত আহোম বজাৰ বৰা বিষয়বাব খোৱা এটি সম্ভ্ৰান্ত পৰিয়ালত ১৮৯৯ চনত ডক্টৰ ময়িদুল ইচলাম বৰাৰ জন্ম। শিৱসাগৰতে তেওঁৰ শিশুকালৰ বিদ্যাৰম্ভ হয়। ১৯১৭ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা

প্ৰবেশিকা পৰীক্ষা পাছ কৰে । ১৯২১ চনত কটন কলেজৰ পৰা বি, এ আৰু ১৯২৩ চনত ঢাকা বিশ্ববিদ্যালয়ৰ পৰা এম, এ, পাছ কৰি ঢাকা কলেজতে অধ্যাপক নিযুক্ত হয় । বুৰঞ্জী প্ৰসিদ্ধ নগৰীৰ মেধাবী লৰাই বুৰঞ্জীৰ মোল বুজি কৈছিল— 'সমস্যা হৈছে বৈজ্ঞানিক প্ৰণালীৰে অসমৰ এটা বিস্তাৰিত বুৰঞ্জীৰ গ্ৰন্থমালা সংকলন কৰা । যদি অসমৰ বুৰঞ্জীক তিনিভাগে ভাগ কৰি আদি যুগ, মধ্যযুগ আৰু বৰ্ত্তমান যুগৰ তিনিখন বিস্তাৰিত বুৰঞ্জী প্ৰকাশ কৰিব পৰা যায়, তেন্তে আমাৰ এটা ডাঙৰ জাতীয় অভাৱ অঁাতৰাব পৰা হ'ব ।" বৰুৱাদেৱৰ এনে আশা কিন্তু আজিও বাস্তৱত ৰূপায়িত নোহোৱাটো দুখৰ কথা ।

১৯২৯ চনত বৰুৱাই লণ্ডনলৈ যায় আৰু তাতে গবেষণা কৰি ডক্টৰেট উপাধি লাভ কৰে । ফাৰ্চী, উৰ্দ্দু জনা এই অসমীয়া পণ্ডিত জনেই ঢাকা বিশ্ববিদ্যালয়ৰ পৰা পাৰ্চিয়ান ভাষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লৈ এম. এ ডিগ্ৰী লাভ কৰি আটাইকে চমক লগাই ঢাকাতে চাকৰি লাভ কৰিবলৈ সক্ষম হয় । তেওঁ মিৰ্জ্জা-নাথনে লিখা 'বাহাৰিস্তানে গাইবী' নামৰ ফাৰ্চী গ্ৰন্থৰ অসমীয়া অনুবাদ কৰি অসম বুৰঞ্জীৰ এটা আপুৰুগীয়া দিশ পূৰাই গৈছে । MY FIRST READER আৰু MY SECOND READER এই দুখন ডক্টৰ বৰুৱাৰ পঢ়াশালীয়া পাঠ্য পুথি । অসমীয়াতে লিখা আৰু ভালেমান তেওঁৰ মূল্যবান প্ৰবন্ধ বিভিন্ন স্থানত সিচৰিত হৈ আছে ।

ঠেক মনৰ কিছুমান লোকৰ মনোভাব বুজিব পাৰি ডক্টৰ বৰুৱাই কৈছিল—"স্বদেশ প্ৰেম কোনো বিশেষ সম্প্ৰদায়ৰ, শ্ৰেণী বা ব্যক্তিৰ একচেটিয়া সম্পত্তি নহয় । ইকোনো সীমাৰ ভিতৰত আবদ্ধ নাথাকে । প্ৰত্যেক ব্যক্তি আৰু প্ৰত্যেক সম্প্ৰদায়ে নিজ নিজ শক্তি অনুসাৰে দেশৰ উন্নতিৰ কাৰণে কাৰ্য্য কৰিব পাৰে । ইয়াত মতভেদ

বা বিভিন্ন কাৰ্য্য—প্ৰণালী থাকিব পাৰে কিন্তু কাম্য উদ্দেশ্য সকলোৰে এক।" অসমত গবেষণাৰ উপযুক্ত আহিলা-পাতি থকা সত্বেও শিক্ষিত সকলৰ উদ্যাম নথকাৰ কাৰণে শিক্ষিত সকলৰ এই দিশত কোনো ধৰণৰ উদ্যম নেদেখি সেই সকলক দোষাৰোপ কৰিছিল আৰু বীৰ মনেৰে আনফালে অসমীয়াৰ উন্নতিৰ হকে চিন্তা কৰি অসমীয়া ভাষাৰ বিৰোধিতা কৰা সকলৰ স্বৰূপ উদঘাটন কৰিবলৈ সকিয়াই দিছিল আমাৰ শিক্ষিত ডেকা শক্তিক। অসমৰ সম্পদৰ গৌৰৱত গৌৰৱান্বিত হৈ তেওঁ কৈছিল—'অসমত গবেষণাৰ উপাদান কোনো কোনো বিষয়ত ভাৰতৰ আন আন প্ৰদেশতকৈ সুবিধাজনক ৰূপে আৰু বেচি পৰিমানে পোৱা যায়।" ··· বৈজ্ঞানিক গবেষণা কৰিবলৈ আমাৰ দেশত যিমান সাজ-সজুলি সহজে পোৱা যায় ভাৰতৰ আন ঠাইত সহজে পোৱা কঠিন।"

স্বদেশ প্ৰেমী ডক্টৰ বৰাই এসময়ত এ, এছ, এল ক্লাবৰও গুৰিয়াল ৰূপে কাৰ্য্য নিৰ্বাহ কৰে আৰু সেই একে সময়তে ঢাকাত থাকিও অসমীয়া ছাত্ৰ সকলৰ মাজত অসমীয়া সাহিত্য চৰ্চাৰ প্ৰেৰণা যোগাইছিল মাতৃ ভাষাৰ প্ৰতি থকা মৰম চেনেহৰ বাবে।

তীক্ষ্ণধী আৰু মেধাবী বৰাদেৱক ১৯৩০-৩৩ চনত দিল্লীৰ কবি আমীৰ হাচানৰ সাহিত্যিক কাৰ্য্যাৱলী আৰু জীৱনৰ ওপৰত (The Life & works of Amir Hosan Dillari) গবেষণা কৰাৰ কাৰণে লণ্ডন বিশ্ববিদ্যালয়ে সন্মানীয় ডক্টৰেট ডিগ্ৰীৰে সন্মানিত কৰিছিল। আৰু অসমলৈ আহিছিল এনে এটি সন্মান।

ঢাকাত চাকৰি কৰি থাকিলেও তেওঁৰ মন সদায় আছিলে অসমতে। সদায়ে তেওঁ চিন্তা কৰিছিল অসমৰ আৰু অসমীয়া ৰাইজৰ নিমিত্তেহে। তেওঁ সাম্প্ৰদায়িক সম্প্ৰীতিৰ ওপৰত গুৰুত্ব দি কৈছিল—'আমি সদায় একেলগে আছোঁ আৰু থাকিব লাগিব। তেন্তে অনাহকতে এজনে আনজনৰ মনত কষ্ট দি কিয় ঘৃণাৰ ভাব সৃষ্টি কৰো? আমাৰ ভিতৰত মিলা—প্ৰীতিৰ ভাব স্থাপন কৰিম

আৰু প্ৰত্যেকক নিজ ধৰ্ম আৰু সমাজৰ নিয়ম পালি চলিবলৈ দিম বুলি যদি প্ৰত্যেক মানুহে মনত বান্ধি লৈ কাৰ্য্যত পৰিণত কৰি দেখুৱায় আৰু সাহিত্যিক সকলে এই বাণী জন-সমাজৰ মাজত প্ৰচাৰ কৰে; তেন্তে বৰ্তমান সাম্প্ৰদায়িক সমস্যা পানীত ঔটেঙা উটি যোৱাদি উটি গৈ বংগ সাগৰত লয় পাবগৈ।"

কায়মনোবাক্যে অসম আৰু অসমীয়া ৰাইজৰ মংগলৰ নিমিত্তে, অসমীয়া সাহিত্যৰ উন্নতিৰ কাৰণে চিন্তা কৰা এই জন গবেষক ডক্টৰ বৰাৰ মৃত্যু হয় ১৯৪৪ চনৰ ৫ মেত চিকিৎসাৰ বাবে, লক্ষ্ণৌলৈ যাওতে লক্ষ্ণৌ চৰহত। ফাৰ্চী উৰ্দ্দু জনা অসমীয়া এইজন পণ্ডিতৰ মৃত্যুত অসমে হেৰুৱালে এজন সচাঁ দেশ প্ৰেমীকক। বুৰঞ্জী বিদ হিচাপেও খ্যাত ডক্টৰ বৰাই "প্ৰতিভা দেৱীস্মৃতি বক্তৃতাৰ" প্ৰথম বক্তাৰূপে, যেতিয়া তেখেতে ফাৰ্চী সাহিত্যত থকা অসম বুৰঞ্জীৰ সমলয় সম্বন্ধে কৈছিল তেতিয়া আটাইকে এই কথাৰে তবধ লগাইছিল। সচাঁকৈ আৰু সময় পোৱাহেতেন তেখেতে অসমীয়া জাতিৰ কাৰণে আৰু বহুতো সমল দি যাব পাৰিলেহেঁতেন। দুখীয়াৰ কাৰণেও কান্দিব জনা বুৰঞ্জীবিদ ডক্টৰ বৰাই দুখীয়াক বৰ আদৰ সাদৰ কৰিছিল আৰু চাকৰিৰকালত দৰমহাৰ পৰাই দুখীয়া ছাত্ৰ দুজনক বছৰি ছুটকাকৈ বৃত্তি আগবঢ়াই।

অসমৰ নানা অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতো জড়িত থকা ডক্টৰ মিয়িত্তুল ইচলাম বৰাৰ পিতৃ আগতে উল্লেখ কৰা আহোম ৰজাৰ বৰা বিষয়বাব খোৱা সম্ভ্ৰান্ত পৰিয়ালৰ মেহেৰুদ্দিন বৰা, মাতৃ গুলবিবি বৰা আৰু সহধৰ্মিনী তাৰা বেগম।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ ঊনবিংশ আৰু বিংশ গৰাকী সভাপতি

বাগ্মীবৰ নীলমণি ফুকন

সণ্টালনিকৈ সাহিত্য ক্ষেত্ৰত ভাটি বয়সত নমা ককা নীলমণি ফুকনৰ জন্ম হয় ১৮৮০ চনৰ ২২ জুনত বিখ্যাত ফুৰ্‌ৰা বংশত। এই বংশৰে ককা, নীলমণি ফুকনৰ ককাক ঘনশ্যাম খাৰঘৰীয়া ফুকনে 'কল্কিপুৰাণ' অসমীয়ালৈ অনুবাদ কৰে। এনে এটি বংশৰে লৰায় প্ৰায়' একশতিকা জৰি অসমৰ সামাজিক ৰাজনৈতিক আৰু সাংস্কৃতিক জগৰ্তখনত অবিসম্বাদী নেতৃত্ব বহন কৰাটো একো আচৰিত কথা নহয় যদিও আচৰিত কথা হ'ল, আজীৱন অবিবাহিত হৈ থাকি, নিস্বাৰ্থভাবে দেশ আৰু ভাষা সাহিত্যৰ সেৱা কৰি যোৱাটোহে। আমাৰ দেশৰ ৰাজনীতি, সমাজনীতি, সাহিত্য আৰু সাংবাদিকতালৈ বিশিষ্ট বৰঙণি আগবঢ়াই যোৱা ৰাজ্যখনৰ আটাইৰে অতি আদৰৰ 'ককা নীলমণি ফুকনে হ'ল অসম সাহিত্য সভাৰ ।উনবিংশ আৰু বিংশ অধিবেশনৰ ক্ৰমে ১৯৪৪ শিৱসাগৰ, আৰু ১৯৪৭ চনত ডিব্ৰুগড়ত অনুষ্ঠিত সভাৰ সন্মানীয় সভাপতি।

অসমৰ ইমুৰৰ পৰা সিমূৰলৈ 'ককা বুলিলে যি গৰাকী ব্যক্তিক বুজো তেওঁৱে আকৌ বাগ্মীবৰ হিচাপেও খ্যাত। বাগ্মীবৰ নীলমণি ফুকনে ডিব্ৰুগড়তে শিক্ষা আৰম্ভ কৰি ১৯০০ চনত ডিব্ৰুগড় চৰকাৰী হাইস্কুলৰ পৰা এণ্ট্ৰেঞ্চ পাছ কৰি গুৱাহাটীৰ কটন কলেজ আৰু কোচবিহাৰ কলেজত শিক্ষা লৈ ১৯০৭ চনত বি, এ পৰীক্ষাত উত্তীৰ্ণ হয়। ডিব্ৰুগড় জৰ্জ স্কুলত একেৰাহে সোতৰ বছৰ প্ৰধান শিক্ষক হিচাপে কাম কৰি অসমৰ বহুতো অনুষ্ঠানৰ লগতো জড়িত

হৈও সুদীৰ্ঘ কাল অসম লেজিছলেটিভ কাউঞ্চিল, অসম এছেম্বলীৰ কংগ্ৰেছী সদস্য হৈ অসমৰ স্বাৰ্থৰ হকে মাত মাতিছিল।

প্ৰথম অসমীয়া 'দৈনিক বাতৰি'ৰো সম্পাদক হিচাপে কাৰ্য্য-নিৰ্বাহ কৰা ফুকনদেৱে ১৯৩১ চনত যোৰহাটৰ পৰা প্ৰকাশ হোৱা সাপ্তাহিক 'বাতৰি' কাকতৰো সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি নিজ দক্ষতাৰ পৰিচয় দিছিল। ১৯৩৪ চনত 'ন-জোন' নামৰ যিখন শিশু আলোচনী প্ৰকাশ হৈছিল তাৰো সম্পাদক নীলমণি ফুকনে ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত 'আলোচনী' খনৰ আৰু কিছুদিনৰ বাবে প্ৰথম অসমীয়া ৰোমাণ্টিক কবি প্ৰতিমাৰ খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালাৰ দ্বাৰা সম্পাদিত 'অসমীয়া' খনৰো সম্পাদক হিচাপে কাৰ্য্যভাৰ চলাইছিল।

১৯৬২ চনত বিশ্ব শান্তি কংগ্ৰেছৰ প্ৰতিনিধি হিচাপে মস্কোলৈ যায় তাৰ পিছত ১৯৬৭ চনত বাৰ্লিন লৈ যায়। আকৌ ১৯৬৯ চনত মস্কোৰ পৰা লেলিনগ্ৰেড আৰু টাছকাণ্ড লৈ যায় তাত প্ৰচাৰ দপ্তৰৰ অনুৰোধত তিনিটা ৰেডিও যোগে বাণী প্ৰচাৰ কৰে ১) বাৰ্লিন আৰু ৰাচিয়ালৈ বিদায়, ২) মানুহ মাত্ৰেই বিদ্ৰোহী ৩) গান্ধী আৰু লেনিন জগতৰ সৰ্ব্বোত্তম শান্তি স্থাপক। গৌৰৱৰ বিষয় যে প্ৰচাৰ দপ্তৰৰ অনুৰোধত বাণীটো অসমীয়াতে দিছিল।

ভাৰত চৰকাৰে তেখেতক "পদ্মশ্ৰী" উপাধি প্ৰদান কৰিছিল কিন্তু তেখেতে তাক গ্ৰহণ নকৰিলে। তাৰ উত্তৰত তেখেতে আমাক কৈছিল—"আমি 'পদ্মশ্ৰী' উপাধি প্ৰত্যাখ্যান কৰিলো এইবাবে যে চৰকাৰৰ সেই উপাধি গ্ৰহণ কৰিলে ৰাইজে য'ত আমাক অতি শ্ৰদ্ধাৰে, সন্মানেৰে, স্নেহৰে "ককা" "বাগ্মীবৰ" ভীষ্ম পিতামহ" 'কবিশিৰোমণি' বাগ্মীকবি' আদি নানা স্নেহ শ্ৰদ্ধাবাচক শব্দেৰে সম্বোধন কৰে তেনে ৰাইজক আমি অসন্মান দেখুওৱা হ'ব বুলি চৰকাৰক সবিনয়ে জনালো"।

অসম কেশৰী অম্বিকাগিৰীৰ বন্ধু নীলমণি ফুকনে তেওঁৰ

সৈতেও কাম কৰিছিল আৰু তেতিয়াৰ 'অসম সংৰক্ষিণী সভা'ৰো বিশেষ ভাবে গুৰি ধৰিছিল। দেশজুৰি হোৱা বিপ্লৱীসকলৰ গণ আন্দোলনত ১৯৩১ চনতে কংগ্ৰেছত যোগদিয়া কংগ্ৰেছী কৰ্মি ফুকনে যোগদিয়ে আৰু কাৰাগাৰৰ বন্দী জীৱনত পোৱা অভিজ্ঞতা কবিতাৰ মাজেদি বৰ্ণনা কৰিবলৈ সক্ষম হয়। সম্ভৱত জিঞ্জিৰিতে এনে বৰ্ণনাৰ প্ৰভাৱ বেছি। নীলমণি ফুকন কবি হিচাপে নবন্যাস আন্দোলনৰ শেষহোৱাৰ কবি। তেওঁ কবিহিচাপে প্ৰথমে দেখা দিয়ে 'জ্যোতিকণা'ৰ মাজেদি। এই (জোতিকণা) এশ আঠোটা কবিতাৰ সমষ্টি আৰু এই গ্ৰন্থৰ কবিতাবাজি চনেট গঢ়ৰ। সৰহ ভাগ কবিতাই জীৱনৰ ভাটি বয়সত ৰচনা কৰা ৰহস্য সন্ধানী কবি আৰু বলিষ্ঠ গদ্যলেখক ফুকনৰ ৰচিত গ্ৰন্থ হ'ল—'সাহিত্য ক'লা' (১৯৪০); চিন্তামণি (১৯৪২); জয়াতীৰ্থ (১৯৪১); মহাপুৰুষীয়া ধৰ্ম' জ্যোতিকণা (১৯৩৮); মানসী (১৯৪৩); সন্ধানী (১৯৫৩) অমিত্ৰা (১৯৫২); গুটিমালি (১৯৫০); জিঞ্জিৰি (১৯৫১); মৰ্মবাণী (১৯৬১); আহুতি (১৯৬১); তৰুণ অসম (১৯৬৫); মৰা ডালত কুঁহি পাত (১৯৬৫) আৰু শতধাৰা আদি উল্লেখযোগ্য গ্ৰন্থ। বলিষ্ঠ গদ্যলেখক নীলমণি ফুকনৰ ভাষাৰ ওজস্বিতা গদ্যভংগীৰ বিশেষত্ব। এই বিশেষত্ব চিন্তামণি, সাহিত্য-কলা আৰু জয়াতীৰ্থত প্ৰকাশ পাইছে।

অতীন্দ্ৰিয় বাদৰ প্ৰাধান্য থকা ফুকনৰ কবিতাত আত্মপৰিতৃপ্তিৰ হাবিয়াস কম। আনহাতে তেওঁৰ কবিতাত ভাৰতীয় দৰ্শনৰ প্ৰকাশ সুস্পষ্ট। মানসী, সন্ধানী, অমিত্ৰা, মৰ্মবাণী, আহুতি আৰু মৰাডালত কুঁহিপাত কবিতা পুথিৰ মাজেৰে ফুকনৰ কবিতাৰ ৰহস্যসন্ধানী ভাৱৰ পৰিচয় প্ৰকাশ পাইছে। এয়া ৰহস্যবাদী কবি হিচাপে নীলমণি ফুকনৰ সাৰ্থকতা।

অদম্য কৰ্ম প্ৰেৰণাৰে অসমীয়া সাহিত্য-সংস্কৃতিৰ নতুন

চিন্তা ধাৰা সম্পৰ্কত কৈছিল—জাতীয় চিন্তাধাৰাক প্ৰগতিৰ প্ৰবাহমান সোঁতত পেলাই নৱোন্মেষ দিব পৰা সাহিত্য সৃষ্টি কৰিবলৈ এদল সাহিত্যিক বিশেষভাৱে গঢ়ি উঠা উচিত।" সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা আৰু কৈছিল—"মানুহে হাতে চুকি পোৱা শিকলি ভালতকৈ মনে চুমি পোৱা মধ্যাকৰ্ষণ শক্তিৰ কঠিনতা কম অনুভৱ নকৰে। যিটো প্ৰেৰণাই মানুহক সভ্যতা সৃষ্টি কৰিবলৈ উদগালে, সেই সভ্যতাৰ পৰিপুষ্টিৰ বাবেই সাহিত্য, শিল্প—কলাৰ সৃষ্টি হ'ল। সেই কাৰণেই, সাহিত্য কলাই সভ্যতাৰ ঘাই ভেঁটি। এই ভেঁটিৰ ওপৰতে সভ্যতা থিয় হৈ আছে। ভৰি থোৱা মাটিৰ পৰা দূৰে চুকি নোপোৱা আকাশৰ গ্ৰহ নক্ষত্ৰলৈকে যদি সভ্যতাৰ বিস্তাৰ ভূমি, তেন্তে ভৰিৰ ধূলি মাকতিৰ পৰা আকাশৰ উজ্জ্বল তৰালৈকে সাহিত্যৰ বিষয় বস্তু হ'ব পাৰে, অৰ্থাৎ গোচৰী ভূত নোহোৱা কোনো বিষয়-বস্তু সৃষ্টিৰ মাজত দেখিবলৈ পোৱা নাযায়।" বিভিন্ন কাৰণত অসমলৈ অহা আৰু ইয়াতে থাকিবলৈ লোৱা আটাইকে উদ্দেশ্য কৰি অসমখনক আপোনকৰি লবলৈ আহ্বান জনাইছিল অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা। তেওঁ আৰু কৈছিল "পুৰুষানুক্ৰমে এখন দেশত প্ৰবাসী হৈ থকা বুদ্ধিমানৰ কাম কেতিয়াও হ'ব নোৱাৰে।"

'ককা' নীলমণি ফুকনৰ দেহাৱসান ঘটে ১৯৭৮ চনত। তেওঁৰ পিতৃ লম্বোদৰ ফুকন আৰু মাতৃ চন্দ্ৰাৱলী দেৱী।

সৌন্দৰ্য্যৰ অন্বেষণত উটি-ভাহি কবি নীলমণি ফুকনে আপোন পাহৰা হলেও অসম আৰু অসমীয়াই তেওঁক চিৰদিনে মনত ৰাখিব।

অনুজলি ডেকা দাস

অসম সাহিত্য সভাৰ একবিংশতম অধিবেশনৰ সভাপতি

অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী

নামতেই আছে যাৰ সমষ্ট পৰিচয়, দেশেই যাৰ ভগৱান, পোণতে দেশৰ কথা পাচতহে হৰি কথা বোলা যি গৰাকী ক্ষণজন্মা ব্যক্তিয়ে অসম আৰু অসমীয়াক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ কায়োমনোবাক্যে চেষ্টা কৰিছিল আৰু যি জনক দেখিলেই দুস্কৃতিকাৰীয়ে ভয় খাইছিল সেই গৰাকী দুৰ্দান্ত সাহসী, ত্যাগী অসমী আইৰ সুযোগ্য সন্তান অসম কেশৰী অম্বিকগিৰী ৰাইচৌধুৰীয়ে হ'ল অসম সাহিত্য সভাৰ ১৯৫০ চনত মাৰ্ঘেৰিটাত অনুষ্ঠিত একবিংশতম অধিবেশনৰ সন্মানীয় সভাপতি।

অসমৰ সকলো সমস্যাতে সিংহৰ দৰে গৰ্জ্জন কৰি মতামত ব্যক্ত কৰিছিল বাবেই অসমীয়াই 'অসম কেশৰী' বিভূষাৰে সন্মানিত কৰা অম্বিকাগিৰী সাধাৰণতে দুতৰপীয়া পুৰুষ। এফালে প্ৰাণঢালি দিয়া স্বদেশ কৰ্মী আৰু আনফালে অতলস্পৰ্শী আবেগপূৰ্ণ প্ৰেমৰ কবি। 'দেশ গেল দেশ গেল' বুলি সঘনাই কৈ ফুৰা, শয়নে সপোনে অসমৰ উন্নতিৰ কথা চিন্তা কৰা অম্বিকাগিৰীৰ জীৱনটো ঘাত-প্ৰতিঘাট সংঘাতেৰে ভৰা। এইবোৰৰ মাজেদিয়ে তেওঁ অসমীয়া সাহিত্যৰ ভৰালৈ মোচিব নোৱাৰাদান দিয়ে ক্ষান্ত হোৱা নাছিল; তেওঁ ১৯২১ চনৰ অসহযোগ আন্দোলনৰ ফলত জেলত থাকোঁতেও বহুতো জাতীয়তাবাদী গীত ৰচনা কৰে। এসময়ত সন্ত্ৰাসবাদৰ ঢৌৱে আকৰ্ষিত কৰা অসম কেশৰীয়ে স্বাধীনতা আন্দোলনত

যোগ দি যি অশেষ নিৰ্যাতন ভোগ কৰিছিল সেই ৰোৱে তেওঁক আৰু অধিক পৰিমানে জাগ্ৰতহে কৰিছিল।

পুণ্যপীঠ বৰপেটা ধামত ১৮০৭ শকৰ ৪ পুহ, ইংৰাজী ১৮৮৫ চনৰ ডিচেম্বৰ মাহত শ্ৰীমন্ত শংকৰ দেৱৰ বংশৰ ৰামৰায়ৰ বংশত; অসমীয়াৰ স্বাৰ্থৰ কাৰণে "অসম সংৰক্ষিণী সভা" আৰু পিছত "জাতীয় মহাসভা" লৈ ৰূপান্তৰিত কৰা অম্বিকাগিৰী ৰায়চৌ-ধুৰীৰ জন্ম হয়। অসমীয়াক সু-প্ৰতিষ্ঠিত কৰিবলৈ অম্বিকাগিৰীয়ে 'চেতনা'; 'ডেকা অসম', সম্পাদনাই কৰা নাছিল, তেৱেঁই আছিল কাকত দুখনৰ বিতৰক, কম্পোজিটৰ, মেচিন মেন, প্ৰিণ্টাৰ। মাত্ৰ সাত বছৰ বয়সতে পিতৃ-স্নেহৰ পৰা বঞ্চিত হোৱা অম্বিকাগিৰীয়ে পঢ়াশালীয়া কিতাপৰ বিদ্যাই ব্যক্তিত্ব আনি নিদিয়ে এই কথা দেখুৱাই তুমি, বীনা, অনুভূতি, স্থাপন কৰ স্থাপন কৰ, আজি বন্দোকি ছন্দেৰে, দেশেই ভগৱান, আহুতি, ডেকা ডেকেৰীৰ বেদ, মোৰ জীৱনৰ ধুমুহাৰ এছাটি, Songs of the Cell, জয়দ্ৰথ বধ, কল্যাণময়ী, শিখিধ্বজৰ দান, পৰীক্ষা, স্বাধীন পঞ্চায়ত ৰাষ্ট্ৰগঠনৰ প্ৰাথমিক আঁচনি আদি অমূল্য গ্ৰন্থ ৰচনা কৰিলে। তেওঁ বেদনা উল্কা' কাব্য গ্ৰন্থৰ বাবে ১৯৬৬ চনৰ সাহিত্য অকাডেমীৰ বঁটা লাভ কৰে। 'বন্দিনী ভাৰত মাতা' নামৰ ১৯ বছৰ বয়সতে লিখা নাটক এখন সেই সময়ত পুলিচে বাজেয়াপ্ত কৰিছিল।

সৰু কালছোৱাত বৰপেটাতে প্ৰাথমিক শিক্ষা লাভ কৰি পিছত গুৱাহাটীৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ অষ্টমমান শ্ৰেণীলৈ পঢ়ে আৰু সিমানতে স্কুলীয়া শিক্ষা বিসৰ্জন দি জপিয়াই পৰেহি ভাৰতৰ স্বাধীনতা সংগ্ৰামত। ছাত্ৰ অৱস্থাতে হৰবিলাস আগৰৱালা কমলাকান্ত ভট্টাচাৰ্য্যৰ নিচিনা আন বহুতো উচ্চ আদৰ্শৰ অসমীৰ সন্তানৰ আদৰ্শত উদ্বুদ্ধ হৈছিল অম্বিকাগিৰী। এনে আদৰ্শৰে আগবাঢ়ি তেওঁ জাতীয় কৰ্তব্য পালন কৰিছিল আৰু অসমীয়াক

এক মহান মন্ত্ৰ দিবলৈ সক্ষম হৈছিল। যি ৰূপৰ বাবে আজি অম্বিকাগিৰী ৰায়চৌধুৰী বুলিলে আমাৰ চকুৰ আগত ভাহি উঠে আজীৱন নিষ্ঠা, আৰু ঐকান্তিকতাৰে দেশ, জাতি আৰু ভাষা সাহিত্যৰ হকে সংগ্ৰাম কৰি ভাগৰিনপৰা সেই গৰাকী চুটি—চাপৰ পুৰুষ-বহে ছবি। যি আজি 'অসম কেশৰী' বিভূষাৰে সন্মানিত।

গুৱাহাটীত মাত্ৰ ছুটকা সম্বলেৰে 'অৰুণা প্ৰেছ' স্থাপন কৰি ডেকা অসম আৰু চেতনা কাকত প্ৰকাশ কৰা ৰায়চৌধুৰীৰ জীৱনটোৱেই হ'ল একুৰা জুই। চেতনা ডেকা অসম প্ৰকাশ কৰি সংবাদ জগতত আলোড়ণৰ সৃষ্টি কৰা অম্বিকাগিৰীয়ে অসমীয়াই নিজৰ ভেটিটো, নিজৰ দেশখন সুদৃঢ় কৰি ৰখাৰ ওপৰত গুৰুত্ব দিছিল।

সৰ্বভাৰতীয় দৃষ্টি ভংগী আৰু মহামানৱীয় চিন্তা ধাৰৰ অম্বিকাগিৰীয়ে 'ডেকা অসম'ৰ উদ্বোধনী সংখ্যাত লিখিছিল-"ডেকা অসম' যিদৰে অসমত অসমীয়াৰ সবল জাতীয় অস্তিত্ব প্ৰতিষ্ঠা কৰি তোলাৰ ফালে থাইকৈ মনোযোগ ৰাখি চলিব; সেইদৰে ভাৰতৰ বহুল জাতীয় স্বাৰ্থৰ লগতো বিশেষ ভাৱে সংশ্ৰৱ ৰাখি তাত অসমীয়াৰ সত্তা স্থায়ী কৰি তুলিবৰ চেষ্টা কৰিব।"

দেশ, জাতি, ভাষা-সাহিত্যৰ বাবে সংগ্ৰাম কৰি ভাগৰি নপৰা ব্যক্তি অম্বিকাগিৰীয়ে অসম সাহিত্য সভাৰ লগত জন্ম লগ্নৰে পৰা জড়িত। তেওঁ প্ৰথমখন অধিবেশনত ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰতিনিধিৰূপে যোগ দিয়ে আৰু নতুন কাৰ্য্যনিৰ্বাহক সমিতিৰ সদস্য হয়। তেওঁ ১৯৪৪ চনৰ উনবিংশ অধিবেশনৰ সংগীত শাখাৰ সন্মানীয় উদ্বোধক আছিল।

১৯২৬ চনতে গুৱাহাটীত অনুষ্ঠিত ভাৰতৰ জাতীয় কংগ্ৰেছ মহাসভাৰ মুকলি অধিবেশনত পৰিবেশন কৰা চাৰিটা তেজোদ্দীপক অসমীয়া জাতীয় গীতৰ দুটাৰ গীতিকাৰ অম্বিকাগিৰীয়ে গীতি

কবিতাৰ সম্ভাৰেৰে অসমীয়া কাব্য সাহিত্য সমৃদ্ধি কৰি ভালেকেইখন নাট ৰচনা কৰে আৰু তেৱেঁই বঙলাযাত্ৰাৰ ঠাইত অসমীয়া যাত্ৰা প্ৰবৰ্তন কৰে। অসমীয়া ধৰ্ম সংস্কৃতিৰ কেন্দ্ৰস্থল পুণ্যপীঠ বৰপেটা ধামত মাতৃভাষাৰ নাট্যাভিনয় প্ৰচলন কৰাৰ উদ্দেশ্যে তেখেতে নাট ৰচনা আৰম্ভ কৰে।

অসমীয়া মানুহৰ নিজৰ আৰু দেশৰ প্ৰতি শোচনীয় অৱহেলা দেখি তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰা অম্বিকাগিৰীয়ে ডেকা শক্তিক আহ্বান জনাই কৈছিল—'ডেকা শক্তিৰ সংজ্ঞা নিৰূপিত হয় বয়সত নহয়, কৰ্মশক্তিত; ধনপেচত নহয়, ত্যাগত; ৰূপ লাৱণ্যত নহয়, হৃদয়ৰ প্ৰশস্ততাত, অন্তৰৰ উদাৰতাত।"

এজন সমাজ সচেতন কবি, ওখ থাপৰ আধ্যাত্মিক ভাবেৰে ভৰপূৰ কাব্য ৰচক অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীক কৰ্মবীৰ বৰদলৈয়ে মহাত্মা গান্ধীৰ লগত চিনাকি কৰি দিওঁতে 'জাতিয়কবি' বুলিহে চিনাকি কৰাই দিছিল। কাৰণ কথাৰ মহলা মাৰি বক্তৃতাৰ ফুলজাৰি ছটিওৱা বিধৰ কবি ৰায়চৌধুৰী নহয়।

"একেধাৰে সংগীতজ্ঞ, সুৰশিল্পী, কবি, ৰাজনৈতিক পুৰুষ, চিন্তানায়ক, দাৰ্শনিক আৰু স্বেচ্ছাসেৱক বাহিনীৰ যাদুকৰী সংগঠক।" বুলি ড০ বাণী কান্ত কাকতিয়ে অম্বিকাগিৰীৰ বিশাল প্ৰতিভাৰ সমাদৰ জনাই লিখিছিল। যাদুকৰী সংগঠক চৌধুৰীয়ে—১৯৪৬ চনত অসমক বংগদেশৰ লগত 'গ্ৰুপিং'ত সুমুৱাৰ জল্পনা কল্পনা চলা সময়ত অসম জাতীয় মহাসভাৰ পক্ষৰ পৰা দিল্লীলৈ গৈ সেই পৰিকল্পনাৰ বিৰুদ্ধে প্ৰতিবাদ জনায়। মহান সাহিত্য সৃষ্টি সম্পৰ্কত তেওঁ অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা কৈছিল—"জীৱনত আত্মজ্ঞান, আত্মবিশ্বাস, আত্মশ্ৰদ্ধা, আত্মমৰ্য্যাদাৰ অনুভূতিটো যিমানেই স্পষ্ট, প্ৰখৰ আৰু সতেজ হৈ বৰ্তিব সেই জীৱনৰ বিৰাট উজ্জ্বল প্ৰতিবিম্ব বুকুত লৈ তিমানেই মহান সাহিত্যৰ

সৃষ্টি হ'ব।" সকলোৰে নমস্য ভাৰতীয় জাতীয়তাবাদী কবি, গদ্যৰ বলিষ্ঠ ওজঃ গুণৰ অধিকাৰী ৰাজনীতি, সাহিত্য আৰু জাতীয় জীৱনত নিষ্ঠা আৰু ঐ কান্তিকতাৰে সমগ্ৰ জীৱন জুৰি ত্যাগ স্বীকাৰ কৰি সেৱা কৰি যোৱা মহান ব্যক্তি আজি সমগ্ৰ ভাৰতবৰ্ষতে বিৰল বুলি কব পাৰি। এই বীৰ পুৰুষ জনেই অসমক পাকিস্তানৰ অন্তভূৰ্ক্ত কৰিবলৈ ধৰোঁতে তেওঁৰ হাতত পইচা নথকাত পত্নীৰ সোণৰ গহনা বিক্ৰী কৰি কেন্দ্ৰীয় নেতৃবৰ্গলৈ টেলিগ্ৰাম কৰিছিল। আনকি অসমীয়াৰ কাৰণেই তেওঁ চৰকাৰৰ সাহিত্যিক পেঞ্চন প্ৰত্যাখ্যান কৰিছিল। সুখ-দুখ, প্ৰেম প্ৰীতি জীৱনৰ সকলো কথাকে অকপট ভাৱে ক'ব পৰা ব্যক্তি

অম্বিকাগিৰীক কমলকান্ত ভট্টাচাৰ্যই কৈছিল—"সিংহৰ পোৱালি সিংহ নহৈ কি হ'ব!" অসমৰ ডেকা সকলক স্বাবলম্বী হবলৈ সতৰ্ক কৰি দিয়া অম্বিকাগিৰীযে গৌৰৱেৰে কৈছিল—"জাতি মোৰ তেজ, জাতি মোৰ মঙহ, জাতি মোৰ অস্থি, জাতি মোৰ মজ্জা। জাতিৰ গতি যি ফালে, সেইফালে কাটি হোৱাটো মোৰ অনিবাৰ্য কথা।"

পূণ্যপীঠ বৰপেটা ধামত কৃষ্ণৰাম ৰায়চৌধুৰীৰ ঔৰসত আৰু দেৱীকা দেৱীৰ গৰ্ভত জন্ম গ্ৰহণ কৰা অম্বিকাগিৰীৰ নৰনাটৰ সামৰণি পৰে ১৯৬৭ চনৰ ২, জানুৱাৰীত। এইজনা ভীষ্ম প্ৰতিম পুৰুষৰ পত্নী কৌশল্যা দেৱী ৰায়চৌধুৰী। এনে এজন ভীষ্ম প্ৰতিম পুৰুষৰ মৃত্যুত অসমীয়া সাহিত্যৰ তথা জাতীয় জীৱনৰ অপূৰণীয় ক্ষতি হ'ল। অম্বিকাগিৰীৰ কথাৰে—

"নিজকে বিলাই দিব
তাতেহে নিজকে পাব
প্ৰাণৰ মাজত
    নিজক দিলেহে এৰি
    প্ৰাণৰ আপোন হ'ব ....।"

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ দ্বাবিংশ অধিবেশনৰ সভাপতি

বুৰঞ্জী বিশাৰদ ডঃ সূৰ্য্যকুমাৰ ভূঞা

১৯৫৬ চনত ভাৰত চৰকাৰৰ সন্মানীয় উপাধি "পদ্মশ্ৰী" লাভ কৰা ডঃ সূৰ্য্যকুমাৰ ভূঞাই হ'ল ১৯৫৩ চনত পোন প্ৰথম পাহাৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ দ্বাবিংশ অধিবেশনৰ সভাপতি।

অসমৰ গৌৰবময় বুৰঞ্জী সাৰ্থক ভাবে উদঘাটন কৰোঁতা ভূঞাদেৱ ১৯৫৭. চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাইচ চেন্সেলৰ নিযুক্ত হয় আৰু ১৯৬০ চনলৈ এই পদত থাকি কাৰ্য্যনিৰ্বাহ কৰে। নগাওঁ ফৌজদাৰী পট্টিত ১৮৯৪ চনত জন্ম গ্ৰহণ কৰা ভূঞাই কটন কলেজৰ দ্বিতীয় অসমীয়া অধ্যাপক। জন্মস্থানতে প্ৰথম স্তৰৰ শিক্ষা আৰম্ভ কৰি ১৯০৯ চনত চিলং চৰকাৰী হাইস্কুলৰ পৰা এণ্ট্ৰেঞ্চ পৰীক্ষাত উত্তীৰ্ণ হয় আৰু ১৫ টকীয়া বৃত্তি আৰু ভিক্টোৰিয়া মেমোৰিয়েল স্বৰ্ণ পদক লাভ কৰে। কটন কলেজৰ পৰা আই, এ; প্ৰেছিডেন্সি কলেজৰ পৰা ইংৰাজীত অনাৰ্ছ সহ বি, এ আৰু ১৯১৬ চনত এম, এ পৰীক্ষাত উত্তীৰ্ণ হয়। 'AN ANGLO ASSAMESE RELATION" নামৰ গবেষণা গ্ৰন্থৰ বাবে ১৯৩৮ চনত লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা পি-এইচ—ডি ডিগ্ৰী লাভ কৰে আৰু ১৯৪৬ চনত কটন কলেজৰ প্ৰিন্সিপাল পদ লাভ কৰে। 'বুৰঞ্জী সাহিত্য" বিষয়ক ৰচনাৰ বাবেও লণ্ডন বিশ্ববিদ্যালয়ে তেওঁক ১৯৫১ চনত ডি—লিট উপাধি প্ৰদান কৰে। ১৯৪৬ চনৰ আগে এবছৰ

মানৰ বাবে তেওঁ অসম উপত্যকাৰ স্কুল সমূহৰ ইন্সপেক্টৰ আছিল।

একেধাৰে কবি, জীৱনীকাৰ, প্ৰবন্ধকাৰ, গবেষক আৰু খ্যাত বুৰঞ্জীবিদ ড° সূৰ্য্যকুমাৰ ভূঞাৰ প্ৰকাশিত ইংৰাজী গ্ৰন্থৰ সংখ্যা প্ৰায় ১৬ খন আৰু প্ৰকাশিত অসমীয়া গ্ৰন্থৰ সংখ্যা প্ৰায় কুৰি-খন। 'নিৰ্মালি' তেওঁৰ কবিতা পুথি। নিৰ্মালিৰ কবি হিচাপেও স্থান যথেষ্ট ওপৰত। কবিতা আৰু জীৱনী ৰচনাত তেওঁৰ পাৰ-দৰ্শিতা প্ৰকাশ পালেও আচল কৃতিত্বৰ পৰিচয় বুৰঞ্জী মূলক ৰচনা সমূহতহে। ছাত্ৰ অবস্থাৰে পৰা বিভিন্ন আলোচনী, কাকত আদিত তেওঁৰ ৰচনা প্ৰকাশ হয় আৰু তেতিয়াৰে পৰা এখন এখনকৈ ইংৰাজী অসমীয়া গ্ৰন্থ সমূহ লিখি অসমীয়া সাহিত্যৰ ভৰাঁল সমৃদ্ধ কৰে। জীৱন চৰিত মূলক গ্ৰন্থৰ ভিতৰত 'আনন্দৰাম বৰুৱা' নামৰ গ্ৰন্থ খনি অসমীয়া সাহিত্যৰ এক অমূল্য সম্পদ। গোপাল-কৃষ্ণ গোখলে, ৰবীন্দ্ৰনাথ ঠাকুৰ, জোনাকী, চানেকি, অসম জীয়ৰী আদি তেওঁৰ জীৱন চৰিতমূলক গ্ৰন্থ।

বুৰঞ্জীৰ অলেখ প্ৰবন্ধৰে অসমীয়া বুৰঞ্জী সাহিত্য সমৃদ্ধি কৰা ড° ভূঞাৰ ঐতিহাসিক তথ্যপূৰ্ণ পুথি হ'ল—কোঁৱৰ বিদ্ৰোহ বুৰঞ্জীৰ বাণী, ৰমণী গাভৰু, বুৰঞ্জীমূলক প্ৰবন্ধাৱলীৰ তালিকা, মীৰজুম্লাৰ অসম আক্ৰমণ, শৰাইঘাটৰ সুৰচনী ইত্যাদি। 'পঞ্চমী' পাঁচটা চুটি গল্পৰ সমষ্টি। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ লগত ওতঃ প্ৰোত ভাবেজড়িত ড° ভূঞাৰ ইংৰাজী ৰচনাও কম নহয়; তাৰে ভিতৰত AN ACCOUNT OF ASSAM, Lachit Borphukan and His Times, ATAN Borgohain and His Times, Studies in the Literatuvre of Assam, কে [illegible] গ্ৰন্থই বাহিৰত অসমৰ গৌৰব বঢ়াইছে। আহোম যুগৰ বুৰঞ্জী [illegible] বাটনত প্ৰকাশপত্ৰীয়াকৈ লগা ড° ভূঞাৰ যত্নতে প্ৰায় বোৰ বুৰঞ্জী সংগ্ৰহ [illegible] প্ৰতিলিপি কৰি তাক সংৰক্ষণৰ বিহা কৰা হৈছিল।

তেওঁৰ চেষ্টাতে গঢ়ি উঠে অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ। বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ পৰাই অসম বুৰঞ্জী, কামৰূপ বুৰঞ্জী, দেওধাই অসম বুৰঞ্জী, তুঙ্গখুঙীয়া বুৰঞ্জী, অসমৰ পদ্য বুৰঞ্জী, ত্ৰিপুৰা বুৰঞ্জী আদি ড° সূৰ্য্যকুমাৰ ভূঞাৰ বিজ্ঞান সন্মত ভাবে সম্পাদনা কৰি প্ৰকাশ কৰে আৰু ইয়াৰ বাবে তেওঁ অনেক লোকৰ পৰা প্ৰশংসাও লাভ কৰে।

১৯৫২ চনৰ ৰাজ্যসভাৰ মনোনীত সদস্য, কামৰূপ অনুসন্ধান সমিতিৰ সম্পাদক, গুৱাহাটী পৌৰসভা, ভাৰতীয় বুৰঞ্জী কংগ্ৰেছ, ৰাজ্যিক সংগ্ৰহালয় সমিতি, অসম প্ৰকাশন পৰিষদ আদি কৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে নিবিড় ভাবে জড়িত আছিল ৰায়বাহাদুৰ ড° সূৰ্য্যকুমাৰ ভূঞা। তেওঁ লণ্ডন স্কুল অৱ অৰিয়েণ্টাল ষ্টাডিজত অসমীয়াৰ অতিৰিক্ত লেকচাৰাৰ আছিল ১৯৩৬—৩৮ চনৰ কালচোৱাত। বুৰঞ্জীবিদ ভূঞাদেৱ অসম সাহিত্য সভাৰ ধুবুৰী অধিবেশনৰ বুৰঞ্জী শাখাৰো সভাপতি আছিল। অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা বুৰঞ্জী সম্পৰ্কে কৈছিল "অসমৰ ওচৰত থকাকাছাৰ জয়ন্তীয়া আৰু ত্ৰিপুৰাৰ বিশ্বাসযোগ্য সমসাময়িক বুৰঞ্জী অকল অসমীয়াই মাথোন ৰক্ষা কৰিছে।" সঁচাকৈ ই আমাৰ বাবে গৌৰৱৰ কথা। ১৯৫২ চনত গোৱালিয়ৰত বহা ভাৰতীয় ইতিহাস সন্মিলনৰ আধুনিক ইতিহাস শাখাৰ সভাপতি পদৰ সন্মান লাভ কৰোতা ভূঞাই প্ৰথমে লাচিত বৰফুকনৰ বিষয়ে ১৯৩৫ চনত পুণাত বহা ভাৰতীয় ইতিহাস সন্মিলনৰ অধিবেশনত প্ৰচাৰ কৰি এক উল্লেখনীয় কাম কৰে। এই বুৰঞ্জীবিদ হিচাপে পৰিচিত বিশিষ্ট কবি, চিন্তাশীল প্ৰবন্ধ কাৰৰ যত্নতে লাচিত বৰফুকনৰ বিষয়ে পুথি আকাৰত প্ৰকাশৰ বাবে নেশ্যনেল বুক ট্ৰাষ্টে ভাৰতীয় আন ভাষাত প্ৰকাশৰ চেষ্টা কৰে।

ঐতিহাসিক আৰু প্ৰত্নতত্ব বিষয়ে যিসকল লেখকৰ বহুমূলীয়া প্ৰবন্ধই অসমীয়া সাহিত্য সমৃদ্ধি কৰিছে সেই সকলৰ দ্বিতীয় চাম লেখক সকলৰ ভিতৰত ড° সূৰ্য্যকুমাৰ ভূঞা, সৰ্বেশ্বৰ কটকী, বেণুধৰ শৰ্মা, ৰাজমোহণ নাথ, ক্ষেত্ৰধৰ বৰগোহাঞি আদিৰ নাম উল্লেখনীয়। এই দ্বিতীয় চামলেখকৰ ড° সূৰ্য্যকুমাৰ ভূঞাই অসমীয়া সাহিত্য সম্পৰ্কে যতেই সুবিধা পাইছে তাতেই বিবিধ কথাৰে বক্তৃতা দিছিল আৰু অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ কাৰণে সদায়ে চিন্তা কৰিছিল। চৰকাৰী প্ৰশাসন যন্ত্ৰৰ সৈতেও চিনাকি ড° ভূঞাই সাহিত্য আৰু প্ৰশাসনৰ কথা কৈছে—'সাহিত্যৰ উন্নতি সাধন দেশীয় প্ৰশাসনৰ এটি প্ৰথম খাপৰ আৱশ্যকীয় কৰ্তব্য, কাৰণ সাহিত্যৰ জৰিয়তে মানুহৰ মন উন্নত কৰিব নোৱাৰিলে নাগৰিকৰ আশা আকাঙ্খাও হয় তলখাপৰ আৰু শাসন কাৰ্য্যৰ গতি বিধিও হয় তেনেকুৱা।" প্ৰজাৰ মংগলৰ কাৰণে দেশৰ শাসনত থকা সকলৰ যে প্ৰথম নৈতিক বলৰ প্ৰয়োজন তাক কৈছিল—"প্ৰজাৰ মংগলেই হৈছে শাসনৰ একমাত্ৰ উদ্দেশ্য। এই আদৰ্শত স্থিৰচিত্ত হৈ থাকিবলৈ হলে মনৰ নৈতিক বলৰ প্ৰয়োজন। এই নৈতিক বলৰ প্ৰেৰণা দিব পাৰে অকল সাহিত্যই।" তেওঁ আৰু কৈছে—"স্তৰে স্তৰে শাসকসকলৰ প্ৰকৃত কৰ্তব্য নিৰূপণ কৰাতে গণতান্ত্ৰিক যুগৰ সাহিত্যৰ এটি প্ৰধান উদ্দেশ্য হোৱাটো বাঞ্চনীয়।"

প্ৰেম আৰু স্বদেশ প্ৰীতিৰ দুটি বিভিন্ন সুৰ ধ্বনিত হোৱা ড° ভূঞাৰ কবিতা—

"এই যে ৰচিলো গান সকলো মিছাই,
বীণাত আপোন সুৰ বাজি উঠা নাই……… ।"

কবিৰ অন্তৰখনি অলসুৱা অতি
তুমি তাত নিদিবা স্বাতন,

কবিৰ প্ৰাণৰ কথা বুজিবা কি তুমি
তোমাৰ যে উপকৰা মন?"

মধ্যযুগীয়া অসমৰ প্ৰসিদ্ধ ৰাজনৈতিক ব্যক্তি সকলৰ কাৰ্য্য-কলাপ, ধৰ্ম, সমাজ আৰু সংস্কৃতিৰ লগত পৰিচয় হ'বলৈ ডঃ ভূঞাৰ লেখনি অপৰিহাৰ্য্য। এই জন ব্যক্তিৰ ব্যক্তিত্বৰ যি আকৰ্ষণীয় গুণ তাক অলপ সময়ৰ আলোচনাতে দাঙি ধৰিব নোৱাৰি। মৰমিয়াল আৰু উৎসাহপূৰ্ণ ব্যৱহাৰৰ মানুহজনৰ, কৰ্ম-যোগী, জ্ঞানসাধক পুৰুষ জনৰ কৰ্মময় জীৱনৰ অৱসান ঘটিল ১৯৬৪ চনৰ ৫ জুলাইত।

তেওঁৰ পিতৃঃ ৰবিলাল ভূঞা, মাতৃঃ ভূবনেশ্বৰী ভূঞা আৰু পত্নীঃ লক্ষেশ্বৰী ভূঞা।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ এয়োবিংশ অধিবেশনৰ সভাপতি।

পদ্মশ্ৰী নলিনী বালা দেৱী-

অসমীয়া কবিতাৰ ভিতৰত সবাতোকৈ করুণ আত্ম সমৰ্পনৰ সুৰ যত ফুটি উঠিছে, সীমা অসীমৰ ৰহস্যভৰা সৌন্দৰ্য্যই য'ত মায়াভ'ৰা আবেদনৰ সৃষ্টি কৰিছে, সেয়াই হ'ল নলিনী বালা দেৱীৰ কবিতা। '

নলিনীবালা দেৱী কৰ্মবীৰ৺ নবীন চন্দ্ৰ বৰদলৈৰ প্ৰথম সন্তান। মাতৃৰ নাম আছিল—হেমন্ত কুমাৰী। দেউতাক কলিকতাত পঢ়ি থাকোঁতেই ডিব্ৰুগড়ৰ বিখ্যাত চাহ খেতিয়ক মালভোগ বৰুৱাৰ সৰুমাজু জীয়েক হেমন্ত কুমাৰীক বিয়া কৰায়। ১৮৯৮ চনত দেউতাক কলিকতাত পঢ়ি থকা সময়তে ১৮৯৮ চনৰ ২৩ মাৰ্চৰ দিনা বৰপেটাত নলিনীবালা দেৱীৰ জন্ম হয়। ৺ বৰদলৈ ডাঙৰীয়াই কেবাবছৰো কলিকতা হাইক'টত এডভোকেট হৈ থাকি পিছত অসমলৈ আহি গুৱাহাটীতে থাকিবলৈ লয়। আজিৰ নিচিনা সেই কালত স্ত্ৰী-শিক্ষাৰ প্ৰচাৰ নথকা বাবে তেখেতে ঘৰতে শিক্ষা লাভ কৰি সুশিক্ষিতা হৈ উঠে। সেই সময়ৰ ৰীতি মতে খুব কম বয়সতে তেওঁৰ বিয়া হয়। বিয়াৰ আঠ বছৰ পিছত ১৯১৬ চনত স্বামীৰ অকাল মৃত্যুত পাচঁটা সন্তানৰ সৈতে নলিনী বালা দেৱীয়ে পিতৃগৃহলৈ উভতি আহে। ইয়াৰ পিছতো তেখেতৰ সৰু ল'ৰা পুতুলী আৰু মাজু ল'ৰা পবিত্ৰক হেৰুৱাই। পিতৃগৃহলৈ উভতি অহাৰ সময়ত গৰ্ভত লৈ অহা পঞ্চম সন্তানটিৰ নাম ৰাখিলে শ্ৰীমতী অৰুণা বৰদলৈ। আন চাৰিটি সন্তানৰ নাম হ'ল—শ্ৰীউপেন চাংকাকতী,

৺পৱিত্র প্রাণ চাংকাকতি, ৺ৰামমুৰ্ত্তি (পুত্ৰী), কন্যা উষাবাণী উকা কপাল, বগাসাজেৰে ভৰ যৌৱনা ১৯ বছৰীয়া কন্যা নলিনীক দেখি দেউতাকৰ হিয়া ভাগি পৰে। কন্যাক গীতা' এখনি উপহাৰ দিলে যাতে গীতাৰ বাণীয়ে জীয়েকক কিছু হলেও শান্তনা দিব পাৰে।

তাৰ পাছত আহিল—অসহযোগ আন্দোলন। মহাত্মাগান্ধীৰ অসহযোগ আন্দোলনৰ ঢৌৱে অসমীয়া সমাজ বুৰাই পেলাইছিল। কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আছিল অন্যতম এই আন্দোলনৰ গুৰি ধৰোঁতা সকলৰ ভিতৰত। জীয়াৰী নলিনীবালাৰ অন্তৰতো এই অসহযোগৰ দীপ্তি শিখা বিৰিঙি উঠিল। ফল স্বৰূপে মহাত্মা গান্ধী, ৰাজেন্দ্ৰপ্ৰসাদ, সুভাষচন্দ্ৰ বসু আদি সান্নিধ্যলৈ অহাৰ সৌভাগ্য তেওঁৰ ঘটিছিল। দেউতাক বৰদলৈ ডাঙৰীয়াৰ টোলত বিশিষ্ট লোক সকলৰ মাজত মহাত্মা গান্ধীৰ উপদেশ বাণী, আঁচনি বিলাকৰ বিষয়ে প্ৰায়ে আলোচনা হৈছিল। নিজহাতে সূতা, কাটি তৈয়াৰ কৰা খাদী কাপোৰহে বৰদলৈৰ ঘৰত পৰিধান কৰিছিল। প্ৰায় সকলোবিলাক কামে কাজে এক সাত্বিক কৰিবেশ বিৰাজ কৰিছিল। এই সকলোবোৰেই নলিনীবালাৰ মানসিক শিক্ষাৰ মূল ভেঁটি আছিল।

নলিনী বালা দেবীৰ সাহিত্য সম্ভাৰৰ আলোচনালৈ আহিলে পুনঃ আহি পৰে তেওঁৰ বেদনাৰে ভৰা ব্যক্তিগত জীৱনৰ কাকন্যাৰ কথা। বেদনাই হৈছে তেওঁৰ সাহিত্যৰ ঘাই সম্পদ। মাত্ৰ দহ বছৰ বয়সত তেওঁ 'পিতা' নামৰ কবিতা এটি ৰচনা কৰিছিল। শৈশৱৰে পৰা তেওঁৰ কৰি প্ৰতিভাই প্ৰকাশৰ বাট বিচাৰিছিল। কবিৰ ব্যক্তিগত দুখ যাতনা আধ্যাত্মিক বিচ্ছেদৰ উৰ্দ্ধত হৈ জগতৰ শোক তাপ সকলো তেওঁৰেই আশীৰ্বাদ বুলি শান্তনা লবলৈ চেষ্টা কৰিছে, শৈশৱৰে পৰা ভগৱদ্ভক্তিত দীক্ষিত হৈ থকা কবিৰ হিয়াখন সাংসাৰিক শোক তাপে অন্তৰ্মুখী কৰি তোলে। ফল

স্বৰূপে আমি পাও অতীন্দ্ৰিয়ভাবৰ কবিতাৰ থূপ—"সন্ধিয়াৰ সুৰ" (১৯৩৪), "সপোনৰ সুৰ" (১৯৪৭), "পৰশমণি" (১৯৫৭) আৰু "যুগ দেৱতা" (১৯৫৮) ৺কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ জীৱনী আৰু তেখেতৰ বিভিন্ন কাৰ্য্যাৱলীৰ বিৱৰণপূৰ্ণ "স্মৃতি তীৰ্থ" (১৯৪৮) এখন লেখত লবলগীয়া জীৱন চৰিত। তাৰোপৰি "জাগৃতি" (১৯২৬) "অলকানন্দা" (১৯৬৭) "অন্তিম সুৰ" (১৯৭৭) "বিশ্বদীপা" "শেষ পূজা', "পাৰিজাতৰ অভিষেক" "প্ৰহলাদ," "চৰ্দ্দাৰ বল্লভ ভাই পেটেল,' 'মীৰা বাঈ' (নাটক) প্ৰকাশ পায়। তাৰ বাহিৰেও মেঘদূত, সুৰভি, ৰূপ ৰেখা, শেষৰ সুৰ (অন্তিম সুৰ) শান্তিপথ, পুঁৱতি পোহৰৰ কঁপনি, এৰি অহা দিনবোৰ (আত্মজীৱনী) মানস তীৰ্থ আদি গ্ৰন্থ ৰচনা কৰে। 'অলকানন্দা' কাব্য গ্ৰন্থখনিৰ বাবে তেখেতে ১৯৬৮ চনত সাহিত্য অকাডেমিৰ সাহিত্য বঁটা লাভ কৰে।

১৯৪৭ চনত অসম চৰকাৰে তেখেতলৈ সাহিত্যিক পেন্সন আগবঢ়ায়। গোলাঘাটত বহা "সদৌ অসম ছাত্ৰ সম্মিলন" আৰু নগাৱত বহা "অসম প্ৰাদেশিক মহিলা সমিতিৰ" সভানেত্ৰীৰ পদবী তেওঁ লাভ কৰিছিল। ১৯৫০ চনত "সদৌ অসম পাৰিজাত কানন" নামেৰে শিশুৰ মানসিক বিকাশ সাধনৰ এটি শিশু অনুষ্ঠান গঢ়ি তোলে। পিছলৈ মইনা পাৰিজাত" নামে এই অনুষ্ঠানটি অভিহিত হয়। তেখেত আন্তৰ্জ্জাতিক শিশু কল্যাণ সমিতিৰ অসম শাখাৰ সভানেত্ৰীও আছিল।

১৯৫৪ চনত যোৰহাটত বহা অসম সাহিত্য সভাৰ ত্ৰয়োবিংশতম অধিবেশনত তেখেতক গৌৰবময় সভানেত্ৰীৰ পদত বৰণ কৰি অসমীয়া সমাজে তেওঁৰ কাব্য আৰু সাহিত্য সাধনাৰ জয়মালা উপহাৰ দিছিল। সেই একেটি বছৰতেই তেখেতে ভাৰত চৰকাৰৰ পৰাও সাহিত্য বৃত্তি লাভ কৰিছিল। ১৯৫৫ চনৰ ২৬ জানুৱাৰীত দিল্লীত অনুষ্ঠিত হোৱা সৰ্ব্ব ভাৰতীয় কবি সম্মিলনীলৈ নিমন্ত্ৰিত

হৈ তেখেতে স্ব-ৰচিত কবিতা পাঠ কৰি ভূয়সী প্ৰশংসীৰ পাত্ৰী হয়। নিস্বাৰ্থ সমাজ সেৱা আৰু সাহিত্য সাধনাৰ সেৱাৰ স্বীকৃতি স্বৰূপে ভাৰত চৰকাৰে তেখেতক পদ্মশ্ৰী আখ্যাৰে বিভূষিতা কৰে।

মুঠতে থূল মুল বিচাৰত নলিনীবালা দেৱীৰ কাব্য সম্ভাৰক তিনি ভাগত ভগাব পাৰি। যেনে—(১) অতিন্দ্ৰীয় বাদী কবিতা (২) দেশ প্ৰেমাত্মক কবিতা (৩) আৰু বিভিন্ন বিষয় সামৰি লোৱা অন্য এক শ্ৰেণীৰ কবিতা।

অতিন্দ্ৰীয়বাদী কবিতা সমূহৰ মাজত নলিনীবালা দেবীৰ প্ৰজ্ঞা আৰু প্ৰতিভাৰ অপূৰ্ব মিলন লক্ষ্য কৰা যায়। জন্মান্তৰ বাদত বিশ্বাসী কবিৰ বাবে দুখৰ মাজতো আশাই আৰু সান্ত্বনাই একেলগে ধৰা দিয়ে। মানৱ প্ৰকৃতিৰ মাজতো কবিয়ে দেখা পাইছে অন্তহীন ৰহস্য। মানুহৰ তৃষ্ণাৰ শেষ নাই, ভোগতেই মানুহৰ তৃপিটি' নপলায়, বাসনাও মানুহৰ অন্তহীন আত্মা চিৰন্তন। আত্মাৰ সনাতন স্পৃহা হ'ল পৰমাত্মাৰে সৈতে একান্ত মিলন। এই মিলনৰ যাত্ৰা পথ আশা আকাংক্ষা আনন্দ বেদনাৰ সানমিহলিৰে বিচিত্ৰ। নলিনীবালাৰ কবিতাত সেই বিচিত্ৰ যাত্ৰাপথৰ বহুৰঙী আৰু হৃদয় পৰশা বিৱৰণ পোৱা যায। ৰহস্যবাদী চিন্তাধাৰাৰ সাৰ্থক প্ৰকাশেৰে তেওঁৰ কবিতা সমৃদ্ধ।

নলিনীবালাৰ কবিতা সমূহৰ দ্বিতীয়টি ঘাই সুৰ হ'ল দেশ প্ৰেম। এইবিলাকৰ মাজত বিৰিঙি উঠিছে দেশলৈ নিবিড় মৰম আৰু মাটিলৈ গভীৰ মোহ। তেওঁৰ 'জনমভূমি' কবিতাটিৰ লগত তুলনা কৰিব পৰা অসমীয়া কবিতা আৰু দ্বিতীয় এটি নাই। কবিতাটিৰ প্ৰতিটি চৰণ তেওঁ যেন ৰচনা কৰিছে দেশৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেম আৰু আন্তৰিক কৃতজ্ঞতা মন্থন কৰি। তেওঁৰ আন এটি শ্ৰেষ্ঠ কবিতা "আমাৰ ওপজা ঠাই এইখনি মৰ্ত্ত্য স্বৰ্গভূমি" ইয়াত আছে অতীতৰ, অসমৰ উজ্জ্বল গৌৰৱময় ছবি। এই অসম

দেশ হ'ল—নানা জাতি, নানা সংস্কৃতিৰ অনুপম মিলনৰ স্থল। য'ত আকাশে বতাহে, ফুলে-পাতে সৌন্দৰ্য্যৰ মহামেলা বহে, লুইতৰ পানীয়ে য'ত কঢ়িয়াই আনে অতীতৰ সৌৰ্য্য বীৰ্য্য ভৰা হেজাৰ স্মৃতি। সেয়েহে দেশৰ প্ৰতি গভীৰ ভালপোৱা আৰু দায়িত্ব বোধে কবি নলিনীবালাক অভিভূত কৰিছে।

তেখেতৰ কবিতাৰ এই দুটি ঘাই সুৰৰ পাছত বাকী বিভিন্ন ভাৱৰ সিঁচৰিত কবিতাখিনিক অন্য এটা ভাগত সামৰি থব পাৰি। অতিন্দ্ৰীয়বাদ বা দেশ প্ৰেমৰ দৰে নিৰ্দ্দিষ্ট সুৰত বন্ধা নহ'লেও এইবিলাকৰ মাজতো তেওঁৰ কাব্য প্ৰতিভাৰ সুৰীয়া প্ৰকাশ অনুভৱ কৰা যায়। বিভিন্ন উছৱ, ব্যক্তিগত শোক, মহাপুৰুষ ব্যক্তি আৰু প্ৰকৃতিক উপজীব্য ৰূপে লৈ এইবোৰ কবিতা ৰচিত হৈছে। এই বোৰ কবিতাৰ মাজত তেওঁৰ সুকোমল হৃদয়ৰ সংবেদনশীলতা আৰু তীক্ষ্ণ পৰ্য্যবেক্ষণ শক্তি প্ৰতিভাত হৈছে। শোকৰ কবিতা হিচাপে তেওঁৰ 'পুতুলী' কবিতাত মাতৃপ্ৰাণৰ হাহাকাৰৰ সুৰ অতিশয় হৃদয় পৰশা। তেওঁৰ কবিতা সমূহৰ মাজত এটি অপূৰ্ব্ব কবিতা সোমাই আছে—আজিও সমালোচক সকলৰ বিশেষ দৃষ্টি আকৰ্ষণ নকৰাকৈ। সেইটি হ'ল—ভ্ৰষ্ট লগ্ন।

পিতৃৰ নিচিনা সক্ৰিয়ভাৱে ৰাজনীতিত নানামিলেও নানাবিধ জনহিতকৰ কাম আৰু সাহিত্য চৰ্চ্চাৰে দেশক সম্পূৰ্ণৰূপে সেৱা কৰি গৈছে।

১৯৭৭ চনৰ ২৪ ডিচেম্বৰ, শনিবাৰে নিশা এই গৰাকী মহীয়সী কবিয়ে ইহলীলা সম্বৰণ কৰে। তেখেতৰ প্ৰতি দেশ বাসীয়ে নতশিৰে শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে।

মনোৰমা দাস

অসম সাহিত্য সভাৰ চতুৰ্বিংশ অধিবেশনৰ সভাপতি

বনফুলৰ কবি যতীন্দ্ৰনাথ দুৱৰা

শৰীৰৰ গঠন যেনে লাহী কোমল অন্তৰখনো আছিল তেনেকুৱাই কোমল। ছন্দোময় যেন এটি গীতি কবিতা। স্বভাৱতো লাজকুৰীয়া, অতি আলসুৱা। মনত দুখ দিয়া কিবা এটি সমালোচকমূলক কথাতে "আজি মই সামৰিলো গান" এই বুলি বোহপাতি সাহিত্য চৰ্চ্চাকে বাদদিব বিছৰা এইজনা কবিয়ে জীৱনত কেৱল অনাদৰ, অৱহেলা আৰু চৰম বিফলতাৰ মাজেৰেই কৌমাৰ্য্যব্ৰত অৱলম্বন কৰি আজীৱন কাব্য চৰ্চ্চা কৰি গ'ল। এই গৰাকীয়ে হ'ল বিফলতাৰে "জীৱনৰ কুসুম ৰচনা" কৰি যোৱা কবি যতীন্দ্ৰনাথ দুৱৰা। অসমীয়া ভাষাৰ প্ৰথম সাহিত্য একাডেমী বঁটা বিজেতা এইজনা কবিয়েই একনিষ্ঠাৰে অসমীয়া ভাষা সাহিত্যলৈ অমূল্য বৰঙনি যোগাই ১৯৫৫ চনৰ ডিচেম্বৰত গুৱাহাটীত অনুষ্ঠিত অসম সাহিত্য সভাৰ চতুৰ্বিংশ অধিবেশনৰ সভাপতি নিৰ্বাচিত হয়।

কবি দুৱৰা কেতিয়াৰ পৰা কাব্য জগতত ভুমুকি মাৰিলে তাৰে এটি উদাহৰণ দিয়া যাওঁক। তেতিয়া দুৱৰা আছিল ইংৰাজী স্কুলৰ ৪ৰ্থ শ্ৰেণীৰ ছাত্ৰ। "Twinkle Twinkle Little Star" নামৰ ইংৰাজী কবিতাটো পটি তেওঁ ইমানে আকৃষ্ট হৈ পৰিল যে লগে লগেই অসমীয়ালৈ অনুবাদ কৰি পেলালে এইদৰে—

"টিকিমিকি টিকিমিকি সৰু তৰাটি

কেনেকৈ শোভা কৰে ওখ আকাশত,
চিক্‌মিক্ কৰি কৰি হীৰাৰ নিচিনা জ্বলি
সন্ধিয়া দিয়েহি পোহৰ।”

এনেকৈয়ে অনুবাদ কবিতাৰে জীৱনৰ প্ৰথম কবিতা লিখি দুৱৰাই সুগন্ধি কাবাৰ সেন্দুৰীয়া আলিত খোজ পেলাবলৈ আৰম্ভ কৰিছিল। দুৱৰাৰ কোমলমতীয়া হৃদয়ত এনেদৰেই কবি-প্ৰতিভাৰ সূচনা হৈছিল।

দিখৌ নৈ পৰীয়া এঘৰ ধনী মানুহৰ ঘৰত ১৮৯২ চনৰ ৪ মাৰ্চ তাৰিখে জন্মলাভ কৰা কবি যতীন্দ্ৰনাথ দুৱৰাৰ পিতৃ শ্যামসুন্দৰ দুৱৰাই বিয়লি বয়সত তেখেতৰ পাঁচজন পুতেকৰ এজনৰ অকাল বিয়োগত মনত দুখ পাই সৰু পুতেক কবি দুৱৰাক পঢ়োৱাৰ দায়িত্ব বাকী তিনিজনৰ হাতত দি যোৱাত ককায়েকহঁতে সেইমতেই যত্ন লৈছিল। তেনে যত্নতেই দুৱৰাই ১৯০৯ চনত শিৱসাগৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। পিচত ১৯১৩ চনত কলিকতাৰ স্কটিচ কলেজৰ পৰা স্নাতক হৈ আইনৰ শ্ৰেণী আৰু এম, এ শ্ৰেণীত নাম লগায়। এনে সময়তে পৰিয়ালত ঘটা শোকাবহ ঘটনাই মনত চৰম আঘাত দিয়াত তেখেতৰ আৰু পঢ়া-শুনা নহ'ল। ইয়াৰ পিচতে ডিব্ৰুগড় জৰ্জ ইন্সটিটিউচনত শিক্ষকতাৰে কৰ্মময় জীৱন আৰম্ভ কৰিলে আৰু ১৯৪৮ চনত কটন কলেজলৈ আহি অসমীয়া বিভাগৰ মুখ্য অধ্যাপক পদত নিযুক্তি হৈ তেৰ বছৰ চাকৰি কৰাৰ পিচত ১৯৬১ চনত অৱসৰ গ্ৰহণ কৰে।

দুখ আৰু নিৰাশাৰ মাজেৰেই কবি দুৱৰাই জীৱন কটাব লগীয়া হৈছিল। মাতৃদেবী পুণ্যদা, দুজনকৈ মৰমৰ ককায়েক, এগৰাকী নবৌয়েক আৰু শেষত ডাঙৰ ককায়েকৰ একমাত্ৰ পুতে-কৰো মৃত্যু হোৱাত কবি দুৱৰা ভাগি পৰে। বিষাদ, বেদনা আৰু

নিৰাশাই তেওঁৰ হৃদয় আৱৰি পেলালে। এনেকৈয়ে ব্যক্তিগত জীৱনত পোৱা আঘাতকে লৈ কবিয়ে লিখি গ'ল কাব্যময়ী ভাষাৰে মনৰ কথা—

"কোনোৱে দ্‌ৰতে কোনোৱেবা চুই যায়
চেনেহ কণিকা বুলি কৰো তাকে ভুল,
সপোন অঁাতৰি গলে দিঠকে জনাই দিয়ে
বাটৰ কাষৰ নই বননিৰ ফুল।"

কবিতাৰ মাজেৰে কবিক বুজক, অৱহেলা নকৰিব অন্ততঃ এবাৰি মৰমৰ, আদৰৰ মাত দি হিয়াখন জুৰাওক এনে আশা কৰিয়ে কবিয়ে হয়তো কবিতা ৰচনা কৰিছিল। বাস্তৱত দেখিলে তেনে আশা কৰাটোও যেন তেখেতৰ বাবে মিছা কল্পনাহে। সেয়ে কবিয়ে পুনৰ লিখিলে—

"মোৰ গান মযে় গাওঁ
শুনি শুনি মযে় ভল যাওঁ
গানৰ শেহত
শুনোতা গাওঁতা দুয়ো
এক হৈ পাৰকে নাপাওঁ।"

কবি দুৱৰাই দেখিলে দুখ কেৱল তেওঁৰহে। তেওঁৰ অন্তৰৰ এই দুখ এই বেদনাৰ ভাগ আনকো দিব বিছৰা নাই। সেয়ে তেওঁ লিখিলে—

"নীৰৱে থাকিম বুলি সাজিছোঁ ইৱাতে পজাঁ
দ'াতিয়েদি বৈ যায় পাহৰণি ন'ই"

জীৱনত পোৱা দুখ বেদনা উপশমৰ বাবেহে কবি দুৱৰাই কবিতা লিখা যেন ভাব হয়। কবিতাবোৰ পঢ়ি পঢ়ি অৱশেষত সেইবোৰ ফালি পেলোৱা কাৰ্য্যই এই কথাকেই কয়। এইটো আছিল তেওঁৰ এটা বদ অভ্যাস। এনে নোহোৱা হলে হয়তো

তেওঁৰ পৰা আৰু বহুতো ভাল ভাল কবিতা পঢ়িবলৈ পোৱাৰ সৌভাগ্য ঘটিলহেঁতেন।

কবি দুৱৰাই সাহিত্য সৃষ্টিত কেইগৰাকীমান মহান সাহিত্যিকৰ পৰা অনুপ্ৰেৰণা আৰু উৎসাহ লাভ কৰিছিল। তেওঁলোক হ'ল পদ্মনাথ গোহাঞি বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, বাণীকান্ত কাকতি, চন্দ্ৰকুমাৰ আগৰৱালা, তৰুণৰাম ফুকন, লক্ষ্মীধৰ শৰ্মা আৰু তীৰ্থনাথ শৰ্মা উল্লেখযোগ্য। ইয়াৰ উপৰিও দুৱৰাই বিৰিঞ্চি কুমাৰ বৰুৱা, পাৰ্বতী প্ৰসাদ বৰুৱা, বেণুধৰ ৰাজখোৱা, ফনিধৰ চলিহা আদি সাহিত্যিক সকলৰ পৰাও সাহিত্য সৃষ্টিৰ অৰ্থে অনুপ্ৰেৰণা লাভ কৰাৰ কথা জানিব পৰা যায়।

দুৱৰাৰ এক অনন্য সৃষ্টি হ'ল "কথা-কবিতা"। ৰুচ লেখক আইভান্ টুৰ্গেনিভৰ আদৰ্শতে অনুপ্ৰাণিত হৈ এইবিধ সাহিত্যৰ সৃষ্টি কবি দুৱৰাই 'বাঁহী' আৰু 'আৱাহন' আলোচনীত লিখিবলৈ আৰম্ভ কৰি অসমীয়া কাব্য সাহিত্যলৈ অন্য এক অমূল্য অৱদান আগবঢ়ালে। বিদেশী লিখকৰ ভাব আৰু আদৰ্শ আহৰণ কৰি সম্পূৰ্ণ নিজস্ব ভংগীত লিখা দুৱৰাৰ 'কথা-কবিতা' পঢ়ি অভিভূত হৈ ডঃ বাণীকান্ত কাকতিদেবে কৈছিল—"দুই এটি বিষয় বিদেশী মূলৰ পৰা অনা হৈছে, কিন্তু সেইবোৰকে বুকুৰ ওপত তেজৰ উম দি সজীৱ কৰি তোলা হৈছে। .... ই তেখেতৰ কোমল বুকু ভেদ কৰি ওলোৱা বালিৰ নিজৰাৰ দৰে।"

কবি দুৱৰাৰ দ্বিতীয় কবিতাৰ পুথি 'আপোন সুৰ' (১৯৩৮), কলিকতাত পঢ়ি থকা সময়তে ৰচনা কৰা কবিতা সমূহ এই পুথি খনত অন্তৰ্ভুক্ত কৰিছে। সন্নিবিষ্ট আঠাইশটি কবিতাই কবিৰ হৃদয়ৰ বতৰা দিয়াৰ লগতে সুৰৰ মাদকতাই যেন পঢ়ুৱৈক এখন সপোন ৰাজ্যলৈ উটুৱাই নিব খোজে।

ইয়াৰ পিচত উক্ত কাল চোৱাতে কবি দুৱৰাই বিৰিঞ্চি

কুমাৰ বৰুৱাৰ প্ৰেৰণাত 'বনফুল' (১৯৫২) কাব্য পুথিখনি ৰচনা কৰি উলিয়ায়। উল্লেখনীয় কথা হ'ল এই পুথিখনেই ১৯৫২ চনতে সাহিত্য একাডেমী বঁটা লাভ কৰি অসমীয়া কাব্য জগতলৈ এক প্ৰশংসনীয় গৌৰৱ কঢ়িয়াই আনিলে। অথচ জানিব পোৱা মতে এই পুথিখনিৰ সন্দৰ্ভতেই কবি দুৱৰাই হেনো বিৰিঞ্চি কুমাৰ বৰুৱালৈ পত্ৰ যোগে "এইখনেই মোৰ শেষ কবিতাৰ পুথি" এই বুলি লিখিছিল।

মুঠ পঞ্চাশটা কবিতাৰে সমৃদ্ধ "বনফুল" কাব্য পুথিখনৰ বিষয়ে ড° বাণীকান্ত কাকতিদেৱে এইদৰে কৈছিল "বনফুল, কেৱলীয়া গ্ৰন্থকাৰৰ আপডাল নোপোৱা অন্তৰ বকৰাণিত আপোনা আপুনি ফুটি ওলোৱা ফুলৰ কৰণি। .... কোন ফুলৰ গোন্ধৰ কেনে ৰাগী পঢ়ুৱৈয়ে শুঙি চাব।" মুঠতে ভাৱৰ নানা বৈচিত্ৰ্যৰে ভৰপূৰ 'বনফুল' কাব্য পুথি। ইয়াত সন্নিবিষ্ট কৰিতাকেইটি পঢ়িলে দুৱৰাক প্ৰেমৰ কবি বুলিহে কবলৈ মন যায়। দৰাচলতে কবিৰ এই প্ৰেম অতীন্দ্ৰিয়বাদী প্ৰেমহে। আনপিনে বনফুলৰ কবি দুৱৰাক কিছুমান সমালোচকে পলায়নবাদী বুলিহে কব বিছাৰে।

কবি দুৱৰাৰ অন্য এক ব্যতিক্ৰম পুথি হ'ল 'মিলনৰ সুৰ' (১৯৬০)। পথমতে এই পুথিখনিৰ নাম 'জীৱনৰ সুৰ' হে দিছিল। পিছে কবিয়ে বিছৰা 'তুমি' গৰাকী তেওঁৰ মানস প্ৰিয়াহে। পুথি খনিত বৰ্ণিত কবিৰ জাগতিক প্ৰেম পৰজন্মৰ প্ৰেমলৈহে ধাৱিত হৈছে। এই যুক্তিতেই কবিয়ে কাব্য পুথিখনিৰ নাম "জীৱনৰ সুৰ" নিদি "মিলনৰ সুৰ" দিলে।

ভাব সাগৰৰ মাজত উটি বুৰি সুগন্ধি পখিলা হৈ কেৱল কাব্য কাননৰ মিঠা ৰস পান কৰিয়েই কবি দুৱৰা আপোন পাহৰা হোৱা নাছিল, গদ্য সৃষ্টিতো মন মেলিছিল। কবিতাৰ দৰেই তেওঁৰ গদ্যও আছিল অতি ৰসাল, মনোগ্ৰাহী যেন এটি পাহাৰী নিজৰাহে ওখ টিঙৰ পৰা জিৰি জিৰি কৈ সমতলত মিলি যায়হি। এটি

উদাহৰণ দিলেই কথাষাৰ স্পষ্ট হৈ পৰিব। তেখেতে লিখিছিল "সাগৰৰ তীৰত বহি, সাগৰৰ ফালে চাই থাকি নিজকে অন্তৰৰ লগত মিলাই দি অস্ত যোৱা সূৰ্য্যৰ হেঙুলী বহনেৰে ৰাঙলী পশ্চিম আকাশৰ ঢৌবোৰে নাচি থকা পানীত পৰা প্ৰতিবিম্বৰ অপূৰ্ব জেউতি চাই যেনেকৈ ক্ষন্তেকলৈ সংসাৰৰ সুখ-দুখ পাহৰিব পাৰি, তেনেকৈয়ে এই মহাপুৰুষ সকলৰ জীৱনী পঢ়ি, তেওঁবিলাকৰ কাৰ্য্যকলাপলৈ চাই তেওঁ বিলাকৰ অসীম শক্তি মনত উপলব্ধি কৰি, তেওঁবিলাকৰ লগতে কাল কটাই, শেষত জীৱনৰ সন্ধিয়া বেলিকা সিপাৰৰ আলোক ৰাজ্যৰ পোহৰ দেখি, তাৰ মধুৰ সংগীত শুনি তালৈ যাবলৈ সাজু হৈ বাকী কেইটা দিনো নিচিন্ত মনেৰে, নিৰ্ভয় অন্তৰে কটাই দিব পাৰি। সেই কাৰণেই কৈছো সাগৰ চোৱাও যি মহাপুৰুষৰ জীৱনী পঢ়াও সি।" দুৱৰাৰ গদ্য সাহিত্যৰ এয়া এক চমৎকাৰিত সৃষ্টি।

যতীন্দ্ৰনাথ দুৱৰা মূলতঃ এগৰাকী ৰমন্যাসিক গীতি-কবি বুলিহে স্বীকৃত হৈছে। তেখেতৰ কাব্য পুথি সংখ্যাত তাকৰ হলেও অসমীয়া কাব্য সাহিত্য লৈ যিখিনি বৰঙণী আগবঢ়াই গ'ল সিয়েই তেওঁক বিংশ শতিকাৰ এগৰাকী শ্ৰেষ্ঠ গীতি কবি হিচাবে প্ৰতিপন্ন কৰিলে। আলসুৱা কবি যতীন্দ্ৰনাথ দুৱৰাই ১৯৬৪ চনৰ ৫ জুলাই তাৰিখে ইহ জগতৰ পৰা চিৰদিনৰ বাবে পৱিত্ৰ ঢামলৈ গমন কৰিলে।

শেষত আশাৰে কও কবি যতীন্দ্ৰনাথ দুৱৰাৰ ব্যক্তিগত জীৱনৰ ধ্যান-ধাৰণা সম্পৰ্কে, কবিতাৰ দিশ সম্পৰ্কে বিস্তৃত আলোচনা হব লাগে। তেখেতৰ সাহিত্যিক জীৱন আৰু কাব্য সাহিত্যৰ মূল্যায়ণ সম্পৰ্কে আৰু অধিক লিখিত ভাবে আলোচনা হলেহে কবিজনাক পূৰ্ণাংগভাবে জনাৰ উপৰিও তেখেতৰ প্ৰতি থকা পৰম শ্ৰদ্ধা আৰু কৃতজ্ঞতা প্ৰকাশ কৰা হব। তেতিয়াহে অসমীয়া জাতিয়ে কবি দুৱৰাক লৈ গৌৰৱ কৰিব পাৰিব।

অমৃত বসুমতাৰী

অসম সাহিত্য সভাৰ পঞ্চবিংশ অধিবেশনৰ সভাপতি।

বুৰঞ্জীবিদ বেনুধৰ শৰ্মা।

যি গৰাকী বৰেণ্য পুৰুষে শিশু সুলভ হাঁহিৰে সকলোকে বিমুহিত—কৰিছিল, যাৰ চকুৰ আগত ভাঁহি উঠিছিল শদিয়াৰ পৰা ধুবুৰীলৈকে সমগ্ৰ অসমৰ অতীত বুৰঞ্জী. যাৰ জিভাৰ আগত আছিল পুৰণি অসমীয়া পৰিয়ালৰ নিখুঁত বংশাৱলী ; খুহুতীয়া কথা, ফকৰা যোজনা, ডাকৰবচন, 'বুঢ়ীআইৰ সাধু, অসমৰ অন্যতম লোক সাহিত্য হাতীধৰা গীত, ম'হ গোৱালৰ গীত, অজান ফকিৰৰ গীত, বিহুনাম, ছুচৰি আদি যাৰ ৰসাল কণ্ঠত বিদ্যমান, যি গৰাকী অমৃত পুত্ৰক এবাৰ লগ পালে তুনাই লগ পাবলৈ সকলোৰে হেপাহ সেই জনেই হ'ল ১৯৭৬ চনত ধুবুৰীত অনুষ্ঠিত অসম সাহিত্য সভাৰ পঞ্চবিংশ ৰূপালী জয়ন্তী অধিবেশনৰ সম্মানীয় সভাপতি বেনুধৰ শৰ্ম্মা। অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ বৰ ভঁৰাললৈ অসমৰ অতীত বুৰঞ্জীৰ মণি মাণিকৰে খোপাত সঞ্জীৱনী ঢালি সহজ সৰল সাহিত্যলৈ ৰূপান্তৰ কৰি বুৰঞ্জীক জনমূখী সাহিত্যৰ শাৰীলৈ আগবঢ়াওতা, ভাৰতৰ বিভিন্ন বুৰঞ্জী কংগ্ৰেছত অসমক প্ৰতিনিধিত্ব কৰি তাই অসমীৰ অতীত গৌৰবৰ বুৰঞ্জী ও স্বৰাজ আন্দোলনত অসমৰ ৰাইজৰ গৌৰবোজ্বল ইতিহাসৰ কথা অমূল্য গ্ৰন্থৰাজীত লিখি ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰচাৰ কৰোতা বেনুধৰ শৰ্মাৰ জন্ম হয় ১৮৯৪ চনত শিৱসাগৰৰ চাৰিঙত। বুৰঞ্জী প্ৰসিদ্ধ আহোম স্বৰ্গদেউ সকলৰ দিনৰ ৰংপুৰ (শিৱসাগৰ) জিলাৰ ঐতিহ্য মণ্ডিত দুতি ৰাজধানী মোমাই তামুলী বৰবৰুৱাই কৃতিত্বৰে গঢ়ি যোৱা চাৰিং অঞ্চলৰ গজপুৰীয়া গাওঁত। চাৰিঙৰ চমাৰগাওঁ এল, পি স্কুলৰ পৰা ছাত্ৰবৃত্তি পৰীক্ষাত ৩ টকীয়া বৃত্তি লৈ বেনুধৰ শৰ্ম্মাই ১৯১৫ চনত শিৱসাগৰ গৱৰ্ণমেণ্ট স্কুলৰ

পৰা মেট্ৰিকুলেচন পৰীক্ষাত ১ম বিভাগত উত্তীৰ্ণ হৈ ওচৰৰে ফুলেশ্বৰী স্কুলত শিক্ষকতা আৰম্ভ কৰে আৰু সেই বছৰৰ ডিচেম্বৰ মাহত মেলেং বামুণ গাওঁৰ চাহ বাগিচাৰ মালিক সোনেশ্বৰ শৰ্মাৰ ১ম পত্নীৰ কণিষ্ঠা কণ্যা বৰদাৰ লগত বেনুধৰ শৰ্মাৰ বিবাহ সম্পন্ন হয়।

বিয়াৰ এবছৰৰ পিচত আই এ পঢ়িবৰ কাৰণে তেখেত কলিকতালৈ গৈ বঙ্গবাসী কলেজত নাম ভৰ্ত্তি কৰে আৰু সেই সময়তে অসমীয়া ছাত্ৰৰ সাহিত্য চৰ্চ্চাৰ কেন্দ্ৰ এ. এ চ এল ক্লাব ও বিভিন্ন অসমীয়া পণ্ডিত ও সাহিত্যিকৰ সান্নিধ্যত সাহিত্য চৰ্চ্চাৰ প্ৰতি ধাউতি বাঢ়িছিল আনহাতে কলিকতাৰ ইম্পিৰিয়েল লাইব্ৰেৰীত সোমাই প্ৰথম অসমীয়া বুৰঞ্জী লিখক কাশীনাথ তামুলী ফুকনৰ অসম বুৰঞ্জীৰ সমল বিচাৰি—; গেইটচাহাবৰ অসম বুৰঞ্জী-অসমৰ বিষয়ে লিখা বিভিন্ন ইংৰাজ আৰু ফাৰ্চিলিখকৰ গ্ৰন্থ ৰিপৰ্ট টোকা আদি খুচৰি খুচৰি তন্নতন্নকৈ পঢ়ি' আতিগুৰি উলিয়াই, ইংৰাজী লিখনি অসমীয়ালৈ অনুবাদ কৰি অসম গৌৰবৰ লুপ্তপ্ৰায় অধ্যায় বোৰৰ চিকমিকণি তোলাৰ মানসেৰে বুৰঞ্জী সাহিত্যৰ প্ৰতি তেখেতৰ মন আকৰ্ষিত হৈছিল। যাৰগুৰিতে আছিল শিৱসাগৰ গভৰ্ণমেণ্ট স্কুলৰ বুৰঞ্জী বিষয়ৰ স্বনামধন্য শিক্ষক মুক্তালাল কাথবৰুৱাৰ অনুপ্ৰেৰণা। বেনুধৰ শৰ্ম্মাৰ প্ৰথম বুৰঞ্জীবিদ হিচাপে প্ৰতিফলন ঘটিছিল ১৯১৮ চনৰ আলোচনী নামৰ কাকতত লিখা বুৰঞ্জীমূলক প্ৰবন্ধ 'কাণাই বৰশী বোৱা শিল'ৰ যোগেদি আৰু এই প্ৰবন্ধটোৱেই বেনুধৰ শৰ্ম্মাক প্ৰচুৰ সম্ভাবনাপূৰ্ণ ভৱিষ্যতৰ প্ৰতিভাবান বুৰঞ্জীবিদ হিচাপে প্ৰতিষ্ঠিত কৰিছিল।

সেই সময়তে ভাৰতৰ স্বাধীনতা আন্দোলনৰ ঢৌৱে গোটেই দেশ চুইছিল আৰু ১৯২০ চনত বি'এ পৰীক্ষাৰ প্ৰস্তুতিৰ কালত জালিয়ানৱালাবাগৰ হত্যাকাণ্ড আৰু কলিকতাৰ জনসভাত দেশমাতৃৰ স্বাধীনতা সংগ্ৰামত জপিয়াই পৰিবলৈ মহাত্মাগান্ধীৰ

আকুল আহ্বানত বি'এ পৰীক্ষাত নবহি নিজকে কংগ্ৰেছৰ ভলণ্টিয়াৰ হিচাপে গঢ়ি তুলিবলৈ কলিকতা ত্যাগ কৰি চাৰিঙলৈ আহি শৰ্মাদেৱে অসহযোগ আন্দোলনত সেই অঞ্চলৰ স্থাইজক নেতৃত্ব দিছিল। বেণুধৰ শৰ্মা আছিল এজন স্বাধীন চিন্তীয়া উৎসাহী ও উদ্যোগী পুৰুষ আৰু তেখেতৰ বাবে জীৱনটো আছিল কঠোৰ সংগ্ৰাম —। জীৱিকাৰ বাবে তেখেতে শিক্ষকতা, ঘৰুৱা খেতিবাতিৰ কাম হাতীমহলৰ কাৰবাৰ চাইকেলৰ দোকান জীৱনবীমাৰ এজেন্সী, মটৰ গাড়ীৰ পেট্ৰলৰ খুচুৰা কাৰবাৰ 'আমাৰ দোকান" নাম দি খোলা দোকানদাৰী আদি বিভিন্ন পেচা লৈছিল যদিও জীৱনবীমাৰ এজেন্সীৰ বাহিৰে সকলোতে তেখেত লোকচানৰ ধৰত আছিল। ১৯৩৫ চনত নীলমনি ফুকনদেৱৰ "দৈনিক বাতৰি" কাকতৰ সহকাৰী সম্পাদকৰূপে সাংবাদিকতাৰ জগতত প্ৰৱেশ কৰে আৰু ১৯৩৫ চনত ডিব্ৰুগড়ৰ চাহ খেতিয়ক নন্দেশ্বৰ চক্ৰবৰ্ত্তীৰ 'তৰুণ অসম' কাকতৰ সম্পাদকৰূপে প্ৰায় ত্ৰবছৰকাল কাৰ্য্যনিৰ্ব্বাহ কৰে। বেণুধৰ শৰ্মাই সাহিত্যৰ চিৰ বিনন্দীয়া ৰাজ্যত কেবল নাটক আৰু উপন্যাসৰ বাহিৰে সকলো বিষয়তে সৰৱ লিখনীৰ হাত বুলাইছিল। স্কুলত পঢ়ি থকা কৃকলীয়া কালতে কবিতা কুঁৱৰীৰ ৰাজ্যত 'জেউতী' নামৰ হাতেলিখা আলোচনীত তেখেতৰ প্ৰথম কবিতাই আত্মপ্ৰকাশ কৰিছিল আৰু পিচলৈ মালতী নামৰ আলোচনীত তেখেতৰ প্ৰবন্ধ, কবিতা আদি প্ৰকাশ হৈছিল আৰু আৱাহন, নীলাচল, বাঁহী কাকতৰ লিখনিয়ে সেই সময়ৰ সাহিত্যিক সকলক আকৃষ্ট কৰিছিল।

বুৰঞ্জীবিদ শৰ্মাই অসম বুৰঞ্জীৰ কোঁহে কোঁহে বিচৰণ কৰিছিল। Style is the man বুৰঞ্জীৰ ঘটনাৰাজিৰ লিখনিৰ ক্ষেত্ৰত শৰ্মাদেৱৰ বৈশিষ্ট আছিল যে তেখেতে নিভাজ অসমীয়া ভাষাত নিজৰ অলঙ্কাৰিক ধাচত থলুৱা অসমীয়া শব্দ প্ৰয়োগ

কবি ৰসৰ সঞ্চাৰ কৰি যাদুকৰী ভাবে এনেধৰণে উপস্থাপন কৰিছিল যেন অতীতৰ সেই ঘটনা সমূহ তেখেতৰ চকুৰ আগতেই ঘটিছিল যাৰবাবে পাঠকৰ ওচৰত নিজকে সাহিত্যপ্ৰাণ তথা বুৰঞ্জীপ্ৰাণ হিচাপে প্ৰতিষ্ঠিত কৰিব পাৰিছিল।

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট শিক্ষাবিদ প্ৰয়াত তীৰ্থনাথ শৰ্মাদেৱৰ মতে অসমত বিশিষ্ট বুৰঞ্জীবিদৰ অভাৱ নাই যদিও অসমীয়া সাহিত্যৰ বুৰঞ্জীত ৰস সঞ্চাৰ কৰা গৌৰবৰ অধিকাৰী অসমীয়া সাহিত্যৰ সুৰাগমণি বেণুধৰ শৰ্মাৰ পূৰ্ব্বে বুৰঞ্জীক ৰসসিক্ত কোনোজন ঐতিহাসিকেই কৰিব পৰা নাছিল"।

পৰ্ব্বত ভৈয়ামে আগুৰা নানা জাতি উপজাতিৰ সংমিশ্ৰণত গঢ় লৈ উঠা বৰ অসমৰ বাৰে বৰণীয়া ভাষা সংস্কৃতিৰ গভীৰজ্ঞান আৰু অসম বুৰঞ্জীৰ অতুলনীয় পাণ্ডিত্যৰাজীৰ বাবে শৰ্ম্মাদেৱক অসম সাহিত্য সভা, ৰাভা সন্মিলন বুৰঞ্জী কংগ্ৰেছ, অসম কলেজ শিক্ষক সন্থা, আৰু বিভিন্ন সামাজিক অনুষ্ঠানে আগবঢ়াই সন্মানৰ ফুলৰ শৰাই আৰু গুৰুত্বপূৰ্ণ বিষয়বাব।

অসমৰ অতীত বুৰঞ্জীৰ গৌৰবেৰে গৌৰবান্বিত হৈ দেশ মাতৃক আৰু দেশৰ জনগণক ভাল পাবলৈ শিকোৱাটোৱেই তেখেতৰ লিখনিৰ মূল লক্ষ্য আছিল, প্ৰকৃততে তেখেত এজন সবৰ সাহিত্যিকহে আছিল বুৰঞ্জী প্ৰণেতা নহয়। শৰ্ম্মাদেৱৰ সাহিত্যিক কৰ্মৰাজীৰ বাবে ১৯৭৩ চনত অসম চৰকাৰৰ লগতে ভাৰত চৰকাৰে তেখেতলৈ আগবঢ়াইছিল সাহিত্যিক পেন্সন আৰু অসমৰ স্বৰাজ আন্দোলনৰ পটভূমিত লিখা অমূল্যগ্ৰন্থ কংগ্ৰেছৰ কাঁচিয়লী ৰ'দৰ বাবে ১৯৭০ চনত সাহিত্য অকাডেমীৰ পুৰস্কাৰেৰে বিভূষিত কৰিছিল আৰু পলমকৈ হলেও শৰ্মাদেৱৰ দেশপ্ৰেম আৰু বুৰঞ্জী সাহিত্যৰ পাণ্ডিত্যৰাজীৰ স্বীকৃতি স্বৰূপে ১৯৮৩ চনত ভাৰত চৰকাৰে মৰনোত্তৰ ভাবে আগবঢ়াইছিল বিৰল সন্মান 'পদ্মভূষণ' উপাধি।

বেনুধৰ শৰ্মাৰ দ্বাৰা লিখিত গ্ৰন্থ সমূহৰ সৰহভাগ মুদ্ৰিত হলেও কিছুমান অপ্ৰকাশিত হৈয়ে ৰ'ল ।

'ৰবীনচন ক্ৰুচ' নামৰ ইংৰাজীৰ পৰা অসমীয়ালৈ ভাবানুবাদ কৰা কিতাপ খনেই শৰ্ম্মাদেৱৰ প্ৰথম গ্ৰন্থ । স্বৰাজ আন্দোলনৰ কালত অসমৰ সংগ্ৰামী জনগণক ভাৰতৰ আগত পৰিচয় দিয়াৰ অৰ্থে কংগ্ৰেছৰ ভলণ্টিয়াৰ হৈ থাকোতে কংগ্ৰেছ গাইড নামৰ ইংৰাজী পুস্তিকা এখন লিখি প্ৰচাৰ কৰিছিল । তেখেতৰ বুৰঞ্জীমূলক, চিন্তামূলক, ৰম্যৰচনা, শিশুসাহিত্য, জীৱনী, গল্প, অনুবাদ প্ৰবন্ধ মূলক বিষয়ৰ প্ৰায় ২৪ খন গ্ৰন্থ প্ৰকাশিত হৈছে । তেওঁৰ উল্লেখযোগ্য সাহিত্যকৃতিৰ ভিতৰত—ৰবীঞ্চনক্ৰুচ, মণিৰামদেৱান, ৰাংপতা সাতাৱন ছাল, গংগাগোবিন্দ ফুকন, অৰ্ঘাৱলী, ফুল চন্দন, মৰমৰ কাৰেং, চটাই চ'ৰাৰ কথা, হেমচন্দ্ৰ গোস্বামীৰ জীৱনী তুলৰি, দূৰবীন ইত্যাদি । অসমীয়াক হেয়জ্ঞান কৰিলে তীক্ষ্ণ বাক্য বাণেৰে যথোচিত প্ৰত্যুত্তৰ দিয়াৰ সৎ সাহস শৰ্ম্মাদেৱৰ আছিল আৰু অসমৰ জ্বলন্ত সমস্যা সমূহৰ প্ৰতি সদায় সজাগ আছিল । চাৰিওত জাকজমকভাৱে পালন কৰা লাচিৎ উৎসৱ, মণিৰাম পিয়লি দিবসৰ উদ্যোক্তা আছিল বেনুধৰ শৰ্ম্মা ।

অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ প্ৰতি সহাৰি জনাই দিয়া বিবৃতিত শৰ্ম্মাদেৱে কৈছিল —।। অসমৰ জাতীয় অস্তিত্বৰ যুদ্ধ লাগো লাগো । এনে আপদীয়া সময়ত কোনো নিশ্চেষ্ট হৈ বহি থাকিব নোৱাৰে । বহিৰাগতক বহিবলৈ দিলেই আমাৰ হাত কামুৰিবই । এই সন্দেহ জলজল পটপট কৈ জিলিকি আছে । সেই কাৰণে জোল নৌ যাওঁতেই ভেটা দিয়া উচিত । ছাত্ৰ আন্দোলনে এই ভেটা দিওতে যি নিৰুপদ্ৰব পন্থা অৱলম্বন কৰিছে তাত মোৰ সম্পূৰ্ণ সমৰ্থন আছে আৰু ভগৱন্তই সহায় কৰিব বুলি প্ৰাৰ্থণা কৰিছো । এয়ে আছিল অসমৰ সংগ্ৰামী ৰাইজলৈ শৰ্ম্মা

দেৱৰ জীৱনৰ শেষ আশীষ বাণী।

যাদুকৰী ভাষাৰে বুৰঞ্জীক চমক লগোৱা শৰ্ম্মাদেৱৰ বিষয়ে বাগ্মীবৰ নীলমনি ফুকনদেৱে লিখিছিল—"শৰ্ম্মা ডাঙৰীয়া বুৰঞ্জীময়, বুৰঞ্জীও বেণুময়" বুৰঞ্জীক বেণুময় কৰিব পৰা কাৰণেই অসমীয়া ৰাইজৰ পৰা বেণুধৰ শৰ্ম্মাই পালে বিভূষিত উপাধি বুৰঞ্জীবিদ"

শৰ্ম্মাদেৱৰ গভীৰ পাণ্ডিত্য ও বুৰঞ্জীজ্ঞানৰ বিশাল পৰিসৰত উদ্বোদ্ধ হৈ ১৯৬৬ চনৰ জানুৱাৰী মাহত কলিকতাৰ বঙালী সাহিত্য গোষ্ঠীয়ে আৰু ১৯৭৮ চনৰ ১৬ নৱেম্বৰত দিল্লীৰ অসমীয়া সমাজে তেখেতৰ জন্মদিন উপলক্ষে বিপুল সম্বৰ্দ্ধনা জনায় আৰু সেই বছৰতে গুৱাহাটীৰ জোনাকী সাহিত্য সমাজে সম্বৰ্দ্ধনা জনাই তেখেতক ইতিহাসৰত্ন উপাধি প্ৰদান কৰে।' ১৯৭৯ চনত তিনিচুকীয়াত বহা নিখিল বঙ্গ সাহিত্য সম্মিলনে শৰ্ম্মাদেৱলৈ বিপুল সন্মান ও শকত ধনৰ টোপোলা আগবঢ়ায়।

১৯৮১ চনৰ জানুৱাৰী মাহত শৰ্ম্মাদেৱ অসুস্থ হৈ পৰে আৰু সেই বছৰৰ ২৬ ফেব্ৰুৱাৰী তাৰিখে ৮৬ বছৰ বয়সত ইহ লীলা সম্বৰণ কৰে। তেখেতৰ মৃত্যুত অসম বুৰঞ্জীৰ এচপৰা উজ্জ্বল হীৰাৰ বিলুপ্তি ঘটিল যাৰ জীৱনজোৰা সাধনা ও বাণী আছিল—"অতীতক নাপাহৰিবা পাহৰি"

কাৰ্ত্তিক চন্দ্ৰ ভাস্কুলি ফুকন

অসম সাহিত্য সভাৰ ষড়্‌বিংশ অধিবেশনৰ সভাপতি

বিশিষ্ট শিক্ষাবিদ পদ্মধৰ চলিহা

"নাহোৰা জননী নিচলা দুখুনী, তুমি বসুধাৰ ৰাণী।
অতীত স্মৃতিৰ মুক্তা মণিৰে
শোভিছে কত পুণ্য জেউতিৰে
তোমাৰ তটিনী-বিহগ কণ্ঠে শুনে মহিমাৰ বাণী।"

অসম ছাত্ৰ সন্মিলনৰ প্ৰথম সম্পাদক পদ্মধৰ চলিহাই শিৱসাগৰ কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ। জাতীয় আন্দোলনৰ সময়ত স্বদেশপ্ৰীতি মূলক বহুতো গীত ৰচনা কৰি আন্দোলনৰ প্ৰচাৰত সহায় কৰা চলিহাদেৱ এজন খ্যাতিসম্পন্ন গীতিকাৰতে আবদ্ধ নহয় তেওঁ একাধাৰে কবি, নাট্যকাৰ, অভিনেতা, সাংবাদিক সংগঠক আৰু বিশিষ্ট শিক্ষাবিদ।

১৯২১ আৰু ১৯৪২ চনৰ জাতীয় আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰা পদ্মধৰ চলিহাই ১৯৫৮ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ ষড়্‌বিংশ তিনিচুকীয়া অধিবেশনৰ সন্মানীয় সভাপতি। শিৱসাগৰৰ কণীধৰ চলিহাৰ পুত্ৰ পদ্মধৰ চলিহাৰ জন্ম ১৮৯৫ চনত শিৱসাগৰ চহৰত। বুৰঞ্জী খ্যাত শিৱসাগৰতে তেওঁৰ বিদ্যাৰম্ভ হয় আৰু ১৯১৬ চনত এম, এ আৰু বি, এল, পৰীক্ষাত পাছ কৰি ওকালতি আৰম্ভ কৰে। বি, এল ডিগ্ৰী লাভ কৰে গুৱাহাটীৰ আৰ্ল ল কলেজৰ পৰা।

প্ৰথম অসমীয়া ৰোমাণ্টিক কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ

'অসমীয়া' কাকতৰ সম্পাদক চলিহা ১৯৭১ চনত যোৰহাট জেলৰ এজন ৰাজনৈতিক বন্দী, অস্থায়ী একষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ গুৱাহাটী, ধুবুৰী, সহকাৰী সম্পাদক বাঁহী, যুটীয়া সম্পাদক অৰ্ঘা। ১৯২৮-৩৯ চনত সিংহদত্ত দেৱ অধিকাৰীৰ সহযোগত এই 'অৰ্ঘা' নামৰ পত্ৰেকীয়া আলোচনী উলিয়ায়। শেষৰ বয়সত চলিহাই সম্পাদনা কৰে "অসম জ্যোতি।"

বঙালী গীতৰ জনপ্ৰিয়তা দূৰ কৰি অসমীয়া গীতৰ প্ৰতিষ্ঠাতা চলিহাৰ তিনিখন গীতৰ পুথি হ'ল—ফুলনি (১৯১৫); 'স্বৰাজ-সংগীত' (১৯২১); গীত—লহৰী (১৯২৮)। এখেতেই অসম সাহিত্য সভাৰ মঙলদৈ অধিবেশনৰ সংগীত শাখাৰও সভাপতি আছিল। শৰাই (১৯২৮); ৰংপুৰে কথা কয় (১৯৫৬); পদুমণি তেওঁৰ কবিতাৰ গ্ৰন্থ। এই কবিতা গ্ৰন্থই তেখেতৰ কবিত্ব আৰু স্বদেশ প্ৰীতিৰ পৰিচয় দাঙি ধৰিছে। এই কবিতাৰ উপৰিও তেখেতৰ উল্লেখযোগ্য গ্ৰন্থ শ্যেক্সপীয়েৰৰ ৰোমীও জুলিয়েটৰ অনুবাদ 'অমৰ লীলা' 'নিয়ন্ত্ৰণ (১৯১৮); কেনেমজা (১৯২৮) নামৰ দুখন ধেমেলীয়া নাটক। 'অসমীয়া সাহিত্যলৈ ৰংপুৰৰ বৰঙণি (১৯৫৬); মহাবীৰ লাচিত ফুকন (১৯৫৫); Sahityarathi of Assam ১৯৫৩; ৰংপুৰে কথা কয়; পৰ্বত-ভৈয়াম আদিকে ধৰি তেওঁ অন্যান্য কেবাখনো গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰালৈ যোগান ধৰিছে। ১৯৩২ চনৰ গল্পমালাৰ সম্পাদক।

ওকালতিকে বিসৰ্জন দি স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰা স্বাধীনতা সংগ্ৰামী পদ্মধৰ চলিহাই অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰাই সাহিত্যৰযে ধনী দুখীয়া-উচ্চ-নীচ আটাইয়ে অমৃত পান সমানে কৰিব পাৰে তাক কৈছিল—"সাহিত্য চৰ্চা আৰু আলোচনা কৰিবলৈ, সাহিত্যৰ অমৃত পান কৰিবলৈ, কি কবি কি অকবি, কি গাৱঁলীয়া, কি নগৰীয়া, কি বিষয়া,

কি ব্যৱসায়ী, কি ধনী, কি দুখীয়া সকলোৰে সমান অধিকাৰ আছে।" সেয়ে প্ৰত্যেক ঘৰত এৰকোটা ঘৰুৱা পুথিভঁৰাল ৰখাত তেঁওতে গুৰুত্ব দিছিল। সাহিত্য মাত্ৰ কবি সাহিত্যিক লেখক লেখিকা সকলৰ একচেটিয়া সম্পত্তি বুলি আমাৰ মাজৰ অনেকে ভৰা ধাৰণা যে ভুল এই কথা তেওঁ সোঁৱৰাই দিছিল।

ফুলেশ্বৰী ছোৱালী হাইস্কুল আৰু উত্তৰ গুৱাহাটী হাইস্কুলতো শিক্ষকতা কৰা চলিহাৰ মাতৃ মণিৰাম দেৱানৰ নাতিনী গুণদালতা চলিহানী আৰু পত্নী সুপ্ৰভা চলিহা।

১৯৬৯ চনত পদ্মধৰ চলিহাৰ দেহাৱসান ঘটে। চলিহাই যি ধৰণে অসমীয়া সংস্কৃতিৰ সমৃদ্ধি আৰু পৰিপুষ্টি সাধনৰ অৰ্থে কাম কৰি অসমীয়া সমাজলৈ বৰঙণি যোগাই গ'ল তেওঁ তাৰ বাবে চিৰদিন অমৰ হৈ থাকিব।

অনজলি ডেকা দাস

অসম সাহিত্য সভাৰ সপ্তবিংশ অধিবেশনৰ সভাপতি

সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা

নাট্যকাৰ হিচাপে অধিক খ্যাতি লাভ কৰা অধ্যাপক অতুল চন্দ্ৰ হাজৰিকাই আৰু এটি অনন্য খ্যাতি লাভ কৰি অসমীয়া সাহিত্যৰ বিভিন্ন দিশ চহকী কৰিছে। এনে এক উল্লেখযোগ্য খ্যাতি হ'ল অসমীয়া ভাষাত সৰ্বাধিক গ্ৰন্থ ৰচনা কৰাৰ অভিলেখ কাৰী খ্যাতি। আমি আৰু এটি কথা স্বীকাৰ কৰিব লাগিব, সেয়া হ'ল বঙালী নাট্যকাৰ সকলৰ প্ৰভাৱ অসমৰ ৰংগমঞ্চৰ পৰা আঁতৰ কৰি অসমীয়া নাটকক সুপ্ৰতিষ্ঠিত কৰাৰ বাবে যোগোৱা অমূল্য দান। কবি, শিশু সাহিত্যিক আৰু নাট্য সাহিত্যৰ পৰম্পৰা শক্তিশালী কৰা নাট্যকাৰ হাজৰিকাৰ জন্ম হয় ১৯০৩ চনৰ ১২ চেপ্তেম্বৰত গুৱাহাটী চহৰত।

দুস্কৃতিক দমন কৰি সংস্কৃতিক উদ্ধাৰ কৰিবৰ ইচ্ছাৰে কলম হাতত তুলি লোৱা অধ্যাপক অতুল চন্দ্ৰ হাজৰিকাই বিশাল সাহিত্য সাধনাৰ স্বীকৃতি হিচাপে কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰে সন্মানীয় 'পদ্মশ্ৰী' উপাধি আৰু অসম সাহিত্য সভাই প্ৰথম 'সাহিত্যাচাৰ্য্য' উপাধি প্ৰদান কৰি এটি শ্ৰেষ্ঠ সন্মান আগবঢ়াই। আমাৰ অতিকে মৰমৰ এই জন লেখকক সাহিত্য সাধনাৰ আৰু এটি স্বীকৃতিৰ অনন্য পুৰস্কাৰ আগবঢ়াইছিল সেয়া ১৯৬০ চনত 'মঞ্চলেখা' গ্ৰন্থৰ বাবে আগবঢ়োৱা সাহিত্য অকাডেমীৰ বঁটা। এই 'মঞ্চলেখা' ১৪৬৮ চনৰ পৰা ১৯৬৭ চনলৈ অসমৰ নাট্য

জগতৰ বহল বুৰঞ্জী। এই গ্ৰন্থখনিক সাতটা বৃহৎ খণ্ডত বিভক্ত কৰা হৈছে।

জাতে-পাতে নাট্যকাৰ অতুল চন্দ্ৰ হাজৰিকাই আজীৱন নিষ্ঠা আৰু ঐকান্তিকতাৰে অসমীয়া ভাষা-সাহিত্যৰ বাবে সংগ্ৰাম কৰি ৰচনা কৰিলে প্ৰায় ডেৰশখনি গ্ৰন্থ। ইয়াৰে ভিতৰত ২২ খন কবিতা, ২৬ খন নাটক, ৩৭ খন শিশু সাহিত্য, ৫ খন বিবিধ গদ্য, ২৯ খন সংকলন আৰু সম্পাদনা মূলক গ্ৰন্থ।

ছাত্ৰ অৱস্থাৰ পৰাই অসমীয়া কাব্য সাহিত্যলৈ অৰিহণা যোগোৱা অতুল চন্দ্ৰ হাজৰিকাই ১৯২৩ চনত কলেজিয়েট হাই-স্কুলৰ পৰা প্ৰবেশিকাত উত্তীৰ্ণ হৈ ১৯৪৭ চনত ছেণ্ট এড্‌মণ্ডছ কলেজৰ পৰা বি, টি আৰু ১৯৪৩ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত এম, এ পাচ কৰে।

শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভকৰি কটন কলেজৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক হিচাপে অবসৰ লোৱা অধ্যাপক হাজৰিকাই ডিম্বেশ্বৰ নেওগ আৰু বিনন্দ বৰুৱাৰ পাছতে 'মিলনৰ' সম্পাদনা কৰিছিল। ১৯৩৪-৩৬ চনত গুৱাহাটীৰ পৰা অমিয়কুমাৰ দাসৰ সম্পাদনাত ওলোৱা 'বাঁহী'ত হাজৰিকাই 'চিত্ৰদাস' নাম লৈ বহুতো কবিতা লিখিছিল। তেওঁ সম্পাদনা কৰা আন এখন আলোচনী আছিল 'দীপক'।

১৯৫৯ চনত নগাঁৱত হোৱা অসম সাহিত্য সভাৰ সপ্তবিংশ অধিবেশনৰ সভাপতি অতুল চন্দ্ৰ হাজৰিকাৰ নাটসমূহ সমালোচক সকলে চাৰিটা ভাগত ভাগ কৰিছে। এক পৌৰাণিক, দুই বুৰঞ্জী মূলক, তিনি বিবিধবিষয়ক আৰু চাৰি অনুবাদ। অসমীয়া নাটৰ সকলো দিশৰ দৈন্য দূৰ কৰিবলৈ চেষ্টা কৰা অসম সাহিত্য সভাৰ অন্যতম গুৰিয়াল সাহিত্যাচাৰ্য্যৰ নন্দ দুলাল, কুৰুক্ষেত্ৰ, ৰুক্মিণীহৰণ, নৰকাসুৰ, শ্ৰীৰামচন্দ্ৰ, সাবিত্ৰি, চম্পাৱতী, বেউলা, নিৰ্য্যাতিতা

ইত্যাদি পৌৰাণিক নাটক। পৌৰাণিক নাটসমূহৰ ভিতৰত নৰকাসুৰ বেছি জনপ্ৰিয়।

১৯৫৩-৫৬ ৰ সময়চোৱাত অসম সাহিত্য সভাৰ সম্পাদকৰ দায়িত্ব থাকোতে তেখেতে সাহিত্য সভাৰ হকে কাম কৰি যথেষ্ট ৰৰঙণি যোগাব পাৰিছিল। তেওঁৰ কৰ্মশক্তি জোনাকী যুগৰ সাহিত্যানুৰাগী শিক্ষিত ডেকা সকলৰ আৰ্হিৰে গঢ়া বুলিব পাৰি নহলে অসমীয়া সাহিত্যৰ ভঁৰাললৈ ইমান বেছি গ্ৰন্থৰ ৰৰঙণি দি যাব নোৱাৰিলে হেতেন। সেয়ে তেওঁ কৈছিল—'প্ৰকৃত জীৱনী শক্তি থকা জাতি এটাক কোনেও মাৰিব নোৱাৰে।"

প্ৰায় ২২ খন কবিতাৰ গ্ৰন্থ লেখক অতুল চন্দ্ৰ হাজৰিকাৰ কবিতাত প্ৰকৃত কাব্যিক সৌন্দৰ্য্যৰে ভৰপূৰ। তেওঁৰ কবিতাত অসমৰ প্ৰায়বোৰ নদ-নদী, ফুল-ফল, চৰাই চিৰিকতিৰ প্ৰবেশ ঘটিছে। তেওঁৰ প্ৰথমখন কবিতাৰ কিতাপ হৈছে পাঞ্চজন্য। দীপালী, তপোবন, মুকুতামালা, মণিমালা, পাঞ্চজন্য, মাণিকি মধুৰী আৰু কণ্‌ক-জুনুক আদি কবিতা পুথিৰ 'মণিমালা' চতুৰ্দশপদী কবিতাৰ আৰু 'মুকুতামালা' অষ্টপদী কবিতাৰ সমষ্টি। কাব্যিক সৌন্দৰ্য্যৰে ভৰপূৰ 'বালিচৰ' কবিতাৰ

"মহাবাহু লুইতৰ——শেষ হ'লে বিশ্ৰামৰ
বীৰবেশে ওলাই আহিব;
বাৰিষাই দিলে ডাক——মুগুনিব কাৰো হাক,
ভীমনাদে গৰজি উঠিব।"

অসম সাহিত্য সভাৰ অন্যতম গুৰিয়াল হাজৰিকাই তেওঁৰ কাৰ্য্যকালতে অসম সাহিত্য সভাক গতিশীল নেতৃত্ব দিয়াত সফল হৈছিল। অসমৰ ৰংগমঞ্চৰ পৰা অনুদিত নাটকৰ আধিপত্য দূৰীভূত কৰাত বিশিষ্ট ৰৰঙণি যোগোৱা নাট্যকাৰ হাজৰিকাই সমৃদ্ধিশালী অসম এখন গঢ়ি তোলাৰ পোষকতা কৰিছিল সপ্তবিংশ

অধিবেশনৰ অভিভাষণত। পৰ্বত ভৈয়ামৰ সম্প্ৰীতিৰ ওপৰতো এই অভিভাষণতে উল্লেখ কৰিছে।

১৯৮২ চনত অসম সাহিত্য সভাই 'সাহিত্যাচাৰ্য' সন্মানেৰে সন্মানিত কৰা সাহিত্যাচাৰ্য হাজৰিকাৰ পিতৃ নগাঁৱৰ উৰিয়া গাঁৱৰ হাজৰিকা পৰিয়ালৰ ৰমাকান্ত হাজৰিকা, মাতৃ নিৰুপমা হাজৰিকা আৰু পত্নী সাবিত্ৰী হাজৰিকা।

মানিকচন্দ্ৰ মধ্য ইংৰাজী স্কুলত পঢ়ি থকা সময়ৰে পৰা লিখিবলৈ আৰম্ভ কৰা সাহিত্যাচাৰ্যৰ ১৯৮৬ চনৰ ৭ জুনত দেহাৱসান ঘটে। সঁচা অৰ্থত অসমীয়া সাহিত্যৰ সুদীৰ্ঘ এটা যুগৰ অন্ত পৰিল, অসমীয়া সাহিত্যত এক স্বকীয় আসন লাভ কৰা, সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাৰ মৃত্যুত।

অনজলি ডেকা দাস

অসম সাহিত্য সভাৰ অষ্টাবিংশ আৰু ঊনবিংশ অধিবেশনৰ সভাপতি।

শিক্ষাবিদ ত্ৰৈলোক্য নাথ গোস্বামী

কলিকতাৰ পৰা বিখ্যাত "আৱাহন' কাকত জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে প্ৰকাশ কৰাৰ লগে লগে অসমীয়া গল্প সাহিত্যলৈ এটা নতুন স্তৰত ভৰি দিয়ে। এই নতুন স্তৰৰ নতুন গল্পকাৰসকলৰ ভিতৰত উল্লেখ যোগ্য ত্ৰৈলোক্য নাথ গোস্বামী। আৱাহনৰ এই নতুন গল্পকাৰ ত্ৰৈলোক্য নাথ গোস্বামীয়ে তেওঁৰ বিখ্যাত গ্ৰন্থ 'আধুনিক গল্প সাহিত্যৰ বাবে তেখেতে ১৯৬৭ চনত সাহিত্য অকাডেমীৰ বঁটা লাভ কৰে। তেওঁৰ গল্পত সাধাৰণতে সমাজৰ অনাচাৰ - অবিচাৰৰদ্বাৰা পীড়িত নৰ - নাৰীৰ চৰিত্ৰ অঙ্কতি হৈছে।

একেৰাহে দুবাৰ অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি ৰূপে নিৰ্বাচিত হোৱা একাধাৰে সুবিজ্ঞ শিক্ষাবিদ, প্ৰতিভাশালী সাহিত্যিক, স্বাধীন চিন্তাশীল সাহিত্য সমালোচক, সু বক্তা, ৰসজ্ঞ কথকী, নিপুণ সংগীতজ্ঞ আৰু সমাজ সেৱী হিচাপে পৰিচিত ত্ৰৈলোক্য নাথ গোস্বামীয়ে অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ চিন্তাৰে ১৯০৬ চনৰ ১৮ ফাগুনৰ দিনা অসম ভূমিৰ নলবাৰী সত্ৰত জন্ম গ্ৰহণ কৰে।

অসমৰ ভাষাৰ দুৰ্যোগৰ সময়ত ১৯৬০ চনৰ অক্টোবৰ মাহত পলাশবাৰীত অনুষ্ঠিত অষ্টাবিংশ আৰু ১৯৬১ চনত গোৱালপাৰাত অনুষ্ঠিত ঊনবিংশ অসম সাহিত্য সভাৰ অধিবেশনৰ সভাপতি পদ অলংকৃত কৰি দিয়া সভাপতিৰ ভাষণত তেওঁ কৈছিল "এটা জটিল সমস্যাৰ মাজত আজিৰ যুগৰ সাহিত্যিক সকল থিয় দিছে। ভাব বিলাসত আপোন-পাহৰা হৈ পৰা সময় আজিৰ সাহিত্যিকৰ নাই।"

গণতান্ত্রিক সমাজবাদত বিশ্বাসী ত্ৰৈলোক্য নাথ গোস্বামীয়ে মানুহক আদৰ্শনৈতিক মানদণ্ডৰে আৰু কৰ্ম শক্তিৰ আলমত জুখি ভাল পাইছিল। ব্যক্তি চৰিত্ৰক শ্ৰেণী আৰু জাতৰ আধাৰত ক'তো বিভক্ত নকৰা গোস্বামীৰ তিনিখন গল্প পুথিয়ে শিল্পসুলভ সৌন্দৰ্য্যই সুখপাঠ্য কৰি তুলিছে। অকণা মৰিচীকান্ত গোস্বামীৰ বহু ভাগ কাহিনীয়েই সন্নিবিষ্ট হৈছে। তেওঁৰ আন এখন গল্প পুথি জীৱনৰ জীয়াজুই। সমালোচনামূলক উল্লেখযোগ্য গ্ৰন্থৰাজি হ'ল—সাহিত্য আলোচনা, সাহিত্য কলা আৰু তাৰ বিচাৰ, নন্দনতত্ত্ব, ইংৰাজী সমালোচনাৰ ধাৰা আৰু অসমীয়া সাহিত্যত ইয়াৰ প্ৰভাৱ, সমুদ্ৰ মন্থন আদি। গোস্বামীৰ গল্পৰ সমালোচক সকলৰ মতে তেওঁৰ গল্পত কল্পনাৰ ডেউকা উৰা শুনা নাযায়। প্ৰায় ভাগ গল্পতে তেওঁ জনা সমাজখনৰ মানুহক তুলি ধৰিছে।

প্ৰবন্ধ চয়ন তেওঁৰ সম্পাদিত গ্ৰন্থ আৰু মন্দাকিনী তেওঁৰ সম্পাদিত আলোচনী। গোস্বামীয়ে বাহী আৰু আৱাহনত বেছিভাগ গল্প আৰু সমালোচনা প্ৰকাশ কৰিছিল। জীয়া মানুহ (১৯৫০) তেওঁৰ একমাত্ৰ ব্যংগ ধৰ্মী উপন্যাস। মুখত তিতা পেটত মিঠা সাধাৰণতে ব্যংগ লেখক সকলৰ আচল ধৰ্ম। এনে ধৰ্মৰে গোস্বামীয়ে জীয়া মানুহ নামৰ উপন্যাস খনত সমাজৰ বিকৃত, এলান্ধু ৰূপটো; দুৰ্দশাগ্ৰস্ত অসমীয়া সমাজৰ বিভিন্ন দিশত দৃষ্টিপাত কৰিছে।

১৯২৬ চনত গৰ্ডন স্কুলৰ পৰা প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ এটা ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ১৯২৮ চনত কটন কলেজৰ পৰা আই—এ পৰীক্ষাতো ত্ৰৈলোক্য নাথ গোস্বামীয়ে প্ৰতিযোগিতা মূলক প্ৰতিভা বৃত্তি লাভ কৰি এক উৎসাহেৰে আগবাঢ়ি ১৯৩০ চনত দৰ্শনত অনাৰ্চলৈ স্নাতক আৰু ১৯৩২ চনত তেতিয়াৰ কটন কলেজত থকা ইংৰাজীৰ স্নাতকোত্তৰ শ্ৰেণীৰ পৰা এম.এ উপাধি লাভ কৰে। ১৯৩৫ চনত বি-এল

ডিগ্ৰী লাভ কৰে গুৱাহাটীৰ আৰ্ল'ল কলেজৰ পৰা।

অসম আৰু অসমীয়াৰ মংগলৰ নিমিত্তে চিন্তা কৰা গোস্বামীয়ে অসমৰ সচেতন সমাজক উদ্দেশ্য কৰি কৈছিল — "আমাৰ দেশত জনগণৰ মাজত যি চৈতন্যৰ সঞ্চাৰ হৈছে সি জীৱন যুদ্ধত বাচি থাকিবলৈ সচেষ্ট হোৱা এটা জাতিৰ জাগৰণ। এই জাগৰণ আন্দোলন মুখী নহৈ গঠনমুখী কৰি তোলাৰ প্ৰচেষ্টা আমাৰ মাজত প্ৰবলভাৱে গঢ়ি উঠিব লাগে।"

মোৰ জীৱন তেনেই গতানুগতিক বুলি কোৱা গোস্বামীয়ে এজন, শিক্ষিত নিবনুৱা হিচাপে জীবিকাৰ কাৰণে নানা কষ্ট ভূগিব লগা হৈছিল তেতিয়াতে; এতিয়া আমাৰ শিক্ষিত ডেকা-সকলে তেতিয়াৰ কথাৰ লগত আজিৰ তুলনা কৰা উচিত। যিমানেই কষ্ট ভূগিবঁ লগা নহওক কিয় গোস্বামীয়ে অসম আৰু অসমীয়াৰ কথা অকনো পাহৰা নাছিল আৰু সেই বাবেই এনে এজন গুণী অসমীয়াৰ গুণৰ মোল বুজি অসমবাসীয়ে দিব পৰা শ্ৰেষ্ঠ সন্মান অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি হিচাপে হুবাবো নিৰ্বাচিত কৰিছিল। প্ৰায় আঢৈ কুৰি বছৰে অসম আৰু অসমীয়া ভাষা সাহিত্যৰ উন্নতি হকে অক্লান্ত পৰিশ্ৰম কৰা ত্ৰৈলোক্য নাথ গোস্বামীয়ে প্ৰথমে কলিকতালৈ গৈ তাৰ অক্সফোৰ্ড ইউনিভাৰ্চিটি প্ৰেছ'ৰ কাৰ্য্যাধ্যক্ষৰ সহায়কাৰীৰূপে চাকৰিত সোমাই আৰু তাৰ পৰা গুচি আহি নলবাৰীৰ গৰ্ডন স্কুলত সহকাৰী শিক্ষকৰূপে নিযুক্ত হয়। এই সহকাৰী শিক্ষক পদ এৰি উত্তৰ গুৱাহাটীৰ কমলদেৱ ইনষ্টিটিউটত প্ৰধান শিক্ষকৰ পদ গ্ৰহণ কৰে। ইয়াৰ উপৰিও মাজতে অস্থায়ী ভাবে কটন আৰু তেতিয়াৰ শ্ৰীহট্টৰ মুৰাৰীচাঁদ কলেজতো অধ্যাপনা কৰে। ১৯৪৫ চনত নলবাৰী কলেজ প্ৰতিষ্ঠা হ'ল আৰু তেওঁক অধ্যক্ষৰূপে নিয়োগ কৰা হয়। যি এবাৰ অধ্যক্ষৰ আসনত বহিলে প্ৰায় তেইশ বছৰ কাল অধ্যক্ষৰূপে থাকি নলবাৰী কলেজ

গড়াত অৱিহণা যোগাই ১৯৬৮ চনৰ ১ লা অক্টোবৰত অৱসৰ লয়।

দেশ স্বাধীন হোৱাৰ পিছত ত্ৰৈলোক্য নাথ গোস্বামীয়ে জয়প্ৰকাশ নাৰায়ণৰ নেতৃত্বাধীন তেতিয়াৰ সমাজবাদী দলত যোগদিয়ে আৰু ১৯৫১ চনৰ প্ৰথম সাধাৰণ নিৰ্বাচনত পুব নলবাৰী সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয়ৰ স্বাদ লবলগীয়া হ'ল।

১৯১৮ চনৰ সময়তে; তেতিয়া হাইস্কুলৰ ছাত্ৰঅৱস্থাতে সাহিত্যিক, সমালোচক গোস্বামীয়ে সাহিত্য ৰচনাত হাত দিয়ে। গল্পকাৰ আৰু সমালোচক হিচাপে প্ৰধানত আৱাহন' আৰু 'বাঁহী'ৰ যোগে তেওঁ আত্মপ্ৰকাশ কৰে। এজন সাহিত্য সমালোচক হিচাপে খ্যাত গোস্বামীয়ে সমালোচনাৰ সমালোচকৰ দায়িত্বৰ কথা সোঁৱৰাই দি কৈছে—"আমাক লাগে বিনয়ী আৰু উদাৰ মনৰ সমালোচক। এনে সমালোচকৰ পৰা আমি বিচৰা নাই পাণ্ডিত্য গন্ধী বিক্ষিপ্ত ব্যক্তিগত চিন্তাধাৰা কিন্তু বিচাৰিছো লেখকৰ দৃষ্টি ভংগীৰ নিখুঁত বিশ্লেষণ আৰু ৰচনাৰ মাজত লুকাই থকা সৌন্দৰ্য্যৰ প্ৰকাশ।" গোৱালপাৰা অধিবেশন স্থলীত দিয়া অভিভাষণত আৰু কৈছে—'এটা জটিল সমস্যাৰ মাজত আজিৰ যুগৰ সাহিত্যিক সকল থিয় দিছে। ভাব বিলাসত আপোন পাহৰা হৈ পৰা সময় আজিৰ সাহিত্যিকৰ নাই। জীৱনৰ গধুৰ সমস্যাবোৰ তেওঁলোকৰ মূৰৰ ওপৰত। সাহিত্যিকৰ সন্ধানী মনোবৃত্তিয়ে এই বোৰ সমাধান বিচৰাৰ প্ৰয়োজন হৈ পৰিছে।"

যশস্বী সমালোচক নন্দন তাত্বিক ত্ৰৈলোক্য নাথ গোস্বামীৰ ১৯৮৮ চনৰ ফেব্ৰুৱাৰী মাহত পৰলোক প্ৰাপ্তি হয়। সাতজন লৰা আৰু তিনি গৰাকী ছোৱালীৰ পিতৃ গোস্বামীৰ জন্মদাতা পিতৃ যামিনী কান্ত গোস্বামী আৰু মাতৃ অমৃতাপ্ৰিয়া দেৱী।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ ত্ৰিংশ অধিবেশনৰ সভাপতি

শেৱালি কবি ৰত্নকান্ত বৰকাকতী

কম সংখ্যক কবিতা প্ৰকাশ কৰি যি কেইজন উষাৰ দিনৰ কবিয়ে অসমীয়া কাব্য সাহিত্যৰ ইতিহাসত জাতে-পাতে সুকবি হিচাপে সুপৰিচিত হৈ, স্থায়ী আসন দাবী কৰিব পাৰে তাৰ ভিতৰত নাজিৰাত অনুষ্ঠিত অসম সাহিত্য সভাৰ ত্ৰিংশ (১৯৬৩) চনৰ অধিবেশনৰ সভাপতি, শেৱালি কবি ৰত্নকান্ত বৰকাকতী অন্যতম। বৰকাকতী দেৱৰ জন্ম নগাঁৱৰ টিং মৌজাৰ আঠগাঁৱত ১৮৯৭ চনৰ ২০ জুনত আৰু ১৯৬৩ চনৰ ২০ এপ্ৰিল তাৰিখে নাজিৰাত বহা অসম সাহিত্য সভাৰ অধিবেশনত সভাপতিত্ব কৰি ঘৰলৈ উভতি আহোঁতে ২১ এপ্ৰিল তাৰিখে মাজ বাটতে যোৰহাটৰ মিচন হাস্পাতালত দেহাৱসান ঘটে। ত্ৰিংশ অধিবেশনৰ সভাপতিৰ আসনৰ পৰাই তেওঁ কৈছিল—"আমাৰ জীৱনধাৰণৰ ক্ষেত্ৰত আত্মৰক্ষা আৰু আত্মপ্ৰকাশৰ কাৰণে আমি যাইকৈ অসমীয়া হৈ থাকিব লাগিব।" তেওঁ আৰু কৈছিল—"অসমীয়া হিচাপে আমাৰ বৰ্তমান পৰিস্থিতিত আমি ভালকৈ হৃদয়ংগম কৰিব লগা হৈছে যে সবল অসমীয়া ভাষা আৰু অসমীয়া সাহিত্যইহে সবল অসমীয়া জাতিৰ মেৰুদণ্ড।"

শেৱালি কবি একেধাৰে এগৰাকী কবি, সমালোচক আৰু নাট্যকাৰ যদিও তেওঁ খ্যাত 'শেৱালি'ৰ কবি হিচাপেহে। বি, এ মহলালৈকে অধ্যয়ন কৰি উপাধি নোলোৱাকৈ উভতি আহি দেশ-সেৱাত লগা বৰকাকতীৰ 'অলকা' একমাত্ৰ স্বৰচিত নাট। শেৱালিৰ

বাহিৰে বাকী কবিতা সংকলন তৰ্পণ (১৯৫৩) আৰু চন্দ্ৰহাৰ (১৯৬৩)ত প্ৰকাশিত। কবিৰ আন আন গ্ৰন্থ হ'ল—আমাৰ লিপি প্ৰশ্ন, আলাপ, ছিন্ন স্বৰাজ। বৰকাকতীদেৱৰ কবিতাত সংগীত আৰু চিত্ৰই সমানে প্ৰাধান্য লাভ কৰিছে। তেওঁৰ কবিতাৰ আন এটি বৈশিষ্ট হৈছে ছন্দ বৈচিত্ৰ। শেৱালিৰ প্ৰায় ভাগ কবিতাই প্ৰেম ভালপোৱাক কেন্দ্ৰ কৰি লিখা বুলি কব পাৰি। প্ৰণয়ৰ বিভিন্ন ভাৱৰ প্ৰকাশ হিচাপে বৰকাকতী ডাঙৰীয়াৰ প্ৰেমৰ গীতি-কবিতাখিনিয়ে অসমীয়া সাহিত্যত যেনেকৈ এক নিজস্ব স্থান লব পাৰিছে থিক তেওঁৰ কবিতাৰ ছন্দেৰে অসমীয়া কাব্য সাহিত্যত এটা নতুন যুগ প্ৰৱৰ্তনত সফল হৈছে। তেওঁৰ গীতি কবিতাৰ বাহিৰেও বৰকাকতীয়ে দাৰ্শনিক তথ্যমূলক প্ৰবন্ধ আৰু সাহিত্যৰ সমালোচনা আদিও লিখিছে। উষা-বাঁহী আৰু চেতনা আলোচনীত তেওঁৰ অনেক ৰচনা প্ৰকাশ পাইছে। শেৱালি প্ৰকাশ হয় ১৯৩২ চনত। স্বভাৱ জাত কবি হিচাপেও পৰিচিত শেৱালি কবিয়ে মাত্ৰ এঘৰ বছৰ বয়সতে কবিতা ৰচা আৰম্ভ কৰে। সাধাৰণতে তেওঁৰ কবিতাত স্ত্ৰী-পুৰুষৰ প্ৰেম বুলিলে স্বাভাৱিকতে যি বুজো সেয়ে প্ৰেম নহয়; তেওঁৰ কবিতা বোৰত মাথোন মানৱ হৃদয়ৰ সহজ বিশ্বজনীন অনুভূতি এটিৰ বিভিন্ন অবস্থাৰহে প্ৰকাশ পাইছে।

অসহযোগ আন্দোলনৰ সময়ত সমগ্ৰ দেশৰ দেশপ্ৰেমী সকলৰ লগতে ৰত্নকান্ত বৰকাকতীয়েও অসহযোগ আন্দোলনত জপিয়াই পৰিছিল। টিং প্ৰাইমাৰী স্কুলৰ পৰা আৰম্ভকৰি ১৯১৫ চনত নগাওঁৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯২০ চনৰ মহাত্মা গান্ধীৰ মুক্তি আন্দোলনৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা ৰত্নকান্ত বৰকাকতীৰ পিতৃ চাৰিতৰ সাতৰবীয়া কাকতীৰ পৃথক বৰকাকতীৰ বংশৰ বায়চাহাব ভুধৰ বৰকাকতী। মাতৃ তুলসীময়ী বৰকাকতী। প্ৰবীণ সাহিত্যিক দেৱানন্দ ভৰালীৰ

কন্যা প্ৰেমলতা হ'ল তেওঁৰ পত্নী।

১৯১৭ চনত নলবাৰী হাইস্কুলত কিছুদিনৰ বাবে শিক্ষকতা কৰা বৰকাকতীয়ে পিতাকৰ মৌজাৰ প্ৰথমে একটিং মৌজাদাৰ আৰু পাচলৈকে মৌজাদাৰ হিচাপে সাংসাৰিক জীৱন অতিবাহিত কৰে।

১৯৫৫ চনত ভাৰত চৰকাৰে লিপি পৰিবৰ্তনৰ কাৰণে লোৱা প্ৰস্তাৱৰ তীব্ৰ বিৰোধিতা কৰি 'আমাৰ লিপি প্ৰশ্ন' শীৰ্ষক প্ৰবন্ধ লেখক বৰকাকতীয়ে ১৯৫৯ চনত দিল্লীত অনুষ্ঠিত আকাশ-বাণী কবি সন্মিলন, মাদ্ৰাজত অনুষ্ঠিত ভাৰতীয় লেখক সমাবোহত প্ৰতিনিধিত্ব কৰি অসম আৰু অসমীয়াৰ হকে প্ৰচাৰ কাৰ্য্যচলাইছিল। 'আমাৰ লিপি প্ৰশ্ন' প্ৰবন্ধই এসময়ত আলোড়ত সৃষ্টি কৰিছিল, তেওঁৰ আন কেইটিমান যুক্তিবাদি প্ৰবন্ধ হ'ল—ভাৰতীয় ঐতিহ্য আৰু আধুনিক লিখক, সাহিত্যৰ স্বৰূপ, ভাৰতীয় সংস্কৃতিৰ গুৰিৰ কথা, সংস্কৃতি আৰু উপনিষদ, ভাষাৰ ঐক্য ইত্যাদি।

কবিতাৰ মাধ্যমেৰে কবিয়ে বিচাৰে সুন্দৰৰ লগত অসীম চিৰসুন্দৰৰ মিলন। শেৱালিৰ 'মোৰপূজা' কবিতাত গভীৰ মনোধৰ্মী সত্য প্ৰকাশ পাইছে। কবিতাটিৰ—

"তোমালোকে নাম গোৱা
বন্ধা নাম বন্ধা সুৰে
সাতোদয় একেদৰে
চাপৰি বজাই,
মই গাওঁ নানা স্বৰে
ছন্দে ছন্দে থৰে থৰে
হৃদয়ৰ স্তৰে স্তৰে
হৃদয় সজাই।"

শেৱালি কবিয়ে এনে ধৰ্মী সৰহভাগ কবিতাক যোগেদি এজন সুনিপুণ শিল্পীৰূপে পৰিচয় দিব পৰাটোৱে বিৰাট কাব্যিক সফলতা। শেৱালিৰ কবিৰ প্ৰেম অতীন্দ্ৰিয় প্ৰেম নহয়। এক অভিনৱ সৌন্দৰ্য্যময় শক্তি যাৰ কবিতাত পোৱা যায় সেই জন্যে শেৱালি কবিয়ে অসমীয়া কাব্য সাহিত্যৰ নৱন্যাস আন্দোলনত অবিহণা যোগাবলৈ দেশৰ কাব্য আকাশত ভুমুকি মাৰেহি কুৰি শতিকাৰ দ্বিতীয় দশকৰে পৰা। তেতিয়াৰে পৰা বৰ্ত্তমানলৈ আৰু আগলৈ বহুকাল ৰবকাকতীৰ স্থান দেশৰ কাব্য আকাশত উজ্জ্বল তৰাৰ নিচিনাকৈ জিলিকি আছে আৰু জিলিকি থাকিব।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ একত্ৰিংশতম অধিবেশনৰ সভাপতি।

সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্ত

জোনাকীযুগৰ সাহিত্যানুৰাগী শিক্ষিত ডেকাসকলৰ ভিতৰত সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্তৰ নাম বিশেষ ভাবে উল্লেখ যোগ্য এটি নাম। সেই সময়ৰ শিক্ষিত ডেকাসকলে অসমীয়া সাহিত্যৰ কেৱল একেটি দিশতে আবদ্ধ হৈ পৰা নাছিল। চিৰ চেনেহী মোৰ ভাষা জননীক টনকিয়াল কৰি নুতুলিলে আৰু সাহিত্য প্ৰচাৰৰদ্বাৰা জাতিক আত্ম সচেতন কৰি তুলিব নোৱাৰিলে অসমীয়াত্ব অক্ষুন্ন ৰখাটান হ'ব ভাবিয়েই শিক্ষিত ডেকাসকলে জাতিৰ হকে জাতীয় কৰ্মক্ষেত্ৰত নামি পৰিছিল। চিৰ চেনেহী মোৰ ভাষা জননীৰ সকলো দিশৰ দৈন্য দূৰ কৰিবলৈ সাহিত্যাচাৰ্য মহন্তদেৱেও উঠি পৰি লাগিছিল আৰু নাটক, গীত, কবিতা, চিত্ৰ, শিশুসাহিত্য আদি বিভিন্ন বিধৰ ৰচনাৰে অসমীয়া সাহিত্যলৈ বিশিষ্ট অৰিহণা আগবঢ়াই থৈ গ'ল।

এগৰাকী প্ৰসিদ্ধ নাট্যকাৰ আৰু প্ৰখ্যাত অভিনেতা; ১৯৬১ চনত 'সংগীত নাটক' অকাডেমীৰ বঁটাৰে সন্মানিত সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্তই হ'ল অসম সাহিত্য সভাৰ মুকলি অধিবেশনত উদ্বোধনী গীত হিচাপে গোৱা চিৰসেউজীয়া—চিৰ নতুন "চিৰ—চেনেহী মোৰ ভাষাজননী" গীতৰ ৰচক। ধেমেলীয়া নাট ৰচনা কৰি খ্যাতি অৰ্জা সাহিত্যাচাৰ্য মহন্তদেৱৰ 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটি ১৯২৮ চনৰ পৰা অসম সাহিত্য সভাই গ্ৰহণ কৰিছে।

সত্ৰীয়া নৃত্য-গীত বাদ্যত অভিজ্ঞ মহন্তদেৱে চিৰকুমাৰ যতীন্দ্ৰনাথ দুৱৰাৰ সভাপতিত্বত অনুষ্ঠিত অসম সাহিত্য সভাৰ ১৯৫৫ চনৰ চতুৰ্বিংশ গুৱাহাটী অধিবেশনৰ সংগীত শাখাৰ সভাপতি আছিল। একাধাৰে অসমীয়া সাহিত্যলৈ নাটক, গীত, কবিতা শিশুসাহিত্য, চিত্ৰ আৰু অন্যান্য ৰচনাৰ ভিতৰত বিশেষ সিদ্ধহস্ততা প্ৰকাশ পাইছে ধেমেলীয়া নাট্যাৱলীৰ যোগে। তেওঁৰ প্ৰকাশিত আৰু অপ্ৰকাশিত ১৬ খন ধেমেলীয়া নাটৰ ভিতৰত 'বিয়া বিপৰ্যয়, কুকুৰী কণাৰ আঠমঙলা সৰ্বাধিক সমাদৰ লাভ কৰা ধেমেলীয়া নাটক। ইয়াৰ উপৰিও লেকলো লানি, নিবোকা ৰজা, এটা চুৰট, ধেণ্ডৰ-ভেণ্ডৰ, চেঁচা জ্বৰ, অচিন কাঠৰ খোৰা, চৰণ ধূলিক আদিকৰি ব্যংগ আৰু হাস্যৰসেৰে ভৰা ধেমেলীয়া নাটৰ বাদে আৰু ১৭ খন নাটক ৰচনা কৰিছে। অন্ধ সংস্কাৰ আৰু ধৰ্মীয় ভণ্ডামি তেওঁৰ নাটৰ উল্লেখনীয় বিষয় বস্তু।

১৯১৬ ৰ পৰা ১৯৫০ চনলৈ যোৰহাট থিয়েটাৰৰ লগত নিবিড় ভাবে জড়িত মিত্ৰদেৱ মহন্তৰ জন্ম হয় যোৰহাটৰ সৰ্বাই বৰদ্ধাৰ লেটুগ্ৰাম সত্ৰত ১৮৯৪ চনৰ জুন মাহত। সত্ৰীয়া নৃত্য-গীত বাদ্যত অভিজ্ঞ মহন্তদেৱে ১৯৫০ চনত লেটুগ্ৰাম সত্ৰৰ এজন সত্ৰাধিকাৰ হৈ এজন সত্ৰাধিকাৰ হিচাপে বিশেষ কৃতিত্ব দেখুৱাই ৰাইজৰ মাজত বিশেষ ৰূপত জনাজাত হৈ পৰিছিল।

গোলাঘাট বেজবৰুৱা হাইস্কুলৰ প্ৰধান-শিক্ষক হিচাপে ১৯৪৭ চনৰ পৰা ১৯৪৯ চনলৈ কাৰ্য্যনিৰ্বাহ কৰা মহন্তদেৱে শিক্ষকতাকে জীৱনৰ পথ হিচাপে নিৰ্বাচিত কৰি লৈছিল। ১৯১২ চনত যোৰ-হাটৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯১৫ চনতে সহকাৰী শিক্ষক হিচাপে যোৰহাট চৰকাৰী হাইস্কুলত কাম কৰে। পিচত ১৯৩৭ চনত এছিষ্টেণ্ট চুপাৰিণ্টেণ্ডেণ্ট নৰ্মাল স্কুল আৰু ১৯৪৭ চনত চুপাৰিণ্টেণ্ডেণ্ট হয়গৈ। ১৯৪৮-৫০ চনৰ সময়ছোৱাত গোলাঘাট গুৰু ট্ৰেইনিং স্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট হয়।

জনসংখ্যাই কেৱল জাতি এটাৰ সত্তা নিৰূপন নকৰে বুলি অসম সাহিত্য সভাৰ ১৯৬৪ চনত অনুষ্ঠিত একত্ৰিংশতম ডিগবৈ অধিবেশনৰ সভাপতিৰ আসনৰ পৰা বিশেষ ভাবে উল্লেখ কৰা সাহিত্যাচাৰ্য্য মিত্ৰদেৱ মহন্তই অসম সাহিত্য সভাৰ একত্ৰিংশ অধিবেশনৰ সন্মানীয় সভাপতি। তেওঁয়ে শেৱালি কবি ৰত্নকান্ত বৰকাকতীৰ পিচৰ বছৰৰ কাৰ্য্যকালৰ বাবে নিৰ্বাচিত এগৰাকী অভিজ্ঞ সভাপতি।

অসমৰ সামাজিক জীৱন, জাতীয় জীৱন আৰু সাহিত্যত গীতি সাহিত্যই এখনি বহল ঠাই অধিকাৰ কৰি আছে। ১৯২৪ চনত জ্ঞান—লহৰী নামৰ কবিতা গ্ৰন্থ প্ৰকাশ পোৱা মহন্তদেৱৰ গীতি—শতদল এখন জনপ্ৰিয় গীতৰ সংকলন। অসম সাহিত্য সভাৰ মুকলি অধিবেশনত আটাইৰে অন্তৰ জয় কৰা মিত্ৰদেৱ মহন্তই ৰচনা কৰা উল্লেখনীয় গীতটি হ'ল।

চিৰ চেনেহী মোৰ ভাষা জননী।
আই ধন্যে—পুণ্যে হৃৎ পাৱনী।।
প্ৰকৃতি পৰশে ৰসে অমল কমল
চঞ্চল হৃদি জলে ধালে পাৰিমল
কোমল চম্পাৰ কলি
ঢৌৱে ঢৌৱে ঢৌ তুলি
ৰিণিকি ৰিণিকি কোনে তোলে ৰাগিণী।।
সংসাৰ গুৰুভাৰে অৱশ পৰাণ
হিয়াত বিলীন হয় হিয়া ভৰা গান
কাৰ নিচুকনি শুনা
শুনি বাণী ব্যথা পমা
চকুতে চকুৰ নীৰ লয় জিৰণি।।
জীৱনে মৰণে লহৰী সুধাৰ
ৰসনা শিতান ৰহি সিঁচা শতধাৰ

হে মোৰ মধুৰা ন না
মাগিছো মাধুৰী কণা
দিয়া দিয়া দিয়া আই মধু ভাষিণী।

আজি অসমীয়া গীতি-সাহিত্য পৃথিৱীৰ যিকোনো গীতি সাহিত্যৰ তুলনাত কোনো গুণে কম নহয়। শংকৰ-মাধৱৰ বৰগীত অসমৰেই নহয় পৃথিৱীৰ গীতি সাহিত্যৰ বুৰঞ্জীত এটি উজ্জল স্বাক্ষৰ।

১৯২৫ চনত প্ৰকাশিত মৌ মহাভাৰত, ১৯২৪ চনত প্ৰৱকে আদি কবি প্ৰায় ৯ খন প্ৰকাশিত অপ্ৰকাশিত শিশু সাহিত্য অসমীয়া শিশু সাহিত্যৰ ভৰাললৈ আগবঢ়োৱা মহন্তদেৱৰ অমূল্য অৰিহণা। অসমৰ ধৰ্মাধিকাৰ সকলৰ উপাধিবিচাৰকে আদি কবি এঘাৰখনৰো অধিক বিবিধ বিষয়ৰ সাহিত্য সম্ভাৰ সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্তৰ কাপৰ পৰা ওলাইছে।

সাহিত্যাচাৰ্য মহন্তৰ পিতৃ নিৰঞ্জন দেৱ অধিকাৰ গোস্বামী, মাতৃ বগীতৰা আৰু পত্নী লক্ষ্মীপ্ৰিয়া দেৱী।

হেমচন্দ্ৰ, গুণাভিৰাম, লক্ষ্মীনাথ আৰু তেখেত সকলৰ সহযোগী সকলে অসমীয়া সাহিত্যৰ যি ভেটি নিৰ্মাণ কৰিলে এই শ্ৰদ্ধাৰ ব্যক্তি সকলে সৃষ্টি কৰা জোনাকী যুগৰ আন এজন প্ৰতিনিধি আছিল মিত্ৰদেৱ মহন্ত। ১৯৮৩ চনৰ ২৬ মাৰ্চত এই গৰাকী জোনাকী যুগৰ সাহিত্যিকৰ পৰলোক প্ৰাপ্তিৰ লগে লগে অসমীয়া সাহিত্যৰ ভেটি নিৰ্মাণ কৰা জোনাকী যুগৰ শেষৰজন প্ৰসিদ্ধ বহুমুখী সাহিত্যিকক বিদায় দিবলগীয়া হয়।

"মানুহেই দেৱ ইহ জগতৰ
মানুহেই পৰাৎপৰ।
মানুহৰ প্ৰীতি সাধিবলৈ চোৱাঁ
বিশ্ব-জগৎ—কল্পনা ;
আল ধৰিবলৈ সহস্ৰ প্ৰদীপ

আৰতিৰ ধূপ—ধূনা।"

চন্দ্ৰ কুমাৰ আগৰৱালা

গীতা, ভাগৱত, কীৰ্ত্তন, ঘোষা, বেদ, উপনিষদ আদি শাস্ত্ৰৰ এগৰাকী উত্তম ব্যাখ্যাকাৰ সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্তই কৈছিল—"যি দেশত তেওঁলোকৰ জন্ম, যি দেশত তেওঁলোকৰ জীৱিকা, যি দেশৰ মাটিত তেওঁলোকে দেহা এৰিবলৈকো আশা পালি আছে, সেই দেশৰ সাংস্কৃতিক জীৱনৰ লগত তেওঁলোকৰ স্বকীয়া হৈ থাকিবৰ ইচ্ছা নকৰাটোৱেই অতি স্বাভাৱিক প্ৰেৰণা।"

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ দ্বাত্ৰিংশ অধিবেশনৰ সভাপতি।

ইন্দ্ৰধনুৰ কবি ডিম্বেশ্বৰ নেওগ

সাম্প্ৰতিক যুগৰ অসমত জাতীয় ধ্বনিত পৰিণত "মৰে অসম জীয়ে কোন, জীয়ে অসম মৰে কোন?" মন্ত্ৰবাৰিৰ স্ৰষ্টা হ'ল অসমীয়া ভাষা সাহিত্যৰ বুৰঞ্জী - প্ৰণেতা হিচাপে প্ৰসিদ্ধ ডিম্বেশ্বৰ নেওগদেৱ। অসমত যি বিদেশী নাগৰিক বহিস্কাৰৰ বৃহৎ আন্দোলন হৈছিল সেই আন্দোলনৰ সময়ছোৱাতে বিশেষ ভাবে জাতীয় ধ্বনিত পৰিণত হোৱা মন্ত্ৰবাবি উদাত্ত কণ্ঠেৰে ১৯৬৫ চনত নলবাৰীত অনুষ্ঠিত অসম সাহিত্য সভাৰ দ্বাত্ৰিংশতম অধিবেশন স্থলিৰ সভাপতিৰ আসনৰ পৰা ডিম্বেশ্বৰ নেওগদেৱেই অসমবাসীক অজৰ অমৰ কৰি দি গ'ল। সঁচাঅৰ্থত ভাষা-সংস্কৃতিক উদ্ধাৰৰ নিমিত্তে, উদ্ধাৰ কৰি-বলৈ বিভিন্ন সময়ত আৰু বিভিন্ন কোনত জন্ম লোৱা বীৰৰ একো একোষাৰি অজৰ অমৰ বাণীয়ে একো একোতা জাতিৰ জাতীয় জীৱনত গভীৰ সাঁচ পেলাবলৈ সক্ষম হয়। আৰু তেনে বলতে সেই সকল হৈ পৰে জাতিৰ বৰেণ্য পুৰুষ।

ডিম্বেশ্বৰ নেওগ একেধাৰে কবি, নিৰ্ভীক সমালোচক, নাট্য-কাৰ, উপন্যাসিক, চুটি গল্প লেখক, বিশিষ্ট শিক্ষাবিদ আৰু বৈষ্ণৱ সাহিত্যৰ বিশেষ পুৰুষ। অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতাৰূপে অধিক প্ৰসিদ্ধ নেওগৰ জন্ম ১৮৯৯ চনত বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰৰ কমাৰফদীয়া গাঁৱত। বিজ্ঞানৰ ছাত্ৰ এজনে বিজ্ঞানৰ দিশত ঢাল নো খালে, ঢালখালে ভাষা-সংস্কৃতিৰ ফালেহে। ছাত্ৰ অৱস্থাৰ পৰাই ভাষাজননীৰ একনিষ্ঠ ভাবে সেৱা আগবঢ়াই ১৯৬৬ চনৰ ১২

নৱেশ্বৰত অসম আৰু অসমীয়াক কন্দুৱাই ইহলীলা সম্বৰণ কৰে। সেয়ে হয়তো কৰ্ম্মপ্ৰাণ হেমচন্দ্ৰ গোস্বামীয়ে কৈছিল—"যেতিয়া তুমি পৃথিৱীলৈ আহিছিলা, তুমি কান্দি কান্দি আহিছিলা আৰু শুচৰ চুবুৰীয়া সকলোৱে হাঁহিছিল। কিন্তু তুমি এনে কাম কৰিবা যাতে তুমি যেতিয়া পৃথিৱী এৰি যোৱা, তেতিয়া যেন তুমি হাঁহি-হাঁহি যোৱা আৰু আনে তোমাৰ নিমিত্তে হিয়া ভুকুৱাই কান্দে।" দেশসেৱকৰ, ভাষা জননীৰ সেৱকৰ সময় তেনেই তাকৰ, পৰিতাপৰ বিষয় অসমীয়া ভাষা সাহিত্যৰ বুৰঞ্জী প্ৰণেতা ডিম্বেশ্বৰ নেওগদেৱেও কম বয়সতে মানৱ জগতৰ পৰা নৰনাট সামৰে। এনে এগৰাকী প্ৰতিভাশালী বীৰ পুৰুষৰ মৃত্যুত জাতিৰ জাতীয় জীৱনৰ এক অপূৰণীয় ক্ষতি হোৱাটো তেনেই স্বাভাৱিক ঘটনা।

আঠৈকুৰি বছৰৰ ওপৰৰ কালছোৱা সাহিত্য চৰ্চা কৰি স্বৰ্গীয় নেওগদেৱে অসমীয়া সাহিত্যৰ নানা দিশলৈ বৰঙণি যোগাইছে। মাত্ৰ এঘাৰ বছৰ বয়সতে তেওঁ লিখিছিল 'আম' নামৰ এটি কবিতা। তেতিয়াতে আৰম্ভ কৰি এখন এখনকৈ প্ৰায় চৈধ্য খন কবিতা পুথি ৰচনাৰে অসমীয়া সাহিত্যৰ কাব্যৰ ভঁৰাল চহকী কৰে। 'মালিকা' তেওঁৰ প্ৰথম কবিতাৰ পুথি। মালিকা ১৯২১ চন, থুপিতৰা ১৯২৫ চন, মালতী ১৯২৭ চন, ইন্দ্ৰধনু ১৯৩০ চন, মুকুতা ১৯৩২ চন, শ্বহীদে কাৰবালা ১৯৪১ চন, অসমা ১৯৪৭ চন, বিচিত্ৰা ১৯৪৮ চন, থাপনা ১৯৪৮ চন, মেঘদূত ১৯৪৭ চনত প্ৰকাশ পাইছে। অসমৰ অত ত'ত সিচৰিত হৈ থকা নানালোক সাহিত্য সংগ্ৰহ আৰু সম্পাদনা কৰিও তেওঁ অসমীয়া লোকসাহিত্যৰ ভঁৰাললৈ আগবঢ়াই এক মহৎ অৱদান। আকুল পথিক ১৯২২ চনত আৰু ভোগজৰা তেওঁৰ লোকগীত সংগ্ৰহৰ পুথি প্ৰকাশ হৈছে।

ৰোমাণ্টিক যুগৰ এজন অন্যতম শ্ৰেষ্ঠ কবি হিচাপে নিৰ্বাচিত নেওগদেৱক সাধাৰণতে 'ইন্দ্ৰধনু'ৰ কবি বুলিহে বিশেষ ভাৱে পৰি-

চিত্ত কৰাব পাৰি। প্ৰধানত ডিম্বেশ্বৰ নেওগ প্ৰেমৰ কবি। এইহাতে আবেগত গা ঢালি দিয়া কবি আৰু আনহাতে স্বদেশপ্ৰেমিক কবি। নেওঁগদেৱে পৰাধীনতাৰ কবলত থকা দেশৰ মানুহৰ দুখত জৰ্জৰিত হৈ লিখিছিল।

'যিদিনা অসমে লোকৰ
হাতত দিলে সঁপি নিজে
জাতীয় ধ্বজা,
নিজস্ব পাহৰি ভীৰুৰ দৰেই পৰৰ
লোকক বুলিলে ৰজা;
সেই বিদেশীয়ে স্বাধীন দেশত
খোজ দি মাতৃক কৰে মৰ্মাহত,
সেই বিদেশীৰ প্ৰতি গছকত
মাতৃৰ হৃদয় ৰিদৰি গ'ল;
শোণিত বিন্দু বাগৰি সিন্ধু
ল্ইতৰ সতে মিহলি হ'ল!"

১১৩ নং কমাৰ ফদীয়া স্কুলতে বিদ্যাৰম্ভ কৰি ১৯০৯ চনত নিম্নপ্ৰাথমিক বৃত্তি লাভ কৰি ১৯১৯ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰবেশিকাত উত্তীৰ্ণ হয় আৰু ১৯২৪ চনত কটন কলেজৰ পৰা বি,এছ চি ডিগ্ৰী লাভ কৰে। ১৯৪০ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম স্থান অধিকাৰ কৰি এম,এ আৰু ১৯৩৬ চনত বি, টি পৰীক্ষাও পাচ কৰে। ১৯৫১ চনত অৱসৰ লোৱা নেওগদেৱে গুৱাহাটীৰ এ, এছ, এল ক্লাব, অসম ছাত্ৰ সন্মিলনৰ ১৯২৪ চনত; অসম সাহিত্য সভা ১৯৪৪—৪৭ চনত, ১৯২২ চনত জন্মভূমিৰ, ১৯২৩—২৬ চনত 'মিলন'ৰ আৰু অসম সাহিত্য সভাৰ পত্ৰিকাৰো সম্পাদক ৰূপে কাৰ্য্যনিৰ্বাহ কৰে।

"যি অসমীৰ হিয়া কুসুমতকৈও কোমল, আৱশ্যকমতে সি

বজ্ৰতকৈও কঠিন বুলি চিনাকি দিব লাগিব।" বুলি সোঁৱৰাই দিয়া ডিম্বেশ্বৰ নেওগদেৱৰ কেৱল চৈধ্যখনি কবিতা পুথিৰে তেওঁ ৰচিত পুথিৰ তালিকাৰ অধ্যায়বোৰ শেষ কৰিব নোৱাৰি। তেওঁ এগৰাকী উপন্যাসিক, গল্পকাৰ, নাট্যকাৰ হিচাপেও পৰিচিত ব্যক্তি। 'গাঁৱে নগৰে' নেওগদেৱৰ একমাত্ৰ সামাজিক উপন্যাস। সেই হিচাপেৰে একমাত্ৰ গল্প পুথি খনি হ'ল দীপাৱলী ১৯৩১ চনত প্ৰকাশিত। নৈবদ্য, শ্ৰীকৃষ্ণলীলা, কুণ্ডিল কুৱৰী, কামৰূপ, অকাল বসন্ত তেওঁ ৰচিত নাটক। আনহাতে এগৰাকী কৃতি সমালোচক হিচাপে 'অসমীয়া সাহিত্যৰ জিলিঙনি' ১৯৩৯ চনত, অসমীয়া সাহিত্যৰ জেউতি, আৰু অসমীয়া সাহিত্যৰ অধ্যয়ন তেওঁৰ সমালোচনা মূলক গ্ৰন্থ। বৈষ্ণৱ ধৰ্মসম্পৰ্কীয় বিজ্ঞান সম্মত ভাবে আলোচনা কৰা গ্ৰন্থ হ'ল—বৈষ্ণৱ ধৰ্মৰ আঁতিগুৰি, যুগনায়ক শংকৰদেৱ, আৰু বৈষ্ণৱ ধৰ্মৰ ক্ৰমবিস্তাৰ আদি।

শিক্ষকতাক বৃত্তি হিচাপে লোৱা আৰু গোটেই জীৱন জুৰি সাহিত্য সেৱা কৰি অসমীয়া ভাষা-সাহিত্যৰ হাত শক্তিশালী কৰা ডিম্বেশ্বৰ নেওগদেৱে ১৯৬৫ চনত নলবাৰীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ দ্বাত্ৰিংশ অধিবেশনৰ সম্মানীয় সভাপতিৰ আসনৰ পৰা কৈছিল "ভাৰতৰ উন্নতি সাধন আমাৰ দ্বিতীয় দায়িত্ব নহয়। অসমৰ উন্নতি সাধনৰ ভিতৰেদিয়েই আমি ভাৰতৰ উন্নতি সাধিব লাগিব।"

"প্ৰথমতঃ নীচাত্মিকা আৰু দ্বিতীয়তঃ স্বাৰ্থান্ধতা এয়ে অসমৰ জাতীয়তা ধ্বংস তথা স্বাধীনতা হৰণৰ মূল কথা।"

"আমাৰ নতুন জাতীয় সাধনাৰ তীব্ৰ প্ৰয়োজন কেতিয়াবাৰ পৰা অনুভৱ হৈছে, আজি অসমীয়াৰ জাতি আৰু সমাজ, অসম ৰাজ্যপালন সদৌৰে চেষ্টা এই একেটি বিষয়ত কেন্দ্ৰীভূত হোৱা নিতান্ত আৱশ্যক হৈছে।"

ইন্দ্ৰধনুৰ কবি নেওঁগদেৱৰ এটি কবিতাৰ

"লোৰ্‌াঁ লোৰ্‌াঁ হেৰা এতিয়াই সবেচাল—তৰোৱাল তুলি ;
নহলেই কিন্তু শত যুগলই কলংকই খাব খুলি।"

সাহিত্যৰ বুৰঞ্জী প্ৰণেতা ডিম্বেশ্বৰ নেওগদেৱৰ – অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি, আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী, অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জী মূলক পুথি।

ইংৰাজীতো ভাল জ্ঞান থকা নেওগদেৱৰ কেইখনমান উল্লেখ যোগ্য গ্ৰন্থ হ'ল—'Modern Assamese Literature; the origin and growth of the Assamiya Language, new Light on the History of Assamiya Literature।

'অসমীয়া ভাষা আৰু লিপিৰ উৎপত্তি আৰু ক্ৰমবিকাশ' তেওঁৰ আন এখনি উল্লেখযোগ্য গ্ৰন্থ।

অসমৰ গৌৰৱ অম্লান ৰাখিবৰ কাৰণে কৰা যুঁজত অনেক সময়ত বহুতৰ অপ্ৰিয় হৈছিল, কিন্তু জাতীয় মংগলৰ নিমিত্তে তালৈ তেওঁ কেৰেপ কৰা নাছিল। সামাজিক তথা নৈতিকপ্ৰেৰণাদায়ক কবিতাৰে দেশৰ মানুহক সচেতন কৰিবলৈ সাৰ্থক কবিতাৰ সৃষ্টি কৰা স্বদেশ প্ৰেমিক কবি ডিম্বেশ্বৰ নেওগৰ পিতৃ মানিক চন্দ্ৰ নেওগ, মাতৃ—চন্দ্ৰপ্ৰভা আৰু পত্নী সুলেখিকা আজলিতৰা নেওগ। সাহসেৰে আৰু নিষ্ঠাৰে মাতৃভাষাৰ মহিমা কীৰ্তন কৰা নেওগদেৱৰ কবিতাৰে।

'তোমাৰ নিচিনা বসুধাত আৰু
হব কোন মৰমৰ
হেৰা কাব্যময়ী পূণ্যময়ী ভাষা
মাতৃভাষা চেনেহৰ।"

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ ত্ৰয়স্ত্ৰিংশ অধিবেশনৰ সভাপতি

ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা

"গড়গাঁও, গড়গাঁও, কথা শুনি তল যাওঁ
বাট দেখি পিছলেযে পাৱ ;
দিখৌৰ সোঁতত যোৱা, ভটীয়নী বল পোৱা
উভতিব খোজে মাৰ-নাও ।
—ওচৰতে দেখি গড়গাঁও ।
ওলট্—পালট্ দেশ, কথাৰে নহয় শেষ,
কটাৰীৰো ডাবে তাৰ কাটে ;
বাঘ—গৰু হালে হালে একেঘাটে পানী খালে
নগৰৰ দেও—লগা ঘাট ;
—দেও তাতে ফুৰে হাটে - বাটে ।"

'শঙ্খধ্বনি' আৰু 'প্ৰতিধ্বনি' নামৰ কবিতা পুথিৰ ৰচক ধ্বনি কবি হিচাপে পৰিচিত বিনন্দ চন্দ্ৰ বৰুৱাৰ জন্ম হয় ১৯০১ চনত যোৰহাট মহকুমাৰ টিয়কত। অসম সাহিত্য সভাৰ উত্তৰ লক্ষীমপুৰত ১৯৬৬ চনত অনুষ্ঠিত ত্ৰয়স্ত্ৰিংশ অধিবেশনৰ সভাপতি বৰুৱা ডাঙৰীয়াৰ কবিতা সৰ্বজন সমাদৃত হোৱাৰ অন্যতম কাৰণ হ'ল তেওঁৰ কবিতাৰ ধ্বনি প্ৰবাহ, জাতীয় ভাবপ্ৰকাশ, আৰু অতীত ইতিহাসৰ মধুৰ ৰোমন্থন ।

১৯২৫ চনত তেজ উতলাবপৰা স্বদেশ প্ৰীতিমূলক জাগৰণী কবিতাৰ সংকলন 'শঙ্খধ্বনি' প্ৰকাশ হয়। আৰু ইয়াৰে পৰা সম্পূৰ্ণ ১৫ বছৰ পিছত আনখনি সমাদৃত কবিতা গ্ৰন্থ 'প্ৰতিধ্বনি' প্ৰকাশ

হয় ১৯৪০ চনত।

টিয়কৰ পাঠশালাতে বিদ্যাৰম্ভ কৰি যোৰহাট চৰকাৰী হাই-স্কুলৰ পৰা ১৯২১ চনত প্ৰবেশিকাত উত্তীৰ্ণ হয়। কটন কলেজৰ পৰা বুৰঞ্জীত অনার্চেৰে বি. এ (১৯২৫ চনত) ডিগ্ৰী লাভ কৰে।

'গড়গাঁও' আৰু 'ৰংপুৰ' কবিতা দুটিৰে বিশেষ জনপ্ৰিয়তা অৰ্জন কৰা বৰুৱা ডাঙৰীয়াই এই দুটি কবিতা ৰচনা কৰি আন কবিতা ৰচনা নকৰা হলেও অসমীয়া কাব্য আকাশত এক উজ্জ্বল তৰাৰ নিচিনাকৈ জিলিকি ৰলহেঁতেন। এই দুটি কবিতাতে কবিৰ কবি প্ৰতিভা বিশেষ ভাবে প্ৰকাশ পাইছে। ৰংপুৰ আৰু গড়গাঁও কবিতাৰ ধ্বনি-প্ৰবাহ অসমীয়া কবিতাত আজিও অদ্বিতীয়।

নাট্যকাৰ, গল্পকাৰ আৰু শিশু সাহিত্যিক হিচাপেও তেওঁৰ এটি সুখ্যাতি আছে। 'টি-টি হেই আৰু 'বেঙেনাৰ ৰহস্য' এই দুখন তেখেতৰ প্ৰহসন। শৰাই-ঘাট আৰু পাৰ্থ সাৰথী নামৰ দুয়োখন গহীন নাটক। ৰাজস্থানৰ গল্প, মহাৰাজ নৰনাৰায়ণ আমাৰ লক্ষ্মীনাথ, আৰু অসম গৌৰৱ এই কেইখন তেওঁৰ শিশুৰ উপযোগী পুথি।

ইতিহাসৰ ঘটনাক সজীৱ আৰু স্পন্দনপূৰ্ণ ৰূপ দিয়াত দক্ষতা প্ৰকাশ কৰি ধ্বনি কবি বৰুৱা ডাঙৰীয়াই অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰাই কৈছিল—

"ৰাইজৰ মাজত দেশাত্মবোধৰ ভাব যিমান হ'ব লাগিছিল সিমান হোৱা নাই। আমাৰ স্বাধীনতা প্ৰসূত জাতীয় উৎসৱ বিলাকেই তাৰ একোটা জ্বলন্ত নিদৰ্শন। আমাৰ অনেক ডেকাই সংসাৰৰ সকলো মায়া, মোহ ত্যাগ কৰি জননী জন্মভূমিৰ গৌৰৱ ৰক্ষাৰ্থে প্ৰাণ বিসৰ্জন দিলে আমি ঘৰত সোমাই থকাবিলাকে তেওঁবিলাকৰ এই মহৎত্যাগৰ আদৰ্শত দেশৰ বাবে সামান্য ত্যাগ স্বীকাৰ কৰিবলৈও কুণ্ঠিত হৈ আছো"।

বৰুৱাদেবৰ কবিতাৰ অনুপ্ৰেৰণাৰ থল অতীত কীৰ্ত্তি আৰু শৌৰ্য্য-বীৰ্য্য। সেয়ে তেওঁ আৰু কৈছিল

"ইংৰাজে এই জাতিটোক দসাসুলভ মনোবৃত্তি গ্ৰহণ কৰিবলৈ যিমান সহায় কৰিলে আন বিষয়ত সিমান সহায় কৰিব নোৱাৰিলে।"

আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ সমস্যাৰফালে দৃষ্টি দি কৈছে

"এই অঞ্চলৰ লোক সকলৰ পাৰস্পৰিক সহায় সহানুভূতিৰে একগোট হৈ নাথাকিলে বিপদে বেগতে শিপাব পাৰে।"

'কেৰপাই শৰ্মা' নামৰ ছদ্মৰূপত বিখ্যাত 'বাঁহী' কাকতত খুহুতীয়া প্ৰবন্ধ লিখা সাহিত্যাচাৰ্য বিনন্দ চন্দ্ৰ বৰুৱাই এসময়ত 'মিলন'ৰ সম্পাদকৰ দায়িত্ব বহন কৰিছিল। মিলনৰ উপৰিও 'বৰদৈচিলা' আলোচনীৰ অন্যতম গুৰিধৰোতা বৰুৱা ডাঙৰীয়াই গুৱাহাটীৰ এ. এছ এল ক্লাব আৰু অসম ছাত্ৰ সন্মিলনৰ সম্পাদক নিৰ্বাচিত হৈছিল। ১৯১৭ চনত অসম সাহিত্য সভাৰ প্ৰথমখনি অধিবেশনত এজন ছাত্ৰ দৰ্শক ৰূপে অংশ লোৱা বৰুৱাই অসম সাহিত্য সভাৰ ১৯৫৮—৫৯ চনত প্ৰধান সম্পাদক আছিল। ৰোমাণ্টিক পৰম্পৰাৰ কবি বিনন্দ চন্দ্ৰ বৰুৱা ডাঙৰীয়াই অসম সাহিত্য সভাৰো একেৰাহে আন এটি বিশিষ্ট উপ-সভাপতিৰ পদবিত ১৯৫৯, ৬০.৬১ আৰু ৬৫ চনত কাৰ্য্যনিৰ্বাহ কৰিছিল।

মাটিৰ বুকুত সৰগ ৰচাৰ কল্পনা নকৰা বৰুৱা ডাঙৰীয়াই ১৯২৯ চনত জাঁজী উচ্চ মাধ্যমিক বিদ্যালয়ত কাম কৰি, ১৯৬৭ চনত এই বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ আসনৰ পৰাই অৱসৰ গ্ৰহণ কৰে। জাঁজী উচ্চ-মাধ্যমিক বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে জীৱনৰ সুদীৰ্ঘ কাল শিক্ষকতা কৰা বৰুৱা ডাঙৰীয়াৰ সাহিত্য ৰত্নাৱলী, স্বদেশ বুৰঞ্জী, ভাৰতৰ শাসন নীতি আদি গদ্যৰচনা।

ৰোমাণ্টিক কবি হলেও তেওঁৰ কল্পনাৰ ৰাজ্যখন যে স্বকীয়া। কবিৰ কল্পনাত

"সাৰটি ধৰিলে পুতেকক বুঢী
হুগালে হুচুমা খাই
সুধিছে কিমান মানক মাৰিলি
যদিও জীৱন নাই।"
'সৈনিকে মাৰি মিচিকিয়া হাঁহি
ক'লে মোৰ এই আতিয়ে শেষ
আৰু কি লাগিছে পুৰস্কাৰ মোক
মৰিব পাৰিছোঁ ৰখাই দেশ।"

কবিৰ কল্পনাত ভাহি উঠে কোনোবা মৰা সৈনিকৰ লাও-খোলাৰ অন্তৰালত লুকাই থকা বীৰত্বৰ কাহিনী। সেয়ে এনে কল্পনাত ভাহি—উটি ফুৰা কবিয়ে কৈছে—

"সাহিত্যিক সকলে দেশাত্মবোধ কি তাক বুজি পায়। যদি নাপায় তেন্তে তেওঁ সাহিত্যিক নহয।"

মুখ্যত: জাতীয়তাবাদী কবি বৰুৱা ডাঙৰীয়াই বিখ্যাত গড়গাঁও কবিতাটি লিখি কলিকতাত তৰুণৰাম ফুকনৰ সভাপতিত্বত বহা অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ বছৰেকীয়া অধিবেশনত পাঠ কৰি বিশেষ সমাদৰ পাইছিল।

ধ্বনি কবি, সাহিত্যাচাৰ্য বিনন্দ চন্দ্ৰ বৰুৱাৰ পিতৃ গোলাপ বৰুৱা, মাতৃ দময়ন্তী দেৱী আৰু পত্নী লাৱণ্য প্ৰভা বৰুৱা

ধ্বনি কবিৰ কবিতাৰ ফাঁকিৰে
"গড়গাঁও আজি ভাত, জিলীৰ শুনিবা মাত,
ভাবি চালে পিছলিব পাৰ ;"
"আজিও দেখোন মনত পৰিলে
ফুলি উটে বুকু মোৰ
জনমভূমিৰ কাৰণে মৰিল
ভাগ্যবান পিতা তোৰ।"

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ চতুঃত্ৰিংশ অধিবেশনৰ সভাপতি।

নাট্যকাৰ নকুল চন্দ্ৰ ভূঞা

"সংস্কৃতিৰ বৰনৈক ৰোধিব কোনে? ভাষা সাহিত্যৰ লুইতক ভেটিব কোনে?' এয়া নকুল চন্দ্ৰ ভূঞাৰ অমৰ বাণী।

ভূঞা দেৱৰ চিন্তা তৰংগৰ পৰা—

"আমাৰ ভাষাটোক আৰু শক্তিশালী কৰিবলৈ আমাৰ 'বড়ো' 'টাই', আৰু পৰ্বতীয়া ভাষা বিলাক গৱেষণা কৰি, যিমান পৰা যায় আৰু নতুন নতুন শব্দ আৰু ভাব অসমীয়া ভাষাটোলৈ আনিব লাগে। ভাষটো চহকী হলেহে, জাতিটো সফল হ'ব আচলতে ভাষাটোৱেই হে জাতিটো সাঙুৰি এটা কৰিলয়। আজিৰ স্বাধীন অসমত আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ে এই কাম হাতত লোৱা উচিত দুগুণ উৎসাহেৰে।"

বিখ্যাত বাৰভূঞা বংশৰ চাৰিঙৰ এটি খ্যাতি সম্পন্ন পৰিয়ালত প্ৰথিত যশা নাট্যকাৰ, গল্পকাৰ, জীৱনীকাৰ, বুৰঞ্জীবিদ আৰু সংগঠক নকুল চন্দ্ৰ ভূঞাদেৱৰ জন্ম। যোৰহাটৰ চাৰিঙত ১৮৯৫ চনত পিতৃ গোপাল চন্দ্ৰ ভূঞাৰ গৃহত জন্ম নকুল চন্দ্ৰ ভূঞাৰ মাতৃ ডালিমী ভূঞা আৰু পত্নী কুমুদেশ্বৰী ভূঞা।

অসম সাহিত্য সভাৰ ১৯৬৭ চনত ডিব্ৰুগড়ত অনুষ্ঠিত চতুস্ত্ৰিংশ অধিবেশনৰ সভাপতি নাট্যকাৰ নকুল চন্দ্ৰ ভূঞাৰ সাহিত্য সেৱাত আছিল গভীৰ নিষ্ঠা। আৰু এই নিষ্ঠাৰ বাবেই অসমীয়া সাহিত্যৰ বুৰঞ্জীত তেওঁৰ যি মচিব নোৱাৰা ছাপ পৰিছে সিয়ে তেওঁক যুগমীয়া কৰি ৰাখিব।

বুৰঞ্জী মূলক নাট্যকাৰ হিচাপে জনাজাত হৈ পৰা ভূঞাদেৱৰ বদন বৰফুকন, চন্দ্ৰ কান্ত সিংহ আৰু বিদ্ৰোহীমৰাণ নাট তিনিখনত আহোম ৰাজত্বৰ শেষ ছোৱা কালৰ ৰাজনৈতিক ধুমুহাৰ এক চিত্ৰ অংকন কৰা হৈছে। চন্দ্ৰকান্ত সিংহ নাটখনি হাতেলিখা অৱস্থাতে বিখ্যাত তেজপুৰৰ বাণ ৰংগমঞ্চত অভিনীত হয় আৰু তাতেই সেই নাটখনে লাভ কৰে বিপুল সমাদৰ। অসমীয়া সাহিত্যৰ ইতিহাসৰ সোৱাদ বিচাৰি ফুৰা সাহিত্যিক সকলৰ ভিতৰত নকুল চন্দ্ৰ ভূঞাও অন্যতম। জেৰেঙাৰ সতী (১৯২৪) একাংকিকাখনি ১৮৪৬ শকৰ 'প্ৰভাত' আলোচনীত প্ৰথমে প্ৰকাশ হয়। তুংখুনী জয়মতীৰ ওপৰত নিষ্ঠুৰ ল'ৰা ৰজাৰ উৎকট স্বেচ্ছাচাৰিতাৰ ই এক সকৰুণ দৃশ্য। 'মুমলি কুঁৱৰী' বছৰৰ শ্ৰেষ্ঠ নাট হিচাপে স্বীকৃতি দি নাট্যকাৰক অসম সাহিত্য সভাই বঁটা প্ৰদান কৰিছিল। মোৱামৰীয়া বিদ্ৰোহৰ বুৰঞ্জী সহানুভূতিৰে অংকন কৰা 'বিদ্ৰোহী মৰাণ' নাটখনিও তেজপুৰৰ বাণ ৰংগমঞ্চত অভিনীত হৈছিল হাতেলিখা অৱস্থাতে।

হাইস্কুলতে শিক্ষা সমাপ্ত কৰি ডিব্ৰুগড কাছাৰিৰ এটি চাকৰিত সোমাই নকুল চন্দ্ৰ ভূঞাদেৱে পিচলৈ সেই চাকৰি এৰি চাহবাগিচাৰ চাকৰিত সোমাই আৰু দক্ষতাৰে কাম কৰি মেনেজাৰ পদৰ পৰা অৱসৰ লয়। চাহ বাগিচাৰ চাকৰিত সোমাইহে তেওঁ দুগুণ উৎসাহেৰে ভাষা জননীৰ সেৱা কৰিবলৈ লাগি পৰে। ইয়াৰ কৃতিত্ব তেওঁৰ অন্য এখনি পুথি 'চাহ বাগিচাৰ বনুৱা'ত ফুটি ওলাইছে। চাহ বাগিচাৰ বনুৱাৰ ভিতৰৰ বিভিন্ন জন জাতিৰ আতি গুৰি, সামাজিক জীৱন, সংস্কৃতি আদি 'চাহ-বাগিচাৰ বনুৱা'ত লিপিবদ্ধ হৈছে।

বুৰঞ্জীমূলক সাহিত্য সৃষ্টিত পাৰদৰ্শিতা অৰ্জা নকুল চন্দ্ৰ ভূঞাদেৱৰ সাহিত্য নাটকীয় ভাব ব্যঞ্জক। 'চোৰাং চোৱাৰ চ'ৰা

তেওঁৰ গল্পৰ শৰাই। সেইদৰে সোণহতৰ ভীষ্ম শিশু উপযোগী পুথি। ৰাধাকান্ত সন্দিকৈৰ জীৱনী, বাৰভুঞাৰ বুৰঞ্জী, বহাগী, সয়ম্বৰা, শাহুআই, আদি উল্লেখ যোগ্য পুথি। শাহু আই এখনি ক্ষুদ্ৰ সামাজিক নাট আৰু একুৰি এটাৰ গল্পৰ সংকলন গল্পৰ শৰাই। তেওঁৰ গল্পত সামাজিক সমস্যাৰ প্ৰতি মনোযোগ বেছি। 'বহাগী' হ'ল প্ৰথম অসমীয়া বিহু গীতৰ ডাঙৰ পুথি। বিহুগীত সংগ্ৰহ কৰি প্ৰকাশ কৰা 'বহাগী' ভূঞাদেৱৰ অন্যতম অবদান। স্বয়ম্বৰা নাটখনিও নল দময়ন্তীৰ আখ্যান লৈ ৰচিত।

অসম সাহিত্য সভাৰ এসময়ত তেওঁ সহকাৰী সম্পাদক আৰু ১৯৫৯-৬০ চনত অসম সাহিত্য সভাৰে ধন ভৰালী ভূঞাদেৱৰ 'বাৰ ভূঞা' নামৰ পুথিখনিয়ে প্ৰথম পুথি। বাৰভূঞা সভাই ১৯১৫ চনত এই পুথিখন প্ৰকাশ কৰে। ছাত্ৰ বন্ধু কেইজনমানৰ লগত ছাত্ৰ অবস্থাতে হাতেলিখা আলোচনী এখনো উলিয়াইছিল। তেতিয়াতে তেওঁ ভালে সংখ্যক কবিতাও লিখিছিল। ভূঞাদেৱে বাঁহী, চেতনা, অৰ্ঘ, আৱাহন, ৰামধনু আলোচনী আৰু অসম বাণীতো লিখা মেলা কৰিছিল।

বিশ্ব নাৰায়ণ শাস্ত্ৰী আৰু ত্ৰৈলোক্যনাথ গোস্বামীয়ে নকুল চন্দ্ৰ ভূঞা'ৰ গল্পৰ সমালোচনাত লিখিছে—

"ভূঞাৰ গল্প সমূহত মানসিক সংঘাতৰ প্ৰাচুৰ্য্য নাই নাইবা সমাজ কঁপোৱা অৰ্থনৈতিক বিপ্লৱৰ প্ৰকাশো নাই ; আছে অভিজ্ঞতা আৰু অনুভূতিৰ সহজ সৰল বৰ্ণনা ; সেই বৰ্ণনা ঘৰুৱা পৰিবেশত সজীৱ হৈ উঠিছে।"

"নকুল চন্দ্ৰ ভূঞাৰ গল্পৰীতি পোন। কতো জটিলতাৰ মেৰপাক নাই। ৰচনা ৰীতিৰ মাজত ঠায়ে ঠায়ে কথা ভাষাৰ মাধুৰ্য্য আছে।'

অসমীয়া সাহিত্যৰ একনিষ্ঠ সেৱক কুৰিবো বেছিগ্ৰন্থ লেখক নকুল চন্দ্ৰ ভূঞাদেৱে কৈছিল—"আমি এতিয়া এনে সুস্থ সাহিত্য ৰচনা কৰিব লাগে যি সাহিত্যাই সমাজত ভূমিকম্পৰ সৃষ্টি কৰিব। যি ভূমিকম্পত সমাজৰ অহিতকাৰী পাপী বিলাক ধ্বংস হ'ব। সাম্যবাদ আৰু সমাজবাদী আদৰ্শৰে ৰচিত সাহিত্যইহে সৰ্বসাধাৰণ জনগণৰ আৰু দেশৰ বৃহত্তৰ স্বাৰ্থৰ উপকাৰ সাধন কৰিব।"

ইতিহাসৰ সোৱাদ বিচাৰিব জনা লোকগীত সংগ্ৰহক নকুল চন্দ্ৰ ভূঞাৰ পৰলোক প্ৰাপ্তি ঘটে ১৯৬৮ চনৰ ১৬ জানুৱাৰীত। ইয়াৰ লগে লগে অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ হকে কামকৰা এটি উজ্বল তৰা আমাৰ মাজৰ পৰা লুপ্ত হ'ল। বাখি গ'ল অসমীয়াৰ মাজত মোচিব নোৱাৰা খ্যাতি। যি খ্যাতিৰে ভূঞাদেৱ এটি উজ্বল তৰাৰ নিচিনা জ্বলি থাকিব ৰবলুইট বৈ থকা কাললৈ।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ পঞ্চত্রিংশ অধিবেশনৰ সভাপতি

অসম প্ৰাণ জ্ঞান নাথ বৰা

উনবিংশ শতিকাৰ শেষাৰ্দ্ধত জন্ম গ্ৰহণ কৰা সাহিত্যানুৰাগী অসম প্ৰাণ জ্ঞান নাথ বৰাই ১৯৬৮ চনত অনুষ্ঠিত পঞ্চত্রিংশ তেজপুৰ অধিবেশনৰ সভাপতি। জোনাকী যুগৰ শিক্ষিত সাহিত্যানুৰাগী ডেকা সকলৰ আদৰ্শৰ লগত মিলৰ অকনো বিৰোধ নথকা জ্ঞাননাথ বৰাঁ খ্যাতিসম্পন্ন সাহিত্যিক কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়া অধ্যাপক সত্যনাথ বৰাৰ দ্বিতীয়টি সুযোগ্য পুত্ৰ। কলিকতা হাইকোৰ্টৰ অসমীয়া এডভোকেট জ্ঞাননাথ বৰা এজন একনিষ্ঠ সাহিত্যসেৱী হিচাপে বিশেষ ভাবে পৰিচিত।

অসমীয়া সাহিত্যৰ প্ৰতি অনুৰাগ আৰু অসমীয়া সাহিত্যৰ উন্নতি সাধিবলৈ ধাউতি জ্ঞাননাথ বৰাৰ অন্তৰত অতি প্ৰখৰ আৰু বৰ প্ৰবল আছিল। তেওঁৰ পিতৃৰ নিচিনা ওকালতি ব্যৱসায়ত থাকিওঁ সাহিত্য চৰ্চাত উন্নতি লাভ কৰিব পাৰিছিল। অকল পুথি লিখাৰ ক্ষেত্ৰতে আবদ্ধ হৈ নপৰা বৰাদেৱে সাহিত্য সভাৰ সভাপতিৰ দায়িত্ব লোৱাৰ আগেও সভাৰ সাংগঠনিক দিশৰ কাম কৰিছিল। তেওঁৰ পিতৃ সত্যনাথ বৰা যেনে সকৰে পৰা এটি প্ৰতিভাশালী লৰা আছিল থিক তেনে প্ৰতিভাশালী ল'ৰা হিচাপে সকুতেই জ্ঞাননাথ বৰাইওঁ চিনাকি দিব পাৰিছিল। অতি কম বয়সতে তেও সাহিত্য ৰচনাত মনোযোগ দিছিল। তেওৱে ১৯২২ চনতে 'অসমত বিদেশী" নামৰ মূল্যবান গ্ৰন্থ খনি লেখি অসম

আৰু অসমীয়া সমাজক অসমৰ ভৱিষ্যৎ ভয়াবহতাৰ বিষয়ে জনাই-ছিল। আনকি অসমৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ সভাপতিৰ আসনত বহিও তেওঁ প্ৰথমে তাকেই কৈছে। তেও গভীৰ দুখৰে কৈছে — 'পৰদেশৰ পৰা অসংখ্যলোক আহি চকুৰ আগতে আইৰপৰা থাকু—মণি অলংকাৰ এপদ এপদকৈ কাঢ়ি নিলে।" এই জনা দুৰদশী, এনে এজন গুণী অসমীয়াৰ অসম সাহিত্য সভাই সময়মতে গুণৰ মোল বুজি অসমৰ জাতীয় অনুষ্ঠানটিৰ অসমবাসীয়ে দিব পৰা শ্ৰেষ্ঠ সন্মান সভাপতিৰ আসনত বহুৱাইছিল। কিন্তু দুখৰ বিষয় সভাপতি হিচাপে সৰহ সময় কাম কৰিব নেপালে আৰু ১৯৬৮ চনৰ ৩০ নবেম্বৰত নৰনাট সামৰিলে। তেনেদৰে সভাপতিৰ আসনত বহি কাম কৰিবৰ সময় নেপালে শেৱালি কবি ৰত্নকান্ত বৰকাকতীয়ে। অসম প্ৰাণ জ্ঞাননাথ বৰাদেৱে দূৰ-দৰ্শীতাৰে অসমীয়া ভাষা সাহিত্যৰ প্ৰচাৰৰ কাৰণে ভালেমান গঠন মূলক পৰামৰ্শ আগ বঢাই গৈছে।

জ্ঞাননাথ বৰাদেৱৰ চিন্তাধাৰা আছিল জাতীয় ভাবাদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত। জাতীয় ভাবাদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত হোৱা বাবেই তেওঁ 'অসম প্ৰাণ' হিচাপে পৰিচিত হ'ব পাৰিছিল। ঠিক যেনেদৰে ভাবত অসমীয়া, ভাষাত অসমীয়া, চিন্তাত অসমীয়া হিচাপে পৰিচিত হৈছিল তেওঁৰ পিতৃ।

'যুগতত্ব' আৰু 'নতুন জগত' নামৰ চিন্তাগধুৰ গ্ৰন্থৰ লেখক জ্ঞাননাথ বৰাৰ জন্ম ১৮৯০ চনৰ ২০ মাৰ্চত উত্তৰ পূৰ্বাঞ্চলৰ এক-মাত্ৰ মহানগৰ গুৱাহাটীত। জ্ঞাননাথ বৰাৰ পিতৃ সত্যনাথ বৰাবো গুৱাহাটীৰ ভৰলুমুখত ১৭৮২ শকত জন্ম। আদিতে তেওঁলোকৰ পূৰ্ব পুৰুষৰ ঘৰ তেজপুৰৰ অন্তৰ্গত ন-দুৱাৰ অঞ্চলৰ হেৰাপোৱা গাঁৱত আছিল। তাৰে পৰাই উঠি আহে গুৱাহাটীলৈ।

১৯২২ চনত কলেজিয়েট উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা

প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯১৬ চনত কটন কলেজৰ পৰা বি, এ আৰু ১৯২০ চনত গুৱাহাটীৰে আৰ্ল কলেজৰ পৰা বি, এল উপাধি লাভ কৰে। উল্লেখ যোগ্য যে ১৮৮৯ চনত গুৱাহাটীত ওকালতি আৰম্ভ কৰা সত্যনাথ বৰা জ্ঞাননাথ বৰাৰ পিতৃ গুৱাহাটীত ওকালতি কৰা প্ৰথম অসমীয়া বি, এল।

জ্ঞাননাথ বৰাই কবিতা সৰহকৈ লিখা নাই যদিও তেওঁ প্ৰথমে 'সখী ঐ পৰেনে মনত' বোলা কবিতাটি লিখিহে অসমীয়া সাহিত্য জগতত প্ৰবেশ কৰে। তেওঁৰ আন কেইখনমান উল্লেখযোগ্য ৰচনা হ'ল—অসমত বিদেশী, অসমীয়া পুৰণি সাহিত্য, আধুনিক অসমীয়া সাহিত্যৰ যুগতত্ব, অসমীয়া সাহিত্যৰ ভবিষ্যত, শ্ৰীহট্ট বিচ্ছেদ, কংগ্ৰেছ আৰু মুছলীম লীগৰ দ্বাৰা গৃহীত মন্ত্ৰী মিছনৰ আঁচনি আৰু আমাৰ কৰ্তব্য। ইংৰাজী গ্ৰন্থ Provincialism, Apler for Sanskrit as National Language।

১৯২৭ চনত পৰা কলিকতা উচ্চ ন্যায়ালয়ত আইন ব্যৱসায় কৰি ১৯৫১ চনৰ পৰা ৮ বছৰ ধৰি তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন কলেজৰ অধ্যক্ষ পদত কাৰ্য্যনিৰ্বাহ কৰে।

গুৱাহাটী একতা সভা আৰু অসম ছাত্ৰ সম্মিলনৰো গুৰি ধৰোতা বৰাদেৱে ঊষা, আৱাহন, মন্দীপ আদিত ভালেমান চিন্তাশীল প্ৰবন্ধ লিখিছে। জ্ঞাননাথ বৰাদেৱৰ মাতৃ বিয়া নামৰ সংগ্ৰাহিকা ভুৱন মোহিনী বৰা।

অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰি দিয়া ভাষণত তেওঁ কৈছিল—'আমাৰ নিজৰ অস্তিত্বৰ অৰ্থে দিনে নিশাই অবিৰাম যুঁজিবলাগিছে'। আমাৰ কেউপিনে সংগ্ৰাম। পূৰে সংগ্ৰাম, পশ্চিমে সংগ্ৰাম, উত্তৰে সংগ্ৰাম, দক্ষিণে সংগ্ৰাম। এই সংগ্ৰামত কোনে যুদ্ধ কৰি আমাক উদ্ধাৰ কৰিব?

এই সংগ্ৰাম নতুন নহয়। এশ বছৰ আগেয়ে ইংৰাজে অসম দেশ অধিকাৰ কৰাত আমাৰ মানুহৰ এনেকুৱা এটা সংগ্ৰামত কোনে যুঁজিলে? কেৱল সাহিত্যিকে। 'অৰুণোদয়' আৰু 'জোনাকী' যুগৰ সাহিত্যিক সকলে সেই সংগ্ৰামত যুযুঁজাহেঁতেন আমাৰ ভাষা কোনোবা দিনাই মৰি গলহেঁতেন।"

সঁচাকৈ আমি অসম প্ৰাণ জ্ঞাননাথ বৰা দেৱক কোনো কালেই পাহৰিব নোৱাৰিম। তেওঁ আমাৰ মাজত চিৰকালেই জিলিকি থাকিব।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ ষট্‌ত্ৰিংশ অধিবেশনৰ সভাপতি।

বকুলবনৰ কবি, পদ্মশ্ৰী আনন্দ চন্দ্ৰ বৰুৱা

কামচিনি পালেহে মানুহ এজন কৰ্মী হয়; আৰু মানুহ জন কৰ্মী হলেহে তেওঁ সমাজত গুণী হিচাপে স্বীকৃতি পায়। থিক তেনেদৰে এজত গুণী ব্যক্তিয়েহে গুণীৰ মূল্য সহজে বুজি পায়। গুণীজনক তেওঁৰ গুণৰ স্বীকৃতি দিব পৰাটো আন এজন মহৎ হৃদয়ৰ গুণীৰ এটি মহৎ গুণ। বকুল বনৰ কবি আনন্দ চন্দ্ৰ বৰুৱা আছিল এনে এজন পুৰুষ যিয়ে আনৰ গুণ বিচাৰি সমাজত প্ৰচাৰ কৰিব পাৰিছিল। তেৱেঁই সেই জন ব্যক্তি যিয়ে প্ৰথমে অসমীয়া সংস্কৃতিৰ যুগভয়ী কালজয়ী এজন গুণী অসমীয়া জ্যোতি প্ৰসাদ আগৰৱালাৰ নামৰ আগত 'ৰূপকোঁৱৰ' আৰু নিঃস্বাৰ্থ ভাবে দেশৰ ৰাজনীতি, সমাজনীতি, সাহিত্য আৰু সাংবাদিকতালৈ স্মৰণীয় বৰঙণি আগবঢাই যোৱা নীলমণি ফুকনৰ নামৰ আগত বাগ্মীবৰ; বিশেষণ প্ৰয়োগ কৰিছিল।

আপোনভোলা বৰুৱাদেব অসমীয়া কাব্য সাহিত্যত বকুলবনৰ কবি হিচাপে সুপৰিচিত। তেওঁ ১৯৭৭ চনত 'বকুলবনৰ কবিতা' পুথিৰ বাবে সাহিত্য অকাডেমীৰ বঁটা আৰু ১৯৭০ চনত লাভ কৰে 'পদ্মশ্ৰী' সন্মান।

এগৰাকী নাট্যকাৰ, অনুবাদক, অভিনেতা, সংগঠক হিচাপেও

খ্যাত বৰুৱাদেবৰ ঘৰ যোৰহাটত হলেও তেওঁ ১৯০৭ চনৰ ৩১ ডিচেম্বৰত শিৱসাগৰৰ অসম কোম্পানীৰ চাহ বাগিচা খুমটাইত জন্ম গ্ৰহণ কৰে। তেওঁ ঢেকিয়াখোৱা প্ৰাইমাৰি স্কুলৰ পৰা বৃত্তি সহ উত্তীৰ্ণ হৈছিল। ১৯২৬ চনত প্ৰৱেশিকাত উত্তীৰ্ণ হৈ কাশী হিন্দু মহাবিদ্যালয়ত কলেজীয়া শিক্ষা আৰম্ভ কৰে যদিও কলেজীয়া শিক্ষা শেষ নকৰাকৈয়ে প্ৰত্যাবৰ্ত্তণ কৰিব লগা হয়।

প্ৰতিমাৰ খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালাৰ "সাপ্তাহিক অসমীয়া'ৰ ১৯২৯ চনত সম্পাদক হিচাপে কৰ্মজীৱন আৰম্ভ কৰি বৰুৱাদেৱে 'বাতৰি'ৰ সহকাৰী সম্পাদক হিচাপেও কাম কৰিছিল।

অসমৰ বাতৰি কাকতৰ বুৰঞ্জী দুখৰ। দেশ পৰাধীন থকা বাবেই বাতৰি কাকতৰ যোগেদি দেশ সেৱা বিপদৰ কথা আৰু কাকতৰ পঢ়ুৱৈ সকলো নাছিল সচেতন। অসমীয়া ভাষাৰো দুৰ্যোগে নেৰা সময়তে বাতৰি কাকতৰ কৰ্মক্ষেত্ৰত নামি পৰে চন্দ্ৰ কুমাৰ আগৰৱালাদেৱে। তেওঁৰ জন্ম তেজপুৰৰ কলংপাৰত ১৮৬৭ চনৰ নবেম্বৰ মাহত। অসমীয়া ভাষা সাহিত্যৰ সেবক হৰিবিলাস আগৰৱালা তেওঁৰ পিতৃ। ছাত্ৰ অবস্থাতেই অসমীয়া সাহিত্যক উন্নতিৰ বাটত আগবঢ়াই নিবৰ নিমিত্তে বিখ্যাত 'জোনাকী' উলিয়াইছিল। অসমীয়া বাতৰি কাকতৰ বুৰঞ্জীত আগৰৱালা দেৱৰ অৱদান অতি মহান। ১৯৩৮ চনত চন্দ্ৰকুমাৰ আগৰৱালাৰ মৃত্যু হয়।

অভিনয় জগতৰ লগত জড়িত আনন্দ চন্দ্ৰ বৰুৱাই তিনিচুকীয়া হাইস্কুলত শিক্ষকতা কৰিছিল যদিও মাজতে কিছুদিন ভাৰতীয় বিমান বাহিনী আৰু যোৰহাট কাৰিকৰী প্ৰশিক্ষণ কেন্দ্ৰ আই-টি-আইত কেৰাণী হিচাপে কাম কৰি ১৯৬৮ চনত অবসৰ গ্ৰহণ কৰে। ১৯৩০ চনতে জন্ম সাংস্কৃতিক অনুষ্ঠান 'বাণী সন্মিলন'ৰ জন্ম লগৰ পৰা তেও জড়িত আছিল। এই অনুষ্ঠানৰ যোগে তেওঁ যোৰহাট থিয়েটাৰ হ'লত অভিনয় কৰিছিল। আনন্দ চন্দ্ৰ বৰুৱাৰ

অতি আপোন নাট্যকাৰ হ'ল 'পাপৰি' কবি গনেশ চন্দ্ৰ গগৈ।

পৰাগ, হাফিজৰসুৰ, ৰঞ্জন-ৰশ্মি এই তিনিখন বৰুৱা দেৱৰ অন্য প্ৰকাশিত কবিতাৰ পুথি। বিজয়া আৰু বিসৰ্জন এই দুখন গহীন নাটক আৰু 'কপৌ-কুঁৱৰী' শিশু উপযোগী গীতি-নাট্য। অন্যান্য সাহিত্যিক অৱদানৰ পুষ্পক, কুমাৰ সম্ভৱ, পাপৰিৰ পৰিমল, এচিয়াৰ জ্যোতি, কপৌ কুঁৱৰী, পণ্ডিত মদন মোহন মলবীয়, মেঘদূতৰ পূৰ্বমেঘ, কমতা কুঁৱৰী, নলদময়ন্তী উল্লেখযোগ্য পুথি।
এচিয়াৰ জ্যোতি, কপৌ কুঁৱৰী, পণ্ডিত মদন মোহন মলবীয়, মেঘদূতৰ পূৰ্বমেঘ, কমতা কুঁৱৰী, নলদময়ন্তী উল্লেখযোগ্য পুথি।

১৯৬৯ চনত পুণ্যপীঠ বৰপেটা ধামত অনুষ্ঠিত ষট্‌ত্ৰিংশ অধিবেশনৰ সভাপতিয়ে গভীৰ আশা মনত বান্ধি কৈছিল "দুৰৰি বনৰ গাঁঠিয়ে গাঁঠিয়ে পোখা ওলোৱাদি পুৰুষে পুৰুষে অসমীয়া সাহিত্যসেৱীৰ সংখ্যা বাঢ়ক।" ষটত্ৰিংশ অধিবেশনৰ সভাপতিৰ অসনৰ পৰা আনন্দ চন্দ্ৰ বৰুৱাদেৱে আৰু কৈছিল—এখন সমাজবাদী গণতান্ত্ৰিক দেশৰ নিম্নতম মানুহজনকো সন্মানৰ স্থান দিয়া উচিত।"

১৯৬২ চনতে কলিকতা চহৰত অনুষ্ঠিত আঞ্চলিক ৰবীন্দ্ৰ শতবাৰ্ষিকীত ৰবীন্দ্ৰনাথৰ জীৱন আলেখ্য কবিতা পাঠ কৰি সোণৰ পদক লাভ কৰা বৰুৱা দেৱে জন্মভূমিৰ ঐক্য সাধনৰ অৰ্থে ব্ৰতী হবলৈ সকলোকে আহ্বান জনোৱাই নহয় তেওঁৰ ভালেসংখ্যক কবিতাত দেশপ্ৰেমৰ উজ্জ্বল চানেকি আছে। পূৰ্ণ মাত্ৰাই ৰোমাণ্টিক লক্ষণাক্ৰান্ত বৰুৱাদেৱৰ কবিতা স্বকীয় সৌন্দৰ্য্যমণ্ডিত।

ঢেকীয়াখোৱা প্ৰাইমাৰী স্কুল আৰু কাকজান মাইনৰ স্কুলৰ পৰা বৃত্তিলাভ কৰা বিখ্যাত ভাগৱতী বৰুৱাৰ বংশৰ তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ আনন্দ চন্দ্ৰ বৰুৱাৰ পিতৃ-প্ৰেমধৰ শৰ্মা আৰু মাতৃ ইন্দ্ৰাণী দেৱী। পত্নী প্ৰমীলা দেৱী।

কলেজীয়া জীৱনৰ পৰাই কবিতা লিখিবলৈ কলম হাতত

তুলি লোৱা আনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰথম কবিতা ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদিত 'বাঁহী' ত প্ৰকাশ হৈছিল আৰু 'পৃথিৱীৰ প্ৰেমে মোক দেৱলীয়া কৰিলে" নামৰ বিখ্যাত কবিতাটি ভাৰতৰ প্ৰায়বোৰ ভাষালৈ অনুবাদ হৈছে। উল্লেখযোগ্য কথা যে অসম সাহিত্য সভাৰ ত্ৰয়োদশ গৰাকী সভাপতি জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে প্ৰতিষ্ঠা কৰা বিখ্যাত 'আৱাহন'ৰ প্ৰথম বছৰ ১ম সংখ্যাৰ ১ম পৃষ্ঠাত প্ৰকাশিত 'আৱাহন' নামৰ কবিতাটি আছিল বৰুৱাদেৱৰ তেওঁ লিখা অন্যান্য আলোচনী—বাতৰি কাকত হ'ল মণিদীপ, অসমবাণী, অসম বাতৰি, জন্মভূমি, নৱযুগ, ইত্যাদি।

অসমৰ কাব্য আকাশৰ নবন্যাস আন্দোলনত অৰিহণা যোগোৱা 'শেৱালি'ৰ কবি ৰত্নকান্ত বৰকাকতীৰ নিচিনা আপোনভোলা কবি আনন্দ চন্দ্ৰ বৰুৱা। বৰুৱাদেৱক অনুবাদৰ ফালৰ পৰাও অসমৰ কাব্য আকাশত প্ৰতিষ্ঠা কৰাত সহায় কৰে। তেওঁৱে পাৰশ্যৰ প্ৰখ্যাত চুফীকবি হাফেজৰ কবিতাৰ অনুবাদ কৰে। আৰু এই অনুবাদেৰে তেওঁ অসমীয়া কাব্য সাহিত্যত এটা নতুন ধাৰা প্ৰবৰ্ত্তন কৰিলে।

ভাবত বিভোৰ, আবেগৰ তীব্ৰতা বৰুৱা দেৱৰ কবিতাত প্ৰকাশ পাইছে। তেখেতৰ 'মেঘেশ্বৰী' কবিতাত—

"সৰ্বহাৰা হৃদয়ৰ উদাস কোঠাত
অকলে আতমা এটি কিযে দৃষ্টি লই
দেহাৰ মাজত আছে বিশ্বৰূপ চাই
বাহিৰৰ নানা বিধ স্বপ্ন কেন্দ্ৰ হই!"

"উচ্চ শ্ৰেণীৰ কাৰণে এটা আৰু চহা মানুহৰ কাৰণে আন এটা ভাষা থকাটো গণতান্ত্ৰিক নীতিৰ সম্পূৰ্ণ বিৰোধী" বুলি কোৱা জাতে-পাতে কবি আনন্দচন্দ্ৰ বৰুৱাই বাস্তবৰ নানা ঘাত প্ৰতিঘাতত

জৰ্জৰিত হৈ কিন্তু অসমীয়া সাহিত্যত ভাবৰ ৰাজ্যত মগ্ন হৈ থাকি ১৯৮৩ চনৰ ২৭ জানুৱাৰীত পৰলোক প্ৰাপ্তি ঘটে।

কবিৰ ভাষাৰে

'চিক্‌মিক্ জলি দেখা নিজৰাৰ দৰে
নিতে জানা কবিৰ হৃদয়,
আবেগৰ কণা তাত উৰি উৰি ফুৰে
নাই শোক—অশান্তিৰ ভয়।"

(সূৰ্য্যকুমাৰ ভূঞা)

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ সপ্তঃত্ৰিংশ অধিবেশনৰ সভাপতি।

তত্ত্বপিপাসু, অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰু

১৯৭৯ চনৰ তিনি জুন দেওবাৰে স্বৰ্গাৰোহণ কৰা তত্ত্বপিপাসু উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ জন্ম হয় ১৯০৫ চনৰ ১৩ জানুৱাৰীত উত্তৰ গুৱাহাটীৰ বুৰঞ্জী প্ৰসিদ্ধ ৰুদ্ৰেশ্বৰ গাঁৱত। অসমৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ ১৯৭০ চনত অনুষ্ঠিত সপ্তত্ৰিংশ ধিং অধিবেশনৰ সভাপতি লেখাৰু দেৱে সাহিত্যৰ বহল ৰাজ্যত হাই-স্কুলীয়া জীৱনৰ পৰাই প্ৰবেশ কৰে। তেতিয়াতে পাতনি মেলি অসমীয়া সাহিত্যৰ ভঁৰাললৈ বিশিষ্ট যি বৰঙণি আগবঢ়ালে তাৰ ভিতৰত অসমীয়া ৰামায়ণ সাহিত্য ১৯৪৮; অসমীয়া সাহিত্য সেৱক ৺ৰজনীকান্ত বৰদলৈ ১৯৪৮; লক্ষ্মীনাথ বেজবৰুৱা ১৯৮০; সভাপতিৰ অভিভাষণ সপ্তত্ৰিংশ ধিং অধিবেশন; শ্ৰীশ্ৰীহেডৌয়াখা-নাবাবা; সম্পাদিত পুথিৰ ভিতৰত আছে—কথা সাহিত্য ১৯৪০; কথা গুৰু চৰিত্ৰ; অসমীয়া সাহিত্যৰ বুৰঞ্জী; অনুবাদ কৰা গ্ৰন্থৰ ভিতৰত স্বামী ব্ৰহ্মানন্দৰ সংগ্ৰহীত 'শ্ৰীশ্ৰীৰামকৃষ্ণৰ উপদেশ'ৰ অসমীয়া ভাঙনি ১৯২২; ধৰ্মপদ ১৯৪৭; এনক আৰ্ডেন ১৯৪৮; ভক্তিৰ বিবেক: ভট্টদেৱ ১৯৫১; আলোচনা সাহিত্যৰ গ্ৰন্থ বিশ্ববিদ্যালয়ৰ ৰচনাৱলী ১৯৫১; জন শিক্ষা (আলোচনী); আদৰ্শ ৰচনাৱলী ১৯৪৯ ৰ ইত্যাদিৰ লগতে ১৯৮১ চনলৈ অপ্ৰকাশিত অৱস্থাত থকা সাহিত্য সম্ভাৰ হ'ল—নিমি নৱসিদ্ধ সংবাদ; ভাগৱতৰ

আদি কথা; ডাকৰ বচন; বৰগীতৰ ইংৰাজী অনুবাদ; লেখাকৰ স্বপ্ন বিচিত্ৰা; লেখাকৰ কবিতা সম্ভাৰ; বিবিধ বিষয়ক প্ৰবন্ধই প্ৰধান।

শিক্ষকতাৰে কৰ্ম জীৱনৰ শুভাৰম্ভকৰা লেখাকদেৱে প্ৰাথমিক শিক্ষাৰ পাতনি মেলিছিল উত্তৰ গুৱাহাটীৰ প্ৰাইমাৰী বিদ্যালয়ত। ব্ৰহ্মপুত্ৰ নাৱেৰে পাৰহৈ আহি গুৱাহাটীৰ কটন কলেজিয়েট স্কুলৰ পৰা ১৯২২ চনত অংকত লেটাৰ লৈ প্ৰথম বিভাগত প্ৰাৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯২৬ চনত কটন কলেজৰ পৰা দৰ্শন বিষয়ত অনাৰ্চ লৈ দ্বিতীয় শ্ৰেণীৰ নৱম স্থান অধিকাৰ কৰি বি. এ. ডিগ্ৰী লাভ কৰে। গুৱাহাটীৰ আৰ্ল ল কলেজৰ পৰা বি, এল ডিগ্ৰী পোৱাৰ পিচত অলপদিনীয়া ওকালতি পৰ সমাপ্ত কৰি যোগদিলেহি কটন কলেজৰ অসমীয়া বিভাগত। ১৯৪০ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা প্ৰাইভেট্‌কৈ অসমীয়াত এম, এ পাছ কৰে। উত্তৰ গুৱাহাটীৰ কমলদেৱ হাইস্কুল; গুৱাহাটীৰ কলেজিয়েট হাইস্কুলত শিক্ষকতা কৰা উপেন্দ্ৰ চন্দ্ৰ লেখাকৰ সমগ্ৰ জীৱনটোৱে আছিল মানুহৰ বাবে কৰা জীৱন। ধৰ্ম চৰ্চাৰ প্ৰতি থকা বিশেষ অনুৰাগে তেখেতক আগবঢ়াই নিছিল বৃন্দাবনৰ ফালে আৰু সেই আকৰ্ষনতেই ১৯৬০ চনৰ পৰা ১৯৭৪ চনলৈ বৃন্দাবনৰ পাৰমাৰ্থিক বিশ্ববিদ্যালয়ৰ গবেষণা পৰিচালক হিচাপে কাৰ্য্যনিৰ্বাহ কৰে। তেতিয়া গ্ৰন্থগাৰত অসমীয়া গ্ৰন্থ যথেষ্ট নাছিল প্ৰাসংগিক গ্ৰন্থৰ পৰাই প্ৰমাণিক সন্তেদ বিচাৰি লৈছিল। ১৯৫৯ চনত কটন কলেজৰ পৰা অৱসৰ গ্ৰহণ কৰি অকনো সময় নষ্ট নকৰি গুৱাহাটী এৰি বৃন্দাবন নিবাসী হয়। ১৯৪৬ চনত বৃন্দাবনত প্ৰতিষ্ঠিত হয় বিখ্যাত বৈষ্ণব বিশ্ববিদ্যালয় খনি। আৰু এই বৃন্দাবন বৈষ্ণৱ পাৰমাৰ্থিক বিশ্ববিদ্যালয়তে অধ্যাপক নিযুক্তি হয়। 'শ্ৰীশ্ৰীশংকৰদেৱ আসন'ৰ অধ্যাপক আৰু গবেষণা পৰিচালক হৈ থাকোতে বৃন্দাবন ধামত 'শ্ৰীমন্ত শংকৰ সেৱা সংঘ' স্থাপন হয়। দুখৰ বিষয় লেখাক

দেৱে বৃন্দাবন ধাম এৰি শাৰীৰিক অসমৰ্থতাৰ বাবে গুৱাহাটীৰ নিজ ঘৰলৈ অহাৰ সময়ৰ পৰাই 'শ্ৰীমন্ত শংকৰ সেৱা সংঘৰ কামত অৱনতি ঘটিবলৈ ধৰে।

এজন শিক্ষাবিদ, সাহিত্যিক, তত্ত্বপিপাসু আৰু বৈষ্ণৱ ধৰ্ম আৰু সাহিত্যৰ এগৰাকী একনিষ্ঠ সাধক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুদেৱ এজন নিৰীহ, নিৰহংকাৰী আৰু অমায়িক লোক হিচাপে সু-পৰিচিত ব্যক্তি। সংখ্যাত তাকৰ হিচাপে পৰিচিত লেখক লেখাৰুৰ পুথি অসমীয়া সাহিত্যৰ উল্লেখ যোগ্য সম্পদ। ভালেমান বছৰ ধৰি অসমৰ বাহিৰত থাকিবলগীয়া হোৱা বাবে তেখেতে মানুহজনৰ যোগ্যতাৰে অসম সাহিত্য সভাৰ কামত বিশেষ ভাবে নিজকে ব্যস্ত কৰাব নোৱাৰিলে। তেখেতৰ যত্নতে ১৯৩১ চনত উত্তৰ গুৱাহাটীত স্থাপিত হয় 'আনন্দ ৰাম বৰুৱা পুথিভঁৰাল' আৰু 'আনন্দ সমিতি।' আনন্দৰাম বৰুৱা পুথিভঁৰালৰ বাবে তেখেতে বিভিন্ন স্থানৰ পৰা অনেক কষ্টৰে বহুতো পুথি সংগ্ৰহ কৰি পুথিভঁৰালটি চহকী কৰিছিল। ১৯৩১ চনত স্থাপিত হোৱা পুথিভঁৰালটিৰ ১৯৩৩ চনতে অকল ছপা পুথিৰ সংখ্যা আছিল ২৮০০ খন। চেতনা, বাঁহী, মিলন, আৱাহন, জয়ন্তীকে আদি কৰি আলোচনী-কাকতবোৰত প্ৰকাশিত বিভিন্ন প্ৰবন্ধ ৰাজি আৰু ধৰ্ম গ্ৰন্থই তেখেতক চিনাকি কৰি দিব এজন তত্ত্বপিপাসু হিচাপেহে। তেখেতে অসমীয়া পুৰণি সাহিত্য অধ্যয়ণ কৰি গৱেষকৰ দৃষ্টিৰেহে সকলোবোৰ বিজ্ঞান সন্মত ভাবে বিশ্লেষণ কৰিছিল।

ভালে সংখ্যক ৰাজহুৱা সংগঠন অনুষ্ঠানৰ সৈতে জড়িত লেখাৰুদেৱে বিলাস আৰু আড়ম্বৰ একেবাৰে অ-প্ৰয়োজনীয় বুলি জ্ঞান কৰিছিল। প্ৰাচীন ঋষি-মুনিৰ জীৱন যাপন কৰিহে তৃপ্তী লভা লেখাৰু দেৱ এজন জুখি-মাখি কথা কোৱা ব্যক্তি হে আছিল তেখেত চেলবেলীয়াও নাছিল আৰু ভলভলীয়াও নাছিল।

বৃন্দাবন, গোকুল, মথুৰালৈ কৰ্মক্ষেত্ৰ বিয়পি পৰে। উপেন্দ্ৰ চন্দ্ৰ লেখাৰু দেৱে ইংৰাজী আৰু বঙলা ভাষাতো লিখা মেলা কৰিছিল। অসমীয়া বিভাগৰ কটন মহাবিদ্যালয়ত মুখ্য অধ্যাপক আসন অলংকৃত কৰা লেখাৰুদেৱে অসমৰ জাতীয় অনুষ্ঠানটিৰ সভাপতিৰ সন্মানীয় আসনৰ পৰাই কৈছিল—

"আমি জগতবাসী শান্তিকামী হলেইসৰ্ব কল্যাণ। মহাপুৰুষ সকলৰ পথ অনুসৰণ কৰাতেই আমাৰ কল্যাণ।"

"জনাত আমি কিমান বস্তু পাইয়ো হেৰুৱাইছো তাৰ নিৰ্ণয় নাই। গতিকে জনালোক সকল সজাগ হব লাগে আৰু আনকো সজাগ কৰি দিব লাগে।"

"সাহিত্যৰ পৰিবেশৰ যুগে যুগে পৰিবৰ্তন হয় এই কথা ঠিক, কিন্তু বাস্তৱতাৰ নামত বিশৃংখলা যাতে নহয়, সেই বিষয়ত সৃজনশীল সাহিত্যিক সকলে নিজেই সতৰ্ক হোৱাটো বাঞ্ছনীয়।"

পাণ্ডিত্য আৰু চৰিত্ৰ-গুণৰ কাৰণেই লেখাৰুদেৱক যে পূণ্য-ভূমি ভাৰতৰ তীৰ্থস্থান বৃন্দাবনত স্থাপিত হোৱা ভাৰতীয় দৰ্শনৰ গবেষণা কেন্দ্ৰত 'শ্ৰীশ্ৰীশংকৰদেৱ আসন'ৰ অধ্যাপক হিচাপে নিযুক্তি অসম চৰকাৰে দিছিল তাত অকনো সন্দেহ নাই। পকেটৰ ধন ভাঙি হলেও অসমৰ নানা অঞ্চলে অঞ্চলে ভ্ৰমি পুৰণি সাঁচিপতীয়া পুথি সংগ্ৰাহক লেখাৰু দেৱৰ পিতৃ—নন্দৰাম লেখাৰু আৰু মাতৃ সোণপাহী লেখাৰু। তেখেতৰ পত্নীৰ নাম প্ৰমদা লেখাৰু।

বৈষ্ণৱ ধৰ্ম আৰু সাহিত্যৰ এগৰাকী একনিষ্ঠ সাধক অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰু অসম বাসীৰ মনত চিৰদিন আদৰণীয় আৰু বৰণীয় হৈ থাকিব।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ অষ্টাত্ৰিংশ অধিবেশনৰ সভাপতি।

পণ্ডিত তীৰ্থনাথ শৰ্মা

"স্বৰ্গতো অধিক কৰি সৃজিলা যেতিয়া
প্ৰভু মোৰ প্ৰিয় জন্ম ভূমি
জনমে জনমে যেন ইয়াতেই থাকোঁ
তোমাৰ অভয় পদ চুমি।"

(বিনন্দ বৰুৱা)

জোনাকী যুগৰ সাহিত্যানুৰাগী তথা জাতীয় বীৰ পুৰুষ শিক্ষিত ডেকাসকলে গঢ়ি থৈ যোৱা অসম তথা অসমীয়াৰ বৃহৎ ভাষা সাহিত্য সংস্কৃতিৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভা কেৱল আজি উত্তৰ পূৰ্বাঞ্চলৰে এটি ডাঙৰ অনুষ্ঠান হৈ থকা নাই ই সমগ্ৰ ভাৰতৰ ভিতৰতে বৃহৎ পৰিমানৰ জনতাই মিলিত হোৱা ভাষা সাহিত্য সংস্কৃতিৰ চৰ্চাৰ এক মহৎ অনুষ্ঠান। এই অনুষ্ঠানটিৰ জন্ম হয় ১৯১৭ চনত ঐতিহ্যমণ্ডিত শিৱসাগৰ চহৰত। আৰু প্ৰথম অধিবেশনৰ সন্মানীয় সভাপতি হিচাপে নিৰ্বাচিত হৈছিল অসমীয়া সাহিত্যত সৰ্বজন পৰিচিত সাহিত্যাচাৰ্য্য পদ্মনাথ গোহাঞিঃ বৰুৱা। বহলাই নকলেও হ'ব এই অনুষ্ঠানটিয়ে এনে এটি অনুষ্ঠান যি অনুষ্ঠানৰ সভাপতিৰ পদটিৰে অসমৰ মানুহে এজন গুণী লোকক দিব পৰা শ্ৰেষ্ঠ সন্মান। অসমপ্ৰেমী জনগণৰ প্ৰাণৰ ভাষা সাহিত্য সংস্কৃতি চৰ্চাৰ উক্ত অনুষ্ঠানৰে ১৯৭১ চনত মাকুমত অনুষ্ঠিত অষ্টাত্ৰিংশ অধিবেশনৰ সন্মানীয় সভাপতি হিচাপে নিৰ্বাচিত হৈছিল

পণ্ডিত তীৰ্থনাথ শৰ্ম্মা। অষ্টাত্ৰিংশ অধিবেশনৰ সভাপতিৰ আসনৰ পৰা জাতিৰ উদ্দেশ্যে দিয়া বাণীত তেখেতে কৈছিল—

"সাহিত্য সভা এটা স্বৰূপেৰেই অসমৰ ভাষা সংস্কৃতিৰ আৰু সেই সংক্ৰান্ত স্বাৰ্থৰ প্ৰহৰীয়া অনুষ্ঠান। আনটো স্বৰূপেৰে ই এখন বিদ্বৎ পৰিষদ ভাষা সাহিত্যৰ সংবৰ্দ্ধন আৰু গবেষণা সংস্থা।"

"মহাবাহু ব্ৰহ্মপুত্ৰৰ গিৰিমালা বেষ্টিত তট ভূমিত ইশ্বৰে আমাক অসমীয়া ভাষা দিছে। তাত আনক ভাগ বহুৱাবলৈ কদাপি এৰি দিব নোৱাৰো। মহাবাহুৰ দুই পাৰৰ ভূ-ভাগত অসমীয়া মাত কথাই কাৰো অন্যায় নকৰাকৈ; কাৰো ভাগত থপিয়া থপি নকৰাকৈ আপোন গৰিমাৰে প্ৰোজ্বল আৰু অধিষ্ঠিত থকাৰ স্বধিকাৰ বাঁহাল ৰাখিব লাগিব।"

"অসমীয়া সাহিত্যৰ গৌৰৱ ভাৰতীয় সাহিত্যক মহিমান্বিত কৰিব। ভাৰতীয় সাহিত্যৰ সাগৰেদি বিশ্বৰ মহাসাগৰতো মহাবাহু ব্ৰহ্মপুত্ৰৰ দৰে অসমীয়া সাহিত্যই সম্ভাৰ নিবেদন কৰিব।"

১৯৮৬ চনত সাহিত্য অকাডেমীৰ সন্মানীয় বঁটা লাভ কৰা গুৱাহাটীৰ প্ৰাগজ্যোতিষ কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ পণ্ডিত তীৰ্থনাথ শৰ্মাদেৱৰ জন্ম জাঁজীত ১৯১১ চনৰ ২৩ নবেম্বৰত। অসমৰ গ্ৰাম্য অঞ্চলতে হওঁক বা নগৰ এলেকাতে হওক উপস্থিত সমজুৱাৰ মনৰ তৃপ্তীৰ নিমিত্তে লৰা-ছোৱালীৰ অন্নপ্ৰাশনৰ দিনা পৰম্পৰাগত এটি পৰ্ব অনুষ্ঠিত হয়। লৰা-বা ছোৱালীৰ আগত বিধে বিধে বিবিধ বস্তু ৰাখি প্ৰমাণ চাব বিচাৰে ডাঙৰত গৈ কি হ'ব। পিছে বুদ্ধিত তীক্ষ্ণ তীৰ্থনাথ শৰ্মাই পৰিয়ালে নিবিচৰাকৈয়ে অন্নপ্ৰাশনৰ দিনা হাতত দিছিল ধানৰ দোনতহে। অন্নপ্ৰাশনৰ কাৰ্য্যসূচীত উপস্থিত পৰিয়ালৰ লোকে হয়তো ভাবিছিল লৰাটো বিদ্যানুৰাগী নহব। এই ধাৰণাকে বদলাই তীৰ্থনাথ শৰ্মাই শিক্ষা জীৱনৰ পাতনি মেলিছিল যোৰহাটৰ ১ নং প্ৰেকটিচিং স্কুলখনত। ইয়াৰ পৰা

প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীৰ কটন কলেজত ভৰ্ত্তি হয় আৰু ১৯৩৪ চনত সংস্কৃতত অনাৰ্ছ সহ বি. এ, কলিকতা বিশ্ববিদ্যালয়ত সংস্কৃত বিষয় লৈ এম এ ডিগ্ৰী লাভ কৰে। কলিকতাত আইন বিষয়ও অধ্যয়ণ কৰা শৰ্মাদেৱে ১৯৩৮ চনৰ পৰা ১৯৫০ চনলৈ কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ অধ্যাপক ৰূপে থাকি ১৯৫০ চনত কটন কলেজৰ গ্ৰন্থাধ্যক্ষ ৰূপে কামত সোমাই। গুৱাহাটীৰ বৰ্তমান আগশাৰিৰ মহাবিদ্যালয় প্ৰাগজ্যোতিষ কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে ১৯৫৪ চনৰ পৰা ১৯৭১ চনলৈ কাৰ্য্যভাৰ সুচাৰু ৰূপে পৰিচালনা কৰে।

অসম চৰকাৰৰ আবকাৰী বিভাগৰ ইন্সপেক্টৰ গোপাল চন্দ্ৰ শৰ্মাৰ পুত্ৰ বিশিষ্ট শিক্ষাবিদ তীৰ্থনাথ শৰ্মাদেৱৰ ৰচিত গ্ৰন্থ সমূহৰ ভিতৰত উল্লেখ যোগ্য গ্ৰন্থ হ'ল—কামসেন্দুৰ—কবিতাৰ সংকলন, পঞ্চপুস্প - ভাষা-সাহিত্য বিষয়ক প্ৰৱন্ধ পুথি ; ভক্তিবাদ, সাহিত্যবিদ্যা পৰিক্ৰমা, ছন্দ অলংকাৰ সম্বন্ধে আলোচনাত্মক গ্ৰন্থ, উপনিষদ অষ্টক, গান্ধী শিক্ষাসাৰ, ৰত্নসংগম, মহাত্মাৰ বাণী গান্ধীজীৰ জীৱন দৰ্শন আৰু আদৰ্শৰ ভিত্তিত ৰচিত ; আউনী আটী সত্ৰৰ বুৰঞ্জী ; প্ৰবেশিকা কথা চানেকি ইত্যাদি। মৌলিক আৰু চিন্তাশীল প্ৰবন্ধ লেখক শৰ্মাদেৱে তেওঁৰ পিতৃৰ সৈতে ঘূৰি অসমৰ বিভিন্ন ঠাই দৰ্শন কৰিছিল কিন্তু তেখেতে প্ৰায় সাত বছৰমান বয়সতে মাতৃদেৱীক চিৰদিনৰ বাবে হেৰুৱাব লগীয়া হয়।

কামধেনু শৰ্মাদেৱে সম্পাদিত কৰা আলোচনী। স্বাধীনতা আন্দোলনৰ সৈতেও পৰিচিত হৈ তেখেতে এবাৰে নহয় দুবাৰো কাৰাবাস খাটিছিল। জয়ন্তী, ৰামধেনু, আৱাহনত ছদ্মনামেৰে গল্প লিখা তীৰ্থনাথ শৰ্মাই শিক্ষকতা আৰু সাহিত্যৰ পৰা গৈ মাজতে সক্ৰিয় ৰাজনীতিতো অংশ গ্ৰহণ কৰি ১৯৬২ চনত অসমৰ সংসদী আসন এখনৰবাবে প্ৰতিদ্বন্দিতা কৰিছিল। অনেক ৰাজহুৱা শিক্ষা-

মূলক অনুষ্ঠানৰ লগত জড়িত হৈও অসম সাহিত্য সভাৰ শাখা সভাবিলাকক কৰ্মমুখী কৰাৰ বাবে অনেক পৰামৰ্শ দিছে। তিনিকুৰি পোন্ধৰ বছৰীয়া যি সময় তেখেতে পাইছিল সেই সময় অকনো অপব্যৱহাৰ নকৰা বুলি নিসন্দেহে কব পাৰি। অসম সাহিত্য সভাৰ পঞ্চবিংশ অধিবেশনৰ সন্মানীয় সভাপতি 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত" গ্ৰন্থৰ বাবে ১৯৬০ চনত সাহিত্য অকাডেমীৰ বঁটা লাভ কৰা বুৰঞ্জীবিদ বেনুধৰ শৰ্মাই তীৰ্থনাথ শৰ্মাক সাহিত্যৰ বৰপথাৰলৈ নিয়াত আগভাগ লৈছিল বুলি জনা জায়। উল্লেখযোগ্য যে 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত গ্ৰন্থ খনি সাহিত্য অকাডেমীৰ বঁটা পোৱা দ্বিতীয়খন অসমীয়া গ্ৰন্থ।

বিখ্যাত কলিকতাৰ এ, এছ, এল ক্লাব, গান্ধী সাহিত্য পৰিষদ, বিশ্বহিন্দু পৰিষদৰ নিচিনা অনুষ্ঠান - প্ৰতিষ্ঠানৰ নিষ্ঠাবান কৰ্মী আৰু সুক্ষ্ম পৰ্যবেক্ষণ শক্তিৰে ভৰা তীৰ্থ নাথ শৰ্মা দেৱৰ পৰলোক প্ৰাপ্তিৰ খবৰটি ১৯৮৬ চনৰ ২৩ অক্টোবৰৰ দিনা পাই তেখেতৰ গুণমুগ্ধ ৰাইজ ম্ৰিয়মান হৈছিল। ভৰলুমুখৰ নিজা বাসভৱনৰ পৰাই স্বৰ্গাৰোহণ কৰা তীৰ্থ নাথ শৰ্মাদেৱৰ মাতৃ চেনেহী দেৱী আৰু সহধৰ্মিণী নিৰ্মলা দেৱী।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ উনচত্বাৰিংশ অধিবেশনৰ সভাপতি।

অসম গৌৰৱ হেম বৰুৱা

সময়ৰ বালুকাৰাশিত পদচিহ্ন ৰখা
উন্মাদ বাসনা আমাৰ নাই। অমি
বুৰঞ্জীৰ শিলাখণ্ডৰ জীৱন্ত ফছিল।

(হেম বৰুৱা)

অসম তথা ভাৰতৰ এগৰাকী আগশাৰীৰ প্ৰখ্যাত ৰাজনীতি-বিদ, অসম গৌৰৱ হেম বৰুৱা একেধাৰে কীৰ্তিমান লেখক, এগৰাকী কবি, সু-বক্তা, শিক্ষাবিদ, ৰাজনীতিবিদ হিচাপে সৰ্বজন পৰিচিত জনপ্ৰিয় নাম। ৰাজনীতিৰ খামৰ ভিতৰত সোমাইও ভাষা-সাহিত্যৰ চৰ্চা অব্যাহত ৰখা' ৰাজনীতিত নামি অসমীয়া জাতীয় জীৱনলৈ বিশিষ্ট বৰঙণি আগবঢ়াই যোৱা সকলৰ ভিতৰত বৰ্তমানলৈ হেম বৰুৱা অন্যতম।

১৯১৫ চনৰ ২২ এপ্ৰিল তাৰিখে তেজপুৰত জন্ম হেম বৰুৱা সৰুকালত বিদ্যাশিক্ষাৰ প্ৰতি একেবাৰে অমনোযোগী আৰু দুষ্ট স্বভাবৰ লৰা আছিল বুলি জনা গলেও তেওঁ বুদ্ধিত আছিল তীক্ষ্ণ স্বভাৱৰ। নহলে এটি দুষ্ট আৰু বিদ্যা শিক্ষাত অমনোযোগী লৰাই সময়ত গৈ এজন মেধাবী ছাত্ৰ হৈ পৰা তেনেই সহজ বতৰা নহয়। এই সৰ্বজন পৰিচিত জনেই প্ৰথমে ৰাজপথৰ দাঁতিত সাধাৰণ দোকান এখন দি প্ৰথম কৰ্ম জীৱনৰ পাতনি মেলিছিল যদিও তেখেতৰ পিতৃৰ যত্নতে ১৯৩২ চনত তেজপুৰ চৰকাৰী হাই-স্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ

গুৱাহাটীলৈ আহে আৰু গুৱাহাটীৰ কটন কলেজৰ পৰা ১৯৩৬ চনত বি. এ. আৰু ১৯৩৮ চনত ইংৰাজী সাহিত্যত এম. এ ডিগ্ৰী লয়। পিছে পিতৃয়ে যিদৰে লৰাৰ বিদ্যাশিক্ষাৰ ক্ষেত্ৰৰ উন্নতি খোৱা বুলি ভাবিছিল সেয়া সকলো উলটি গ'ল তেওঁৰ যত্নৰ ফলত।

যি সকল কবিৰ কবিতাই অসমীয়া সাহিত্যৰ নতুন কবিতাৰ বুৰঞ্জীত গুৰি ধৰিছে সেই সকল নতুন কবিৰ নতুন কবিতাৰো অন্যতম গুৰি ধৰোতা কীৰ্তিমান লেখক হেম বৰুৱা। তেখেতেই অসমৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ ১৯৭২ চনত অনুষ্ঠিত উনচত্বাৰিংশ ধুবুৰী অধিবেশনৰ সন্মানীয় সভাপতি। ভাৰত তথা পৃথিৱীৰে অন্যতম ৰাজনীতিবিদ হেমবৰুৱাৰ পিতৃ বিনন্দী ৰাম শৰ্মা বৰুৱা আছিল কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ ভৰালী বৰুৱা বংশৰ। জীৱন আৰু জীৱিকাৰ সন্ধানতে গৈ বিনন্দী ৰাম শৰ্মা বৰুৱাই তেখেতৰ সহধৰ্মিণীৰ সৈতে তেজপুৰত থাকিবলৈ লয়। তেখেতৰ জীৱনলৈ পৰিবৰ্তন আহে আন এক ৰূপেৰে। আৰ্থিক অনাটনৰ মাজেৰে চলি ডাক পিয়নৰ পৰা সপ্তমান শ্ৰেণীলৈ পঢ়া বিনন্দী ৰাম বৰুৱাই এসময়ত তেজপুৰত জাহাজ কোম্পানীৰ ছাব এজেণ্ট হয় গৈ।

দোকান খুলি মহাজনৰ গাদীত বহি মহাজন হৈ থকাৰ প্ৰবল ইচ্ছা থকা হেমবৰুৱাই বুঢ়ীমাকে ভাজি দিয়া আখৈ, নিব, পেঞ্চিল, কাগজৰ দোকানৰ পৰিবৰ্তে উচ্চশিক্ষা লৈ বহিলে অধ্যাপকৰ আসনত। ১৯৪১ চনত গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত কিছুদিনৰ বাবে অধ্যাপকৰ কাম কৰি পিছত যোৰহাটৰ জগন্নাথ বৰুৱা কলেজত প্ৰবক্তা হিচাপে সোমাই কৰ্মজীৱনত ব্ৰতী হ'ল। ১৯৪৪ চনত পেকিং ৰাকচত তামোল-পান ইত্যাদিৰ দোকান দিয়া লৰাই গুৱাহাটীৰ অন্যতম মহাবিদ্যালয় বি. বৰুৱা মহাবিদ্যালয়ত উপাধ্যক্ষ হিচাপে নিযুক্ত হয় আৰু পিছলৈ বি. বৰুৱা মহাবিদ্যালয়ৰ

অধ্যক্ষ পদবীৰ পৰাই ১৯৬৭ চনত অৱসৰ লয়। বি. বৰুৱা কলেজত সোমাইয়ে তেখেতে এই শিক্ষাকেন্দ্ৰক অসমৰ ভিতৰতে জাকত জিলিকা শিক্ষাকেন্দ্ৰত পৰিণত কৰিবলৈ চেষ্টা কৰিছিল।

ছাত্ৰ অৱস্থাৰপৰাই তেওঁ জাতীয় আন্দোলনৰো এগৰাকী যোদ্ধা হিচাপে কাম কৰা বৰুৱাদেৱে বিয়াল্লিছৰ বিপ্লৱত অৰুণা আচফ আলী যেতিয়া গুৱাহাটীত আত্মগোপন কৰি আছিল তেতিয়া জৱাহৰলাল নেহৰু অসম ভ্ৰমণৰ বাবে আহে আৰু নেহৰুক দিবলৈ বুলি এখন চিঠি অৰুণা আচফ আলিয়ে যোগ্যপুৰুষ হিচাপে চিহ্নিত কৰি হেম বৰুৱাক দিয়ে আৰু হেমবৰুৱাই চিঠি লৈ নেহৰুক দিয়ে। যোৰহাটৰ জনসভাত নেহৰুৱে ভাষণ দিয়াৰ আগে হেমবৰুৱাৰ কান্ধত হাত থৈ কথা পাতিছিলি বুলি জনাজায়

বিশিষ্ট বক্তা আৰু সংগঠক হেমবৰুৱাদেৱে ১৯৫৭ চনতহে সক্ৰিয় ৰাজনীতিত সোমাই আৰু গুৱাহাটীৰ সন্মানীয় লোকসভাৰ আসনত প্ৰতিদ্বন্দ্বিতা কৰি ভাৰতীয় সংসদলৈ নিৰ্বাচিত হয়। প্ৰায় দৈধ্য বছৰ কাল সংসদ সদস্য হিচাপে থাকি নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছিল। ১৯৬১ আৰু ১৯৬৭ চনতো সংসদী সদস্য নিৰ্বাচিত হৈছিল।

১৯৪২ চনত ভাৰতৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰি অসম গৌৰৱ হেমবৰুৱাদেৱে গোপীনাথ বৰদলৈ, গড়মূৰীয়া সত্ৰাধিকাৰ, ফকৰুদ্দিন আলিআহমদ, বিষ্ণুৰাম মেধি, বিমলাপ্ৰসাদ চলিহা, নীলমণি ফুকন, মহম্মদ তৈয়বুল্লা, বিজয় চন্দ্ৰ ভাগৱতী, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী প্ৰভৃতি স্বাধীনতা সংগ্ৰামীৰ যোদ্ধা সকলৰ লগত কাৰাবাস খাটিছিল। ৰাজনীতি আৰু সাহিত্যৰ দুয়োটি বেলেগ বেলেগ দিশত সমানে সমানে পাৰদৰ্শিতা দেখুৱাব পৰা ব্যক্তি অসম তথা ভাৰতৰ মাজত বিৰল বুলি কব পাৰি। যি সকল আমাৰ এনে দৃষ্টিত পৰিছে সেই সকলৰ ভিতৰ অসম গৌৰৱ হেম বৰুৱা অন্যতম।

কবিতা, সমালোচনা, ভ্ৰমণ কাহিনী, অনুবাদ আৰু অন্যান্য উচ্চ মানদণ্ডৰ ৰচনাৰে অসমীয়া সাহিত্যৰ বহল ভঁৰালৈ উল্লেখ-যোগ্য বৰঙণি যোগোৱা হেমবৰুৱাৰ গ্ৰন্থ সম্ভাৰৰ ভিতৰত উল্লেখ যোগ্য হৈছে—August Revolution in Assam, গণ-বিপ্লৱত অসম ১৯৪৬, আধুনিক সাহিত্য ১৯৫০, The Red River and the Blue hill, সাগৰ দেখিছা ১৯৫৪; বালিছন্দা আৰু মনময়ূৰী দুয়োখনি কবিতাৰ পুথি ; Fairs and Festivals of Assam, সানমিহলি ১৯৫৭. সত্য সাহিত্য আৰু গান্ধীজী, ৰঙা কৰবীৰ ফুল ১৯৫৮, এই গাওঁ এই গীত ; কিউপিড আৰু ছাইকী — ১৯৫৯, Modem Assamese Poetry, Folk songs of india মেকং-নৈ দেখিলোঁ, বহাগতে পাতি যাওঁ বিয়া ইত্যাদি ।

১৯৭১ চনত গুৱাহাটীৰ পৰা প্ৰকাশিত ইংৰাজী কাকত Assam Express ৰ সম্পাদক, পছোৱা নামৰ মাহেকীয়া আলো-চনীৰ সম্পাদক, ১৯৪৬ চনত 'জনতাৰ সম্পাদক হিচাপেও সুখ্যাতি ৰাখিব পাৰিছে ।

অসমৰ তেল শোধনাগাৰ স্থাপন, মালিগাওঁত ৰেলৱে হেড কোৱাৰ্টাৰ স্থাপন, ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মানৰ ক্ষেত্ৰত লোৱা প্ৰখ্যাত ৰাজনীতিবিদ হেমবৰুৱাদেৱৰ ভূমিকা আজিও অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ নাগৰিকে পাহৰিব নোৱাৰা ভূমিকা আছিল ।

এগৰাকী খ্যাতমান সংসদী সদস্য হিচাপে হেমবৰুৱাই ৰুছ-দেশ, ইংলণ্ড, ব্ৰহ্মদেশ, চিংগাপুৰ, টাইৱান, ইজৰাইল, নেপাল, কম্বোদিয়া, দক্ষিণ পূব এচিয়াৰ থাইলেণ্ড, মালয়েচিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰকে ধৰি ভালেমান ৰাষ্ট্ৰ ভ্ৰমণ কৰে। দেশ - বিদেশ ভ্ৰমণ কৰা বৰুৱাদেৱে প্ৰচুৰ অভিজ্ঞতাৰে পুষ্ট মনেৰে অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰাই কৈছিল—"যি সাহিত্যত জনসাধা-ৰণৰ জীৱন মূৰ্ত্তিমন্ত হৈ উঠে সেয়াই প্ৰকৃত সাহিত্য ।" "মাতৃ

ভাষা অসমীয়া হোৱা সত্ত্বেও অসমীয়া কিতাপ নপঢ়াজনে আচলতে কোনো কিতাপকে নপঢ়ে।"

"ভাৰতীয় আন প্ৰান্তীয় সাহিত্যৰ দৰে অসমীয়া সাহিত্য ক্ৰমবৰ্দ্ধমান 'ইভোলিউছন'ৰ বুৰঞ্জী নহয়, বৈপ্লৱিক পৰিবৰ্তনৰহে বুৰঞ্জী।"

"আন ভাষাৰ শব্দ প্ৰয়োগ কৰাত বিশেষ কোনো আপত্তি থকাটো উচিত নহয়, কিন্তু সেই শব্দ সমূহ হাড়ে-হিমজুৱে নিজৰ ভাষাত জীণ যাব লাগিব।"

"কেৱল মন্ত্ৰীৰ পদবীৰ জৰীয়তে কোনো সমাজ বা সম্প্ৰদায়ৰ সমস্যা সমাধান হ'ব নোৱাৰে।"

যি জনে তেওঁৰ বক্তৃতা এবাৰ শুনিছে আৰু দ্বিতীয় বাৰৰ বাবে শুনিবলৈ আগ্ৰহী হৈ থকাটোৱে আছিল সাধাৰণ কথা। এনে এগৰাকী বহুমুখী প্ৰতিভাৰ প্ৰখ্যাত লোকৰ মাতৃ পদ্মালোচনী দেৱী আৰু সহধৰ্মিণী সুলেখিকা অনু বৰুৱা। এই জন পুৰুষৰ পৰলোক প্ৰাপ্তি ঘটে ১৯৭৭ চনৰ ৯ এপ্ৰিল শনিবাৰে। কবিৰ কথাৰে।

"তোমাৰ জীৱনী দেৱ লিখে এনে সাধ্য কাৰ
গোটেই অসম জুৰি বিস্তৃত জীৱনী যাৰ।"

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ চত্বাৰিংশ অধিবেশনৰ সভাপতি

ব্যাকৰণ শাস্ত্ৰী গিৰিধৰ শৰ্মা

অসম সাহিত্য সভাৰ 'ধুমুহাৰ সভাপতি' বুলি কলে আমি কেৱল এজন ব্যক্তিকেই জানো। তেওঁ হ'ল প্ৰবীণ সংগঠক, ভীমকৰ্মা পুৰুষ গিৰিধৰ শৰ্মা। 'মই ডাঙৰ সাহিত্যিক নহওঁ, ডাঙৰ পণ্ডিতো নহওঁ, মোৰ মাথো আত্মবিশ্বাস আছে যে মই এজন নিষ্ঠাৱান সেৱক' এই বুলি বিনয়েৰে কোৱা শৰ্মাদেৱে অসম সাহিত্য সভাৰ সভাপতিৰ গুৰুভাৰ লৈয়েই উপলব্ধি কৰিছিল 'বৰ্ত্তমান সময়ত অসম সাহিত্য সভাৰ প্ৰধান কাম হৈছে আমাৰ জন সাধাৰণৰ মাজত সংগঠক আৰু প্ৰচাৰ কাৰ্য্য চলোৱা। এই প্ৰচাৰ আৰু সংগঠনৰ বলেৰেই অসম সাহিত্য সভাক এটি অতি বলিষ্ঠ জাতীয় অনুষ্ঠানত পৰিণত কৰাৰ সময় হৈছে।'

সঁচা কথা। কথাৰ মাজেদিয়েই হাতত লোৱা যি কোনো কামতেই তেওঁ অতি নিষ্ঠা আৰু অন্তৰংগভাৱে জড়িত হৈ পৰিছিল। এই বাবেই গিৰিধৰ শৰ্মাক কৰ্মযোগী বুলি অভিহিত কৰিছে। ভাতৃ উমাকান্ত শৰ্মাই এঠাইত লিখিছে 'যাগঃ কৰ্মস্থ কৌশলম্' কথাষাৰে তেওঁৰ মনত গভীৰ ৰেখাপাত কৰিছিল। ই যেন বীজ-মন্ত্ৰ স্বৰূপে তেওঁক সকলো সময়তে কৰ্মৰ প্ৰেৰণা যোগাইছিল আৰু ভগৱানৰ প্ৰতি অবিচলিত আস্থাৰ জন্ম দিছিল। সেই কাৰণে স্কুলঘৰ, মহাবিদ্যালয় স্থাপন কৰা, সমাজ-সেৱাৰ নানান কাম কৰা, অধ্যাপনা কৰা, পৰিয়ালৰ ভৰণ-পোষণৰ ব্যৱস্থা কৰা, সকলো

কামকে তেওঁ ঈশ্বৰৰ পূজাৰূপে লৈছিল স্বকৰ্মণা তমভ্যৰ্চ্য সিদ্ধিং বিন্দতি মানৱঃ।"

গিৰিধৰ শৰ্মাদেৱৰ কৰ্মোদ্যম আৰু প্ৰাণশক্তি আছিল বিস্ময়কৰ। সভাৰ কোনো ধৰণৰ আইনগত বাধাই তেখেতক গতিৰোধ কৰিব পৰা নাছিল। এবাৰ লক্ষ্য স্থিৰ কৰি সংকল্প লোৱা যি কোনো কামকেই কৰিবলৈ তেওঁ অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল। এই বাবেই শৰ্মদেৱৰ সভাপতিৰ ভাষণত উথাপিত হোৱা পূৰ্ণাংগ অভিধান প্ৰণয়ণ, পূৰ্ণাংগ ব্যাকৰণ প্ৰণয়ণ, মৌলিক গ্ৰন্থ প্ৰণয়ণ আৰু প্ৰকাশ, অনুবাদ সাহিত্য সৃষ্টি, সাহিত্য সভা পত্ৰিকা আৰু বুলেটিন, অসমীয়া জাতিৰ ইতিবৃত্ত, গ্ৰন্থাগাৰ, সাংস্কৃতিক সমন্বয় কেন্দ্ৰ, বিভিন্ন ৰাজ্যিক অনুষ্ঠানৰ লগত সংযোগ স্থাপন, অসমীয়া ভাষাজ্ঞান পৰীক্ষাৰ সংস্কাৰ আৰু প্ৰসাৰ, ছপাশাল, প্ৰচাৰ আৰু সংগঠন এই বাৰ দফীয়া আঁচনি বাস্তৱত ৰূপায়িত কৰিবলৈ সাহসেৰে আত্মনিয়োগ কৰি কঠোৰ শ্ৰমত অৱতীৰ্ণ হৈ পৰিছিল।

নলবাৰী জিলাৰ ককয়াগাঁৱত ১৯১২ চনৰ ৩০ জুলাইত জন্মলাভ কৰা গিৰিধৰ শৰ্মাই বাল্যাৱস্থাতে পিতৃ ৰাধাকান্ত শৰ্মাৰ বিয়োগ হোৱাত মাতৃ দশামীপ্ৰিয়া দেৱীৰ আদৰ যত্নত ডাঙৰ-দীঘল হৈ ১৯৩৩ নলবাৰীৰ চামতা হাইস্কুলৰ পৰা প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিছিল যদিও অৰ্থৰ অভাৱত কলেজীয়া শিক্ষা লব নোৱাৰি শৰ্মাদেৱে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকতাৰেই কৰ্মময় জীৱন আৰম্ভ কৰিলে। ইতিমধ্যে তেখেতে নৰ্মাল পাচ কৰিছিল। তেনেদৰে সংস্কৃত পঢ়ি পৰীক্ষা দি স্বৰ্ণ-পদক লাভ কৰি ব্যাকৰণশাস্ত্ৰী হৈছিল। উল্লেখনীয় কথা এইটোৱে যে প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপেই তেখেতে আই-এ, বি-এ আৰু শেষত এম-এ পাছ কৰি কিছুদিন সন্দিকৈ কলেজত তাৰ কটন কলেজত আৰু শেষত নিজৰ দেহৰ ঘাম মাটিত পেলাই প্ৰতিষ্ঠা কৰা আৰ্য্য-

বিদ্যাপীঠ কলেজৰ অধ্যক্ষ হয়। হঠাতে চৰকাৰী চাকৰি ইস্তফা দি এনেদৰে ভেনচাৰ কলেজ এখনত সোমাই পৰাত ঘৰৰ পৰিয়ালৰ মানুহ যথেষ্ট চিন্তিত হৈ পৰিল। তথাপি ভাতৃ উমাকান্ত শৰ্মাদেৱে কৈছিল "দাদা মুক্ত হৈ গ'ল। মুক্তি লাভৰ লগে লগেই দাদাৰ জীৱনলৈ ক'ৰ পৰা যে আহি পৰিল অসীম উদ্যম, অপাৰ কৰ্মদক্ষতা, নিৰহংকাৰ সৰলতা, অম্লান উল্লাস, তেজোময় পদক্ষেপ আৰু শ্ৰান্তিবিহীন তৎপৰতা।" সঁচাকৈ বাস্তৱত সেইটোৱে দেখা গ'ল। তেখেতৰ অসীম ধৈৰ্য্য, দুৰন্ত সাহস আৰু অক্লান্ত পৰিশ্ৰমৰ ফলতেই আৰ্য্যবিদ্যাপীঠ কলেজ লাহে লাহে লেখত লব লগীয়া বৃহৎ কলেজ এখন গঢ়ি উঠিল। এই বাবেই কোৱা হ'ল আৰ্য্যবিদ্যাপীঠ কলেজ বুলিলে গিৰিধৰ শৰ্মা আৰু গিৰিধৰ শৰ্মা বুলিলে আৰ্য্যবিদ্যাপীঠ কলেজ। শৰ্মা চাৰৰ জীৱনৰ কৃতিত্বই প্ৰকাশ পাইছে প্ৰধানতঃ দুটি দিশত। সেয়া হ'ল শিক্ষাবিদ আৰু সংগঠক। তেখেতে প্ৰতিষ্ঠা কৰা শিক্ষানুষ্ঠানৰ উপৰিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিল, অসমীয়া অধ্যাপক চ'ৰা আদি বিভিন্ন শিক্ষানুষ্ঠান সমূহৰ লগত বিশেষভাবে জড়িত হৈ পৰিছিল। এইবোৰ কাৰণতেই তেখেতক 'অসমৰ মালব্য বুলি অভিহিত কৰিছে।

গিৰিধৰ শৰ্মা চাৰ কেৱল শিক্ষা সংস্কাৰক অথবা সেৱকেই নাছিল ভাষা-সাহিত্যৰো এজন একনিষ্ঠ সেৱক আছিল। "মুখ্যতঃ তেওঁ আছিল পাঠ্য—পুথিৰ সংকলক আৰু ব্যাকৰণৰ চিন্তা—চৰ্চা কৰা ব্যক্তি। ..... শিক্ষা—ক্ষেত্ৰত তেওঁ তেনেকৈ প্ৰাথমিক পৰ্য্যায়ত অধিক গুৰুত্ব দান কৰাটো বাঞ্ছা কৰিছিল, মাতৃ ভাষা আৰু সাহিত্যৰ বিকাশতো তেওঁ প্ৰধানকৈ শুদ্ধ ভাষা লিখাৰ ওপৰত প্ৰধান্য দিছিল।" এই বাবেই প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপযোগীকৈ তিনিটা খণ্ডত 'গুৱলা পাঠ গ্ৰন্থ ৰচনা

কৰি তেখেতে এক মহৎ কৰ্ম্মৰ নিদৰ্শন দেখুৱালে। "পাঠ্য পুথি কেইখনিৰ যোগেৰে তেওঁ ছাত্ৰ-ছাত্ৰীৰ অন্তৰত ভাৰতীয় ঐতিহ্য, বিখ্যাত ব্যক্তিসকলৰ বিষয়ে ধাৰণা, সমাজ সেৱা, জাতীয় উছৱ, অনুপ্ৰেৰণাদায়ক কাৰ্য্যৰ সৌৰৱণ আৰু স্বদেশ প্ৰীতিৰ ভাৱ জাগ্ৰত কৰিবলৈ যত্ন কৰিছিল।"] উক্তি: দুৰ্গেশ্বৰ শৰ্ম্মা]

'আধুনিক অসমীয়া ভাষাৰ ব্যাকৰণ' (১৯৫৩) শৰ্ম্মাদেৱৰ অসমীয়া ব্যাকৰণ সাহিত্যলৈ আগবঢ়োৱা এক উল্লেখযোগ্য অৱদান। তেনেদৰে 'সংস্কৃত ব্যাকৰণ চন্দ্ৰিকা' (১৯৬৮); 'সংস্কৃত ব্যাকৰণ, আৰু অনুবাদ'; 'প্ৰবেশিকা ৰচনা শিক্ষা' (১৯৪৮) ৰবীন্দ্ৰ নাথৰ গল্প গুচ্ছ'ৰ অনুবাদ, শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ 'দেৱী চৌধুৰাণী' অনুবাদ ইত্যাদি উল্লেখযোগ্য গ্ৰন্থ। অধ্যাপক হেমন্ত কুমাৰ শৰ্ম্মাৰ সৈতে যুটীয়াভাবে সম্পাদন কৰা 'অসমীয়া গল্প সংকলন' খনিও এটি সাৰ্থক চুটি গল্পৰ সংকলন। ইয়াৰ উপৰিও তিনি বছৰ অক্লান্ত পৰিশ্ৰমৰ অন্তত ৰচিত 'অসমীয়া অভিধান' (১৯৫২), আৰু প্ৰায় এবছৰ অন্তত ৰচিত ৬৭৭ পৃষ্ঠাৰ 'ইংৰাজী—অসমীয়া অভিধান' (১৯৫০) গ্ৰন্থ দুখনিয়েও শিক্ষাৰ্থী সকলৰ এটি ডাঙৰ অভাৱ পূৰণ কৰিলে। গ্ৰন্থ দুখনিৰ পৰা শৰ্ম্মা দেৱৰ পাণ্ডিত্যৰ পৰিচয় পোৱা যায়। সেইদৰে ইংৰাজী ভাষাতো যে তেখেতৰ বুৎপত্তি আছিল তাৰেই সাক্ষ্যদান কৰিলে কটন কলেজত থকা কালতে প্ৰণয়ন কৰা তেখেতৰ 'Sarma's Ango Assamese Dictionary' (1950) গ্ৰন্থখনিয়ে।

গিৰিধৰ শৰ্ম্মাদেৱ কামৰূপ সাহিত্য পৰিষদৰ সভাপতি (১৯৭২) নিৰ্বাচিত হোৱা সময় চোৱাত হোৱা এক উল্লেখযোগ্য কামৰ কথা প্ৰসঙ্গক্ৰমে উল্লেখ নকৰি নোৱাৰিলো। তেতিয়া কামৰূপ সাহিত্য পৰিষদৰ (বৰ্ত্তমান কামৰূপ জিলা সাহিত্য সভা) বয়স মাত্ৰ দুই বছৰ। এনে কেঁচুৱা অৱস্থাত বিশেষকৈ আৰ্থিক দিশ তেনেই শোচ-

নীয় হোৱা স্বাভৱিক। অথচ তেনে অৰ্থকড়ি দিশৰ কথাকো আওকান কৰি পত্ৰিকা সম্পাদক শ্ৰীৰমেশ চন্দ্ৰ কলিতাক (এখেতো ১৯৮৯ চনত কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হয়) সুধিছিল 'কোৱা, পত্ৰিকা এইবাৰ ওলাব নে নোলাব? .... কিবা এটা দায়িত্ব লৈ কাম কৰিব নোৱাৰিলে বৰ দুখ পাওঁ।' তেতিয়া "টকাচোন নাই" বুলি দুদিনৰ পিচতে পত্ৰিকা সম্পাদকৰ পৰা কথাষাৰ শুনি শৰ্মাদেৱে পুনৰ কৈছিল- 'ৰাইজে নখ জোকাৰিলে নৈও বয়। কাম কৰো বুলি ওলাই আহিলে ধনৰ অভাৱত কাম পৰি নাথাকে।" সঁচাকৈয়ে তেখেতৰ সাহসতে ১৯৭২ চনৰ ২৩ নৱেম্বৰ তাৰিখে কামৰূপ সাহিত্য পৰিষদৰ পত্ৰিকা 'কামৰূপা'ই প্ৰথম প্ৰকাশ লাভ কৰিলে। এনে দৃঢ় সাহস আছিল বাবেই তিনিমহীয়া সাহিত্য সভা পত্ৰিকাখনৰ কাৰ্য্যনিৰ্বাহকৰ সমিতিত পত্ৰিকাখন মাহেকীয়া হব লাগে বুলি প্ৰস্তাৱ আগবঢ়াইছিল। আৰু তেনেকৈয়ে শৰ্মা চাৰৰ সভাপতিৰ কালছোৱাতেই 'অসম সাহিত্য সভাৰ-মুখপত্ৰ এটা বিষয়ত বগাহাতী' বুলি আখ্যা পোৱা পত্ৰিকা-খনিও মাহেকীয়াকৈ প্ৰকাশ পাবলৈ সক্ষম হৈছিল। ই শৰ্মা চাৰৰ কৰ্তব্যনিষ্ঠাৰেই পৰিচয় নহয় নে? পিচে অতি দুখৰ কথা তেখেতৰ কাৰ্যকাল শেষ হোৱালৈকে নিয়মীয়াকৈ নটা সংখ্যা ওলো-ৱাৰ পিচতেই পৰৱৰ্ত্তী বছৰত নতুন কাৰ্য্যনিৰ্বাহক সমিতিয়ে পত্ৰিকা-খন মাহেকীয়াকৈ উলিওৱাটো বোধহয় আৰ্থিক অভাৱৰ কাৰণেই পুনৰ বন্ধ কৰি দিলে। সম্প্ৰতি পত্ৰিকাখনি আকৌ তিনি মহীয়া ৰূপত প্ৰকাশ পাই আছে।

গিৰিধৰ শৰ্মাৰ উল্লেখযোগ্য কৰ্মৰ অন্যতম উদাহৰণ হল কামৰূপ সাহিত্য পৰিষদৰ সভাপতিৰ কালছোৱাতেই তেখেতে ইংৰাজী বিষয়টোক বিকল্প ব্যৱস্থা হিচাপে ৰাখি অসমীয়া ভাষাকে একমাত্ৰ শিক্ষাৰ মাধ্যম কৰাটো উচিত বুলি কলেজ আৰু বিশ্ববিদ্যালয়

কৰ্তৃপক্ষৰ এনেকুৱা প্ৰস্তাৱ উত্থাপন কৰিছিল। এই উদ্দেশ্যে কোকৰাঝাৰৰ বড়ো নেতৃবৃন্দক লগ ধৰি তেখেতসকলৰ লগত আলোচনা বিলোচনা কৈ ভাষাৰ ঐক্যৰে জাতীয় সংহতি ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল। গিৰিধৰ শৰ্মা আছিল এক ব্যতিক্রম ব্যক্তি। কথাবাৰ্ত্তাৰ সত্যতা প্ৰতিপন্ন হৈছিল যেতিয়াই সভাপতি শৰ্মাদেৱে কেৱল ভাষণৰ মাজতেই আবদ্ধ নাথাকি বিভিন্ন আঁচনি প্ৰস্তুত কৰি সেইবোৰৰ বাস্তৱ ৰূপায়ণৰ অৰ্থে সভাৰ নিয়মাৱলীকো আওকান কৰি বলিষ্ঠ পদক্ষেপেৰে অৰুনাচলৰ পৰা অসমৰ ইমূৰ সিমূৰ পৰিভ্ৰমণ কৰি সভাৰ কেন্দ্ৰৰ লগত শাখা সভা সমূহৰ ঘনিষ্ঠ সংযোগ ঘটাই আনকি কেইবাখনো নিষ্ক্ৰিয় শাখা সাহিত্য সভাক পুনৰ সক্ৰিয় কৰি তুলিলে, প্ৰতিশ্ৰুতি দিয়ামাত্ৰই পত্ৰিকাখনি মাহেকীয়া হ'ল, আজীৱন সভ্যৰ সংখ্যা বৃদ্ধি পালে, সভাৰ মূল পুঁজিত হাত নিদিয়াকৈ 'অসমীয়া জাতিৰ ইতিবৃত্ত' (প্ৰথম খণ্ড-ডঃ হৰিচৰণ ভট্টাচাৰ্য্য-সম্পাদিত), 'ছাক্ৰেটিছ' (ডঃ কালীচৰণ দাস ৰচিত) 'ত্ৰকাদশী' ছগনলাল জৈন সম্পাদিত), 'জীৱনী' (ডঃ গোবিন্দ শৰ্মা ৰচিত), 'ছেমুৱেল জনছনৰ জীৱনী' (অধ্যাপক ৰাযহানশ্বাহ-অনূদিত), 'প্লেটো' (অধ্যক্ষ শৰৎচন্দ্ৰ গোস্বামী - ৰচিত). 'ৰাভা জনজাতি' (ৰাজেন ৰাভা-ৰচিত), 'স্বপ্ন বা স্বপ্নদত্তা' (ডঃ শৈলেন ভৰালী ৰচিত 'নাটক' আদিৰ দৰে ন-খন মূল্যবান গ্ৰন্থ প্ৰকাশ কৰি উলিয়ায়। তেতিয়াই মানুহৰ উপলব্ধি হ'ল যে "মোৰ চুলি নপকিলে আপোনালোকে মোক অসম সাহিত্য সভাৰ সভাপতি ইমান সোনকালে নেপাতিলেহেঁতেন" বুলি ধেমালিতে কোৱা গিৰিধৰ শৰ্মাদেৱ সচাকৈয়ে কৰ্মৰ মানুহ। অসমীয়া ভাষা – সাহিত্যৰ সংকটপূৰ্ণ অৱস্থাত শৰ্মাদেৱৰ নিচিনা সাংগঠনিক কৰ্মী এজনক নিৰ্বাচিত কৰি উচিত কামেই কৰিলে। "অসম সাহিত্য সভাৰ বাবে যি এগৰাকী সিংহ পুৰুষ, বিৰাট সংগঠক, ভীমকৰ্মা কৰ্মী আৰু উপযুক্ত কাৰ্যাক্ষম সভাপতিৰ প্ৰয়োজন হৈছিল সেই

প্ৰয়োজন বাস্তৱিকতে পৰিপূৰ্ণ কৰে ছাৰে” (উক্তি: ড॰ নবীনচন্দ্ৰ শৰ্মা)। এই কাৰণতেই পৰৱৰ্ত্তী বছৰৰ বাবে অসম সাহিত্য সভাৰ সভাপতি কোন হব বুলি উঠা প্ৰশ্নৰ উত্তৰত হেনো এখন প্ৰসিদ্ধ দৈনিক কাকতৰ সম্পাদকে এইদৰে মন্তব্য কৰিছিল—“অসম সাহিত্য সভাৰ নিয়মাৱলীত নিয়ম থাকক বা নাথাকক, সাহিত্য সভাৰ স্বাৰ্থত গিৰিধৰ শৰ্মাক আকৌ এবছৰৰ বাবে সভাপতি নিৰ্বাচিত কৰক। দেখিব সাহিত্য সভাক অসমৰ আটায়ে সাৱটি লব।’ এনেবোৰ উক্তিৰ পৰাই এইটো স্পষ্ট হৈ পৰে যে গিৰিধৰ শৰ্মা সঁচাকৈয়ে এজন সংগ্ৰামী, সংগঠন পটু আৰু কৰ্মপ্ৰাণ লোক আছিল। তেখেতৰ দৰে আন কোনো এজন সভাপতিয়ে চুকে-কোনে থকা শাখা সভা আৰু বিভিন্ন জনগোষ্ঠীৰ লগত আত্মীয়তাৰে মুখা-মুখি হোৱাৰ দৃষ্টান্ত নাই।

“উদ্দেশ্য মহান হ’লে, ভগৱানৰ দয়া আৰু মানুহৰ সহায় পোৱা যায়” এই বুলি কোৱা গিৰিধৰ শৰ্মাদেৱ আছিল আশাবাদী। তেখেতৰ কৰ্মই ইয়াৰ স্পষ্ট প্ৰমাণ। তেখেতৰ কৰ্ম প্ৰেৰণা আছিল ‘প্ৰকৃততে মানৱ সত্বাত লুকাই থকা এক দৈৱিক সম্পদ।” কথা আৰু কামৰ মাজত পাৰ্থক্য থকাটো তেখেতৰ কামনা নাছিল। সভাপতিৰ কালছোৱাত তেখেতে ‘বিশেষকৈ অধিক গ্ৰন্থ প্ৰকাশৰ আঁচনিৰ কথা চিন্তা কৰিছিল। সেইমতে কামো কৰা হৈছিল। ইয়াৰ উপৰিও ‘অসমীয়া অধ্যাপক চ’ৰা’ৰ সভাপতি থাকোতেও তেখেতে হেনো সাহিত্য আৰু দৰ্শন সম্বন্ধীয় ভাষণ মূলক প্ৰবন্ধ গোটাই এখন পুথি সম্পাদনাৰ প্ৰস্তাৱ আগ বঢ়াইছিল। এনে এজন আশাবাদী মনৰ ব্যক্তি আছিল বাবেই সভাপতিৰ আসনৰ পৰাই তেখেতে তেখেতৰ কাৰ্য্যকালৰ বছৰটিতে কাৰ্য্যকৰী কৰিবলৈ মানস কৰি বাৰ দফীয়া আচনিৰ কথা ঘোষণা কৰিছিল। তেনেদৰে সেই একে সময়তে কাৰ্য্যনিৰ্বাহক সমিতিয়ে গ্ৰহণ কৰা (১) খণ্ডৱা

ভাষাৰ উদ্ধাৰ আৰু উন্নয়ন আচনি, (২) অসম সাহিত্য সভা-সেৱাকেন্দ্ৰ আৰু (৩) অসমীয়া ভাষা-জ্ঞান পৰীক্ষাৰ পূৰ্বৰ দুটা স্তৰৰ ঠাইত চাৰি'টা স্তৰ কৰা এই তিনিটা আঁচনিৰ সৰহভাগ কামৰে দায়িত্ব শৰ্মাদেৱে অকলেই বহন কৰিব লগীয়া হৈছিল ।

তেখেতৰ পৰা অসমীয়া ভাষা সাহিত্যই আৰু অধিক বৰঙনি পোৱাৰ আশা কৰিছিল যদিও ১৯৭৮ চনৰ ১০ মে' দিনটোৱে যেন তেনে আশা পূৰ্ণ কৰিব নিদিলে। সেই দিনাই ৰক্তচাপ জনিত কাৰণত হোৱা তেখেতৰ অকাল বিয়োগে কন্দুৱাই থৈ গ'ল ভাষা-জননীক আৰু পুত্ৰসবক। স্মৃতিৰ পটত হেঙুলনি দি থৈ গ'ল এটি-অমৰ বাণী 'কামেই জীৱন।"

অমৃত বসুমতাৰী

অসম সাহিত্য সভাৰ এক চত্বাৰিংশ অধিবেশনৰ সভাপতি

সদস্য মহীয়ান, পদ্মশ্ৰী মহেশ্বৰ নেওগ

অসম সাহিত্য সভাৰ এটি অন্যতম সন্মানীয় উপাধি হ'ল "সদস্য মহীয়ান "। বিশ্ববিশ্ৰুত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ দেৱৰ পিছতে তেনে এজন গুণী অসমীয়া, এজন অসমীয়া ভাষা সাহিত্যৰ কামত ভাগৰি নপৰা যোদ্ধাক অসমৰ জাতীয় অনুষ্ঠানত পৰিণত অসম সাহিত্য সভাই থিক সময়তে গুণৰ মোল বুজি 'সদস্য মহীয়ান' উপাধিৰে ভূষিত কৰিছে ডঃমহেশ্বৰ নেওগক। তেওঁৱেই ১৯৭৪ চনত মংগলদৈত অনুষ্ঠিত অসম সাহিত্য সভাৰ এক চত্বাৰিংশ অধিবেশনৰ সন্মানীয় সভাপতি।

অসমভূমিৰে নহয় ভাৰত ভূমিৰ এগৰাকী আগশাৰীৰ পণ্ডিত ডঃ মহেশ্বৰ নেওগে অসমীয়া আৰু ইংৰাজী ভাষাত প্ৰায় এশ গ্ৰন্থ ৰচনা আৰু সম্পাদনা কৰি সাহিত্যৰ ভঁৰাললৈ অন্যতম বৰঙণি আগবঢ়াইছে। এসময়ৰ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক, উপসভাপতি আদি পদত থাকি অসম সাহিত্য সভাৰ শ্ৰীবৃদ্ধিত অৰিহণা যোগোৱা নেওগৰ জন্ম ১৯১৮ চনৰ ৭ চেপ্তেম্বৰ তাৰিখে শিৱসাগৰৰ কমাৰফদীয়া গাঁৱত।

১৯৭৮ চনত বৈষ্ণৱ ধৰ্ম সাহিত্য আৰু সংস্কৃতিৰ এগৰাকী শ্ৰেষ্ঠ গৱেষক পণ্ডিতক ভাৰত চৰকাৰৰ সন্মানীয় 'পদ্মশ্ৰী' উপাধিৰে ভূষিত কৰাৰ পাচত অসম চৰকাৰৰ আন এটি শ্ৰেষ্ঠ সন্মান শংকৰদেৱ বঁটাৰেও অসম চৰকাৰে সন্মানিত কৰিছে।

বিশিষ্ট শিক্ষাসেৱী, সদস্য মহীয়ান নেওগদেৱে কমাৰফদীয়া নিম্ন প্ৰাথমিক বিদ্যালয়তে শিক্ষা জীৱনৰ পাতনি মেলিছিল। যোৰ-

হাটচৰকাৰী হাইস্কুলৰ পৰাই ১৯৩৪ চনত ষ্টাৰমাৰ্ক আৰু ৭টা বিষয়ত লেটাৰ লৈ সুখ্যাতিৰে প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় আৰু কলেজীয়া শিক্ষা আৰম্ভ কৰে কটন কলেজত। এই কলেজৰ পৰাই ১৯৩৯ চনত বি, এ ডিগ্ৰী লাভ কৰে। কলিকতা বিশ্ব-বিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লৈ সুখ্যাতিৰে এম এ ডিগ্ৰী আৰু ১৯৫৫ চনত গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ পৰা ডি্ ফিল উপাধি লাভ কৰে।

সুকুমাৰ কলাৰ প্ৰায় আটাই কেইটা দিশতে বিশেষ বুৎপত্তি থকা নেওগ দেৱে সংগীত অকাডেমী, সাহিত্য অকাডেমীৰ লগতো জড়িত আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্ম লগ্নৰ পৰাই জড়িত হৈ কাৰ্য্যনিৰ্বাহ কৰিছিল বিশ্ববিদ্যালয়ৰ স্থাপন প্ৰস্তুতি কমিটিৰ অফিচ চেক্ৰেটৰী আৰু অধীক্ষক হিচাপে। কৰ্মজীৱন শিক্ষা সেৱা হিচাপে আৰম্ভ কৰি ক্ৰমে যোৰহাট মিছন হাইস্কুল, শিৱসাগৰ ফুলেশ্বৰী হাইস্কুল, যোৰহাট চৰকাৰী হাইস্কুলত কাম কৰি ১৯৪৮ চনত নিযুক্তি হয় গুৱাহটী বিশ্ববিদ্যালয়ৰ স্নাতকোৰ্ত্তৰ অসমীয়াৰ অধ্যাপক, ১৯৫৬ চনৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰিডাৰ আৰু ১৯৬৬ চনৰ পৰা ১৯৭৮ চনলৈকে গুৱাহাটী বিশ্ব-বিদ্যালয়ৰে জৱাহৰলাল নেহৰু অধ্যাপক নিযুক্তি হয়। ১৯৭৮ চনৰ পৰা১৯৮৩ চনলৈ তেওঁখেতে পঞ্জাবৰ পতিয়ালা পাঞ্জাবী বিশ্বৱিদ্যালয়ৰ ছইন্ট শংকৰদেৱ অধ্যাপক নিযুক্তি পায়। গুৱাহাটী বিশ্ববিদালয়ৰ লগত ওতঃপ্ৰোত ভাবে জড়িত নেওগদেৱে ১৯৭৪ — ৭৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলাগুৰু আছিল।

আধুনিক অসমীয়া সাহিত্যৰ অন্যতম দিক্ নিৰ্দেশক পণ্ডিত পদ্মশ্ৰী নেওগ দেৱে অসম সাহিত্য সভাৰ সম্মানীয় সভা-পতিৰ আসন অলংকৃত কৰি সেই আসনৰ পৰা দিয়া বাণীত কৈছিল — 'অসম সাহিত্য সভাক আপোনালোকে বিককৰা নকৰিব,

এই অনুষ্ঠানক অসম কৰি ৰাখক, সাহিত্য সভা কৰি ৰাখক ।'

"আমাৰ কৰ্তব্যবোধ দেশাত্মবোধ নহলে কোনোবাই আমাক ধন-দৌলত দিবহি বুলি নাভাবোঁ ।"

"কৰি খোৱা শিক্ষাকেই আমাক আজি লগা হৈছে সিয়ে প্ৰকৃত সংস্কৃতিৰ বাহক হ'ব পাৰিব ।"

অসমীয়া ভাষা সাহিত্যৰ এই গৰাকী বিশিষ্ট কৰ্মযোগী ১৯৫৪ চনত শান্তি নিকেতনত কেন্দ্ৰীয় শিক্ষা মন্ত্ৰণালয়ৰ সাহিত্য কৰ্মশালাৰ উপসঞ্চালকৰ কাৰ্য্যভাৰ চলোৱা সদস্য মহীয়ান মহেশ্বৰ নেওগ দেৱৰ ৰচনা আৰু সম্পাদনা কৰা গ্ৰন্থৰ ভিতৰত বিশেষ উল্লেখযোগ্য গ্ৰন্থ সমূহ হ'ল অসমীয়া সাহিত্যৰ ৰূপৰেখা, শ্ৰীশ্ৰীশংকৰদেৱ, অসমীয়া গীতি সাহিত্য, অসমীয়া সমাজ আৰু সংস্কৃতি, আধুনিক অসমীয়া সাহিত্য, শ্ৰীহস্ত মুক্তাৱলী, অসমীয়া প্ৰেম গাঁথা, প্ৰাচ্য শাসনাৱলী, স্বৰৰেখাত বৰগীত, ডাৱৰৰ সিপাৰে ধুনীয়া দেশ, গীতি ৰামায়ণ, সত্ৰীয় নৃত্য আৰু সত্ৰীয় নৃত্যৰ তাল, অসমীয়া খণ্ডবাক্য কোষ, পত্ৰলেখা, চিত্ৰলেখা, । মুছাফিৰখানা, সঞ্চাৰিণী, দীপ-শিখা কবিতা সংকলন । ইংৰাজী গ্ৰন্থৰ ভিতৰত—Sankardeva; and his pradecessors, The art of painting in Assam; Early History of Assam ইত্যাদী ।

অসমীয়া ভাষাৰ বিশিষ্ট পণ্ডিত গৰাকীৰ পিতৃ আহোম ৰজা পুৰন্দৰ সিংহই পতা নেওগ ৰতিকান্তৰ পুত্ৰ মাণিক চন্দ্ৰ নেওগ আৰু মাতৃ চন্দ্ৰপ্ৰভা দেৱী । অসম সাহিত্য সভাৰ দ্বাত্ৰিংশ অধিবেশনৰ সভাপতি, অসমীয়া ভাষা সাহিত্যৰ এগৰাকী একনিষ্ঠ সাধক ডিম্বেশ্বৰ নেওগৰ সহোদৰ হ'ল ড°মহেশ্বৰ নেওগ ।

ভাষা সাহিত্যৰ বিশিষ্ট কৰ্মযোগী—ভাষা লিপি, সাহিত্য, ধৰ্ম, বুৰঞ্জী, চিত্ৰকলাদৰ্শন, নৃত্য-গীত, অভিনয়, নৃতত্ব, প্ৰত্নতত্ব

ইত্যাদি বিভিন্ন অৱদানেৰে বিশিষ্ট বৰঙনি যোগোৱা আৰু বৰ্ত-মানো বয়সে ভাষা সাহিত্যৰ সভা বুলি বাধা দি ৰাখিব নোৱাৰা সিংহপুৰুষ ডঃ মহেশ্বৰ নেওগদেৱ উপস্থিত হয় নিৰ্দিষ্ট সময়তে আজিও তেখেতৰ সেই উদ্যম অব্যাহত আছে সভা সমিতিত সময় মতে উপস্থিত হোৱাৰ। বিখ্যাত ৰামধেনু আলোচনীৰ সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰা, সদস্য মহীয়ান মহেশ্বৰ নেওগ-দেৱে বৰ্তমানৰ কালচোৱাতে অসমীয়া সাহিত্যত লাভ কৰিছে অমৰত্ব। তেখেতৰ ৰচনাৰাজিৰ বাবে অসম তথা ভাৰতৰ পণ্ডিত সমাজে কোনো কালেই পাহৰিব নোৱাৰিব আৰু সেয়ে তেখেতে জীৱিত কালতে লাভ কৰিছে অমৰত্ব।

অসমীয়া সাহিত্যত ভাঙনি কোঁৱৰ হিচাপে খ্যাত আনন্দ চন্দ্ৰ আগৰৱালাদেৱৰ ভাষাৰে—

"মহা মহা পুৰুষৰ চানেকীৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত,
অভিনয় শেষ হলে আয়ু বেলি মাৰ গলে
থই যাব পাৰো খোজ সময় বালিত।"

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ দ্বি চত্বাৰিংশ অধিবেশনৰ সভাপতি।

প্ৰথিত যশা পণ্ডিত ড° সত্যেন্দ্ৰ নাথ শৰ্মা

"গুৱনী আমনি, বসন্ত আহিলে
তাতোকৈ একাচি চৰে;
সেইহে কুলিৰ সুৱগী মাতত
নিকুঞ্জ কানন ভৰে।"

(কৃষ্ণপ্ৰসাদ আগৰৱালা)

বসন্তৰ আগমনে প্ৰকৃতিৰ ৰমণীমোহন বুকুত এক নৱ-চেতনাৰ সঞ্চাৰ কৰাৰ দৰে অসমীয়া সাহিত্যলৈ জোনাকী যুগৰ আগমনেও এক-নৱ চেতনাৰ সঞ্চাৰ কৰিয়াই আনে আৰু চিৰচেনেহী অসমীয়া ভাষাক গৌৰৱৰ আসনত প্ৰতিষ্ঠা কৰিবৰ নিমিত্তে জোনাকী যুগৰ সাহিত্যিক যোদ্ধা সবে বিশিষ্ট বৰঙনি আগবঢ়ায়। সেই সকল বৰেণ্য তথা শ্ৰদ্ধা ভাজন সাহিত্যিক যোদ্ধাৰ পিছতো একেই গতি অসমীয়া সাহিত্যৰ বৰ্তমানৰ যোদ্ধা সকলৰ হৃদয়ত অব্যাহত আছে। অসমীয়া ভাষা সাহিত্যৰ বাবে ই এক সুখবৰ। কবিৰ ভাষাৰে—

"এক শতাব্দীৰ এলাহৰ পৰা
উঠিছে অসম দাণ্ডিছে মূৰ,
বিশ্বৰ বীণাত শুনা কি বাজিছে
নৱ-জীৱনৰ নবীন সুৰ"

চিৰ চেনেহী ভাষা জননীৰ উন্নয়ণৰ নিমিত্তে আজীৱন চেষ্টা কৰি অহা সাহিত্যিক যোদ্ধা সকলৰ মাজত জাকত জিলিকা

পণ্ডিত তীৰ্থ নাথ শৰ্মাৰ সৰু ভাতৃ ড° সত্যেন্দ্ৰ নাথ শৰ্মাও অসমৰ এজন প্ৰথিত যশা পণ্ডিত। অসমীয়া সাহিত্যৰ এই গৰাকী প্ৰথিত যশা পণ্ডিত ড সত্যেন্দ্ৰ নাথ শৰ্মাৰ জন্ম হয় ১৯১৭ চনত বুৰঞ্জী খ্যাত শিবসাগৰ জিলাৰ জাৰ্জী নামে এক অঞ্চলত। অসমীয়া সাহিত্যৰ বুৰঞ্জীত এই গৰাকী আধুনিক যুগৰ সাহিত্যিকো বিশিষ্ট আসনত প্ৰতিষ্ঠিত। শিক্ষকতাৰ চাকৰিকে পচন্দ কৰা ড° সত্যেন্দ্ৰ নাথ শৰ্মাই অসমীয়া জাতিক, অসমীয়া ভাষাক, সাহিত্যক প্ৰাণ ভৰি ভালপোৱাৰ ভালেমান উদাহৰণ আছে। অকল ভাল পোৱাতে সীমাবদ্ধ নাছিল অসমীয়া ভাষা সাহিত্যৰ গুৰিত সাৰ পানী দি ইয়াৰ উন্নতিৰ কাৰণেও সততে যত্ন লব পাৰিছে।

শ্ৰীশৰ্মাদেৱেৰো নিচেই সৰু কালৰ পৰাই তীক্ষ্ণ বুদ্ধিৰ আৰু সাহিত্যিক পৰিচয় পৰিয়ালৰ সদস্য সবে পাইছিল। নিৰলস ভাবে অসমীয়া ভাষা সাহিত্যি সাধনাত ব্ৰতী হোৱা শৰ্মাৰ পিতৃ গোলাপ চন্দ্ৰ শৰ্মা আৰু চেনেহী মাতৃ-চেনেহী দেবী। তেওঁৰ পিতৃ গোপাল চন্দ্ৰ শৰ্মা এক্‌চাইজ ডিপাৰ্ট মেণ্টৰ বিষয়া আছিল। প্ৰখৰ মুখস্থ শক্তিৰ অধিকাৰী শৰ্মাই শিক্ষা জীৱনৰ পাতনি মেলে যোৰহাটৰ নৰ্মাল স্কুলত আৰু প্ৰাথমিক শিক্ষা সাংকৰি ১৯৩৪ চনত জাজী হাইস্কুলৰ পৰা সংস্কৃতত লেটাৰ লৈ প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৩৯ চনত কটন কলেজৰ পৰাই বি, এ আৰু ১৯৪১ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অসমীয়াত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ এম, এ, ডিগ্ৰী লাভ কৰে। ইয়াত তেওঁ সন্মানৰ চিন স্বৰূপে লাভ কৰিছিল স্বৰ্ণপদক আৰু দুশ টকা মূল্যৰ কিতাপৰ টোপলা।

অসমৰ জাতীয় অনুস্থান অসম সাহিত্য সভাৰ ১৯৭৫ চনত তিতাবৰত অনুষ্ঠিত দ্বি-চত্বাৰিংশ অধিবেশনৰ সন্মানীয় সভাপতি ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ ৰচিত গ্ৰন্থৰ বৰ্তমানৰ তালিকাত্ত্কুৰি সংখ্যাৰো

অধীক্ষ । উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল ১৯৫৯ চনত অসমীয়া সাহিত্যৰ ইতিবৃত্ত, ৰামায়ণৰ ইতিবৃত্ত; ১৯৬৩ চনত সাহিত্যৰ আভাস, অসমীয়া নাট্য সাহিত্য ১৯৬২ চনত; ১৯৭৬ চনত অসমীয়া উপন্যাসৰ ভূমিকা; ১৯৫৫ অসমীয়া উপন্যাসৰ গতিধাৰা, ১৯৭১ চনত অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ, পাৰ্থসাৰথি, ১৯৭০ চনত পৰাম্পৰাগত প্ৰাচ্য নাট্যাভিনয়, সাহিত্য চয়ন, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, The Neovaisnavite Moven ent and the Satra institution of Assam, studies in the Literature and culture of Assam, Madhavadeva, বাণীদীপ ১৯৫৮ চন ইত্যাদি । অসমীয়া সমালোচনা সাহিত্যৰ এক নতুন ধাৰা মুকলি কৰাত সফলতা অৰ্জন কৰিবলৈ সক্ষম হোৱা ড' সত্যেন্দ্ৰ নাথ শৰ্মাই ১৯৪২ চনত কটন কলেজত সহকাৰী অধ্যাপক হিচাপে নিযুক্তি লৈ যি এবাৰ কৰ্মজীৱন আৰম্ভ কৰিছিল তাৰ গতিত অকণো যতি নেপেলোৱাকৈ অব্যাহত ৰাখিছিল শিক্ষাসেৱী কৰ্মজীৱনৰ ।। ১৯৪৫ চনত অধ্যাপক পদলৈ পদোন্নতি পায় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্থাপনৰ লগে লগে এই বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক হিচাপে নিযুক্তি লাভ কৰে । বিশ্ববিদ্যালয়ৰ ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যাপক আৰু আধুনিক ভাৰতীয় ভাষা সমূহৰ মূৰব্বী অধ্যাপক হিচাপে বিশেষ সেৱা আগবঢাই চাকৰিৰ পৰা অৱসৰ লয় ।

ড: শৰ্মাদেৱে ১৯৫৫ চনৰ অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহকৰ কোষাধ্যক্ষ, ১৯৫৭-১৯৬১ চনলৈ অসম সাহিত্য সভাৰ পত্ৰিকাৰ সম্পাদক, ১৯৫৯-১৯৮৭ চনলৈ সাহিত্য অকাডেমীৰ সদস্য, গুৱাহাটীৰ অসম অকাডেমীৰ প্ৰতিষ্ঠাতা সম্পাদক, কামৰূপ অনুসন্ধান সমিতিৰ আজীৱন সভ্য, গুৱাহাটী বিশ্ববিদ্যালয়ৰ টাউন কমিটিৰ সভাপতি, আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ Cultral standing Committee-ৰ সভাপতিৰ আসন অলংকৃত কৰাৰ লগতে উক্ত

আটাইবোৰ অনুষ্ঠানৰে কাৰ্য্যনিৰ্বাহ সন্মানেৰে কৰি গৌৰব ৰাখিব পাৰিছে।

অসম সাহিত্য সভাৰ প্ৰতিযোগিতা মূলক বঁটাৰ দুৰ্গাধৰ বৰকটকী বঁটা আৰু ১৯৭৩ চনত অসম সাহিত্য সভাৰে মোহন চন্দ্ৰ শৰ্মা বটা লাভ কৰিছে। খেল—ধেমালীৰ প্ৰতিও দুৰ্ব্বলতা থকা শৰ্মাদেৱে জড়িত আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ খেল—ধেমালি বিভাগৰ সৈতে। 'পাৰ্থ-সাৰথি তেখেতৰ প্ৰথমখনি প্ৰকাশিত পুথি।

উষা পৰিণয়, গীত গোবিন্দ, কথা ৰামায়ণ, কথা গীতা, পাৰিজাত হৰণ, সংস্কৃত নাটক, ভক্তি গীত—পদ সঞ্চাৰ ইত্যাদি ড°শৰ্ম্মাদেৱে সম্পাদনা কৰা উল্লেখযোগ্য পুথি। অসমৰ জাতীয় অনুষ্ঠানৰ মুখ্য পদত বহা একনিষ্ঠ গবেষক ড° শৰ্ম্মাদেৱে অসম দেশৰ সংহতি আৰু উন্নতিত বিশেষ মনোযোগ দিছিল। তেখেতে অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত কৈছিল—"অসমৰ খলুৱা ভাষা-উপভাষাসমূহৰ পাৰস্পৰিক সদ্ভাৱ আৰু প্ৰীতিৰ ভিত্তিত আগবাঢ়ি যাব পাৰিলেই ৰাজ্যখনৰ সংহতি আৰু উন্নতি" হ'ব।

অসমীয়া সাহিত্যৰ ভঁৰাললৈ বৰঙনি আগবঢ়োৱাৰ ইচ্ছাৰে ছাত্ৰ কালৰে পৰা সাহিত্য চৰ্চাত মনোযোগ দিয়া ড° শৰ্ম্মদেৱে ফুলনি, সুৰভি জয়ন্তী, আদিৰ নিচিনা আলোচনীত লিখিছিল। তেখেতেই প্ৰায় ৫০০০ খন সাচিপতীয়া পুৰণি পুথিসংগ্ৰহ আৰু সম্পাদনা কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহযোগত। অসমীয়া শিশু সাহিত্যৰ দিশ সবল কৰাৰ অৰ্থে তেখেতে বিভিন্ন দিশেৰে যত্ন কৰিছিল আৰু তেখেতৰ পৰিচালনাতে অনুষ্ঠিত হৈছিল শিশু সাহিত্য ৰচনাৰ প্ৰশিক্ষণ কেন্দ্ৰ। এনে এটি শিশু সাহিত্য ৰচনাৰ প্ৰশিক্ষণ কেন্দ্ৰৰ যোগে ১৫ খন শিশুসাহিত্য ৰচনা কৰিছিল।

তিতাবৰৰ অধিবেশন স্থলিৰ পৰাই কৈছিল

"সাহিত্য ব্যক্তিগত চিন্তা—অনুভূতি, বুদ্ধিমত্তা আৰু প্ৰতিভাৰহে ফল।" এইজনা পুৰুষৰ আদৰ্শ আৰু জ্ঞানৰ পোহৰে নতুন চামক পোহৰায় তোলক এনে আশাকে লৈ কবিৰ কথাৰে—

"যিদিনা মৰিম মই, সেইদিনা বাৰু
জগতৰ কেনি হানি হ'ব ?
মৰিলো নে আছো, মই, এই কথাকেনো
পৃথিৱীৰ কিমানে জানিব ?"

(চন্দ্ৰ ধৰ বৰুৱা)

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ ত্ৰি চত্বাৰিংশ অধিবেশনৰ সভাপতি।

অধ্যাপক যজ্ঞেশ্বৰ শৰ্মা

এজন আদৰ্শ শিক্ষক মেধাবী লোক শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মাই অসম সাহিত্য সভাৰ ১৯৭৬ ইং চনত বহা ত্ৰিচত্বাৰিংশ (টিহু) অধিবেশনৰ সভাপতিৰ পদ অলংকৃত কৰে।

প্ৰাকস্বাধীনতা কালৰ শিক্ষানুষ্ঠানৰ অভাৱত যিসকল মেধাবী অসমীয়া ছাত্ৰই কলিকতালৈ গৈ উচ্চ শিক্ষা লাভ কৰি অসমীয়া জাতিৰ নাম উজ্বল কৰিবলৈ সক্ষম হৈছিল সেই সকলৰ মাজৰ শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা দেৱো এজন। ১৯০৬ খ্ৰীঃ শিৱসাগৰ জিলাৰ তিতাবৰ মৌজাৰ বগাৰ গাওঁ নামৰ সৰু ঠাই এখনত সাধাৰণ পৰিয়াল এটিত জন্ম লোৱা শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা লক্ষ্মীনাথ-কোকিলেশ্বৰীৰ দ্বিতীয় পুত্ৰ। বগাৰ গাওঁ প্ৰাথমিক বিদ্যালয়তে প্ৰথম শিক্ষা আৰম্ভ কৰি তাৰ পৰা বৃত্তি সহ সুখ্যাতিৰে উৰ্ত্তীৰ্ণ হৈ শ্ৰীশৰ্ম্মাই জীৱনৰ প্ৰথম পুৱাতে, মেধাবী ছাত্ৰৰ পৰিচয় দিবলৈ সক্ষম হয়। ১৯১৯ চনত শ্ৰীশৰ্ম্মাই তিতাবৰ মধ্য ইংৰাজী বিদ্যালয়ৰ বিত্তি পৰীক্ষাত শিৱসাগৰ জিলাৰ মুঠ ৮৭ জন পৰীক্ষাৰ্থীৰ ভিতৰত প্ৰথম হৈ শিৱসাগৰ জিলাৰ বাবে থকা তেতিয়াৰ একমাত্ৰ বৃত্তিটো লাভ কৰে। যাৰহাটৰ গৱৰ্ণমেণ্ট হাইস্কুলৰ পৰা ১৯২৩ চনত কলিতা বিশ্ববিদ্যালয়ৰ মেট্ৰিকুলেচন পৰীক্ষাত অসমীয়া সংস্কৃত, অতিৰিক্ত স আৰু অংক এই চাৰিটা বিষয়ত, লেটাৰ লৈ শ্ৰীশৰ্ম্মা প্ৰথ বিভাগত উৰ্ত্তীৰ্ণ হয়। অসমীয়া বিষয়ত সৰ্ব্বোচ্চ নম্বৰ পোৱ ৰ শ্ৰীশৰ্ম্মাই 'দত্তদেৱ গোস্বামী' স্বৰ্ণপদক লাভ কৰিলে।

ইয়াৰ পিছত কাটন কলেজৰ পৰা ১৯২৫ চনত অসমীয়া আৰু সংস্কৃত বিষয়ত লেটাৰ লৈ আইএ পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। কটন কলেজৰ পৰিক্ষাৰ্থী সকলৰ ভিতৰত আৰু অসমৰ ক'লা বিষয়ৰ পৰীক্ষাৰ্থী সকলৰ ভিতৰত প্ৰথম স্থান লাভ কৰি সংস্কৃতত সৰ্ব্বোচ্চ নম্বৰ পোৱা বাবে শ্ৰীশৰ্ম্মাই বিশ্ববিদ্যালয়ৰ সংস্কৃত বিষয়ৰ 'সাৰদা প্ৰসাদ প্ৰাইজ' আৰু ইংৰাজী অসমীয়া সংস্কৃতক লৈ গঠিত বিভাগৰ বাবে নিৰ্দ্ধাৰিত ('লেংগেজ প্ৰাইজ') 'পেশ্বেটি প্ৰাইজো লাভ কৰিলে। ১৯২৭ চনত শ্ৰীশৰ্ম্মাই কটন কলেজৰ পৰা বি. এ পৰীক্ষাত ইংলিচত অনাৰ্চ লৈ উত্তীৰ্ণ হয় যদিও অনাৰ্চত দ্বিতীয় শ্ৰেণীৰ একাদশ স্থানহে লাভ কৰিলে। পথ নিৰ্দ্দেশৰ অভাব আছিল ইয়াৰ অন্যতম কাৰণ। দীঘলীয়া অসুখৰ বাবে অধ্যাপক বানীকান্ত কাকতি তেতিয়া চুটিত আছিল। ১৯২৭ চনৰ নবেম্বৰৰ শেষৰ ফালে শ্ৰীশৰ্ম্মাই কলিকতা প্ৰেচিডেন্সী কলেজৰ ইংৰাজী বিষয়ৰ এম এ শ্ৰেণীত ভৰ্ত্তি হয়। ১৯২৯ চনত তেওঁ দ্বিতীয় শ্ৰেণীৰ তৃতীয় স্থান লাভ কৰি এম এ পৰীক্ষাত উত্তীৰ্ণ হয়। ইংৰাজী বিষয়ত সেইবাৰ অসমৰ কোনো ছাত্ৰ নাছিল অংশীয়া গাৰে পৰীক্ষা দিয়াৰ বাবে তেখেতে বেছি ভাল ফ'ল দেখুৱাব নোৱাৰিলে। এম এ পাছ কৰাৰ পিছত অধ্যাপক জয় গোপাল বেনাৰ্জীৰ নিৰ্দ্দেশত 'পলিটিকেল আইডিয়াজ অফদা ৰোমান্টিক পোট্ৰটছ' শীৰ্ষক বিষয়ত গবেষনা কৰাৰ কথা শৰ্ম্মাই চিন্তা কৰিছিল কিন্তু আৰ্থিক অভাৱত কলিকতাৰ পৰা গুচি আহিব লগাত পৰে আৰু উচ্চশিক্ষাৰ হেপাহ ইমানতে অন্তপেলাব লগীয়াত পৰে।

শিক্ষা শেষ কৰি শ্ৰীশৰ্ম্মাই কৰ্মজীৱনৰ পাতনি মেলে ১৯২৯ চনত যোৰহাট গবৰ্ণমেন্ট হাইস্কুলৰ ইংৰাজী বিষয়ৰ শিক্ষক হিচাপে তিনিমাহকাল লক্ষেশ্বৰ শৰ্ম্মা বৰুৱাৰ চুটিত। শৰ্ম্মা বৰুৱাই কামত যোগদান কৰাত শ্ৰীশৰ্ম্মাই গুৱাহাটীলৈ গৈ প্ৰস্তুতি চলায়

আৰ্ল'ল কলেজত আইন পঢ়াব, বি গ্ৰুপত ইংৰাজী পঢ়াব, বা ধৰুলা নাইবা সংস্কৃত বিষয়ত এম এ পৰীক্ষা দিয়াব। বানীকান্ত কাকতিয়ে অসমীয়া বিষয়ো পঢ়িবলৈ উদগাইছিল। কিন্তু কোনো এটা বিষয়ত সমাপ্ত কৰিবলৈ নাপাও তেই তেখেতক যোৰহাটৰ শ্ৰীতুলসী নাৰায়ন শৰ্ম্মাই যোৰহাটত নতুনকৈ প্ৰতিষ্ঠা হোৱা বেচ-ৰকাৰী যোৰহাট কলেজলৈ অধ্যাপক হবলৈ আমন্ত্ৰণ কৰে। যোৰহাট কলেজ খন পিছলৈ জগন্নাথ বৰুৱা মহাবিদ্যালয় হয় গৈ। ১৯৩০ চনৰ আগষ্ট মাহত শ্ৰীশৰ্ম্মাই ইংৰাজীৰ অধ্যাপক হিচাপে যোৰহাট কলেজত যোগদান কৰে। কলেজৰ সহকৰ্মী ৰূপে পালে পণ্ডিত প্ৰবৰ অধ্যক্ষ কৃষ্ণকান্ত সন্দিকৈ দেৱৰ উপৰি তুলসী নাৰায়ণ শৰ্ম্মা, গুণগোবিন্দ দত্ত, কমলাধৰ দত্ত আৰু প্ৰফুল্ল শৰ্ম্মা চাংকাকতীক ১৯৩৩ চনত শ্ৰীশৰ্ম্মাই নগাওঁৰ আনন্দৰাম ভট্টাচাৰ্য্যৰ কন্যা ব্ৰজবালা দেৱীক বিয়া কৰায়। ১৯৪০ চন'ল জে বি কালেজত অধ্যাপনা কৰাৰ পিছত তেওঁ শ্ৰীহট্টৰ মৰাৰীচান্দ কলেজত যোগ দিয়ে। এম চি কলেজত তেওঁৰ কাৰ্য্যকাল এবছৰো নোহওতেই ডঃ সূৰ্য্য কুমাৰ ভূঞাৰ ছুটীত পায় চৈধ্য মাহ কাল কটন কলেজত অধ্যাপনা কৰি পুনৰ জে বি কলেজলৈ উলটি গৈছিল ১৯৪২ চনত এই বছৰতে শৰ্ম্মাৰ পিতৃৰ বিয়োগ ঘটে। গতিকে যোৰহাটতে থকাটো থিৰাং কৰে। ইয়াৰ পিছত ১৯৪৪ চনত নগাওঁত কলেজ এখন প্ৰতিষ্ঠা কৰি নগাওঁৰ ৰাইজে শ্ৰীশৰ্ম্মাক প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে আমন্ত্ৰণ জনায়। প্ৰতিনিধি সকলৰ আমন্ত্ৰণ ৰক্ষা কৰি শ্ৰীশৰ্ম্মাই নগাও কলেজত প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে যোগ দিয়ে। অধ্যাপক শৰ্ম্মা ইয়াৰ পিছৰ পৰা অধ্যক্ষ শৰ্ম্মা ৰূপে পৰিচিত হ'ল আৰু প্ৰতি-ভাশালী শিক্ষাৰ্থী গৰাকী কলেজ প্ৰতিষ্ঠা কৰাত ব্ৰতী হৈ পৰিল। অধ্যক্ষ শৰ্ম্মাই এই কলেজত নিৰবচ্ছিন্ন ভূমিকাৰে কাম কৰি ১৯৬৮ চনৰ চেপ্তেম্বৰ মাহত অবসৰ লৈ কৰ্মজীৱনৰ সামৰণি পেলায়।

এজন মেধাৱী ছাত্ৰ আৰু এজন সুদক্ষ আদৰ্শ শিক্ষক হিচাপে

পৰিচিত হোৱা শ্ৰীশৰ্ম্মাৰ প্ৰতিভাৰ বিশালতা অকল ইয়াতে আবদ্ধ নহৈ তেখেতৰ বিশাল প্ৰতিভাৰ স্বাক্ষৰ বহন কৰে অসমীয়া ভাষা সংস্কৃতিলৈ দি থৈ যোৱা তেখেতৰ বহুমূলীয়া অবদান সমূহৰ জৰিয়তে। প্ৰাচ্য ভাষাত বিদগ্ধ পণ্ডিতৰূপে পৰিচিত হোৱা শ্ৰীশৰ্ম্মাই অসমীয়া ভাষা সংস্কৃতিক দি থৈ যোৱা আগবঢ়ালে তাৰ মহিমা অতুলনীয়। অসমীয়া ভাষা সংস্কৃতিৰ কাণ্ডাৰী সকলৰ অন্যতম শ্ৰীশৰ্ম্মাই যিখিনি সাহিত্য সৃষ্টি কৰিলে সেই সাহিত্যৰ মাজেৰে আমি তেখেতক অসমীয়া ভাষা সংস্কৃতিৰ প্ৰকৃত সেৱক হিচাপে বিনাদ্বিধাই কব পাৰো। তেখেতে যথেষ্ঠ সংখ্যক পুথি ৰচনা কৰা নাই যদিও অলপ সংখ্যক পুথিৰ জৰিয়তে তেখেত এজন অভিজ্ঞ কবি আৰু জনপ্ৰিয় বলিষ্ঠ সমালোচক হিচাপে স্বীকৃতি লাভ কৰিছে। ছাত্ৰ অবস্থাৰ পৰাই শ্ৰীশৰ্ম্মাই সাহিত্য সাধনাত ব্ৰতী হোৱাৰ উমান পোৱা যায়। শ্ৰীশৰ্ম্মাই স্কুলীয়া ছাত্ৰ অবস্থাতে সাহিত্যৰ প্ৰতি আসক্তি লাভ কৰিছিল তিতাবৰ মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষাগুৰু কণ্ঠৰাম শৰ্ম্মা কটকীৰ পৰা। যোৰহাট গবৰ্ণমেণ্ট হাইস্কুলত পঢ়ি থাকোতে তেখেতৰ প্ৰথম লিখনি লোকমান্য তিলক' প্ৰকাশ পায় হাতেলিখা আলোচনী 'চুপহি''ত। শৰ্ম্মাৰ প্ৰথম মুদ্ৰিত লিখনি প্ৰকাশ পায় লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাহীত' দিনৰ সপোন' নামৰ কবিতাৰে। ইয়াৰ পিছত অম্বিকাগিৰি ৰায়চৌধুৰীৰ সম্পাদিত 'চেতনা'ত হাইস্কুলীয়া ছাত্ৰ শৰ্ম্মাৰ কেইটামান লিখা প্ৰকাশ পায়। সেইবিলাক' অৰবিন্দ, মদন মোহন মালব্য আৰু চিত্তৰঞ্জন দাস। বুকাৰ ৱাছিংটন শীৰ্ষক লিখাৰো এই সময় ছোৱাতেই ওলাই। এইবিলাক লিখাৰ উৎস আছিল যোৰহাট হাইস্কুলৰ আলোচনী প্ৰভাত'। এই সময় ছোৱাত তেখেতে গান্ধীৰ 'গাইডটু হেলথ' পুথিৰ অনুবাদো কৰিছিল। ৰায়চৌধুৰীৰ চেতনাত প্ৰকাশ হৈছিল।

আই এ শ্ৰেণীত ভৰ্ত্তি হোৱাৰ পাছতেই কলেজৰ শিক্ষাক

আৰু ছাত্ৰ সমাজৰ প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱৰ তিথি উপলক্ষে অনুষ্ঠিত 'সভাত শংকৰ দেৱ বিষয়ক ৰচনা এখন পাঠকৰে। কলেজত ভৰ্ত্তি হৈ শৰ্ম্মাই টলষ্টয় সম্পৰ্কে প্ৰবন্ধ এটা লিখিছিল। প্ৰবন্ধটো প্ৰকাশ হৈছিল 'মিলনত"। সেউজীয়া শনি' নাম দি জ্যোতিৰিন্দ্ৰ নাথ ঠাকুৰে বঙলালৈ অনুবাদ কৰা ফৰাচী গল্প এটা বাহীত প্ৰকাশ হৈছিল। ইয়াৰ উপৰি বাহৰাসজী মালাবাৰী শীৰ্ষক জীৱনী (এজন পাৰ্চীলোক) এটাও বাহীত প্ৰকাশ হৈছিল। ছাত্ৰ অৱস্থাৰ পৰাই এনেদৰে শ্ৰীশৰ্ম্মাৰ সাহিত্য চৰ্চ্চাৰ অনুৰাগ বাঢ়ি গৈছিল।

শ্ৰীশৰ্ম্মাৰ সাহিত্যৰ প্ৰতি গভীৰ অধ্যয়নৰ সোণালী যুগ আৰম্ভ হৈছিল যোৰহাটত থকা কাল ছোৱাত। অৱশ্যে এই সময় ছোৱাত তেখেতে সাহিত্য সৃষ্টিতকৈ অধ্যয়নৰ হে বেছি ব্যাপ্তি ঘটাইছিল। ইয়াৰ মূলতে আছিল পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ দেৱৰ পাণ্ডিত্য আৰু অধ্যয়নৰ স্পৃহা এই ছোৱা কালত সন্দিকৈৰ লেখীয়া এজন বিদগ্ধ পণ্ডিতৰ দুৰ্লভ সান্নিধ্য লাভ কৰা অধ্যাপক শৰ্ম্মাৰ অধ্যয়ন বিস্তৃতিৰ যোগেদি সাহিত্য ক্ষেত্ৰত সুদৃঢ় বিশ্বাস প্ৰতিষ্ঠিত হৈছিল বুলিব লাগিব। কলেজত যোগদান কৰাৰ পিছত তেখেতে ৰত্নকান্ত বৰকাকতীৰ শেৱালী গ্ৰন্থৰ পাতনি (পৰিক্ৰমা) লিখি সাহিত্য সমালোচকৰূপে সুপৰিচিত আৰু সুপ্ৰতিষ্ঠিত হৈছিল। যোৰহাটত থকা কালছোৱাত শ্ৰীশৰ্ম্মাৰ ৰচনা নীলমনি ফুকন সম্পাদিত 'ন জোনত, ভাৰতীয় সংগীত দৰ্পণীৰ ছবি, 'বাতৰি' কাকতত আনন্দৰাম বৰুৱা সম্পৰ্কীয়, 'সঞ্চাৰিণী দীপশিখা; জে বি কলেজ আলোচনীত 'বেজ বৰুৱা, যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰ আলোচনী 'জেউতি'ত 'মোগল ৰাজত্বত ভাৰতীয় সংগীত' শীৰ্ষক প্ৰবন্ধ কেইটামান। এই সময় ছোৱাত তেখেতৰ সবাতোকৈ উল্লেখযোগ্য

অবদান উৎকৃষ্ট কবিতাৰ সংকলন 'শতপত্ৰ'ৰ প্ৰকাশ ১৯৩৭ চনত। শতপত্ৰ যদিও তেখেতৰ স্বৰচিত কবিতা পুথি নহয় তথাপি অসমীয়া সাহিত্যত এই পুথিৰ গুৰুত্ব অসীম। শতপত্ৰৰ প্ৰকাশৰ জৰিয়তে শ্ৰীশৰ্ম্মাৰ সাহিত্য সাধনাৰ সূৰ্য্যোদয় ঘটিছিল। কবিয়ে এই পুথিখনত ৰোমাণ্টিক কবি এশজনৰ সৃষ্টিৰ পৰা এশটা ফুলৰ পাহি গোটাই এখানি কবিতাৰ মুকুটামালা গাঠিছে যাৰ সৃষ্টিয়ে অপূৰ্ব্বৰূপ ধাৰণ কৰিছে। ই আধুনিক অসমীয়া খণ্ড কবিতাৰ এক অপূৰ্ব্ব আৰু মনোৰম স কলন। শতপত্ৰৰ মাজেৰে কবিয়ে সৌন্দৰ্য্যৰ অন্বেষণ কৰিছে আৰু ইয়াতেই কবিজনৰ ৰসবোধ আৰু ৰসবিচাৰ ক্ষমতা প্ৰকাশ পাইছে যদিও কবিতাবোৰ কবিৰ মৌলিক সৃষ্টি নহয়। শতপত্ৰ প্ৰকাশৰ পিছত 'শ্ৰীশৰ্ম্মাৰ সাহিত্য সাধনাৰ মুখ্য অধ্যায়ৰ আৰম্ভ হয় নগাওঁত থকা কালছোৱাত। শ্ৰীশৰ্ম্মা নগাওঁৰ শৈক্ষিক সাহিত্যিক, সাংস্কৃতিক আদি সকলো সামাজিক ক্ষেত্ৰতে পৰিচিত এজন স্বনামধন্য ব্যক্তি যাৰ কথা নগাওঁ বাইজৰ সকলোৰে মুখে মুখে।

শ্ৰীশৰ্ম্মাৰ সাহিত্যিক জীৱনৰ প্ৰকাশিত অমূল্য গ্ৰন্থ কেইখন হ'ল—

১) শতপত্ৰ ২) লেফাফা ৩) সাহিত্য সংস্কৃতিৰ প্ৰবাহ ৪) গুলেস্তাৰ সাধু ৫) সাহিত্য সংস্কৃতিৰ প্ৰবাহ (প্ৰথম খণ্ড দ্বিতীয় খণ্ড ৬) কনিকা ৭) লক্ষ্মীনাথ বেজ বৰুৱা আৰু গাওঁলীয়া জীৱন ৮) আৰিষ্টটলৰ কাব্য জিজ্ঞাসা ৯) সেই বাবুটো ক'ত ১০) আজি ৰূপৰীয়া।

শ্ৰীৰ্ম্মাৰ সাহিত্যৰ বিষয়ে সমালোচনা কৰিব গলে আমি তেখেতক এজন কবি আৰু সুনিপুন সমালোচক বুলি কব লাগিব। তেখেতৰ সাহিত্য ৰাজিৰ মাজত তেখেত এজন বুদ্ধিদীপ্ত, ৰসন্ধানী, আধ্যাত্মিক চেতনা সম্পন্ন আৰু বিচাৰ বুদ্ধিত চহকী ব্যক্তিৰূপে

পৰিচিত হয়। কম কথাত [illegible] গুৰুত্বপূৰ্ণ লিখনিত তেখেতৰ অভিজ্ঞপুষ্ট মনটোৰ পৰিচয় পোৱা যায়। পৈনত ব্যক্তিগত মন্তব্যৰে ভৰা সাহিত্য সংস্কৃতি প্ৰবাহ সাহিত্য সমালোচনাৰ এখন পৈনত পুথি। ইংৰাজী সংস্কৃত বাংলা অসমীয়া আদি ভাষাত [illegible] বাবেই তেখেতৰ প্ৰবন্ধ ৰাজিও বৈচিত্ৰপূৰ্ণ। তেখেতৰ বিস্তৃত জ্ঞানে তেখেতৰ সাহিত্যক অধিক উচ্চ স্তৰলৈ লৈ গৈছে। প্ৰাচ্য আৰু প্ৰাশ্চ্যত্যৰ ভাষা সংস্কৃতিৰ মিলনৰ সেতু ৰচনা কৰি শ্ৰীশৰ্মাই অসমীয়া সাহিত্যক অধীক চহকী কৰি গৈছে যাৰ বাবে তেখেতে স্বকীয়া মৰ্য্যদা পোৱাৰ অধিকাৰী। শ্ৰীশৰ্মা দেৱে সংখ্যাত বহুত কিতাপ ৰচনা কৰা নাই যদিও যিখিনি প্ৰকাশ কৰিছে সেইবোৰৰ উপৰি অসম সাহিত্য সভা পত্ৰিকা, নবযুগ, দৈনিক অসম, অগ্ৰদূত আদি কাকত আৰু আলোচনীত প্ৰকাশিত বিবিধ প্ৰবন্ধাৱলীৰ মাজত তেখেতৰ ৰচনাৰীতিৰ বৈশিষ্ট প্ৰকত হৈ পৰে। তেখেতে অসমীয়া সাহিত্য লৈ যগোৱা শেহতীযা কবিতা বোৰত জীৱনৰ এটা নিৰ্মম উপলব্ধি প্ৰকাশ পাইছে। ইয়াৰ পৰাই আমি তেখেতক এজন লব্ধ প্ৰতিষ্ঠ সুসাহিত্যিক বুলি কব পাৰো। পিন্ধন উৰনত জাক-জমকহীন, চালচলনত বিনম্ৰ অথবা গম্ভীৰ আৰু প্ৰখৰ বুদ্ধিদীপ্তৰ স্বাক্ষৰ বহন কৰা এই জন গুণী জ্ঞানীব্যক্তিক অসম সাহিত্য সভাই ১৯৭৬ ইং চনৰ টিহু অধিবেশনৰ সভাপতি পদত অধিষ্ঠিত কৰি অসমীয়া ভাষা সংস্কৃতিৰ এজন নিষ্ঠাবান সেৱকৰ স্বীকৃতি দিছে। এজন আদৰ্শবান পুৰুষ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা আমাৰ মাজত সদায়ে স্মৰনীয় ব্যক্তি হিচাপে জিলিকি থাকিব।

[বি: দ্ৰ — প্ৰবন্ধটো যুগুত কৰোতে নগাওঁ সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত যজ্ঞেশ্বৰ শৰ্মা: জীৱন আৰু প্ৰতিভা গ্ৰন্থৰ সহায় লোৱা হৈছে।]

প্ৰদীপ কুমাৰ শৰ্মা

অসম সাহিত্য সভাৰ চতুশ্চত্বাৰিংশ অধিবেশনৰ সভাপতি।

পদ্মশ্ৰী ছৈয়দ আব্দুল মালিক

চতুশ্চত্বাৰিংশ অভয়াপুৰী অধিবেশন অনুষ্ঠিত হৈছিল ১৯৭৭ চনত। উক্ত অধিবেশনৰ সভাপতিৰ আসন অলংকৃত কৰি অসম সাহিত্য সভাক অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ কাহিনীকাৰ ছৈয়দ আব্দুল মালিকে 'ৰাইজৰ সভা" বুলি অভিহিত কৰিছে। অসমীয়া সাহিত্যৰ জগতত এটি জনপ্ৰিয় নাম ছৈয়দ আব্দুল মালিক, শ্ৰীমালিকৰ জন্ম হয় ১৯১৯ চনৰ ১৬ জানুৱাৰী তাৰিখে গোলাঘাট চহৰৰ ওচৰৰ নাহৰণি নামৰ গাওঁত। ভাৰত চৰকাৰৰ সন্মানীয় উপধি 'পদ্মশ্ৰী" ১৯৮৪ চনত লাভ কৰাৰ উপৰিও এই জনা গল্প সম্ৰাট মালিকে ১৯৬৫ চনত সাংবাদিকতাৰ বাবে ছোভিয়েট দেশ নেহৰু বটা আৰু ১৯৭২ চনত 'অঘৰী আত্মাৰ কাহিনী' উপন্যাস খনৰ বাবে সাহিত্য অকাডেমী বটা লাভ কৰে। নাহৰণি প্ৰাইমাৰী বিদ্যালয়তে শিক্ষা জীৱনৰ পাতনি মেলা মালিকৰ পিতৃ ৰহমত আলি, মাতৃ লতিফৰ নেচা আৰু পত্নী ছৈয়দা হাচনা মালিক। ১৯২৮ চনত প্ৰাইমাৰী পৰীক্ষাত উত্তীৰ্ণ হৈ প্ৰথমে দেৰগাওঁ হাইস্কুলত নাম লগালেও যোৰহাট চৰকাৰী হাইস্কুলৰ পৰাহে ১৯৩৭ চনত তেওঁ ফাৰ্চীত লেটাৰসহ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৩৯ চনত যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা প্ৰথম বিভাগত আই, এ আৰু ১৯৪১ চনত কটন কলেজৰ পৰা ইংৰাজীত অনাৰ্ছ সহঃ বি, এ আৰু ১৯৫১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে অসমীয়া বিষয়ত এম, এ ডিগ্ৰী লাভ কৰে।

গোলাঘাট চৰকাৰী হাইস্কুলৰ শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰা মালিকে সকৰে পৰা সাহিত্য চৰ্চ্চা কৰি বিভিন্ন ৰিশত অসমীয়া সাহিত্য চহকী কৰিব পাৰিছে। তেখেতে প্ৰায় কুৰিখন গল্প সংকলন, পাচখন কবিতাৰ পুথি, ৫০ খন উপন্যাস, ৩ খন শিশু সাহিত্য আৰু অনেক প্ৰবন্ধ, মঞ্চ আৰু অন্যতাঁৰ গীতি নাট, ১৭ খন, আৰু অন্যান্য ৰচনাৰে ভাষা সাহিত্যৰ সেৱা আগবঢ়াই। অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা মালিকে মহাপুৰুষ শংকৰদেৱক লৈ লেখা তেখেতৰ ৪৩৮ পৃষ্ঠাৰ ধন্য নৰ তনু ভাল” আৰু জ্যোতিপ্ৰসাদক কেন্দ্ৰ কৰি লেখা ‘ৰূপ তীৰ্থৰ যাত্ৰী’য়ে অসমীয়া উপন্যাস সাহিত্যত অভিনবত্ব দাবী কৰিব পাৰে। সক্ৰিয় ৰাজনীতিত নামে যদিও মালিকক সাহিত্য চৰ্চাৰ প্ৰতি একেবাৰে অমনোযোগী হোৱা বুলি কৰ নোৱাৰি। তেখেতৰ উল্লেখযোগ্য গ্ৰন্থ সমূহৰ ভিতৰত—ধন্য নৰ তনু ভাল, ৰূপতীৰ্থৰ যাত্ৰী অঘৰী আত্মাৰ কাহিনী, সুৰুষ মুখীৰ স্বপ্ন, বনজুই, ৰথৰ চকৰী ঘূৰে, ছবি ঘৰ, মাটিৰ চাকি, ৰজনী গন্ধাৰ চকুলো, প্ৰাচীৰ আৰু প্ৰান্তৰ, ত্ৰিশূল, সিপাৰে, প্ৰাণ সমুদ্ৰ, জেতুকা পাতৰ দৰে, পদুমৰা হাবিৰ বাট, অন্য নাম মৃত্যু, কবিতাৰ নাম লাভা, উই হাফলু, অন্য আকাশ অন্য তৰা, নলবিৰিণাখাগৰী, মৰহা পাপৰি, এজনী নতুন ছোৱালী, ৰূপাবৰীৰ পলস, জীয়া জুৰিৰ ঘাট, ওমলা ঘৰৰ ধূলি, ৰজনী গন্ধাৰ চকুলো, বিহু মেটেকাৰ ফুল, ভক্তিৰ অৰুণাভৰ সম্পূৰ্ণ জীৱনী, থোৰা নিন্দন, মোৰ বাবে মুকলা মালতি ফুল, জীয়া জুৰীৰ ঘাট ইত্যাদি। অসমীয়া ভাষা সাহিত্যৰ বিশিষ্ট লেখক মালিকৰ ৰচনাই অকল অসমীয়াতে নহয় বিভিন্ন ভাৰতীয় ভাষা সমূহৰ ভিতৰত তামিল, তেলেগু, বঙালী, হিন্দী, নেপালী, উৰ্দ্দু, কন্নৰ, মালয়ালম, উৰিয়া, ভাষাৰ উপৰি ইংৰাজী আৰু ইটালিয়ান ভাষাতো বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছে।

সৰুৰে পৰা নাট অভিনয়ো কৰাৰ উপৰিও খেলা ধূলা, গীত বাদ্যত অংশ গ্ৰহণ কৰে। নাট অভিনয়ৰ উল্লেখযোগ্য কথা হ'ল তেওঁ সৰুতে স্ত্ৰীৰ ভাও লৈ নাট অভিনয়ত সফলতা অৰ্জন কৰিছিল। জগন্নাথ বৰুৱা কলেজৰ অধ্যাপক, আৰকাৰী পৰিদৰ্শক, অনাতাঁৰ কেন্দ্ৰৰ প্ৰগ্ৰেম এচিষ্টেণ্ট হিচাপে কাৰ্য্যনিৰ্বাহ কৰা মালিকে ১৯৫৭ চনত কমিউনিষ্ট সমৰ্থিত প্ৰাৰ্থী হিচাপে লোকসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে। সাহিত্য অকাডেমী, সংগীত নাটক অকাডেমী, বিশ্বকোষ প্ৰণয়ন সমিতি, ললিত কলা অকাডেমী, নেচনেল বুকট্ৰাষ্ট অব ইণ্ডিয়াৰ লগতো জড়িত অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ কাহিনীকাৰ, গল্প সম্ৰাট চৈয়দ আব্দুল মালিকদেৱে অসমৰ পৰা ৰাজ্যসভাৰ সদস্য নিৰ্বাচিত হৈছিল।

'মাটি আকাশ আৰু মাটি' নামৰ ভ্ৰমণ কাহিনীৰ বাবে মালিকদেৱে লাভ কৰে ছোভিয়েট দেশ নেহৰু বঁটা। 'ৰঙাপুলিচ' কথা ছবিতো অভিনয় কৰা মালিকদেৱে সাহিত্য সভাৰ সন্মানীয় সভাপতিৰ আসনৰ পৰাই কৈছিল—"ৰাজনীতিৰ এটা ভৌগোলিক সীমা আছে, সাহিত্য বিশ্বজনীন, ভূগোল বুৰঞ্জীৰ সীমাত সাহিত্যক বন্দী কৰি ৰাখিব নোৱাৰি।" "সমগ্ৰ বিশ্বক লৈ কিবা লেখিলেই সি বিশ্বসাহিত্য নহয়, মানুহৰ সাহিত্যতহে বিশ্ব সাহিত্য।" "ভাষা সাহিত্যৰ শক্তি সমৃদ্ধি বৃদ্ধি কৰাটো গণতান্ত্ৰিক চৰকাৰৰ এটা দায়িত্ব।" "অসমখন আকাৰত আগতকৈ সৰু হৈ গৈছি, কিন্তু অসম সাহিত্য সভাখন ডাঙৰ হৈ গৈছে।" "আমাক বহুত কবি লাগে, আৰু বহুত ভাল কবিতা লাগে। আমাক বহুত চুটি গল্প লিখক লাগে আৰু বহুত ভাল চুটি গল্প লাগে। আমাক বহুত উপন্যাসিক লাগে আৰু বহুত ভাল উপন্যাস লাগে।"

অনেক বঁটা পোৱা আৰু অনেক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত নিবিড় ভাবে জড়িত মালিকদেৱৰ সাহিত্যই আজিও প্ৰসাৰতাৰ

পিচত প্ৰসাৰতা লাভ কৰি আছে আৰু অধিক প্ৰসাৰতা লাভ কৰি অসমীয়াৰ গৌৰৱ বঢ়াব।

ভাৰতীয় গণনাট্য সংঘৰ উপ:সভাপতি মালিক দেৱে বাঠিৰ ভাষা আন্দোলনৰ সময়ত লেখা তেওঁৰ 'শিলে সাৰ পালে" নামৰ প্ৰবন্ধটিয়ে অসম আৰু অসম বাসীক জাগ্ৰত কৰি তোলাত বিশেষ উল্লেখযোগ্য সফলতা লাভ কৰিছিল। বৰ্তমানলৈকে উপন্যাসিক সকলৰ ভিতৰত অসমীয়া সাহিত্যৰ এই গৰাকী লেখকৰে উপন্যাসৰ সংখ্যা সৰ্বাধিক বুলি কব পাৰি। প্ৰায় ত্ৰিনিশ কৰিতাৰ পাচখন উল্লেখ যোগ্য কবিতা পুথি ৰচনা কৰা মালিকদেৱৰ অসমপ্ৰীতি কবিতাৰ মাজতো প্ৰকাশ পাইছে। তেখেতৰ অসম প্ৰীতি বিখ্যাত 'মই অসমীয়া" কবিতাত বহুল ভাবেপ্ৰকাশ পাইছে। যিটো এবাৰ পঢ়িলেই বুজিব পাৰি।

অসমীয়া জাতীয় জীৱনলৈ স্মৰণীয় বৰঙণি আগবঢ়োৱা মালিকদেৱ একেৰাহে কবি উপন্যাসীক, গল্পকাৰ, নাট্যকাৰ, শিক্ষাবিদ, ৰাজনীতিবিদ অভিনেতা, শিশু সাহিত্যিক আৰু প্ৰবন্ধ লেখক হিচাপে খ্যাত।

মুকুট ডেকা

অসম সাহিত্য সভাৰ পঞ্চ চত্বাৰিংশ অধিবেশনৰ সভাপতি

বিদ্ৰোহী কবি প্ৰসন্নলাল চৌধুৰী

প্ৰসন্নলাল চৌধুৰীৰ পূৰ্বপুৰুষসকল কনৌজ বা মাৰোৱাৰ দেশৰ লোক। তেওঁৰ পূৰ্বপুৰুষ এজন চৰ্দাৰ বিজয় সিং কোচবিহাৰত আছিল। তেওঁৰে বংশৰ মাধৱৰমল নামে এজন পুৰুষ আহি বৰপেটাৰ সুন্দৰীদিয়াত থাকিবলৈ লয়। এওঁৰে ঘৰতে মহাপুৰুষ মাধৱদেৱ আছিল বুলি জনা যায়। এই মাধৱৰমলৰে এটা ঠাল সুন্দৰীদিয়াৰ পৰা আহি বৰপেটাত বসবাস কৰে। তেওঁৰে বংশধৰ আমাৰ আলোচ্য ৺প্ৰসন্নলাল। প্ৰসন্নলালৰ পিতামহ গোবিন্দৰাম চৌধুৰীয়ে বৃটিছৰ দিনত বুৰঞ্জীপ্ৰসিদ্ধ হাদৰাচকাত কৰ সংগ্ৰহক বিষয়া হিচাপে কাম কৰিছিল। প্ৰসন্নলালৰ জন্ম হয় ১৮৯৮ চনৰ জানুৱাৰী মাহৰ ১ তাৰিখে কামৰূপ জিলাৰ পলাশবাৰী গাঁৱত। দেউতাকৰ নাম শ্যামলাল চৌধুৰী আৰু মাকৰ নাম প্ৰমীলা চৌধুৰী। শ্যামলাল চৌধুৰী প্ৰথমতে পলাশবাৰী মৌজাৰ তহচিলদাৰ আছিল আৰু পিছত মাটিৰ হাকিম হয়। মাটিৰ হাকিম হৈ থাকোঁতে ১৯০৭ চনত মৃত্যু বৰণ কৰে। তেতিয়া প্ৰসন্নলালৰ বয়স মাত্ৰ ৯ বছৰ।

প্ৰসন্নলালৰ ককাই ভাই তিনিজন। প্ৰথমজন কবি ৺গণেশলাল চৌধুৰী, মাজজন প্ৰসন্নলাল আৰু সৰুজন নাটাকাৰ মোহনলাল চৌধুৰী। চৌধুৰীৰ ছাত্ৰজীৱন আৰম্ভ হয় পলাশবাৰীতে। সৰুকালৰে পৰা প্ৰসন্নলাল বৰ তেজবজীয়া স্বভাৱৰ আছিল বাবে স্কুললৈ নিওঁতে

ঘৰৰ লগুৱাটোৱে বব কষ্ট কৰিব লগত পৰিছিল। স্কুললৈ গলেও শিক্ষকৰ কথা নুশুনিছিল। যাহওক পচাশলীয়া জীৱনৰ ওৰ পেলাই বৰপেটাৰ চৰকাৰী হাইস্কুলত ইংৰাজী শিক্ষা লাভ কৰে। কিন্তু তাৰো পঢ়া জীৱনৰ ওৰ পেলাই যোৰহাটৰ বেজবৰুৱা হাইস্কুলত মেট্রিকলৈকে পঢ়ে আৰু তাৰ পৰা ১৯১৯ চনত প্ৰথম বিভাগত মেট্রিক পৰীক্ষাত উত্তীৰ্ণ হয়। উচ্চ শিক্ষাৰ্থে গুৱাহাটীৰ কটন কলেজত নাম ভৰ্ত্তি কৰে যদিও তাত মাত্ৰ এবছৰ পঢ়িয়েই কলিকতাৰ স্কটিচ চাৰ্চ কলেজত ভৰ্ত্তি হয়। ইয়াৰ অৱশ্যে এটা কাৰণো আছে। তেওঁ আছিল কলা বিভাগৰ ছাত্ৰ। কিন্তু বিজ্ঞান পঢ়িবলৈ মন গৈছিল, গণিতত হলে কেঁচা। তেওঁৰ ইচ্ছাৰ কথা মৰমতে কৰি ডঃ সূৰ্য্যকুমাৰ ভূঞাই চেষ্টা কৈছিল যদিও বিফল হব লগাত পৰে। এইবোৰ কাৰণতে কটন কলেজ এৰিব লগাত পৰে। কলিকতাত পঢ়ি ১৯২১ চনত আই-এ আৰু ১৯২৩ চনত ডিষ্টিংচন সহ বি এ পাচ কৰে। ১৯২৪ চনৰ পৰা ১৯২৭ চনলৈ গুৱাহাটীৰ আৰ্ল ল কলেজত পঢ়ে যদিও পৰীক্ষা দিয়া নহল। এনেদৰে ছাত্ৰ জীৱনৰ সামৰণি পেলাই আৰম্ভ কৰে কৰ্মজীৱন।

যতে তেওঁ ছাত্ৰ জীৱন আৰম্ভ কৰিছিল তাতে অৰ্থাৎ পলাশবাৰীতে কৰ্মজীৱনো আৰম্ভ কৰে। ১৯২৮ চনত পলাশবাৰীৰ মাইনৰ স্কুলৰ প্ৰধান শিক্ষকৰ পদত ভৰ্ত্তি হয় আৰু ১৯২৯ চনত শেষ ভাগত পাঠশালাৰ 'আৰম্ভনী হাইস্কুলত প্ৰধান শিক্ষক হিচাপে সোমায়। তাতে এবছৰ কাল থাকে। ১৯৩০ চনত স্থাপন হোৱা "বৰপেটা বিদ্যাপীঠত সহকাৰী প্ৰধান শিক্ষক হিচাপে সোমায়। তেতিয়া স্কুলৰ প্ৰধান শিক্ষক আছিল ডঃ জগদীশ মেধি (গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত এডভোকেট জেনেৰেল।) ১৯৩২ চনত তেওঁ উক্ত স্কুলৰ প্ৰধান শিক্ষক হয় আৰু ১৯৬৪ চনলৈকে সুদীৰ্ঘ ৩২ বছৰকাল চাকৰি কৰে। তাৰপৰা অৱসৰ লৈও তেওঁ বৰপেটাৰ

"জীৱনলতা ছোৱালী হাইস্কুলত এবছৰকাল প্ৰধান শিক্ষক আৰু ১৯৭১ চনৰ পৰা আঠৈ বছৰ কাল বৰপেটাৰ "গোমুৰা বিদ্যা-নিকেতন"ৰ প্ৰধান শিক্ষক হিচাপে কাম কৰি ১৯৭৪ চনৰ পৰা একেবাৰে অৱসৰ লয়। আজীৱন শিক্ষক হিচাপে কাল কটোৱা চৌধুৰীয়ে স্বাধীনতা পোৱাৰ পিছত এবছৰ কাল অসম চৰকাৰৰ প্ৰচাৰ বিভাগত কাম কৰিছিল কিন্তু কামত ভাল নালাগি পুনৰগৈ শিক্ষকৰ চাকৰিতে যোগদান কৰে।

প্ৰসন্নলাল চৌধুৰী একেধাৰে কবি, নাট্যকাৰ আৰু অভি-নেতা। তেওঁৰ সাহিত্যিক জীৱনৰ আভাস প্ৰৱেশিকা পৰীক্ষাৰ সময়ৰে পৰা ধৰা পৰে। ১৯১৯ চনত আউনী আটি সত্ৰই আয়োজন কৰা ৰচনা প্ৰতিযোগিতাত "প্ৰথম মহাসমৰত ভাৰতৰ ভূমিকা শীৰ্ষক ৰচনা লিখি প্ৰথম পুৰস্কাৰ হিচাপে সত্ৰৰ পৰা সোণৰ পদক লাভ কৰে। তেওঁৰ প্ৰথম কবিতা "পূৰ্ণপ্ৰাণ" কটন কলেজৰ আলোচনী "সেউতী"ত প্ৰকাশ পায় ১৯১৯ চনত। ইয়াৰ আগতে ১৯১৮ চনত "আসাম বান্ধব"ত এটি চুটী গল্প প্ৰকাশ পায়। ইয়াৰ পিছতে তেখেতৰ কবিতাই *মহেন্দ্ৰ নাথ ডেকাফুকন, *অমিয়কুমাৰ দাস আৰু চাৰ প্ৰফুল্ল চন্দ্ৰ ৰায়ৰ অন্তৰ স্পৰ্শ কৰিবলৈ সক্ষম হয়। প্ৰফুল্ল ৰায়ে তেওঁৰ কবিতা শুনি "পয়েট লৰেট (Poet Laureat) আখ্যা দিছিল কটনত পঢ়ি থকাৰে পৰা কবিতা লিখিবলৈ আৰম্ভ কৰিছিল যদিও সেইবোৰ আছিল প্ৰেমৰ কবিতাহে। তেওঁৰ এগৰাকী সহপাঠিনী বন্ধুৱে কোৱাৰ পিছৰ পৰাহে প্ৰেমৰ কবিতা এৰি দেশপ্ৰেমমূলক কবিতা ৰচিবলৈ লয় আৰু পিছৰ কালৰ প্ৰায়বোৰ কবিতাই বিদ্ৰোহমূলক কবিতা হিচাপে ৰূপ পায়। সেয়েহে তেওঁ অসমীয়া সাহিত্যৰ বুৰঞ্জীত "বিদ্ৰোহী কবি" নামেৰে জনাজাত। তেওঁৰ পাঁচখন কবিতাৰ পুথিৰ ভিতৰত তিনিখন এতিয়াও অপ্ৰকাশিত

অৱস্থাতে আছে। প্ৰকাশিত দুখন হ'ল—"অগ্নিমন্ত্ৰ" "চানেকি কবিতা" আৰু অপ্ৰকাশিত পুথি হ'ল—"বাণী", 'সখী' আৰু "চন্দ্ৰ কলা", শিশু সাহিত্যৰ ওপৰত লিখা তেওঁৰ পুথি হ'ল "মৌচাক, 'তেওঁৰ অৰিহনা আৰু "ৰানা প্ৰতাপ"। প্ৰবন্ধৰ পুথি হ'ল—"জাতিৰ ফুল" "প্ৰবন্ধ সমষ্টি"। তেওঁৰ অন্যান্য ৰচনা ৰাজি হ'ল—"বহুত কথা" একমাত্ৰ চুটিগল্পৰ পুথি "আমাৰ দেশৰ সাধু"—সাধুকথাৰ পুথি, "আমাৰ গাওঁৰ পুনৰ গঠন"—অনুবাদ গ্ৰন্থ, 'গুঞ্জৰী' 'ৰঙৰ ফাগুখেলে' গীতৰ পুথি চৌধুৰীয়ে মাধৱ কন্দলিৰ "ৰামায়ন' খনো সম্পাদনা কৰি উলিয়ায়। ১৯৫১ চনত "প্ৰকাশ" নামৰ এখন সাপ্তাহিক বাতৰি কাকতো সম্পাদনা কৰিছিল। কিন্তু কাকতখন সৰহদিন নচলিল। চৌধুৰী এজন সুঅভিনেতা আৰু সুনাট্য কাৰো। সৰু কালৰে পৰা তেওঁৰ অভিনয়ৰ প্ৰতি প্ৰবল ধাউতি আছিল। অভিনয় কৰিবলৈ লব লাগে বঙালী নাটক। দুই এখন অসমীয়া নাটক পোৱা যায় যদিও মনোগ্ৰাহী নাছিল। গতিকে তেওঁৰ বিদ্ৰোহী মনটোৱে নাটক লিখাৰ প্ৰতি ঢাউতি জাগে আৰু ১৯৩৩ চনত তেওঁৰ লেখনীৰ পৰা ওলায় মঞ্চ সফল নাট "নীলাম্বৰ"। হাতে লিখাঅৱস্থাতে এইখন তেজপুৰৰ বানৰঙ্গমঞ্চত অভিনীত হৈছিল আৰু ইয়াৰ পিছত ইয়াক বৰপেটা আৰু অন্যান্য ঠাইত কেবাবাৰো অভিনীত হৈ গৈছে। এইখন এখন গহীন ট্ৰেজেদি বুৰঞ্জী মূলক নাটক। ইয়াৰ পিছত ১৯৬১ চনত কমেডি আৰু প্ৰতীকধৰ্মী কাল্পনিক কাব্য নাটক "অপেশ্বৰী" ৰচনা কৰে। ইয়াৰ বাহিৰেও ১৯৪৯ চনত 'চুলতান 'বেজীয়া" "ৰণজিৎ সিংহ আৰু ১৯৫৯ চনত "ৰাবিষাৰ ৰ'দ ৰচনা কৰি অনাতাৰ কেন্দ্ৰ যোগে প্ৰচাৰ কৰে। তেওঁৰ তিনিখন আপ্ৰকাশিত নাটক হ'ল—"মোগল বিজয়", "ছন্দিয়া" আৰু "লাচিত ফুকন"। এই আঠখন নাটকৰ ভিতৰত "নীলাম্বৰ" নাটকখনেই

তেওঁৰ শ্ৰেষ্ঠ নাটক আৰু এইখনৰ বাবে তেওঁ নাট্য সাহিত্যৰ বুৰঞ্জীত এখনি স্বকীয়া আসন লাভ কৰি আছে। এইজনা কবি, সাহিত্যিক, নাটকাৰক অসম সাহিত্য সভাই ১৯৬৬ চনত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা বাৰ্ষিক অধিবেশনৰ কবি সন্মিলনৰ সভাপতি ৰূপে বৰণ কৰিছিল আৰু ১৯৭৯-৮০ত এইজনা কবিয়েই আশীবছৰ বয়সত গোলাঘাটত অনুষ্ঠিত হোৱা পঞ্চ চত্বাৰিংশ অধিবেশনত সভাপতি ৰূপে বৰণ কৰিছিল। ইয়াৰ পিছৰ বছৰত শুৱালকুছিত অনুষ্ঠিত হোৱা অধিবেশনত শাৰীৰিক অসুস্থতা বশতঃ যোগদান কৰিব নোৱাৰিলে।

৺চৌধুৰীৰ বাল্যকালৰে পৰা সংগীতৰ প্ৰতি বিশেষ আকৰ্ষণ আছিল আৰু পঢ়ি থকা অৱস্থাতে ১৯২৮ চনত কলিকতালৈ গৈ His Master's voice ত "শুন শুনাৰে শত্ৰু" বৰগীতটি বানীবদ্ধ কৰিছিল। পৰৱৰ্ত্তী কালছোৱাত তেওঁক ইয়ে সংগীত ৰচনাত অনুপ্ৰেৰণা যোগাইছিল। কলেজীয়া জীৱনৰে পৰা তেওঁ ব্যায়াম চৰ্চা কৰি আহিছিল আৰু স্কুলত শিক্ষকতা কৰি থকা কালতো ছাত্ৰক স্কুলত কছৰৎ কৰিবলৈ শিকাইছিল। সামাজিক জীৱনত তেওঁ বৰ স্বাধীনতা প্ৰিয় লোক। সহজতে কাৰো ওচৰত সেও মানিব নোখোজে। নিজে বৰপেটাত থাকি নৈষ্ঠিক মহাপুৰুষীয়া হোৱা সত্বেও সত্ৰৰ ভকতসকলৰ লগত মতৰ অমিল হোৱা বাবে মাত্ৰ এবাৰহে কীৰ্ত্তনঘৰৰ চৌহদত সোমাইছিল। গৰু পোহাৰ প্ৰতি তেওঁৰ বিশেষ আকৰ্ষণ আছিল আৰু প্ৰতিপালন কৰিও বৰ ভাল পাইছিল। কথাই কামে, সাজে পোছাকে তেওঁ এজন সম্পূৰ্ণ ভাৰতীয় তথা অসমীয়া। ধতী আৰু কামিজ পিন্ধিয়েই ভাল পায়। খেলাধূলাৰ প্ৰতিও তেওঁৰ বিশেষ আকৰ্ষণ আছিল। এসময়ত তেওঁ ভাল ফুটবল খেলিছিল আৰু ৰেফাৰীও আছিল। বয়সে আচোৰ পেলাব নোৱাৰা এই বৃদ্ধজনে মৃত্যুৰ কিছুদিন

আগলৈকে চাইকেল চলাই অহা যোৱা কৰিছিল। সেইদৰে বৃদ্ধ কালতো কোনো সভা সমিতিতে থিয়হৈ বক্তৃতা দি পোৱা নাছিল। এয়ে আছিল তেওঁৰ দৃঢ় মনোবল চৌধুৰী এজন সুনিপুণ চিকাৰীও আছিল। ১৯৩২ চনৰে পৰা তেওঁ চিকাৰী জীৱন আৰম্ভ কৰে আৰু ১৯৭০ চনত মানসৰ বহু ওপৰলৈ হাতীৰে চিকাৰ কৰিবলৈ গৈ হাতীৰ পৰা পৰি দুৰত দুখ নোপোৱা হৈতেন মৃত্যু পৰ্যন্ত এই কামতে ব্যস্ত থাকিলহেঁতেন। আজীৱন শিক্ষাব্ৰতী আৰু সমাজ কৰ্মী প্ৰসন্নলাল চৌধুৰীয়ে সদায় সক্ৰিয় ৰাজনীতিৰ পৰা আঁতৰত আছিল যদিও পিছলৈ জনসংঘ দলত যোগদান কৰে। এই দলৰ প্ৰাৰ্থী হিচাপে তেওঁ জীৱনত প্ৰথম আৰু শেষ বাৰৰ বাবে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয় বৰণ কৰে। ১৯১১ চনত তেওঁ বৰপেটা সংসদী সমষ্টিৰ পৰা ভূতপূৰ্ব ৰাষ্ট্ৰপতি ফখৰুদ্দিন আহমদৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিছিল।

প্ৰসন্নলাল চৌধুৰীৰ জীৱনৰ আন এটি উল্লেখনীয় দিশ হ'ল তেওঁ আছিল এজন মঞ্চসফল অভিনেতা। ১৯২১-২৩ চনতে আৰম্ভ কৰা তেওঁৰ অভিনয় জীৱন বাৰ্দ্ধক্য কাললৈকে অব্যাহত আছিল। অভিনয় জীৱনৰ পাতনি মেলে বৰপেটাৰ মণ্ডপগৃহত। বৰপেটাত তেও মিলন মন্দিৰ নামে এটা যাত্ৰা দল গঠন কৰে আৰু ইয়াৰ যোগেদি কেবাখনো নাটৰ অভিনয় কৰে। সেই সময়ত সহ অভিনয়ৰ ব্যৱস্থা নাছিল বাবে পুৰুষ আৰু স্ত্ৰী দুয়োটা অভিনয়তে তেওঁ ৰূপদান কৰিছিল। তেজপুৰৰ বানৰঙ্গমঞ্চত তেওঁ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আদিৰ লগত অভিনয় কৰি বিশেষ সুনাম অৰ্জন কৰিব পাৰিছিল। তেওঁ অসমীয়া কথাছবি "অপৰাজেয়"তো অভিনয় কৰি দৰ্শকক মুহিব পাৰিছে।

চৌধুৰীৰ জীৱনত আটাইতকৈ প্ৰধান চাৰিত্ৰিক দিশটো হ'ল তেওঁ কেতিয়াও আগবাঢ়ি আহি সন্মান লব নিবিচাৰে আৰু আনে

দিয়া সন্মানো হেয় প্ৰতিপন্ন কৰে। এইটো কাৰণতে অসম সাহিত্য সভাৰে সভাপতি পদত অলংকৃত কৰাত তেওঁৰ ইমান দেৰী হ'ল। সংসাৰত পৰিয়ালৰ ভিতৰত তেওঁৰ বৰ্ত্তমান ছয়জন ল ৰা, ডুজনী কন্যা আৰু পৰিবাৰ শ্ৰীমতী পুণ্যপ্ৰভা চৌধুৰীক এৰিথৈ গৈছে। বিগত ছবছৰীয়া আন্দোলনৰ সময়ছোৱাত নৰীয়া দেহাৰে বিচনাৰ পৰা আন্দোলনকাৰীসকলক উৎসাহিত কৰি বিবৃতি আদি দি আছিল। মৃত্যুৰ এবছৰমান আগৰে পৰা উচ্চ ৰক্তচাপত ভুগি থাকি বিচনাতে দিন নিয়াব লগাত পৰে। শেহত ১৯৮৬ চনৰ ২০ জানুৱাৰীৰ দিনা ৰাতিপুৱা ৬-৪৫ ত নিজা ঘৰ বৰপেটাত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৮ বছৰ।

ভৰত চন্দ্ৰ ডেকা

অসম সাহিত্য সভাৰ ষট্ চত্বাৰিংশ অধিবেশনৰ সভাপতি

সমালোচক, প্ৰবন্ধকাৰ অতুল চন্দ্ৰ বৰুৱা

সাহিত্যৰ জগতত শ্ৰীঅতুল চন্দ্ৰ বৰুৱা প্ৰধানতঃ এগৰাকী প্ৰবন্ধকাৰ আৰু সমালোচক হিচাপে পৰিচিত। শ্ৰীঅতুল চন্দ্ৰ বৰুৱাৰ গ্ৰন্থৰ সংখ্যা প্ৰায় ৪২ খন। সুদীৰ্ঘ কৰ্মময় জীৱন-যাপনৰ দৈনন্দিন উঠা-নমাৰ মাজেদি সাহিত্য সেৱাত ব্ৰতী থকা শ্ৰীবৰুৱা দেৱেও অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাক নেতৃত্ব দিবৰ নিমিত্তে ১৯৭৯ চনৰ ১০ ফেব্ৰুৱাৰীত অনুষ্ঠিত ষট্‌চত্বাৰিংশ গুৱালকুছি অধিবেশনৰ সন্মানীয় সভাপতি ৰূপে নিৰ্বাচিত হৈছিল। সমাজ সেৱাৰ পৰা আৰম্ভ কৰি চৰকাৰী চাকৰিৰ গুৰু দায়িত্ব বহন কৰি ইমানখিনি সাহিত্য ৰচনা কৰা শ্ৰীবৰুৱা দেৱৰ ৰচনাসমূহ যেনেদৰে সহজ সৰল তথা গুৰু, গম্ভীৰ থিক তেখেত মানুহজনো গহীন-গম্ভীৰ সহজ-সৰল। আমাৰ এই লেখা সমূহ যিহেতু সম্পাদনা সমিতিৰ সিদ্ধান্ত অনুসৰি লিখা হৈছে সেয়ে আমাৰ লেখাবোৰত আমাৰ সন্মানীয় সভাপতি সকলৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ সকলো দিশ দাঙি ধৰিব পৰা নেযায়। শ্ৰীবৰুৱা দেৱৰ ক্ষেত্ৰতো আমি সম্পাদনা সমিতিৰ নিৰ্দ্দেশ মানি চমুকৈ পৰিচিতি দাঙি ধৰাৰ চেষ্টা কৰিছো।

যিসকল বিশিষ্ট লেখকৰ মূল্যৱান লিখনিৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী হৈছে তাৰ ভিতৰত শ্ৰীঅতুল চন্দ্ৰ বৰুৱা দেৱো এজন। সাহিত্যৰ সৃষ্টিতে ব্যস্ত নেথাকি এচাম সাহিত্যিকৰ সৃষ্টি

কৰাত আগভাগ লৈ অহা শ্ৰীবৰুৱা দেৱে শ্বিলঙত থাকোতে ১৯৪৫ চনত গঢ়ে বৰ্তমানোখ্যাত মুকুল সংঘ, ১৯৫২ চনত ৰঙিয়া আলোচনী সভা, ১৯৫৫ চনত জন্ম লাভ কৰি ৬০০ সংখ্যক বৈঠক ২৭ জুন, ১৯৯৩ ত পূৰ্ণ হোৱা গুৱাহাটী আলোচনা চক্ৰৰো তেওঁেত প্ৰতিষ্ঠাতা সম্পাদক। চাকৰিৰ পৰা অৱসৰ পোৱাৰ পাছত ছিপাঝাৰত অনুষ্ঠিত কৰে দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘ। গুৱাহাটী সাহিত্য সভা, কামৰূপ জিলা সাহিত্য সভা, মঙলদৈ মহকুমা পৰিষদ, অসম একাডেমী, অসম জন-সাংস্কৃতিক সমাজ, কামৰূপ অনুসন্ধান সমিতিকে ধৰি অনেক অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে জড়িত এইজন ব্যক্তিৰ পিতৃ ভোগৰাম বৰুৱা, মাতৃ প্ৰমিলা দেৱী। তেওঁৰ পত্নী হৈছে হিৰণ প্ৰভা বৰুৱা।

১৯১৬ চনৰ ২৯ মেত ছিপাঝাৰৰ ওচৰৰ মাৰৈ গাওঁত জন্ম লাভ কৰা বৰুৱাই ১৯২৮ চনত মাৰৈ গাওঁৰ পৰাই প্ৰাথমিক বিদ্যালয়, ১৯৩৬ চনত মঙলদৈ চৰকাৰী হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষা, ১৯৪০ চনত কটন কলেজৰ পৰা বি-এ আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম-এ পাছ কৰে। ১৯৪০-৪২ চনত কামৰূপ একাডেমীত শিক্ষকতা, ১৯৪৩ চনৰ পৰা অসম সচিবালয়ৰ চাকৰিত, ১৯৪৫ চনৰ পৰা ১৯৪৯ চন পৰ্যন্ত শ্বিলং ছেইন্ট মেৰিজ আৰু এডমাণ্ডছ কলেজত অসমীয়াৰ অধ্যাপনা কৰে। ১৯৪৯ চনৰ পৰা ১৯৭৪ চনলৈ এ-চি-এছ চাকৰিত কাযানিবাহ কৰি ১৯৭৪ চনত অৱসৰ গ্ৰহণ কৰিয়ে সাহিত্য-সাংস্কৃতিক অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে নিবিড়ভাৱে জড়িত হৈ পৰে।

কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত হিচাপে চৰকাৰী চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা শ্ৰীবৰুৱা দেৱৰ সম্পাদনা কৰা গ্ৰন্থ, মৌলিক গ্ৰন্থ, বিভিন্ন বিষয়ৰ সাহিত্যৰ গ্ৰন্থ, মিশ্ৰ সাহিত্যৰ গ্ৰন্থ সমূহৰ ভিতৰত উল্লেখযোগ্য গ্ৰন্থ সম্ভাৰ হ'ল—অসমীয়া সাহিত্যত প্ৰেমৰ বৌৱতী সুঁতি, সাহিত্যৰ ৰূপৰেখা, প্ৰজাপতিৰ নিবন্ধ, সাহিত্য দৃষ্টি,

অসমীয়া অভিধান আৰু ভাষা, অসমীয়া লোক সাহিত্য, সমালোচনা সাহিত্য, মনসা কাব্য আৰু ওজাপালি, ভূমি আৰু জীৱন, লোক দেৱতা শিৱ, গল্প ভাৰতী, ডাকে বোলে শুনা উপায়, মদন আৰু বসন্ত, খেলিমেলি, ওলট পালট, শৰৎ চন্দ্ৰ গোস্বামীৰ জীৱন, সন্ধিয়াৰ সাধু, পুৰণি পুথিৰ সাধু, সানমিহলি ইত্যাদি।

মজলীয়া বৃত্তি পৰীক্ষাত অসমৰ ভিতৰতে প্ৰথম স্থান দখল কৰা শ্ৰীবৰুৱা দেৱ একেবাহে প্ৰশাসক, সংগঠক, প্ৰবন্ধকাৰ, সমালোচক, শিশু সাহিত্যিক। ১৯৮৯ চনৰ অধিবেশনৰ সম্মানীয় আসনৰ পৰাই তেখেতে কৈছিল—"সংমিশ্ৰণ আৰু সংহতিয়ে অসমীয়াৰ জাতীয় জীৱনৰ মূলমন্ত্ৰ; অনৈক্যৰ মাজত ঐক্যই অসমৰ বিশেষত্ব। অসম ভাৰতৰ ক্ষুদ্ৰ সংস্কৰণ" তেখেতে জাতীয় প্ৰেমেৰে আৰু কৈছে—'অসম মৰিলে আমিও মৰিম। অসমৰ উন্নতিয়ে আমাৰ উন্নতি। অসমৰ গৌৰৱে আমাৰ গৌৰৱ।" শুৱালকুছিৰ অধিবেশন সফলিত সু-সাহিত্যিক শ্ৰীবৰুৱা দেৱে অসমীয়া ভাষা আৰু অসমীয়া জাতিৰ অনেক সমস্যাই দাঙি ধৰিব পাৰিছে। সেয়েহে তেখেতৰ অভিভাষণখনি এতিয়াও হৈ আছে আমাৰ বাবে আলোচনাৰ আৰু মূল্যবান অভিভাষণ। তেখেতে অসম সাহিত্য সভাৰ শাখা অসমৰ বাহিৰত গঠনৰ বাবে দিয়া গুৰুত্বই আজিও প্ৰাসংগিকতা হেৰুৱাই যোৱা নাই। বহিৰাগত সমস্যাৰ সম্পৰ্কত কোৱা কথাও জানো কম গুৰুত্বপূৰ্ণ কথা।

ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যৰ ভাষাৰে সামৰণিত—

"শ্ৰীবৰুৱাই জীৱন যাপনৰ দৈনন্দিন উঠা-নমাৰ মাজেদি নীৰৱ সাহিত্য সাধনা চলাই আছে। এই আদৰ্শ, নিষ্ঠা, গুৰুভক্তি, কৰ্মপ্ৰীতি আৰু ব্যক্তিত্বৰ জন্মগত তথা পৰিৱেশ সুলভ আকৰ্ষণে ... . অৱসৰী কালতো অহৰহ কীচক বেণু বজাই আছে।"

"চিৰ চেনেহী মোৰ ভাষা জননী ।
আই ধান্য-পুষ্পে হৃৎ পাৱনী ॥
প্ৰকৃতি পৰশে ৰসে অমল কমল
চঞ্চল হৃদি জুৰে ধালে পৰিমল .... ।

অসম সাহিত্য সভাৰ সপ্তচত্বাৰিংশ অধিবেশনৰ সভাপতি

অধ্যাপক, যতীন্দ্ৰ নাথ গোস্বামী

অসম সাহিত্য সভা; অসমৰ প্ৰতিজন নাগৰিকৰে চিনাকি এটি নাম। অসম সাহিত্য সভা সম্পৰ্কে অসমৰ কোনোজন শিক্ষিত লোকক নকৈ বুজাবৰ প্ৰয়োজন নাই। এই হেন সাহিত্য সভাৰ এগৰাকী নিষ্ঠাবান কৰ্মী হিচাপে সু-পৰিচিত; অসম সাহিত্য সভাক, অসমীয়া সাহিত্য-সংস্কৃতিক প্ৰাণতকৈয়ো অধিক ভালপোৱা শিক্ষা সেৱী অধ্যাপক যতীন্দ্ৰ নাথ গোস্বামীয়েও চৰকাৰী চাকৰিৰ গুৰু দায়িত্ব বহন কৰিয়ে আশাশুধীয়াভাৱে অসমৰ জাতীয় অনুষ্ঠানৰ উন্নয়নৰ হকে, অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিবৰ নিমিত্তে কাম কৰি আহিছে। বিভিন্ন সময়ত বিভিন্ন পদত কাৰ্য্যনিৰ্বাহ কৰি গোস্বামী দেৱে পদমৰ্য্যাদা অক্ষুন্ন ৰখাৰ উপৰিও জাতীয় অনুষ্ঠানৰ গুৰি ধৰি এচাম সাহিত্যিকৰ সৃষ্টি কৰাত অগ্ৰনী ভূমিকা লয়।

যোৰহাটৰ ওচৰৰ টীয়কত ১৯১৯ চনত জন্ম গ্ৰহণ কৰা এই গৰাকী বিশিষ্ট সাংগঠনিক যতীন্দ্ৰ নাথ গোস্বামীৰ পিতৃ প্ৰাণকৃষ্ণ গোস্বামী আৰু চিৰ চেনেহী মাতৃ নৰ্মদা দেৱী। অনুপমা গোস্বামী হ'ল তেখেতৰ পত্নী।

আগেয়ে উল্লেখ কৰা হৈছে যে, অসম সাহিত্য সভাৰ তেখেতে অনেক পদত দায়িত্ব বহন কৰিছে। ইয়াৰে ভিতৰত উল্লেখযোগ্য হ'ল—পাঁচ বছৰ কাল ধৰি সহকাৰী সম্পাদক, ৪ বছৰ প্ৰধান সম্পাদক, ছবছৰ পত্ৰিকা সম্পাদক আৰু ১৯৭৪ চনত মংগলদৈত

অনুষ্ঠিত অসম সাহিত্য সভাৰ একচত্বাৰিংশ অধিৱেশনৰ সন্মানীয় সভাপতি বিশিষ্ট পণ্ডিত ড° মহেশ্বৰ নেওগৰ লগতো উপ-সভাপতিৰ দায়িত্ব বহন কৰে।

অধ্যাপক গোস্বামীয়ে ১৯৮০ চনত জগন্নাথ বৰুৱা কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক পদৰ পৰা অৱসৰ ললেও অসম সাহিত্য সভাৰ মঞ্চত এতিয়াও আছে আৰু এইখন মঞ্চত তেখেতক অকনো ভাগৰুৱা দেখা নেযায়। ১৯৩৭ চনৰ চেনাইৰাম হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা গোস্বামী দেৱে ১৯৪১ চনত ব্যস্ত মহানগৰী কলিকতাৰ ৰিপণ কলেজৰ পৰা বি-এ, কলিকতা বিশ্ব বিদ্যালয়ৰ পৰা এম-এ পাচ কৰে আৰু ১৯৪২ চনত শ্বিলঙৰ পৰা বি-টি পাচ কৰে।

ৰিপণ কলেজৰ পৰা বি-এ ডিগ্ৰী গ্ৰহণ কৰিয়ে প্ৰথমে প্ৰতিৰক্ষা বিভাগৰ চাকৰিত সোমাই আৰু তাৰে পৰা ওলাই আহি সেউজী পাহাৰী ভূমি শ্বিলঙৰ লাবান বইজ স্কুলৰ প্ৰধান শিক্ষক হিচাপে কাৰ্য্যনিৰ্বাহ কৰে। অসমৰ অন্যতম কলেজ কটন কলেজত শিক্ষকতা কৰা গোস্বামীদেৱে আৰু ভালেমান হাইস্কুলতো কাম কৰে।

'আমাৰ ভাগ্য আমি নিজেই ৰচনা কৰিব লাগিব'—বুলি কোৱা অসম সাহিত্য সভাৰ ১৯৮০ চনত ৰহাত অনুষ্ঠিত সপ্তচত্বাৰিংশ অধিৱেশনৰ সভাপতি গোস্বামী দেৱৰ ৰচনা আৰু সম্পাদিত গ্ৰন্থ সমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল—অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী, শৰৎ চন্দ্ৰ গোস্বামী ৰচনাৱলী, কৃষ্ণকান্ত সন্দিকৈ ৰচনা সম্ভাৰ, মেম, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, জগন্নাথ বৰুৱা, ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা, মৌচাক, বেজবৰুৱাৰ প্ৰবন্ধ বাছনি, সাহিত্যৰ চিন্তা, অসম সাহিত্য সভাৰ ভাষণাৱলী, মাতৃ ভাষাৰ শিক্ষা ইত্যাদি।

ওপৰৰ চমু কথাৰে বুজিব পাৰি যে গোস্বামী দেৱে ছাত্ৰ অৱস্থাৰে পৰা সাহিত্য চৰ্চাত মনোযোগ দিছিল। ছাত্ৰাৱস্থাৰে পৰা

সাহিত্যৰ বহল পথাৰত নামি পৰা এইজনা নিষ্ঠাৱান ব্যক্তিয়ে তেখেতৰ মূল্যৱান অভিভাষণত বহাৰ মুকলি মঞ্চৰ তলত কৈছিল— "সাহিত্য সমাজ মনৰ দাপোন। সাহিত্যৰ ওপৰত সমাজ চিন্তাৰ প্ৰতিফলন আৱশ্যম্ভাৱী।"

"সাহিত্য বোঁৱতী সুঁতিৰ নিচিনা।"

"অসমীয়া জাতিয়ে বিভিন্ন ক্ষেত্ৰত কেইবাখনো শৰাইঘাট অতিক্ৰম কৰিবলগীয়া হৈছে।' গোস্বামীদেৱে কোৱা এই কথাৰ মৰ্ম নুবুজা কোনো নাই বুলিব পাৰি। সহজ সৰলভাবে তেখেতে আৰু কৈছে—

"আবেগ-অনুভূতিক প্ৰাধান্য নিদি মানসিকতাৰে সাজু হৈ অসমৰ সামাজিক আৰু অৰ্থনৈতিক উন্নতিৰ আঁচনি কৰি কামত আগবাঢ়ি যাব লাগিব। আমাৰ ভাগ্য আমি নিজেই ৰচনা কৰিব লাগিব।"

এই গৰাকী সাংগঠনিক, সমালোচক, অনুবাদক, জীৱনীকাৰ, সাহিত্যৰ বুৰঞ্জী প্ৰণেতাৰ নিচিনা ব্যক্তিৰ অসম সাহিত্য সভাকে নহয় সমগ্ৰ দেশকে অনেক জনৰ প্ৰয়োজন। সঁচাকৈ যোগ্যতাৰে থিয় হ'ব পাৰিলেহে মানৱ জীৱনৰ সাৰ্থকতা আহি পৰে। অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি সকলৰ অভিভাষণ সমূহৰ ওপৰত বৰ্তমান নকৈ মুকলি আলোচনা কৰাৰ প্ৰাসংগিকতা আহি পৰিছে। বৰ্তমানো অসম দেশৰ বিশেষ একো চকুত লগা বিধৰ পৰিবৰ্তন যে নহ'ল এইকথা আমাৰ মূল্যৱান অভিভাষণ সমূহ পঢ়িলেই বুজিব পৰা যায়।

অসম সাহিত্য সভাৰ অষ্টচত্বাৰিংশ আৰু উনপঞ্চাশৎ অধিবেশনৰ সভাপতি

সিংহ পুৰুষ সীতানাথ ব্ৰহ্ম চৌধুৰী

সময়ে সময়ে অসমীয়া ভাষা-সাহিত্যৰ পূজাৰ বেদীত, দুষ্কৃতিক দমন কৰি সংস্কৃতিক উদ্ধাৰ কৰিবলৈ এচাম পুৰুষৰ জন্ম হয়। অসম আৰু অসমীয়া মাত্ৰে জানে যে—যেতিয়া সমগ্ৰ গোৱালপাৰা বাসীয়ে এচাম অসম বিৰোধী দুষ্কৃতিৰ হাতত পৰিছিল তেতিয়াই সাহিয়াল, সত্যবাদী, চিন্তাশীল, স্পষ্টবাদী আৰু ৰাজনীতিবিদ সীতানাথ ব্ৰহ্ম চৌধুৰীৰ গোৱালপাৰাৰ ভালুকমাৰীত ১৯০৮ চনৰ ৮ অক্টোবৰত ২২ আহিনৰ বৃহস্পতিবাৰে ৰাতিপুৱা ১০ বজাত জন্ম হয়। একেৰাহে দুবাৰকৈ অসমৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ সভাপতি পদ অলংকৃত কৰা সিংহ পুৰুষ জনাই এনে এক সন্ধিক্ষণত জন্ম গ্ৰহণ কৰি সিংহৰ শক্তিৰে স্থিতি লৈ অসমৰ জাতীয় জীৱনলৈ স্মৰণীয় ৰৰঙণি আগবঢ়াই গ'ল।

ছাত্ৰ কালৰে পৰা অসমীয়া ভাষা-সাহিত্যৰ সেৱাত ব্ৰতী হোৱা ব্ৰহ্ম চৌধুৰীয়ে একেৰাহে দুবাৰ অসম সাহিত্য সভাৰ সভাপতিৰ বাবে নিৰ্বাচিত হৈছিল। সিংহ পুৰুষ ব্ৰহ্ম চৌধুৰীয়ে বৃহত্তৰ অসমৰ বাবে বৰণীয়া জাতি-ধৰ্মৰ লোকক একেডাল এনাজৰীৰে বান্ধি ৰখাৰ সু-চিন্তাত ব্ৰতী হৈছিল আৰু এই কথা বুজিব পাৰিয়ে অসম বাসীয়ে দিব পৰা শ্ৰেষ্ঠ সন্মান অসম সাহিত্য সভাৰ ১৯৮১ চনত তিনিচুকীয়াত অনুষ্ঠিত আৰু ১৯৮২ চনত ডিব্ৰুগড়ত অনুষ্ঠিত ক্ৰমে অষ্টচত্বাৰিংশ আৰু উনপঞ্চাশৎ অধিবেশনৰ সন্মানীয় সভাপতি হিচাপে নিৰ্বাচিত কৰিছিল।

ছাত্ৰ কালতে অনা অসমীয়া এচামৰ অসমীয়াৰ প্ৰতি কৰা তুচ্ছ-তাচ্ছিল্য হেয় মনোভাব দেখি বুকুৰ তুহঁ জুই, বন জুইত পৰিণত হৈছিল আৰু এই বন জুইৰ গজালিয়ে আছিল তেওঁৰ প্ৰথম কবিতাৰ পুথি 'কমল-কলি'। ১৯২৫ চনত মাত্ৰ ১৭ বছৰ বয়সতে ধুবুৰী হাইস্কুলত পঢ়ি থাকোতে 'কমল - কলি' প্ৰকাশ হয়। এই পুথি প্ৰকাশ পোৱাৰ পাচত অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীদেৱে তেখেতৰ 'চেতনা'ত উচ্চ প্ৰশংসা কৰে। 'কমল - কলি'ৰ সম্পৰ্কত 'ভাগুণি কোঁৱৰ' আনন্দ চন্দ্ৰ আগৰৱালাই কৈছিল—"বৰ সুখৰ বিষয় যে, এই জিলাৰ এজন কোমল বয়সীয়া বড়ো ছাত্ৰই এই বয়সতে 'কমল-কলি' নামে এখন সুন্দৰ পদ্যৰ পুথি লিখি উলিয়াইছে। তেওঁৰ নাম শ্ৰীশ্ৰীসীতানাথ ব্ৰহ্ম চৌধুৰী। আশা কৰো কালত এই ল'ৰাটি সু-কবি হ'ব।" মাত্ৰ ১৭ বছৰ বয়সতে, 'কমল-কলি' প্ৰকাশৰ পাচত আন দুখন কবিতা পুথি 'আবেগ'; 'চকুলো' ১৯১৯ চনত প্ৰকাশ হয়। ১৯২৯ চনত সিংহ পুৰুষ গৰাকী শিৱসাগৰ হাইস্কুলৰ দশম মান শ্ৰেণীৰ ছাত্ৰ। তেখেতৰ চতুৰ্থ কাব্য গ্ৰন্থ 'ফুলেশ্বৰী দৈমাৰী' ভাটি বয়সত ১৯৭৬ চনত প্ৰকাশ হয়। প্ৰেম আৰু প্ৰকৃতিৰ কবি হিচাপে খ্যাত ব্ৰহ্ম চৌধুৰীদেৱ বিংশ শতিকাৰ গোৱালপাৰাৰ শিক্ষাৰ অগ্ৰগতিৰ হকে যি কেইগৰাকী শিক্ষা প্ৰেমীৰ অবিহণা বুৰঞ্জীৰ শুকুলা পাতত জিলিকি আছে সেই সকলৰ ভিতৰত সীতানাথ ব্ৰহ্ম চৌধুৰী নিঃসন্দেহে এজন।

গোৱালপাৰা জিলাৰ আওহতীয়া গাওঁত জন্ম লাভ কৰিও ১৯৩৬ চনত কটন কলেজৰ পৰা বি-এ ডিগ্ৰী লাভ কৰা ব্ৰহ্ম চৌধুৰীয়ে নিজৰ চেষ্টাৰ বলতে স্বাধীন ভাৰতৰ প্ৰথম সাধাৰণ নিৰ্ব্বাচনত কংগ্ৰেছ প্ৰাৰ্থী স্বৰূপে গোৱালপাৰাৰ গাৰোপাহাৰ সমষ্টিৰ পৰা লোকসভালৈ নিৰ্বাচিত হয়। লোকসভাৰ সদস্য হৈ থকা কালছোৱাত তেখেতে মণিপুৰ ত্ৰিপুৰাকো অন্তৰ্ভুক্ত কৰি আৰু

কোচবিহাৰ, জলপাইগুৰিকো সামৰি সন্মিলিত অসম গঠনৰ কাৰণে চেষ্টা কৰিছিল। সংসদত শোধনাগাৰ স্থাপন, ৰেল আলি সম্প্ৰসাৰণ, ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ বাবেও দাবি জনাইছিল। সংসদী সদস্য হৈ থাকোতে তেখেতে এবাৰ হিমাচল ভ্ৰমণ কৰিছিল। তেতিয়া তেখেতক নানা প্ৰশ্নৰ মাজতে সুধিছিল—"অসমীয়া মানুহ হেনো কুম্ভকৰ্ণৰ বংশধৰ আৰু ছমাহ শুই থাকে ?" তেতিয়া আমাৰ সন্মানীয় সাংসদ ব্ৰহ্ম চৌধুৰীয়ে হাঁহি হাঁহি কৈছিল—"অসম শস্য শ্যামলা দেশ। অসমৰ মানুহে তিনিমাহ খেতি কৰি বছৰ দিন খাব পাৰে। সেইবাবে ছমাহ শুবলৈ সময় পায়।" সংসদী সদস্য স্বৰূপে ব্ৰহ্ম চৌধুৰীয়ে নেপাল আৰু ভুটান ভ্ৰমণ কৰিছিল। তেখেতে সেইসময়ত ভাৰতীয় জন-জাতীয় লোকৰ উন্নতিত বিশেষ গুৰুত্ব দিছিল।

"অসমীয়া ভাষা-সাহিত্য আৰু জাতীয়তাৰ অতন্ত্ৰ প্ৰহৰী স্বৰূপ।" চৌধুৰীদেৱে সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰাই সঁকিয়াই দি কৈছিল—"সকলো জনগোষ্ঠীৰ একতাৰ বলত বলিষ্ঠ হোৱা অসমীয়া জাতিৰ একতা নষ্ট হৈ দলাদলি হ'লেই মৰণ।" বিদেশী নাগৰিকৰ সমস্যাৰ বিষয়েও গুৰুত্ব দি তেখেতে গুৰুত্ব সহকাৰে সঁকিয়াই দি—অসম দেশৰ ডেকা শক্তিক ব্যৱসায় বাণিজ্যত মনোযোগ দিবলৈ আৰু কঠোৰ পৰিশ্ৰমী হ'বলৈ কৈছিল। দৃঢ়মনা চৌধুৰীদেৱে চৰকাৰৰ ফালৰপৰা তেখেতলৈ আগবঢ়োৱা ৰাজনৈতিক পেন্সন গ্ৰহণ নকৰিলে, আনকি তেখেতৰ পত্নীয়েও একে আদৰ্শেৰে গ্ৰহণ নকৰিলে।

মনবাৰু ব্ৰহ্ম চৌধুৰী আৰু লক্ষ্মী দেৱীৰ পেটমোচা সন্তান সীতানাথ ব্ৰহ্ম চৌধুৰীৰ প্ৰথমা পত্নী কলাগুৰু বিষ্ণুৰাভাৰ ভগ্নী কমলাৰ মৃত্যুৰ পিছত গোৱালপাৰাৰ জীয়ৰী অম্বাৱতী ব্ৰহ্মক বিয়া কৰায়।

১৯৪৬ চনত ধুবুৰী লোকেল বোৰ্ডৰ উপ সভাপতি নিৰ্বাচিত হয়। ইয়াৰ পিছত ধুবুৰীৰ স্কুল বোৰ্ডৰ সদস্য নিৰ্বাচিত হৈ

অসমীয়া ভাষাৰ হকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। অসম আৰু অসমীয়াৰ হ'ক দাবীৰ হকে নিজকে জড়িত কৰোৱা চৌধুৰীদেৱে কৈছিল—"অসমীয়া জাতি সকলো জনগোষ্ঠীৰ সানমিহলি জাতি। ইয়াত সকলো জনগোষ্ঠীৰে বিৰাট অৱদান আছে। এই কাৰণেই অসমীয়া জাতিৰ পৰা কোনো জনগোষ্ঠীকে বেলেগ বুলি ভাবিবৰ কাৰণ নাই।"

ঘিলাগুৰি প্ৰাথমিক স্কুল, পুথিমাৰী মজলীয়া স্কুল, ধুবুৰী, তেজপুৰ আদিৰ চৰকাৰী হাইস্কুলত পঢ়ি শিৱসাগৰ হাইস্কুলৰ পৰা ১৯৩০ চনত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা ব্ৰহ্ম চৌধুৰীৰ পিতৃ মনবাৰু ব্ৰহ্ম চৌধুৰী দোতমা অঞ্চলৰ মৌজাদাৰ আছিল। সৰুতে মাতৃ স্নেহৰ পৰা বঞ্চিত হৈ পিতৃ স্নেহৰ তত্বাৱধানত ডাঙৰ হোৱা পুৰুষ জনেই আছিল বঙাইগাৱঁৰ প্ৰথম হাইস্কুল বীৰঝৰা হাইস্কুলৰ প্ৰতিষ্ঠাতা প্ৰধান শিক্ষক; বঙাইগাওঁ ৰেলৱে হাই-স্কুল, বিদ্যাপীঠ হাইস্কুল, হিন্দী এম, ই, স্কুল, বঙাইগাওঁ কলেজৰ প্ৰতিষ্ঠাতা সম্পাদক, বিজনী বিদ্যাপীঠ প্ৰভৃতি শিক্ষানুষ্ঠানৰ উন্নয়ণৰ লগতো নিবিড়ভাৱে জন্ম লগ্নৰে পৰা জড়িত।

দুৰ্ঘোৰ অসম প্ৰেমী, এইজনা ব্যক্তিক অসম সাহিত্য সভাৰ তিতাবৰ অধিবেশনত সম্বৰ্দ্ধনা জনোৱা হৈছিল অসম সাহিত্য সভাৰ ফালৰ পৰাই। ১৯৪০ চনত 'গাওঁ সংগঠন' শীৰ্ষক পুস্তিকা প্ৰকাশ পোৱা চৌধুৰীদেৱৰ কবিতা বাঁহী, চেতনা, মিলন আদিত প্ৰকাশ পাইছিল। উল্লেখযোগ্য যে তেখেতে তিলোত্তমা বৰুৱা ছদ্ম নামেৰেও কবিতা ৰচনা কৰিছিল।

১৩/১৪ বছৰৰ পৰাই কবিতা ৰচনাত মনোযোগ দিয়া ব্ৰহ্ম চৌধুৰীয়ে ১৮ বছৰ বয়সতে অসম সাহিত্য সভাৰ মঞ্চলৈ আহে। ১৯২৬ চনৰ ধুবুৰীত অনুষ্ঠিত অধিবেশনৰ মুকলি সভাত স্কুলীয়া ছাত্ৰ সীতানাথ ব্ৰহ্ম চৌধুৰীয়ে স্ব-ৰচিত কবিতা পাঠ কৰি উপস্থিত

দৰ্শকৰ পৰা সমাদৰ লাভ কৰিবলৈ সক্ষম হয়।

স্বকীয় বৈশিষ্ট্যৰে সমুজ্বল ব্যক্তি সীতানাথ ব্ৰহ্ম চৌধুৰীদেৱৰ "জননীৰ কল্যানৰ কথা" কবিতাত প্ৰকাশ পাইছে এনেদৰে—

"আহা ভাই আহা সবে
আনন্দৰ দিনে
দেশ জননীৰ দুখ
ঘুচাম যতনে।"

দৃঢ় কণ্ঠেৰে আৰু গাইছে— লিখিছে—

"শত বাধা ভয় বিপদ নৈৰাশ্য
গচকিম বীৰ্য্য সাহে সউ যে
মাতিছে সঘনে।"

অসম দেশৰ বীৰপুত্ৰ, এই গৰাকী অকল এজন সু-কবিয়ে নহয়, স্বনামধন্য ৰাজনীতিবিদ, সংসদী সদস্য, প্ৰথম শ্ৰেণীৰ সংগঠক, শিক্ষাপ্ৰেমী, জাতীয়তাৰ অতন্দ্ৰ প্ৰহৰী। চিন্তাশীল, স্পষ্টবাদী এই গৰাকী সমাজ কৰ্মীৰ পৰলোক প্ৰাপ্তি ঘটে ১৯৮১ চনত। অসম সাহিত্য সভাক আৰু অধিক গতিশীল কৰিবৰ নিমিত্তে কাম কৰা সুকবি ব্ৰহ্ম চৌধুৰীৰ কবিতাৰে সামৰিলোঁ।

"আজি চাই দেখো মোৰ মৰম অপাৰ
গোটেই জগত মোৰ অতিথি হিয়াৰ।"

—মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ সোণালী জয়ন্তী অধিবেশনৰ সভাপতি

জ্ঞানপীঠ বঁটা বিজয়ী ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

১৯৭৯ চনত ভাৰতৰ শ্ৰেষ্ঠ সাহিত্য বঁটা 'জ্ঞানপীঠ'ৰে সন্মানিত, কম বয়সতে অধিক প্ৰতিষ্ঠা লাভ কৰা একেধাৰে ঔপন্যাসিক, কবি গল্পকাৰ, সাংবাদিক, ৰাজনীতিবিদ, গবেষক, সমালোচক, সংগঠক, গীতিকাৰ, নাটকাৰ ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই ১৯৮৩ চনত বিভিন্ন জনগোষ্ঠীৰ বসতি প্ৰধান অঞ্চল বঙাইগাওঁত অনুষ্ঠিত অসম সাহিত্য সভাৰ সোণালী জয়ন্তী অধিবেশনৰ সন্মানীয় সভাপতিৰ আসন অলংকৃত কৰি জাতিৰ উদ্দেশ্যে দিয়া বাণীত কৈছিল 'সাহিত্যক আৰু সাহিত্যৰ মুখ্য কৰ্তব্য হৈছে ভগা হিয়াবোৰ জোৰা দিয়া। প্ৰাণৰ অফুৰন্ত শক্তিৰে মানুহৰ আৰু মানুহৰ মাজত হৃদয় আৰু বুদ্ধিৰ মিলন ঘটাই আমি জাতীয় বিকাশৰ পথ পৰিস্কাৰ কৰিব লাগিব।".... . "আমি স্থিতিশীলতাৰ ভেটিত কোনো সমস্যাৰ সমাধান কৰিব নোৱাৰো। আমি বৰ্তমানৰ জাতীয় চেতনাক এক নৱ জাগৰণৰ কাৰ্য্যসূচীলৈ ৰূপান্তৰিত কৰিব লাগিব"

উপন্যাসিক ড° ভট্টাচাৰ্য্যদেৱৰ ৰচনা সম্পৰ্কত স্বৰ্গীয় নন্দ তালুকদাৰে কৈছিল—"ভট্টাচাৰ্য্যৰ ব্যক্তিগত চৰিত্ৰৰ দৰে উপন্যাসত সৃষ্ট (তেওঁৰ) চৰিত্ৰসমূহ সংযত আৰু আদৰ্শনীয়। শ্ৰেণী বৈষ-

ম্যহীন, শোষণমুক্ত সমাজ এখনৰ অভিলাষী ভট্টাচাৰ্য্যৰ বহু ৰচনাতে সেই আদৰ্শত প্ৰতিফলন ঘটিছে যদিও উগ্ৰ ৰাজনৈতিক দৃষ্টি ভংগীৰে তেওঁৰ সৃজনীমূলক ৰচনাৰাজি ভাৰাক্ৰান্ত হোৱা নাই। ৰাজনৈতিক আদৰ্শৰ বিশ্বাসী ব্যক্তি হিচাপেই ব্যতিক্ৰম স্বৰূপ।"

গল্পকাৰ ড° ভট্টাচাৰ্য্যদেৱৰ গাল্পিক দক্ষতাৰ বিষয়ে কবলৈ গৈ—অসম সাহিত্য সভাৰ সপ্তপঞ্চাশতম অধিৱেশনৰ সভাপতি বিশিষ্ট সমালোচক ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে কৈছিল—"বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ গল্পই পটভূমিৰূপে অসম, অসমৰ কাষতে থকা পাহাৰ আৰু সাগৰৰ সিপাৰৰ দেশকো সামৰি লোৱা কথাটো প্ৰথমেই উল্লেখ যোগ্য। অসমৰ, বিশেষকৈ গাওঁৰ কৃষক শ্ৰেণীৰ স্বাধীনতাৰ কাৰণে থকা স্বপ্ন আৰু স্বপ্নভংগ অৰ্থনৈতিক ব্যৱস্থাই সৃষ্টি কৰা মৰ্মন্তুদ অৱস্থা আৰু সামাজিক অবিচাৰৰ পটভূমিত বিপ্লৱৰ বিদ্যুৎ স্পৰ্শ বুলাই বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই শক্তিশালী গল্প লিখিবলৈ ধৰে। ফ্ৰয়েদীয় দৃষ্টিভংগীৰে তেওঁ যেনেকৈ কোনো মানৱ চৰিত্ৰৰ অৱচেতনাৰ ক্ৰিয়া প্ৰতিক্ৰিয়া কিছু গল্পত ফুটাই তুলিছে, অথবা সংস্কাৰধৰ্মী মহৎ আদৰ্শেৰে মানসিক সংঘাতৰ ৰূপ দিছে; তেনেকৈ পৰমাণু বোমাই সৃষ্টি কৰা মানৱ জীৱনৰ কৰুণতম ট্ৰেজেডিৰ ছবি ডাঙি ধৰি আন্তৰ্জাতিক বিষয় বস্তুৰ ওপৰত গল্প লিখকৰ আদৰ্শ দেখুৱাইছে, তথা সমগ্ৰ পৃথিবীত নিপীড়িত মানৱাত্মাৰ প্ৰতি থকা লিখকৰ গভীৰ সহানুভূতি তাৰ যোগেদি মূৰ্ত্ত হৈছে।"

'ইয়াৰুইঙ্গম' উপন্যাসৰ বাবে ১৯৬১ চনত সাহিত্য অকাডেমীৰ বঁটা লাভ কৰা, প্ৰথম অসমীয়া জ্ঞানপীঠ বঁটা বিজয়ী ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাস সম্পৰ্কত অসমীয়া সাহিত্যৰ আন এগৰাকী প্ৰথিত যশা পণ্ডিত, অসম সাহিত্য সভাৰ দ্বিচত্বাৰিংশ অধিৱেশনৰ সম্মানীয় সভাপতি ড° সত্যেন্দ্ৰনাথ শৰ্মাই কৈছে—"ভট্টাচাৰ্য্যৰ উপন্যাসত সস্তীয়া যৌন আবেদন নাই। সমাজবাদী

দৃষ্টিভংগী, মানৱতাবোধ, ধৰ্ষিতা, পতিতা, আৰু অৱহেলিতা নাৰীৰ প্ৰতি সহানুভূতি, সংকটপূৰ্ণ মুহুৰ্ত্তত চৰিত্ৰৰ পৰিস্ফুৰণ, জীৱনৰ স্থায়ী সনাতন প্ৰমূল্যৰ প্ৰতি আকৰ্ষণ ভট্টাচাৰ্য্যৰ ৰচনাত লক্ষ্য কৰা যায়।

ভাৰতীয় সাহিত্য অকাডেমীৰ সভাপতি, সমাজবাদী আদৰ্শত বিশ্বাসী, অসমীয়া সাহিত্যৰ ৰামধেনু যুগ'ৰ শুৰি ধৰোতা হিচাপেও পৰিচিত ভট্টাচাৰ্য্যদেৱৰ উপন্যাস সম্পৰ্কে ডাৱৰ আৰু নাই' উপন্যাস খনি লিখি প্ৰখ্যাত হৈ পৰা বিশিষ্ট কথাসাহিত্যিক, অসম সাহিত্য সভাৰ একপঞ্চাশতম অধিবেশনৰ সম্মানীয় সভাপতি যোগেশ দাস দেৱে মন্তব্য কৰিছে—"ভট্টাচাৰ্য্যই সামাজিক সমস্যাবিলাকৰ কথা যিমান উপলব্ধি কৰিছে, আন কাৰো উপন্যাসত তেনে হোৱা নাই।"

নগাপাহাৰতো শিক্ষকতা কৰা, জীৱনৰ সুদীৰ্ঘকাল সাংবাদিকতা কৰা ড° ভট্টাচাৰ্য্যৰ জন্ম হয় ১৯২৪ চনৰ ১৪ অক্টোৱৰত যোৰহাটৰ চাফ্ৰাই চাহ বাগিচাৰ সেউজীয়া সোণৰ মাজৰ। তেখেতৰ পিতৃ শশীধৰ ভট্টাচাৰ্য্য মাতৃ আইদেউ ভট্টাচাৰ্য্য। চাফ্ৰাই বাগানৰ প্ৰাইমাৰী স্কুলত পঢ়ি যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা ১৯৪১ চনত অসমীয়া, বুৰঞ্জী, ভূগোল আৰু সংস্কৃতত লেটাৰ' সহ প্ৰথম বিভাগত প্ৰৱেশিকা পাচ কৰে। ১৯৭৫ চনত কটন কলেজৰ পৰা বি-এচ চি আৰু ১৯৫১ চনত বি. এ পাচ কৰে। ১৯৫৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিভাগত এম, এ আৰু ১৯৭৭ চনত। 'Humour and satire in Assamese Literature" নামৰ গবেষণা গ্ৰন্থৰ বাবে ডক্টৰেট ডিগ্ৰীলাভ কৰে। ভট্টাচাৰ্য্যদেৱক জব্বলপুৰ বিশ্ববিদ্যালয়ে সন্মানিত ডি. লিট উপাধিও প্ৰদান কৰে। ড° ভট্টাচাৰ্য্যই ১৯৫৮ চনৰ ছয় জুন তাৰিখে যোৰহাটৰ বালিগাওঁৰ বিনীতা ভট্টাচাৰ্য্যৰ লগত বিবাহ পাশত আবদ্ধ হয়।

এগৰাকী আগশাৰীৰ সমাজ সচেতন কৱি ভট্টাচাৰ্য্যদেৱ

,'বিষ্ণুৰাভা এতিয়া কিমানৰাতি'' কৰিতাৰ বাবে বিশেষ ধৰণে জনপ্ৰিয় হৈ পৰে। তেখেতৰ 'শংকৰদেৱ' নামৰ প্ৰথম কবিতা প্ৰকাশ হয়, পুৰবী অৰুণ'ত। প্ৰথম চুটি গল্প প্ৰকাশ হয় যোৰহাট চৰকাৰী হাইস্কুলৰ আলোচনী 'জেউতি'ত।

"অসমৰ জাতীয় জীৱন আৰু সাহিত্যকলাৰ প্ৰকৃত পৰিবেশ গঢ়াতো সাংবাদিকতাৰ এটালক্ষ্য হ'ব লাগে। সাংবাদিকতা জীৱনৰ সকলো ক্ষেত্ৰলৈকে সম্প্ৰসাৰিত হ'ব লাগে" বুলি কোৱা ডঃ ভট্টাচাৰ্য্য 'বঁাহী' আৰু ইংৰাজী 'এডভাঞ্চ'কাকতৰ সহ সম্পাদক, 'সাপ্তাহিক 'জনতা'ৰ সম্পাদক, ১৯৫২ চনৰ পৰা ১৯৬৩ চনলৈ 'ৰামধেনু' নামৰ আলোচনীৰ সম্পাদক, সাদিনীয়া 'নৱযুগৰ' সম্পাদক, 'প্ৰকাশ'' আলোচনীৰ মুখ্য সম্পাদক 'গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতা বিভাগৰ অধ্যাপক; প্ৰথম অসমীয়া 'ফ্ৰিলান্স" সাংবাদিক। ভট্টাচাৰ্য্যদেৱে বি. চি. ৰয় বঁটা বিজয়ী স্বৰূপেও এজন খ্যাত লেখক। ১৯৮৩ চনত পঞ্চাশ হেজাৰ টকা আৰু এখন ৰূপৰ থালেৰে এই বঁটা লাভ কৰে। ১৯৮৩ চনত ৰুছদেশ ভ্ৰমণ কৰে ভাৰতীয় লেখক সজাতি দলৰ নেতা হিচাপে। ১৯৬৮ চনতো তেখেতে ৰুছিয়ালৈ ভ্ৰমণত গৈছিল আৰু এই ভ্ৰমণৰ কথা 'সীমাই আমনি কৰে' গ্ৰন্থত লিপিবদ্ধ হৈছে। বিভিন্ন অনুষ্ঠান, সংগঠনৰ, এজন, বিশিষ্ট কৰ্মী ৰূপে পৰিচিত এই জন লেখক গোটেই ভাৰতবৰ্ষতে আজি পৰিচিত। তেখেতৰ উল্লেখযোগ্য উপন্যাস গল্প-সংকলন, কবিতা, প্ৰবন্ধ ইত্যাদিৰ পুথি সমূহ হ'ল—মৃত্যুঞ্জয়, ইয়াৰু ঈঙ্গম, শতঘ্নী, ৰঙামেঘ, প্ৰতিপদ, কলং আজিও বয়, আই, কবৰ আৰু ফুল, ডেৰশ বছৰীয়া অসমীয়া সাহিত্য আৰু সংস্কৃতি, মুনিচুনিৰ পোহৰ, ফুল কোঁৱৰৰ পখী ঘোঁৰা, ভাৰতৰ নৱজাগৰণ, কালৰ হুমুনিয়াহ 'সাতসৰী, দেৱদুন্দুভি বাজে কাৰ বাবে, চিনাকি সুঁতি, ডাইনী, শৰত কোঁৱৰ, পৰিব্ৰাজক, অগ্নিগড়, এটি নিশা,

টৰ আৰু ইভ্যা, সংবাদ সাহিত্য মপিন উৎসৱ,। সীমাই আমনি কৰে, কাজী নজৰুল ইছলাম, শ্ৰীঅৰবিন্দ, কৰ্মবীৰ চন্দ্ৰ নাথ শৰ্ম্মা, বঙ্গদেশৰ নৱজাগৰণ আৰু ইশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ।

অসমীয়া উপন্যাস সাহিত্য ভাৰতৰ যিকোনো ভাষাৰ উপন্যাস সাহিত্যৰ তুলনাত কোনোগুণে কম নহয়। এই ক্ষেত্ৰত জ্ঞানপীঠ বঁটা বিজেতা প্ৰথম অসমীয়া ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যইয়ো অসমীয়া উপন্যাস সাহিত্যলৈ উল্লেখযোগ্য ৰৰঙণি যোগাইছে। যি বৰঙণিৰ বাবেই তেখেত অসমীয়া সাহিত্যৰ ভৰালত চিৰদিন হৈ থাকিব অজৰ অমৰ। ছাত্ৰ অৱস্থাৰ পৰা ভাৰতীয় জাতীয় কংগ্ৰেছৰ সদস্য ড° ভট্টাচাৰ্য্য দেৱৰ মৃত্যুঞ্জয় উপন্যাস ১৯৪২ চনৰ গণ আন্দোলনৰ পটভূমিত ৰচিত।

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ এক পঞ্চাশতম অধিৱেশনৰ সভাপতি

যশস্বী কথা সাহিত্যিক যোগেশ দাস

সজ কৰ্মই মানুহৰ প্ৰকৃত পৰিচয় দাঙি ধৰে। পৃথিৱীৰ বুকুলৈ নিৰৱচ্ছিন্নে অহা আৰু যোৱা মানুহবোৰৰ ভিতৰত অতি কম সংখ্যক লোকৰহে কৰ্ম প্ৰতিভাৰ স্বাক্ষৰ পোৱা যায়। সেই সকল ব্যক্তিত্ব সম্পন্ন প্ৰতিভাশালী পুৰুষৰ জীৱন স্মৃতি ধৰি ৰাখে এচাম কৰ্তব্য পৰায়ন দূৰদৰ্শী মানৱ দৰদীয়ে। পৃথিৱীৰ অন্যান্য দেশৰ দৰে আমাৰ দেশতো অতীত আৰু বৰ্তমান কালত বিভিন্ন দিশৰ বিভিন্ন কৰ্মৰে সুখ্যাতি অৰ্জন কৰা কৃতী সন্তান আছে। কম বেছি পৰিমানে সেইসকলৰো জীৱন বৃত্তান্তৰ কথা লিপিবদ্ধ অৱস্থাত থকা দেখা যায়। এইটো কথাও ঠিক যে সজাগতা অভাৱত বহুতো প্ৰতিভাবান ব্যক্তিৰ নাম সময় সোঁতত হেৰাই গৈছে। সেয়া যিহওক আজি ইয়াত যি গৰাকী সাহিত্য সংস্কৃতি সেৱী যশস্বী পুৰুষৰ চমু জীৱনী অৱগত কৰাৰ প্ৰয়াস কৰা হৈছে। তেখেত গুৱাহাটীৰ লাচিত নগৰৰ বাসিন্দা ভোলানাথ বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, অসম সাহিত্য সভাৰ ৫৫ তম ডুমডুমা অধিৱেশনৰ সভাপতি, কথা সাহিত্যিক শ্ৰীযোগেশ দাস।

১৯২৭ চনত ডুমডুমা অঞ্চলৰ হাঁহচৰা চাহ বাগিছাত যোগেশ দাস দেৱৰ জন্ম হয়। তেখেতৰ পিতৃ চাহ বাগানৰ কৰ্মচাৰী ৺সূৰ্য্যকান্ত দাস আৰু মাতৃ ৺চিন্তামনি দাস। শ্ৰীযোগেশ দাস দেৱ পিতৃ মাতৃৰ তৃতীয় সন্তান। অৱশ্যে দাসদেৱৰ পৰিয়ালৰ

চাৰেক ঘৰ তিনিচুকীয়া জিলাৰ লাইনা গাওঁ। চাহ বাগিছাৰ প্ৰাথমিক বিদ্যালয়তেই দাসদেৱৰ শিক্ষা জীৱন আৰম্ভ হয়। তাৰপিচত ডুমডুমা এম. ই. স্কুলত মজলীয়া শিক্ষাৰ পাতনি মেলে। ১৯৭৭ চনত পূৰ্বৰ হৰ্ণ ইনষ্টিটিউচন আৰু বৰ্তমানৰ নীলমনি ফুকন হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাচ কৰে। কলেজীয়া শিক্ষা গ্ৰহণৰ বাবে গুৱাহাটীলৈ আহে আৰু কটন কলেজত পঢ়িবলৈ লয়। সেই সময়ত কটন কলেজত 'হাতে লিখা আলোচনী' উলিওৱা হৈছিল। উক্ত আলোচনীত দাসদেৱৰ 'বগা কুঁৱলী আৰু ক'লা সাপ' নামৰ গল্প এটি প্ৰকাশ পাইছিল। কলেজৰ সাহিত্য প্ৰতিযোগিতাতো সেই গল্পটো প্ৰথম হৈছিল। তেতিয়াৰ পৰাই দাসদেৱৰ গল্প উপন্যাস লিখিৰ বাউতি প্ৰবল হৈ উঠে। ১৯৪৯ চনত কটন কলেজৰ পৰা বি এ ডিগ্ৰীলৈ গুৱাহাটী বিশ্ববিদ্যালয়ত শ্ৰীদাসদেৱে এম, এ পঢ়িবলৈ লয় আৰু ১৯৫৩ চনত অসমীয়া বিষয়ত এম, এ পাচ কৰে।

শ্ৰীযোগেশ দাস দেৱৰ চাকৰি জীৱন এক কথাত কবলৈ হ'লে প্ৰৱেশিকা পৰীক্ষা দি উঠাৰ পিচৰ পৰাই আৰম্ভ হয় বুলি কব পৰা যায়, কাৰণ প্ৰৱেশিকা পৰীক্ষা দি উঠাৰ পিচত ফলাফলৰ বাবে কিছুদিন অপেক্ষা কৰিবলগীয়া হয়। এই সময় ছোৱা দাসদেৱে তিনিমাহ কাল চুকে বিটিং মাৰ্কিন এয়াৰ ফিল্ডত মিলিটেৰীৰ লগত চাকৰি কৰে। আকৌ বি এ পাছ কৰি উঠি ডুমডুমাৰ হাইস্কুল এখনত শিক্ষকতা কৰাৰ উপৰিও সেইসময়ৰ দৈনিক 'শান্তি দূত'ৰ উপ সম্পাদক, দৈনিক কাকত 'নতুন অসমীয়া'ৰ নিজা বাতৰি দিওঁতা আৰু ক্ৰমে পিছলৈ গুৱাহাটীত উক্তকাকতৰ ছাব-এডিটৰ হিচাপে নিযুক্তি পায়। এম-এ পাছ কৰি উঠাৰ পিছত ১৯৫৩ চনত বি, বৰুৱা কলেজৰ প্ৰৱক্তা ৰূপে যোগদান কৰে। ১৯৬৫-৬৬ চনত "দৈনিক অসম"ৰ সহকাৰী সম্পাদকৰ পদত নিযুক্ত

হয়। অৱশেষত বি, বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে ১৯৮৮ চনৰ এপ্ৰিল মাহত অৱসৰ গ্ৰহন কৰে।

দাস দেৱৰ সাহিত্যিক জীৱন চুটি গল্পৰ যোগেদিয়েই আৰম্ভ হয়। কলেজত পঢ়ি থকা সময়ৰে পৰা চুটি গল্প লিখিবলৈ লয়। ৰামধেনু যুগৰ চুটি গল্প লিখক হিচাপে শ্ৰীদাসদেৱে এই দিশত এখন সুকীয়া আসন লাভ কৰিবলৈ সক্ষম হৈছে। ১৯৫৬ চনত গল্পকাৰ দাসদেৱৰ প্ৰথম গল্প পুথি 'পণীয়া তৰা' প্ৰকাশ হয়। গল্প লিখি থকাৰ উপৰিও দাসদেৱে উপন্যাস লিখিবলৈ ধৰে। গল্প আৰু উপন্যাসৰ ধাৰাৰে চাই তেখেতক 'কথাশিল্পী' আখ্যা দিয়া হয়। দাসদেৱে নানান পত্ৰ পত্ৰিকাত প্ৰবন্ধ পুথি সমালোচনা, গল্প আদি লিখে। ৰেডিঅ'ত কথিকা, নাট, পুথি সমালোচনা দিয়ে, আলোচনাত অংশ গ্ৰহণ কৰে। শ্ৰীদাসদেৱে প্ৰায় ডুবছৰ মানকৈ তিনিখন সাহিত্যালোচনী সম্পাদনা কৰে-অসম সাহিত্য সভা পত্ৰিকা, প্ৰহৰী আৰু অধিনায়ক। ইয়াৰ উপৰিও তেখেতে কেইবাখনো স্মৃতিগ্ৰন্থ সম্পাদনা কৰে। আনকি স্কুলীয়া পাঠ্যপুথিও সম্পাদনা কৰিছে।

সাহিত্য সৃষ্টিৰ যোগেদি শ্ৰীদাসদেৱে কেইবাটাও বঁটা লাভ কৰাৰ সক্ষমতা অৰ্জন কৰে। ১৯৮০ চনত 'পৃথিৱীৰ অসুখ' গল্প গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰি সৰ্বভাৰতীয় সাহিত্যিক হিচাপে স্বীকৃতি পায়। শ্ৰীদাসদেৱে ১৯৮৬ চনত মোক্ষদানন্দ পাঠক শিশু সাহিত্য বঁটা লাভ কৰে 'আকৌ বনে বনে' নামৰ গ্ৰন্থত। 'এনাজৰী' গ্ৰন্থ খনৰ বাবেও ১৯৮৯ চনত অসম সাহিত্য সভাৰ 'সীতানাথ ব্ৰহ্মচৌধুৰী বঁটা' অৰ্জন কৰে।

কথা সাহিত্যিক শ্ৰীদাসদেৱ ১৯৫০ চনৰ পৰাই অসম সাহিত্য সভাৰ লগত নিবিড় ভাবে জড়িত হৈ পৰে। অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক, কাৰ্য্যনিৰ্বাহকৰ সদস্য আৰু উপ-সভাপতি হোৱাৰ

উপৰিও তেখেত ১৯৮৫ চনত অসম সাহিত্য সভাৰ সভাপতি ৰূপে নির্বাচিত হয়। অসম সাহিত্য সভাৰ গুৰুদায়িত্ব বহন কৰাৰ উপৰিও গুৱাহাটী শাখা সাহিত্য সভাৰ সভাপতি, সংগীত সত্ৰৰ উপসভাপতি, ৰাজগড় ছোৱালী হাইস্কুল পৰিচালনা সমিতিৰ সম্পাদক এ.এ., পি স্কুল পৰিচালনা সমিতিৰ সভাপতি আৰু স্থানীয় উন্নয়ন সমিতিৰ সক্ৰীয় কৰ্মী হৈ থাকি ৰাজহুৱা জীৱন চলাই আছে।

বৰ্তমান সময়ত অসমীয়া সাহিত্যলৈ ভৰাঁললৈ দাসদেৱে স্ব-ৰচিত অনুবাদ আৰু সম্পাদিত মুঠ ৩৫ খন গ্ৰন্থ আগবঢ়াইছে। সাহিত্যিক গৰাকীৰ গভীৰ জ্ঞান, সৃষ্টিৰ চিন্তা আৰু নিপুন হাতৰ চানেকি হিচাপে ভবিষ্যতলৈ আৰু বহুতো উপাদেয় গ্ৰন্থ প্ৰকাশ পাব বুলি আশা কৰিব পাৰি। দাস দেৱৰ প্ৰকাশিত গ্ৰন্থৰ তালিকা এনেধৰণৰ—

চুটি গল্পৰ পুথি পপীয়া তৰা (১৯৫৬), আন্ধাৰৰ আঁৰে আঁৰে ১৯৫৮) ত্ৰিবেনী (১৯৬১), মদাৰৰ বেদনা (পৰবৰ্তি সংস্কৰণত 'মদাৰ'), হাজাৰ লোকৰ ভিৰ (১৯৬৫), পৃথিৱীৰ অসুখ (১৯৭৯)। উপন্যাস গ্ৰন্থ—সহঁাৰি পাই (১৯৫৩), ডাৱৰ আৰু নাই (১৯৫৫) জোনাবীৰ জুই (১৯৫৯ নিৰুপায় নিৰুপায় (১৯৬৩), এমুঠি ধূলি (১৯৬৫), হেজাৰ ফুল (১৯৬৭) কংকণ্ঠ উপকণ্ঠ (১৯৬৭), ছাঁ জুই যেদি (১৯৬৯), নেদেখা জুইৰ ধোৱা (১৯৭১), অবৈধ (১৯৭২) নৰেশ মালতী আৰু (১৯৭৭), ৰজনী বিদুৰ (১৯৮১), এনাজৰী (১৯৮৭), পোহৰ বিচাৰি (১৯৯১), এজন খঙাল মানুহ (১৯৮৯), সোঁতৰ বিপৰীতে (১৯৯২), একাবেঁকা (১৯৯২)। ইংৰাজীগ্ৰন্থ Folklore of Assam (হিন্দী, বঙলা, অসমীয়ালৈ অনুদিত) ১৯৭২। অনুবাদগ্ৰন্থ—আমাৰ কবি (লীনা মজুমদাৰৰ ইংৰাজীৰ পৰা ৰবীন্দ্ৰ নাথৰ জীৱনী) ১৯৬১, ব্ৰাহ্মণ কন্যা (শ্ৰীধৰ বেঙ্কটেশ কেশকৰৰ মাৰাঠী উপন্যাস হিন্দীৰ পৰা) ১৯৭৫ ; ৰবিন হুড্ (আৰ-

এনগ্ৰীনৰ ইংৰাজীৰ পৰা) ১৯৭৮, ঈশ্বৰ চন্দ্ৰ বিদ্যা সাগৰ (হিৰন্ময বন্দোপাধ্যায়ৰ পৰা) ১৯৭৮, ডাঃ জেকিন আৰু মিঃ হাইড (আৰু এল ষ্টিভেনচনৰ ইংৰাজীৰ পৰা, ১৯৯৩, ফ্ৰেংকেন ষ্টাইন (মেৰী শেলীৰ ইংৰাজীৰ পৰা) ১৯৯৩। বনে বনে, আকৌ বনে বনে সম্পাদিত — গল্পৰ কুকি (১৯৬৩), হেম বৰুৱা (সাহিত্য সভাৰ স্মৃতি গ্ৰন্থ) ১৯৭৯, সমকালীন গল্প (অসম লেখক সমবায়ৰ) ১৯৮৪।

মনকৰিব লগীয়া কথা, ১৯৪৬ চনত কটন মহাবিদ্যালয়ত পঢ়ি থকা কালতে হাতে লিখা আলোচনীৰ বাহিৰেও সেই কালৰ ছাত্ৰ শ্ৰীমনকান্ত চেতিয়া ফুকনৰ সম্পাদনাত ওলোৱা 'নৱ যুগৰ তৰুণ শক্তি' নামৰ ছপা আলোচনীত 'নিশালধৱনীত আশ্ৰয বিচাৰি' নামৰ গল্প প্ৰকাশ পায আৰু তেতিয়াৰে পৰা শ্ৰীদাসৰ গল্প, উপন্যাস সৃষ্টি ধাউতি ক্ৰমাৎ বাঢ়িবলৈ ধৰে। দাসদেৱে পূৰ্বতে কবিতা ৰচনা কৰাৰ কথা শুনা যায যদিও তেখেতৰ স্ব ৰচিত কবিতাৰ টোপোলা এদিন অজ্ঞাত সাৰে হেৰাই যোৱাৰ বাবে হয়তো কবিতা লিখাৰ স্পৃহা নাইকীয়া হৈ পাৰে।

গুৱাহাটী চহৰত বাসকৰিও গাওঁ পাহৰিব নোৱাৰা শ্ৰীদাস দেৱৰ এক মহৎ গুণ। জন্ম ঠাইৰ চাহ বাগিছাসমূহৰ চাহ বনুৱাসকলৰ বিষয়ে দাস দেৱে আজিও ভাবে। চাহ কৰ্মী সকলৰ দূৰৱস্থাৰ চিত্ৰ, সমাজ জীৱনৰ ছবিয়ে সেইখন সমাজলৈ দাসদেৱক টানি লৈ যায অনবৰতে। কৰ্তব্যবোধৰ প্ৰতি সদা সচেতন দাস দেৱে অসমৰ পাহাৰ ভৈয়াম, জনজাতি - অ-জনজাতি সকলোকে সমন্বযৰ ডোলেৰে সাঙুৰি বৃহৎ অসমৰ অসমীয়া জাতিসত্তাক ৰক্ষণাবেক্ষণ দিবলৈ বিচাৰে। সেযেহে সমাজ সংবাদৰ ভূমিকালৈ চাই দাস দেৱক হাড়ে হিমজুৱে সুস্থ সামাজিক ব্যক্তি বুলি কব পাৰি। তেখেত এজন কৃতী সাংবাদিক। সমাজ প্ৰেমৰ নিদৰ্শনে

শ্ৰীদাসক সমাজৰ প্ৰথম শ্ৰেণীৰ ভদ্ৰলোকৰ শাৰীত অধিষ্ঠিত কৰিছে।

শ্ৰীযোগেশ দাসদেৱ একেবাৰে বাস্তৱবাদী সাহিত্যিক, সমাজ সচেতনা দায়বদ্ধ লিখক। অসমৰ চাহ বাগিচা, গাওঁ, চহৰ আদিৰ বাস্তৱ অভিজ্ঞতাৰ সোৱাদ লৈ তেখেতৰ গল্প, উপন্যাসত বিভিন্ন ধৰণৰ চৰিত্ৰ লিপিবদ্ধ কৰিছে। দাসদেৱে সুজলা সুফলা অসমখনক বাৰুকৈয়ে ভাল পায়। এই বাবেই তেখেতে অসমত ঘটি থকা সমস্যাৰাজীৰ উপশম ঘটোৱাৰ বাবে সংবাদ সেৱাত মনোনিবেশ কৰিছিল। অসমৰ থলুৱা ভাষাবোৰৰ উৎকৰ্ষ সাধনৰ জৰিয়তে অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ উন্নতি হোৱাতো বিচাৰে অসমীয়া জাতি সত্তাক সমন্বয়ৰ যোগেৰে জীয়াই ৰাখিব বিচাৰে।

নিভাঁজ জাতীয় সাঁজ পৰিহিত নিৰৱসাধক এই ব্যক্তি গৰাকীয়ে ৰামধেনু যুগৰ পৰাই গল্পসৃষ্টিৰ যোগেৰে সচেতন পাঠক সমাজৰ লগত সু-পৰিচিত হৈ আহিছে। শ্ৰীদাস নিজেও এজন নিয়মীয়া পাঠক। তেখেতৰ চাল-চলন, কথা-বতৰা, উদাৰতা আৰু ৰমীয়াল গুণেৰে গুণমুগ্ধ জনগণক নিজৰ ওচৰ চপাই আনিব পাৰিছে, কাৰণ তেখেতক সকলোৱে মিত্ৰজ্ঞান কৰে আৰু তেখেতেও কাকো পৰজ্ঞান নকৰে বুলি দাসদেৱে ধাৰণা কৰে। মানুহৰ লগত কথা বতৰা পাতোঁতেও দাসদেৱে সকলো কথা সজাই পৰাই জুখিমাখি কয়। তেখেত নিৰহংকাৰী আৰু সদালাপী প্ৰকৃতিৰ লোক নিয়মানুবৰ্তিতা শৃঙ্খলা বোধ তেখেতৰ অন্যতম গুণ।

বিদ্যালয়ৰ শিক্ষনীয় পাঠসমূহ সুনিষ্ট ভাষাৰে কম কথাৰে ছাত্ৰ ছাত্ৰী সকলক ধীৰস্থিৰ ভাবে বুজাব পৰা কৌশলৰ বাবেই বি, বৰুৱা মহাবিদ্যালয়ত দাসদেৱৰ বিশেষ নাম আছে। অধ্যাপক হিচাপে দাসদেৱে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অতি সহজেই শ্ৰদ্ধা আৰু ভক্তিৰ পাত্ৰ হব পাৰিছে। সেই কাৰণে উল্লেখ কৰিব পাৰি - সাহিত্য সংবাদ জগতত চিন্তাশীল লিখক হিচাপে দাসদেৱৰ

যেনেকুৱা যশ - যশস্যা আছে, মহাবিদ্যালয়ৰ কৃতী অধ্যাপক হিচাপেও তেনেকুৱা সুনাম আছে। এই ক্ষেত্ৰত আত্মবিশ্বাসী দাসদেৱৰ কথা আৰু কামৰ পৰিপাটি বিশেষ লক্ষণীয় বিষয়।

শ্ৰীদাসদেৱৰ সুখ দুখৰ সমভাগী হোৱা, সকলো দিশতে প্ৰেৰণা যোগোৱা সহধৰ্মিনী শ্ৰীমতী কনকলতা দাস। পূৰ্বতে হয়তো 'কেতেকী' বুলি জনাজাত আছিল। উত্তম গৃহিনীৰ ভূমিকাৰে দাসদেৱক সকলো প্ৰকাৰে সহায় কৰি স্বামী ভক্তিৰ আদৰ্শ অক্ষুন্ন ৰাখিছে। শ্ৰীমতী দাসৰ সুযোগ্যাভগ্নি অধ্যাপিকা শ্ৰীমতী কল্পনা দাসেও দাস দেৱক বহু কামত সহায় কৰে। সুযোগ্য পুত্ৰ শ্ৰীমান সিদ্ধাৰ্থ দাস আৰু ডাঃ পাৰ্থ প্ৰতিম দাসবো সহায় সহযোগীতা পিতৃ ভক্তিৰ উজ্বল নিদৰ্শন। সকলো দিশৰ পৰা চালি জাৰি চাই দাসদেৱৰ পৰিয়ালটিক সুখীপৰিয়াল বুলি কলেও ভুল নহয় বুলি ভাবো। যি হওক সৰ্বজনপ্ৰিয় অধ্যাপক, সাহিত্যিক, সাংবাদিক যোগেশ দাস দেৱৰ বিশাল প্ৰতিভা চমু জীৱনীৰে ধৰি ৰখা টান। তেখেতৰ কম প্ৰতিভাই তেখেতক অমৰ। জীৱন লাভ কৰাত অৰিহণা যোগাওক।

গোপীকান্ত তালুকদাৰ

অসম সাহিত্য সভাৰ দ্বি-পঞ্চাশতম্ অধিবেশনৰ সভাপতি

অধ্যক্ষ বীৰেণ বৰকটকী

কোনো এজন মানুহে জন্মতে কবি, সাংবাদিক, উপন্যাসিক, খেলুৱৈ, ৰাজনীতিবিদ আদিৰ কোনো এবিধে হৈ নাহে। সমাজৰ ভিন্ন জনৰ ভিন্ন মনৰ মানুহৰ মাজত ডাঙৰ দীঘল হৈহে মোহনীয় ব্যক্তিত্বৰ, আদর্শ জীৱনৰ, সমাজত অনৱত লাভ কৰিব পৰা শক্তিৰ গৰাকী হ'ব পাৰে।

ল'ৰালি কালৰে পৰাই স্বদেশ প্ৰেমৰ চানেকি লাভি ধৰাত সফল হোৱা শিৱসাগৰ ছোৱালী কলেজৰ প্ৰাক্তন অধ্যক্ষ, কবি, সাংবাদিক, উপন্যাসিক, প্ৰাৱন্ধিক বীৰেণ বৰকটকীৰ কবিতাত—

এই নদী নিৰবধি
উদিত ভাস্বৰ আৰু অস্তমিত সূৰ্য্যৰ
আলোকেৰে উদ্ভাসিত হ'ই
ব'ই যায় দেশে দেশে
ক'ই যায় যুগে যুগে
উর্বৰা নদীৰ বাণ
ধৰণীক কৰিছে উর্বৰা।

ড° চন্দ্ৰ কটকীৰ ভাষাৰে—"আধুনিক কবি হৈও, অসমীয়া আধুনিক কবিতাৰ জটিল আংগিকৰ কছৰৎ কৰিবলৈ নিবিচৰা বাবেই তেওঁ বহুজনৰ সমাদৃত এজন আপোন কবি।"

মানুহৰ সমাজত থাকি, মানুহৰ মাজতে ডাঙৰ দীঘল হৈ অসমীয়া সাহিত্যৰ সেউজ ভূমিক অধিক উর্বৰা কৰা বৰকটকী

দেৱক অসমবাসীয়ে দিব পৰা শ্ৰেষ্ঠ সন্মান জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ সন্মানীয় সভাপতিৰ পদ অৰ্পন কৰিলে ১৯৮৬ চনত কামপুৰৰ ভূমিত অনুষ্ঠিত দ্বি পঞ্চাশতম অধিবেশনৰ বিশাল জন সমুদ্ৰৰ স্থলিত।

মুখৰিত কৰি গোৱা
মানুহৰ সমদল গান।

বুৰঞ্জী প্ৰসিদ্ধ শোণিতপুৰ জিলাৰ চতিয়াৰ ওচৰৰ বগলীবাৰীত ১৯২৪ চনৰ ২৩ মাৰ্চত পদ্মনাথ বৰকটকী আৰু চন্দ্ৰপ্ৰভা বৰকটকীৰ গৃহত জন্ম লাভ কৰা বীৰেণ বৰকটকীদেৱ এগৰাকী মনে প্ৰাণে স্বাধীন চিন্তাৰ আৰু দেশ প্ৰেমিক হিচাপে পৰিচিত ব্যক্তি। শ্ৰীকৃষ্ণ কুমাৰ মিশ্ৰদেৱৰ কথাৰে "...... ... মানুহ এবেজনেই। সেই বগা উজ্জ্বল ধুতি পঞ্জাবী পৰিহিত, তেজ-গোৰা, মুখমণ্ডলত অনবৰতে মিঠা হাঁহিটো, লাগি থকা মোহনীয় ব্যক্তিত্ব আৰু এটা আদৰ্শ জীৱনৰ আঁৰৰ মানুহজনৰ কথাকে লিখিব খুজিছো।"

তোতয়াৰ কংগ্ৰেছ চচিয়েলিষ্ট পাৰ্টিৰ সক্ৰিয় সংগঠক ১৯৪২ চনত সশ্ৰম কাৰাদণ্ডেৰে দণ্ডিত আৰু অসম আন্দোলনত দুবাৰকৈ কাৰাবৰণ খটা বৰকটকীদেৱে মেট্ৰিক পৰীক্ষাৰ খবৰ তেজপুৰ জেলতহে পাইছিল। অসম আন্দোলনতো এবাৰ নহয় দুবাৰকৈ কাৰাবৰণ খটা অসম সাহিত্য সভাৰ এই গৰাকী প্ৰাক্তন সভাপতি বাঁহী আৰু আৱাহনৰ দিনৰে পৰা এগৰাকী বিশিষ্ট কবি হিচাপে সু-পৰিচিত।

চতিয়া এম্, ভি, স্কুলত স্কুলীয়া শিক্ষা আৰম্ভ কৰে আৰু পাচত চতিয়া হাইস্কুলৰ পৰা ১৯৪২ চনত মেট্ৰিক পাচ কৰে। কাশী হিন্দু বিশ্ববিদ্যালয় আৰু কটন কলেজৰ পৰা কলেজীয়া শিক্ষা আহৰণ কৰে। ১৯৫২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

'দৈনিক অসমীয়া' কাকতৰ সহযোগী সম্পাদক হিচাপে চাকৰি জীৱন আৰম্ভ কৰা বৰকটকীদেৱে ১৯৫০ চনৰে পৰা শিক্ষকতাকে বৃত্তি হিচাপে লৈ শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষৰূপে ১৯৮৫ চনৰ এক মাৰ্চত চাকৰিৰ পৰা অৱসৰ লয়। এগৰাকী জাতীয়তাবাদী সাংবাদিক বৰকটকীদেৱে 'নতুন অসমীয়া' দৈনিক কাকতৰ সহকাৰী সম্পাদকৰ উপৰিও ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ সম্পাদনাত প্ৰকাশিত 'সাদিনীয়া অসমীয়া'ৰো সহকাৰী সম্পাদক আছিল। অসমৰ ছবছৰীয়া অস্তিত্ব ৰক্ষাৰ আন্দোলনত স্বাধীনতা যুঁজাৰুৰ স্বীকৃতিৰূপে পোৱা তাম্ৰপত্ৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ অংশীদাৰ ৰূপে আন আন ভালেমান যুক্তি যুঁজাৰুৰ সতে ঘূৰাই দিছিল চৰকাৰৰ হাতত।

ছাত্ৰাৱস্থাতে কবিতা লিখিবলৈ লোৱা বৰকটকীয়ে প্ৰথম কবিতা প্ৰকাশ হয় 'আৱাহন'ত নৱম মান শ্ৰেণীত পঢ়ি থাকোতে। তেখেতৰ উল্লেখযোগ্য গ্ৰন্থৰাজি হ'ল: 'মনন্তৰ, চিৰন্তন, (কবিতাপুথি)' সাহিত্যৰ পটভূমি। সাহিত্য সংস্কৃতিৰ দুটি এটি, পাশ্চাত্য সাহিত্যত এভুমুকি, ইংৰাজী ৰমন্যাসিক কবিৰ কাব্য প্ৰতিভা আলোচনামূলক গ্ৰন্থ, খোজতে মিলাও খোজ জীৱনী; শিশুমনৰ সাধু শিশু সাহিত্য; অনুবাদমূলক কুমাৰী পৃথিবী, প্ৰেম আৰু শংকাৰে; ভৰলীৰ পাৰে পাৰে উপন্যাস; সহযোগীৰ সতে লেখা গল্প সংকলন তুলিকাৰ প্ৰাণ, দৃষ্টি আৰু সম্পাদিত বেজবৰুৱাৰ সাহিত্য প্ৰতিভা, ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ।

সামাজিক কাম কাজত সৰুৰে পৰা অগ্ৰণী ভূমিকা লৈ অহাৰ পাচত ১৯৫৭ চনৰ পৰা অসমীয়াৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ পৰে।

অকল কবি, সমালোচক, সাংবাদিক, শিক্ষাবিদ হিচাপে কলেই নহব তেখেত এগৰাকী ভাল অভিনেতাও। 'ছত্ৰপতি শিৱাজী নাটকত

চতিয়া হাইস্কুলত পঢ়ি থাকোতে শিৱাজীৰ ভাও লৈছিল। পিচত চতিয়াৰ নীলিমা হ'ল'ত ভালেসংখ্যক নাটকত অংশ গ্ৰহণ কৰি প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছিল।

দেশপ্ৰেমেই বৰকটকী দেৱক অসম সাহিত্য সভাৰ লগতো গভীৰ ভাৱে যুক্ত কৰি আহিছে। ১৯৮৬ চনত কামপুৰত অনুষ্ঠিত দ্বি-পঞ্চাশতম্ অধিবেশনৰ সভাপতিৰ আসনৰ পৰাই তৰুণ শক্তিলৈ আহ্বান জনাই কৈছিল—লুইতৰ আৰু বাৰাকৰ ব্ৰহ্মোপাৰৰ বাইজৰ সম্প্ৰীতি সাধনাত ব্ৰতী হৈ পৰ্বত ভৈয়ামৰ চিৰকলীয়া প্ৰেম প্ৰীতিৰে সাতভনীৰ হাতত ধৰা ধৰিকৈ ভাষা-সাহিত্য, সংস্কৃতি আৰু আৰ্থ সামাজিক বিকাশৰ বাস্তৱ আঁচনিৰে এখন সুন্দৰ ভাৰতৰ বুকুত এখন নতুন সাজেৰে সুন্দৰ অসম গঢ়ক" আকৌ তেখেতে অসম ভূমিৰ বিচিত্ৰ সংস্কৃতিৰ সম্পৰ্কত লেখক লেখিকাক কৈছিল—"অসম বিচিত্ৰ সংস্কৃতিৰ অধিকাৰী ৰাজ্য। গতিকে আমাৰ লেখকসকলে জনজীৱনৰ কাষ চাপি বিচিত্ৰ সংস্কৃতিৰ অধিকাৰী, জনসাধাৰণৰ জীৱনৰ ওপৰত আলোকপাত কৰা কৈ সাহিত্য সৃষ্টি কৰিব লাগে।"

অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকৰো একাধিকবাৰ সদস্য নিৰ্বাচিত হোৱা বৰকটকীদেৱ শিৱসাগৰ জিলাসাহিত্য পৰিষদৰো তৃতীয় গৰাকী সভাপতি। উল্লেখ ·যোগ্য যে য'ত ১৯১৭ চনত অসম সাহিত্য সভাৰ প্ৰথম খনি অধিবেশন অনুষ্ঠিত হৈছিল সেই ঠাইৰ শাখা সভাৰ নিজা বুলিবলৈ ঘৰ এটিয়েই নাছিল। তেখেতৰ আশা সুধীয়া চেষ্টাতে বৰ্তমান শাখা সভাখনৰ নিজ ঘৰ এটি গঢ়ি উঠিছে।

পৰাধীন ভাৰতত জন্ম লাভ কৰিলেও তেখেতৰ মন সদায় স্বাধীন চিন্তাৰে উদ্বুদ্ধ। সদায় নিজৰ আদৰ্শত অজৰ অচৰ এই গৰাকী সভাপতিয়ে অলপ সময়ো অনাহকত অপব্যয় নকৰি সচেতন নাগৰিকৰ পৰিচয় দিব পাৰিছে। সহজ সৰল ভাৱে জীৱন যাপন

ৰবা কিন্তু উচ্চ চিন্তাত ব্ৰতী হোৱা বাবেই দেশৰ আৰু দহৰ মংগলৰ নিমিত্তে অবিৰাম ভাৱে কাম কৰি অহাত সফলতা লাভ কৰিছে। বিভিন্ন সামাজিক কামত ব্যস্ত থকাৰ উপৰিও নিজ ঘৰৰ বাৰীৰ শাক পাচলি কৰাতো ব্যস্ত হৈ পৰা কথা বিশেষ উল্লেখনীয় নিশ্চয হ'ব পাৰে। জামুগুৰি হাইস্কুলত কাম কৰোঁতে তেখেতে হেনো কুঁহিয়াৰ খেতি, আলু খেতি আৰু কপাহ খেতিও কৰাইছিল। খেতি কৰিব জনা ব্যক্তিয়ে সুন্দৰকৈ বান্ধিবও জানে আৰু বান্ধিব জানিলে লিখিবও জনা তেনেই স্বাভাবিক। সুন্দৰকৈ, চকুত পৰাকৈ অভিভাষণ খনিত সেয়ে লিখিছিল—"…. প্লাইউডৰ পৰা অসমৰ বাহিৰলৈ যায় বছৰি ছশ কোটি টকা। অসমৰ বাহিৰৰ পুঁজিপতিয়ে বছৰি তিনিহেজাৰ কোটি টকা লুটি নিয়ে। কেন্দ্ৰীয় চৰকাৰেও বছৰি অসমৰ পৰা বিভিন্ন শিতানত ৰাজহ নিয়ে তিনি হেজাৰ কোটি টকা। অথচ অসমৰ গাৱে ভূঞে থকা সৰহ-ভাগ প্ৰাথমিক বিদ্যালয়ৰ বেৰ - ছাল নাই, টকাৰ অভাৱত সাহিত্য সভাই বিশ্বকোষ উলিয়াব নোৱাৰে, সাহিত্যৰথী বেজবৰুৱাৰ জন্মস্থান আঁহতগুৰিত অসমৰ জনজাতীয় কলা কৃষ্টি অনুশীলন গবেষণা কেন্দ্ৰও আগবঢ়া নাই, চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ চৌহদত পণ্ডিত প্ৰৱৰ স্বৰ্গীয় কৃষ্ণকান্ত সন্দিকৈদেৱৰ দানেৰে সাজিবলৈ লোৱা গবেষণা কেন্দ্ৰটিও আধা সজা হৈ থাকে।"

একেধাৰে প্ৰসিদ্ধ কবি, সু-সাহিত্যিক, সাংবাদিক, বিশিষ্ট শিক্ষাবিদ, মহান দেশপ্ৰেমীক, সমাজকৰ্মী, সুনিপুণ সংগঠক শ্ৰীবীৰেণ বৰকটকীদেৱৰ ক্ষেত্ৰতো কবিৰ ভাষাৰে কব পাৰি—"তোমাৰ জীৱনী দেৱ লিখে এনে সাধ্যকাৰ গোটেই অসম জুৰি বিস্তৃত জীৱনী যাৰ।"

—মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ ত্ৰিপঞ্চাশতম্ অধিবেশনৰ সভাপতি

ডঃ মহেন্দ্ৰ বৰা

প্ৰথিতযশা সাহিত্যিক, সাংবাদিক, শিক্ষাবিদ, গৱেষক, চিন্তাবিদ অসম মাতৃৰ সুযোগ্য সন্তান ডঃ মহেন্দ্ৰ বৰা অসম সাহিত্য সভাৰ ১৯৮৭ ইং চনত বহা ত্ৰিপঞ্চাশতম্ পাঠশালা অধিবেশনৰ সভাপতি পদত অধিষ্ঠিত হয়। জাতীয় চেতনাবে উদ্বুদ্ধ সৎসাহসী আৰু সাম্যবাদী মনৰ প্ৰতীভূ অসমীয়া ভাষা সংস্কৃতিৰ একনিষ্ঠ সেৱক এইগৰাকী ব্যক্তিৰ প্ৰতিটো কৰ্মজীৱনৰ পদক্ষেপত বুদ্ধিদীপ্ত আৰু দেশপ্ৰেমৰ পৰিচয় পোৱা যায়। আজন শিক্ষাব্ৰতী এই গৰাকী মহান ব্যক্তিৰ সাহিত্য কৰ্মৰ মাজেৰে আমি অসমীয়া জাতিয়ে যিখিনি উন্নতি কৰিবলৈ সক্ষম হৈছো তাৰ গুঢ়াৰ্থ বিচাৰ কৰিবলৈ মোৰ এই সামান্য প্ৰবন্ধটোৰ জৰিয়তে সম্ভৱ নহয়, তথাপি এইজনা মনিষীৰ মহান আদৰ্শৰাজি আৰু ব্যক্তিত্বৰ প্ৰতিভাৰ বিষয়ে সম্যক ধাৰনা এটি দিবলৈ এই প্ৰবন্ধটোৰ মাজেৰে চেষ্টা চলোৱা হৈছে।

তীক্ষ্ণ অনুসন্ধিৎসু, মেধাবী আৰু সৃষ্টিশীল মনৰ গৰাকী ডঃ মহেন্দ্ৰ বৰা ডিব্ৰুগড় জিলাৰ টিংখঙত ১৯২৯ চনৰ আগষ্ট মাহৰ ২২ তাৰিখে জন্ম লাভ কৰে। দেউতাক ৺ইন্দ্ৰেশ্বৰ বৰা আৰু মাক লীলাৱতী। বৰাই প্ৰথমতে প্ৰাথমিক শিক্ষা চৈখোৱা প্ৰাথমিক বিদ্যালয়ত আৰম্ভ কৰে। মাজতে মাকুমত আৰু শেষত লাহোৱাল প্ৰাথমিক বিদ্যালয়ৰ পৰা তিনি টকীয়া বৃত্তি লৈ প্ৰাথমিক শিক্ষা শেষ কৰে।

ডিব্ৰুগড়ৰ 'জজ' ইনষ্টিটিউতত মহেন্দ্ৰ বৰাৰ হাইস্কুলীয়া

জীৱন আৰম্ভ হয়। পিছত শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত হাইস্কুলীয়া শেষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ 'আউনিআতি সোনৰ পদক' লাভ কৰে। ১৯৪৭ চনত বৰাই কটন মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰে। ১৯৪৯ চনত বৰাই প্ৰথম বিভাগত তৃতীয়স্থান অধিকাৰ কৰি আই, এ পৰীক্ষাত উত্তীৰ্ণ হয় আৰু 'তুথুৰাম পুৰস্কাৰ' লাভ কৰে। কটন মহাবিদ্যালয়ৰ পৰাই ১৯৫১ চনত দৰ্শন আৰু অৰ্থনীতি সহ ইংৰাজীত দ্বিতীয় শ্ৰেণীৰ অনাৰ্চ পাই বিঃ এ পৰীক্ষাত উৰ্ত্তীৰ্ণ হয়। তেওঁ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰন সম্পাদকো আছিল। ১৯৫১ চনত কলিকতা বিশ্ববিদ্যালয়ত ইংৰাজী বিষয়ত অধ্যয়নৰ বাবে ভৰ্ত্তি হয় আৰু সুখ্যাতিৰে এম, এ পাছ কৰে ইংৰাজী ভাষাত ড. বৰাক ১৯৭১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে তেওঁ লিখা "FUNDAMENTALS OF ASSAMESE METRE WITH SPECIAL REFERENCE TO ITS HISTORY FROM THE BEGINING TILL THE MID—20TH CENTURY" নামৰ পাণ্ডিত্যপূৰ্ণ গবেষনা গ্ৰন্থৰ বাবে।

পঢ়াশেষ কৰি ডঃ বৰাই ১৯৫৪ চনত ডিব্ৰুগড ডি, এইচ, কে মহাবিদ্যালয়ত ইংৰাজী বিষয়ৰ অধ্যাপক হিচাবে যোগদান কৰে। ১৯৫৫ চনত কটন মহাবিদ্যালয়ত অধ্যাপক হিচাবে নিযুক্তি পায়। কটন মহাবিদ্যালয়ৰ অধ্যাপক হৈ থকা কালতে ১৯৬০ চনত ভাষা আন্দোলন হয়। তেতিয়াই ৰঞ্জিত বৰপূজাৰী পুলিচৰ গুলিত নিহত হৈ শ্বহীদ হয়। অধ্যাপক বৰা তেতিয়া অধীক্ষক আছিল। এই হত্যাৰ প্ৰতিবাদত বৰাই আসাম ট্ৰিবিউনত সম্পাদকলৈ চিঠি লিখি চৰকাৰৰ ভাষানীতি আৰু মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই লোৱা ব্যৱস্থাৰ মুকলিভাবে আলোচনা কৰিছিল। পুলিচৰ গুলি চালনাত মৃত্যু বৰন কৰা ৰঞ্জিত বৰপূজাৰীৰ বিচাৰৰ বাবে তেওঁ

চৰকাৰৰ ওচৰত দাবী তুলিছিল। এই সংক্ৰান্তত চৰকাৰৰ লগত বাকবিতণ্ডা হৈ তেখেতে কটন মহাবিদ্যালয়ৰ পৰা পদত্যাগ কৰে। ইয়াৰ পিছত ডঃ বৰাই কিছুদিন নিবন্ধুৱা, কিছুদিন সম্পাদক আৰু অবশেষত মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাবে পুনৰ শিক্ষাজগতত প্ৰবেশ কৰে। তেখেতে 'মনদীপ' নামৰ মাহেকীয়া আলোচনীখন সম্পাদনা কৰে। ১৯৬১ চনৰ জানুৱাৰী মাহত তেখেতে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষপদত যোগদান কৰে পুনৰ ১৯৭৩ চনৰ জুন মাহত বিলাসিপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ হয়। মাত্ৰ চাৰি মাহ থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ 'ৰীডাৰ' পদ লাভ কৰাত তেওঁ অধ্যক্ষ পদ এৰি দিয়ে। এই বিশ্ববিদ্যালয়ত তেওঁ প্ৰথমতে ৰীডাৰ আৰু পিছত মুৰব্বী অধ্যাপক হিচাবে তেওঁ কাৰ্য্যনিৰ্ব্বাহ কৰে। ইয়াৰ পিছত অসমীয়া বিভাগৰ লক্ষীনাথ বেজবৰুৱা অধ্যাপকৰ আসন অলংকৃত কৰে। ১৯৮২ চনৰ পৰাই তেওঁ বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ দ্বাৰা জাতীয় অধ্যাপক নিযুক্ত হয়। ডঃ সুনিতী কুমাৰ চট্টোপধ্যায়ৰ পিছত এই আসন অলংকৃত কৰা তেওঁ একমাত্ৰ ব্যক্তি।

ডঃ বৰাৰ জীৱনৰ কৰ্মৰাজিৰ বিষয় অধ্যয়নৰ পৰা আমি তেখেতক এজন সুদক্ষ শিক্ষাবিদ, সৎসাহসী, নিৰ্ভীক, গভীৰ চিন্তাশীল, ধৰ্মপৰায়ন ব্যক্তি হিচাবে প্ৰতিষ্ঠা কৰিব পাৰো। নিজৰ জীৱনৰ লগতে সমাজ জীৱনৰ সোঁতৰ পিনেও লক্ষ্য কৰি যিটো সত্য আৰু উচিত কথা তাৰ বাবে সাহসেৰে থিয় দিব পাৰিছিল যদিও তেখেতে কোনো ৰাজনৈতিক দলৰ ব্যক্তি হিচাবে প্ৰতিষ্ঠিত হোৱা নাছিল। সমাজ খনত যেতিয়া বিশৃঙ্খলে দেখা দিছিল সেই সময়ত বৰাই সমাজৰ লগত একেমুখে কথা কৈ সমাজখন সংস্কাৰ কৰাৰ বাবে চেষ্টা চলাইছিল। এই ক্ষেত্ৰত ১৯৬০ চনৰ ঘটনা আৰু ১৯৭৯ চনত অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত তেখেতে লোৱা

ভূমিকাৰ কথা উল্লেখ কৰিব পাৰি। অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত গঠিত হোৱা অসম গণপৰিষদৰ নেতা হিচাবে ১৯৮০ চনত ডঃ বৰাই ভাৰতৰ বিভিন্ন স্থানত প্ৰচাৰ কাৰ্য্য চলায় আৰু সৰ্বাতিদলৰ নেতা হিচাবে কেন্দ্ৰৰ নেতা, পালিনেতা, সংবাদপত্ৰৰ লোকক লগ ধৰি অসমৰ পৰিস্থিতিৰ সম্ভেদ দাঙি ধৰে। অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত ডঃ বৰাই লিখা "BETWEEN THE TWO LUNINGS IN ASSAM" নামৰ প্ৰবন্ধটোৰ কথা উল্লেখযোগ্য।

ডঃ বৰাই অসমীয়া ভাষা সংস্কৃতিলৈ যিখিনি অবদান দি থৈ গৈছে সেইবোৰৰ পৰা তেখেতক আমি এজন কবি, গল্পকাৰ, প্ৰবন্ধকাৰ, শিশু সাহিত্য ৰচক, গ্ৰন্থ সংকলক, সম্পাদক আৰু এজন নিৰপেক্ষ বিচাৰধৰ্মী সাহিত্য সমালোচক হিচাবে প্ৰতিষ্ঠিত কৰিব পাৰো। তেখেতৰ লিখনি সমূহ সিচৰিত হৈ আছে বিভিন্ন কবিতা পুথি, গল্প সংকলন, প্ৰবন্ধ আৰু সমালোচনা মূলক পুথি, অনুবাদ সাহিত্য, শিশু সাহিত্য, সম্পাদিত সাহিত্য পাঠ্য পুথি সংকলন, ধৰ্মীয় সাহিত্য, ইংৰাজী সাহিত্য, গবেষনা গ্ৰন্থ, ইত্যাদিত। তেওঁ অসমীয়া সাহিত্যৰ ৰৰঘৰলৈ কঢ়িয়াই আনিছে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা মুকুটা মনি সদৃশ অলেখ সাহিত্য সম্ভাৰ। জাপান, চুইজাৰলেণ্ড কচীয়া, ইংলেণ্ড আমেৰিকা তথা আফ্ৰিকাৰ জনজীৱনৰ আশা আকাঙ্খাৰ আধাৰত প্ৰতিষ্ঠিত পণ্ডিতৰ চিন্তা চৰ্চ্চা নিজস্বভাৱ ধাৰাৰে গ্ৰন্থিত কৰি অসমীয়া সাহিত্যলৈ আগবঢ়াইছে সাহিত্যৰ শৰাই। তেওঁৰ প্ৰবন্ধাৱলীক সাধাৰণ ভাবে তিনিটা ভাগত ভগাব পাৰি।

অসম আৰু অসমীয়াৰ ওপৰত লিখা লিখনি, ভাৰতৰ প্ৰান্তীয় দিশত লিখনি, বিশ্বৰ বিভিন্ন প্ৰান্তৰ বিষয়ে লিখনি। পৃথিৱীৰ বিভিন্ন দিশৰ বিভিন্ন ভাষাৰ একৈছটি চুটি গল্পৰ অসমীয়া অনুবাদ "দেশে দেশে গল্প" এখন শ্ৰেষ্ঠ গল্প সংকলন। তেওঁৰ বিখ্যাত

অনুবাদ গ্ৰন্থ জনাথন চুইফ্‌ট্‌চৰ গালিভাৰ ট্ৰেভেলচ্‌ৰ অসমীয়া অনুবাদ "গালিভাৰ"। কেৰভিন্‌ টেজৰ মূল ডনকুইকছোটৰ অসমীয়া ৰূপান্তৰ আৰু হিউগোৰ 'টেইলর্চ অফ দি চীৰ" অসমীয়া অনুবাদ "নীলা সাগৰৰ সাধু" ডঃ বৰাই প্ৰথমতে ইংৰাজী আৰু পিছত অসমীয়াৰ অধ্যাপক হিচাবে পৰিচিত হয়। এই ক্ষেত্ৰত তেখেতৰ প্ৰাচ্য আৰু প্ৰাশ্চ্যাত্যৰ ভাষা সংস্কৃতিৰে পৰিপুষ্ট মনটোৰ পৰিচয় পোৱা যায়। তেখেতক ছাত্ৰ অবস্থাৰ পৰাই সাহিত্য সাধনাত ব্ৰতী হোৱা দেখা যায়। সপ্তম মান শ্ৰেণীত থাকোতে বঙলা উপন্যাসৰ আৰ্হিত প্ৰেমৰ কাহিনী এটি লৈ ৰচনা কৰা এখন উপন্যাস নাম দিয়ে 'মুবুজে যেতিয়া" পঞ্চত্ৰিশটা অধ্যায়ত উপন্যাসখন শেষ কৰে। তেখেতে হাইস্কুলীয়া জীৱন আৰম্ভ কৰিয়েই "প্ৰদীপ" নামৰ হাতেলিখা আলোচনী এখন উলিয়ায়। শিৱসাগৰ হাইস্কুলত পঢ়া সময়ত তেখেতে সাহিত্য চৰ্চা কৰে। সেই সময়ত শিৱসাগৰত সাহিত্যৰ বাতাবৰন এটি গঢ়ি উঠে। 'জ্ঞানদীপ' নামৰ সভা এখন আছিল। এই সভাখনে তেওঁৰ সাহিত্যিক মনটোক অধিক পোহৰলৈ আনে। তেখেতে স্কুলীয়া জীৱনৰ পৰা কবিতা লিখিবলৈ লয়। বৰাৰ প্ৰথম কবিতা লঃ সাঃ গু। হেমবৰুৱাই এই কবিতাটো পঢ়ি মত প্ৰকাশ কৰিছিল যে ই অসমীয়া কাব্য সাহিত্যৰ উচ্চ পৰ্য্যায়ৰ প্ৰতীক আৰু স্পন্দনশীল চন্দ বৈচিত্ৰৰ কবিতা। লঃ সাঃ গু কবিতাৰ পৰা বৰাই লানিনিছিগা ধাৰেৰে অসমীয়া কাব্য সাহিত্যৰ বেদীলৈ অঞ্জলি যাচি আহিছে। তেওঁৰ প্ৰথম কাব্য সংকলন জাতিস্মৰ। তেওঁ এজন আশাবাদী কবি। তেওঁৰ প্ৰেমৰ কবিতা "বিদায় আগজাননী" "মধুমালতীৰ চিঠি" "চকুপানী" 'ৰযাতি চলিহাৰ" আদি বিশেষভাবে উল্লেখযোগ্য। ডঃ বৰা এগৰাকী নিৰপেক্ষ বিচাৰধৰ্মী সমালোচক। "অসমীয়া কবিতাৰ চন্দ," "ৰমন্যাসবাদ," "সাহিত্য উপক্ৰমনিকা," "সমাজবাদৰ কথা" তেখেতৰ

উৎকৃষ্ট সমালোচনামূলক গ্ৰন্থ। অসমীয়া কবিতাৰ চন্দত তেখেতে অসমীয়া কবিতাৰ সবিশেষ আলোচনা কৰি যোৱখনি মাৰিছে—

"In the long course of history, we have had the fortune of hearing the manifold metrical music in assamese poetry, with its pipes triling, bells chiming and drams rumbling either in solo or in rich orchestration" ডঃ বৰা এজন ধৰ্মীয় অনুভূতি সম্পন্ন ব্যক্তি। তেখেতে ৰচনা কৰা ধৰ্মীয় গ্ৰন্থ "গীতা" খন শ্ৰীমদ্ভাগবদ গীতাৰ অসমীয়া ভাঙনি। ধৰ্মীয় চেতনাৰে সমৃদ্ধ হৈ হে তেখেতে হিন্দু ধৰ্মৰ এই মহৎগ্ৰন্থখনৰ অনুবাদ কৰিব পাৰিছিল। এই ক্ষেত্ৰত তেখেতৰ ধৰ্মৰ প্ৰতি যে গভীৰ শ্ৰদ্ধা আৰু বিশ্বাস আছিল এই কথা প্ৰকাশ পায়।

ইয়াৰ উপৰি ডঃ বৰাই সাপ্তাহিক 'নবযুগত' এলানি ধাৰাবাহিক ভাৱে প্ৰবন্ধ লিখে "সমাজবাদী চিন্তাধাৰা" নামেৰে। ডঃ বৰা এজন ৰাজনীতি কৰা ব্যক্তি নহয় যদিও তেখেতে সমাজ জীৱনৰ পৰা বিচ্ছিন্ন ব্যক্তিও নহয়। সেয়েহে তেওঁ আনন্দ অনুভৱ কৰে যেতিয়া সমাজখন ঠিকমতে পৰিচালিত হৈ জনসাধাৰণৰ মঙ্গল সাধন হয় আৰু হৃদয়ত গভীৰ দুখ বেদনা অনুভৱ কৰে যেতিয়া বিপ্লৱী সকলে ঠগ প্ৰবঞ্চনাৰ জুৱা খেলি সমাজখনত বৰ মানুহ হৈ সন্মান লাভ কৰে।

ডঃ বৰা এজন ভাল গবেষকো। ডঃ বৰাৰ তত্ত্বাবধানত গৱেষণা কৰি পি এইচ ডি ডিগ্ৰী লাভ কৰা ব্যক্তি কেই গৰাকী হ'ল—

ডঃ লীলা গগৈ, ডঃ নগেন শইকীয়া, ডঃ প্ৰহলাদ কুমাৰ বৰুৱা, ডঃ নীহাৰঞ্জন মজুমদাৰ আৰু ডঃ মনীন্দ্ৰ চন্দ্ৰ নাথ।

ডঃ বৰাই অকল অসমীয়া সাহিত্যৰ পুথিয়ে ৰচনা কৰা

নাই। তেখেতে ইংৰাজীত কেবাখনো মূল্যবান গ্ৰন্থ ৰচনা কৰিছে। প্ৰত্যেকখন গ্ৰন্থই স্বকীয়া স্বকীয়া বিষয়ৰ দৃষ্টিপাত কৰি লিখা গ্ৰন্থ।

তেখেতে লিখা গ্ৰন্থৰ খতিয়ান এটি তলত দাঙি ধৰা হল।

কবিতা পুথি—জাতিস্মৰ, এই নদীয়েদি, ৰূপৰ টিলিঙাৰ মাত, আলি দোমোজাৰ ক্ৰচৰ পৰা, নীলা ধতুৰাৰ ফুল,।

অনুবাদ সাহিত্য—শিশু ৰচনা—গালিভাৰ, ডনকুইক্‌ছোটৰ অসমীয়া ৰূপান্তৰ, নীলা সাগৰৰ সাধু, ভূত, ৰজা, হেমিলটন, জে আমু মেডিচনৰ সাংবিধানিক বক্তৃতা অসমীয়া ভাঙনি, দেশে দেশে গল্প।

সম্পাদিত সাহিত্য—নতুন কবিতা, আনন্দ চন্দ্ৰ আগৰৱালাৰ ৰচনাৱলী' হুৰ্গেশ্বৰ শৰ্মাৰ ৰচনাৱলী।

পাঠ্যপুথি সংকলন—সাহিত্য কাকলি, সাহিত্য জেউতি, কথা জেউতি, কবিতা চয়ন, কথা চয়ন, কবিতা কৰনি, কথা চানেকি, ৰাজনীতি বিজ্ঞানৰ ভূমিকা।

ইংৰাজী সাহিত্য সম্ভাৰ—1857 In assam, fundamentals of assemese metre, the evolution of assamese script, weissalisa

ডঃ বৰাই অসম সাহিত্য সভাৰ লগত ঘনিষ্ঠ ভাবে জড়িত হৈ থকা এজন ব্যক্তি পূৰ্ব্বৰে পৰা। 'মনদীপ'ৰ সু-সম্পাদনাৰে অসমীয়া সংবাদ সাহিত্যত স্বকীয় আসন লাভ কৰিবলৈ তেখেতে সক্ষম হৈছিল। ইয়াৰ পিছত তেখেতে অসম সাহিত্য সভা পত্ৰিকা সম্পাদনা কৰে। তেওঁৰ জৰিয়তে সম্পাদিত পত্ৰিকা খনে বুদ্ধিজীবি সমাজৰ পৰা যথেষ্ঠ সমাদৰ লাভ কৰে।

ডঃ বৰাৰ সাহিত্য কৰ্মই তেখেতক এজন চিন্তাশীল আৰু আদৰ্শবাদী পুৰুষ হিচাবে চিহ্নিত কৰিছে। স্বনামধন্য এই ব্যক্তি গৰাকীৰ সাহিত্য প্ৰতিভাৰ উমান পাইয়ে অসম সাহিত্য সভাই সভাপতি পদত অধিষ্ঠিত কৰাই তেখেতৰ সাহিত্য প্ৰতিভাৰ স্বীকৃতি দি সন্মান আগবঢ়াইছে এই জনা মহান ব্যক্তিৰ জীৱনী সচাকৈয়ে আমাৰ বাবে অতি আদৰণীয়।

প্ৰদীপ কুমাৰ শৰ্ম্মা

অসম সাহিত্য সভাৰ চতুঃপঞ্চাশত্তম্ অধিবেশনৰ সভাপতি

শংকৰদেৱ বঁটা বিজয়ী কীৰ্ত্তিনাথ হাজৰিকা

"তোমাক লগ পোৱাৰ
পাছুৰে পৰা
জনজাগৰণৰ কোনো কিতাপ
মই পঢ়া নাই
তোমাক লগ পোৱাৰ পাছৰে পৰা
গণ বিপ্লৱৰ সংজ্ঞা বিচাৰি
মই পুণৰ গান্ধী আৰু লেনিনৰ
ওচৰলৈ যোৱা নাই .... .. ।"

(বিৰিঞ্চি ভট্টাচাৰ্য)

সাংবাদিকতাৰ ক্ষেত্ৰত সৰ্বভাৰতীয় স্বীকৃতি পোৱা, জন-মানসৰ সমাদৃত এটি নাম কীৰ্তিনাথ হাজৰিকা। এখেত অকল সাংবাদিক হিচাপেই পৰিচিত নহয়, এজন ৰম্যৰচক, অনুবাদক, ব্যংগাত্মক গল্পকাৰ, শিশু সাহিত্যিক ৰূপেও জনাজাত।

১৯২২ চনৰ ২২ জুলাইত গোলাঘাট চহৰৰ আমোলাপট্টিত জন্ম গ্ৰহণ কৰা কীৰ্তিনাথ হাজৰিকাই হ'ল-অসম সাহিত্য সভাৰ ১৯৮৮ চনত অনুষ্ঠিত ৫৪ তম্ হাইলাকান্দি অধিবেশনৰ বাবে নিৰ্বাচিত জাতীয় অনুষ্ঠানটিৰ সন্মানীয় সভাপতি। অসম আন্দোলনত নীৰৱে গুৰুত্বপূৰ্ণ ভূমিকা লোৱা শ্ৰীহাজৰিকাই লাভ কৰে ১৯৮৬

চনত অসম চৰকাৰে প্ৰবৰ্ত্তন কৰা শংকৰদেৱ বঁটা, বছৰৰ শ্ৰেষ্ঠ ব্যক্তি বিচাপে ১৯৮৬ চনত কমলনাৰায়ন চৌধুৰী বঁটা, ইণ্ডিয়ান এক্সপ্ৰেচ গোষ্ঠীয়ে নিৰ্ভীক নিৰপেক্ষ সংবাদ সেৱাৰ বাবে আগবঢ়োৱা সন্মান জনক বি ডি গোৱেংকা বঁটা, ১৯৮৭ চনত দিল্লীৰ দুৰ্গাদাস ৰত্তন দেৱী ন্যাসে আগবঢ়োৱা সৰ্বভাৰতীয় ভিত্তিক দুৰ্গা ৰতন বঁটা, আৰু ৰাম নাথ গোৱেংকা বঁটা।

১৯৪২ চনত গুৱাহাটীৰ কটন কলেজৰ পৰা আই, এচ, চি আৰু ১৯৪৫ চনত চিলেটৰ মুৰাৰীচাঁদ কলেজৰ পৰা বি, এচ, চি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা হাজৰিকাদেৱে গোলাঘাট চৰকাৰী বেজবৰুৱা হাইস্কুলৰ পৰা প্ৰবেশিকা পাচ কৰে। বেজবৰুৱা হাইস্কুলৰ নৱমমান শ্ৰেণীৰ ছাত্ৰ শ্ৰীহাজৰিকাই সহপাঠী শ্ৰীতুলসী বৰগোঁহাইৰ লগত যুটীয়া সম্পাদক ৰূপে সম্পাদনা কৰি উলিয়ায় এখন আটকধুনীয়া হাতেলিখা আলোচনী। প্ৰথমে 'দৈনিক অসমীয়া'ৰ উপ সম্পাদক, পিছত 'নতুন অসমীয়া'ৰ সহকাৰী সম্পাদক আৰু 'দৈনিক অসম'ৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে ২১ বছৰ কাল কাৰ্য্যনিৰ্বাহ কৰা শ্ৰীহাজৰিকাদেৱে সংবাদ সেৱাতে গুৰেজীৱন লাগি অসমবাসীৰ স্বাৰ্থৰ হকে কলমেৰে অবিৰাম যুঁজ কৰি আহিছে। ১৯৪৬ চনৰ পৰা সংবাদ জগতৰ লগত জড়িত হোৱাৰে পৰা। ১৯৮৬ চনৰ একত্ৰিশ ডিচেম্বৰত ২১ বছৰ পূৰ্ণ কৰি দৈনিক অসম ৰ্‌যাকতথনৰ পৰা অৱসৰ গ্ৰহণ কৰে।

১৯৬১ চনত লোকসেৱা আয়োগৰ সহকাৰী সম্পাদক পদত নিযুক্ত হোৱা শ্ৰীহাজৰিকাদেৱে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত বাতৰি বিভাগত কাম কৰি পিচলৈ তেখেতে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ সেৱাৰ ক্ষেত্ৰত যোগ্যতাৰে উত্তীৰ্ণ হৈ দিল্লীত ১ম শ্ৰেণীৰ বাৰ্ত্তা সম্পাদক ৰূপে মকৰল হয়। পাচলৈ ১৯৬৪ চনত গুৱাহাটীৰ বাতৰি বিভাগত ১ম শ্ৰেণীৰ বিষয়া হৈও ২য় শ্ৰেণীৰ দৰমহা আৰু সুবিধা পোৱাত

পদত্যাগ কৰে আৰু এই সময়ৰে পৰা তেখেতক সম্পাদক হিচাপে লৈ দূৰদর্শী সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাই আৰম্ভ কৰিলে,দৈনিক অসম' কাকত।

হাজৰিকাদেৱ এগৰাকী সু-অভিনেতাও। তেখেতে 'কাৰেঙ-ৰলিগিৰী' নাটত তাহানিতে শেৱালিৰ ভাও লৈ বিশেষ ভাবে অভিনয়ৰ নিপুনতা দেখুৱাব পাৰিছিল। গোলাঘাট আৰু গুৱাহাটীৰ নাট্য মঞ্চত বিভিন্ন নাটকত অংশ গ্ৰহণ কৰে। অভিনয় প্ৰেমী হাজৰিকাই নাৰী চৰিত্ৰ ৰূপায়িত কৰিছিল, কাৰণ সেই সময়ত স্ত্ৰী চৰিত্ৰৰ অভিনয়ত নাৰীক অভিনয় কৰিব দিয়া হোৱা নাছিল।

বৰ্তমানলৈকে হাজৰিকাদেৱৰ যি কেইখন গ্ৰন্থ প্ৰকাশ হৈছে সেই কেইখন গ্ৰন্থই অসমীয়া ভাষা সাহিত্যৰ প্ৰতি থকা তেখেতৰ নৈতিক দায়িত্ব আৰু কৰ্তব্য পালনৰ আভাস দাঙি ধৰিছে। কীৰ্তিনাথৰ কীৰ্তিৰ স্থিতি শিশু সাহিত্যৰ পুথি কেইখনত আন পুথি কেইখনতকৈ সবাতোকৈ বেছি বুলি সমালোচক সকলে কব বিচাৰে। সমালোচক সকলৰ দৃষ্টিত তেখেত এগৰাকী নিঃসন্দেহে শিশু সাহিত্যিক। কৃতী লেখক। অসমীয়া সাহিত্য জগতলৈ আগবঢ়োৱা উল্লেখযোগ্য বৰঙণিৰ ভিতৰত নাৰদৰ ডায়েৰী, ছুচৰি এ হাওঁ, ফুটুকাৰফেন, অলোগুটি তলোগুটি, দাপোনৰ দেশত এলিছ, আকৰ্ষণ, বিকৰ্ষণ ৰামধেনু, এহেজাৰ এনিশাৰ সাধু, মতিলাল ঘোষ, নৈখনে কথা কোৱাৰ দিনা, গৌতম বুদ্ধ। অসমীয়া সাংবাদিকতা' অসম আৰু নেতৃত্ব' ইত্যাদি। অনুবাদ সাহিত্যৰ ভিতৰত 'এৰেবিয়ান নাইটচ'ৰ অসমীয়া অনুবাদ 'এহেজাৰ এনিশাৰ সাধু', য়ান্দা য়াচি-লিৱেস্কাৰ 'ৰেইনব' উপন্যাসৰ অসমীয়া অনুবাদ 'ৰামধেনু', নৈখনে কথা কোৱাৰ দিনা আৰু কিতাপৰ বিচিত্ৰ পৃথিবীখনৰ কথা' তেখেতৰ সাৰ্থক অনুবাদ। ইয়াৰ উপৰিও তেখেতৰ ভালেসংখ্যক মূল্যবান প্ৰবন্ধ, শিশুৰচনা বিভিন্ন আলোচনী আৰু কাকতত প্ৰকাশ

পাইছে। দৈনিক অসম'ৰ শিশু শিতানটি তেখেতেই পৰিচালনা কৰিছিল। কেতিয়াবা শিশুৰ নামদি শিশু ৰচনা আৰু কেতিয়াবা মহিলাৰ নামদি মহিলাৰ চ'ৰাতো

অসমৰ জীৱন মৰণ প্ৰত্যেকটো সমস্যাতে তথা অসম আৰু অসমবাসীৰ স্বাৰ্থৰ হকে কলমেৰে অবিৰাম যুঁজ কৰি অহা কীৰ্তিনাথ হাজৰিকাদেৱে পোন প্ৰথম বৰাক উপত্যকাৰ হাইলাকান্দিত অনুষ্ঠিত হোৱা চতুঃ পঞ্চাশত্তম অধিবেশন স্খলিত কৈছিল "সক সক ৰাজ্যবোৰৰ স্বাৰ্থৰক্ষা কৰিব পৰাকৈ সংবিধানত উপযুক্ত ব্যৱস্থা থকা হলে সম্প্ৰতি বহুতো সমস্যাৰ সৈতে মুখা মুখি হবলগীয়া নহল হেঁতেন।"

"আমি মুক্ত ব্যক্তি থাকিলে মাউখে উটিব পাৰিম। সেই বিশ্বাস অটুট থকা কাৰণেই হতাশাৰ চাৰি ঢাপতো ভৰি আমি নিদিওঁ। আহক—কৰিম নহ'লে মৰিম এই সংকল্প লৈ আমি আগবাঢ়ো।"

"আজি দেশত বিভিন্ন ধৰণৰ মনৰ চুবুৰী গঠিত হৈছে আৰু বিভিন্ন ক্ষুদ্ৰ জনগোষ্ঠীক ঠেক গণ্ডীৰ ভিতৰলৈ ঠেলি নি ৰাষ্ট্ৰীয় জীৱনত সংঘাতৰ সৃষ্টি কৰা হৈছে।" অসমবাসীৰ স্বাৰ্থৰ হকে তেখেতে অসমত ফেডাৰেল গাঠনিৰ বিৰোধিতা, মাধ্যম আৰু লিপি আন্দোলন, দ্বিতীয় তেল শোধনাগাৰ দাবী, ৰঙিয়াত ৰেলৱে ডিভিজন স্থাপন আদিৰ লগতে বিদেশী নাগৰিক বহিস্কাৰ আন্দোলনটো কলমেৰে যুঁজ দিছিল আৰু কৃতকাৰ্য হৈছিল বুলিব পাৰি। অসম আন্দোলনত তেওঁৰ ভূমিকা সম্পৰ্কে আলোচনা কৰি বাহিৰৰ বিশিষ্ট সাংবাদিক শ্ৰীমহেশ যোশীয়ে আহোম যুগৰ বিখ্যাত আতন বুঢ়াগোহাঁই লগত হাজৰিকাক তুলনা কৰিছিল। অসমৰ এই গৰাকী সচেতন আৰু দায়বদ্ধ সাংবাদিক হাজৰিকাদেৱে অসম আন্দোলনৰ সময়ত চেঞ্চৰ ব্যৱস্থাৰ বিৰুদ্ধেও যুঁজিব লগীয়া হৈছিল। সেয়ে

তেখেতে সম্পাদকীয় স্তম্ভ আৰু বাতৰিৰ স্তম্ভ উকা কৰি ৰাখি নিজ প্ৰতিবাদ জনাইছিল। অপশক্তিৰ হুচৰত শিৰনত নকৰা, কাকতৰ স্বাধীনতাৰ হকে কঠোৰ সংগ্ৰাম চলোৱাৰ চিন স্বৰূপে তেখেতক প্ৰদান কৰা হৈছে সন্মানীয় কেইবাটিও বঁটা। নিজৰ আদৰ্শত অবিচল হৈ থকা এই গৰাকী সাংবাদিক দেশৰ সাংবাদ বুৰঞ্জীত বৰেণ্য ব্যক্তি হিচাপে স্বীকৃতিৰে অমৰ হৈ থাকিব। এটি সাক্ষাৎ কাৰত শ্ৰীহাজৰিকা দেৱে কৈছিল—"সাংবাদিক হিচাপে স্বীকৃতি লাভ কৰাত মই নিশ্চয় সন্তোষ পাইছো। কিন্তু এই ক্ষেত্ৰত মোৰ কাৰণে অতি সন্তোষৰ কথা এয়েহে যে আগৰ কংগ্ৰেছী চৰকাৰে প্ৰেছ কাউন্সিলৰ আগত মোৰ—আৰু দৈনিক অসমৰ বিপক্ষে যি গোচৰ তৰিছিল, সেই গোচৰৰ বিচাৰ ন্যায়ধীশ শ্ৰীগ্ৰুভাৰে কৰিছিল। প্ৰেছ কাউন্সিলে সেইবাৰ মোৰ তথা দৈনিক অসমৰ প্ৰতি সুবিচাৰ নকৰাকৈ গৰিহণা দিছিল। কিন্তু এতিয়া সেই একেজন ন্যায়ধীশ শ্ৰীগ্ৰুভাৰৰ অধ্যক্ষতাত গঠিত সৰ্ব ভাৰতীয় দুৰ্গাৰতন বঁটা বাছনি কমিটীয়ে শ্ৰেষ্ঠ সাংবাদিক হিচাপে মোক নিৰ্বাচন কৰাটো মোৰ কাৰণে বিশেষ তাৎপৰ্য্যপূৰ্ণ। এই কথাই অসমৰ বাতৰি কাকত তথা 'দৈনিক অসম' আৰু লগতে অসম আৰু লগতে অসম আন্দোলনৰ যথাৰ্থতাক প্ৰতিষ্ঠা কৰিলে বুলি মই ভাবো।"

এগৰাকী সহজ সৰল নিৰহংকাৰী ব্যক্তি, আপোচবিহীন সাংবাদিক হাজৰিকাদেৱৰ পিতৃ হৰনাথ হাজৰিকা, মাতৃ কৃষ্ণা হাজৰিকা পত্নী সু-লেখিকা শ্ৰীমতী দেৱলা হাজৰিকা।

তেখেতৰ মতে বিখ্যাত 'ৰামধনু'ৱেই তেখেতক সাংবাদিকতাৰ জগতলৈ আনিলে। উল্লেখযোগ্য যে তেখেতে বিখ্যাত 'ৰামধনু'ৰও কিছুদিনৰ কাৰণে সম্পাদনা কৰিছিল। তেখেতৰ সম্পাদকীয় সম্ভাৰ সঁচাকৈ আমাৰ বাবে অমূল্য সম্পদ।

এগৰাকী সচেতন সাংবাদিক সংবাদ সাহিত্যত আপোচবিহীনবাক্তি, দেশৰ অখণ্ডতা আৰু সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাবে কলমেৰে অবিৰাম যুঁজ কৰি অহা ভূমিকাৰ মূল্যাংকন কৰিবৰ হ'লে সম্পাদকীয় স্তম্ভ উধাবন অতি দৰকাৰী। তেখেতে প্ৰায় কুৰি বছৰ কালত অসম দেশৰ জাতীয় জীৱনৰ সম্পৰ্ক বিষয় পোহৰলৈ আনিছিল সম্পাদকীয় লেখা সমূহৰ যোগেদি। এনে সম্পাদকীয় সমূহ একত্ৰিত কৰি উলিয়ালে আমাৰ জাতীয় জীৱন আৰু সাহিত্যৰ এক অমূল্য সম্পদ যে হ'ব তাক নিসন্দেহে কব পাৰি।

অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশনত হাজৰিকাদেৱক অসম সাহিত্য সভাই এগৰাকী প্ৰখ্যাত সাংবাদিক হিচাপে সম্বৰ্দ্ধনা জনাইছিল। এটি উল্লেখযোগ্য কথা যে অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠানটিৰ বা-বাতৰি এই গৰাকী ব্যক্তিয়ে অগ্ৰাধিকাৰ ভিত্তিত তেখেতৰ সম্পাদনাত প্ৰকাশিত কাকতত প্ৰকাশ কৰিছিল। দৈনিক ১৯৭২ সময়ৰ শৰ' কাঁকড়ী' তেখেতৰে উল্লেখযোগ্য সংযোজন।

গুৱাহাটীৰ চান্দমাৰী কলনীৰ বাসিন্দা হাজৰিকাদেৱে বৰ্তমানও কোনপতীয়াকৈ সাহিত্য সৃষ্টিত মনোনিৱেশ কৰি আছে। তেখেতৰ পুত্ৰদ্বয় শ্ৰীঅঞ্জন হাজৰিকা আৰু শ্ৰীঅৰ্ণৱ হাজৰিকা। শিশুপ্ৰেমী ৰতিনাথ হাজৰিকাদেৱৰ এতিয়া সকলোৰে ককা

—মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ পঞ্চপঞ্চাছতম অধিবেশনৰ সভাপতি

গল্পকাৰ মহিম বৰা

অসমৰ যশস্বী কবি আৰু গল্পকাৰ সকলৰ সকলৰ ভিতৰৰ অন্যতম, অসম সাহিত্য সভাৰ পঞ্চপঞ্চাছতম ডুমডুমা অধিবেশনৰ সন্মানীয় সভাপতি গৰাকীয়ে হ'ল অধ্যাপক মহিম বৰা। শ্ৰীবৰাদেৱৰ চিনাকি এজন যশস্বী কবি, গল্পকাৰ, ঔপন্যাসিক, প্ৰবন্ধকাৰ, নাট্যকাৰ আৰু শিশু সাহিত্যিক ফালৰ পৰা দিলে যেনেদৰে সময়োপযোগী হ'ব থিক অধ্যাপক হিচাপেও চিনাকি দিলে যোগাত্মকে হ'ব। অধ্যাপক হিচাপেও যে বৰাদেৱ সবজন সমাদৃত এই কথা এৰাই যাব পৰা বিধৰ মুঠেই নহয়। সহজ সৰল জীৱন দৰ্শনক আকোৱালী লোৱা সৃষ্টিশীল আৰু মননশীল সাহিত্যিক বৰাদেৱৰ জন্মস্থান সেউজীয়া পাতৰ সেউজীয়া দেশৰ, দৰঙৰ সাধাৰোঘোপ চাহ বাগিচা। ১৯২৬ চন।

সেউজীয়া পাতৰ সেউজীয়া পৰিবেশত জন্ম লাভ কৰা এই গৰাকী সাহিত্যিকে অসম দেশৰ গ্ৰাম্য আৰু সহজ সৰল সমাজখনক অবিকল ৰূপত তেখেতৰ চহা ৰচনা ৰাজিত প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। ই তেখেতৰ সাহিত্যিক জীৱনৰ অন্যতম সফলতা আৰু সেয়ে তেখেতৰ আটাইবোৰ ৰচনা আৰু প্ৰকাশিত গ্ৰন্থ অসমীয়া সাহিত্যৰ ভৰালত নিসন্দেহে হৈ থাকিব এক অপূৰ্ব আৰু অমূল্য সম্পদ। এই অপূৰ্ব আৰু অমূল্য সম্পদকলৈ আমি আটাইয়ে গৌৰব কৰিব পাৰো।

হাটবৰ এক নম্বৰ প্ৰাথমিক বিদ্যালয়ত বৰাদেৱে প্ৰাথমিক

শিক্ষা আৰম্ভ কৰি কুৰুৱাটোল কমবাইনড মজলীয়া বিদ্যালয়ত পঢ়িবলৈ লয় আৰু ১৯৪৪ চনত কলিয়াবৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা দি দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। ১৯৪৮ চনত তেখেতে কটন কলেজৰ পৰা বি, এ আৰু ১৯৫২ চনত গুৱাহাটী বিশ্ববিদ্যালৰ পৰা এম, এ পাচ কৰে।

শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰি তেখেতে যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয় আৰু নগাওঁ মহাবিদ্যালয়তও অধ্যাপনা কৰিছিল। আৰু শেষত নগাওঁ মহাবিদ্যালয়ৰ পৰাই ১৯৮৭ চনত অৱসৰ গ্ৰহণ কৰে। মাজতে তেখেতে অনাতাৰ কেন্দ্ৰ আৰু ৰামধেনু প্ৰেছ তথা নতুন অসমীয়াতো চাকৰিৰ সোৱাদ লৈছিল। শিশু আলোচনী ৰংঘৰ'ৰ সহকাৰী সম্পাদক আছিল। ১৯৪৯-৫০ চনৰ সময়ত ড০ বিৰিঞ্চি কুমাৰ বৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা শিশু আলোচনী 'ৰংঘৰ' সহকাৰী সম্পাদকৰ উপৰিও নতুন অসমীয়া কাকত'ৰো কিছুদিনৰ বাবে সহকাৰী সম্পাদকৰ কাম কৰে। নগাওঁ মহাবিদ্যালয়ত সুদীৰ্ঘ ৩৩ বছৰীয়াকালত তেখেতে অনেক আলোচনী কাকতৰ লগত জড়িত আছিল। ইয়াৰে ভিতৰত ডেকা অসম, আৱাহন, ৰামধেনু, জয়ন্তু, পূবেৰুণ, বৰদৈচিলা আকাশী গংগা বিশেষ উল্লেখযোগ্য। নগাওঁ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক হিচাপেও তেখেতে কাৰ্য্যনিৰ্বাহ কৰিছিল।

বিদ্যালয়ৰ স্তৰৰ পৰাই সাহিত্য ৰচনাত হাত দিয়া বৰাদেৱ অতি ৰসিক ব্যক্তি। ৰসিকতা সম্পৰ্কত ইম্ৰিছ আলিয়ে কৈছে— "ব্যক্তিগত সান্নিধ্যলৈ অহাসকলে ভালদৰেই জানে যে ৰসিকতা মহিম বৰাদেৱৰ চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য। নিজৰ জীৱনত ঘটা, খুতি-নাতি কথাবোৰক কেন্দ্ৰ কৰিয়েই তেওঁ ৰসিকতা কৰে।" শ্ৰীবৰাদেৱে দশম শ্ৰেণীত পঢ়া কালতে প্ৰবন্ধ লিখিবলৈ আৰম্ভ কৰে। তেতিয়া লিখা প্ৰবন্ধ 'ডেকা অসমত' প্ৰকাশ পাইছিল।

প্ৰধানতঃ গল্পকাৰ হিচাপে অধিক পৰিচিত হলেও তেখেত

সমালোচকৰ দৃষ্টিত এগৰাকী সুপ্ৰতিষ্ঠিত কবি। বিদ্যালয়ত থাকোতে তেখেতে কবিতা প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি এবাৰ পুৰস্কাৰ হিচাপে পাইছিল এখন আইনা, আৰু তেতিয়াৰে পৰা তেখেতে উৎসাহেৰে কবিতা চৰ্চা কৰিবলৈ ধৰে। স্বৰ্গীয় মাধব বেজবৰুৱাৰ দ্বাৰা সম্পাদিত আৰু কলিকতাৰ পৰা প্ৰকাশিত 'জুঁইপাহ' নামৰ আলোচনীত তেখেতৰ প্ৰথম কবিতা 'অৰুণ আৰু ভয়' প্ৰকাশ পাই। তেখেতৰ উল্লেখনীয় কবিতা পুথি 'ৰঙাজিঞা'। তেখেতে অসম সাহিত্য সভাৰ গোলাঘাট অধিবেশনৰ কবি সন্মিলনত সভাপতিত্ব কৰে।

বৰাদেৱৰ ভালেমান গল্প, কবিতা, ভাৰতীয় বিভিন্ন আঞ্চলিক ভাষালৈ অনুদিত হোৱাৰ উপৰিও হিন্দী আৰু ইংৰাজী ভাষালৈও গল্প, কবিতা, আদি অনূদিত হৈছে। তেখেতৰ ৰচিত গ্ৰন্থৰ ভিতৰত কাঠনিবাৰীঘাট, বাহিফুলাফুল (১৯৮০ চনত অসম প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰে) চিন্তা বিচিত্ৰা সাহিত্য বিচিত্ৰা; সাহিত্য বিষয়ক চিন্তা গধুৰ প্ৰবন্ধ সংকলন: দেহা গৰকা প্ৰেম; হেৰোৱা দিগন্তৰ মায়া; পুতলাঘৰ (দুয়োখন উপন্যাসিকা); বত্ৰিশ পুতলাৰ সাধু, ৰাজা ৰামমোহন ৰায় মই পিপলি আৰু পূজা; বহুভূজী ত্ৰিভূজ, মোৰ প্ৰিয় গল্প, মামাইৰ পদূলিত বান্ধিলো ঘোঁৰা (ৰম্যৰচনাৰ পুথি), তিনিৰ তিনি গ'ল ইত্যাদি উল্লেখ যোগ্য গ্ৰন্থ। তেখেতে সম্পাদনা কৰা মহাপুৰুষ শংকৰদেৱৰ পাঁচখন অংকীয়া নাট প্ৰকাশ কৰিবৰ বাবে অসম প্ৰকাশন পৰিষদে দায়িত্ব লৈছে। বিশেষলৈ 'কাঠনিবাৰীঘাট' গল্পৰ বাবে খ্যাত হৈ পৰা বৰাদেৱৰ এই গ্ৰন্থখনি নেচনেল বুক ট্ৰাষ্টে কেইবাটিও ভাৰতীয় ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰিছে। নাট্যকাৰ হিচাপেও পৰিচিত বৰাদেৱে গুৱাহাটীৰ অনাতাঁৰ কেন্দ্ৰত 'ধনবৰকাই' ছদ্ম নামেৰে কেবাখনো নাটক ৰচনা আৰু ভালেমান নাটৰে অভিযোজনা কৰে। লাডু গোপালৰ বিবাহ,

আৰু লাড়ু গোপালৰ ঘৰ সংসাৰ নামৰ নাট দুখনে শ্ৰোতাৰ বিপুল সমাদৰ লাভ কৰিছিল। চিন্তাবিচিত্ৰা আৰু সাহিত্য বিচিত্ৰাত তেখেতৰ অধ্যয়শীল আৰু চিন্তশীল মনটোৰ পৰিচয় প্ৰকাশ পাইছে। এই সম্পৰ্কত প্ৰকাশ পাইছে—"মন কৰিবলগীয়া যে, বহু বিচিত্ৰ অভিজ্ঞতাৰে পৰিপূৰ্ণ অধ্যাপক বৰাৰ জীৱনৰ গতিধাৰা যিদৰে নানা ছন্দেৰে ছন্দোময়, সেইদৰে তেখেতৰ অধ্যয়ন আৰু চৰ্চনৰ গতিধাৰাও কোনো এক নিৰ্দিষ্ট ধাৰাৰে প্ৰৱাহিত হোৱা দেখা নাযায়।"

সাহিত্য সাধনাকে জীৱনৰ অন্য একব্ৰত হিচাপে গ্ৰহণ কৰি নিৰ্দিষ্ট লক্ষ্যৰ দিশলৈ আগবঢ়া বৰাদেৱৰ সম্পৰ্কত আৰু এটি মন্তব্য এনেধৰণৰ—"জীৱনৰ সুদীৰ্ঘকাল নগাওঁ চহৰতে স্থায়ী হিচাপে কটোৱা শ্ৰীমহিম বৰা যোৱা ৮৭ চনৰ মধ্য ভাগত কৰ্মক্ষেত্ৰৰ পৰা অৱসৰ পায়। নিজক প্ৰচাৰৰ পৰা আঁতৰাই ৰখা, সদায় শুভ্ৰ বগা সাজ পৰিহিত বিনয়ী আৰু স্বল্পভাষী এই মানুহ গৰাকীৰ ব্যক্তিত্বই সকলোৰে অন্তৰত শ্ৰদ্ধা উপজাব পাৰে। ব্যক্তিগত জীৱনৰ নানা ঘাত প্ৰতিঘাতৰ মাজতো নিজৰ কৰ্তব্যৰ পৰা বিচলিত নহৈ সাহিত্য চৰ্চাৰ জৰিয়তে চিৰ চেনেহী ভাষা জননীৰ সেৱাত ব্ৰতী হৈ থকা কাঠনিবাৰী ঘাটৰ দৰে লিখনীৰে পঢ়ুৱৈৰ মনত সাঁচ বহুৱাব পৰা সাহিত্য জগতৰ নমস্য ব্যক্তি শ্ৰীমহিম বৰা অসম সাহিত্য সভাৰ ৫৫ তম (ডুমডুমা) অধিবেশনৰ সভাপতি নিৰ্বাচিত হোৱাটো সাহিত্য প্ৰেমী সকলৰ লগতে সমগ্ৰ অসমীয়া জাতিৰ বাবেই মন হৰ্ষিত কৰা খবৰ।"

'হাভানাৰ চুৰুটৰ পৰা কাঠনিবাৰী ঘাটলৈ' অমৰ সৃষ্টিৰে আলোকিত অধ্যাপক বৰাদেৱৰ পিতৃ গজেন্দ্ৰ নাথ বৰা, মাতৃ চন্দ্ৰ কান্তি আৰু পত্নী সাহিত্যানুৰাগী, শিক্ষয়িত্ৰী শ্ৰীমতী দীপ্তি বৰা। 'হাভানাৰ চুৰুট' বৰাদেৱৰ প্ৰথম গল্প। এই গল্পটি এটি বঙলা

গল্পৰ আধাৰত ৰচনা কৰা। এই গল্পটি ৰচনাৰ সময়ত তেখেত সপ্তম শ্ৰেণীৰ ছাত্ৰ আৰু হাতেলিখা আলোচনী 'মলয়া'ৰ সম্পাদক। 'মলয়া'তে এই গল্পটি প্ৰথম প্ৰচাৰিত হয়।

১৯৫৫ চনৰে পৰা অসমৰ সৰ্ববৃহত জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ লগত জড়িত বৰাদেৱে অসমৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতো নিবিড় ভাবে জড়িত হৈ আছে। তেখেতে ১৯৮৫ চনৰ পৰা ১৯৮৭ চনলৈকে দুবছৰ কাল নগাওঁ জিলা সাহিত্য সভাৰ সভাপতিৰ পদত আছিল। অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা দিয়া বাণীত তেখেতে কৈছিল

"আমি ভাব আবেগৰ দ্বাৰাই পৰিচালিত নহৈ কঠোৰ বাস্তৱবাদী চিন্তা আৰু ব্যৱস্থা ন'ললে ভাৰতীয় নেতাৰ আগ্ৰাসী পৰিকল্পনাৰ অজগৰৰ পেটত জাহ যাম। সাৱধান, সাৱধান, কালৰ সাৱধান বাণীলৈ কান দিয়ক সকলোৱে, বুৰঞ্জীৰ পৰা শিক্ষা লওক আমাৰ যুগজোৰা ঐক্যত ভাঙোন ধৰিলেই আমি নিশ্চিহ্ন হৈ যাম।" বৰাদেৱে সঁচাকৈ সাৱধানতাৰে আৰু কৈছে—"এই দেশ যদি একখণ্ড ভাৰতবৰ্ষ তেনেহ'লে ইয়াত নিগাজীকৈ থাকিবলৈ অহাসকলে এইখনকো নিজৰ ভাৰতবৰ্ষ বুলি মনে প্ৰাণে গ্ৰহণ কৰিব লাগিব। ধৰ্মৰ নামত, ভাষাৰ নামত নিজা এখন ৰাজ্য স্থাপনৰ কথা সপোনতো ভাবিব নালাগিব। সংবিধানৰ দোহাই দি ইয়াত এখন ত্ৰিপুৰা বা চিকিম কৰিবলৈ দিয়া নহব। স্বাধীন দেশত আমি অসমীয়া সকলো ভাৰতৰ অন্যান্য প্ৰান্তৰ অধিবাসীসকলৰ দৰেই স্বাধীন। আমি কাৰো বহতীয়া হৈ নাথাকিম, সেইটো আমাৰ তেজত নাই। আমাৰ গোপন শত্ৰু সকল, বা আমাৰ চুকত থাকি বুকুত কামুৰিব খোজাসকলে এই কথা যেন পাহৰি নাযায়।"

সাহিত্য চৰ্চাৰ যোগেদিও স্বদেশ আৰু স্বজাতিৰ সেৱাত নিজকে ব্ৰতী কৰা বৰাদেৱে আমাৰ মাজত চলি থকা ষড়যন্ত্ৰ

কাৰী হুঁতৰ ষড়যন্ত্ৰৰ খবৰ পাই তেখেতে তেখেতৰ মূল্যবান অভিভাষণখনিত আৰু কৈছিল—

"সম্প্ৰতি কালৰ ধামখুমীয়াত পৰি ভিতৰৰ বদন আৰু বাহিৰৰ মানৰ হেঁচাত আমাৰ এই অট্টালিকাৰ ভেটি থৰক বৰক হৈছে, ইয়াত ভিতৰ-বাহিৰ দুয়োফালৰ পৰা ষড়যন্ত্ৰ চলিছে।"

"জাতিটোৱে যদি নৰয়, সাহিত্য ৰ'ব ক'ত?" এনে এক দৃষ্টিভংগীৰে অভিভাষণত বিভিন্ন দিশ আলোচনা কৰা অধ্যাপক ৰবাদেৱৰ কথাৰে সামৰিছো—

'মানসিক গুণৰাজিৰ সম্যক স্ফুৰণ ঘটিবই লাগিব, তেহে মানৱীয় কাৰ্য্য একোটাই পূৰ্ণতা লাভ কৰিব পাৰে। এই গুণৰাজিৰ বিকাশৰ কাৰণে কঠোৰ পৰিশ্ৰম, কঠোৰ সাধনাৰ প্ৰয়োজন।"

মদন চন্দ্ৰ মেধি

অসম সাহিত্য সভাৰ ষট্‌-পঞ্চাশত্তম গৰাকী সভাপতি

পদ্মভূষণ নৱকান্ত বৰুৱা

গুৱাহাটী মহানগৰীৰ এটা ব্যস্ত অঞ্চল শিলপুখুৰী। তাৰেই এটা সৰু গলিয়েদি সোমাই সামান্য কেকুঁৰী দুটা পাৰ হলেই চকুত পৰে পুৰণি 'অসম আৰ্হি'ৰ এটা ঘৰ। সন্মুখত বিচিত্ৰবৰণী ফুলেৰে জাতিস্কাৰ এখন বাগিচা। সুন্দৰ পৰিবেশ। এটা মনহৰা পৰিবেশে আবৰা সৰু টিনৰ ঘৰটোৱেই হ'ল কবিৰ বাসভৱন। আমাৰ আদৰৰ, শ্ৰদ্ধাৰ কবি নৱকান্ত বৰুৱাৰ। ১৯৭৬ চনত ভাৰত চৰকাৰৰ পৰা 'পদ্মভূষণ' উপাধিৰে বিভূষিত হোৱা এইজনা কবিয়েই ১৯৯১ চনত বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত অসম সাহিত্য সভাৰ সৰ্ব্বশ্ৰেষ্ঠ সন্মানীয় পদ সভাপতিৰ আসন অলঙ্কৃত কৰিছিল।

নগাৱৰ এক সম্ভ্ৰান্ত পৰিয়ালত ১৯২৬ চনৰ ২৬ ডিচেম্বৰত জন্ম গ্ৰহন কৰা কবি নৱকান্ত বৰুৱাৰ শৈশৱ আৰু কৈশোৰৰ কাহিনী আৰম্ভ হৈছিল কবিতাৰেই। উল্লেখনীয় কথা এইটোৱে যে প্ৰথম শ্ৰেণীত পঢ়ি থকা কালতেই 'চিলেথ'ত কবিতা লিখিবলৈ চেষ্টা কৰিছিল। তাকে দেখি নন্দ তালুকদাৰে তেখেতক হেনো 'চিলেঠীয়া কবি' বুলি ধেমালি কৰিছিল।

এবাৰ কেইটামান কবিতা লিখি বহীখন তেখেতৰে এজন শ্ৰদ্ধেয় শিক্ষক প্ৰাণনাথ শৰ্মাৰ ওচৰলৈ নি কবিতা কেইটা হৈছে নে নাই চাই দিবলৈ কোৱাত কেইদিনমানৰ পিচত বহীখন ঘূৰাই দি কৈছিল এয়া বিশেষ একো ভাল কবিতা হোৱা নাই। কিন্তু

কবিতাটো আন ৰচনাৰ নিচিনা নহয়। ইয়াক শুধৰাব নোৱাৰি এয়া একেবাৰে তোমাৰ নিজৰ বস্তু।" সেইদিনাখনৰ পৰাই কবিতা সম্পৰ্কে এক নতুন ধাৰণা সৃষ্টি হৈছিল নৱকান্ত বৰুৱাৰ মনত। ডাঙৰ হলত, বুজা হলত কবিতা সম্পৰ্কে একান্তমনে অধ্যয়ন আৰু চিন্তা চৰ্চ্চা কৰিবলৈ আৰম্ভ কৰিলে। ফলত এইজনা 'চিলেটীয়া' কবিয়ে অৱশেষত আধুনিক অসমীয়া সাহিত্যৰ এগৰাকী প্ৰসিদ্ধ কবি হিচাবে পৰিচয় দিবলৈ সক্ষম হ'ল। কবি, সমালোচক, অধ্যাপক ডঃ পূৰ্ণ ভট্টাচাৰ্য্যদেৱৰ ভাষাৰে কও—"পঞ্চাশৰ দশকৰ এজন জনপ্ৰিয় আৰু উল্লেখযোগ্য কবি হল নৱকান্ত বৰুৱা। তেওঁ জয়ন্তীৰ সময়ৰে পৰা কাব্য জীৱনৰ পাতনি মেলি বৰ্ত্তমানলৈকে অবিৰতভাবে কবিতা ৰচনা কৰি আধুনিক অসমীয়া কবিতাত পৰীক্ষা নিৰীক্ষা চলাই আহিছে।" (কবিতা আৰু আধুনিক অসমীয়া কবিতা) অৱশ্যে কব লাগিব কবিতা চৰ্চ্চাৰ এক অনুকূল পৰিবেশ লাভ কৰিছিল নিজৰ ঘৰখনৰ পৰাই। বিশেষকৈ ককায়েক প্ৰসিদ্ধ কবি সাহিত্যিক দেৱকান্ত বৰুৱাৰ অনুপ্ৰেৰণা লাভ কৰিছিল।

কবি বৰুৱাক অনুপ্ৰাণিত কৰা আন এগৰাকী ব্যক্তি আছিল শেৱালী কবি ৰঘুকান্ত বৰকাকতি। তেখেতৰ কথামতেই বোলে এদিন চন্দ্ৰ গ্ৰহণৰ ৰাতিতে লিখি পেলালে 'চন্দ্ৰ গ্ৰহণ' নামৰ কবিতা এটি। তেতিয়া কবি আছিল অষ্টম শ্ৰেণীৰ ছাত্ৰ। এনেকৈয়ে কবি বৰুৱাই কবি বৰকাকতিৰ পৰা কবিতা অনুশীলন কৰিবলৈ দিহা পৰামৰ্শ পাইছিল প্ৰসঙ্গত প্ৰফুল্ল চন্দ্ৰ বৰুৱাদেৱে কোৱা কথা কেইশাৰী উল্লেখ কৰিব পাৰি এইদৰে - বৰুৱা পৰিয়ালৰ অতি ঘনিষ্ঠ আৰু আত্মীয় দাৰ্শনিক কবি ৰঘুকান্ত বৰকাকতিৰ সংস্পৰ্শ নৱকান্ত বৰুৱাৰ জীৱনৰ এক অমূল্য সম্পদ। ... . প্ৰকৃততেই নৱকান্তৰ শৈশৱ অৱধি ৰবীন্দ্ৰ, সংযোগৰ সেতু

আছিল কবি বৰকাকতি।" জীৱন কবিতা আৰু নৱকান্ত)

এইখিনিতে কব পৰা যায় কবি বৰুৱা ৰবীন্দ্ৰ নাথৰ কাব্য আৰু দৰ্শনৰ দ্বাৰাও প্ৰভাৱিত হৈছিল। সেয়ে ডঃ মহেন্দ্ৰ বৰাদেৱে কৈছিল "এহাতে ৰবীন্দ্ৰনাথ, আনহাতে ইলিয়ট। এয়ে বোধকৰো নৱকান্ত বৰুৱাৰ কাব্য পৰিক্ৰমাৰ কুমেৰু আৰু সুমেৰু।" জনা যায় লবালী কালতে ৰবীন্দ্ৰ নাথ, বংকিমচন্দ্ৰ, শৰৎচন্দ্ৰ, নজৰুল ইচলাম, সত্যেন্দ্ৰনাথ দত্ত আদিৰ দৰে বিখ্যাত সাহিত্যিক সকলৰ ৰচনা বাজি কবি বৰুৱাই নিজ ঘৰতে পঢ়িবলৈ পাইছিল। তেতিয়া তেওঁ হাইস্কুলীয়া ছাত্ৰ।

ঘৰৰ ওচৰতে থকা বঙলা বালিকা স্কুল এখনতে ক, খ আৰু প্ৰথম শ্ৰেণীলৈকে পঢ়ি, দ্বিতীয় আৰু তৃতীয় শ্ৰেণীত নপঢ়া কৈয়ে পোনেই চতুৰ্থ শ্ৰেণীত নাম লগাই ১৯৪১ চনত নগাওঁ চৰকাৰী হাইস্কুলৰ পৰা মেট্ৰিকুলেচন পৰীক্ষাত উত্তীৰ্ণ হয় কবি নৱকান্ত বৰুৱা চাৰ।

কিন্তু পৰিতাপৰ কথা। কটন কলেজত নাম ভৰ্ত্তি কৰাৰ পিচতেই কবি সন্নিপাত জ্বৰত ভুগি শয্যাগত হব লগীয়া হ'ল। কটনত পঢ়াৰ আশাও সিমানতে অন্ত পৰিল। পিচত যেনিবা ১৯৪৩ চনত কলিকতাৰ শান্তিনিকেতনত গৈহে চাৰিটা বছৰ অধ্যয়নৰ পিচত ১৯৪৭ চনত ইংৰাজীত অনাৰ্চ লৈ বি, এ পাছ কৰিলে। এই শান্তিনিকেতনেই হ'ল কবি বৰুৱা চাৰৰ কাব্যিক ৰচনা প্ৰয়াসৰ প্ৰথম থল। তেনেকৈয়ে ছাত্ৰসকলৰ দ্বাৰা সংগঠিত 'সাহিত্যিক' নামৰ সাহিত্যানুষ্ঠান এটাৰ সম্পাদক হিচাবে তুবাৰ নিৰ্বাচিত হয়।

ইয়াৰ পিচত কবি বৰুৱাই সাহিত্য - সংস্কৃতি অধ্যয়নৰ অন্য এক অনুকূল পৰিবেশ লাভ কৰিলে যোৰহাটত। ইয়াৰ আগতে আলিগড় মুছলীম বিশ্ববিদ্যালয়ৰ পৰা ১৯৫৩ চনত ইংৰাজীত এম, এ পাচ কৰিয়েই উত্তৰ প্ৰদেশৰ শিকোহা বাদ এ, কে কলেজত

ইংৰাজী সাহিত্যৰ অধ্যাপক আছিল। পিচত মাতৃ স্বৰ্ণলতা বৰুৱাণীৰ চিঠি এখনিৰ মৰ্মেই তাৰ পৰা আহি জে, বি, কলেজত চাকৰিত সোমায়।

স্কুলীয়া দিনৰ পৰাই কাব্য চৰ্চা আৰু অনুশীলন অব্যাহত আছে বাবেই কবি বৰুৱাৰ পাকৈত হাতত সৃষ্টি হৈছিল অনেক কবিতা। তেনেকৈয়ে প্ৰথম কাব্য সংকলন প্ৰকাশ পায় 'হে' অৰণ্য, হে মহানগৰ' (১৯৫১)। এই সময় চোৱাত তেওঁ আছিল চফল ডেকা। তেতিয়া অসমীয়া সাহিত্যত আৰম্ভ হৈছিল 'ৰামধেনু' যুগ। আকাৰত ক্ষুদ্ৰ হলেও কাব্য গ্ৰন্থখনিয়ে এটা নতুন দিশ অৱতাৰণা কৰিলে অসমীয়া কাব্য সাহিত্যত। এনেকৈয়ে ১৯৫৮ চনত 'এটি দুটি এঘাৰটি তৰা', ১৯৬০ চনত 'যতি আৰু কেইটামান স্কেচ্ছ'; ১৯৬২ চনত 'সম্ৰাট, ১৯৬৩ চনত 'ৰাৱন'; ১৯৭৩ চনত 'মোৰ আৰু পৃথিবী' (অসম প্ৰকাশন বটা) আৰু' ৮৬ চনত ৰত্নাকৰ কাব্য গ্ৰন্থ প্ৰকাশ কৰি বৰুৱা এগৰাকী সফল কবি হিচাবে পৰিগনিত হয়। জনা যায় নৱম শ্ৰেণীত থাকোতেই হেনো তেখেতে 'মুক্তি নাম দি এখনি কবিতাৰ পুথি উলিয়াইছিল। পিচে পুথিখনিয়ে প্ৰকাশহে নেপালে।

মনতে ভৰা সকলো কথাকে কবিতাৰ মাজেৰে প্ৰকাশ কৰাটো এক জটিল কাম। এনে বহু কথা বহু কাহিনী কবি হৃদয়ত অহৰহ উথল মাথল লগায়। কব নোৱাৰা বেদনাত, লিখিব নোৱাৰা বেদনাত ক্ষন্তেকৰ বাবে হলেও কবি হৈ পৰে ম্ৰিয়মান। সেয়ে সাতাইশ বছৰীয়া ডেকা কবিয়ে আৰম্ভ কৰিলে প্ৰেম, সংগ্ৰাম আৰু সংঘাতে ভৰা ৰসোত্তীৰ্ণ ৰোমাণ্টিক উপন্যাস "কপিলী পৰীয়া সাধু"। কাব্য জগতত বিচৰণ কৰি ফুৰা কবিৰ মনৰ ভাষা কাব্যময় হোৱাটোৱে স্বাভাৱিক। সেয়ে উপন্যাসৰ কাহিনীৰ মাজতেই কবিয়ে কাব্যিকভাবে প্ৰকাশ কৰিলে এনেদৰে "কপিলী জীয়া নৈ।

ৰুপিলীয়ে বিচাৰে মদন-বদন সংসাৰ। গৃহস্থী ঘৰ। ...... "উল্লেখনীয় কথা এইটোৱে যে যি সময়ত এই 'ৰুপিলী পৰীয়া সাধু' উপন্যাসখনি প্ৰকাশ পাইছিল সেই সময়লৈকে চৈয়দ আব্দুল মালিক, যোগেশ দাস, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য আদি লিখক সকলেও প্ৰতিষ্ঠা লভিব পৰা নাছিল।

ইয়াৰ পিচত কবিতাৰ লগে লগেই সমান্তৰাল গতিত কবি বৰুৱাৰ কলমৰ আগেৰে সৃষ্টিৰ কঠিয়া তলীত ৰোপিত হ'ল শ্ৰেষ্ঠ উপন্যাস 'ককাদেউতাৰ হাড়' (১৯৭৩) সাৰ্থক লিখকৰহে সাৰ্থক ৰচনা সৃষ্টি হয়। সেয়ে এই উপন্যাস খনিয়ে ১৯৭৫ চনত সাহিত্য একাডেমী বঁটা লাভ কৰিলে। এনেদৰেই নতুন উৎসাহে নতুন অনুপ্ৰেৰণাৰে কৰিয়ে লিখি গল অবিৰত গতিত বুৰঞ্জীমূলক উপন্যাস 'গৰমা কুঁৱৰী' (১৯৮০); ভিন্নসুৰী উপন্যাস 'মানুহ আটাইবোৰ দ্বীপ' (১৯৮১); বিজ্ঞান ভিত্তিক উপন্যাস অ-পদাৰ্থ ('৮২); বৌদ্ধ গাথাৰ ভিত্তিত ৰচিত উপন্যাস "এহি ভিকখুণী' ('৮৭) আৰু শ্বহীদ কুশল কোঁৱৰ জীৱনক লৈ লেখা উপন্যাস 'অহিংসাৰ জুই' (অসম্পূৰ্ণ সীৱলু আৰু নতুন সীৱলু'ত ধাৰাবাহিক ভাবে প্ৰকাশিত)। কেবল ইমানতেই কবিৰ কলমে বৈ ৰাব নিবিছাৰিলে। জানিব পোৱামতে আৰু দুখন উপন্যাস লিখাৰ বাবেও জল্পনা কল্পনা কৰি আছে। সচাঁকৈয়ে আমাৰ পঢ়ুৱৈসকলৰ বাবে ই এটা অতি আনন্দৰ খবৰ।

এইটো স্বীকাৰ্য্য যে কবিসকলৰ মন আৰু হৃদয় বোৰ স্বাভাৱিকতে অতি আলসুৱা। তেনেদৰেই কবি সকলেও উপলব্ধি কৰিব পাৰে শিশুসকলৰ আলসুৱা অন্তৰ আৰু পবিত্ৰ মন। পিচে সৰু সৰু কথাৰে, সৰু সৰু গল্প, সাধুকথা কাহিনী ৰসাল কৰি কব নোৱাৰিলে শিশু সকলৰ মন আকৰ্ষণ কৰাটো কঠিন। এই কথা হৃদয়ঙ্গম কৰিছিল বাবেই কবি বৰুৱা চাৰে-শিশু সাহিত্য সৃষ্টিলৈ

মন মেলিলে। শিশু উপযোগীকৈ লিখা তেখেতৰ গ্ৰন্থকেইখন হ'ল আখৰৰ জখলা ('৫৮); শিয়ালী পালেগৈ ৰতনপুৰ ('৬৫); জক উকাৰে ভূ ('৬০); মাখনৰ কুকুৰা পোৱালী ('৬২); মই টুনীয়ে টুন টুনালোঁ ('৮১); গোলাপ আৰু বেলিফুল ('৮১); মনত পৰাৰ শব্দ ('৮৩); কিশোৰ ৰামায়ণ ('৮৭) আৰু মৰুয়া ফুল ('৮৪ সংকলন সম্পাদন)।

কবি বৰুৱা চাৰৰ ৰচনাৰ আৰু কেইখনমান গ্ৰন্থৰ কথা উল্লেখ কৰিব পাৰি। সেইবোৰ হ'ল ৱাল্ট হুইটমেনৰ এশ কবিতা (সাহিত্য অকাদেমি প্ৰকাশিত); হিন্দু-মুছলমানৰ যুক্ত সাধনা (মূল: ক্ষিতিমোহন সেন); এলচেছ টিছ (মূলঃ ইউবিভিচ); আহত মৰাল (মূলঃ আলেকজেণ্ডাৰ পুচ্কিনৰ The wounded Swan'); নজৰুল ইচলামৰ কবিতা (সাহিত্য অকাদেমি প্ৰকাশিত); মুক্তধাৰা (মূলঃ ৰবীন্দ্ৰ নাথ ঠাকুৰ); বিশ্বমানৱৰ অভিমুখে (মূলঃ ৰবীনাথ ঠাকুৰ); সুমিত্ৰা নন্দন পন্তৰ কবিতা। তেনেদৰে সংকলন-সম্পাদনা পুথিকেইখন হ'ল ৰবীন্দ্ৰ চয়নিকা (ৰজকান্ত বৰকাকতিৰ সহযোগত); আধুনিক অসমীয়া অভিধান; সীৰলু, নতুন সীৰল, জোনবাই, পোহৰ; গাৰো ইংৰাজী অসমীয়া অভিধান আৰু ভাৰতীয় চাৰুকলাৰ ভূমিকা। এইখিনিতে অনুবাদ সম্পৰ্কে কোৱা কবি বৰুৱাৰ কেইষাৰমান কথা উল্লেখ নকৰি নোৱাৰিলো। কথাকেইষাৰ হ'ল "কবিতাৰ বা সাহিত্যৰ যি কোনো শাখাৰেই এটা সীমাবদ্ধতা থাকে ভাষাৰ সীমাবদ্ধতা। সেইটো পাৰ হ'ব পাৰি অনুবাদেৰে।"

চেষ্টা আৰু সাধনাৰ ফল অথলে নেযায় কথাষাৰি প্ৰমাণিত হ'ল কবি বৰুৱা চাৰৰ ক্ষেত্ৰটো। সৃষ্টিৰ চাউতি অব্যাহত আছে বাবেই গুনৰ বলত দেশৰ সন্মান অৰ্জন কৰিবলৈ তেখেতে আজি কোৰ্পতি ক্ষমতা লাভ কৰি আছে। সেয়েহে কবি বৰুৱাই লাভ কৰিলে 'মেধাৰ শৈক্ষিক ন্যাসে' প্ৰতি বছৰে আগবঢ়োৱা "অসম

উপত্যকা সাহিত্য বঁটা" (১৯৯৩) চন। গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত ১২/৩/৯৪ তাৰিখে অনুষ্ঠিত হোৱা এক গাম্ভীৰ্য্যপূৰ্ণ বঁটা প্ৰদান অনুষ্ঠানত কবি বৰুৱাই তেখেতৰ ভাষণত কবি ৰত্নকান্ত বৰকাকতীৰ এটা কবিতাৰ পংক্তি আওৰাই কৈছিল 'আচলতে আমি বোৰে যে লিখো, আমিৰ সৃষ্টিৰ ভৱিষ্যতে আমি আচলতে মানুহক সোধো।' তেনেদৰে আগবঢোৱা বঁটাৰ লগত এখন মানপত্ৰ আৰু এক লাখ টকাৰ চেক গ্ৰহণ কৰি কবি বৰুৱাই কৈছিল "লিখকবোৰ সদায়ে তিনিটা প্ৰতিক্ৰিয়াৰ বাবে সাজু থাকিব লাগে। সেইকেইটা হ'ল ক্ৰমে, পুৰস্কাৰ, তিৰস্কাৰ আৰু বেছি ভাগতে নিৰ্বিকাৰ। কিন্তু স্বধৰ্মত থকা লেখকক তিৰস্কাৰে তলাব নোৱাৰে, পুৰস্কাৰেও তেওঁক ফুলাব নোৱাৰে আৰু নিৰ্বিকাৰত্বয়ো বিকাৰগ্ৰস্ত কৰিব নোৱাৰে। ... এই যে আঢৈ কুৰি বছৰ ধৰি কলম পিহিপিহি লিখিলো, এতিয়া মোৰ ভাব হৈছে, মই যেন মানুহক কিছু কথা অন্ততঃ কব পাৰিলো।"

ইয়াৰ পিচত কবি বৰুৱাই '৯৪ চনৰ মে' মাহত আৰু এটি সন্মানৰ অধিকাৰী হবলৈ সক্ষম হয়। কেন্দ্ৰীয় সাংস্কৃতিক বিভাগে দেশৰ সোতৰ জন বিশিষ্ট শিল্পী সাহিত্যিকক দুবছৰৰ বাবে "এমেৰিটাছ ফেলোশ্বিপ"ৰ বাবে বাছনি কৰিলে। সেই-সকলৰ ভিতৰত আমাৰ শ্ৰদ্ধেয় কবি নৱকান্ত বৰুৱাও এজন।

নৱকান্ত বৰুৱা বাস্তৱৰ কবি। মানুহৰ কবি। তেখেতৰ কবিতাত জীৱন সম্বন্ধে অন্তৰ্লীন সুৰ শুনিবলৈ পোৱা যায়। তেখেতৰ কবিতাই পিচলৈ কবি এলিয়ট আৰু খলিল জিব্ৰানৰ কবিতাৰ প্ৰতি আকৃষ্ট হৈছিল সচঁা তথাপি কবি, সমালোচক নলিনীধৰ ভট্টাচাৰ্য্যদেৱে কোৱাৰ দৰে "নৱকান্তৰ মৰুভূমি এলিয়টৰ মৰুভূমি নহয়, এলিয়টৰ মৰুভূমি মৰুদ্যানলৈ পৰিণত নহ'ল, কিন্তু নৱকান্ত সংশয়াচ্ছন্ন হলেও, আশাবাদী।" — অমৃত ব্ৰহ্মচাৰী

অসম সাহিত্য সভাৰ সপ্তপঞ্চাশতম্ অধিবেশনৰ সভাপতি
ডঃ নিৰ্মল প্ৰভা বৰদলৈ

●—জীৱন দুখৰ বাট
খোজ কাঢ়ি, গৈ গৈ,
অধ্যয়ন কৰিলা কবি
জগতৰ যত গতি প্ৰকৃতি
চিন্তা চৰ্চা সাধনাৰে
জ্ঞানৰ দুৱাৰ খুলি
প্ৰজ্ঞাৰ আলোকেৰে
উজ্বলাই তুলিলা শিল্পী
ভাষা সাহিত্য সংস্কৃতি।

এৰা, ধ্যান ধাৰনা, গবেষনাৰ গভীৰ প্ৰজ্ঞাৰে ভাষা জননীৰ বেদীত অহৰহ সাধনাৰ বীজ ৰোপন কৰা, যুগ চেতনাৰ বাস্তৱ কবি ডঃ নিৰ্মল প্ৰভা বৰদলৈ অসমীয়া জাতীয় জীৱনত এক গভীৰ প্ৰত্যয়। এই গৰাকী সাহিত্য সাধিকাৰ জন্ম হয় ১৯৩৩ চনত শিৱসাগৰৰ পুলগুৰিত। পিতৃ ধৰ্মেশ্বৰ শৰ্মা আৰু মাতৃ মুক্তাদেৱীৰ প্ৰথম সন্তান নিৰ্মল প্ৰভাৰ সৰু কালিৰ নাম আছিল হেনো মাকনি। দেউতাকে এই সৰু ছোৱালীটিৰ বুদ্ধিদীপ্ততা আৰু নিৰ্মল ভবিষ্যত দেখা পায়ে হেনো নাম ৰাখিলে নিৰ্মল প্ৰভা। এই নামৰ প্ৰভাবেৰেই শ্ৰদ্ধেয়া বৰদলৈয়ে ব্যক্তিগত জীৱনৰ দুখ যান্ত্ৰনাক বুকুত সাবটি লৈ কঠোৰ সাধনা আৰু শ্ৰমেৰে নিজৰ জীৱন গঢ়াৰ লগতে কৰি গৈছে কৃচ্ছ সাধনা—সাহিত্য সংস্কৃতিৰ।

অতিকে সহজ সৰল কথাত মৌ বৰষা এই গৰাকী স্বল্পভাষী কবি গীতিকাৰে দেউতাকৰ বাস্তৱ ভাব বিলাসী চিন্তাধাৰাৰ জীৱন নিৰ্বাহত পৰম আনন্দময়তাত থাকি ভাল কিতাপ অধ্যয়ন আৰু ভাল চিন্তাচৰ্চাৰ মাজত শৈশৱ অতিবাহিত কৰিছিল। ভাব কল্পনাই কোনো খেলা নকৰা নিচেই কম বয়সতে অৰ্থাৎ চতুৰ্থ শ্ৰেণীত থাকোতেই তেখেতে আদৰি লব লগা হৈছিল বৈবাহিক জীৱন। বিয়াৰ দুবছৰৰ পাছত শান্তি হোৱা বৰদলৈৰ কোলালৈ আহিল অতি ধুনীয়া এটি কন্যা আইজনী। কিন্তু আইজনীক মাতৃত্বৰ উমেৰে পিতৃৰ সাহচৰ্য্যত লালন পালন কৰিবলৈ পোৱাৰ আগতেই স্বামী গৃহৰ পৰা বিতাৰিত হব লগা হয়। দুখন হৃদয় এক হোৱাৰ বুজাপৰাৰ অভাবত বৰদলৈৰ পিতৃয়ে নতুন যুগৰ আহ্বানক আকোৱালি লবলৈ জীয়েকক আশীৰ্বাদ দি লৈ আহিল নিজৰ ঘৰলৈ। তেখেতে দুৰদৰ্শিতাৰে জীয়েকক বুজালে—"তই এই সাধাৰণ জীৱনৰ কথা নাভাবি প্ৰস্তুতি চলাব লাগিব মহাজীৱনক সাবতি লবলৈ।" দেউতাকৰ মহান চিন্তাত সাৰ পানী যোগাই নিৰ্মল প্ৰভাই নিৰ্মল আকাশত বিচৰণ কৰাৰ সংকল্প ললে। অন্য হাতে মাক দেউতাকৰ মৰমৰ কোলাত তেখেতৰ কন্যা সন্তানটিয়ো ডাঙৰ দীঘল হবলৈ ধৰিলে। দেউতাকৰ তত্বাবধানতে তেখেতে প্ৰাইমাৰী আৰু মজলীয়া স্কুলত প্ৰথম হৈ উত্তীৰ্ণ হয়। ইযাৰ পাছত পূৰ্ণেশ্বৰ দিহিঙ্গীয়াৰ তত্বাৱধানত সংস্কৃত, ভূগোল, সাহিত্যৰ প্ৰতিটো পাঠ নিখুত কৈ শিকি ১৯৪৮ চনত মেট্ৰিক পৰীক্ষা প্ৰাইভেট কৈ দি প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ইয়াৰ পাছত কঠোৰ শ্ৰম, ত্যাগ আৰু সাধনাৰে শিৱসাগৰ কলেজৰ পৰা আই, এ পৰীক্ষা কৃতিত্বৰে পাচ কৰি গুৱাহাটী সন্দিকৈ কলেজত নাম লগায় আৰু স্নাতক পৰীক্ষাত বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম হৈ উত্তীৰ্ণ হয়। ইয়াৰ পাছতে গুৱাহাটী বিশ্ব বিদ্যালয়ত এম, এ পঢ়াৰ সিদ্ধান্ত লয় আৰু নাম

ভৰ্ত্তি কৰি ছাত্ৰী বাৰীৰ মিছন হোষ্টেলত থাকিবলৈ লয়। এই হোষ্টেলত থকাৰ কালতে হোষ্টেলৰ সহপাঠী সকলৰ হৃদয় ভৰা মৰমৰ উপৰিও ড° বৰদলৈয়ে পালে শৃঙ্খলাবোধ আৰু ৰুচিবোধ। মিছনাৰী মেম সকলৰ কৰ্ত্তব্য নিষ্ঠাই তেখেতক অনুপ্ৰাণিত কৰি তোলে আৰু মনৰ মাজত প্ৰকট হৈ পৰে নিঃস্বাৰ্থ সেৱাৰ মনোভাৱ। এই সময়তে বিভিন্নজন গুণী জ্ঞানী পণ্ডিত প্ৰৱৰৰ সান্নিধ্য বৰদলৈৰ ঘাট আৰু সঙ্গীত, অভিনয় আদি সুকুমাৰ কলাৰ চৰ্চ্চাই তেখেতৰ মন প্ৰশস্ত কৰি তোলে। বিশ্ববিদ্যালয়ত পঢ়ি থকা কালতে তেখেতৰ সাহিত্যিক জীৱনৰ প্ৰসাৰ ঘটে। সকৰে পৰাই প্ৰখৰ বুদ্ধি সম্পন্না ৰাংঢালি আৰু অতি মুকলিমুৰীয়া, শব্দ সজোৱাৰ চেষ্টাৰে কবিতা গাঁঠা বৰদলৈয়ে বুকুৰ মাজত অনুভৱ কৰে প্ৰকৃতিৰ সজা-গতা ভৰা কলৰোল সৃষ্টিৰ আকুলতা। এই অনুভৱেই তেখেতৰ সৰু কালিৰ কাব্যিক প্ৰতিভা প্ৰগাঢ় কৰি তোলে। সেই সময়ত কীৰ্ত্তিনাথ হাজৰিকা দেৱৰ প্ৰেৰণাত নতুন অসমীয়াত নিয়মীয়া ভাবে লিখিবলৈ লয়। ৰামধনু আৰু অন্যান্য কাকত আলোচনীত লিখাৰ উপৰিও আকাশ বাণীৰ সাহিত্য চ'ৰাত গল্প কবিতা পাঠ কৰাৰ লগতে মহিলাৰ মেল অনুষ্ঠানটি পৰিচালনা কৰিবলৈ লয়। বিশ্ববিদ্যালয়ত পঢ়ি থকা দিনতে প্ৰথম পুথি 'চিল চিল চিলা লিখিবলৈ আৰম্ভ কৰে। ইয়াৰ লগে লগে সঙ্গীত, খেলাধূলা, গীত ৰচনাৰ লগতে সুৰ সংযোগ কৰা, গান পৰিবেশন কৰা আদিও আগবাঢ়ে। এই গৰাকী অবিৰত সাধনাৰ সৃষ্টিশীলা লেখিকাই হৈছে একেধাৰে কবি, গীতিকাৰ, প্ৰবন্ধ প্ৰনেতা। তেখেতৰ ৰচিত একাঙ্কিকা, শিশু সাহিত্যই সমাদৰ লাভ কৰাই নহয় শিশু পুথি 'চিল চিল চিলা ৰাগী চিল মিলা' ই সদৌ ভাৰত শিশু সাহিত্য প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে। তেখেতে অসমীয়া কবিতাত প্ৰকৃতিৰ পৰিবেশনৰ ওপৰত গৱেষণা গ্ৰন্থ লিখি ডক্টৰেট উপাধি

লয়। অসমৰ লোক সংস্কৃতিৰ ওপৰত গবেষনাপূর্ণ গ্রন্থ লিখি অসমী আইৰ সাহিত্যৰ ভঁৰাল চহকী কৰিছে। এই গৰাকী পণ্ডিত মহিলাৰ ৰচিত গ্রন্থ হুকুৰিতকৈয়ো অধিক হব। 'সুৰীয়া মাত' 'সোণবৰণীয়া আই', সুৰৰমুখী, অসমীয়া ওমলা গীত, মন উৰণীয়া আদি তেখেতৰ ৰচিত পুথি। আন্তর্জাতিক খ্যাতি অর্জন কৰা প্রতিভাময়ী কবি ডঃ নির্মলপ্রভা কেৱল অসমৰ গৌৰবেই নহয় ভাৰতৰো। এই গৰাকী সৃষ্টিশীলা মহিলাই কবিতাৰ বাহিৰেও সঙ্গীত নাটক, অপেৰা ৰচনা কৰাৰ উপৰিও নানান সাংস্কৃতিক অনুষ্ঠানৰ প্রযোজনা কৰি আহিছে। সাহিত্য, লোক সাহিত্য, লোকায়ত ঐতিহ্য, নৃতত্ব আৰু ইতিহাসৰ গবেষনাৰে অসমীয়া সাহিত্যক জাকত জিলিকা কৰি তুলিছে। বিশ্ববিদ্যালয়ৰ অধ্যাপনাৰ দায়ীত্ব সুচাৰুৰূপে পালন কৰাৰ উপৰিও বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তর্জাতিক বহু চেমিনাৰত বহুবাৰ আমন্ত্রিত হৈ ভাৰতক প্রতিনিধিত্ব কৰিছে। এনে এগৰাকী প্রখ্যাত মহিলা ব্যক্তিৰ সর্বাঙ্গীন বিকাশ সঁচাই অসমীয়া সমাজ আৰু জাতিৰ গৌৰব।

ঘৰে বাহিৰে সকলো ক্ষেত্রতে সমভাৱে কর্ম ছটিয়াই জীৱন সম্মোহনী গীত গোৱা ডঃ বৰদলৈয়ে ঘৰুৱা জীৱনতো মহাজীৱনৰ সুন্দৰ বং সানি সৌন্দর্য্যশালী কৰি তুলিছে; প্রেছ চলোৱা, ভাই হতক সুশিক্ষাৰে শিক্ষিত কৰি প্রতিষ্ঠা কৰা, নিজৰ কন্যা সন্তানক নিজৰ জ্ঞানৰ প্রভাতেৰে গুণে গৰিমাৰে গঢ়ি তোলা এগৰাকী সু গৃহিনী। তেখেতৰ দৰেই প্রতিভা সম্পন্না একমাত্র জীয়ৰীয়ে ললে উত্তৰ পূর্বাঞ্চলৰ ভিতৰতে জিওলজি বিষয়ত ডক্টৰেট ডিগ্রী। মাতৃ জাতিৰ চিৰ আদর্শময়ী মহিলা হিচাপে ডঃ বৰদলৈ আমাৰ শ্রদ্ধাৰ। এই গৰাকী চিৰনমস্য মাতৃয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া ভাষা বিভাগত এম এ পাচ কৰি ১৯৭২ চনত ডঃ সত্যেন্দ্রনাথ শর্মাৰ তত্ত্বাৱধানত অসমীয়া কবিতাত প্রকৃতিৰ পৰিবেশৰ ওপৰত

গৱেষণা গ্ৰন্থ লিখি ডক্টৰেট ডিগ্ৰী লাভ কৰে। অধ্যৱসায়কে মূলধন সাৰোগত কৰি ডঃ বৰদলৈয়ে উন্নতিৰ জখলাত আগুৱাই যায়। দৈনন্দিন জীৱন যাত্ৰাত কৰ্ম সিঁচি যোৱা ডঃ বৰদলৈয়ে প্ৰথমে বি বৰুৱা কলেজত অধ্যাপিকা নিযুক্ত হয়। এই কলেজত থাকোঁতেই বিদ্যায়তনিক দিশত কৈ সঙ্গীত সৃষ্টিত তেখেত বেছি ব্যস্ত হৈ পৰে। সেয়ে পিছলৈ গায়িকা নিৰ্মল প্ৰভা ৰূপান্তৰিত হল গীতিকাৰলৈ। সুৰ জগততো এই গৰাকী সাধিকাৰ স্থান অতি উচ্চত। তেখেতৰ সাধনাৰ সোণোৱালী স্বাক্ষৰ বহন কৰা গীত কবিতা আৰু সৃষ্টি শীল লেখনি সমূহৰ মাজত মূৰ্ত্ত হৈ পৰিছে তেখেতৰ ব্যক্তি গত জীৱনৰ জীৱন্ত কাহিনীবোৰ। গম্ভীৰ প্ৰজ্ঞাৰ অধিকাৰী হৈয়ো কবি যেন হেৰাই গৈছে 'একো নাই'ত। শ্ৰদ্ধেয়া বৰদলৈৰ সাহিত্য কৃতি আমি অল্পমতিয়ে বৰ্ণাব নোৱাৰো। ভাৰতীয় সাহিত্য সংস্কৃতি আৰু আধ্যাত্মিকতাৰ দিশত গভীৰ অধ্যয়ন আৰু চিন্তাচৰ্চ্চাৰ উৰ্দ্ধগামীতাই তেখেতৰ সাহিত্যকৃতিক স্বকীয়তা প্ৰদান কৰিছে। তেখেতে ভাৰতীয় জনজীৱনৰ ধ্যান ধাৰণা সাংস্কৃতিক পৰম্পৰা আৰু ঐতিহ্যৰ কথা বিশ্বৰ বিভিন্ন ঠাইত প্ৰকাশ কৰি জাতীয় গৌৰৱ কঢ়িয়াই আনিছে। তেখেতৰ সাহিত্য কৰ্মৰ নিদৰ্শন হিচাপে সাহিত্য সংস্কৃতি সম্পৰ্কীয় গ্ৰন্থ সৃষ্টি ধৰ্মী ৰচনা, শিশু সাহিত্য, অনুদিত গ্ৰন্থ, ইংৰাজী জীৱনালেখ্য। ইয়াৰোপৰি ডঃ ভূপেন হাজৰিকাৰ লগত কৰা লং প্লেয়িং গ্ৰামোফোন ৰেকৰ্ড আৰু কেছেট আদি।

১) সাহিত্য সংস্কৃতি সম্পৰ্কীয় গ্ৰন্থ :—

১) অসমৰ লোক সংস্কৃতি, ২) কবিতাৰ কথা, ৩) অসমৰ লোক কবিতা, ৪) সাহিত্য আৰু সংস্কৃতি, ৫) কবিতা দেশী বিদেশী, ৬) আধুনিক কবিতা, ৭) দেৱী, ৮) কবিতা আৰু প্ৰকৃতি, ৯) কাৰ্বি সমাজ সংস্কৃতিৰ এছেৰেঙা,

১০) গোপন সাধনা - ৰাতি সেৱা, ১১) বৰগীতৰ কথা, ১২) ৰবীন্দ্ৰনাথৰ গান আৰু কবিতা ১৩) যাত্ৰা আৰু অঙ্কিয়া ভাওনা ১৪) অসমীয়া চুটি গল্প (সম্পাদিত)

২) সৃষ্টি ধৰ্মী ৰচনা :- ১) বন ফৰিঙৰ ৰং ২) সমী-পেষু ২) অন্তৰঙ্গ, ৪) দিনৰ পাছত দিন ৫) সুদীৰ্ঘ দিন আৰু ঋতু, ৭) মেঘদূত (কাব্য নাটক) ৮) উৰ্বশী (অপেৰা) ১২) ফুল কোঁৱৰ (কাব্য নাটক) ১৩) মহাকাল (নাটক) ১৪) ৰজা (অপেৰা) ১৫) কঙ্কু (অপেৰা) ১৬) মেঘমল্লাৰ (কাব্যনাটক) ১৭) বিহুৰ বিৰিণা পাত (অপেৰা)

৩) শিশু সাহিত্য :—১) অসমীয়া ওমলা গীত, ২) কথা সৰিৎ সাগৰ ৩) সুৱদী মাত ৪) সুৰীয়া মাত ৫) শিশু গীতি নাট্য সংকলন ৬) চিল চিল চিলা ৭) শালিকী ৰটো টৌ ৮) মন উৰণীয়া ৯) মানুহ

৪) গীতি সাহিত্য :— ১) সোণ বৰণী আই ২) সুৰুযমুখী

৫) অনুদিত গ্ৰন্থ :— ১) তুলসী দাস (জীৱনী) ২) মীৰাবাই ৩) বিন্দু আৰু সিন্দু (উপন্যাস) ৪) আমাৰ লাগতীয়াল গছ গছনি ৫) এচিযাৰ সাধু কথা ৬) উৰিষ্যাৰ লোক সংস্কৃতি ৭) ৰাচিয়াৰ কবিতা ৮) ডাকঘৰ ৯) নাম ঘোষা (বঙলালৈ) ১০) শুভ বাৰ্ত্তা ১১) প্ৰাৰ্থনা

৫(ইংৰাজী জীৱনীলেখ্য :—১) ৰজনীকান্ত বৰদলৈ, ২) ৰঘুনাথ চৌধাৰী। ইয়াৰোপৰি আকাশবাণী যোগে প্ৰচাৰিত আলেখ্য আৰু গীতৰ কেছেট আদি। শ্ৰদ্ধেয়া ড° বৰদলৈৰ সাহিত্য সৃষ্টিৰ মূল প্ৰেৰনা হৈছে অসমৰ জন জীৱন। এই জন জীৱনৰ ভেটিতে তেখেতে ভিন ভিন গবেষণা পত্ৰ ৰচনা কৰিছে আৰু

বিশ্বৰ পণ্ডিত সমাজত নতুন তথ্যৰ উপস্থাপন কৰি প্ৰশংসিত হোৱাতো বিদ্য সমাজৰ জ্ঞাত। কৰলৈ গলে তেখেতৰ সাহিত্যৰ ক্ষেত্ৰ বৰ বহল আৰু তেখেতে যশস্যাও লভিছে অনেক। তেখেতে ১৯৭৯ চনত ইণ্টাৰ নেচনেল বায়োগ্ৰাফিকেল চেণ্টাৰে আমেৰিকাত আয়োজন কৰা সম্মিলনত যোগদান কৰি ভাৰতীয় সাহিত্য, সংগীত, চিত্ৰকলা সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। ইয়াৰ পাছতে আই বি চিয়ে অনুষ্ঠিত কৰা আন্তৰ্জাতিক সম্মিলনত যোগদান কৰিবলৈ ইংলণ্ডলৈ যায় আৰু ভাৰতীয় সাহিত্য সম্পৰ্কে আলোচনা আগবঢ়ায়। ১৯৮১ চনত জাৰ্মানীৰ চাৰব্ৰুকেন বিশ্ববিদ্যালয়ত অনুষ্ঠিত সম্মিলনত ভাৰতীয় সংস্কৃতি সম্পৰ্কে গবেষণা পত্ৰ পাঠ কৰে। ১৯৮৬ চনত হামবাৰ্গ বিশ্ববিদ্যালয়ত ভাৰতীয় সংস্কৃতি আৰু সাহিত্য সম্পৰ্কে আলোচনা আগবঢ়ায়। ১৯৯০ চনত চীন দেশলৈ যায়। বৰ্তমানলৈকে গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগত অধ্যাপনা কৰি থকা ডঃ বৰদলৈয়ে ৰচনা কৰা কেইবাখনিও গ্ৰন্থই সৰ্বভাৰতীয় খ্যাতি লাভ কৰিছে। তেখেত সাহিত্য একাডেমীৰ এগৰাকী সদস্যা। তেখেতৰ সুদীৰ্ঘ দিন আৰু ঋতু গ্ৰন্থই লাভ কৰিছে সাহিত্য একাডেমী পুৰস্কাৰ। কেৱল সেয়ে নহয়, গভীৰ অধ্যয়ন আৰু আধ্যাত্মিক চিন্তাৰে শক্তি তত্ত্ব, শক্তি সাধনা, শক্তি দৰ্শন আৰু শক্তি সম্পৰ্কে থকা জন বিশ্বাস আদি অধ্যয়নেৰে তথ্য আহৰণ কৰি গৱেষণা মূলক তত্ত্বগধুৰ গ্ৰন্থ 'দেৱী' প্ৰণয়ন কৰি নলবাৰীৰ সংস্কৃত টোলৰ পৰা সৰস্বতী উপাধি লাভ কৰাৰ উপৰিও অসম সাহিত্য সভাই সৰ্বশ্ৰেষ্ঠ গবেষণা পুৰস্কাৰ প্ৰদান কৰে। শ্ৰদ্ধেয়া বৰদলৈৰ দৰে এগৰাকী সংস্কৃতি সাধিকা সঁচাই অসমীয়া জাতিৰ গৌৰৱ। তেখেতে অক্লান্ত শ্ৰমেৰে সাহিত্যৰ সৌষ্ঠৱ বঢ়াই শিক্ষাধৰ্মী সাংস্কৃতিক ভূমিকা গ্ৰহণ কৰি আহিছে। ১৯৯১ চনত এই গৰাকী প্ৰথিতযশা সাহিত্যিকক, অসম সাহিত্য সভাৰ সৰ্বোচ্চ

আসন খনিৰ সভাপতি নিৰ্বাচিত কৰা হয়। এইয়া অসম বাসীৰ বাবে এক গৌৰবৰ বিষয়। ভাষা জননীৰ সেৱাত আত্ম নিয়োগ কৰি অসমীয়া সাহিত্যৰ ভঁৰাল ভৰাই পেলোৱা এই গবাকী একনিষ্ঠা সেৱীকাই অবিৰতভাবে তেখেতৰ কলম চলাই আছে বৰ্ত্তমানেও। এই গৰাকী লেখিকাৰ সাহিত্য চেতনাৰ লগত অসমৰ 'জাতীয় জীৱন দৃষ্টি' সংযুক্ত হৈ আছে আৰু তাৰে স্পষ্ট প্ৰমান সাহিত্য সভাৰ সভাপতিৰ গুৰুদায়ীত্ব বহন কৰি উদাত্ত কণ্ঠে ৰাইজৰ আগত লিখিত অভিভাষণ পাঠেৰে কৰযোৰে মিনতিত লিপিবদ্ধ ভাষন—"গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৱাহৰলাল নেহেৰু অধ্যাপিকাৰ দায়ীত্ব, বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা নিৰ্বাচিত হৈ জাতীয় অধ্যাপিকাৰ দায়ীত্বত থকাৰ লগতে "অসম সাহিত্য সভাৰ দায়ীত্বও মই মূৰ পাতি লব লগা হল। মোলৈ মানুহৰ ইমান মৰম, মোৰ ওপৰত মানুহৰ ইমান আস্থা। ভাবিলে চুচকু পানীৰে ভৰে। বিদেশত আন্তৰ্জাতিক স্বীকৃতি বহুতবাৰ পালেও তাৰ লগত নিজৰ ঠাইৰ স্বীকৃতিৰ তুলনা নাই। মই কিহেৰে নিজৰ ঠাইৰ মানুহক এই আস্থাৰ এই আন্তৰিকতাৰ প্ৰতিদান দিম? চিৰ চেনেহী ভাষা জননীৰ সেৱাৰ বেদীত চিৰ দিন নিজক মই উৎসৰ্গা কৰি থৈছো, আমৰণ মই এই ব্ৰতত ব্ৰতী হৈ থাকিম।" তেখেতে অসম সাহিত্য সভাৰ এবছৰীয়া কৰ্ম কালৰ দায়ীত্ববোধৰ পৰা স্পষ্ট ভাষাৰে ঘোষনা কৰিছে "প্ৰকৃতিক দুৰ্যোগৰ বাহিৰে অন্য সময় "বেয়া সময়" বুলি অসম সাহিত্য সভাই নিষ্ক্ৰিয় হৈ থাকিব নোৱাৰে। পাহাৰে ভৈয়ামে চাহ বাগিছাই, চ'ৰ অঞ্চলে সংগঠনৰ কাম পৰি আছে। পাৰস্পৰিক সম্প্ৰীতি কৰণে এযাৰ মাতো যে কিমান ডাঙৰ কথা ভিন্ন জন গোষ্ঠী, ভিন্ন ভাষী সকলৰ ওচৰলৈ যাওতেই প্ৰমান পাইছিলো।"

নীলিমা দত্ত

অসম সাহিত্য সভাৰ অষ্টপঞ্চাশত্তম অধিবেশনৰ সভাপতি

কথাশিল্পী লক্ষ্যধৰ চৌধুৰী

সময়ে সময়ে, যুগে যুগে আই বসুমতীৰ কোলাত এচাম পুৰুষৰ জন্ম হয়। সেইচাম পুৰুষে নানা দুখ যাতনাৰ মাজতো সময় অকনমান উলিয়াই সেই সময়ৰ সদব্যৱহাৰ কৰি সমাজ তথা দেশক প্ৰতিকূল বাস্তৱতাৰ পৰা ৰক্ষা কৰে। সাহিত্যিকে সাহিত্যৰ মাধ্যমেৰে, শিল্পীয়ে শিল্পীৰ মনোজগতৰ বাস্তৱ জীৱনৰ আলম লৈ তাতে কল্পনাৰ ৰহন সানি একোখন সমাজ একোটা ভাষা সংস্কৃতিক ৰক্ষণা বেক্ষণ দি একোটা জাতিক একোখন সমাজক ইতিহাসৰ বুকুত জাকত জিলিকা কৰি তোলে আৰু তেনে এজন শিল্পী সাহিত্যিকে প্ৰকৃততে স্বদেশ প্ৰেমিক। অভিনেতা, নাট্যকাৰ, বোল-ছবি পৰিচালক ৰাজনীতিবিদ কবি জীৱনীকাৰ সাংবাদিক ৰাগ্মী পুৰুষ সৌন্দৰ্য্যৰ উপাসক কথা শিল্পী লক্ষ্যধৰ চৌধুৰী দেৱৰ জন্ম হয় ১৯১৫ চনত ইতিহাসে গৰকা উত্তৰ গুৱাহাটীৰ ৰংমহল'ত। দেশজননীৰ আহ্বান পালন কৰি চিৰ যুগমীয়া যশস্যা অৰ্জ্জন কৰিবলৈ অহোপুৰুষাৰ্থ সংগ্ৰাম তথা চেষ্টা চলাই অহা তেনে এজন ব্যক্তিয়ে হল—আমাৰ সকলোৰে অতি আদৰৰ, অতি চেনেহৰ শ্ৰীযুত লক্ষ্যধৰ চৌধুৰী ডাঙৰীয়া। তেখেতৰ পিতৃ গুৱাহাটী কোৰ্টৰ চিৰস্তাদাৰ ৺ভূধৰ চৌধুৰী। ৺ভূধৰ চৌধুৰীৰ ছজন পুত্ৰৰ পঞ্চম জনেই হ'ল লক্ষ্যধৰ চৌধুৰী।

প্ৰাথমিক শিক্ষা ওপজা স্থান ৰংমহলতে লৈছিল যদিও ১৯২৫ চনত গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত শিক্ষা লৈ ১৯৩৩ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৩৭ চনত কটন কলেজৰ

পৰা সুখ্যাতিৰে বি এছ চি পাছ কৰি ডেকা কালতে চাকৰি জীৱনৰ সোৱাদৰ মানসেৰে ১৯৩৯ চনত উত্তৰ গুৱাহাটীৰ আউনী আটি কমলদেৱ হাইস্কুলৰ শিক্ষক হিচাপে নিযুক্তি হয়। ১৯৪২ চনৰ গান্ধীজীৰ নেতৃত্বত দেশজুৰি হোৱা গণ আন্দোলনে গণ শিল্পী চৌধুৰীক অতি ব্যাকুল কৰিলে আৰু ১১/৮/৪২ তাৰিখে শিক্ষকৰ পদ ত্যাগী দেশ মাতৃৰ সেৱাত জপিয়াই পৰিল। তেখেতৰ ভাষাত—"মই প্ৰথমতে শিক্ষক হাৰ পিছত ভলন্টিয়াৰ অৰ্থাৎ কংগ্ৰেছৰ ভলণ্টিয়াৰ।" এই মুক্তি সংগ্ৰামত নামি চাৰি বছৰৰো অধিক সময় তেওঁ পলাতক অৱস্থাত থাকে। গোপন বাৰ্ত্তা বাহক, ভলণ্টিয়াৰ আদি বিভিন্ন কৰ্মৰাজিৰে দেশলৈ সেৱা আগবঢ়াই। আৰু লগে লগে সৰ্বভাৰতীয় নেতৃবৰ্গ সকল যেনে, লোকনায়ক জয়প্ৰকাশ নাৰায়ন, অৰুনা আশ্ৰফআলী; ৰাম মনোহৰ লোহিয়া, অচ্যুত পট্টবৰ্দ্ধন আদিৰ সংস্পৰ্শলৈ আহে আৰু ধীৰে ধীৰে সমাজ বাদৰ প্ৰতি আকৃষ্ট হয়।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ প্ৰায় ডেৰ বছৰ মানৰ পাছতেই নবৌৱেক প্ৰজ্ঞা চৌধুৰীৰ ভনীয়েক শ্ৰী উষা চৌধুৰীৰ সতে ১৯৪৯ চনৰ মে মাহৰ ৯ তাৰিখে (পচিশ বহাগ) লক্ষ্যধৰ চৌধুৰীৰ বিবাহ পাশত আৱদ্ধ হৈ দাম্পত্য জীৱন আৰম্ভ হয়। উষা চৌধুৰীয়ো পাণবজাৰ ছোৱালী হাইস্কুলৰ শিক্ষয়িত্ৰী আছিল। তেখেত সকলৰ জীৱনলৈ পুত্ৰ কন্যা লগ লাগি পাচোটা সন্তান আহিল সময়ৰ গতিত এই পাচোটা সন্তানেই পঢ়া শুনাত যথেষ্ঠ পৰিমানৰ সুনাম অৰ্জ্জন কৰে। এই বিষয়ে কিছুমান সাহিত্যিক সাংবাদিকে তেওঁৰ পৰিয়ালৰ বিষয়ে এই বুলি মন্তব্য দিছিল যে,— চৌধুৰীৰ পৰিয়ালত সৰস্বতীহে বাহ লৈছিল, লক্ষীয়ে লব নোৱাৰিলে কিয়নো তেওঁৰ পৰিয়ালৰ একমাত্ৰ আয়ৰ, উপাৰ্জ্জনৰ সম্বল আছিল তেওঁৰ সহধৰ্মিনী শ্ৰী উষা চৌধুৰী। শিক্ষয়িত্ৰী কৰা সীমিত

উপাৰ্জ্জনৰে পৰিয়াল পোহ-পাল নিবলৈ কিছু কষ্ট স্বীকাৰ প্ৰয়োজনে কৰিব লগা হৈছিল। সময়ত Private Tution ও কৰিব লগা হোৱাত চৌধুৰীদেৱেও কিছুভাগী পত্নীৰ সতে হাত মিলাই পৰিয়ালৰ আৰ্থিক দিশটো কিছু পৰিমাণে টনবিয়াল কৰাত সহযোগ কৰিছিল। পত্নী :—উষা চৌধুৰী ধনীৰ দুলালী যদিও তেওঁ কিন্তু গান্ধীৰ আদৰ্শত গঢ়ি উঠা আশ্ৰমত প্ৰশিক্ষণ লৈ অহা আদৰ্শ গৃহিনীয়েই নহয়—মাতৃ স্বৰূপাও। এই সময়তে ১৯৫২ চনত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। এই নিৰ্বাচনত গুৱাহাটীৰ লোক সভা সমষ্টিৰ পৰা Socialist প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰি শ্ৰী চৌধুৰীদেৱ পৰাজিত হয়। এই একে সময়তে পত্নীৰ পৰামৰ্শমতে চৌধুৰীয়ে আইনৰ ছাত্ৰৰূপে ল-কলেজত নাম লগালে। কিছুদিন নিয়মিতমতে কলেজলৈ গল যদিও পিছত মন আমুৱালে। সাহিত্যিক কথাশিল্পী মানৱ দৰদীয়ে গাওঁ অঞ্চলৰ বাদীবিবাদী সকলে গোচৰ তৰিবলৈ আহি উকিলৰ খৰছ পাতি যোগানৰ বাবে মাটি ভেটি বিক্ৰী কৰাৰ কথাবোৰ মনলৈ আনি নিজেই সিদ্ধান্ত কৰিলে যে এই বিদ্যা অৰ্জ্জণ কৰিলেও তেওঁ কোনোদিনে ওকালতি কৰিব নোৱাৰিব আইনৰ শিক্ষা সিমানতে সামৰণি মাৰিলে। পিছত গুৱাহাটী হিন্দীস্কুলৰ গণিতৰ শিক্ষকৰূপে নিযুক্তি পালে। প্ৰায় ছয় (৬) মাহ মান দ্বিতীয়বাৰৰ বাবে শিক্ষক হৈ থাকোতে ৰিফাইনেৰী সম্পৰ্কীয় প্ৰথম আন্দোলন আৰম্ভ হল। সকলো বিৰোধী দল এক গোট হৈ শ্ৰী চৌধুৰী কামৰূপ জিলাৰ একচন কমিটিৰ সভাপতি নিৰ্বাচিত হ'ল। লগে লগে শিক্ষকতাৰ অন্ত পৰিল।

অভিনয় আৰু ৰাজনীতিক লৈয়ে ব্যস্ত চৌধুৰী দেৱে প্ৰতি ক্ষণতে ত্যাগহে কৰিলে—আয়ৰ কথা কোনোদিনেই নেভাবিলে। ১৯৫৭ চনৰ নিৰ্ব্বাচনতো কমলপুৰ বিধান সভাৰ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হয়। ১৯৬২ চনৰ নিৰ্ব্বাচনত প্ৰতিদ্বন্দ্বিতাৰ

পৰা বিৰত থাকে যদিও ১৯৬৪-৬৫ চনৰ গুৱাহাটী পৌৰসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি অনা কংগ্ৰেছী সভাপতি পদ দখলকাৰী হিচাবে ইতিহাস ৰচে। ১৯৬৭ চনত কমলপুৰ বিধান সভা সমষ্টিৰ পৰা পুনৰ প্ৰতিদ্বন্দ্বিতা কৰি প্ৰথমবাৰৰ বাবে অসম বিধান সভাৰ সদস্য নিৰ্ব্বাচিত হয়। বিধান সভাৰ সদস্যৰূপে ডঃ ভূপেন হাজৰিকা কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা আৰু তেখেতৰ যুটীয়া প্ৰচেষ্টাই অসমৰ সাংস্কৃতিক দিশত এক নতুন অভিলেষ সৃষ্টি কৰিছিল। ১৯৭২ চনৰ সাধাৰণ নিৰ্বাচনত কমলপুৰ বিধান সভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হয়। এই নিৰ্ব্বাচনৰ পাছতে, সমগ্ৰ দেশজুৰি গণ আন্দোলন মুখৰিত হৈ পৰে। লগে লগে ৺ইন্দিৰা গান্ধীয়ে জৰুৰী কালীন অৱস্থা দেশত প্ৰয়োগ কৰে। লগে লগে দেশ জুৰি জাগি উঠিল। লোক নায়ক জয় প্ৰকাশ নাৰায়ণৰ নেতৃত্বত ভাৰতীয় প্ৰজাই জেহাদ ঘোষণা কৰিলে। ফলত জনতা দল গঠন হল। বিৰোধী পক্ষইত্ত হাত মিলালে। ফলত ১৯৭৭ চনৰ লোক সভাৰ নিৰ্ব্বাচনত জনতা দল জয়ী হ'ল। ১৯৭৮ চনত জনতাদলৰ প্ৰাৰ্থীৰূপে জালুকবাৰী সমষ্টিৰ পৰা অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হৈ শ্ৰীচৌধুৰীয়ে শিক্ষা আৰু সাংস্কৃতিক দপ্তৰৰ মন্ত্ৰী হিচাবে দায়িত্বভাৰ গ্ৰহণ কৰিছিল। ১৯৭৫ চনত গুৱাহাটী পৌৰ নিগমৰ দ্বিতীয়জন মেয়ৰ নিৰ্ব্বাচিত হৈ নিজ দক্ষতা প্ৰকাশ কৰিবলৈ সক্ষম হৈছিল।

কথা শিল্পী, নাট্যকাৰ, লেখক হিচাবে অসমীয়া সমাজত বেচি পৰিচিত চৌধুৰী দেৱৰ আলি বাবা; নিমিলা অঙ্ক, ধৃতৰাষ্ট্ৰ, কংসবধ, ৰক্ষ কুমাৰ, ওমলা ঘৰ, বিষ্ণু শৰ্ম্মাৰ বিচাৰ, পথাৰ; যন্ত্ৰনিকাৰ আৰে আৰে, ঠিকনা আদি মঞ্চ নাটৰ উপৰিও অনাতাঁৰ নাট,—প্ৰায় আঠৈকুৰি, কথা ছবিৰ চিত্ৰ নাট্যও ৰচনা কৰে। বদন বৰফুকন কথা ছবিৰ চিত্ৰনাট্য ৰচনা কৰি বোলছবি জগতত

দেখা দিয়া শিল্পীজনে, নিজে চিত্ৰনাট্য লিখি, পৰিচালনা কৰি ১৯৫৫ চনত অভিনয় কৰি "নিমিলা অঙ্ক" কথাছবি সম্পন্ন কৰে। চিত্ৰনাট্য ; নাট ৰচনাৰ উপৰিও বিখ্যাত হল - একাধিক মঞ্চ নাটৰ ভাৱৰীয়া, বোলছবি, অনাতাৰ নাট, টি ভি চিৰিয়েল আদি অভিনয় কৰি। ১৯৮৯ চনত 'মানুহ বিচাৰি' গ্ৰন্থৰ যোগেদি ভাৰতীয় ভাষা পৰিষদ বটা লাভ কৰে। শেহতীয়াত ১৯৯১ বছৰটোত "ফিৰিঙতি" কথা ছবিত আৰু পথৰু ঘাটে বিৰিঙিয়াই"—নামৰ টি ভি চিৰিয়েলখনত মঙ্গলদৈ ব্যাসপাৰা অঞ্চলৰ বুৰঞ্জীবিদ আৰু স্বাধীনতা আন্দোলনৰ সংগ্ৰামী পুৰুষ ৺দীনেশ্বৰ শৰ্ম্মাৰ ভাও কৰি যথেষ্ট সন্মান পাইছে।

সৰ্ব্বশেষত তেওঁ ৰচনা কৰা নাট আৰু বোলছবি জগতত উল্লেখনীয় অৱদান তলত উল্লেখ কৰা হ'ল।

কথা ছৱিৰ চিত্ৰনাট্য ৰচনা,—বদন বৰফুকন, নিমিলা অঙ্ক, ৰূপান্তৰ,। পৰিচালক হিচাবে- নিমিলা অঙ্ক, লাচিত বৰ-ফুকন (প্ৰবীন ফুকনৰ সৈতে যুগ্মভাবে) অভিনয় কৰা বোলছবিৰ বদন বৰফুকন, নিমিলা অঙ্ক, আমাৰ ঘৰ, লাচিত বৰফুকন, বিভ্ৰাট, ফিৰিঙতি, দূৰদৰ্শনৰ নাটত অভিনয়—ঠিকনা, প্ৰত্যাবৰ্ত্তন, ভগ্নাৱশেষ লালবন্দী, পথৰুঘাটে বিৰিঙিয়াই (চিৰিয়েল) অভিনয় কৰা মঞ্চ নাট কেইখনমান)—একলব্য—মূল ভূমিকা, ৰক্ষকুমাৰ—মূল ভূমিকা, "১৮৫৭"-মেলিৰী, মেদেলুৱা—সোণা মহৰী, ঠিকনা—গজানন হাজৰিকা জখলা—পুলিচ, নিমিলা অঙ্ক-হৰকান্ত। তেখেতৰ ছপা গ্ৰন্থসমূহ—একলব্য—নাটক, ৰক্ষকুমাৰ-নাটক, আলিবাবা-নাটক, নিমিলা অঙ্ক নাটক, ওমলা ঘৰ—নাটক ; মইনামতী—কাহিনী, মানুহ বিচাৰি-কাহিনী, অভিনেতা জীৱনৰ কাহিনী—কাহিনী, ভিন্ন জন ভিন্নমত কাহিনী (প্ৰকাশ হৈ আছে)

এইজন ব্যক্তিয়ে নবম মান শ্ৰেণীত থাকোতে ঐতিহাসিক

কুমাৰ ভাস্কৰ নাট্য মন্দিৰতে অভিনয়ৰ জীৱনৰ যি পাতনি মেলিছিল সেই ধাৰা প্ৰবাহমান; আজিও চলি আছে।

বৰ্তমান অসমৰ এজন জনপ্ৰিয় বক্তা, হাহিয়েই যাৰ জীৱন; যিকোনো সভাতে কি ডেকা কি বুঢ়া আটাইকে হুহুৱাব পৰা তথা কথা শিল্পী হিচাপে পৰিচিত শ্ৰীচৌধুৰী দেৱো ১৯৯১ চনত গোৰেশ্বৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ এগৰাকী সন্মানীয় সভাপতিৰূপে নিৰ্বাচিত হয়। অধিবেশন স্থলিত সভাপতিৰ আসনৰ পৰা দিয়া অভিভাষণ বিশেষ উল্লেখনীয় অভিভাষণ। তেখেতে চৰকাৰে আগবঢ়োৱা 'শিল্পী পেঞ্চন" প্ৰত্যাখ্যান কৰিছে।

মনোৰমা দাস

চন্দ্ৰা দেৱী ভূঞা

অসম সাহিত্য সভাৰ ৫৭ তম্
অধিবেশনৰ সভাপতি
পদ্মশ্ৰী ড° ভূপেন হাজৰিকা

'যদি অসম তেওঁলোকৰ আপোনেই হয় তেন্তে অসমত বহু বছৰ থাকি নিজৰ ভাষাক সন্মান কৰিও অসমীয়া ভাষাটো শিকি পেলালেহে অসমীয়া ভাষা-ভাষীৰ পৰ পৰ নেলাগিব এই কথাটো জানো গণতান্ত্ৰিক কথা নহয় ? এই প্ৰশ্নটো এজন উদাৰ বঙালী, উদাৰ ৰাজস্থানী, উদাৰ বিহাৰী, উদাৰ নেপালীভাইক সোধক, নিশ্চয় ক'ব "এই দৃষ্টিভংগীৰ কথা।" সেই দৃষ্টিভংগী দান কৰাত সাহিত্য সভাৰ কম দায়িত্ব নাই'—এই বুলি কোৱা ড° ভূপেন হাজৰিকাই হয়তো নিশ্চয় কাহানিও এই কথা মনলৈ অনা নাছিল যে এদিন তেখেতেই অসম সাহিত্য সভাৰ সভাপতিৰ আসনত বহি তেনে দৃষ্টি ভংগী দান কৰাৰ দায়িত্ব নিজে বহন কৰিব লাগিব।

দৰাচলতে হৃদয়ৰ পৰা গীত ৰচি, অন্তৰৰ সুৰেৰে তিয়াই, কণ্ঠক বাহনৰূপে লৈ মানৱতাবাদী শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰাৰ প্ৰচেষ্টাতে আজীৱন কটোৱা সংস্কৃতিক বন্ধুৱা বা ৰণুৱাহে মই এইবুলি দিহিঙে দিপাঙে ঘূৰি ফুৰি এক যাযাবৰী জীৱন অতি বাহিত কৰা ড° ভূপেন হাজৰিকা কলা-সংস্কৃতি জগতত গীতিকাৰ, সুৰকাৰ, কণ্ঠ শিল্পী, চলচ্চিত্ৰ পৰিচালক, সংগীত পৰিচালক ৰূপেহে পৰিচিত। অথচ তেখেত যে এগৰাকী গদ্য লিখকো, গদ্য, সাহিত্যতো তেখেতৰ কিছু হলেও অৱদান আছে সেই কথা

অসম সাহিত্য সভাৰ ৫৯ তম অধিবেশনৰ সভা পতিৰ পদ লাভ কৰাৰ সময় চোৱাৰ পিচৰ পৰাহে যেনিৰা পোহৰলৈ আহে। সিও ৰতিমোহন নাথে সম্পাদনা কৰি উলিওৱা পোন্ধৰখন গ্ৰন্থ প্ৰকাশৰ পিচত। তাৰ আগতে হয়তো বহুতেই জনা নাছিল যে কণ্ঠশিল্পী, চিত্ৰশিল্পী ড° হাজৰিকায়ো সুন্দৰ সুন্দৰ গদ্য ৰচনা কৰিব পাৰে। তেখেত গদ্য সাহিত্যৰ এগৰাকী কৃতী লিখক। দেশ-বিদেশৰ, নানান কাকত আলোচনীত লিখা প্ৰবন্ধবোৰকে অতি পৰিপাতিকৈ যুগুতাই গ্ৰন্থ আকাৰত প্ৰকাশ কৰি উলিওৱা সম্পাদক ৰতিমোহন নাথ আৰু প্ৰকাশক সূৰ্য্য হাজৰিকাই অকল যে ড° হাজৰিকাৰেই ডাঙৰ উপকাৰ কৰিলে এনে নহয়, অসমীয়া সাহিত্য জগতলৈয়ো আগবঢ়ালে এটি মহৎ অৱদান। পঢ়ুৱৈ সকল উপকৃত হ'ল। আমি নিশ্চয় আশা কৰিব পাৰো যে তেখেতৰ এনেধৰণৰ চিন্তা চৰ্চাৰে পূৰ্ণ নিবন্ধ বোৰ সমাজ সচেতন শিল্পী ড° হাজৰিকাক এগৰাকী চিন্তাশীল সাহিত্যিকৰূপে স্বীকৃতি দিব। ৰতিমোহন নাথে কৃষ্টিৰ পথাৰে পথাৰে' গ্ৰন্থখনিৰ পাতনিত এইদৰে কৈছে— 'ভূপেন হাজৰিকাৰ গদ্যৰ এক স্বকীয়া আকৰ্ষণ আছে। তেওঁৰ গীতৰ ভাষাত যেনেকৈ এক স্বকীয়া কলাশৈলী আছে, তেওঁৰ গদ্য সমূহতো তেনেকৈ কলা সম্মত এক স্বকীয় ভষাশৈলী আছে, তেখেতৰ এনে গদ্য সমূহৰ সাহিত্যিক মূল্য কিবা আছে নে নাই সেই বিষয়ে তেওঁ নিজে কাহানিও একো ভবা চিন্তা কৰা নাই সেইটো তেওঁৰ উদ্দেশ্যও নহয় প্ৰকাশহে তেওঁৰ মূখ্য উদ্দেশ্য। সেই দায়িত্ব সাহিত্যৰ সমালোচকসকলৰ বাবে এৰি থৈ এটা কথা অৱশ্যে স্বীকাৰ কৰিবই লাগিব যে ভূপেন হাজৰিকাৰ এই গদ্যসমূহৰ এক স্বকীয়া মূল্য আছে। সেয়া কেৱল কলা সম্মত উপস্থাপন পদ্ধতিৰ বাবেই নহয় মূল্য আছে তাৰ বিষয়বস্তু সমূহৰ বাবেও।'

কৃষ্টিৰ পথাৰে পথাৰে প্ৰসঙ্গ সুন্দৰৰ সম্পৰ্কে ড° হাজৰিকাদেৱেও

কৈছে এইদৰে—“এই প্ৰৱন্ধখিনি মোৰ বৰ মৰমৰ। এক বিশেষ গদ্য শৈলী মই যে ব্যৱহাৰ কৰিছিলোঁ। বা এতিয়াও কৰোঁ। জীয়া বিষয় এটি লৈ সাংস্কৃতিক ৰিপৰ্ট যেন দিছোঁ। পঢ়ুৱৈক যেন মোৰ ওচৰতে ৰাখি কথাবোৰ বৰ্ণাই গৈছো।’

ৰতিমোহন নাথে সম্পাদনা কৰি উলিওৱা ড° হাজৰিকাৰ পোন্ধৰখন গ্ৰন্থ হল জ্যোতি ককাইদেউ, বিষ্ণু ককাইদেউ, ৰহাগ মাথো এটি ঋতু নহয়, বহ্নিমান লুইতৰ পাৰে পাৰে, কৃষ্টিৰ পথাৰে পথাৰে, নন্দন তত্বৰ কৰ্মী সকল, দিহিঙে দিপাঙে, বহ্নিমান ব্ৰহ্মপুত্ৰ, সময়ৰ পখী ঘোৰাত উঠি, মই এটি যাযাবৰ, গীতাৱলী, সোঁৱৰণী মোৰ বাউলী জীৱনৰ, সম্পাদকীয়, সুন্দৰৰ সক বৰ আলিয়েদি আৰু ভূপেন মামাৰ গীতে মাতে অ, আ, ক, খ।

কিছু হলেও আঘাত লগা কথা। লিখক হিচাবে স্বীকৃতি নিদিয়াৰ দৰেই আমেৰিকাত ডিগ্ৰী লাভ কৰা কথাযাৰিও গুৱাহাটী বিশ্ববিদ্যালয়ে সহজে মানি লবলৈ টান পাইছিল। লগতে উপাচাৰ্য্য গৰাকীয়ে তিনি দিনৰ অনুপস্থিতিৰ দৰমহা কটাত অপমানিতবোধ কৰি বিশ্ববিদ্যালয়ৰ প্ৰবক্তা চাকৰিটোকে ইস্তফা দি ড° হাজৰিকাই এক যাযাবৰী জীৱন লাভ কৰিব লগীয়া হ’ল। অথচ কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰা প্ৰথম অসমীয়া ব্যক্তি হ’ল ভূপেন হাজৰিকা। সেৌ তাহানি কালতে অৰ্থাৎ পঞ্চাশ দশকৰ আৰম্ভণীতে অসমৰ পৰা সুদূৰ আমেৰিকালৈ গৈ ডক্টৰেট ডিগ্ৰী লাভ কৰাটোৱে কিমান কঠিন কাম আছিল। পিচে উক্ত বিশ্ববিদ্যালয়ৰ ডক্টৰেট শ্ৰেণীৰ ছাত্ৰ হৈ থকা সময় চোৱাতেই ড° হাজৰিকাৰ এক সৌভাগ্য উপস্থিত হৈছিল। সি হ’ল ‘NEW INDIA’ নামৰ ইংৰাজী আলোচনী এখনৰ সম্পাদকৰ পদ লাভ। হিন্দুস্থান ষ্টুডেণ্ট এছচিয়েচনৰ একজিকিউটিভ কমিটিয়ে ড° হাজৰিকাক এনে এটি সন্মানীয় পদৰ দায়িত্ব দিছিল।

ডঃ হাজৰিকাৰ সাহিত্য বিষয়ত যে কিছু অৱদান আছে সেই কথা আৰু কেইটামান কথাৰ পৰা স্পষ্ট হব পাৰি। সি হ'ল বিন্দু, গতি, আমাৰ প্ৰতিনিধি, প্ৰতিধ্বনি আদি অসমীয়া আলোচনীৰ সম্পাদক। ইয়াৰ ভিতৰত গতি, বিন্দু (মিনি আলোচনীৰ) আৰু প্ৰতিধ্বনি নামৰ আলোচনী কেইখনৰ প্ৰকাশ সম্প্ৰতি বন্ধ হৈ গৈছে। মাথোন আমাৰ প্ৰতিনিধি' খনে চেগা চোৰোকাকৈ ভুমুকি মাৰি আছে। সিয়ো পূৰ্বৰ দৰে মাহেকীয়া নহৈ "বিশেষ শাৰদীয় সংখ্যা" অথবা "বিশেষ ৰঙালী বিহু সংখ্যা" ৰূপেহে। সম্প্ৰতি দেশৰ অন্যতম ব্যস্ত ব্যক্তি হিচাবে নানান চিন্তা চৰ্চাত লাগি থাকিও যে ডঃ হাজৰিকাই উক্ত আলোচনী খনৰ সম্পাদনাৰ কাৰ্য্য চলাই আছে ই সঁচাকৈয়ে পঢ়ুৱৈসকলৰ বাবে অতি আনন্দৰ কথা।

সংগীতৰ কথা, সাহিত্যৰ কথা কোৱাৰ লগতে ডঃ হাজৰিকাৰ চলচ্চিত্ৰ জগতলৈ আগবঢ়োৱা অৱদানৰ কথা কিছু নকলে হয়তো এই লেখকৰ নিবন্ধ লিখাৰ উদ্দেশ্য আধৰুৱা হব। মিলানৰ এষাৰ কথা হাজৰিকাই বোধকৰো বাৰুকৈয়ে উপলব্ধি কৰিছিল 'Art is not pleasure trip. It is a battle' কলা, আমোদ নহয় এটি সংগ্ৰাম। সেয়ে বিশ্ববিদ্যালয়ৰ প্ৰৱক্তাৰ চাকৰি ইস্তফা দি অনিশ্চিত সংগ্ৰামী জীৱনত জপিয়াই ডঃ হাজৰিকাই গীতৰ সৃষ্টিৰ লগে লগে চলচ্চিত্ৰ নিৰ্মাণৰ পিনেও ব্ৰতী হৈ পৰিল। দক্ষতাৰে নিৰ্মাণ কৰিলে অসমীয়া, বঙালী, হিন্দী ছবি আৰু ইংৰাজী তথ্যচিত্ৰ। সুমধুৰ সুৰেৰে সংগীত পৰিচালনা কৰিলে অসমীয়াৰ উপৰিও কেইবাখনো হিন্দী, বাংলা আৰু এখন ভোজপুৰী ছবি। ই সঁচাকৈয়ে অতি গৌৰৱৰ কথা। সাধনাৰ শ্ৰম অথলে নাযায়। এই বাবেই অৱশেষত হাজৰিকাই চলচ্চিত্ৰ জগতৰ অন্যতম সৰ্বশ্ৰেষ্ঠ সন্মান "দাদা চাহেব ফাল্‌কে বঁটা ('৯৩)"

লাভ কৰিলে। ডঃ হাজৰিকাই লাভ কৰা অন্যান্য পুৰস্কাৰ সমূহৰ ভিতৰত বাংলা চলচ্চিত্ৰ প্ৰসাৰ সমিতি বঁটা ('৭৬); দিশাৰী পুৰস্কাৰ ('৭৭); ঋত্বিক ঘটক স্মৃতি পদক ('৭৭); পদ্মশ্ৰী (ভাৰত চৰকাৰ '৭৭); HMV ৰ সোণালী ডিস্ক ('৭৮); শংকৰদেৱ বঁটা (অসম চৰকাৰ '৮৭); সংগীত নাটক অকাডেমী বঁটা ('৮৭); ইম্পা এৱাৰ্ড ('৮৭) আদিৰ কথা বিশেষভাবে উল্লেখ কৰিব পাৰি। এনেকৈয়ে দেশ তথা বিশ্ব ডৰখ্যাতি লাভ কৰিবলৈ সক্ষম হোৱা ডঃ হাজৰিকাই প্ৰথম বঁটা লাভ কৰিছিল আমেৰিকাত উনৈশ একানব্বৈ কি বাৱন্ন চনত। সেয়া আছিল "শ্ৰেষ্ঠ লোকসংগীত পৰিবেশক'ৰ স্বৰ্ণ পদক লাভ।

চলচ্চিত্ৰৰ প্ৰতি মনোযোগ আছিল বাবেই নাট-ভাওনাৰ সম্পৰ্কেও এঠাইত হাজৰিকাই লিখিছে এখন পিয়লি ফুকন,' এখন 'কিয়', এখন 'মণিৰাম দেৱান' লৈয়েই নৱ নাট্য আন্দোলন গঢ়িব নোৱাৰি। ব্ৰজ শৰ্মা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, জগত বেজবৰুৱা, জ্যোতি প্ৰসাদ, ফণী শৰ্মা, সাৰদা বৰদলৈ, চন্দ্ৰ ফুকন, যুগল দাস আদি কৰি অনেক প্ৰতিভাই হিয়া ভুকুৱাই অকলে অকলে বহুবাৰ কান্দিছিল বা কান্দিছে এটি জাতীয় নাটঘৰ আজিও অসমত হোৱা নাই বুলি। অসমত এটি জাতীয় নাটঘৰ হলেহে অসমৰ নাট্য আন্দোলন উন্নতিৰ প্ৰাৰম্ভিক সোপান পাব।

যি কি নহওক ডঃ ভূপেন হাজৰিকাৰ বাবে ১৯৯২ চনত ২২ নবেম্বৰ দিনটো আছিল এটি স্মৰণীয় দিন। প্ৰধান সম্পাদকে আনুষ্ঠানিকভাবে ঘোষণা কৰিলে ডঃ ভূপেন হাজৰিকা '৯৩ চনৰ অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হ'ল। খবৰ শুনি হাজ-ৰিকাই ক'লে 'কথাষাৰ যদি সঁচা হয়, তেনেহলে ই মোৰ কাৰণে নিশ্চয় অতি আনন্দৰ কথা আৰু বহুতো ডাঙৰ দায়িত্বৰ কথা।' এৰা, কোনে জানে তেনে এটা মূহুৰ্ত্তত তেতিয়া তড়িৎবেগে হাজৰিকা

উৰা মাৰিছিল সুদূৰ আমেৰিকালৈ বিবাহ বিচ্ছেদৰ আঘাতে মৰ্মাহত কৰা যাযাবৰী মনে প্ৰিয়ম্ব পেটেল আৰু একমাত্ৰ পুত্ৰ সন্তান তেজ হাজৰিকাৰ ওচৰলৈ। হয়তো 'মোৰে চেনাই মামনি' বুলি প্ৰথম প্ৰেয়সীজনীৰ কাষলৈ কলিকতালৈ। অথচ তেতিয়া হাজৰিকা আছিল গুৱাহাটী নিজৰা পাৰৰ নিজ বাসভৱনত।

কাম যিয়েই নহওক, সকলোতে ভাল বেয়া, সঁচা মিছা সমালোচনা আছেই। সেয়ে সভাপতিৰ পদ লাভ কৰাৰ দুদিনৰ পিচতেই ড০ হাজৰিকাইয়ো ঘুমুক ঘানাকৈ হলেও এটা সমালোচনাৰ সন্মুখীন হব লগীয়া হ'ল। কেৱল গীত গাই গাইয়ে যাযাবৰী জীৱনকে কটাবলৈ ইচ্ছা কৰা মানুহ এজনে সাহিত্য সভাৰ কিঁ কাম কৰিব। এয়া হয়তো কোনো কাকতে পত্ৰই প্ৰকাশ নোপোৱা অথচ আমাৰ কৰ্ণপাত হোৱা অসমীয়া সাহিত্যৰ লিখক অথবা পঢ়ুৱৈ কেইজনমানে কৰা মনৰ ক্ষোভ। প্ৰয়াত সভাপতি গিৰিধৰ শৰ্মাৰ ক্ষেত্ৰতো এনেধৰণৰ উক্তিকেই প্ৰকাশ কৰা হৈছিল।

পিচে আমি এইষাৰ কথাও মানিব লাগিব যে মাত্ৰ এটা বছৰ কাৰ্য্যকালৰ ভিতৰতে পৰিকল্পিত আঁচনিমতে সকলোবোৰ কাম সম্পূৰ্ণ কৰিব পৰাটো তেনেই সহজ কথা নহয়। তেনে উদাহৰণ এতিয়ালৈ আমাৰ দৃষ্টিগোচৰ হোৱা নাই। এইবাবেই গোৰেশ্বৰ অধিবেশনৰ বিষয় বাছনি সভাত অসম সাহিত্য সভাৰ কাৰ্য্যকাল এবছৰীয়/দুবছৰীয়া হব লাগে বুলি প্ৰস্তাৱ উৎথাপন হৈছিল যাৰ ফলত প্ৰতিনিধিসকলৰ মাজত বাক বিতণ্ডাৰ সৃষ্টি হৈ কোনো এটা সিদ্ধান্তলৈ সহজে আহিব পৰা নাছিল। এনেবোৰ কথা ড০ হাজৰিকাৰো কৰ্ণপাত হৈছিল। সেয়ে এটি সাক্ষাৎকাৰত গুৱাহাটী আঁনাতাৰ যোগে তেখেতে কৈছিল "বৰ্ত্তমান অসম সাহিত্য সভাৰ কাৰ্য্যকাল এবছৰীয়া/দুবছৰীয়া কৰা লৈ আলোচনা বিলোচনা

চলি আছে। মোৰ বোধেৰে দুবছৰীয়া হোৱাটোৱেই ভাল হয়। তেতিয়া হলে কিছু কাম কৰিব পৰা যায় নেকি?” প্ৰসঙ্গত সভাপতিৰ ভাষণত হাজৰিকাই কোৱা তলৰ কথাকেইশাৰীও উল্লেখ কৰিব পাৰি এই দৰে ‘সময়ৰ অগ্ৰগতিৰ লগতে অসম সাহিত্য সভাৰ পৰিসৰ বাঢ়ি গৈছে। ইমানবোৰ নতুন. নতুন আঁচনি গ্ৰহণ কৰিব লগা হৈছে। ধন কৰ পৰা আহিব? ""জোৰপুৰি হাত পালেহি। আজিয়েই সময়। আহক আমি এই হীৰক জয়ন্তীৰ পবিত্ৰ দিনত এই ৰংপুৰ ইমান সহস্ৰ সহস্ৰ ভাষা সাহিত্য প্ৰেমী ৰাইজৰ উপস্থিতিত, কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী কৰোঁ, যেন অসম চুক্তিৰ ৬ষ্ঠ দফাত যি ধৰণৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল সেই প্ৰতিশ্ৰুতি আজিৰ পৰা পালন কৰা হয়।”

ডঃ হাজৰিকাই ভালকৈয়ে উপলব্ধি কৰিছিল সমন্বয় আৰু সংমিশ্ৰণৰ ফলত ভাষাৰ ৰক্ষণশীলতা ক্ৰমে লোপ পাবলৈ আৰম্ভ কৰিছে, অসমীয়া সৃষ্টিধৰ্মী সাহিত্যত বিভিন্ন থলুৱা গোষ্ঠী, জনজাতি, সম্প্ৰদায় আদিৰ সমাজ-জীৱন প্ৰকাশ অবিহনে সাহিত্য জনপ্ৰিয়তা অৰ্জন কৰিব নোৱাৰে অথবা আঞ্চলিক ভাষাত জনজীৱনক ৰূপায়িত কৰিব নোৱাৰিলে সিও কোনোধৰণৰ সুন্দৰ দৃষ্টান্ত হব নোৱাৰে। এনেবোৰ কথাৰ বাবেই তিৱা সাহিত্য সভাৰ সাধাৰণ সম্পাদক নাৰায়ন কুমাৰ ৰাতুকাকতীয়ে “১৯৮৯ চনৰ পৰা কাৰ্যাক্ষেত্ৰত সক্ৰিয় হোৱা ভাষা সমন্বয় মঞ্চঃ অসম ৰ জৰিয়তেই অসমৰ বিভিন্ন ভাষা সাহিত্যৰ অনুষ্ঠানে সন্মুখীন হৈ অহা সমস্যাৰ সমাধান কৰাত গুৰুত্ব আৰোপ কৰাৰ লগতে অসমৰ সামাজিক সমন্বয়ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত কাৰ্য্যকৰী পদক্ষেপ কিছুমান অচিৰেই লোৱা উচিত” এই বুলি কৰা মন্তব্যৰ প্ৰতি ডঃ হাজৰিকাইয়ে গুৰুত্ব আৰোপ কৰিছিল আৰু কৈছিল “ভাষা সমন্বয় মঞ্চৰ কাৰ্য্যাৱলী ত্বৰান্বিত কৰিবলৈ আজিয়েই আমি পণ লোৱা উচিত। ""এই আঁচনি

অকল অঁাচনি হ'লেই নহব। মই আজি আপোনাসৱৰ সেৱকৰূপে ঘোষণা কৰিব খুজিছো যি কাৰণতেই নহওক নবীন সাহিত্যিক সকল অসম সাহিত্য সভাৰ পৰা কিছু আঁতৰি আতৰি থকাৰ কথা মই জানো। হে মোৰ নবীন লিখক আৰু লিখিকাসকল আহক আপোনালোকেই অসম সাহিত্য সভাখন ন-কৈ সজাওক। "পৰম্পৰক স সন্মানে বুজিবলৈ চেষ্টা কৰা সুবিশাল মঞ্চ হওক এই মহান সাহিত্য সভা।"

অমৃত বসুমতাৰী

অসম সাহিত্য সভাৰ ষষ্টিতম অধিবেশনৰ সভাপতি

অসম বুৰঞ্জীৰ প্ৰসিদ্ধ পণ্ডিত ডঃ লীলা গগৈ

"মনত ৰাখিব, আমি মানুহ, আমি একে মানুহৰ তেজ মঙহৰ সন্তান, আমাৰ আশা-আকাংক্ষা একে, আমাৰ সমস্যা একে। মানৱতাৰ আদৰ্শৰে উদ্বুদ্ধ মহান সাহিত্যই আমাক ঐক্যবদ্ধ হৈ কাম কৰিবলৈ প্ৰেৰণা দিয়ক আৰু অমৰ হৈ জীয়াই থাকক। ষড়যন্ত্ৰ কাৰীৰ কূট-কৌশল, আক্ৰমণ কাৰীৰ গতি দুৰ্বাৰ শক্তিৰে প্ৰতিহত কৰিবলৈ আমাৰ দেহত বল, মনত শক্তি আৰু বুকুত সাহস দিয়ক।"

অসম সাহিত্য সভাৰ মৰিগাওঁ অধিবেশনৰ সভাপতি ড: লীলা গগৈয়ে তেওঁৰ অভিভাষণত আৰু কয়—"অসমীয়া জাতিক কোনেও মাৰিব নোৱাৰে; নমৰে ই ৰক্তবীজৰ সন্তান। এই জাতিৰ জন্মতেই লাগি আছিছে অক্ষয় জীৱনী শক্তি। কিন্তু সচেতনতা আৰু জাগৃতিৰ প্ৰয়োজন। ইয়াকে কৰিবলৈ মাত্ৰ এটিয়েই অনুষ্ঠান আছে, সেয়ে অসম সাহিত্য সভা।"

অতি সাধাৰণ পৰ্যায়ৰ পৰা আহি নিজ সাধনা আৰু একাগ্ৰতাৰ বলত অসমীয়া সাহিত্য জগতৰ ভোটা তৰা ৰূপে পৰিচিত হোৱা; 'খৰা শিয়ালৰ বিয়া, নামৰ শিশু পুথিৰে আত্মপ্ৰকাশ কৰা ড: গগৈয়ে প্ৰায় তিনিকুৰি গ্ৰন্থ অসমীয়া ভাষাৰ সাহিত্যৰ বেদীলৈ, উপহাৰ দি গৈছে। সেয়ে ১৯৯৪ চনৰ ২৩ জুলাই তাৰিখে

হৃদৰোগত আক্ৰান্ত হৈ মৃত্যুৰ বতৰি বিয়পি পৰাৰ পাচত ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰী পি ভি নৰসিংহ ৰাৱে কয় "সাহিত্য জগতে এজন সু-প্ৰসিদ্ধ লিখক হেৰুৱালে।" গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড ঃ নিৰ্মল কুমাৰ চৌধুৰীয়ে কয় "দুকুৰি বছৰ পূৰ্বে 'কপলি' ছিগা ৰেলে'ৰে অসমীয়া পাঠক সমাজত জনপ্ৰিয় হৈ পৰা গগৈৰ লিখনীৰ মাজত বেজবৰুৱাৰ হাস্যৰসৰ সোৱাদ পোৱা গৈছিল। লোক সং-স্কৃতিৰ গবেষক আৰু বুৰঞ্জীবিদ হিচাপে তেওঁৰ বুৎপত্তি সৰ্বজন বিদিত।" দৈনিক অসম কাকতৰ সম্পাদকীয় স্তম্ভত যি সময়ত অসম; অসমীয়া ভাষা আৰু অসমীয়া মানুহৰ চৰম বিপৰ্যযৰ সন্মুখীন হৈ -আছে, যি সময়ত এই দুৰ্যোগৰ পৰত অসমৰ ৰাইজে অসম সাহিত্য সভালৈ আশাৰে চাই আছে, সেই সময়তে সভাৰ সভাপতি ডঃ গগৈ আমাৰ মাজৰ পৰা গুচি গ'ল।"

অসমীয়া ভাষা সাহিত্যৰ বিশিষ্ট পূজাৰী ডঃ লীলা গগৈৰ দেহাৱসানৰ লগে লগে অসমৰ লোক-সংস্কৃতিৰ গবেষণাৰ এটা যুগৰ অন্ত পৰিল। অসমৰ ছশ বছৰীয়া আহোম ৰাজত্বৰ উত্থান-পতনৰ কাহিনী বেলি মাৰ গ'ল'ৰ লিখক ডঃ গগৈয়ে উপন্যাস, লঘুৰচনাৰ উপৰিও গীত আৰু কবিতাৰেও অসমীয়া সাহিত্যৰ ভৰাল চহকী কৰি গৈছে। অসম সাহিত্য সভাৰ ৬০ তম মৰিগাওঁ অধিবেশনৰ বাবে নিৰ্বাচিত সভাপতি ডঃ গগৈৰ জন্ম হয় ১৯৩০ চনৰ ২৫ নবেম্বৰত শিৱসাগৰ চেৰকাপাৰৰ হাতীমূৰীয়া গাৱঁত। পিতৃ ধনীৰাম গগৈ আৰু মাতৃ সৰুমালা গগৈ। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে নবেম্বৰ মাহত জন্ম লাভ কৰা ডঃ গগৈ নবেম্বৰ মাহতে অসমৰ মহান জাতীয় অনুষ্ঠানটোৰ নেতৃত্বলৈ নিৰ্বাচিত হয়। চেৰকাপাৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষা আৰম্ভ কৰি ১৯৫০ চনত শিৱসাগৰ হাইস্কুলৰ পৰা সংস্কৃতত লেটাৰ সহ প্ৰবেশিকা পাচ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬২ চনত স্নাতকোত্তৰ

আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা 'অসমীয়া বুৰঞ্জী সাহিত্য'ৰ সমালোচনাত্মক অধ্যয়ন বিষয়ত পি-এইচ ডি ডিগ্ৰী লাভ কৰে।

খ্যাতনামা সাহিত্যিক, শিক্ষাবিদ, অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ নিস্বাৰ্থ সেৱক, খাচ অসমীয়া ডঃ গগৈৰ উল্লেখযোগ্য ৰচনা সমূহৰ ভিতৰত বুৰঞ্জীঃ—বুৰঞ্জীয়ে পৰশা নগৰ, ১৯৫৭; হেৰোৱা দিনৰ কথা, ১৯৫৭; শৰাইঘাটৰ যুদ্ধৰ কথা, ১৯৭৭; বেলি মাৰ গ'ল, ১৯৮৩; বুৰঞ্জীয়ে কথা কয়; ১৯৯১। সংস্কৃতিঃ—আহোম জাতি আৰু অসমীয়াসংস্কৃতি, ১৯৬১; বিহু এটি সমীক্ষা, ১৯৬৯; টাই সংস্কৃতিৰ ৰূপৰেখা ১৯৭১; সাহিত্য সংস্কৃতি বুৰঞ্জী, ১৯৭২; অসমৰ সংস্কৃতি, ১৯৮২। লোক সাহিত্যঃ—অসমীয়া লোক-গীতি, ১৯৫৭; মনিৰাম দেৱানৰ গীত, ১৯৫৭; জোনবাই এ এটি তৰা দিয়া, ১৯৫৭, অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা, ১৯৬৮; বিহুগীত আৰু বনঘোষা, ১৯৬৭। লঘুৰচনাঃ—কপলিং ছিগা বেল, ১৯৫৯; বিয়েৰিং চিঠি, ১৯৭৬; বৃকোদৰ বৰুৱাৰ বিয়া, প্ৰথম খণ্ড ১৯৭৭; বিশেষ কি লিখিম, ১৯৭৮ ইত্যাদি। গীত আৰু গীতি কবিতাৰ পুথি হ'ল—গীতি—মালঞ্চ, ১৯৬৪; সোণালী, ১৯৭৮; জোনাকৰ গীত, ১৯৭৯। শিশু সাহিত্য—খঁৰা শিয়ালৰ বিয়া, ১৯৫৪; সোণতৰা, ১৯৫৪; ভাৰতৰ কথা, ১৯৭২; ৰংমনৰ কথা, ১৯৬৩; জয়মতী কুঁৱৰী আৰু মূলাগাভৰু, ১৯৬৩ ইত্যাদি। উপন্যাসিক—উপন্যাস—নৰগৰ মুকুতা, ১৯৫৭। ডকাইত কোন, ১৯৫৭; নীলা খামৰ চিঠি, ১৯৬৩; নৈ বৈ যায়, ১৯৮৩। প্ৰবন্ধ—সাহিত্য-সংস্কৃতি বুৰঞ্জী, ১৯৭২; চিন্তাৰ স্বাক্ষৰ, ১৯৯১ চন ইত্যাদি। অনুবাদ গ্ৰন্থ—বংগৰ লোক সংস্কৃতি, ১৯৮৩; ইংৰাজী গ্ৰন্থ—THE TAI-KHAMTIS OF NORTH EAST INDIA, 1971 The history of the system of Ahom Administration, 1991 ইত্যাদি।

একালে লোক সংস্কৃতি আনহাতে বুৰঞ্জীৰ গৱেষণা এই দুয়োটি দিশত অসমীয়া জাতীয় জীৱনলৈ চিৰস্মৰণীয় বৰঙণি আগবঢ়াই অসম সাহিত্য সভাৰ লগত সুদীৰ্ঘ ৪০ বছৰ কাল জড়িত ড: গগৈয়ে অসম সাহিত্য সভাৰ সভাপতি হিচাপে দায়িত্ব লৈ কেইটামান অনন্য গুৰুত্বপূৰ্ণ প্ৰস্তাৱ কাৰ্য্যকৰী কৰণৰ ব্যৱস্থা কৰিছিল আৰু তেখেতেই সংহতি আৰু সম্প্ৰীতিৰ নতুন ভেটিত আগুৱাই যোৱাৰ বাবে বাইজলৈ আহ্বান জনাইছিল। সেয়ে অগ্ৰদূত কাকতৰ সম্পাদক কনকসেন ডেকাই কৈছিল—'বেলি মাৰ গ'লৰ লিখক গগৈ পিচলৈ আহোম বা শিৱসাগৰীয়া হৈ নাথাকি একন ভাল ভাৰতীয়ত পৰিণত হৈছিল।" সম্প্ৰীতি মঞ্চৰ সাধাৰণ সম্পাদক ডা: এছ এ জাদিছে কয়—"ড: লীলা গগৈৰ মৃত্যু অসমীয়া সাহিত্য জগতৰ অপূৰণীয় ক্ষতি। অসমৰ বিভিন্ন জাতি, ধৰ্ম, ভাষা, গোষ্ঠীক সম্প্ৰীতিৰ দোলেৰে বান্ধি একত্ৰিত কৰাৰ মহৎ আঁচনি বাস্তৱত:- ৰূপায়িত কৰিবলৈ নৌ পাওঁতেই তেওঁৰ পৰলোক প্ৰাপ্তি ঘটাটো দূৰ্ভাগ্য জনক।" অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সদস্য, কোষাধ্যক্ষ, প্ৰধান সম্পাদক, উপ সভাপতি, বুৰঞ্জী শাখাৰ সভাপতিৰ পদো ড: গগৈয়ে অলংকৃত কৰিছিল। বিশেষকৈ তেখেতে ১৯৭৮ চনৰ গোলাঘাট অধিবেশনৰ আৰু ১৯৭৯ চনৰ গুৱালকুছি অধিবেশনৰ প্ৰধান সম্পাদকৰ গুৰুত্বপূৰ্ণ দায়িত্ব বহন কৰি বিভিন্ন কাৰ্য্যসূচী সম্পাদনা কৰিছিল। এই গৰাকী নিস্বাৰ্থ সেৱকৰ যত্নতে অসম সাহিত্য সভাৰ তৃতীয় গৰাকী সভাপতি কালিৰাম মেধিৰ জন্ম শতবাৰ্ষিকী উদযাপন কৰা হৈছিল। লগতে প্ৰকাশ কৰা হৈছিল কালিৰাম মেধি ৰচনাৱলী"; কালিৰাম মেধি স্মৃতিগ্ৰন্থ; মেধিৰ ইংৰাজী ৰচনাৱলী ষ্টাডিজ ইন বৈষ্ণৱাইট লিটাৰেচাৰ এণ্ড কালচাৰ অৱ আসাম'। ইয়াৰ উপৰিও অৰুণাচল, মেঘালয়, মণিপুৰ, নগালেণ্ডৰ উপৰিও উত্তৰ কাছাৰ জিলাত অসম সাহিত্য সভাৰ ভৰ্টেচ্ছা

মূলক ভ্ৰমণৰ কাৰ্যসূচী; লৈ অসম সাহিত্য সভাৰ ভাবমূৰ্তি উজ্জ্বল কৰাত সহায় কৰিছিল তেখেতৰ প্ৰধান সম্পাদকৰ কাৰ্য্যকালতে অসম সাহিত্য সভাই লাভ কৰে গুৱাহাটীত এটি তিনি মহলীয়া ঘৰ নিৰ্মাণৰ বাবে এক লাখ টকা "সংগীতাচাৰ্য লক্ষীৰাম বৰুৱাৰ স্মৃতিত" শিৱসাগৰৰ প্ৰফুল্ল চন্দ্ৰ বৰুৱা আৰু পৰশুৰাম বৰুৱাৰ পৰা। কৃষ্ণকান্ত সন্দিকৈৰ পৰাও অসম সাহিত্য সভাৰ প্ৰধান কাৰ্য্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ মেৰামতিৰ বাবে ধন পাইছিল। দুৰ্গেশ্বৰ শৰ্মাৰ উত্তৰাধিকাৰী সকলৰ পৰা দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলীৰ স্বত্বও অসম সাহিত্য সভাই লাভ কৰে।

অসমীয়া সাহিত্য-বুৰঞ্জী, লোক সংস্কৃতিৰ বিভিন্ন বিষয়ৰ ওপৰত প্ৰগাঢ় পাণ্ডিত্যৰ অধিকাৰী ডঃ গগৈয়ে শেহতীয়াভাবে কিছুকালধৰি অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ সঞ্চালকৰ পদতো কাৰ্য্যনিৰ্বাহ কৰিছিল। এটি সাক্ষাৎকাৰত ইতিহাসৰ ছাত্ৰ-ছাত্ৰী সকললৈ ডঃ গগৈয়ে কৈছিল—'নতুন প্ৰজন্মৰ ইতিহাসৰ ছাত্ৰ-ছাত্ৰীক মোৰ কবলগীয়া কি আছে। গভীৰ আৰু ব্যাপক অধ্যয়ন বস্তুনিষ্ঠ, নিৰপেক্ষ বিচাৰ আৰু সত্যনিষ্ঠ এজন বিচাৰকৰ দৰে ভয়-ভীত-ৰাগ-দ্বেষ বিবৰ্জিত হৈ ইতিহাস ৰচনা কৰিব লাগে।"

ডঃ গগৈয়ে অসমীয়া সাহিত্যৰ ভঁৰালৈলৈ উপহাৰ দিয়া 'বৃকোদৰ বৰুৱাৰ বিয়া' গুৱাহাটী দূৰদৰ্শনৰ এখন বেছ জনপ্ৰিয় ছবিয়েল হিচাপে চিহ্নিত হৈছে। আন এখন ৰচনা 'কপলিং ছিগা বেল' হাস্যৰসৰ সোৱাদেৰে ভৰা। সদা হাস্যমান, কৰ্ম-তৎপৰ, স্পষ্টবাদী, গভীৰ বিবেচনাপ্ৰসূত সিদ্ধান্তৰ বাবে অনেক জন জ্ঞানী ব্যক্তিয়ে তেখেতক দিছিল উচ্চ আসন। মাত্ৰ ৬৩ বছৰ সময়তে অসম সাহিত্য সভাৰ সভাপতিৰ কাৰ্যকাল শেষ নোহোৱাতে ১৯৯৪ চনৰ ২৩ জুলাই তাৰিখৰ আবেলি ৫-৪০ বজাত ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ত হৃদৰোগত আক্ৰান্ত হৈ

চিৰদিনৰ বাবে স্মৰণীয়া হয়। এই গৰাকী অসমীয়া সাহিত্যৰ পূজাৰী আৰু কিছুকাল এই জনা ব্যক্তি সমাজত থকা হেতেন অসমীয়া সাহিত্যই ভালেখিনি উপহাৰ পালেহেতেন। অসম সাহিত্য সভাই যি আশাৰে তেখেতৰ হাতত দায়িত্ব অৰ্পণ কৰিছিল সেয়াও নিশ্চয় কাৰ্য্যকৰী বাটলৈ আহিল হেতেন। সেয়ে মৰিগাওঁ অধিবেশন স্থলিতে কৈছিল "এইবাৰে সাহিত্য সভাৰ আঁচনি আৰু খতিয়ানৰ পুণৰীক্ষণ কৰা উচিত। কি পটভূমিত আঁচনি গ্ৰহণ কৰা হৈছিল, কি ঘটনাচক্ৰত আধৰুৱা হৈ ৰ'ল বা সমুলঞ্চে বাদ পৰিল তাৰ বিচাৰ হোৱা উচিত।" এনে মন্তব্যৰ গুৰিতে আছে সাহিত্যিক গগৈৰ দৃঢ়তা। কাৰণ অসম সাহিত্য সভালৈ ডঃ গগৈকক বাহিৰৰ পৰা আনি সময়ত ৰোপণ কৰা হোৱা নাই। সভাৰ লগত তেখেতৰ সম্পৰ্ক অংগীয়। খ্যাতনামা সাহিত্যিক গৰাকীৰ জন্ম, বিকাশ আৰু সিদ্ধি লাভো অসম সাহিত্য সভাৰ বৰ মজিয়াতে বুলি কলে ভুল নহ'ব। ডঃ গগৈৰ মৃত্যুৰ সময়ত তেওঁৰ পত্নী শ্ৰীমতী চন্দ্ৰ প্ৰভা গগৈ আৰু দুগৰাকী জীয়েক লনি গগৈ আৰু জুৰি গগৈক এৰি থৈ যায়।

ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ সান্নিধ্যলৈ আহি অসমীয়া বুৰঞ্জী সাহিত্যত মনোনিবেশ কৰা ডঃ গগৈয়ে অসম সাহিত্য সভাৰ এক চত্বাৰিংশ অধিবেশনৰ সভাপতি ভাৰতৰ বিশিষ্ট পণ্ডিত পদ্মশ্ৰী ডঃ মহেশ্বৰ নেওগৰ তত্ত্বাৱধানত পি এইছ ডি ডিগ্ৰী লাভ কৰিছিল। 'জনমভূমি' কাকতৰ একালৰ জনপ্ৰিয় শিতান "ন্যায়সোধা ফুকনৰ চ'ৰা"ৰ লেখক ডঃ লীলা গগৈয়ে ১৯৫০ চনত শিৱসাগৰ টাউন হাইস্কুলৰ সহকাৰী শিক্ষকৰূপে কৰ্মজীৱন আৰম্ভ কৰে। ১৯৬০ চনত একে হাইস্কুলতে প্ৰধান শিক্ষক। ১৯৫৪ চনত বুৰঞ্জী আৰু পুৰতত্ত্ব বিভাগৰ গবেষক; ১৯৫৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি আৰু জনজাতীয় সংস্কৃতি বিভাগত গবেষক; ১৯৫৫-৫৭ চনত-নতুন অসমীয়াৰ সম্পাদনা বিভাগত; ১৯৬৩ চনত

আকাশ বানী গুৱাহাটী কেন্দ্ৰত প্ৰডিউচাৰ; ১৯৬৩-৬৪ চনত গড়-গাওঁ কলেজত অসমীয়া বিভাগৰ অধ্যাপক; ১৯৬৪-৬৮ চনত শিৱসাগৰ কলেজত অসমীয়া বিভাগৰ অধ্যাপক; ১৯৬৮ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ অধ্যাপক; ১৯৭৩-৮৩, ১৯৯০ চনলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সচিব; ১৯৮৩-৯০ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ ৰীডাৰ; ১৯৯০ চনত অসমীয়া বিভাগৰ প্ৰফেছাৰ হিচাপে নিযুক্ত হয়। ১৯৯০ চনত বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ।

ডঃ গগৈয়ে তেখেতৰ সাহিত্যকৃতীৰ স্বীকৃতি স্বৰূপে কেন্দ্ৰীয় চৰকাৰৰ শিশু সাহিত্য প্ৰতিযোগিতাৰ পুৰস্কাৰ, ১৯৬৩ চনত 'ৰংমনৰ কথা'ৰ বাবে ইউনেস্কো নৱ সাক্ষৰ সাহিত্যৰ পুৰস্কাৰ ১৯৬৫ চনত (সীমান্তৰ মাটি আৰু মানুহৰ বাবে; সীতানাথ ব্ৰহ্ম চৌধুৰী পুৰস্কাৰ ১৯৮৩ চনত লাভ কৰে। সু-সাহিত্যিক, বুৰঞ্জীবিদ, হাস্য ৰসিক ডঃ লীলা গগৈৰ আকস্মিক আৰু অকাল বিয়োগ নোহোৱা হেতেন কঢ়িয়াই আনিব পাৰিলেহেত আৰু অনেক সন্মান" কলেজীয়া জীৱনতে প্ৰবন্ধকাৰ হিচাপে স্বীকৃত লীলা গগৈৰ সাহিত্যিক জীৱনৰ আৰম্ভণি হৈছিল এই শতিকাৰ পঞ্চাশৰ দশকৰ পৰা। ডঃ গগৈৰ অসম সাহিত্য সভাৰ ষষ্টিতম অধিবেশনৰ সভাপতিৰ অভিভাষণৰ কথাৰে সামৰিছো —

"অসম সাহিত্য সভাৰ লগত জনসাধাৰণৰ গভীৰ নাড়ীৰ সম্পৰ্ক আছে বাবেই, এই অনুষ্ঠান এটি মহৎ জাতীয় অনুষ্ঠানলৈ পৰিণত হৈছে। এই অনুষ্ঠানৰ বিষয়ববীয়া আৰু কৰ্মীসকল যদি আশাশুধীয়া, সৎ, চিন্তাশীল আৰু জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ কামত আত্মনিয়োগ কৰে, এই অনুষ্ঠান দোপত দোপে আগবাঢ়ি গৈ থাকিব।"

সঁচা অৰ্থত এজন খাঁটি, নিগাজি আৰু যথাৰ্থ সম্পৰ্ক থকা লোক অসম সাহিত্য সভাৰ সভাপতিৰ পদলৈ আহিছিল। কথা-বতৰা, সাজপাৰ চলন-ফুৰণত এজন খাচ অসমীয়া অসমীয়া লগা ব্যক্তি।

—মদন চন্দ্ৰ মেধি

‘অসম সাহিত্য সভাৰ সভাপতি সকলৰ জীৱন সমীক্ষা’ গ্ৰন্থৰ

সম্পাদনা সমিতি

সম্পাদক

মদন চন্দ্ৰ মেধি

সদস্য

অমৃত বসুমতাৰী

প্ৰদীপ শৰ্মা

কাৰ্তিক চন্দ্ৰ তামুলীফুকন

পদ্ম কান্ত গায়ন